অসীমৰ যাত্ৰী

অসীমৰ যাত্ৰী

মূল ইংৰাজী
মীৰা বেন

অনুবাদিকা
বিমল ভাগৱতী

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৩

প্রকাশক
চন্দ্রপ্রসাদ শইকীয়া
সচিব, অসম প্রকাশন পৰিষদ
গুৱাহাটী-৩

প্রথম প্রকাশ
জানুৱাৰী, ১৯৭২

মূল্য দহ টকা

মুদ্রাকৰ
শ্রীকালিদাস মুন্‌ছী
পুৰাণ প্রেছ
২১ ৰলৰাম ঘোষ ষ্ট্রীট,
কলিকতা-৪

ভূমিকা

'The Spirit's Pilgrimage' মহাত্মা গান্ধীৰ এগৰাকী ঘনিষ্ঠতম আৰু বিশ্বাসী শিষ্যা, ব্ৰিটিছ নৌ-সেনাধ্যক্ষৰ জীয়ৰী মেডেলিন ষ্লেড (Madeleine Slade) আত্ম-জীৱনী। এক নিঃস্বাৰ্থ আদৰ্শৰ অন্বেষণত নিজকে উৎসৰ্গ কৰা এগৰাকী বিস্ময়কৰ মহিলাৰ ই এখন অসাধাৰণ আৰু ঘটনাবহুল জীৱন-কাহিনী।

এড্‌মিৰেল ষ্লেডৰ কন্যা মীৰা বেন বা মেডেলিন ষ্লেডৰ জন্ম হৈছিল ১৮৯২ খ্ৰীষ্টাব্দত। ভাৰতীয় জনসাধাৰণ আৰু তেওঁলোকৰ আশা-আকাঙ্ক্ষাৰ লগত সামান্যও চিনাকি নথকা অতি বিলাসী আৰু জাকজমকতা পূৰ্ণ পৰিবেশত ভাৰততে তেওঁ কিছুদিন থাকি গৈছিল।

পিচত লণ্ডনত থকাৰ সময়তহে তেওঁৰ আধ্যাত্মিক অন্বেষণ আৰম্ভ হয়। 'জঁা খ্ৰষ্টফা'ৰ লেখক ৰোমাঁ ৰোলাৰ লেখাসমূহে তেওঁক এই অন্বেষণৰ বাবে যথেষ্ট প্ৰেৰণা যোগায়। ৰোমাঁ ৰোলাক সাক্ষাৎ কৰোঁতে তেওঁ মীৰাক ভাৰতবৰ্ষৰ কথা কয় আৰু মহাত্মা গান্ধীৰ বিষয়ে লিখা তেওঁৰ শেহতীয়া পুথিখন মুদ্ৰণালয়ত ছপা হৈ থকাৰ কথা উল্লেখ কৰে। অথচ তেতিয়ালৈকে মীৰা বেনে গান্ধীৰ বিষয়ে অলপ দূৰৰ কথা, তেওঁৰ নামটোকে শুনা নাছিল। মীৰা বেনে গান্ধীৰ নাম শুনা নাই বুলি ক'লত ৰোমাঁ ৰোলাই মাথোন ক'লে, "He is another Christ."

ইয়াৰ পিচত মীৰা বেনে ইজিপ্ত ভ্ৰমণ কৰে আৰু ভাৰপৰা পুনৰ পেৰিচলৈ প্ৰত্যাবৰ্তন কৰে। ৰোমাঁ ৰোলাৰ সদ্য-প্ৰকাশিত 'মহাত্মা গান্ধী' পুথিখন পঢ়িবলৈ তেওঁ অধৈর্য হৈ পৰিছিল। পেৰিচ পায়েই পিচদিনা পুৱা তেওঁ পুথিখন কিনি আনে আৰু সন্ধ্যা তাক পঢ়ি সমাপ্ত কৰে। দৰাচলতে ক'বলৈ গ'লে ৰোমাঁ ৰোলাৰ 'মহাত্মা গান্ধী' পুথিখনেই তেওঁক ইংৰাজ এড্‌মিৰেল দুহিতা মেডেলিন ষ্লেডৰপৰা গান্ধীজীৰ পৰম অনুগত শিষ্যা ৰাবাগী মীৰা বেনলৈ ৰূপান্তৰিত কৰে। ভয়শূন্য আৰু অহিংসাৰ পথেৰে পৰিচালিত কৰি নিপীড়িত, নিৰ্যাতিত ভাৰতবাসীক মুক্ত কৰিবলৈ গান্ধীজীয়ে লোৱা বিৰাট ভূমিকাত মীৰা বেন মুগ্ধ হৈ পৰিল আৰু তৎমুহূৰ্তে তেওঁ ভাৰতবৰ্ষলৈ আহি গান্ধীজীৰ মহান কাৰ্যত জীৱন উৎসৰ্গ কৰিবলৈ সঙ্কল্প গ্ৰহণ কৰিলে। তেওঁ কেৱল ভাৰৰ আতিশয্যত এই সিদ্ধান্ত লোৱা নাছিল, গান্ধীজীৰ লগত থাকি ভাৰতবৰ্ষ আৰু তাৰ জনসাধাৰণক সেৱা কৰিবলৈকে যেন তেওঁৰ জন্ম হৈছিল। গান্ধীজীক লগ পোৱাৰ আগতে গান্ধীজী আৰু এই দেশখনক জানিবলৈ তেওঁ ক্লান্তিহীন সাধনাত ৰত হ'ল। ইংৰাজ নৌ-সেনাধ্যক্ষৰ দুহিতাই গান্ধীজীৰ সূত্ৰ-যজ্ঞৰ কৰ্মী হ'বলৈ সূতা কটা, কাপোৰ ৰোৱাৰ অভ্যাস কৰিলে; মদ আৰু মাংস বৰ্জন কৰি সম্পূৰ্ণ নিৰামিষ আহাৰ গ্ৰহণ কৰিবলৈ ল'লে; সুকোমল শয্যা এৰি পকা মজিয়াত শুবলৈ অভ্যাস কৰিলে আৰু মহাত্মা গান্ধীৰ 'ইয়ং ইণ্ডিয়া'পৰা আৰম্ভ কৰি কথাটী ভাষাত প্ৰকাশিত গীতা,

ঋক্‌বেদ অধ্যয়ন কৰিলে। এইদৰে এবছৰ কাল কঠোৰ সাধনাৰ মাজেৰে নিজক প্ৰস্তুত কৰাৰ পিচত গান্ধীজীৰ সেৱা-কাৰ্যত অংশ গ্ৰহণ কৰিবলৈ তেওঁ গান্ধীজীৰপৰা অন্তশেষত অনুমতি লাভ কৰিলে।

গান্ধীজীৰ প্ৰতি মাৰা বেনৰ কি অগাধ শ্ৰদ্ধা-ভক্তি আছিল তাক চৰ্দাৰ বল্লভভাই পেটেলৰ সৈতে সন্নৱমতী আশ্ৰমত গান্ধীজীৰ লগত হোৱা প্ৰথম সাক্ষাতত পোৱা যায় :

By this time I had lost any sense of physical being. All was concentrated in the thought of what was approaching ... As I entered, a slight brown figure rose up and came toward me. I was conscious of nothing but a sense of light. I fell on my knees. Hands gently raised me up and a voice said : "You shall be my daughter." I saw a face smiling at me with eyes full of love, blended with a gentle twinkle of amusement. Yes, this was Mahatma Gandhi, and I had arrived.

তেতিয়াৰেপৰা গান্ধী হত্যাৰ দিনলৈকে, অৰ্থাৎ ১৯২৫ চনৰপৰা ১৯৪৮ চনৰ ৩০ জানুৱাৰীলৈ মীৰা বেন আছিল মহাত্মা গান্ধীৰ সবাতোকৈ প্ৰধান শিষ্যা আৰু একান্ত বিশ্বস্ত সহযোগী। লোণ-আইন অমান্য আন্দোলনৰপৰা নানা সত্যাগ্ৰহৰ মাজেদি ৰৱলাটৰ লগত হোৱা সাক্ষাৎ, লণ্ডনৰ ঘুৰণীয়া মেজমেল, দ্বিতীয় মহাযুদ্ধ আদি সকলোতে এই নাৰৱ, ৰাগী, ৰহস্যময়ী নাৰীগৰাকীয়ে ভাৰতবৰ্ষৰ আটাইতকৈ নিষ্পেষিত জনসাধাৰণৰ ব্যাধি, দাৰিদ্ৰ্য, হতাশা, সুখ-দুখ, স্বাধীনতাৰ কাৰণে কৰা তেওঁলোকৰ সংগ্ৰাম—সকলোতে সমানে অংশ গ্ৰহণ কৰিছিল।

তেওঁৰ নিজৰ ভাষাতে ক'বলৈ গ'লে, মীৰা বেনে পোন প্ৰথমবাৰৰ বাবে কেৱল বিশ্বৰ এজন প্ৰকৃত মহৎ লোকৰে ছবি ইয়াত অঙ্কন কৰা নাই, অসীমৰ যাত্ৰী এগৰাকীৰ প্ৰেৰণাদায়ক চিৰস্মৰণীয় দলিলো ইয়াত নিবদ্ধ কৰিছে।

'মীৰা বেন' নামটোও বৰ অৰ্থব্যঞ্জক। মীৰা দাসীয়ে ভগবান শ্ৰীকৃষ্ণৰ ওচৰত আত্ম বিলোপন কৰাৰ দৰে মীৰা বেনেও যেন নিজকে বাপুৰ চৰণতলত আত্মবিলুপ্তি ঘটাইছে! মীৰাৰ কোমল-কান্ত ভজনৰ দৰে অসীমৰ যাত্ৰীৰ প্ৰতিটো অধ্যায় এক ইন্দ্ৰিয়াতীত উপলব্ধিত যেন বাঢ়ায়।

সাহিত্য হিচাপেও 'The Spirit's Pilgrimage' এখন প্ৰথম শ্ৰেণীৰ গ্ৰন্থত পৰিণত হৈছে। শ্ৰীমতী বিমল ভাগৱতীয়ে এনে এখন গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰি আমাক প্ৰকাশ কৰিবলৈ দিয়াত তেওঁ আমাৰ পৰম কৃতজ্ঞতা-ভাজন হৈছে।

পঢ়ুৱৈ সমাজে এই গ্ৰন্থখনিক আদৰ কৰিলে আমি পৰম আনন্দিত হ'ম।

গুৱাহাটী
১৫ ডিচেম্বৰ, ১৯৭১

চন্দ্ৰপ্ৰসাদ শইকীয়া

অনুবাদিকাৰ একাষাৰ

ইংৰাজ মহিলা Madelaine Slade ওৰফে মীৰা বেনৰ 'The Spirit's Pilgrimage' নামৰ কিতাপখন এবাৰ দুবাৰকৈ কেবাবাৰো পঢ়িলো। কিতাপখন গান্ধীজীৰ শিষ্যা সন্ন্যাসিনী মীৰা বেনৰ আত্মকথা।

আমি জনাত নাটক-উপন্যাস আদিতহে সাধাৰণ পাঠকে বেছি ৰস পায় আৰু পঢ়িবলৈ ললে এবিব নোৱৰা হয়। কিন্তু অভিনব এই আত্মকথাখনি মোৰ মানত নাটক-উপন্যাসতকৈও যেন অধিক ৰসাল, অধিক হৃদয়গ্ৰাহী। নানান চৰিত্ৰ, নানাবিধ ৰসৰ সমাবেশে কিতাপখন অনন্যসুন্দৰ কবি তুলিছে। নিখুত চৰিত্ৰ চিত্ৰণ আৰু ৰসৰ যোগান ধৰাত লিখিকা সম্পূৰ্ণ সফল হৈছে। ভাষা, অন্তৰৰ কথা অকপটে প্ৰকাশ কৰিব পৰা গুণ আৰু ক্ষমতাৰে স্বচ্ছ, নিৰ্ভাজ আৰু শুৱলা। কিতাপখন পঢ়ি যাওঁতে বহু ঠাইত বহু কথাই অন্তৰত আঘাত দিয়ে; বহুতো ঘটনাৰ বৰ্ণনাই মনটো অভিভূত কৰি তোলে আৰু আপোনা-আপুনি চকুলো ওলাই আহে। শেষৰ ভাগটো পঢ়োতে দীঘলীয়া কৰুণ কবিতা এটি পঢ়াৰ দৰে এক কোমল বিষাদে মনটো আচ্ছন্ন কৰি পেলায়।

কিতাপখনৰ অন্তৰ্নিহিত অদৃশ্য ভাব মহৎ আৰু মহীয়ান। গুৰুক শ্ৰেষ্ঠত্ব দান কৰিবলৈ যাওঁতে শিষ্যাই কেনেকৈ নিজৰ কথা পাহৰি গৈ নিজকে সম্পূৰ্ণভাৱে নাইকিয়া কৰি পেলাইছে আৰু গুৰুৰ মহত্ত্বৰ আঁৰত নিজকে লুকুৱাই ৰাখিব খুজিছে, তাৰ এক স্পষ্ট নিদৰ্শন আমি ইয়াত পাওঁ।

সুনিপুণ শিল্পীৰ হাতত পৰি কিতাপখনৰ ছপা আখৰেও বাঙ্ময় হৈ উঠি অন্তৰালত এক স্বৰ্গীয় সুৰৰ কঁপনি তুলিছে। সেই সুৰে পঢ়োতাজনক সম্মোহিত কৰি পাৰ্থিব জগতৰ এই ক্ষুদ্ৰ শৰীৰৰ সীমাবদ্ধতা, হীনতা, স্বাৰ্থপৰতা, নিন্দা, গ্লানি, তুচ্ছতাক পাহৰাই বহু দূৰ দূৰণিলৈ লৈ গৈ এক অসীমৰ ৰাজ্যত প্ৰৱেশ কৰোৱায়।

আজীৱন কঠোৰ সাধনাৰ ফলস্বৰূপেই যে শিল্পীয়ে এনে এক সাৰ্থক সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে, সেই বিষয়ে সন্দেহ নাই। লিখনীৰ জৰিয়তে, লিখিকাৰ সেই মহান জীৱনৰ সৈতে পঢ়োতাৰ জীৱন্ত সম্পৰ্ক স্থাপন কৰাবলৈ শিল্পী সমৰ্থ হৈছে।

প্ৰথমবাৰ পঢ়িয়েই কিতাপখন সঁচাকৈয়ে বৰ ভাল লাগিছিল, আৰু সেয়েহে ভাবিলো, এনে ৰসৰ সোৱাদ মোৰ অসমীয়া বাই-ভনীসকলৰ মাজতো বিলাও কিয় বিশেষকৈ বিসকলৰ বাবে ইংৰাজী ভাষাটো অচিনকি!

মই লিখিকা নহয়, তথাপি স্বতঃস্ফূৰ্তভাৱে ওলোৱা সেই ভাবৰে পৰিণতি হ'ল তপস্বিনী মীৰা বেনৰ ওপৰোক্ত গ্ৰন্থৰ অসমীয়া ৰূপান্তৰ এই অসীমৰ যাত্ৰী। কিন্তাপখনৰ সুসমীয়া নামকৰণ মই এনেদৰেই কৰিছো।

সহৃদয় পাঠকবৃন্দৰ সমাজে পৰি ভাল পালে মোৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। মোৰ অনুপযুক্ত ভাঙনিত কিতাপখনৰ মূল সৌন্দৰ্য ৰক্ষা পৰিছে নে নাই, তাৰ বিচাৰৰ ভাৰ পাঠকসকলৰ হাতত। ত্ৰুটী-বিচ্যুতিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছো।

অসম প্ৰকাশন পৰিষদে কিতাপখন ছপাই উলিয়াবলৈ গাত লোৱাত পৰিষদৰ সচিব শ্ৰীযুত চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱলৈ এইখিনিতে মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

নতুন দিল্লী
১ ডিচেম্বৰ, ১৯৭১

বিমল ভাগৱতী

অসম ভ্রমণ কালত মহাত্মাই বিমল প্রসাদ [illegible] শ্রীচলিহাই নির্মাণ করা [illegible] চাইছে। কাদত মীরা [illegible]

প্রথম অধ্যায়

বিণিকি বিণিকিকৈ মোৰ মনলৈ অহা সককালৰ কথাখিনি হৈছে যোৱা শতিকাৰ শেহৰ পিনৰ, কিয়নো মোৰ জন্ম হয় ১৮৯২ চনত। মোতকৈ বয়সত তিনি বছৰৰ ডাঙৰ বোণা নামেৰে মোৰ এগৰাকী বাইদেউ আছিল। কিছুদিনৰ আগতে তেওঁৰ মৃত্যু হৈছে। আমাৰ কোনো ভাই-ককাই নাছিল। পিছে, আমাৰ মাৰ আটাইতকৈ সকজন ভায়েক বোণাতকৈ বয়সত তিনি বছৰৰ ডাঙৰ। তেওঁৰে সৈতে ভাই-ভনীৰ নিচিনাকৈ আমি সকৰেপৰা ডাঙৰ-দীঘল হৈছিলোঁ। আমি তেওঁক কেতিয়াও মোমাইদেউ বুলি সম্বোধন কৰা নাছিলোঁ, তেওঁক ৰঙত মতা নাম 'এলেক্' বুলিহে মাতিছিলোঁ।

মোৰ দেউতা নৌ বিভাগৰ এজন বিষয়া আছিল। তেখেতে প্ৰায়ে দুৰ সমুদ্ৰত একেবাহে দুবছৰ বা তাতোকৈ অধিক কাল কটাৰ লগীয়াত পৰিছিল। সেইকাৰণে মাই আমাক তেখেতৰ দেউতাকৰ গাঁৱৰ ঘৰ 'মিল্টনহিথ'লৈ লৈ গৈছিল। মোৰ সককালৰ সকলো কাহিনী সেইখন ঠাইকে কেন্দ্ৰ কৰি থুপ খাই আছে। ককাদেউতাইঁতৰ ঘৰখন বাৰীৰে সৈতে ৰাঠি বিঘামান মাটিত আছিল। ঠাইডোখৰ আছিল ওখ। ধুনীয়া ধুনীয়া বাগিচা; গৰু চৰিবৰ কাৰণে ঘাঁহৰ সৰু সৰু চৰণীয়া পথাৰবিলাক, আৰু নানা ঠাইৰপৰা গোটাই আনি লগোৱা নানা ৰঙৰ মূল্যবান গছ-গছনিৰে বাৰীখন ভৰি আছিল। সেই দিনত মটৰ-গাড়ী ওলোৱা নাছিল। সেই কাৰণে গাড়ী টনা, চিকাৰ কৰা আৰু ইঠাই-সিঠাইলৈ ফুৰা-চকা কৰা কামত ব্যৱহাৰ কৰিবৰ কাৰণে ঘোঁৰাশাল কেখন ধুনীয়া ধুনীয়া বহুতো ঘোঁৰাৰে ভৰি আছিল। বাৰীখনৰ এটা ফালে থকা চৰণীয়া পথাৰখনৰ নামনিত চাবি কি পাঁচজনীমান 'জাৰ্চি' গাইৰ সৈতে এটা গোহালী ঘৰ, কুকুৰা চৰাইৰ বাঁহ আৰু গাহৰিৰ গৰাল আছিল।

থকা ঘৰৰপৰা 'ডৰ্কিংডেলী'ৰ মনোৰম দৃশ্য দেখা গৈছিল। 'মিল্টনহিথ'ৰ সোঁফাল নৰ্থ ডাউন উপত্যকা আৰু বাওঁফাল 'লিথহিল' পৰ্বতমালাৰ ৰাবা

পৰিবেষ্টিত আছিল। মোৰ ককাদেউতাই যদি কিবা বস্তু বিশেষভাৱে ভাল পাইছিল তেন্তে সেয়া হৈছে শুৱনী দৃশ্যাৱলী। মনোমোহা দৃশ্যত মোহিত হৈ বহুত দিনৰ আগতেই তেখেতে 'মিণ্টনহিথ'খন কিনি থৈছিল। দিনত ধাত্ৰীয়ে শিশু প্ৰতিপালন কৰা ঘৰ আছিল ওপৰ মহলাত। সেই কাৰণে মই সেই সকলো সুন্দৰ দৃশ্য চাবলৈ সুযোগ পাইছিলো। শিশুসকলক ৰাতি ৰখা ঠাই আছিল ঘোঁৰাশালৰ মু' কৰি মাজৰ মহলাত। সেইখিনি ঠাই অৱশ্যে মোৰ বেছি ভাল লাগিছিল।

ৰৰ সৰু হৈ থাকোতেই ৰাইদেউ ব'ৰ্ডিং স্কুললৈ গ'ল। তেওঁৰ প্ৰকৃতিৰ লগত ব'ৰ্ডিং স্কুলৰ জীৱন খাপো খাইছিল। ঘৰত মাথোন ল'ৰা-ছোৱালী বুলিবলৈ মই অকলে। সকৰেপৰাই নিৰ্জনতা মই ভাল পাইছিলোঁ। ৰাগিচাৰ ভিতৰত গছৰ তলত অকলে অকলে খেলি মই ৰৰ আনন্দ পাইছিলোঁ। আইতাই পিছে মই সেইদৰে অকলে অকলে খেলাতকৈ ল'ৰা-ছোৱালীৰ লগত খেলাটো ভাল হ'ব বুলি ভাবি সেইমতে তাৰ দিহা কৰিছিল। আইতাৰ এই ব্যৱস্থা মই যে একেবাৰে ৰেয়া পাইছিলো সেই কথা মোৰ এতিয়াও ভালকৈ মনত আছে। সেই কাৰণে সেই ব্যৱস্থাৰ সিমানতে অন্ত পৰিল। মাৰ প্ৰতি আৰু মোক চোৱা-চিতা কৰা আয়া ৰাৰ্থাৰ প্ৰতি মোৰ যথেষ্ট শ্ৰদ্ধা-ভক্তি আছিল। ককাদেউতা আছিল মোৰ এগৰাকী বিশেষ বন্ধু আৰু লগৰীয়া। আমাৰ মাজত ৰয়সৰ ব্যৱধান পঞ্চাশ বছৰমান হ'ব। তথাপি অনেকদিনীয়া বন্ধুৰ দৰে আমি এজনে আনজনক ৰৰ ভালকৈ বুজিছিলোঁ। ঘৰৰ ভিতৰতে আমি হুয়ো নিয়ম মতে নানা খেল খেলিছিলোঁ। পিক্‌চাৰ পাজল (picture puzzle) নামৰ সেই পুৰণি খেলটোকে আমি সদায় খেলিছিলোঁ। সদায় খেলিছিলো যদিও সেই খেলটোৱে মোক কেতিয়াও আমুউৱা নাছিল। প্ৰত্যেক খেলতে শেষত ককাদেউতাই কয়, "ওঁ এতিয়া তুমি হুপুক ঠিক সোঁমাজতে খুৱাই দি খেলটো শেষ কৰা।" তেতিয়া হাতেৰে ছোওঁতে ছোওঁতে মলিয়ন হৈ পৰা হুপুক মই ছবিৰ সোঁমাজৰ খালি হৈ থকা সুকুণ্ডাটোত সুমুৱাই দি প্ৰতিবাৰেই কিমান যে আনন্দ পাইছিলোঁ! তাৰ পিচত লাহে লাহে আমাৰ খেল হ'ল দীঘল-চুটি নানা জোখৰ ইটাৰ আকৃতিৰ কাঠৰ টুকুৰাৰে ঘৰ সজা। কেতিয়াবা কেতিয়াবা আমি সেই কাঠৰ ইটাৰে তিনি কি চাৰিফুটমান ওখকৈ ফোপোলা কাৰেংঘৰ সাজো। ককাদেউতাই জানি শুনিয়েই চেনিৰ লড়া এটা আমাৰ 'হোৱাইট ফক্স' নামৰ কুকুৰটোৰে কামোৰ মাৰি

নিব পবাকৈ কাৰেংঘবটোৰ মাজতে থুৱাই থয়হি। কুকুবটোৱেও খেলটো বঢ়িয়াকৈ বুজি লৈছিল। সি মুবটো সুমুৱাই চেনিব লডা ডোখবত কামোৰ মবাৰ লগে লগে গোটেই ঘবটো তাৰ মুবৰ ওপবতে খহি পবে। তথাপি চেনিব লডাটোৰ আশাত প্রতিবাবেই ঠিক সময়ত সি লডাটোত কামোৰ মাবিবলৈ নেবিছিল, লগে লগে তাৰ মুবৰ ওপবতে ঘবটো খহি যোৱা দেখিলে মই কিমান যে আনন্দ পাইছিলোঁ।

এইবিলাক হ'ল ঘবৰ ভিতবতে খেলা খেলৰ কথা। বাহিবত খেলিব পবা খেলবঁ কাবণে আক নানা দুঃসাহসিক অভিযানৰ কাবণে মাঠি বিঘা মাটিৰ বাবীখন গোটেই পৃথিৱীখনৰ সমান যেনেই আছিল। সেই প্রকাণ্ড বাবীখনৰ প্রত্যেকটো চুক-কোণৰ সৈতে মোৰ পবিচয় আছিল। সকবেপবা গছ-গছনিৰ সৈতে মোৰ সমগোত্রীয় এটা ভাৰ গঢ়ি উঠিছিল। কিছুমান গছৰ লগত মোৰ বিশেষ হৃদ্যতাৰ ভাৰ আছিল। কিছুমান গছক আকৌ মোৰ বৰ বেছি ভাল নালাগিছিল। তথাপি আটাইবিলাক গছকে ব্যক্তিত্বসম্পন্ন যেন অনুভৱ কবিছিলোঁ। মই যেতিয়া এজনী নিচেই সক ছোৱালী আছিলোঁ তেতিয়া দুয়োহাত মেলি গছবিলাক সাৱটি ফুবাৰ কথা মোৰ আজিও ভালকৈ মনত আছে। গছ সাৱটাৰ সেই ভাবটো মোৰ আজিও যোৱা নাই।

খেলনা মই বৰ ভাল নেপাইছিলোঁ, পুতলা যে মই দেখিবই নোৱাবি-ছিলোঁ। মোৰ পিছে দুটা বিশেষ ধৰণৰ খেলাৰ সামগ্রী আছিল। এটা হৈছে নোমাল চামবাবে তৈয়াবী, ভিতবত কিবাকিবি ভবাই টনটনীয়া কবি থোৱা বান্দৰ পোৱালি আক আনটো তেনেকুৱা বস্তুবেই সজা এটা কেকেটুৱা পোৱালি। মই সিহঁতক 'নিপি' আক 'স্কুইলী' বুলি মাতিছিলোঁ। বাথাৰ হুতুৱাই সিহঁতৰ কাবণে পোছাক তৈয়াৰ কবাই লৈছিলোঁ। নিপি আছিল গিবিয়েক আক স্কুইলী ঘেণীয়েক। সিহঁতৰ অকণমান ঘৰ এটা আক 'ইম্পি' নামৰ (চামবাবে তৈয়াৰী) লগুৱা এজনেবে সৈতে এখন সক সংসাৰ আছিল। নিজ নিজ চবিত্রত এই তিনিটি প্রাণী কিদবে প্রকটিত হৈছিল, মই সিহঁতৰ প্রতিটো কথাৰ প্রতি কেনেদবে মনোনিবেশ কবিছিলোঁ আক সিহঁতৰ প্রতি মোৰ কেনে স্নেহ-শ্রদ্ধা আছিল সেইকথা আজিও মোৰ পবিষ্কাবকৈ মনত আছে।

• নিপি, স্কুইলীইতেবে সৈতে মোৰ এইবিলাক কাণ্ড-কাবখানা চলি থকা সময়তে মাইতে এদিন মোক ক'লে যে মই বোলে ওচবৰে কোনোবা এখন বিয়া

ঘৰত কইনা ধৰা হবগৈ লাগিব। কইনা ধৰাটোনো কি মই প্ৰথমতে একো বুজা নাছিলোঁ। পিচত মাইঁতে বুজাই ক'লে যে এই কইনা ধৰা কথাটোৰ অৰ্থ হৈছে ধুনীয়াকৈ সাজ-পাৰ কৰি কইনাৰ কাপোৰৰ চুচৰি যোৱা অংশ আন-বিলাক কইনা ধৰা ছোৱালীৰে সৈতে দাঙি ধৰি, বিয়া য'ত হ'ব সেই বেদীৰ গুৰিলৈকে মই যাব লাগিব। এই প্ৰস্তাৱটো মোৰ অকণো ভাল লগা নাছিল। মই দুৰ্ঘোৰ আপত্তি কৰিছিলো। শেষত এই বুলি মই মাস্তি হ'লোঁ যে যদি অগত্যা মই নগ'লেই নহয় তেন্তে নিপি আৰু স্কুইলীকো মোৰ লগত যাবলৈ দিব লাগিব। মাইঁতে মোক বুজাবলৈ চেষ্টা কৰিছিল যে পুৰোহিতে এনেখন কেতিয়াও কৰিবলৈ নিদিব—গতিকে নিপি, স্কুইলী মোৰ লগত যাব নোৱাৰে। মই কিন্তু নিজৰ জেদ এৰা নাছিলোঁ। এনে অৱস্থাত মা আৰু বাৰ্ণাই বুদ্ধি পাতিলে যে নিপি আৰু স্কুইলীক ফুলৰ কৰণিৰ মাজত লুকুৱাই নিব পৰা যাব। কইনা ধৰা ছোৱালীৰোৰে ফুলৰ কৰণিও লগত নিব লাগিছিল। এনেকৈ ফুলৰ মাজত ঢাকি নিয়াটো নিপি আৰু স্কুইলীৰ কাৰণে অসম্মানজনক কথা বুলি মই বিবেচনা কৰিছিলোঁ যদিও শেষত তাতে মাস্তি হ'বলগীয়া হ'ল। সি যি কি নহওক, ইমানতে সমস্যাটোৰ অন্ত নপৰিল। মই এইবুলি আকৌ জেদ ধৰিলোঁ যে, মোক যদি নতুন পোছাক দিয়ে তেন্তে সিহঁতকো দিব লাগিব। পোছাক-পৰিচ্ছদৰ কথাটোত মই বিশেষ গুৰুত্ব দিছিলো। উপায় নেপাই বাৰ্ণাই নিপিৰ কাৰণে লেচৰ ফ্ৰিল খুউৰা ক'লা চাটিনৰ কোট-পেণ্ট আৰু স্কুইলীৰ কাৰণে সেউজীয়া চাটিনৰ পোছাক চিলাই দিব লগাত পৰিছিল।

নিষ্কলুষ শিশুমনৰ ভাব ৰাজ্যত নানান বস্তু সৃষ্টি কৰিব পৰা অসাধাৰণ ক্ষমতা আছে। নহলেনো এইবোৰ কি আছিল? ভিতৰত কিবাকিবি ভৰাই ফুলাই বখা সৰু দুটুকুৰা চামৰাৰ সৈতে মোৰ লগৰীয়া সৃষ্টি কৰি লৈছিলোঁ। সিহঁতক মই যে কেৱল স্নেহেই কৰিছিলো এনে নহয়, সন্মানো কৰিছিলোঁ। আনকি এতিয়াও সিহঁতৰ কথা মনত পৰিলেই মোৰ শ্ৰদ্ধা ওপজে। এতিয়া "কিবাকিবি ভৰোৱা চামৰাৰ টুকুৰা"—এই কথাষাৰ লিখিবলৈ লৈ কেইবাবাৰো মই ইতস্ততঃ কৰিব লগীয়াত পৰিছোঁ। পৱিত্ৰ অন্তঃকৰণৰ পূজাৰীয়ে যেনেকৈ ভেঁৰ অন্তৰৰ নিৰ্মলতাৰে মাটিৰ মূৰ্তি এটাকো বিশেষ পৱিত্ৰ কৰি তোলে সেইদৰে পৱিত্ৰ স্নেহৰ ভাবে এই দুটি জড় পদাৰ্থৰো প্ৰাণ প্ৰতিষ্ঠা কৰি সিহঁতক এনে মূল্যবান কৰি তুলিছে। ঈশ্বৰে মানুহক ভেঁৰ নিজৰ প্ৰতিকৃতি মতে

সৃষ্টি করিছে বুলি মানুহর যি বিশ্বাস আছে, প্রকৃততে সেই বিশ্বাসর সত্যতা বুজিবলৈ কথাষার বিপরীত ফালরপরা চার লাগিব। যুগযুগান্তর ধরি মানুহে নিজর প্রতিকৃতি অনুসরি ঈশ্বরর ধারণা করি আহিছে। যিহেতু মানুহর সেই প্রতিকৃতির মাজেদিয়েই ঈশ্বরে মানুহক ধরা দিছে বা নিজক প্রকাশ করিছে, সেই কারণে, এনেকৈও ক'ব পারি যে, "ঈশ্বরে মানুহক তেওঁর প্রতিকৃতি মতে সৃষ্টি করিছে"।

দ্বিতীয় অধ্যায়

সৰুকালত আমি কিছুমান ধৰা-বন্ধা নিয়মৰ অধীনত সম্পূৰ্ণ শৃঙ্খলাবদ্ধ এক জীৱন যাপন কৰিব লাগিছিল। দিনত মই বাৰ্থাৰ সৈতে দিনৰ শিশু প্ৰতিপালন কৰা ঘৰত খেলা-ধূলা কৰিব লাগিছিল। তাৰ উপৰি অহাই যোৱাই দুমাইল হোৱাকৈ কেতিয়াবা চহৰৰ পিনে, কেতিয়াবা গাঁৱৰ পিনে, কেতিয়াবা সৰু ঠেক বাটেদি ওখ ঠাইবিলাকৰ পিনে খোজকাঢ়ি ফুৰিবলৈ যাব লাগিছিল। কোনফালে ফুৰিবলৈ যাব খোজো বুলি বাৰ্থাই সুধিলে মই সদায়েই সেই ঠেক বাটেদি ওখ ঠাইবিলাকৰ পিনে যোৱাৰ কথা কৈছিলোঁ। সেইটো বাটেদি গ'লে বাটত এটা পুখুৰী পায়। তাত বাজহাঁহ চৰি থাকে। তাৰ উপৰি বাটে বাটে খেতিৰ পথাৰ, মুকলি পথাৰ, বসন্ত কালত হালধীয়া ফুলেৰে জাতিষ্কাৰ হৈ থকা বনবাজি। এনে আনন্দদায়ক বস্তুবিলাক থাকোঁতে গোন্ধে ভাপে অত্ বোৰ মানুহেৰে ঠাই খাই থকা লেতেৰা বাটেদি কোনে যাবলৈ বিচাৰিব বাক ?

তাৰ উপৰি আমাৰ বয়সস্থসকলৰ সৈতে একেলগ হোৱাৰ নিৰ্দিষ্ট সময়ো বন্ধা আছিল। বাতিপুৱাৰ জা-জলপান খোৱাৰ পিচত বাৰ্থাই মোক ধুৱাই পখলাই পৰিষ্কাৰ কৰি সাধাৰণ চিলৰ পোছাক পিন্ধাই তলৰ তলালৈ নমাই আনে। তাত মই হয় ককা দেউতাৰ লগত খেলো, নহয় দ্ৰইং কমত বহি উল গুঠি থকা স্কটলেণ্ড বংশীয় আইতাৰ ওচৰলৈ যাওঁ। দেওবাৰৰ দুপৰীয়াৰ আহাৰহে কেৱল মই আন সকলোৰে লগত তলৰ তলাত খাব পাৰিছিলোঁ। সেইদিনা মই মাৰ ওচৰতে বহিছিলোঁ। মই কি খাম বা নেখাম, সেই কথালৈ মাই বিশেষ চকু বাখিছিল। মোক অত্যন্ত সাধাৰণ আহাৰহে কেৱল খাবলৈ দিছিল। মই খাব পৰা তেনেকুৱা সাধাৰণ খোৱা বস্তু যিদিনা টেবুলত নাথাকে, সেইদিনা মোৰ কাৰণে বিশেষভাৱে কিবা এটা কৰাই আনি দিছিল। আনে কিবা ভাল বস্তু খোৱা দেখিলে খুজিব লাগে বা তাৰ কাৰণে পেৰেণা পাতিব লাগে, সেইবিলাক কথা মোৰ মনত নেখেলাইছিলেই। ঘৰৰ বাহিৰতো

সেইদবে বহুত নিয়ম আছিল। মোব মনত আছে, ফুলনিব ফুল আমাক কেতিয়াও ছিণ্ডিবলৈ নিদিছিল। অবশ্যে এই বিষয়ে এটা ব্যতিক্রম আছিল। ঘবব পিছফুবাবৰ কাষত থকা গোলাপ ফুলজোপাবপবা ধুনীয়া, মিঠা গোন্ধব গোলাপ ফুল ছিণ্ডাত তেনেকুৱা বাধা-নিষেধ নাছিল। গোটেইখন ফুলনিবাবী চলাথ কবি নানান ফুল ছিণ্ডি ফুবাতকৈ সেই বিশেষ গছজোপাব গোলাপ কেইপাহ গোটাই আনি চাই, ছুই, শুণ্ডি মই বিশেষ আনন্দ পাইছিলোঁ।

যথেষ্ট যত্নসহকাবে উপযুক্ত নিয়ম আৰু শৃঙ্খলাব মাজেদি যদিও মোব জীবন নিয়ন্ত্রিত হৈছিল তথাপি তাত আমনি লগা গতানুগতিকতা নাছিল।

কিয়নো সেইকালত মোব কাবণে গোটেই পৃথিবীখনেই আছিল নতুন, আচবিত আৰু নানান আকর্ষণীয় বস্তুবে পবিপূর্ণ এখন বাজ্য। আনকি আবেলি চাহ খোৱাব পিচত দ্রইং কমলৈ কবা পাবভ্রমণো ফলদায়ক আছিল। এদিন সন্ধিয়াব কথা মনত পবে। সেইদিনা মোব আইতা আৰু তেওঁব ভনীয়েক কেবী আইতা দুয়ো দ্রইং কমতে বহি উল গুঠি আছিল। হঠাতে দুয়ো দেখোন চিঞব মাবি চোফাব ওপবত জাপমাবি উঠিল। তেওঁলোকে ভিক্টোবিয়া যুগব ফেচন অনুসবি তৈয়াবী তেওঁলোকব স্কার্টকেটা চপাই কোচাই ভবিব সকগাঠিব ওচবত ধবি আছিল। মই বব আচবিত হলোঁ। তেতিয়ালৈকে কথাটোনো কি হৈছে মই ততকে ধবিব পবা নাছিলোঁ। "এ তুমি দেখাই নাইনে? চাবা সেইটো। মজিয়াব মাজতে মকবা এটা আছে।" হয়, সঁচাকৈয়ে মাজ মজিয়াতে বেচ ডাঙব মকবা এটা ওলাইছিল। মই পিছে মকবাটো দেখি ভয় খোৱাতকৈ বংহে পাইছিলোঁ। বেল বজোৱা হ'ল। অলপ সময় উচ্‌পিচাই থকাব পিচত বান্ধনিটো আহিল। তাক তৎক্ষণাৎ মকবাটো আঁতবাই নিবলৈ কোৱা হ'ল। "হয় আইদেউ" বুলি সি গহীনকৈ কৈ ওলাই গ'ল আৰু এক দুই মিনিটমানব ভিতবতে হাতত আইনাব গিলাছ এটা আৰু ডাঠ কাগজ এখিলা লৈ সোমাই আহিল। মকবাটোৱে গম ধবিব নোৱাবাকৈ হাতব গিলাছটো মকবাটোব ওপবত উবুবিয়াই ধবি কাগজ খিলাবে মকবাটো দাণ্ডি গিলাছটোব ভিতবত ভবালে। মকবাটো এইদবে ধবি লৈ বান্ধনিজন গহীনভাবে কোঠাটোবপবা ওলাই গ'ল। তাকে দেখি দুয়োগবাকী আইতাই স্বস্তিব নিশ্বাস পেলালে আৰু অতপবে তেওঁলোকে আশ্রয় লোৱা নিবাপদ স্থানবপবা নামি আহিল। মই সেই বান্ধনিজনব মকবা চিকাবব কৌশলটো প্রথমবেপবা অতি মনোযোগেবে

চাই থাকি অতিশয় আনন্দ পাইছিলোঁ আৰু লগতে এনে বঢ়িয়া উপায়েৰে এনেকুৱা পৰিস্থিতিবিলাক কেনেকৈ চম্ভালিব পাৰি তাৰ কথা মনে মনে ভাবিছিলোঁ।

সাধাৰণ বিবেক-বুদ্ধিৰ ভেটি স্থাপনত সহায় কৰিব পৰা সককালৰ এনেকুৱা বহুতো কথা মোৰ মনত আছে। তাৰে কিছুমান এই মকৰা ধৰাৰ নিচিনা দৈবক্ৰমে ঘটা ঘটনা আৰু কেতিয়াবা বিশেষভাৱে নিৰ্ধাৰিত একোটা ঘটনা লৈ, কেনেকৈ কামবিলাক কৰা হয়, মোক দেখুৱা হৈছিল।

দেউতাৰ চখৰ কাম আছিল কাঠমিস্ত্ৰিৰ কাম। কাঠমিস্ত্ৰিৰ কাম কৰিবৰ কাৰণে আমাৰ ঘৰত এডোখৰ বিশেষ ঠাই আছিল। ছুটীত ঘৰলৈ আহিলে দেউতাই তাত কাঠৰ কাম কৰিছিল। ডাঙৰ হৈ অহাৰ লগে লগে ময়ো তেওঁৰ লগতে কৰত, হাতুৰী, বটালী, বান্দা, পেচ্‌কল, আদিৰ ব্যৱহাৰ শিকিছিলোঁ। কিন্তু মোৰ আটাইতকৈ ভাল লগা ঠাই আছিল ঘোঁৰাশালখন। ঘোঁৰা চহীচে ঘোঁৰাবিলাকৰ নোমবোৰ ফনিয়াই চাফ-চিকুণ কৰি মালিচ কৰি কেনে চিকুণ আৰু নিমজ কৰি বাখে আৰু খুৰাবিলাকো ধুৱাই পখলাই কেনেকৈ পৰিষ্কাৰ কৰি বাখে, সেই কামবিলাক চাই চাই মোৰ হেঁপাহ নপলাইছিল। ঘোঁৰা বিষয়ত ইমান বাপ থকা যেন দেখি প্ৰধান চহীচজনে মোক ঘোঁৰাৰ এইবিলাক যত্ন কিয় আৰু কেনেকৈ ল'ব লাগে শিকাইছিল। উঠি ফুৰা ঘোঁৰাত কেনেকৈ জিন লেকাম লগাব লাগে আৰু গাড়ী টনা ঘোঁৰাক কেনে ধৰণে সাজ পিন্ধাব লাগে, সেই কথাও তেওঁ মোক শিকাইছিল। পিচৰ জীৱনত এই শিক্ষা মোৰ বিশেষ কামত আহিছিল।

জাবকালি বন্ধত এলেক্‌ আৰু বোণা ঘৰলৈ আহিছিল। তেতিয়া আমি তিনিও লগলাগি ঘৰৰ ভিতৰতে নানা খেল খেলিছিলোঁ। মই তিনিওজনৰ ভিতৰত আটাইতকৈ সক আছিলো কাৰণে খেলত মই সদায় সক-সুৰা ভাগহে পাইছিলোঁ। ছুটা খেলৰ কথা মোৰ মনত আছে। তাৰে এটা খেল আছিল এলেক্‌ আৰু বোণা বজা বাণী হৈছিল আৰু মই তেওঁলোকৰ লগুৱা হ'ব লাগিছিল। আনটো হৈছে মই এটা বনবীয়া ভালুক হৈ গৰালৰ ভিতৰৰ-পৰা ওলাই আহিব কাৰণে উগ্ৰ মূৰ্তি ধাৰণ কৰিব লাগিব আৰু তেওঁলোকে মোক ওলাবলৈ নিদি বাধা দি থাকিব। গৰালটো আমি শিশু প্ৰতিপালন কৰা ঘৰৰ টেবুল এখনৰ ওপৰত তললৈকে ওলমি পৰাকৈ কাপোৰ পাৰি সাজি

লৈছিলোঁ। কেতিয়াবা কেতিয়াবা যেতিয়া বোণাইঁতে বহুতপবলৈকে মোক ওলাবলৈ নিদি গবালব ভিতবত সুমুৱাই বাখিছিল, তেতিয়া মোব সঁচাসচিকৈয়ে খং উঠিছিল আক আপত্তি কবিছিলোঁ।

এবাব আমি এটা ডাঙব সিদ্ধান্ত কবিলোঁ। অৱশ্যে পবিকল্পনাটো আছিল এলেকব। আমি "এলিচ ইন ওৱাণ্ডাব লেণ্ড"বপবা "মেড টি পার্টি" নামব অংশটো অভিনয় কবিমহঁক। বিশ বছবীয়া বার্থাই এলিচব পার্ট কবিব। এঘাব বছবীয়া এলেক্ হ'ব মেড্ হেটাব। আঠ বছবীয়া বোণাই মার্চ হেয়াবব পার্ট কবিব আক পাঁচ বছবমান বয়সব মই হ'ব লাগিব ডবমাউচ। মোব পার্টটো যদিও বব চুটি আছিল তথাপি নাটকখনব সফলতাব কাবণে এই শেষব দৃশ্যটো বিশেষ গুকত্বপূর্ণ আছিল। সেই দৃশ্যটোত মই তলত দিয়া কবিতা-ফাকি মাতিব লাগিছিল—"টুইঙ্কল্ টুইঙ্কল লিটল্ বেট, হাউ আই ওৱান্দাব হোৱাট ইউ আব এট।" তাব পিচত টোপনি নগালৈকে—'টুইঙ্কল্ টুইঙ্কল্ টুইঙ্কল্' এইদবে মুখব ভিতবতে অস্পষ্টকৈ গুণ্ গুণাই থাকিব লাগিব। এনেতে মেড্ হেটাব আৰু মার্চ হেয়াবে মোক টিপট্টোব ভিতবত ভবাব লাগিব। পিছে নাটকব এই অংশটো দেখুৱা সম্ভৱপব নহয় কাবণে এয়ে স্থিব হ'ল যে, মেড্ হেটাব আক মার্চ হেয়াবে মোক আহি ধবোতেই বার্থাই আঁবকাপোবখন টানি দিব। আখবা পুবাদমে চলিবলৈ ধবিলে। মোব মুখত সেই কবিতাফাকি সুমুৱাবব কাবণে এলেক্ আক বোণাই উঠিপবি লাগিছিল।

অভিনয়ব সেই নির্দিষ্ট সন্ধিয়াটো আহিল। ককাদেউতা, আইতা, মা, দেউতা সকলো আহি ল'বা-ছোৱালী ওমলা ঘবত তেওঁলোকব কাবণে সজাই থোৱা নির্দিষ্ট আসনত বহিলহি। কোনো অসুবিধা নোহোৱাকৈ আঁবকাপোবখন দাং খালে আক নাটক আবম্ভ হ'ল। বার্থাই অলপ লাজ লাজ কবিছিল। দর্শকব তবফবপবা চেপা হাঁহিব বোলে তেওঁব অৱস্থা আক শোচনীয় কবি তুলিছিল। এলেক্ আক বোণাই তেওঁলোকব নিজব নিজব পার্ট যথেষ্ট সাহেবে অভিনয় কবি দেখুৱালে আক নাটকখন বেচ ভালভাবেই সম্পূর্ণ হৈ আহিছিল, এনেতে মোব পাল পবিল। এলেক্ আক বোণাই মোক ছয়োফালবপবা খুচিবলৈ ধবিলে—মই তৎক্ষণাৎ আবম্ভ কবিলো—টুইঙ্কল্ টুইঙ্কল্ —পিচব শব্দকেটা মই পাহবি থাকিলো। বাকীবিলাকে বিবুধি হৈ ভিতববপবা ডাঙব মাতেবে ফুচ্ফুচাই কোৱাব দবে প্রম্পট্ কবিবলৈ ধবিলে। পিছে মোব

কিবা মূৰ ঘূৰাই গ'ল আৰু মুখৰপৰা কেৱল 'টুইঙ্কল্ টুইঙ্কল্ টুইঙ্কল্' এই শব্দ-কেটাহে বাৰে বাৰে ওলাবলৈ ধৰিলে। অৱশেষত হতাশ হৈ এলেক্ আৰু বোণাই টিপটুটোত ভৰাৰৰ কাৰণে মোক ধৰিলেহি। বাৰ্থাই আঁৰকাপোৰখন টানিবৰ কাৰণে লৰি গ'ল, পিছে আঁৰকাপোৰখন ক'ৰবাত লাগি ধৰিলে, পেলাব নোৱাৰা হ'ল। আমাৰ শিৰচ্ছেদ হোৱা যেন লাগিল আৰু অতি হতাশ বোধ কৰিলোহঁক। মোৰ বিশেষ বেছি বেয়া লাগিছিল। এইবিলাক অঘটন কেৱল মোৰ দোষতে হোৱা যেন লাগিল। পিছে দৰ্শকসকলে নাটকখন চাই অত্যন্ত আনন্দ উপভোগ কৰিছিল। সুচাকৰূপে ভৰামতে নাটকখন, অভিনীত হোৱাহেঁতেন কিজানি সিমান আনন্দ নেপালেহেঁতেন!

তৃতীয় অধ্যায়

আমাৰ ককাদেউতাৰ দেউতাক আজোককাদেউতা নব্বৈ বছৰলৈ বেছি বয়সলৈকে জীৱিত আছিল। সেই সময়ত মই নিচেই সৰু ছোৱালী আছিলোঁ। তেখেতক দেখুৱাবৰ কাৰণে ক্লিফ্‌টনলৈ মোক লৈ যোৱাৰ কথা মোৰ অলপ অলপ মনত পৰে। তেখেত ককাদেউতাৰ নিচিনাই আছিল। সেই কাৰণে তেখেতৰ ওচৰত মই অলপো সঙ্কোচ বোধ কৰা নাছিলো। তেখেতে আঠুৰ ওপৰত মোক বহুৱাই লৈছিল। মই তেখেতৰ সোতোৱা সুতুৰি পৰা মুখ-খনলৈ আৰু মূৰত পিন্ধা ক'লা টুপীটোলৈ চাই ৰৈছিলো। ছাপ মৰা কাগজ এখিলা নখত লৈ তেখেতে মোৰ লগত সৰু খেল এটা খেলিছিল। "ফ্লাই এওৱে জেক, কাম এগেইন জিল।" এইদৰে আমি দুয়ো ততালিকে বন্ধু হৈ পৰিছিলোঁ। সৰুকালৰ এনেকুৱা আৰু এটা কথা মোৰ মনত পৰে। দেউতাৰ পিনৰ এজন সৰু ককাদেউতা এডমণ্ড, ইটনৰ ধৰ্ম-যাজক আছিল। তেখেতৰ ওচৰলৈকো মোক কেতিয়াবা লৈ গৈছিল। প্ৰতিবছৰ জুন মাহৰ ৪ তাৰিখে আই দেউতা উৎসৱ উপলক্ষে ইটনলৈ গৈছিল। পঢ়াকোঠাত বহি থকা সৰু ককাদেউতা এডমণ্ডৰ সেই গুৰুগম্ভীৰ চেহেৰা আজিও মোৰ মনত এনেকৈ লাগি আছে যেন কালিহে দেখিছিলোঁ। মোক তেখেতৰ ওচৰলৈ যেতিয়া লৈ গৈছিল তেখেতে মৰমেৰে মোৰ মুখলৈ চাই মিচিকিয়াই হাঁহিছিল আৰু মোৰ মূৰত হাত থৈ আশীৰ্বাদ কৰিছিল। আজোককাদেউতাৰ ওচৰত যেনেকৈ মই সহজে নিঃসঙ্কোচ বোধ কৰিছিলো, এখেতৰ ওচৰত কিন্তু তেনে হ'ব পৰা নাছিলোঁ। মোৰ মাৰ ফালৰ আৰু দেউতাৰ ফালৰ পৰিয়ালৰ মাজত থকা পাৰ্থক্যৰ কথা মই অনুভৱ কৰিছিলোঁ। মাৰ পিনৰ পৰিয়ালবৰ্গৰ লগত মোৰ প্ৰকৃতিৰ মিল আছিল। মোৰ বাইদেউৰ প্ৰকৃতি পিছে দেউতাইতৰ লগতহে মিলিছিল। আমাৰ মাৰ বংশত কেবাপুৰুষো ধৰি প্ৰচলন নথকা কথাৰ টনা-আজোৰা চলি আছিল। কেইপুৰুষমানৰ আগতে এজন ককাদেউতাই বিদেশত চাকৰি কৰি থকা অৱস্থাতে

ক'লা জিপ্‌চীৰ নিচিনা সুন্দৰী এগৰাকীৰ প্ৰেমত পৰে। ককাদেউতাই তেখেতক বিয়া কৰাই ইংলণ্ডলৈ লৈ আহে। আমাৰ সেই আইতা গৰাকীৰ পূৰ্বপুৰুষ-সকল সম্ভৱতঃ পূৰ ইউৰোপৰ আছিল। সেইগৰাকী আইতাৰ গাত অহা বিদেশী বিশেষ গুণবিলাক ইংলণ্ডৰ সেই পৰিয়ালটোৰ পিচৰ কেবা পুৰুষৰ গাতো দেখা গৈছিল। কাৰোবাৰ ক্ষেত্ৰত বেছিকৈ আৰু কাৰোবাৰ ক্ষেত্ৰত কমকৈ প্ৰকাশ পাইছিল যদিও—সি সদায়েই আছিল। অৱশেষত আমাৰ মাৰ ক্ষেত্ৰত ই প্ৰবলভাৱে দেখা দিছিল। আৰু তেখেতৰপৰা মোলৈ ই অশেষ আশীৰ্বাদ স্বৰূপে আহিল। মাইঁতৰ পৰিয়াল কিছু বেলেগ ধৰণৰ। তেওঁলোক কেতিয়াও নিয়মৰ দাস নাছিল। কিন্তু দেউতাৰ পৰিয়াল স্বভাৱতে নিয়মানুৱৰ্তী আৰু আভিজাত্যাভিমানী আছিল। অভিজাত শ্ৰেণীৰ অভিমান আৰু মনোভাব মোৰ সম্পূৰ্ণ প্ৰকৃতিবিৰুদ্ধ আছিল।

দেউতাৰ পিনৰ ককাদেউতা যদিও ধৰ্ম-যাজক, ককাদেউতাৰ ককাদেউতাক পিছে সৈন্যবাহিনীৰ লোক আছিল। তেখেতৰ নাম আছিল জেনেৰেল ছাৰ ডন গ্লেড। 'লিটল্ জেনেৰেল' নামে জনাজাত এইজন লোকৰ সম্বন্ধে পৰিয়ালত মুখে মুখে নানা গল্প চলি আহিছে। তেখেতে দুবাৰ বিয়া কৰাইছিল। পিচৰ বাৰ ষাঠি বছৰ বয়সত তেওঁ ষোল্ল বছৰীয়া গাভৰু এগৰাকীৰ পাণি গ্ৰহণ কৰিছিল। আশী বছৰ বয়সত তেখেতৰ কনিষ্ঠা কন্যাৰ জন্ম হৈছিল। সেই কনিষ্ঠা কন্যাই আমাৰ পেহীআইতা গাৰট্রুড। অবিবাহিত, খুব মাৰ্জিত ৰুচিসম্পন্ন, ৰসিক, ধুনীয়া সেই পেহীআইতাগৰাকীক মোৰ ভালকৈ মনত আছে। সমষ্ট ইউৰোপ তেখেতে অকলশৰে পৰিভ্ৰমণ কৰিছিল। ইটালীয়ান আৰু ফৰাচী ভাষা তেখেতে মাতৃভাষাৰ নিচিনাকৈ সল্‌সলীয়াকৈ ক'ব পাৰিছিল। মোৰ মাৰ ফালৰ আজোককাদেউতাৰ নিচিনাকৈ এইজনা লিটল্ জেনেৰেলৰো বয়স নব্বৈ বছৰৰ ওপৰ হৈছিল। তেওঁ অসাধাৰণ শক্তিসম্পন্ন আছিল। বহুতো মানা থকা সত্ত্বেও তেওঁ নিজে বাগানৰ ব'লাৰ টানি ঘাঁহনিধন সমান কৰি ভাল পাইছিল। সেইটো তেওঁৰ এটা চখৰ কাম আছিল। প্ৰথমতে সকলো ঠিকেই চলিছিল। কিন্তু লাহে লাহে তেখেত যেতিয়া বেছি বুঢ়া হৈ আহিবলৈ ধৰিলে তেতিয়া তেখেতৰ ল'ৰাহঁত এই লৈ বিশেষ চিন্তিত হৈ পৰিল। ল'ৰাহঁতে মুখ খুলি কোনো কথাকে ক'বলৈ সাহ নকৰিছিল কাৰণ বুঢ়াই তেওঁৰ কামত হস্তক্ষেপ কৰাটো সহ্য নকৰিছিল। সি যি কি নহওক, কিবা এটা ব্যৱস্থা কৰিবই লগা

হ'ল। সেই কাৰণে তেওঁলোকে মনে মনে সেই পুৰণিডালৰ নিচিনাকৈ তাৰ কটা-কুটা দাগ আদিৰে সৈতে দেখিবলৈ সাইলাখ একে, কেৱল ওজনত কেসেৰ-মান কমকৈ, নতুন এডাল ৰ'লাৰ কৰাই আনিলে। এদিন নিশা ভয়ে ভয়ে তেওঁলোকে পুৰণিডাল আঁতৰাই তাৰ ঠাইত নতুন ৰ'লাৰডাল থলেহি। পিচদিনা পুৱা ককাদেউতাই সেই নতুন ৰ'লাৰডাল সদায় টনাদি টানিছিল। টানি অভ্যাই পিচত তেখেতে কৈছিল যে এইবিলাক কামৰ কাৰণে এতিয়াও তেওঁ আচৰিত ধৰণে উপযুক্ত হৈ থকা যেন পাইছে। আচল কথাটো পিছে তেখেতে কেতিয়াও গম ধৰিব নোৱাৰিলে।

এইদৰে বাগিছাত শাৰীৰিক পৰিশ্ৰম কৰাৰ চখ মোৰ মাৰ ফালৰ ককাদেউতাৰো এটা বিশেষ লক্ষণ আছিল। গোলাপ গছত কলম দিয়াৰ নিচিনা ভদ্ৰজনোচিত কাম কৰাৰ উপৰিও তেখেতে দীঘল বাঢ়নী এটাৰ লৈ বাগানৰ ভিতৰৰ বাট-পথবিলাক সাৰি-পুচি ফুৰিছিল। তেখেতৰ এই কাম আইতাই একেবাৰে ভাল নেপাইছিল আৰু বৰ আপত্তি কৰিছিল। পিছে আইতাৰ ওজৰ আপত্তি কোনো কামতে নাহিছিল। ছুটীৰ দিনা বাগানত ঘূৰি ফুৰি এনেকুৱা অদ্ভুত কামবিলাক কৰি সময় নষ্ট কৰি ককাদেউতাই ভাল পাইছিল। তেখেত লণ্ডনৰ কোম্পানী এটাৰ ডাইৰেক্টৰ আছিল। সেই কাৰণে চহৰলৈ প্ৰায়ে যাব লগা হৈছিল। এই যোৱা মানে—খুব পুৱাতে ষ্টেশ্যনলৈ যাব লাগিব। ষ্টেশ্যনলৈ যাওঁতে সাধাৰণতে ঘোঁৰাগাড়ীখন তেখেতে নিজে চলাই নিছিল। তাৰ পিচত কেৰিংক্রশলৈকে 'অল্ড চাউথ ইষ্টার্ণ বেলৱে'ৰ এঘণ্টাৰ বাট। সেই কালত কেৰিংক্রশত দুচকীয়া আৰু চাৰিচকীয়া ঘোঁৰাগাড়ীবিলাক ভাৰাত চলাবৰ কাৰণে শাৰী শাৰী হৈ আছিল।

মটৰকাৰহীন লণ্ডন নগৰী। মোৰ প্ৰথম মনত পৰা দিনৰ লণ্ডন নগৰৰ চেহেৰা ঠিক তেনেকুৱাই আছিল। বস্তু কিনা-কুটা কৰিবলৈ লণ্ডনলৈ যাওঁতে মাই প্ৰায়ে মোক লগত লৈ গৈছিল। দুচকীয়া ঘোঁৰাগাড়ীত ঘোঁৰাকেটাৰ নিচেই ওচৰতে বহি যাব পাৰিম বুলি মাৰ লগত তেনেকৈ যোৱাত মোৰ বিশেষ আগ্ৰহ আছিল। এই দুচকীয়া গাড়ীবিলাক বৰ বেগাই চলে কাৰণে ভিৰোতা মানুহৰ কাৰণে সিমান সুবিধাজনক নহয় বুলি বহুতে ভাবে। মই পিছে এই-বিলাক কথা একো বুজা নাছিলো বা তালৈ ভ্ৰুক্ষেপ কৰা নাছিলোঁ। মোৰ আঁইতা যেতিয়া চহৰলৈ যায় তেওঁ চাৰিচকীয়া গাড়ী ভাৰা কৰে। মোৰ পিছে এই-

বিলাক গাড়ী বৰ আন্দোলা আৰু গধুৰ যেন লাগিছিল। লণ্ডন চহৰত কেতিয়াবা এদিন থাকিব লগা হ'লে ডাঙৰ চাৰিচকীয়া গাড়ীবিলাকৰ একেবাৰে ওপৰত *সন্মুখত, গাৰোৱানৰ কাষতে বহি ঘোঁৱাকেটালৈ, চাৰিওপিনৰ পৃথিৱীখনলৈ* আৰু বাটেদি যোৱা আন ঘোঁৱাবিলাকলৈ চাই চাই গৈ থাকি বৰ আমোদ পাইছিলো। গাৰোৱানবিলাকৰ ডিঙিত মাফলাৰ, গাত অভাৰকোট, আৰু তাৰ ওপৰত তৰপে তৰপে কম্বল মেৰিওৱা। সেই গাৰোৱানবিলাকৰ ভিতৰত কেতিয়াবা চেমওৱেলাৰৰ দেউতাকৰ নিচিনা প্ৰফুল্ল মনৰ ভাল মানুহো থাকে। ঘোঁৱা-বিলাকৰ বিষয়ে মই মাক ইটো সিটো সুধি যোৱা শুনিলে তেওঁলোকেও মাজে সময়ে মৰমেৰে মন্তব্য একোটা কৰে। গাৰোৱানে কৰা মন্তব্য মই অতি মনোযোগেৰে শুনিছিলো।

প্ৰথম মটৰ গাড়ী আৱিৰ্ভাব হওঁতে মোৰ আইতাই যি উৎকণ্ঠা অনুভৱ কৰিছিল সেই কথা মোৰ মনত ছাপ মাৰি থোৱা আছে। মিল্টনহিথৰ চ'ৰা-ঘৰত কেজনমান মানুহে কিবা এটা বিষয়ে গভীৰভাৱে আলোচনা কৰি আছিল। কথাটোনো কি মই বুজিবলৈ চেষ্টা কৰি আছিলোঁ। এনেতে দেখিলো, আইতাই হেলনীয়া চকী এখনত দীঘল দি পৰি প্ৰায় কান্দিয়েই পেলালে। "গাড়ীত উঠি মই আৰু বাহিৰলৈ নেযাওঁ, কেতিয়াও নেযাওঁ!" এইদৰে তেখেতে চিঞৰি কোৱা শুনিলোঁ। মই মনে মনে ভাবিলোঁ, নিশ্চয় ভয়ানক কিবা এটা ঘটিছে, কিন্তু কি ঘটিছে তেতিয়াও ভালকৈ বুজা নাই। সুধি-পুচি পিচত জানিলো যে, চহৰৰ প্ৰধান প্ৰধান আলিবাটবিলাকত এখন বঙা পতাকা হাতত লৈ আগে আগে বাটকটীয়া এজন নোযোৱাকৈ কোনো প্ৰকাৰৰ যন্ত্ৰ চলোৱাটো যিখন আইনমতে বে-আইনী আছিল, সেই আইনখন উঠাই দিবৰ কথা হৈছে। মটৰ গাড়ী নামৰ নতুন যি বস্তুটোৰ কথা অলপ-অচৰপ ওলাইছিল, সেই বস্তুটো যাতে ঘণ্টাত বিশ-পচিশ মাইলৰ দৰে ভীষণ বেগত বাস্তাত যাব পাৰে, তাৰ কাৰণেই আগৰ সেই আইনখন উঠাই দিবলৈ ভৰা হৈছিল। ই নিশ্চয় ভীষণ কথা আছিল। বেচেৰী আইতাৰ প্ৰতি মোৰ সহানুভূতি উপজিল। আইতাই এহাল ঘোঁৱাই টনা গাড়ীত উঠি গাৰোৱানৰ বাহিৰেও লণ্ডন-লিকৃচৌ লৈ পুৰণি ধৰণে প্ৰায় সদায়েই ফুৰিবলৈ যোৱাৰ অভ্যাস আছিল। পিছে আইতাইতৰ বা নাতিনীইতৰ যিমানেই বিৰক্তিৰ কাৰণ নহওক লাগিলে, তাৰলৈ ভ্ৰুক্ষেপ নকৰি পাৰ্লিয়ামেণ্টত আইন পাছ কৰি চলিত নিয়ম বাতিল কৰা হ'ল।

গতিকে আলিবাটত গাড়ী বা ঘোঁবাত উঠি ওলোৱাটো একপ্রকাৰ দুঃস্বপ্ন দেখাৰ দৰে হৈ পৰিল। কোনো জন্তুৱে টনা নহয়, কৌশলেৰে পঁপ পঁপ শব্দ কৰি উদণ্ড চেহেৰাৰ মটৰ গাড়ী নামৰ নতুন বস্তুটো বাটত যোৱা কোনো ঘোঁবাই ইতিপূৰ্বে কেতিয়াও দেখা নাছিল। সেই কাৰণে মটৰ গাড়ী দেখিলেই বা তাৰ শব্দ শুনিলেই ঘোঁবাবিলাকে বৰ ভয় খায়। এদিনাখনৰ কথা মোৰ মনত আছে। আমি ঘোঁবাত উঠি ফুৰিবলৈ গৈছিলোঁ। বাটতে মটৰ গাড়ী এখন পালোহঁক। এটা ঘোঁবাই ভয়তে একে জাপে বাটৰ দাঁতিৰ ঢাপ পাৰ হ'ল। সেই দৈত্যকায় যন্ত্ৰটো যেতিয়া পাৰ হৈ গ'ল, তেতিয়া দেখা গ'ল যে, বেচেৰা ঘোঁবাটোৰ গাৰ শিৰবিলাক টনটনীয়া হৈ ওফন্দি উঠিছে আৰু গাৰপৰা ধাৰা-সাৰে ঘাম বৈছে। অৱশ্যে কেবছৰমানৰ পিচত লাহে লাহে ঘোঁবাবিলাকে মটৰ গাড়ী দেখিলে ভয় নকৰা হৈ আহিল। কিন্তু ইংলণ্ডৰ গাঁৱলীয়া বাট-পথ-বিলাকে আগৰ সেই শান্ত পৰিবেশ চিৰকালৰ কাৰণে হেকৰাব লগা হ'ল।

এটা সুখী আৰু সৌহাৰ্দপূৰ্ণ পৰিবেশৰ মাজত ডাঙৰ-দীঘল হৈছিলোঁ। যদিও মই তেতিয়া নিচেই সৰু আছিলো। যেতিয়া মোৰ বয়স পাঁচ ছয়বছৰ মানহে, মোৰ মনে অজানা বাজ্যৰ সন্ধান বিচাৰিছিল। লগতে মই অনুভৱ কৰিছিলো কিবা এটা ভয় আৰু বিহ্বলতাৰ ভাব।

বয়সীয়াসকলে আকাশৰ তৰাবিলাকৰ বিষয়ে আৰু তাৰ অন্তবালত বিস্তাৰিত হৈ থকা অনন্ত মহাকাশখনৰ বিষয়ে আলোচনা কৰা মই শুনিছিলোঁ। মই নিজে এইবিলাকৰ বিষয়ে চিন্তা কৰিবলৈ চেষ্টা কৰিছিলোঁ। এনেকৈ চিন্তা কৰোঁতে এনে এটা ভয় লগা ভাবে আহি আগুৰি ধৰি মোক অসুস্থ কৰি তুলিছিল যে, তেনে ভাব অহা মাত্রকে মই সেই ত্রাসৰ ভাব দূৰ কৰিবৰ কাৰণে লৰালৰিকৈ পাথিৰ কিবা এটা কথা ভাবিবলৈ চেষ্টা কৰোঁ। মোৰ এই অৱস্থাটোৰ কথা আন কাৰো আগত প্ৰকাশ কৰা নাছিলোঁ। কিন্তু মনে মনে এনে ভাববিলাক পাহৰি পেলাবলৈ চেষ্টা কৰিছিলোঁ। মোৰ এনে ভাব কেবাবছৰলৈকে আছিল। সেই একেদৰে অনন্তকালৰ বিষয়ে চিন্তা কৰিবলৈও মোৰ সাহ নহৈছিল। তেনে কথা শুনিব লাগিব বুলি মই গীৰ্জালৈ যাবলৈকে ভয় কৰিছিলোঁ। গীৰ্জাত প্ৰাৰ্থনাৰ অন্তত সদায় এইদৰে গোৱা হয়: "ই পূৰ্বতে আছিল, এতিয়াও আছে আৰু ভবিষ্যতেও থাকিব। পৃথিৱীৰ অন্ত নাই—আমেন।" এইবিলাক কথা, দেখা যায়, মানুহে অতি সহজে, বাবে বাবে উচ্চাৰণ কৰে। মোৰ কিন্তু তাৰ অন্ত

ধৰণৰ : যিবিলাক কথাই মোক প্ৰকৃততে কষ্টহে দিয়ে, সেইবিলাক অনাহকতে উচ্চাৰণ কৰাৰ প্ৰয়োজন কি ? গীৰ্জাৰ স্বৰ্গ আৰু নৰকৰ কথাবিলাকেও মোক যথেষ্ট চিন্তাত পেলাইছিল। এটা অতি সংক্ষিপ্ত জীৱনৰ কৰ্মফলৰ দ্বাৰা মানুহে কেনেকৈ অনন্ত জীৱন লাভ কৰিব ? বিশেষকৈ যেতিয়া আনকি দুজন মানুহৰে জীৱনত জয়লাভ কৰাৰ সমান সুযোগ সুবিধা নাই। যি'বিলাক লোক কম বয়সতে ঢুকায় তেওঁলোকৰ কি উপায় হ'ব। জড়োপাসক বুলি কোৱা সেই ক'লা মানুহবিলাকৰ গতিয়েই বা কি হ'ব। দেখাদেখিকৈয়ে ক'ৰবাত নিশ্চয় কিবা এটা ভুল আছে। ই এটা ভাঙিব নোৱাৰা সাঁথৰ। এই সাঁথৰ ভাঙিব নোৱাৰি। সেইবিলাক চিন্তাবপৰা পলাই সাৰিবৰ কাৰণে মই আকৌ চাৰিও-পিনৰ সুখী আৰু আনন্দপূৰ্ণ পৰিবেশৰ মাজত আশ্রয় বিচাৰিছিলোঁ।

কিন্তু কিবা এটাই মাজে মাজে মোক অজানা ৰাজ্যলৈ উটুৱাই লৈ যায়। নিস্তব্ধ শান্ত মুহূৰ্তত আৰু সদায়েই প্ৰকৃতিৰ ধ্বনিৰ মাজেদি—চৰাইৰ গীত, গছৰ মাজত বতাহৰ শব্দ—মোৰ এনে অনুভূতি হৈছিল। যদিও ই আছিল এক অজ্ঞেয় ৰাজ্যৰ শব্দ, তথাপি সেই ধ্বনি শুনি মই ভয় খোৱা নাছিলোঁ—এক সীমাহীন আনন্দহে অনুভৱ কৰিছিলোঁ।

তিনি বছৰীয়া মীৰা বেন

চাঁদ বছৰীয়া মীৰা বেন

মীৰা বেনৰ [illegible]

গায়ক কালত মীরা বেন

মীরা বেন পরিবার

চতুর্থ অধ্যায়

ডাঙৰ হৈ অহাৰ লগে লগে মোক খেলিবলৈ দিছিল মৰমৰ পোহনীয়া অৱশ্য কেটামানী ভাবে প্ৰথমটো আছিল জুনিয়ৰ নামৰ এটা ছাগলী পোৱালি। প্ৰথম মোক দিওঁতে সি এটা অকণমানি পোৱালি আছিল। তাক কোলাত লৈ মই ঘূৰি ফুৰিব পাৰিছিলোঁ। পিছে বেছিদিন নৌ হওঁতেই কথাটো সম্পূৰ্ণ বিপৰীত হ'ল—জুনিয়ৰ ইমান ডাঙৰ হৈ পৰিল যে তাৰ কাৰণে সাজি দিয়া সৰু গাড়ী এখনত তুলি সিহে মোক গোটেইখন বাগিছাত টানি লৈ ফুৰিব পৰা হ'ল।

মোৰ প্ৰায় আঠ বছৰমান বয়স হওঁতে দেউতাই লণ্ডনত চাকৰি এটা পাই বিদেশৰপৰা উভতি আছিল। আমি লণ্ডনৰ চেলসিৰ চীনীৰাক নামে অঞ্চলৰ ভাড়া ঘৰলৈ গ'লোঁ। অল্পতে জুনিয়ৰক মই মিল্টন হিথতে এৰি থৈ আহিব লগা হ'ল। তাৰ সলনি dachshund কুকুৰৰ দৰে সাহিয়াল মৰম লগা scotch terrier-ৰ পোৱালি এটা পালোঁ। আমি তাৰ নাম থৈছিলো বেগহ। মই অনবৰত তাৰে সৈতে খেলিছিলোঁ। সি মোৰ লগত মানুহে খেলাৰ দৰেই খেলিব পাৰিছিল।

চীনীৰাকত মোৰ সম্পূৰ্ণ নতুন কিছুমান অভিজ্ঞতা হৈছিল। তাৰে কিছু আছিল গাম্ভীৰ্যপূৰ্ণ আৰু ভয়ঙ্কৰ। ইতিপূৰ্বে মোৰ এনে অভিজ্ঞতা হোৱা নাছিল।

সেই দিনত আইন আছিল যে বাতৰি কাকত বেচোঁতালকলে বাটেদি যাওঁতে খৰবিলাক চিঞৰি চিঞৰি কৈ যাব নোৱাৰিব। এদিন আবেলি পৰত মা-দেউতাৰ সৈতে মই চ'ৰাঘৰত আছিলো। এনেতে বাটেদি কাগজৱালাই অস্পষ্টভাৱে খৰৰ এটা চিঞৰি কৈ যোৱা যেন শুনিলোঁ। সেয়ানো কি? দেখিলোঁ, মা-দেউতাই খৰৰটো মন দি শুনিবলৈ যত্ন কৰিছে আৰু শুনাৰ লগে লগে তেওঁলোকৰ মুখৰ চেহেৰা দেখিলে ভয় লগাকৈ গহীন হৈ পৰিছে। মই

মাৰ ওচৰলৈ লৰ মাৰি গৈ তেওঁৰ মুখলৈ অবাক হৈ চাই ৰলোঁ। আকৌ বাটেদি চিঞৰি চিঞৰি কৈ যোৱা শুনা গ'ল—"ৰাণীৰ মৃত্যু, ৰাণীৰ মৃত্যু"। মাই মোক কাণে কাণে ফুচ্‌ফুচাই ক'লে, "আইজনী, কুইন ভিক্টোৰিয়া ঢুকাল!"

সেই মুহূর্তত কিবা এটা যেন ইংলণ্ডৰপৰা অন্তর্হিত হ'ল। ৰাণী ভিক্টোৰিয়াৰ যুগ শেষ হ'ল। সেই সময়ত কুইন ভিক্টোৰিয়াবিহীন ইংলণ্ডৰ ছবিখন কোনেও ধাৰণা কৰিব নোৱাৰিছিল। আকাশ-বতাহ ব্যাপি যি শূন্যতাৰ ভাব সৃষ্টি হৈছিল, মোৰ সেই কম বয়সতো মই তাক অনুভৱ কৰিব পাৰিছিলোঁ। তাৰ পিচত ৰাজকীয় শৰযাত্ৰা হাইড পার্কৰ কাষেদি পাৰ হৈ যোৱা দৃশ্য দেখাৰ কথা মোৰ মনত আছে। মোৰ বিশ্বাস, ইউৰোপৰ প্ৰায় সকলো ৰাজন্যবৰ্গই কিজানি সেই শৰযাত্ৰাত যোগ দিছিল। সেই সময়ত ইউৰোপত বহুতো ৰজা আছিল।

এই চীনীৰাকত থকা কালতে প্ৰথমে লিখা-পঢ়া কৰাৰ নিচিনা এটা ৰৰ অসুবিধাজনক কামৰ সৈতে মোৰ পৰিচয় ঘটে। সকলোতকৈ বেয়া লাগিছিল যে, যিটো বিষয়ৰ লগত মোৰ ভালকৈ বুজাবুজি নহৈছিল, সেই অঙ্ক বিষয়টোৰ লগতে যুদ্ধ কৰিব লগা হৈছিল। এই সময়তে মোৰ ডাক্তৰ খুবাদেউ আৰ্থাৰৰ ভনীয়েক লুচি চেণ্ডাৰ মোৰ গভার্নেচ হিচাপে আমাৰ পৰিয়ালভুক্ত হ'ল। মই তেতিয়া আঠ বছৰীয়া ছোৱালী। মোৰ ভাব আৰু অনুভূতি যেন সহজভাৱে কোনো বাধা নোহোৱাকৈ গঢ়ি উঠিছিল। সেইকাৰণে কিতাপৰ পাঠ মোৰ কাৰণে বিৰক্তিকৰ আছিল। সহজেই বুজিব পাৰি যে, মই বিশেষ ভাল ছাত্ৰী নাছিলোঁ। সি যি কি নহওক, পঢ়িব যেতিয়া লাগিবই, মই পাৰ্ষমানে পাঠ-বিলাকত ভালকৈ মন দিবলৈ চেষ্টা কৰিছিলোঁ আৰু লাহে লাহে পঢ়া বিষয়ত, বিশেষকৈ ভূগোল আৰু বুৰঞ্জীত মোৰ বাপ ৰহিছিল।

মোৰ মাৰ ওচৰত মই ঋণী। তেওঁ মোৰ স্বভাৱ বুজিছিল। তেওঁ স্কুললৈ যাবলৈ কেতিয়াও মোক জোৰ কৰা নাছিল। সেই পৰীক্ষা চলোৱা-হেঁতেন নিশ্চয় শোচনীয়ভাৱে অকৃতকার্য হ'ব লাগিলহেঁতেন। স্কুলৰ ধাৰণা সম্পর্কে মোৰ বিশেষ ভয়ৰ ভাব আছিল। এই ভয়ৰ ভাব স্কুলত কবিবলগীয়া কামৰ কাৰণে নহয়, চিঞৰ-বাখৰ কৰি থকা ল'ৰা-ছোৱালীৰ দলটোৰ কাৰণে আৰু তাৰ ধৰা-বন্ধা নিয়ন্ত্রিত জীৱনৰ কাৰণেহে স্কুলক মই ইমান ভয় কৰিছিলোঁ।

লণ্ডনত অস্থায়ী হিচাপে বাস কৰা কালছোৱাত মোৰ বহুতো নতুন অভিজ্ঞতা হৈছিল। আমাৰ ঘৰ এলবার্ট ব্রিজৰ কাষতে আছিল। সেই ব্রিজ পাৰ হৈয়েই পার্কত সোমাব পাৰি। সেই কাৰণে মোৰ ঘৰৰ ভিতৰত বন্দী হৈ থকা যেন নালাগিছিল। লুচি বা বার্থাৰ লগত, বেগছ অৱশ্যে লগত থাকেই, পার্কত ফুৰিবলৈ যোৱাটো আছিল মোৰ দৈনন্দিন কার্যসূচীৰ ভিতৰত। এই কাল-ছোৱাতে সম্ভৱতঃ মই প্রথম থিয়েটাৰ চাবলৈ যাওঁ। নাটকখন আছিল চেক্সপীয়েৰৰ "টেম্‌পেষ্ট"। সঁচাসঁচি যেন লগা জীৱন্ত দৃশ্যাৱলী আৰু সাজ-সজ্জাৰ সৈতে বীয়েৰবহম্‌ ট্রিয়ে এই নাটকখন আগবঢ়াইছিল। মই অবাক বিস্ময়েৰে এই নাটকখন চাইছিলো। মোক পিছে থিয়েটাৰলৈ ৰবকে যাবলৈ নিদিছিল। কিয়নো, থিয়েটাৰ ঘৰৰ বদ্ধ বায়ু আৰু থিয়েটাৰৰ ঘটনাৱলীয়ে সৃষ্টি কৰা উত্তেজনাৰ ফলত থিয়েটাৰ চাই অহাৰ পিচতে প্রায় সদায় মই অসুস্থ হৈ পৰি থাকিব লগীয়া হৈছিল।

পঞ্চম অধ্যায়

দেউতা সাগৰলৈ পুনৰ উলটি যোৱাত আমি আকৌ গাঁৱলৈ গ'লোগৈ। এইবাৰ গৈ মিল্টন হিথতে আমি গোটেইখিনি দিন থকা নাছিলোঁ। মাই খেতিয়ক এজনৰপৰা ঘৰ এটা ভাড়া লৈছিল। খেতিয়কজনৰ মাটি-বাৰী চোৱা-চিতা কৰা ল'ৰাজনে তেতিয়াও বিয়া কৰোৱা নাছিল। সেই কাৰণে আমি লোৱা ঘৰটো তেতিয়া তেওঁলোকৰ আৱশ্যক নহৈছিল। এইখন আছিল গ্ৰেট-ব্ৰুকহাম নামে চাৰেৰ গাওঁ এখনৰ ওপৰফালে থকা ফনিক্স ফাৰ্ম। ফাৰ্মখন তেতিয়াৰ দিনত অকণো নষ্ট নোহোৱাকৈ সম্পূৰ্ণ নিষ্কলুষ হৈয়ে আছিল। ইয়াৰ এফালে বহুত দূৰলৈকে বিয়পি থকা মুকলি পথাৰ আৰু আনফালে মাজে মাজে হাবি-বন আৰু মাজে মাজে পথাৰ আছিল। ফাৰ্মৰ ঘৰবিলাক আমাৰ ঘৰটোৰ ঠিক পিচফালে আছিল। ঘোঁৰাশাল আৰু গৰুৰ গোহালীও আমাৰ ঘৰৰ পিচ-ফালেই আছিল। তাৰ ওচৰতে খেৰৰ মেজি। সেইখিনিৰেপৰা বিস্তীৰ্ণ ঘাঁহনি আৰু খেতিৰ পথাৰ। শৈশৱ কালত শিকিবৰ কাৰণে আৰু বসবাস কৰিবৰ কাৰণে এই ঠাইডোখৰ উপযুক্ত ঠাই আছিল। আমি সেই ঠাইত তিনি কি চাৰি বছৰতকৈ বেছিদিন থকা নাছিলোঁ। কিন্তু সেই ঠাইখন আৰু তাত কটোৱা জীৱনৰ স্মৃতি মোৰ মনত মাটিৰ সীমাৰ খুটিৰ দৰে দৃঢ়ভাৱে পোতা আছে। পাঠ্যপুথি পঢ়া সময়কণৰ বাহিৰে বাকী সকলো সময়তে মই বাহিৰত ফুৰিছিলো, চাইছিলো, শিকিছিলো, আৰু অভিজ্ঞতাও অৰ্জন কৰিছিলো।

সপ্তাহৰ শেষৰ দিনকেটালৈ আমি আগ্ৰহেৰে বাট চাই থাকো। লণ্ডনৰপৰা ল'ৰাহঁত গাঁৱলৈ আহে আৰু আমি সকলো মিলি নৰ্থ ডাউনছৰ ফালে দীঘলীয়া ভ্ৰমণৰ কাৰণে ওলাই যাওঁহঁক। পুৰণি বাহিৰা ঘৰ এটাত কাঠৰ ডাঙৰ ডাঙৰ টুকুৰা জাপি দি জলোৱা জুই একুৰাৰ চাৰিওপিনে আমাৰ গান-বাজনা চলে। এখন বেঞ্চ আৰু কেইখনমান সাধাৰণ ধৰণৰ চকীৰ বাহিৰে সেই স্ম'কিং কমটোত আন একো নাছিল। সেই ডেকা দলটোত যিবিলাক ল'ৰা আছিল,

সিহঁত মোতকৈ কোনোজন পোন্ধৰ বছৰ, কোনোজন বিশ বছৰ মানৰ ডাঙৰ আছিল। ল'ৰাৰ দলটোত মোৰ ডাক্তৰ ভতিজা আৰ্থাৰ চেণ্ডাৰ, শিল্পী ৰবাৰ্ট বুল্সটন্ আৰু সাধাৰণতে তেওঁলোকৰ বন্ধু দুই এজন থাকে। মা, লুচি, কেতিয়াবা লুচিৰ ভনীয়েক আৰু মই, এইখিনি মানুহ লৈয়ে আমাৰ দলটো পূৰা হৈছিল। সেইবিলাক দিন অতি চমৎকাৰ আছিল। আমোলমোলাই থকা হাবি-বননিৰ মাজে মাজে বাতিপুৱাৰেপৰা গধূলিলৈকে অনাই-বনাই ঘূৰি ফুৰি, ভাগৰি-জুগৰি, ভোকে-পিয়াহে অস্থিৰ হৈ, বাতিৰ আহাৰৰ কাৰণে সেই স্ম'কিং কমলৈ উভতি আহোঁ। খোৱা-বোৱা আদি শেষ হোৱাৰ পিচত গান-বাজনা চলে। মই আন সকলৰ তুলনাত যথেষ্ট সৰু, তেওঁলোকৰ লগত সমানে খোজ কাঢ়িব নোৱাৰি স্পার্টান নামৰ মোৰ গাধটোৰ ওপৰত উঠি ফুৰিছিলো।

লুচিৰ আৰু মোৰ মাৰ উদ্ভিদবিদ্যা সম্পৰ্কে বিশেষ উৎসাহ আছিল। মই অতি সোনকালে তেওঁলোকৰপৰা বনবীয়া গছ-লতা-ফুল আদি বিশেষভাৱে চাবলৈ শিকিছিলো আৰু সাধাৰণতে নেদেখা ফুল-পাত আদিৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিছিলো। চৰাই সম্পৰ্কেও সেই একে কথা। বিভিন্ন চৰাইৰ ভিন্ ভিন্ মাত আৰু অন্যান্য বিশেষত্ববিলাক মই জানিব পাৰিছিলোঁ। নেদেখা চৰাই এটা দেখা বা তাৰ মাত শুনাটো এটা ৰোমাঞ্চকৰ ঘটনা আছিল। ডাক্তৰ আৰ্থাৰে মৰা নিগনি বা আন সৰু-সুৰা পোক-পকৰা কাটি, শৰ ফলা-চিৰা বিদ্যাৰ ৰহস্য সম্পৰ্কে মোক বুজাইছিল। মই এই বিষয়টো সিমান ভাল নেপাইছিলোঁ। তথাপি আৰ্থাৰে বিষয়টো খৰচি মাৰি এনে সুন্দৰকৈ বুজাইছিল যে, কেৱল কোৱাৰ ধৰণতে আকৃষ্ট হৈ প্ৰথমবেপৰা শেষলৈকে আৰ্থাৰৰ এই কটা-ছিঙা কাণ্ড কাৰখানা-বিলাক মন দি চাইছিলো। আনহাতে, ৰ'ৰৰ সঙ্গই মোৰ কলা সম্পদ আৰু সুন্দৰ বস্তু বুজাৰ ক্ষমতা বিকাশত সহায় কৰিছিল। এইদৰে সপ্তাহৰ শেষৰ ছুটীৰ দিন কেইটাও প্ৰত্যক্ষ অভিজ্ঞতাৰ জৰিয়তে শিক্ষাপ্ৰদ হৈছিল।

বাতিৰ গান-বাজনাৰ মেলখন অলপ বেলেগ ধৰণৰ আছিল। সেই-বিলাকে মোৰ ভিতৰত যি ভাবাবেগৰ সৃষ্টি কৰিছিল, সি সাধাৰণতে আনন্দত উতলা হোৱা বিধৰ অনুভূতি আছিল যদিও কেতিয়াবা কেতিয়াবা ই অলপ গধুৰ ভাৱৰো সৃষ্টি কৰিছিল। ৰবে গীটাৰ বজাইছিল আৰু তেৱেঁই প্ৰধান গায়ক। বাকীবিলাকে নিজৰ নিজৰ বিশেষ গান গাইছিল যদিও বেছিভাগ গান সমলয় সঙ্গীত ছিচাপেহে গোৱা হৈছিল। গতিকে ডাঙ সকলোৱে যোগ

দিব পাৰিছিল। সেই গীতবিলাকৰ ভিতৰত বহুতো গীত চিকাৰ কৰাৰ সময়ত আৰু মদ খোৱাৰ সময়ত গোৱা ইংলণ্ডৰ পুৰণি গীত। গীতবিলাকৰ কেবাটাও মোৰ আজিও মনত আছে। *সেই আনন্দমেলাত এটা বিশেষ ধৰণৰ গান* গাবলৈ লুচক সদায় জোৰ কৰা হৈছিল। গীতটো আছিল পুৰণি জাৰ্মান লোকগীত, প্ৰেমিক-প্ৰেমিকাই এৰাএৰি হ'বৰ সময়ত গোৱা। সেই গীতৰ জাৰ্মান শব্দবিলাক লৈ ল'ৰাহঁতে সদায় ফিচিঙা-ফিচিঙি কৰিছিল। জাৰ্মান সঙ্গীতৰ লগত তেতিয়ালৈকে মোৰ চিনাকি হোৱা নাছিল। গতিকে এই লোক-গীতটোৱে মোৰ প্ৰাণত এক নতুন অনুভূতিৰ সৃষ্টি কৰিছিল। মই বাৰে বাৰে সেই গীতটো শুনিবলৈ ইচ্ছা কৰিছিলোঁ।

আমি এই ফনিক্স ফাৰ্মত থকা সময়তে আৰম্ভণী যুগত ; মটৰগাড়ী চলোৱা অভিযানৰ এটা অভিযান লণ্ডন আৰু ব্ৰাইটনৰ মাজত থকা বাস্তাটোতে হৈছিল। গ্ৰেট-ক্ৰুকহামৰ নিচেই ওচৰেদিয়েই সেই বাস্তাটো গৈছে। সেইদেখি আমি সকলোৱে সেই প্ৰতিযোগিতা চাবলৈ গৈছিলো। আমি বাটটোৰ এনে এডোখৰ ঠাই বাছি লৈছিলো, য'ত গৰা এটাৰে গাড়ীখন নামি আহি আকৌ ওপৰলৈ উঠিব লাগে। নিৰ্দিষ্ট সময়ৰ বহুত পৰৰ পিচত প্ৰথম গাড়ীখনে দেখা দিলে। তলৰ নামিবৰ সময়ত ড্ৰাইভাৰসকলে যেতিয়া ব্ৰেক ধৰিলে, তেতিয়া তেওঁলোকৰ চেহেৰাত উদ্বিগ্নতা ফুটি উঠিল। আকৌ ওপৰলৈ উঠিবৰ সময়ত ড্ৰাইভাৰসকলে ষ্টিয়াৰিং হুইলৰ ওপৰত হাউলি, তেওঁলোকৰ সৰু ইঞ্জিনটোৰ পঁপ পঁপ শব্দেৰে জোৰ দিলে। এজনে উঠিবই নোৱাৰিলে। পিচত শুনিলো, বহুতৰে গাড়ী বাটতে বেয়া হ'ল। শেষত মাত্ৰ কেজনমানেহে ব্ৰাইটন পালেগৈ। তেতিয়াৰ মটৰকাৰবিলাক দেখিলে ঘোঁৰাবাগাৰোৰকে অলপ লৰচৰ কৰি বেলেগ কৰা যেন লাগিছিল। চালকজন চকাকেটাৰ ওপৰত টুলৰ দৰে কিবা এখনৰ ওপৰত বহে। গাড়ীবিলাকত ববকৈ বতাহ লগাত বাধা দিবলৈ কোনো ব্যৱস্থা তেতিয়ালৈকে হোৱা নাছিল। কিয়নো, সেই গাড়ীবিলাক বঙা পতাকাৰ যুগৰপৰা ওলাই আহিছিলহে মাথোন। গাড়ীবিলাকৰ গতিবেগো তেতিয়া বৰ কম আছিল।

অসাধাৰণ ক্ষিপ্ৰ গতিৰে মটৰকাৰৰ উন্নতি হ'ল। আমি ফনিক্স ফাৰ্ম এৰাৰ আগতেই, মাৰ অতি আধুনিক বন্ধু এগৰাকীয়ে তেওঁৰ কাৰেৰে আহি দেখা কৰিছিলহি। সেই কাৰখন বোধকৰো 'De Dion Bouton' মডেলৰ গাড়ী

আছিল। এবছৰ কি দুবছৰ আগতে আমি ব্রাইটনৰ বাস্তাত দেখা গাড়ীতকৈ এইখন গাড়ী সকলোপিনে উন্নত আছিল। সেই বুদ্ধগৰাকীয়ে মা আৰু মোক তেওঁৰ গাড়ীৰে অকণমান ফুৰাবলৈ লৈ গৈছিল। গাড়ীখন চলোতে হোৱা শব্দ, গোন্ধ আৰু ইয়াৰ গতি, এই সকলো মিলি মোক একেবাৰে বিবুধিত পেলাই-ছিল। মই শঙ্কিত হৈ পৰিছিলো। মই মা আৰু তেওঁৰ বন্ধুগৰাকীৰ মাজত বহিছিলো, গতিকে ভয় খাইছিলো যদিও বাহিৰত তাক নেদেখুৱাই মুখেৰে হাঁহি থাকি এই আতঙ্কপূৰ্ণ যাত্রাটো পাৰ কৰিবলগীয়া হৈছিল। ই এটা মূৰৰ চুলি শিয়ঁৰি থিয় হৈ উঠা ধৰণৰ অভিজ্ঞতা আছিল। বাটৰ কোনেও আমাৰ গাড়ীখন কি গতিবেগে চলিছে, ঠিক ধৰিব পৰা নাছিল। মাজে মাজে গাড়ীখন কাৰোবাৰ গাৰ ওপৰতে গৈ উঠাৰ পৰা বক্ষা কৰিবৰ কাৰণে, ঠিক আগমুহূৰ্ততে ব্রেক্ টানিবৰ পৰত, কি যে ভীষণ অৱস্থা একোটাৰ সৃষ্টি হৈছিল। আমাক দেখি বাটৰ ঘোঁৰা আৰু কুকুৰবিলাক মৰাৰ ভয়ত পগলাৰ দৰে উত্তেজিত হৈ পৰিছিল। এইদৰে গৈ গৈ যেতিয়া আমি চহৰ পাওঁগৈ তেতিয়া তাত ৰৰষুণ দি আছিল। ট্রাম লাইনবিলাক পিছল হৈ পৰিছিল। সেই অৱস্থাত আমাৰ গাড়ীৰ নিমজ টায়াৰ-বিলাক যেনি-তেনি পিছলিবলৈ ধৰিলে।

মিল্টন হিথৰ পূৰ্বৰ সেই আনন্দ ৰৰ বেগাই নাইকিয়া হৈ আহিবলৈ ধৰিলে। ককাদেউতাই গাড়ী টনা ধুনীয়া ধুনীয়া ঘোঁৰাবিলাকৰ ঠাইত মটৰ গাড়ী ৰাখিবলৈ ল'লে। উঠি ফুৰা ঘোঁৰাবিলাকৰো সংখ্যা কমি আহিল। ঘৰলৈ টেলিফোন আহিল। এইদৰে এপদ দুপদকৈ বাঢ়ি গৈ কেইবছৰমানৰ ভিতৰতে আমাৰ জীৱন-যাত্রা সম্পূৰ্ণৰূপে যন্ত্রযুগলৈ পৰিৱৰ্ত্তিত হ'ল।

এনেতে সকলোকে চেৰ পেলাই আহিল এৰোপ্লেন। ডব্লিউ ৰাইটে উৰা জাহাজেৰে ইংলিছ চেনেল পাৰ হ'বলৈ বাৰে বাৰে চেষ্টা চলাইছিল। খৰৰ কাগজবিলাক সেইবিলাক খবৰেৰে ভৰি আহিবলৈ ধৰিলে। তেওঁ অকৃতকার্য হোৱা প্রত্যেকবাৰতে মনে মনে মই যে কি আনন্দ পাইছিলো, সেইকথা মোৰ ভালদৰে মনত আছে। এই অকৃতকার্য, মানে ইংলিছ চেনেল পাৰ হোৱাৰ যি চেষ্টা, সি কিছুদিনলৈ স্থগিত থকাৰ কথাহে আছিল, তাক মই উপলব্ধি কৰিছিলো। তথাপি বৰ বেছিদিনলৈ নহলেও, সম্প্রতি কিছুদিন অন্ততঃ পলম হ'ব বুলি ভাবি ভাল লাগিছিল। ইংলিছ চেনেল পাৰ হ'ল আৰু মটৰকাৰৰ দৰেই বৰ বেগাই আকাশী জাহাজবিলাকো বাঢ়ি আহিবলৈ ধৰিলে। মিল্টন

হিথত টেনিছ খেলি থাকোতে এদিন কোনোবা এজনে 'উৰা জাহাজ' বুলি চিঞৰা শুনিলো। আমি বেকেটবিলাক সামৰি, মুকলি পথাৰলৈ এৰোপ্লেন চাৰলৈ লৰ ধৰিলো। কেইবছৰমানৰ আগেয়ে লণ্ডন আৰু ব্ৰাইটনৰ বাস্তাত পৰীক্ষামূলক হিচাপে মটৰকাৰবিলাক চলোৱাৰ দৰে এই আকাশী জাহাজবিলাক চলোৱা হৈছিল। পার্থক্য এয়ে যে এইবাৰ আকাশৰ ওপৰেদি চলিছিল। "এইবোৰনো কি?"—মই নিজকে নিজে প্ৰশ্ন কৰিছিলো। "পৃথিৱীৰ ক'তো অকণো গোপনীয়তা নাথাকিবই নেকি?"

ষষ্ঠ অধ্যায়

১৯০৩ চন মানত দেউতা গ্রীনউইছব 'বয়েল নেভেল কলেজ'ব কেপ্টেইন নিযুক্ত হ'ল। সেই ঠাইতো মোব কাবণে নতুন নতুন অভিজ্ঞতাবাজি সঞ্চিত হৈ আছিল। আমি থকা ঘবটোব নমুনা ছাব ক্রিষ্টফাব বেনে কবিছিল। সেই ঘবটো আদিতে বজা দ্বিতীয় চার্লছব প্রাসাদ আছিল। সেই প্রাসাদব নিজস্ব এটা গাম্ভীর্যপূর্ণ আক শান্ত পবিবেশ আছিল। এনে এটা পাবিপার্শ্বিকতাব মাজত বাস কবিবলৈ আহি অতি সোনকালেই মোব এই ধাবণা সুস্পষ্ট হৈ পবিল যে, স্থাপত্য-বিদ্যা এটা সুকুমাব কলা। বয়সীয়াসকলে এই প্রাসাদটোব শিল্প-সম্পদ আক তাব মূল্যব বিষয়ে প্রায়ে আলোচনা কবা শুনিছিলো। সেইবিলাক আলোচনা শুনি শুনি আক নবজাগবণব যুগব, গঠিক ষ্টাইলেবে সজা লণ্ডন আক তাব আশে-পাশে থকা প্রধান প্রধান প্রাসাদবিলাক চাই, স্থাপত্য-কলা সম্পর্কে মোব ধাবণাব যথেষ্ট উন্নতি হৈছিল আক এটা সুস্পষ্ট ৰূপ লৈছিল।

এড্‌মিবেল আক কেপ্টেইনসকলব বঙলা টেমচ্‌ নদীব পিনে মু' কবি সজা। সেইকাবণে আমাব ঘবব খিবিকীয়েদি টেমচ্‌ নদীখন সুন্দবকৈ দেখা গৈছিল। টেমচ্‌ নদীব সেই অঞ্চলত নানা ধবণব জাহাজব অহা-যোৱা চলি আছিল। ইয়েই অঞ্চলটো সদায় জীৱন্ত কবি বাখিছিল। আমি থকা প্রাসাদটোব বেবাবোব চাবিফুটমান ডাঠ আছিল। গতিকে খিবিকীব ওচবত সুন্দবকৈ বহিব পবা ঠাই আছিল। মোব শোৱা কোঠাটো দেউতাইঁতব শোৱা কোঠাব কাষতে আছিল। সেই কোঠাটোব এখন খিবিকীবে পোনে পোনে নৈখন দেখা গৈছিল। সেই খিবিকীখনব কাষত বহি ঘণ্টাব পিচত ঘণ্টা দূবৈব পৃথিৱীখনলৈ মই চাই বৈছিলোঁ। টেমচ্‌ নদীব সেই নির্দিষ্ট ঠাইখিনিত, ঢৌত তল-ওপব কবি সেই পিনেদি পাব হোৱা, দেখিবলৈ শোভাযাত্রাব নিচিনা লগা, নানা ধবণব জাহাজ-নাওঁবিলাকব লানি নিছিগিছিল। তাব ভিতবত নানা দেশব মালবাহী জাহাজবিলাকো আছিল। মালবাহী জাহাজব কিছুমান বব ডাঙব

আছিল। জাহাজৰপৰা মাল নমোৱা বা বোজাই দিয়া কামত ব্যৱহাৰ হোৱা এবিধ সৰু সৰু খোলা নাওঁ গুণ লগাই নির্দিষ্ট ঠাইলৈ টানি নিয়া হৈছিল। এই সৰু সৰু নাওঁবিলাকক সদায় ব্যস্ত থকা দেখা গৈছিল। কেতিয়াবা চাবিডাল মাস্তুল থকা ধুনীয়া ধুনীয়া জাহাজবিলাক নাওঁ আৰু জাহাজেৰে ভৰি থকা সেই ঠাইখিনিত ঠিকমতে চলাই আনিৰ নোৱাৰা কাৰণে গুণেৰে টানি নির্দিষ্ট ঠাইলৈ সুমুৱাইছিল। দুডাল মাস্তুল থকা নানা ধৰণৰ জাহাজবিলাক গুণ টানি টানি চলি ফুৰা দেখা গৈছিল। সকলো ঠাইতে, সকলো সময়তে অৱশ্যে ৰঙা-মুগা ৰঙীয়া পালতৰা খেলৰ নাওঁবিলাক আছিলেই। তাৰ উপৰি পাল নতৰা, দুমুৰে দুজন মানুহে দুডাল দীঘল ব'ঠাৰে, অদ্ভুত ধৰণে চলোৱা পুৰণি ধৰণৰ খোলা নাওবিলাক ঢৌত এনি তেনি ওপঙি ফুৰিছিল। সেইবিলাকক দুৰৰপৰা অসংখ্য পানীৰ পোকৰ দৰে দেখা গৈছিল।

সেইবিলাক চাই চাই মই একেবাৰে তন্ময় হৈ থাকো। মই দেউতাৰপৰা পালতৰা নাওঁবিলাকত লগোৱা জৰী, ফহতি আৰু পালবিলাকৰ ভিন্ ভিন্ নাম শিকিছিলো। সেই নামবিলাক মনত ৰখা সঁচাকৈয়ে টান কাম আছিল। বহী এখনত মই বিভিন্ন দেশৰ পতাকাৰ ছবি আৰু বিভিন্ন জাহাজ কোম্পানীৰ নিজৰ পতাকা আৰু মাস্তুলৰ ছবিবিলাক লগাই ৰাখিছিলো। দেউতাইঁতে মোক 'জিছ মন'কুলাৰ' (zeiss monocular) এটা দিছিল। এচকুৰে চাৰ পৰা সেই যন্ত্ৰটোৰে মই সেইপিনেদি পাৰ হোৱা জাহাজবিলাকৰ নাম আৰু ৰেজিষ্ট্ৰেশ্যন প'টৰ নামবিলাক পঢ়িছিলো। অতি কম সময়ৰ ভিতৰতে সেইপিনে অহা-যোৱা কৰা প্ৰধান প্ৰধান জাহাজবিলাকৰ বিষয়ে মই জানিব পাৰিলোঁ। কলেজৰ বিপৰীতফালে টেমচ্ নদীখন বৰ বহল আছিল। সেইফালে আমাৰ খিৰিকীৰ তলত, বান্ধটোৰ কাষতে, সৰু সৰু নাওঁবিলাক আনি পাৰত লগাইছিল। এই সৰু সৰু নাওঁবিলাকৰ ভিতৰত যিবিলাক নাওঁ নিয়ম মতে সদায় অহা-যোৱা কৰিছিল, সেইবিলাকৰ বিষয়েও মই জানিব পাৰিছিলোঁ। কিন্তু সেই সময়ত অকল সেই নদীৰ কাষৰ খিৰিকীখনেই যে মোৰ একমাত্ৰ বাপ থকা বস্তু আছিল, এনে নহয়। লাহে লাহে শৈশৱ অৱস্থা পাৰ হৈ কৈশোৰত ভৰি দিলো। শৈশৱ কাল গ'ল। নতুন আবেগ, চিন্তা-অনুভূতিসমূহ লাহে লাহে বাঢ়ি আহিবলৈ ধৰিলে। সেই নতুন ভাৰবিলাকে যে জীৱনটো আৰু সুখৰ কৰি তোলাত সহায় কৰিছিল এনে নহয়, সেইবিলাকে মোৰ ভিতৰত অস্থিৰতাৰ আৰু চাৰিওপিনৰ

পৰিবেশ আৰু মোৰ নিজৰ ওপৰত অকাৰণে অৰ্থহীন এক অসন্তোষৰ ভাৰবহে সৃষ্টি কৰিছিল। সকলোৰে অতিপাত মৰম-চেনেহৰ মাজত মই ডাঙৰ-দীঘল হৈছিলো। মই মোৰ মাৰ বিশেষ ভক্ত আছিলো, যদিও কিবা এটাৰ অভাৱ মই সদায় অনুভৱ কৰিছিলো। কিন্তু সেই বুলি মই ভগ্নোৎসাহী বা বিষণ্ণ হৈ থকা নাছিলো। যিবিলাক বিষয়ত মোৰ বাপ বহিছিল তাতে উৎসাহেৰে নিজক উছৰ্গা কৰিছিলোঁ। যিবিলাক বিষয়ত মোৰ বাপ বহিছিল, সাধাৰণতে মোৰ বয়সৰ ছোৱালীৰ তেনেবোৰ বিষয়ত বাপ নবহে কাৰণে মই আন সকলতকৈ কিছু বেলেগ আছিলো। নিজৰ সম্পৰ্কে এইদৰে সচেতন হোৱাৰ ফলস্বৰূপে সাধাৰণতে গহীন কথাবিলাকত মই নিঃসঙ্গতাৰ ভাব অনুভৱ কৰিছিলো। গহীন কথা বুলিলে মোৰ মতে অকল বুদ্ধিৰ কথাই নহয়; ঘোঁৰা, জাহাজ—এইবিলাকো মোৰ কৰণে গধুৰ বিষয়।

সম্প্ৰতি, কলাই মোৰ ভিতৰত আলোড়নৰ সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছিল। স্থাপত্য-কলাৰ নিদৰ্শন চাৰিওপিনে আছিলেই। মাজে-সময়ে মিউজিয়াম আৰু চিত্ৰপটৰ সদনলৈ যাওঁতে যাওঁতে ভাস্কৰ্য আৰু ছবি আঁকা বিদ্যাৰ সৈতেও মোৰ পৰিচয় ঘটিল। কিন্তু তেতিয়ালৈকে সঙ্গীত কলাৰ সৈতে মই সম্পূৰ্ণ অপৰিচিত আছিলো। আমাৰ পৰিয়ালত কোনেও কোনো বাদ্য বজাব নেজানিছিল আৰু উচ্চাঙ্গ সঙ্গীত সম্পৰ্কেও কাৰো বিশেষ একো জ্ঞান নাছিল। লুচিৰ কেৱল বিখ্যাত সঙ্গীত ৰচয়িতাসকলৰ সম্বন্ধে কিছু ধাৰণা আছিল। লুচিৰ কিন্তু বজাব পৰা ক্ষমতা নাছিল। সেইকাৰণে সঙ্গীত বিষয়টো তেতিয়া-লৈকে মোৰ কাৰণে এখন জপাই থোৱা কিতাপৰ দৰেই আছিল।

নৌ বিভাগৰ বিষয়াৰ চাকৰি সাধাৰণতে এঠাইত দুবছৰতকৈ অধিক কাল নহৈছিল। সেইকাৰণে আমি একেবাহে ইঠাইৰপৰা সিঠাইলৈ ঘুৰি ফুৰিব লগাত পৰিছিলো। য'লৈকে গৈছিলো, তাতে মাই এনে বঢ়িয়াকৈ ঘৰ-দুৱাৰ পাতি লৈছিল, যেন আমি সেই ঠাইতে চিৰকাল আছো আৰু থাকিমো। এই ঘৰ পতা কামটো তেওঁৰ ব্যক্তিত্ব প্ৰকাশৰ এক পোণপটীয়া বাট আছিল। ঘৰ সজোৱা আৰু লাগতিয়াল সা-সজুলি সম্পৰ্কে তেওঁৰ এক সমাহিত প্ৰতিভা আছিল। আমাৰ কাৰণে ইখনৰ পিচত সিখনকৈ তেওঁ যি ঘৰ পাতি গৈছিল, তাত তেওঁৰ প্ৰকৃতিৰ সুস্পষ্ট ছাপ পৰিছিল। সেই প্ৰকৃতি কোনে ব্যাখ্যা কৰিব পাৰে। এজন কলাকাৰে তেওঁৰ চিত্ৰিত প্ৰকৃতিৰ সেই মূৰ্তি ফুটাই তোলা যেনে

অসম্ভৱ, এজন ফটোগ্ৰাফাৰৰ কাৰণেও তেওঁৰ সেই মূৰ্তিৰ ফটো তোলা সেইদৰেই অসম্ভৱ কথা আছিল। এক দুৰ্বোধ্য, সুন্দৰ আৰু অসাধাৰণ ব্যক্তিত্ব এই মানুহগৰাকী আহিছিল আৰু গৈছিল। তেওঁ আনৰ কাৰণে যিদৰে অজ্ঞাত, সেইদৰে তেওঁৰ নিজৰ কাৰণেও অজ্ঞাত আছিল। আমি পৰস্পৰে বৰ ঘনিষ্ঠ-ভাৱে ওচৰ চাপিছিলোঁ। মই আছিলো অস্থিৰ মনৰ কুমাৰী। গভীৰ ভালপোৱা ভাবেৰে তেওঁ মোলৈ লক্ষ্য ৰাখিছিল আৰু মোক মোৰ মতে চলিবলৈ এৰি দিছিল। কিন্তু দেউতাৰ কথা সুকীয়া। তেওঁ সেই ৰক্ষণশীল ইংলিছসকলৰ নিচিনা মৰমিয়াল আছিল যদিও অত্যন্ত কঠোৰ প্ৰকৃতিৰ লোক আছিল। শাৰীৰিক হিচাপেও মাৰ লগত তেওঁৰ কোনো সাদৃশ্য নাছিল। মা আছিল ক্ষীণ আৰু খৰতকীয়া বিধৰ, কিন্তু দেউতা আছিল দৃঢ়, বলিষ্ঠ শৰীৰৰ আৰু আকৰ্ষণীয় গঠনৰ লোক। দেউতাৰ কথা প্ৰথম মনত পৰা দিনৰ ভিতৰত তেখেতৰ দীঘল দাঢ়ি থকা চেহেৰাহে মোৰ মনত আছে। কিন্তু দিন যোৱাৰ লগে লগে মাই তেখেতৰ এনেদৰে যত্ন ল'ৰলৈ ধৰিলে যে, গ্ৰীনউইছ কলেজৰ কেপ্টেইন থকা কালত তেওঁ দাঢ়ি ধুনীয়াকৈ কেচিৰে ছাটি লৈ, গাল কিখন খুৰাই নিমজ কৰিছিল আৰু গোফ চুটি কৰি কাটি মুৰত মম লগাই ফিট্‌ফাট্‌ কৰি লৈছিল। তেওঁৰ পোছাক-পৰিচ্ছদৰ প্ৰতিও মাই বিশেষ লক্ষ্য ৰাখিছিল। খুটি-নাটি প্ৰতিটো বিষয়কে কেনে হ'ব লাগে তাৰ পৰামৰ্শ দিছিল। এই সকলো মিলি দেউতাৰ চেহেৰাৰ এক আচৰিত পৰিৱৰ্তন হ'ল।

গ্ৰীনউইছৰ পিচত কি কি ঘটিছিল মোৰ সঠিক মনত নাই। কাৰণ সেই সময়ছোৱাত বহুতবাৰ দেউতাৰ চাকৰিৰ স্থান পৰিৱৰ্তন হৈছিল। তেৰ বছৰৰ ভিতৰত আমি সাতখন ঘৰ সলাৰ লগা হৈছিল। বোধকৰোঁ এই সময়তে দেউতাই চাকৰিৰ কাৰণে আকৌ বিদেশলৈ যাব লগা হ'ল আৰু আমি মিল্টন হিথলৈ গ'লোগৈ। তেতিয়া মই ৰাব কি তেৰ বছৰীয়া। সেইকাৰণে ককাদেউতাই মোক চিকাৰলৈ নিয়া ডাঙৰ ঘোঁৰাত উঠিবলৈ অনুমতি দিছিল। কিছুদিনৰ পিচত মই সঁচাকৈয়ে চিকাৰলৈ গৈছিলোঁও। চিকাৰলৈ যোৱাটো লাহে লাহে মোৰ প্ৰবল অনুৰাগৰ বিষয় হৈ পৰিল। সেই দুৰ্ভগীয়া শিয়ালবিলাকৰ কথা মই অকণো নাভাবিছিলো। সেইবিলাক কথা অৱশ্যম্ভাৱী বুলিয়েই মই ধৰি লৈছিলোঁ। চিকাৰী কুকুৰৰ মাতৰ আৰু চিকাৰৰ শব্দৰ অনুসৰণ কৰি কৰি গাৱঁৰ হাবিতলীয়া ওখোৰা-মোখোৰা বাটেদি ঘোঁৰাত উঠি যাওঁতে

মই কি যে আনন্দৰ শিহঁৰণ অনুভৱ নকৰিছিলোঁ! আৰোহীজনৰ দৰেই ঘোঁৰাটোও আনন্দত মতলীয়া হৈ উঠিছিল। দিনৰ দিনটো মুকলি হাবি-বননিৰ মাজত ঘূৰি ফুৰি বোকাই-মাটিয়ে লুটুৰি-পুটুৰি হৈ ভোকে-ভাগৰে অস্থিৰ হৈ গধূলি ঘৰলৈ উভতি অহাত কি যে এটা আনন্দ আছে! ককাদেউতা আৰু মোৰ মাজত এক অভিনৱ সম্বন্ধ গঢ়ি উঠিছিল। মজিয়াত খেলনা লৈ খেলাৰপৰা আমি এতিয়া আচল চিকাৰলৈ যোৱা অৱস্থালৈ আহিলো। গধূলি দুয়ো একেলগে বহি আমি তাচ খেলিছিলো। তেখেতে বেজিক নামে মনে মনে খেলা খেল এটা খেলি বৰ ভাল পাইছিল। সেই খেল খেলিবৰ উপযুক্ত হ'লত তেখেতে মোকো সেই খেল শিকাইছিল। এলেক্ আৰু বোণাও ডাঙৰ হৈ আহিল। সাধাৰণতে তেওঁলোকৰ বন্ধুবিলাকতহে আমি একেলগ হৈছিলোহঁক। বন্ধুত ঘৰলৈ আহোঁতে কেতিয়াবা কেতিয়াবা তেওঁলোকে স্কুল-কলেজৰ লগৰীয়া দুই এজনকো লগত লৈ আহিছিল। সেইকালত চিকাৰ কৰা আৰু গাৰ্ৰে-ভুগ্ৰে ফুৰি ফুৰা দস্তুৰ আছিল। বোণাই প্ৰায়ে তেওঁৰ বন্ধুৰ বেছিখিনি দিন স্কুলৰ বন্ধুসকলৰ ঘৰত গৈ কটাইছিল। সেই কাৰণে মিল্টন হিথত ল'ৰা-ছোৱালী বুলিবলৈ এলেক্ আৰু মইহে আছিলোঁ। আমাৰ দুটাৰ ভিতৰত বয়সৰ পাৰ্থক্য অৱশ্যে দুবছৰমান আছিল। তথাপি তাৰ কাৰণে আমাৰ কোনো অসুবিধা হোৱা নাছিল। মোৰ মনত আছে, এবাৰ আমি দুইটাই গাখীৰ খীৱাবলৈ শিকিবৰ কাৰণে উদ্যোগ এটা কৰিছিলোঁ। আমি থিৰ কৰিলো, আমাৰ এই পৰিকল্পনা সম্পৰ্কে প্ৰথমতে ঘৰত নোকোৱাই ভাল হ'ব। ক'লে হয়তো ককাদেউতাইঁতে ইটো-সিটো কিবাকিবি আপত্তি উলিয়াব। সেইকাৰণে আমি কাকো একো নকৈ পোণে পোণে গুৱালকেটাৰ ওচৰ চাপিলো। পিছে এই ধৰণে কৰা চেষ্টাও আমি আশা কৰা হিচাপে সহজ নাছিল। ট্ৰুলাভ নামৰ গুৱালটোৱে ক'লে যে আমাৰ হাতেৰে গাখীৰ নিশ্চয় বৰ কম ওলাব আৰু সেই লৈ ঘৰত বৰ আপত্তি উঠিব। সি আমাক এইদৰে বুজাবলৈ চেষ্টা কৰিছিল যে গৰুৱে নতুন হাত ভাল নেপায়। তাৰ উপৰি নতুন হাতৰ কথাই নাই, আমি গাখীৰ খীৱাব একেবাৰে নেজানোৱেই। এইবিলাক কথাই আমাক বিমোৰত পেলালে। ইফালে গাইজনীৰো যে এটা মতামত থাকিব পাৰে সেই কথা আমাৰ বিবেচনাত ঠাই পোৱা নাছিল। সি যি কি নহওক, আমি সেই চেষ্টা একেবাৰে এৰি দিয়া নাছিলোঁ। আমি ট্ৰুলাভক কথা দিলো যে, আমি খুব শান্ত হৈ

মনে মনে থাকিম আৰু সি যেনেকৈ কয় তেনেকৈয়ে কৰিমহঁক। অৱশেষত সি যিজনী গাই অলপ শান্ত আৰু গাখীৰো কমি আহিছে, তাইকে পাল পাতি খীৰাৰলৈ আমাক অনুমতি দিলে। আমি সগৌৰৱে আৰু আগ্ৰহেৰে আমাৰ শিক্ষা আৰম্ভ কৰিলো। আমি মনে মনে সদায় গোহালী ঘৰলৈ যাৰলৈ ল'লোঁ। আমি কি কাৰবাৰ কৰিছো, ঘৰত জনাৰ আগতেই ক'ৰ পৰা হ'লো যে, আমি গাখীৰ খীৰোৱাত পাকৈত হৈ উঠিছো। গতিকে আমি তিৰস্কাৰ শুনাতকৈ তেওঁলোকৰ অনুমোদন আৰু শলাগনিহে লাভ কৰিলোঁ।

সপ্তম অধ্যায়

তাৰ পিচত দেউতা ইংলণ্ডতে প'ঢ়িছ মাউথৰ "নেভেল ট্রেইনিং কলেজৰ" কামত নিয়োগ হৈছিল। সেইকাৰণে আমি তাৰ ওচৰতে ফাৰ্ষামত আচবাব-পত্রেৰে সুসজ্জিত এটা ঘৰত থকাৰ দিহা কৰি লৈছিলো। সেই ঠাইত আমি কিমান দিন আছিলো মোৰ ভালকৈ মনত নাই। বোধকৰো দুবছৰমান আছিলো। কিয়নো, নৌবিভাগৰ বিষয়াক এঠাইত দুবছৰতকৈ বেছিদিন থকাৰ নিয়ম নাছিল। ইয়াত আছিল শান্ত গাঁৱলীয়া জীৱন। আশাকৰা হৈছিল যে, ইয়াৰ জীৱন হ'ব বিচিত্রতা নথকা, ঘটনাবিহীন জীৱন। কিন্তু সেই ঠাইৰ শান্তিপূর্ণ পৰিবেশত এনে কিবা এটা প্রবেশ কৰিলে—যি মোক গভীৰ নিদ্রাৰপৰা জগালেহি।

দেউতাই লঘু সঙ্গীত ভাল পাইছিল। পিছে নিজে বা পৰিয়ালৰ কোনেও পিয়ানো বজাৰ নজনাৰ কাৰণে আক্ষেপ কৰি পিয়ানোৰে উন্নত সংস্কৰণ এখিলাছ পিয়ানোলা এটা কিনিবলৈ ঠিক কৰিলে। তেতিয়ালৈকে গুলোৱা পিয়ানোৰ ভিতৰত এই পিয়ানোটোৰ ডিজাইন আটাইতকৈ ভাল আছিল। বজাওঁতাই ইয়াৰ মাত ইচ্ছামতে ডাঙৰ সৰু কৰিব পাৰে, সুৰো খৰ বা ধীৰ কৰিব পাৰে। এখিলাছ কোম্পানীৰ সঙ্গীত সম্পর্কীয় লাইব্রেৰীত বিভিন্ন প্রকাৰৰ সঙ্গীতৰ স্বৰলিপি আছিল। তাৰ ভিতৰত পুৰণি উচ্চাঙ্গ সঙ্গীতৰ বচয়িতাসকলৰ গীত আৰু স্বৰলিপিও আছিল।

আমাৰ চ'ৰাঘৰত এটা ধুনীয়া পিয়ানোলা আছিল। এখিলাছ পিয়ানোলাটো যেতিয়া আহিল, তাকো ইয়াৰ লগতে থোৱা হ'ল। পৰিয়ালৰ প্রত্যেকেই এই বাদ্যযন্ত্রটো বজাবলৈ চেষ্টা কৰিছিল। প্রথমতে মই আনে বজোৱা শুনিছিলো আৰু মনোযোগেৰে লক্ষ্য কৰিছিলো। শেষত মহো বজাবলৈ চেষ্টা কৰিছিলো। বিভিন্ন সঙ্গীত বচয়িতাসকলৰ বছা বছা কিছুমান সুৰ,—কিছুমান লঘু, কিছুমান উচ্চাঙ্গৰ, এখিলাছটোৰ লগতে পঠাইছিল। মই সেই-

বিলাক বজাই বজাই শুনিছিলোঁ, কিন্তু তাবে ভিতৰত এটা সুৰে মোক প্ৰথমবে-পৰা মোহিত কৰি ৰাখিছিল। সেই সুৰটো আছিল বীথভেন চনাটা অপাছ একত্ৰিশ, নম্বৰ দুই। মই বাৰে বাৰে সেই সুৰটো বজাইছিলোঁ।

এতিয়া মই এঞ্জিলাছ কোম্পানীৰ লাইব্ৰেৰীত বিচাৰি বিচাৰি এটা এটাকৈ বীথভেন চনাটা গোটাৱলৈ ধৰিলো। সেই সুৰবিলাক বজাই বজাই শুনোতে শুনোতে মোৰ ভিতৰখন আলোড়িত হ'বলৈ ধৰিলে আৰু কিবা এটাৰ জাগৰণ অনুভৱ হ'ল। সেই জাগৰণনো কি, তেতিয়ালৈকে মই ক'ব পৰা নাছিলোঁ। এই কথা সঁচা যে ইতিপূৰ্বে ক'ৰ নোৱাৰাকৈয়ে প্ৰকৃতিৰ জৰিয়তে মোৰ এই বিষয়ে কিছু অভিজ্ঞতা জন্মিছিল, কিন্তু সম্প্ৰতি আন এজনা মানৱ আত্মাৰ জৰিয়তে মোৰ সেই অনুভূতি হৈছিল। যদিও সঙ্গীতৰ কোনো শিক্ষাকে মই কেতিয়াও লোৱা নাছিলো তথাপি সঙ্গীত মই শুনিছিলো আৰু সাধাৰণভাৱে সঙ্গীতত যি পোৱা যায়, তাত তাতোকৈ বহুত দূৰৰ কিবা এটা পাইছিলোঁ। শব্দৰ মাধ্যমেৰে যি আত্মাই প্ৰত্যক্ষভাৱে কথা কৈছিল, সেই আত্মাৰ লগত, বীথভেনৰ আত্মাৰ লগত মোৰ সংযোগ স্থাপন হৈছিল। বীথভেনক মই যেন বিচাৰি পালোঁ। কিন্তু এতিয়া একৰকম যন্ত্ৰণাই মোক নেৰা হ'ল। উস্! কি যে সেই চিন্তা! মোৰ নিজৰ কোঠাৰ নীৰৱতাৰ মাজতে আঁঠু লৈ মই প্ৰাৰ্থনা কৰিবলৈ ধৰিলো। জীৱনত প্ৰথমবাৰৰ কাৰণে ঈশ্বৰৰ ওচৰত প্ৰকৃতভাৱে প্ৰাৰ্থনা কৰিছিলো। "মই কিয় ইমান পলমকৈ, এশ বছৰৰ পিচত উপজিলোঁ? হে প্ৰভু! কিয় তুমি মোক তেওঁক উপলব্ধি কৰিবলৈ দিছা? কিয় আমাৰ দুয়োৰে মাজত ইমান-বিলাক বছৰৰ ব্যৱধান ৰাখিলা?"

কিন্তু এই সকলো আছিল মোৰ অন্তৰৰো অন্তৰতম প্ৰদেশত গচ্ছিত। কাৰো ওচৰত মই একো প্ৰকাশ কৰা নাছিলোঁ। বাহিৰৰপৰা লোকে ইয়াকে মাথোন জানিছিল যে, মই বীথভেনৰ সঙ্গীতৰ বৰ ভক্ত। দৈনন্দিন জীৱনৰ বাকী কথাবিলাক আগতে যেনেকৈ চলিছিল, তেনেকৈয়ে চলিবলৈ ধৰিলে। অৱশ্যে পিয়ানো মই নিজে বজাবলৈ শিকিব খুজিছিলো আৰু অপটু হাতেৰে তাৰ চেষ্টাও কৰিছিলোঁ।

এনেতে হঠাৎ আমাৰ পাৰিবাৰিক জীৱনৰ কটিন সম্পূৰ্ণৰূপে ওলট-পালট হ'ল। দেউতা এড্‌মিবেল হ'ল আৰু তেওঁক এতিয়া ইষ্ট ইণ্ডিজ ষ্টেশ্যনৰ কমাণ্ডাৰ ইন্ চীফ পাতিলে। ইয়াৰ ফলত আমি দুবছৰৰ কাৰণে ভাৰতবৰ্ষলৈ যাব লগা

হ'ল। কি যে এটা উৎপাত আৰম্ভ হল! বীথভেনৰ সঙ্গীতৰ সৈতে বিচ্ছেদ ঘটিব বুলি মোৰ এফালে যেনেকৈ বেয়া লাগিছিল, তেনেকৈ আনফালে পোন্ধৰ বছৰীয়া ছোৱালী হিচাপে ময়ো নতুন এখন দেশলৈ যোৱাৰ উলহ-মালহ, যোগাৰ-পাতি আৰু উত্তেজনাৰ সোঁতত আন সকলোবে লগত উটি গৈছিলোঁ। ভাৰতবৰ্ষৰ জলবায়ুৰ কথা ভাবি, বিশেষকৈ আমি সৰু ছোৱালীকিজনীৰ কথা ভাবি মা সন্ত্ৰস্ত হৈ পৰিছিল। কিন্তু এজন কমাণ্ডাৰ ইন্ চীফৰ দলৰ লগত তেখেতৰ পত্নী আৰু যদি থাকে ছোৱালীহঁত, এটা অতি আৱশ্যকীয় অংশ, কাৰণ কমাণ্ডাৰ ইন্ চীফৰ জীৱনৰ সামাজিক দিশটোৰ কাৰণে আৰু অত্যন্ত বেছি পৰিমাণে অতিথিক আপ্যায়ণ কৰিব লগা হোৱা বাবে তেওঁ পৰিয়ালক লগত ৰাখিবই লগা হয়।

সেই খবৰটো সম্ভৱতঃ গৰম কালিৰ কোনোবা এসময়ত আহিছিল আৰু আমি নবেম্বৰ মাহৰ প্ৰথম ভাগতে যাবলৈ সাজু হ'ব লগা হৈছিল। আমাৰ দলটোত মা, দেউতা, বোণা, মই আৰু বাৰ্থা। বাৰ্থা সম্প্ৰতি কেচুৱাৰ আয়া শুচি আইদেউহঁতৰ লিগিৰী হৈছিল। দেউতা ডেকা বয়সত এবাৰ চীনত আছিল। তাৰ বাহিৰে আমাৰ কাৰো প্ৰাচ্যদেশ সম্পৰ্কে কোনো ধাৰণা নাছিল। আমাৰ চিনাকি বন্ধু-বান্ধৱ, যি কেতিয়াবা সেইফালে আছিল, সকলোৱে নানা ধৰণৰ উপদেশ বৰষিবলৈ ধৰিলে। ডাবল ফেল্ট হেট, কলেৰা প্ৰতিষেধক পেটি, ৰ'দৰ-পৰা ৰক্ষা পাবৰ কাৰণে চকু ঢাকনি, বিশেষ ধৰণৰ চশমা, এনেকুৱা পোছাক, তেনেকুৱা পৰিচ্ছদ আৰু সকলো প্ৰকাৰৰ ঔষধ-পাতি ইত্যাদি ইত্যাদি। দেউতাৰ ইউনিফৰ্মো সাধাৰণ কাপোৰৰ, অথচ ভালকৈ ধোৱা-পখলা, ইষ্ট্ৰিকৰা হ'ব লাগিব। আমাৰ কাৰণে উত্তম শ্ৰেণীৰ সাজ পাৰ, আৱেলিৰ নিমন্ত্ৰণৰ কাৰণে ফ্ৰক্, ভাল ফেচনৰ টুপী, টেনিছ, খেলা পোছাক, আৰুনো কি নাই কৰোৱা? মই অৱশ্যে ঘোঁৰাত উঠা সাজ এটাও কৰাই লৈছিলো, আনকি যিটো ঘোঁৰাত উঠিম বুলি আশা কৰিছিলো তাৰ কাৰণে আগতীয়াকৈ বহা আসন আৰু লেকামো সাজুকৈ ৰাখিছিলো। ট্ৰাঙ্ক, টুপীৰ বাকচ আৰু বিভিন্ন আকাৰৰ কাঠৰ বাকচ-বিলাকত মাল-পত্ৰ সকলো ভৰোৱা হ'ল আৰু আমাৰ বিদায় ল'ৰ সময় উপস্থিত হ'ল। বিদায় সম্মিলনত এনে অনুভূতিৰ সৃষ্টি হৈছিল যেন আমি চিৰদিনৰ বাবে আঁতৰি গৈছো। মোৰ কাৰণে বিশেষ কথা আছিল লুচিৰ সৈতে বিচ্ছেদ। লুচি যে কেৱল মোৰ গভাৰ্নেচেই আছিল এনে নহয়, আঁঠ বছৰ বয়সৰেপৰা লুচি

মোৰ একান্ত বিশ্বাসী সঙ্গী আছিল। লগতে লুচিৰ পাঠ লোৱাৰো অন্ত পৰিল। সেই কাৰণে অৱশ্যে মই যথেষ্ট আনন্দিত হৈছিলো।

এতিয়ালৈকে মোৰ সম্পৰ্ক নথকা নৈশ ভোজভাত আৰু বলড্যান্স আদিৰে সৈতে যি সামাজিক জীৱনত এতিয়া প্ৰবেশ হ'ব বুলি জানিছিলো, তাৰ কথা ভাবি মই অকণো ভাল পোৱা নাছিলো। ৰোণাৰ কথা সুকীয়া, তেওঁ নাচ, ভোজসভা আদি ভাল পাইছিল। আমি যি ধৰণৰ জীৱনত প্ৰবেশ কৰিব খুজিছিলো, সেইবিলাক বস্তু পূৰাকৈ উপভোগ কৰিব পৰা বয়সো তেওঁৰ হৈছিল। আমি সাগৰেদিয়েই সমস্ত পথ অতিক্ৰম কৰিছিলোঁ। সমুদ্ৰযাত্ৰাৰ কাৰণে মা আৰু মই একেবাৰে বেয়া আছিলোঁ। সেই কাৰণে এই যাত্ৰা আমি অকণো উপভোগ কৰিব পৰা নাছিলোঁ। বিস্কে উপসাগৰৰ সেইছোৱা পথ বিশেষ বেয়া আছিল। সেইবাৰৰ সমুদ্ৰযাত্ৰা সম্পৰ্কে বিশেষ একো মোৰ মনত নাই। কেৱল যথেষ্ট আকৰ্ষণীয় চেহেৰাৰ হোৱা কাৰণে ৰোণাক ডেকা ল'ৰাবিলাকে খেলা-ধূলা আৰু নাচৰ কাৰণে আমন্ত্ৰণ জনাইছিল। মোৰ গম্ভীৰ প্ৰকৃতিৰ কাৰণে তেওঁলোকে মোক তেওঁৰ বায়েক বুলিহে ভাবিছিল আৰু মোৰ ওচৰলৈ আহোঁতে তেওঁলোক এনে হতভম্ব হৈ পৰিছিল যে, তেওঁলোকৰ সেই অৱস্থা দেখি মই আমোদ পাইছিলোঁ। মই নাচিব খোজা নাছিলো কাৰণে, বিশেষকৈ এই কথাত ভাল পাইছিলো। বাহিৰা মানুহে ৰোণাকে মোকে বাই-ভনী বুলি কেতিয়াও নাভাবিছিল। তেওঁৰ গাৰ ৰং মোতকৈ উজ্জ্বল আৰু চুলিও মোতকৈ ক'লা আছিল। তেওঁৰ চকুযোৰ হলে মোৰ দৰে ক'লা নাছিল, আছিল মৃদু চাৰনিৰ মোহিনী, মুগা ৰঙীয়া। আমাৰ দুজনীৰ ভিতৰত বিশেষ পাৰ্থক্য আছিল আমাৰ নাককেটাত। তেওঁৰ নাক চুটি আৰু ভোটা আছিল আৰু মোৰটো আছিল ঠিক তাৰ বিপৰীত— ঈগল চৰাইৰ ঠোটৰ দৰে জোঙা।

অষ্টম অধ্যায়

আমি ভাৰতবৰ্ষ পাই ঠিক-ঠাক হৈ লোৱাৰ লগে লগে দপ্তৰমণ্ডে সামাজিক কৰ্তব্যসমূহ আৰম্ভ হ'ল। সেই দিনবিলাকলৈ যেতিয়া মই ঘূৰি চাওঁ, ঘূটিছ-উচ্চবিষয়াসকলে যে কি কঠোৰভাৱে পৃথক হৈ থকা, আঁতৰ হৈ থকা নীতি পালন কৰিছিল, সেই কথা ভাবি মই আচৰিত হওঁ। নিয়মবিলাক কি আছিল সঠিকভাৱে মোৰ মনত নাই। কিন্তু মোৰ ধাৰণা এয়ে যে, আমি কেৱল গৱৰ্ণৰ, জেনে�ৰেল, আৰু অন্যান্য ঘূটিছৰ উচ্চবিষয়াসকলৰ লগতহে মিলিব পাৰিছিলোঁ। ভাৰতবাসীসকলৰ ভিতৰত আমি কেৱল দেশীয় ৰজা আৰু কেজনমান বিশেষ ধনী মানুহ—প্ৰধানকৈ পাচী মানুহকহে আমি দেখিছিলো। সাপ্তাহিক কাৰ্যক্ৰম বুলিলে মোৰ মনত পৰে, সপ্তাহত দুই কি তিনিদিন গৱৰ্ণৰৰ হাউলীত আৰু বাকী কেইদিন এডমিৰেলৰ ঘৰত টেনিছ খেলা। এবাৰ গৱৰ্ণমেণ্ট হাউছত, এবাৰ এডমিৰেলৰ ঘৰত, এইদৰে ঘন ঘনকৈ নৈশ ভোজৰ আয়োজন হৈছিল। এই সকলো মই কোনোমতে চলাহ যাব পাৰিলোহেঁতেন, হয়তো কেতিয়াবা উপভোগো কৰিব পাৰিলোহেঁতেন, যদি নিতৌ এইবিলাকেই হৈ নাথাকিল-হেঁতেন। বিশেষকৈ যেতিয়া নৃত্য-গীতৰ সময় উপস্থিত হয় তেতিয়া মই পলাই পত্ৰং। মই নাচিবলৈ কেতিয়াও শিকা নাছিলো আৰু শিকিব খোজাও নাছিলো। কিন্তু সকলোৱে কৈ কৈ মোক চেষ্টা কৰিবলৈ মাস্তি কৰাইছিল। আমাৰ শোৱনা কোঠাত বোনাই ধৈর্য ধৰি মোক নাচিবলৈ শিকাইছিল। সহজে অনুমান কৰিব পাৰি যে আমাৰ সেই চেষ্টা বিশেষ ফলৱতী হোৱা নাছিল। আচল সময়ত ভোজসভাত ডেকা ল'ৰাই মোৰ ওচৰলৈ আহি যেতিয়া নাচিবৰ কাৰণে আমন্ত্ৰণ জনাইছিল, মই বিমোৰত পৰিছিলোঁ, খঙো উঠিছিল, ঘিণো লাগিছিল। যিবিলাক ল'ৰাক মই চিনি নেপাওঁ বুলিয়েই ক'ব পাৰি বা যি-সকলৰ প্ৰতি মই ভ্ৰূক্ষেপেই কৰা নাছিলো, তেনেকুৱা ডেকা ল'ৰবিলাকে নাচ-গান কৰা কোঠাত কিয় মোক টানি লৈ ফুৰাব? সেই ঘামি জোল বৈ থকা

জলবায়ুত এই ধৰণৰ অতিথি আপ্যায়ণৰ দস্তুৰ মই এক বিকৃচিনা লগা ৰীতি বুলি ভাবিছিলো। কিন্তু পুৰুষসকলে সেইদৰে নাভাবিছিল আৰু মোক নাচিবৰ কাৰণে মাতি থাকি বিৰক্ত কৰিবলৈ নেৰিছিল। মই যিমানদূৰ পাৰো তেনে ধৰণৰ ভোজভাত বিলাকৰপৰা ফালৰি কাটি ফুৰিছিলোঁ। পিছে কমাণ্ডাৰ ইন্ চীফৰ জীয়াৰী হিচাপে সেইবিলাক একেৰাহে বাদ দিয়াও সম্ভৱপৰ নাছিল।

এইদৰে বেছিদিন যাবলৈ নৌ পাওঁতেই মই এটা ঘোঁৰা পালোঁ। আধুনিক উন্নতিয়ে নষ্ট নকৰা 'ৰেকৰে'ৰ চাৰিওপিনে ঢলপুৰাতে ঘোঁৰাত উঠি ঘুৰি ফুৰিবলৈ মই আটাইতকৈ ভাল পাইছিলোঁ। মোৰ লগত কেতিয়াবা কেতিয়াবা ৰোণায়ো ঘোঁৰাত উঠি ফুৰিছিল। পিছে সেইদৰে ফুৰাত মই যিদৰে আনন্দ পাইছিলো, ৰোণাই সেইদৰে নাপাইছিল। ঘোঁৰা বিষয়ত তেওঁৰ অকণো বাপ নাছিল।

এই সকলো কাম-কাজৰ ব্যস্ততাৰ মাজতো মোৰ সদায়েই মনত পৰি আছিল ৰীথভেন সঙ্গীতৰ সেই এৰি অহা সুৰটো। মই পিয়ানো শিকাত মনো-যোগেৰে লাগিছিলো। কিন্তু যিদৰে আগবাঢ়িছিলো সি বৰ দুখদায়ক।

সেই সময়ত গৱৰ্ণমেণ্ট হাউছত তিৰোতা মানুহ বুলিবলৈ কোনো নাছিল। গৱৰ্ণৰ ছাৰ জৰ্জ ক্লাৰ্কৰ (পিচত লৰ্ড চাইডেন হাম) পত্নী আৰু কন্যা দুয়োগৰাকী ঢুকায়। সেই কাৰণে অতিথি আপ্যায়ণত তেওঁৰ যথেষ্ট অসুবিধা হৈছিল। কিন্তু যেতিয়া প্ৰতি বছৰে ৰাণী মহাৰাণী আৰু অন্যান্য বিশিষ্টা মহিলাসকলক 'পৰ্দা পাৰ্টি' দিব লগা হয়, তেতিয়া কি উপায় হ'ব? তেওঁ নিজে মহাৰাণীসকলক অভ্যৰ্থনা জনাব নোৱাৰিছিল। তেওঁৰ ষ্টাফত থকা চেক্ৰেটাৰী বা এ. ডি. চি. সকলৰ ভিতৰত কোনেও সেই অভ্যাগতসকলক তেওঁলোকৰ মুখ দেখুৱাব নোৱাৰিছিল। সেই কাৰণে এনেবিলাক 'পৰ্দা-পাৰ্টি'লৈ মাক আৰু আমি ছোৱালী দুজনীক মাতি নিছিল। মাই তেখেতসকলক আদৰ-অভ্যৰ্থনা জনাই-ছিল আৰু আমি দুজনীয়ে এ. ডি. চিৰ কাম কৰিছিলোঁ।

অকল আমি দুজনীয়ে প্ৰতিটো কথা চাব লগা হৈছিল। সেই কাৰণে আমি বেচ ব্যস্ত থাকিব লগা হৈছিল। ইখনৰ পিচত সিখনকৈ গাড়ীবিলাক আহি যেতিয়া দুৱাৰমুখত ৰৈছিলহি, গাড়ীচালকজনে ডাঠ নীলা ৰঙৰ ৰেশমৰ কাপোৰ এখন উলিয়াই এটা মূৰ গাড়ীৰ চুক এটাত বান্ধি আনটো মূৰ আমাৰ হাতত দিয়ে। আমি সেই আগটো ধৰি বঙা কাৰ্পেট পাৰি থোৱা খটখটিয়েদি

লবি উঠি গৈ ওপবত ধবি থাকোগৈ। এইদবে আঁবকাপোব ভবা বাট এটা হয়। ইতিমধ্যে গাড়ীচালকজনে গাড়ীব পিছফালে গা আঁব কবি অদৃশ্য হোৱাব লগে লগে মূল্যবান বেশমব সাজ-পাব আৰু মহা মূল্যবান মণি-মুকুতা পিন্ধা মহাৰাণীসকলে গাড়ীবপবা নামি বেশমী কাপোবব আঁবে আঁবে ওপবলৈ উঠি যায়। তেওঁলোকতকৈ পদমর্যাদাত কম, এনেকুৱা বহুতো মহিলাই অবশ্যে এইবিলাক কৌশল নখটুৱাকৈয়ে যায়। কিন্তু গাড়ীচালকজন আঁতবি নোযোৱা-লৈকে বন্ধ গাড়ীবপবা তেওঁলোক কেতিয়াও নেনামে। এইবিলাক কাণ্ড কাৰখানাব-কাৰণে এ. ডি চি.ব কাম পৰ্দা নোহোৱা পাৰ্টিটকৈ যথেষ্ট জটিল হৈ পৰিছিল। আমি একেবাহে বঙা কার্পেট পবা খটখটয়েদি ওপব তল কবি অতিথি-সকল অহাব বাতবি শুনাই দৌবি ফুবিব লাগে। তাব উপবি তেওঁলোকব আদব-আপ্যায়ণব প্রতিও লক্ষ্য বাখিব লাগে। গৱর্ণমেণ্ট হাউছব সমলয় সঙ্গীতব দলে নিজব নিৰ্দিষ্ট স্থানবপবাই বজায়। কিন্তু পৰ্দাত থকা মহিলাসকলব ওপবত যাতে তেওঁলোকব চকু পবিব নোৱাবে, সেইদবে আঁবকাপোব ভবিব লগা হয়। এই ধবণব সঙ্কট অৱস্থা পুনব উপস্থিত হোৱা নাছিল। কিয়নো, বম্বে নগবীত, অচিবে গৱর্নবিব বিয়াব নিচিনা এক অসাধাবণ ঘটনাব অভিজ্ঞতা লাভ হ'ল। ছাব জৰ্জ ক্লাকে এদিন দেউতাক ক'লে যে তেওঁ আকৌ বিয়া কবোৱাব কথা ভাবিছে। তাবপবাই আমি এই খবৰটো জানো, তেওঁ মনোনীত কবা ছোৱালী-জনী আছিল আমাব দেউতাব ভতিজাক এজনব অন্তবঙ্গ বন্ধু এজনব জীয়েক। সেই কাবণে কথাটো সহজ হৈ পৰিল। পিছে এইখিনিতে অসুবিধা এটা হৈছিল। ছোৱালীজনী বিয়া দিওঁতা তেনে কোনো নাছিল। অৱশেষত স্থিব হ'ল যে দেউতায়ে সেই কাম কবিব।

মোব বিশ্বাস, তেওঁলোক দুজনব মাজব প্রণয়ব সম্বন্ধ বহুদিনীয়া পুবণি। ভাগ্যব বিড়ম্বনাত পবি অতদিনে তেওঁলোকব মিলন সম্ভব হোৱা নাছিল। অৱশেষত তেওঁলোকব বিবাহব পথ মুকলি হোৱাত গৱর্ণব আৰু তেওঁব ভাবী পত্নীগবাকী যুবক-যুবতীব দবেই অতিশয় ভাবপ্রৱণ হৈ পৰিছিল। বিয়াখন কইনা আহি পোৱাব লগে লগে হোৱাব কথা আছিল। পিছে, গৱর্ণবে ক'লে যে বিয়াব আগতে অলপ সময়ব কাবণে তেওঁ ছোৱালীজনী লগ পাব খোজে। নহলে কেথেৰ্ৰেলত সমবেত জনতাব উৎসাহিত দৃষ্টিব সম্মুখত তেওঁলোকব প্রথম মিলন তেওঁ কেনেকৈ সহ্য কবিব। সেইকাবণে কইনা

জাহাজৰপৰা নামি আমাৰ ঘৰ পোৱাৰ লগে লগে গৱৰ্ণমেণ্ট হাউছত খবৰ দিয়া হ'ল। গৱৰ্ণৰেও তেওঁৰ দল-বল এৰি অকলে পোণে পোণে আমাৰ ঘৰলৈ আহিল।

আমি ঠিক কৰিলো যে, চ'ৰাঘৰৰ মুৰতে থকা সক সাজ-পাৰ কৰা ভিতৰুৱা কোঠাটোৱেই তেওঁলোকৰ দেখা-সাক্ষাতৰ কাৰণে উপযুক্ত ঠাই হ'ব। সেই কাৰণে আমি তেওঁক তাতে বহুৱাই থৈ পৰ্দাখন টানি দি দুৱাৰখন জপাই থলোঁ। অলপ পিচতে গাড়ী আৰু ঘোঁৰাৰ খুৰাৰ শব্দ শুনা গ'ল। মা-দেউতাই আগবেপৰা গৱৰ্ণৰক আগবঢ়াই আনিবৰ কাৰণে বাটচ'ৰাত ৰৈ আছিল, আৰু মই চ'ৰাঘৰৰ বাহিৰ ফাললৈ থকা দুৱাৰখনৰ বাহিৰত খটখটিৰ ওপৰত থিয় হৈ আছিলো। ছাৰ জৰ্জে মোক বৰ মৰম কৰিছিল আৰু মোৰ বয়সৰ ছোৱালী এজনী লগত থাকিলে তেওঁৰ সঙ্কোচ নেথাকিব আৰু সহজভাৱে কথাটো ল'ব পাৰিব বুলি ভাবি বহা কোঠালিৰ মাজেদি সেই সক কোঠাটোলৈ মই তেখেতক বাট দেখুৱাই লৈ যোৱাটো ঠিক হ'ল। এই ব্যৱস্থা মতে মা-দেউতাৰ সৈতে তেখেত যোতিয়া চ'ৰাঘৰৰ দুৱাৰ মুখ পালেহি, মই তেখেতক লৈ সেই সক কোঠালিটোৰ দুৱাৰমুখ পালোঁগৈ। দুৱাৰখন খুলি পৰ্দাখন আঁতৰাই দি মই তেখেতক ক'লো যে আপুনি তেওঁক ইয়াতে লগ পাব। এইদৰে কৈয়ে দুৱাৰখন জপাই দৌৰি গুচি আহি খটখটিৰ ওপৰত ৰৈ থকা মা-দেউতাক সকলো ভাল-ভাৱে হৈছে বুলি জনালোহি।

গৱৰ্ণৰৰ বিয়া! ব'ম্বেৰ সমাজত সেই কথা লৈ তোলপাৰ। গীৰ্জাঘৰ দৰ্শকেৰে সন্ধি নোহোৱাকৈ ঠাহ খাই পৰিল। বিয়াৰ বহুতদিনৰ আগৰে পৰা দুটা কথা মানুহে গুণা-গঁথা কৰি আছিল—কইনাজনী দেখিবলৈ কেনেকুৱা আৰু পুৰোহিতে নোখোৱাকৈ বিয়াৰ মন্ত্ৰ মাতিব পাৰিবনে নাই? পুৰোহিতৰ কথা কওঁতে হোৱা অসুবিধাবিলাকৰ কথা সকলোৱে জানে। বিশেষকৈ 'ৱ' আখৰটো উচ্চাৰণ কৰোঁতে তেওঁ বৰ বেছি অসুবিধা পায়। ইফালে কইনাৰ খৃষ্টান নামৰ আগৰ আখৰটো 'ৱ'। সেইকাৰণে পুৰোহিতে সেই লাইনটো মাতিবৰ পৰত—"ৱজেলিন উইল দাউ……" ইত্যাদি, জনতাই উশাহ বন্ধ কৰি উদ্বিগ্নভাৱে অপেক্ষা কৰিছিল। কিন্তু তেওঁ সুন্দৰৰূপে এটাও শব্দ ভুল নোহোৱাকৈ সকলো কাম সমাধা কৰিলে।

গৰম দিন পৰিলত আমি সিংহললৈ গ'লোগৈ। তাত পৰ্বতমালাৰ মাজত

নৌ বিভাগৰ এটা কেম্প পাতিছিল। তালৈ জলবায়ু পৰিৱৰ্তনৰ কাৰণে এদল এদলকৈ বৃটিছ যুদ্ধ-জাহাজৰ লোকসকলক অনা হয়। এই ঠাইডোখৰৰ নাম আছিল দিয়াতালাৱা। দিয়াতালাৱা চাৰি হাজাৰ ফুট দীঘল বননি এখনৰ মাজত অৱস্থিত। দূৰত ওখ পৰ্বতমালাৰে ঠাইডোখৰ পৰিৱেষ্টিত আছিল। দিয়াতালাৱা বৰ ধুনীয়া ঠাই। ঘোঁৰাত উঠি ফুৰিবলৈ সুবিধা কাৰণে এই ঠাইখন মোৰ বৰ পচন্দ হৈছিল। মোৰ এজনী সৰু অষ্ট্ৰেলিয়ান ঘোঁৰী আছিল। বৰ যত্নেৰে ব'ম্বেৰ ঘোঁৰা বেপাৰী এজনৰপৰা তাইক মই বাছি লৈছিলোঁ। প্ৰতিবছৰে জাৰকালি ব'ম্বেত এখন ঘোঁৰা প্ৰদৰ্শনী হয়। অহা জাৰকালিলৈ ময়ো সেই প্ৰদৰ্শনীত যোগ দিবলৈ মন কৰি মই তাইক শিকাই বুজাই উপযুক্ত কৰি তুলিব খুজিছিলো। সেই কামৰ কাৰণে এই ঠাইখন উপযুক্ত হ'ব বুলি ভাবি মই বৰ আনন্দ পাইছিলোঁ। ঘোঁৰাজনীৰ নাম আছিল ডেল্টা। মুকলি পথাৰত তাইৰ সৈতে মই নানা ধৰণৰ ব্যায়াম কৰিছিলো। এইদৰে কৰোঁতে কৰোঁতে তাইৰ খোজ-কাটল, ব্যৱহাৰ-পাতিৰ বহুতো উন্নতি হ'ল। প্ৰথমে ঘোঁৰাজনী যেতিয়া মই পাওঁ, তাই তেনেই আজলী আছিল। যেনি তেনি চায়, যি কৰিবলৈ কোৱা হয় তাতে সঙ্কোচ আৰু আপত্তি। অলপ উত্তেজিত হ'লেই উচ্চস্বৰে চেঁহাবলৈ ধৰে। প্ৰদৰ্শনীত যোগ দিয়াৰ আগতে তাইৰ এইবিলাক দস্তুৰ গুচাবলগীয়া হ'ল। নহলে বিচাৰকে তাইক দলৰপৰা উলিয়াই দিব। মোৰ যদি ঠিক মনত আছে তেন্তে ঘোঁৰাৰ প্ৰদৰ্শনীখন আমি ব'ম্বেৰপৰা উভতি অহাৰ পিচতহে হৈছিল। মই ডেল্টাক তিনিটা শ্ৰেণীত ভৰ্তি কৰিছিলোঁ। 'লেডীজ মাউণ্ট', 'হেকচ' আৰু হাণ্টাৰ্ছ। এই তিনিওটা প্ৰতিযোগিতাত আমি যথাক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰিছিলোঁ।

ঘোঁৰাত উঠাৰ বাহিৰেও দিয়াতালাৱাত আমি এক ৰকমৰ গ'ল্‌ফ্ খেলিছিলোঁ। খেলিবলৈ চেষ্টা কৰিছিলো যদিও এই খেলটো মই কেতিয়াও ভাল পোৱা নাছিলোঁ। আনহাতে ৰোণাই কিন্তু ঘোঁৰাত উঠাতকৈ গ'ল্‌ফ্ খেলি বেছি আনন্দ পাইছিল। মই অকলশৰে ঘোঁৰাত উঠি ফুৰিবলৈ ভাল পাইছিলো আৰু ৰোণাই, কেবাজনো গোটখাই খেলা খেল খেলি ভাল পাইছিল। এই সময়ত মনাহলিডে নামৰ এগৰাকী ছোৱালী বন্ধু হিচাপে পাইছিলোঁ। গতিকে খেলাত আৰু ভোজসভাবিলাকত ৰোণাই এগৰাকী সঙ্গিনী পালে। কেদিনমানৰ ভিতৰতে মই জানিব পৰিলোঁ যে মনাই সঙ্গীত

ভাল পায় আৰু পিয়ানো অলপ-অচৰপ বজাবও জানে। সেই কাৰণে মনা আমাৰ লগলৈ অহাত বোণাৰ দৰে ময়ো ভাল পাইছিলোঁ।

দিয়াতালারাত আমি সম্পূৰ্ণৰূপে গাৱঁলীয়া জীৱন যাপন কৰিছিলোঁ। এড্‌মিৰেলৰ ঘৰটো আছিল এক তলাৰ, কেম্পৰপৰা অলপ দূৰতে। ঘৰটোৰ সম্মুখত এখন ফুলনি আৰু আগত বিস্তীৰ্ণ মুকলি ঠাই। সেই ঠাইত আমাৰ নিজা গাই এজনীও আছিল। গাইজনী অষ্ট্রেলিয়ান জাৰ্চি জাতৰ। গাখীৰো ভাল দিছিল। গাখীৰখিনি যাতে পৰিষ্কাৰ হয় আৰু ভেজাল নাথাকে তাৰ কাৰণে মই নিজেই পুৱা-গধূলি গাইজনী খীৰোৱাৰ দায়িত্ব ল'লো। দেখা গ'ল, বহুত দিনৰ আগতে মিল্টন হিথত যে গাখীৰ খীৰাবলৈ শিকিছিলো, সেই বিদ্যা এতিয়া বেচ কামত আহিছে।

সিংহলত কটোৱা দিনখিনিৰ প্ৰথম ভাগতেই নে শেষৰ ভাগতেই আমি কেদিনমানৰ কাৰণে ত্ৰিণ্‌কোমালী চাৰলৈ গৈছিলোঁ আৰু যাওঁতে বাটত অসুবাধা-পুৰৰ ভগ্নাৱশেষ চাই গৈছিলোঁ। ত্ৰিণ্‌কোমালীৰ গৰম আৰু সেমেকা জলবায়ুৰ কাৰণে সেই ঠাইৰ আচৰিত প্ৰাকৃতিক দৃশ্য আৰু গ্ৰীষ্মপ্ৰধান দেশৰ ৰমক্‌জমক্‌ দৃশ্যাৱলীকো মই আৰু বোধহয় আমাৰ বেছিভাগেই সিমান উপভোগ কৰিব পৰা নাছিলোঁ। তাৰ উপৰি মাটিত যেনি তেনি সাপে পিয়াপি দি ফুৰিছিল আৰু সমুদ্ৰত আছিল হাঙৰ মাছবিলাক। সেইবিলাক জীৱ দেখি দেখি অভ্যস্ত নহ'লে ন-কৈ দেখোতাঁৰ কাৰণে বৰ বিৰক্তিজনক আছিল। আমি সেইবিলাকৰ সম্পৰ্কত সম্পূৰ্ণ অনভ্যস্ত আছিলোঁ। এদিন বাতি খাৱলৈ বহি দেখা গ'ল, মাছ-ভজাখন আনোতে বহুত পলম হৈছে। কাৰণটো অনুসন্ধান কৰাত জনা গ'ল যে বান্ধনী ঘৰটো অলপ দূৰত। তাৰপৰা ভজামাছখিনি লৈ অহা মানুহ-জনৰ ভৰিৰ তলেদি সাপ এটা সৰকি গৈছিল। ভয়তে মানুহজনে এনেদৰে জাপমাৰি উঠিছিল যে হাতত থকা কাঁহীৰে সৈতে ভজামাছ কেনিবা ছিটিকি পৰিল।

এই ত্ৰিণ্‌কোমালী চাৰলৈ যোৱাৰ সময়তে আমাৰ ঘৰত কামকৰা মানুহ-বিলাকৰ ভিতৰত এটা আবেগপ্ৰৱণ, আচৰিত ঘটনা ঘটিছিল। ঘৰৰা কৰ্মচাৰীসকলৰ ভিতৰত বাৰ্থাই আছিল একমাত্ৰ তিৰোতা মানুহ। বাকী সকলো মতা মানুহ। বাৰ্থা এগৰাকী প্ৰফুল্ল মনৰ তিৰোতা। তেওঁৰ স্বভাৱটোও আছিল মধুৰ। সেইকাৰণে বাৰ্থাক সকলোৱে ভাল পাইছিল।

বাকী কর্মচাৰীসকলৰ ভিতৰত এজন ইংৰাজ দেৱান বা মেনেজাৰ এজন গোৱাৰ চাকৰ, আৰু এজন গোৱাৰে বান্ধনী হৰত কাম কৰা চাকৰ। ইয়াৰ উপৰি বেণ্ড-মাষ্টৰ এজনো আছিল। চিচিলীৰ এই আদৰয়সীয়া মানুহজনৰ গোফকোঁচা ওপৰলৈ টনা। তেওঁৰ চেহেৰাত নিজকে বীৰ বীৰ যোদ্ধাৰ ভাৰ এটা ফুটি ওলাইছিল। চল্লিছ বছৰীয়া বিবাহিত ইংৰাজ দেৱানজনে বাৰ্থাৰ ওপৰত এনে-ভাৱে অভিভাৱকত্ব কৰিছিল যে আন কোনোবাই বাৰ্থাৰ ওপৰত চকু দিয়া দেখিলেই অতিশয় ঈৰ্ষান্বিত হৈ পৰিছিল। এদিন আবেলি পিচফালে থকা আউট হাউছবিলাকত হঠাতে একৰকম গণ্ডগোল শুনা গ'ল। বাৰ্থা বিৰক্ত হলেও হাঁহি মুখেৰেই মাৰ ওচৰলৈ লৰৰি আহিল। মাই সুধিলে, "কথাটো কি?" বাৰ্থাই চিঞৰ মাৰি ক'লে, "ইস্, বেণ্ডমাষ্টৰজনে এইমাত্ৰ মোৰ ওচৰত বিয়াৰ প্ৰস্তাৱ দিছে। সি আঠুকাঢ়ি ধুনীয়া বক্তৃতা এটা দিবলৈ আৰম্ভ কৰোঁতেই ইফালে মেনেজাৰজনে দেখিলে। কি ঠিক, মোৰ ভয় হৈছে, সিহঁতৰ ভিতৰত এতিয়া কিজানি এটা হত্যাকাণ্ড ঘটিব।"

মাই তৎক্ষণাৎ কথাটো দেউতাক জনালেগৈ আৰু দেউতায়ে সময়মতে বজ্ৰপাত হোৱাৰ আগতে হস্তক্ষেপ কৰিলে। পিচত বাৰ্থাই কৈছিল, "কি যে সেই বুঢ়া বদমাইচটো। সকলোৱে কয়, তাৰ হেনো প্ৰতিটো বন্দৰতে একোজনীকৈ ভিৰোতা আছে। চোৱাচোন কাণ্ডটো!"

শৰত কালত আমি আকৌ ব'ম্বেলৈ, সেই চিৰকলীয়া সামাজিক অনুষ্ঠান-বিলাকৰ মাজলৈ উভতি আহিলো। মোৰ মনত সঙ্গীতৰ প্ৰতি মোহ সদায়েই আছিল। পিয়ানো শিকা আকৌ আৰম্ভ কৰিলোঁ। মনা এতিয়া মোৰ লগত থকা কাৰণে ঘৰতে তেওঁ মোক সহায় কৰিব পৰা হ'ল। আমি দ্বৈত সঙ্গীত বজাবলৈ আৰম্ভ কৰিলোঁ। মই কেৱল প্ৰথম শাৰীকিটা কোনোমতে বজাইছিলোঁ, তাকো ভালকৈ নোৱাৰিছিলোঁ।

নবম অধ্যায়

দ্বিতীয়বাৰ জাৰকালি খৃষ্টমাছৰ সময়ত আমি পাৰস্য উপসাগৰেদি ফুৰিবলৈ গৈছিলোঁ। গতানুগতিকতাৰপৰা ওলাই অহাত এইবাৰৰ যাত্রা বৰ আনন্দদায়ক হৈছিল।

ৰোণাই মনাৰ সৈতে তেওঁৰ কলিকতাত থকা সম্বন্ধীয় মানুহৰ ঘৰলৈ গ'ল। কিন্তু গৱর্ণৰৰ কইনাৰ লগত অহা দেউতাৰ এগৰাকী ভতিজা, নাম ডৰথি আয়াৰ, আমাৰ লগত গৈছিল আৰু এই যাত্রাতে তেওঁৰ ভাবী স্বামীক লগ পাইছিল। আমি ফ্লেগস্থিপেৰে পাৰস্য উপসাগৰৰ সিমূৰলৈকে গ'লোঁ। তাৰপৰা ৰ'ঠাৰে টনা নাৱঁত উঠিলোঁ। ছাট-এল-আৰৰ কেৱল নাৱেঁৰেহে পাৰ হ'ব পাৰি। আমাৰ পৰিকল্পনা আছিল বাগদাদলৈকে যোৱাৰ। কিন্তু তাৰ্কসকলৰ মনত সন্দেহ হ'ব পাৰে, সেইকাৰণে বাস্ৰাৰ আগলৈ নেযাবলৈ পৰামর্শ দিয়া হৈছিল। উপসাগৰেদি যাওঁতে আমি বাটত আৰ্ব্বাছ, লিঙ্গা আৰু বুচ্ছায়াৰ বন্দৰত সোমাই গৈছিলোঁ। তাত আমি বৃটিছ ৰাজপ্রতিনিধি ছাৰ পার্চ আৰু লেডী কক্সৰ ঘৰত আলহী আছিলোঁগৈ। আমি সেই ঠাইত থকা সময়তে দেখিবলৈ বনৰীয়া যেন লগা, যুঁজাকু জনজাতিৰ দল এটাই পাহাৰৰপৰা নামি আহি বৃটিছ ৰাজপ্রতিনিধিৰ বঙলাৰ ওচৰতে এডোখৰ মুকলি ঠাইত, বিৰাট ঘৰ এটাত তেওঁলোকৰ ছাউনী পাতিছিল। তেওঁলোকৰ দলপতিজনে বৃটিছ ৰেছিডেণ্টৰ লগত ইটো সিটো কথা পাতিবলৈ আহিছিল। বাহিৰ ওলালেই বাটত এই উগ্র জনজাতি-সকলক দল বান্ধি ঘোঁৰা দৌৰাই যোৱা আমি লগ পাইছিলোঁ। তেওঁলোকে যেতিয়াই তেতিয়াই ওপৰলৈ বিভল্‌ভাৰ একোজাই মাৰি তেওঁলোকৰ যুঁজাকু জনোচিত মনোবৃত্তিৰ পৰিচয় দি গৈছিল। এদিনাখন কিবা এটা উপলক্ষে, কাৰণটো কি আছিল এতিয়া মোৰ ভালকৈ মনত নাই, এড্‌মিৰেলৰ জাহাজৰপৰা টোপধ্বনি কৰিছিল। জনজাতিসকলে প্রত্যক্ষৰূপে অনুভৱ কৰিলে যে

তেওঁলোকৰ পিনৰপৰাও যথোচিত প্ৰত্যুত্তৰ জনোৱা উচিত। ইয়াকে ভাবি দলে-বলে তেওঁলোকে ডাঙৰ ঘৰটোৰ ওপৰলৈ উঠি একেলগে আকাশলৈ গুলী চলাবলৈ ধৰিলে।

বৃচ্ছায়াৰত আমি ঘোঁৰাৰে বহুতো ঠাই ফুৰিছিলোঁ। শ্ৰীমতী পাৰ্চি কল্লে ডৰখি আৰু মোক কেতিয়াবা বগা আৰবী ঘোঁৰাৰ ওপৰত, আকৌ কেতিয়াবা উটৰ ওপৰত তুলি ফুৰাবলৈ লৈ গৈছিল। ডৰখি মোতকৈ যথেষ্ট ডাঙৰ আছিল। তেওঁৰ চেহেৰা যদিও ক্ষীণ তথাপি উৎসাহ উদ্যম তেওঁৰ যথেষ্ট আছিল। "উট আৰু ঘোঁৰাৰ পিঠিত উঠি কৰা আমাৰ এই যাত্ৰাবিলাক অতি আমোদজনক আছিল যদিও বৰ আড়ম্বৰপূৰ্ণ আৰু কিছুমান ধৰা-বন্ধা নিয়মৰ অধীন আছিল। কাৰণ বৃটিছ ৰাজপ্ৰতিনিধি, বৃটিছ ৰাজপ্ৰতিনিধিয়েই। তিনি কি চাৰিজনমান যাঠিধাৰী অশ্বাৰোহী সৈন্য আমাৰ পিচে পিচে গৈছিল।

সেইবোৰ ৰাজকীয় আড়ম্বৰ নোহোৱাকৈ ডৰখিয়ে ময়ে অকলে ওলাই যোৱাৰ কথা গুণা-গঁথা কৰিছিলোঁ। অনেক প্ৰকাৰে চিন্তা-ভাৱনা কৰাৰ পিচত আমাৰ মনত খেলালে যে গাধ দুটা পালেই আমাৰ কামটো সিজে। ইয়াকে থিৰ কৰি ছাৰ পাৰ্চিৰ ওচৰলৈ গৈ দুটা গাধ আমাক লাগে বুলি ক'লোগৈ। তেওঁ আচৰিত হৈ সুধিলে, "গাধ! অ' মোৰ ঈশ্বৰ। তোমালোকে আকৌ গাধৰ পিঠিত যাবা কিয়?" তথাপি আমি একেটা কথাতে নেবানেপেবাকৈ লাগি থকা দেখি শেষত তেওঁ ক'লে, "ৰাক, তোমালোকৰ বাহনৰ মই বন্দৰস্ত কৰিম।" লগতে ইয়াকো ক'লে যে "চাৰিওফালে পাহাৰী জনজাতিসকল আছে। গতিকে তোমালোক অকলে যাব নোৱাবা। তোমালোকৰ লগত এজন যাঠিধাৰী অশ্বাৰোহী সৈন্য যাব লাগিব"। এই প্ৰস্তাৱে আমি আশা কৰা সহজ চাল-চলনত প্ৰতিবন্ধকতা কৰিব বুলি জানিও আন উপায় নথকাত তাতে সম্মতি দিলো আৰু তেখেতক ধন্যবাদ জনাই আঁতৰি আহিলোঁ।

পিচদিনা বৃটিছ ৰাজপ্ৰতিনিধিৰ বঙলাৰ পৰা দুটা গাধ পোৱালি অনা হ'ল। আমি হুবমুৰকৈ সিহঁতৰ পিঠিত উঠি লৈ দৌৰাই গুচি গ'লোঁ। আমাৰ পিচে পিচে বঢ়িয়া পাগুৰীৰে অশ্বাৰোহী সৈন্য এজনে বগা ঘোঁৰা এটাৰ পিঠিত উঠি হাতত যাঠি লৈ নিচান উকৰাই আহি আছিল। আমাৰ গাধ কেটাও বেচ চোকা আছিল। সময়ে সময়ে সিহঁতে আমাক কদমত চেকুৰাই লৈ গৈছিল। এইদৰে ফুৰোতে মাজে মাজে বাটত আমি দলে দলে জনজাতিসকলক লগ পাই

গৈছিলোঁ। তেওঁলোকে যথেষ্ট কৌতূহলেৰে আমাৰ পিনে লক্ষ্য কৰিছিল আৰু আনহাতে পিচে পিচে অহা সৈন্যজনৰ প্ৰতিও দৃষ্টি ৰাখিছিল আৰু মুহূৰ্ততে দুজাঁই এজাঁই গুলী আকাশলৈ টোৱাঁই মাৰি ধোঁৱা দৌৰাই আঁতৰি গৈছিল।

বুচ্ছায়াৰপৰা আমি মহাম্মেৰা হৈ ৰাস্ত্ৰালৈ গৈছিলোঁ। তাৰপৰা উপ-সাগৰৰ ইটো পাৰেদি কুৱাইট, বেহৰিন্ আৰু মাস্কাটত সোমাই উভতি আহিছিলো। প্ৰত্যেক ঠাইতে আনন্দ উৎসৱ কৰি ক'লা কফি খোৱা হৈছিল। চেইখ সকলেৰে সৈতে দেউতাৰ জৰুৰী বিষয় লৈ আলাপ-আলোচনা চলিছিল। স্থানীয় ধাউছসকলে বন্দুকৰ চোৰাং কাৰবাৰ চলোৱাৰ সমস্যাটো ইমান জটিল হৈ উঠিছিল যে দেউতাই সেই সমস্যা সমাধান কৰাত লাগি আছিল। প্ৰত্যেক ঠাইতে কথা-বাৰ্তা শেষ হোৱাৰ পিচত মাক আৰু আমি ছোৱালী কেইজনীক চা-চিনাকি কৰি দিয়া হয়। এইবিলাক কথা যথেষ্ট মৰ্যাদাপূৰ্ণ আৰু গম্ভীৰভাৱে হৈছিল। কিন্তু মাস্কাটত এই কথাটোৱেই এক অভাৱনীয় ৰূপ ল'লে। দুৰ্গ এটাৰ ডাঙৰ কোঠালি এটাৰ এমূৰে বহি দেউতাই দোভাষী এজনৰ সহায়েৰে চুলতান এগৰাকীৰ লগত কথা-বাৰ্তা পাতি আছিল। আমি অলপ দূৰতে বহি তেখেতলৈ অপেক্ষা কৰি আছিলোঁ। স্বভাৱতে তিৰোতালৈ চকু দিয়া সেই চুলতানজনে আমাৰ পিনে বাৰেপতি চাই আছিল। চিনাকি কৰি দিয়াৰ সময় যেতিয়া আহিল, তেওঁ দেউতা আৰু দোভাষীজনৰে সৈতে আমাৰ ওচৰলৈ আহি আমাৰ প্ৰত্যেকৰে সৈতে কৰমৰ্দন কৰিলে। মই আটাইতকৈ সৰু কাৰণে সকলোৰে শেষত মোৰ হাতত ধৰিলে আৰু হাত এৰি নিদিয়াই হ'ল। মুখেৰেও কিবাকিবি কৈ আছিল। আমি দোভাষীজনৰ মুখলৈ যেতিয়া চালোঁ, তেওঁ লাজতে বিবুধি হৈ আমাক একো নক'লে। চুলতানে যেতিয়া দেখিলে যে তেওঁ যি কৈছে সেয়া আমাক বুজাই দিয়া হোৱা নাই, তেতিয়া মোৰ হাতটো ধৰি থাকিয়েই আৰু জোৰেৰে ক'বলৈ ধৰিলে। অৱশেষত দোভাষীজনে ভোৰভোৱাই কিবা এটা কোৱা শুনি চুলতানে ধুনীয়াকৈ হাঁহি এটা মাৰি মোৰ হাতটো এৰি দিলে। দোভাষীজনে পিচত দেউতাক কৈছিল যে চুলতানে অতি আন্তৰিকতাৰে সৈতে মোক তেওঁৰ হেৰেমত ৰখাৰ ইচ্ছা প্ৰকাশ কৰিছিল। আমি সেই বন্দৰ এৰাৰ সময়ত এটা হৰিণা পোৱালি আৰু কিছুমান চীনামাটিৰ বস্তু জাহাজলৈ পঠাই দিছিল। অৱশ্যে, সেইবিলাক মই মোৰ বুলি দাবী কৰিছিলোঁ, বিশেষকৈ হৰিণা পোৱালিটো।

ভাৰতবৰ্ষত দেউতাৰ চাকৰিৰ কাল প্ৰায় শেষ হৈ আহিছিল। এনেতে খবৰ আহিল যে পাৰস্য উপসাগৰত ধাউছসকলে বন্দুকৰ চোৱাং কাৰবাৰ চলোৱাৰ সমস্যাটো সমাধান কৰাত কৃতকাৰ্য হোৱা কাৰণে তেওঁৰ সেই কাৰ্যৰ প্ৰতি অনুমোদন জনাই, তেওঁৰ কাৰ্যকাল ১৯১১ চনৰ দৰবাৰলৈ বঙ্গা-বাণী অহালৈকে বঢ়াই দিছে। এনে অৱস্থাত শেষত ঠিক হ'ল যে মা আৰু আমি ছোৱালীকেজনী গৰমত ইংলণ্ডলৈ যামগৈ আৰু দৰবাৰৰ সময়ত আকৌ ঘূৰি আহিম। যোৱাৰ কথা ভাবি মই বৰ আনন্দ পাইছিলোঁ। উভতি অহাৰ কথা মই মনলৈ নানিছিলোঁ-ৰেই। কিয়নো, মোৰ কাৰণে ভাৰতবৰ্ষৰ জীৱন মানে সীমাবদ্ধ সমাজত ধৰা-বন্ধী নীতি-নিয়মৰ অধীন, কিছুমান সামাজিক অনুষ্ঠান, যিবিলাক মোৰ একেবাৰে ভাল লগা নাছিল। আচল ভাৰতবৰ্ষ, যি ভাৰতবৰ্ষই মোক পিচত আকৰ্ষণ কৰিছিল, সেই ভাৰতবৰ্ষক মই তেতিয়া দেখাও নাছিলো, বুজাও নাছিলো।

আমি মিল্টন হিথলৈ উভতি আহিলোঁ। অনতি পলমে আগন্তুক দৰবাৰত যোগ দিবৰ কাৰণে আৱশ্যকীয় বস্ত্ৰ-বাহানি যোগাবৰ কাম আৰম্ভ হ'ল। নানা ধৰণৰ পোছাক পচন্দ কৰি ল'বৰ কাৰণে মা আৰু বোণাৰ লগত মই লণ্ডনলৈ যাবলগীয়া হ'ত পৰিছিলোঁ। মই উভয় সঙ্কটত পৰিলো। আকৌ ভাৰতবৰ্ষলৈ ঘূৰি যোৱাৰ কথা মই ভবা নাছিলো। পিছে ইমান সোনকালে মাক সেইকথা কেনেকৈ জনাম। মোৰ মনোভাব ইটো সিটো কথাত প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিলোঁ। মোৰ কাৰণে কাপোৰ-কানি কৰোৱা কামটো কিছুদিনলৈ স্থগিত ৰখা হ'ল, কিজানিবা পিচত মোৰ মত পৰিৱৰ্তন হয়েই, সেই আশাত। আত্মীয়-কুটুম্ব, বন্ধু-বান্ধৱ সকলোৱে এইদৰে বুজাবলৈ ধৰিলে, "চোৱা, কেনে অসামান্য সুযোগ এটা উপস্থিত হৈছে। আজীৱন মনত ৰাখিবৰ যোগ্য অনুষ্ঠান এই দৰবাৰ। ভাবি চোৱাচোন। আমি শুনিছো বোলে কমাণ্ডাৰ ইন্ চীফৰ দলটো বঙ্গাৰ শিবিৰতে থাকিব। আনে হলে শিবিৰৰ লিগিৰা-লিক্‌চো হৈও দৰবাৰলৈ যাবলৈ পালে যিহকে লাগে তাকে কৰিব। তোমালোকৰ নিজৰ নামৰ তম্বু বঙ্গাৰ শিবিৰৰ নিচেই ওচৰতে থাকিব"। কিন্তু এইবিলাক যুক্তিয়ে মোৰ মন গলাব পৰা নাছিল। মাই দেখিলে, মোক এইদৰে জোৰ-জুলুম কৰি থকাৰ পৰা একো লাভ নহয়। সেই কাৰণে কথাটো দেউতাক লিখি জনালে আৰু শেষত মোক এৰি থৈয়ে যাবলৈ স্থিৰ কৰিলে। শৰত কালত মাইতে ভাৰত অভিমুখে যাত্ৰা কৰিলে। মই মিল্টন হিথতে থাকিলোঁ।

এতিয়া মই পঢ়া আৰু সঙ্গীতত মনপুতি লাগিলোঁ। গধূলি ককা-দেউতাৰ লগত বেজিক খেলিছিলোঁ। ঘোঁৰাত উঠি ফুৰিছিলো যদিও চিকাৰ কৰাৰ কথা আৰু মনত নপৰে। ককাদেউতা এতিয়া যথেষ্ট বুঢ়া হ'ল, মোৰো এই বিষয়ত কচি নোহোৱা হ'ল। এলেক্ এতিয়া এজন অক্সফ'ৰ্ডৰ ছাত্ৰ। গতিকে তেওঁ নিজৰ পঢ়া-শুনা লৈয়ে ব্যস্ত আছিল। সেই কাৰণে অকলে অকলে মোৰ বেচ ভাল হৈছিল। ওপৰতলাৰ এটা কমত আচল পিয়ানো এটাৰে সৈতে এষ্ট্ৰিলাছটো সংযুক্ত কৰা হ'ল। তাতে দিনৰ পিচত দিন বীথভেনৰ সঙ্গীত, স্বৰলিপি চাই চাই, বজাই বজাই শুনাত লাগিলোঁ। বীথভেন সঙ্গীতৰ শিক্ষা মোৰ নাছিল। গতিকে কি শুনিছিলোঁ, সেইকথা মই ভালকৈ বিশ্লেষণ কৰিব নোৱাৰিম। কিন্তু মোৰ আত্মাৰ সেই বাজ্যত ভয়শূন্যতা, শক্তি আৰু পৰিত্ৰতাৰ এনে এটা ভাব প্ৰবেশ কৰিছিল, যি ভাবৰ কথা ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি, অনুভৱহে কৰিব পাৰি। লাহে লাহে যান্ত্ৰিক পৰিচালনাৰ সীমাবদ্ধতাৰ বিষয়ে বেছিকৈ বুজি উঠিলো। সেই কাৰণে নিজহাতে বজোৱাৰ বাসনাই মোৰ মনত তীব্ৰভাৱে ঠাই ল'লে। তথাপি মোৰ সকলো চেষ্টা সত্ত্বেও বিশেষ আগবাঢ়িব পৰা নাছিলোঁ। ভাগ্যই যেন ক'লে, 'নহব'। মোৰ কিং কৰ্তব্য বিমূঢ় ভাব হ'ল। মোৰ দ্বাৰা কোনো কাম হোৱাৰ কোনো পথ নাইনে? ঈশ্বৰৰ ওচৰত অবিৰাম প্ৰাৰ্থনা জনাইছিলোঁ। অন্তৰত খুন্দিয়াখুন্দি কৰি থকা সেই প্ৰাৰ্থনা আছিল, "হে প্ৰভু, মোক বাট দেখুৱা। বাট দেখুৱা।"

দেউতাৰ ইষ্ট ইণ্ডিজৰ চাকৰি শেষ হ'ল। মা-দেউতা সকলো আকৌ উভতি আহিল। কিছুদিনৰ কাৰণে আমি সকলো মিল্টন হিথতে আছিলোঁ। দৰবাৰৰ সময়তে হেৰল্ড ভাৰ্ণন নামৰ এজন ইণ্ডিয়ান চিভিল চাৰ্ভিছৰ বিষয়াৰ লগত বোণা বাগদত্তা হৈ আছিল। ৱেষ্ট ক'ৰ্ট গাৰ্ডৰ সেই সক গীৰ্জাত, য'ত আগৰ দিনত সকলো বিয়া-বাক হৈছিল, তাতে বোণাৰো বিয়া হৈ যায়। বীথভেন সঙ্গীতৰ প্ৰগ্ৰেম য'ত বেছিকৈ থাকে, তেনে গান-বাজনা লণ্ডনত হোৱাৰ গম পালেই মই যোৱা আৰম্ভ কৰিলোঁ; এদিন লেমণ্ড নামৰ বীথভেনৰ সঙ্গীতত পাৰদৰ্শী পিয়ানিষ্ট এজনৰ নাম ঘোষণা কৰা মোৰ চকুত পৰিল। খবৰ লৈ জানিব পাৰিলো যে তেওঁ বোলে এজন বিখ্যাত বীথভেনৰ চনাটা বজাওঁতা। তৎক্ষণাৎ ঠিক কৰিলো যে মই নিশ্চয় তেওঁৰ ওচৰলৈ যাম। তেতিয়া-লৈকে মই মাথোন কেইজনমান ভাল পিয়ানো বজাওঁতাৰ বাজনাহে শুনিছিলোঁ।

তেওঁলোকৰ বাজনাত তেওঁলোকৰ নিজৰ ব্যক্তিত্বই বাধা দিছিল। সেই কাৰণে মোৰ আশা হ'ল যে, মই নিশ্চয় এইবাৰ কিবা বেলেগ শুনিম। উন্নত কপালৰ, শকত, বৰ ওখও নহয় বৰ চাপৰো নহয়, দাঢ়ি পৰিষ্কাৰকৈ খুৰোৱা সেই মানুহজন যেতিয়া মঞ্চৰ ওপৰলৈ উঠি গ'ল, মোৰ বুকুখন ঢপঢপাবলৈ ধৰিলে। তেওঁ পিয়ানোটোত হাত দিয়াৰেপৰা সুন্দৰ মাতেৰে, নিৰ্ভীকভাৱে, ঠিক সুৰটো তোলা যেন মোৰ অনুভৱ হৈছিল। দিন যোৱাৰ লগে লগে এইদৰে লোকে বজোৱা শুনি থকাতকৈ, নিজেও কিবা এটা কৰিব লাগে, এই ভাবটোৱে মোক এটা উপায় উলিয়াই দিলে। এই ডকিণ্ডতে লেমণ্ডৰ দ্বাৰা এবাৰ গান-বাজনাৰ এটা অনুষ্ঠান পতা যাওক। পাতিব পৰা যাবনে? মোৰ সিমান বিশ্বাস হোৱা নাছিল। কিন্তু এবাৰ যেতিয়া কথাটো মোৰ মনলৈ আহিছে সততাই তাক মই এৰি নেপেলাওঁ। লণ্ডনত থকা কনচার্ট এজেণ্টসকলক লগ ধৰি এটা বন্দবস্ত কৰি আহিলো। এতিয়া টাউন হলটো ভাড়া কৰা, টিকেট ছপোৱা, টিকেট বিক্রীকৰা, জাননী দি কথাটো প্রচাৰ কৰা, এইবিলাক কাম কৰিব লগা হ'ল। অকল বীথভেনৰ সঙ্গীত স্থানীয় লোকে সিমান ভাল নেপাব যেন ভাবি আন কেটামান বিষয়ো তাৰ লগত যোগ দি এখন মিহলি কার্যসূচী তৈয়াৰ কৰা হ'ল।

কনচার্টৰ দিনটো যিদিনা আহিল, সেইদিনা মই বৰ উত্তেজিত আৰু অস্থিৰ হৈ পৰিছিলো। সাধাৰণতে লেমণ্ডক মই কনচার্ট হলৰ মঞ্চৰ ওপৰতহে দেখিছিলোঁ। তেওঁৰ নিচিনা গুণ থকা আন কোনো লোকৰ সৈতে জীৱনত ইতিপূৰ্বে কেতিয়াও এনে ঘনিষ্ঠ সম্পর্কলৈ অহা নাছিলোঁ। তেওঁ খ্রীষ্টিয়ানবপৰা আহি পালত দুৱাৰমুখতে লগ ধৰি ওপৰতলালৈ লৈ গ'লোঁ। তেওঁৰ ব্যৱহাৰ আদি সম্পূর্ণ নিভাঁজ আৰু অলপ লাজকুৰীয়া বিধৰ আছিল। তেওঁ যেতিয়া আনন্দদায়ক স্কটিছ উচ্চাৰণেৰে কথা আৰম্ভ কৰিলে, মোৰ নিজৰ অস্থিৰতা আৰু দুৰ্বলতা তৎক্ষণাৎ নাইকিয়া হ'ল। মই তেওঁক মোৰ কোঠালিত থকা পিয়ানোটো দেখুৱাই দি ক'লো যে অলপ পিচতে আপোনালৈ দুপৰীয়াৰ আহাৰ আনিব। সময়মতে মই আহি আপোনাক কনচার্ট হললৈ লৈ যামহি। তিনি বজাৰ অলপ আগতে তেখেতক লৈ যাবলৈ যেতিয়া মই আহিলো, সেই সৰু পিয়ানোটোৰে-পৰা বাহিৰলৈ এনে বিনন্দীয়া সুৰ ভাঁহি আহিছিল যে মোৰ দুৱাৰত টুকুৰিয়াবলৈ সাহেই হোৱা নাছিল। এইদৰে আমনি কৰিলে কিজানি তেওঁ

বিৰক্তই হয়? পিছে ইতস্ততঃ কৰি থাকি লাভ নাই। আমি সময়মতে টাউন হল পাবগৈ লাগে। সেইকাৰণে যথেষ্ট ডাঙৰকৈয়ে মই দুৱাৰত টুকুৰিয়ালো, সঙ্গীত তৎক্ষণাৎ বন্ধ হ'ল, কোৱা শুনিলোঁ, "ভিতৰলৈ আহাঁ।" মই ভয়ে ভয়ে দুৱাৰখন মেলিলোঁ। তেওঁ বিৰক্ত হৈছে নেকি? নাই, তেওঁ কপালৰ ঘাম মচি মচি হাঁহি এটা মাৰি মোক সম্ভাষণ জনালে।

গাড়ীৰে একেলগে আমি ডৰ্কিং পালোঁগৈ। মঞ্চৰ পিচফালে থকা শিল্পী-সকলৰ কোঠাটো তেওঁক দেখুৱাই দি মই দৰ্শকসকল ঠিকমতে বহিছেনে নাই চাবৰ কাৰণে হলৰ ভিতৰলৈ গ'লোঁ।

সেইদিনাৰ অনুষ্ঠান যথেষ্ট সফল হৈছিল। অনুষ্ঠান শেষ হ'লত, পিচৰ গাড়ীতে লেমণ্ড লণ্ডনলৈ ঘুৰি গ'লগৈ। তাৰপৰা ইউৰোপৰ অন্য দেশলৈ যাবগৈ। তেওঁ ইংলণ্ডলৈ মাজে সময়েহে আহে। তেওঁৰ ঘাই কৰ্মক্ষেত্ৰ আছিল বিশেষকৈ আন দেশবিলাকতহে। তেওঁৰ আচল ঘৰ বাৰ্লিনত। তেওঁৰ পৰিবাৰ অষ্ট্ৰিয়া দেশৰ এগৰাকী অভিনেত্ৰী। শোকপূৰ্ণ কৰুণ অভিনয়ৰ বাবে শিল্প জগতত তেৱোঁ সুপৰিচিত আছিল।

দশম অধ্যায়

এড্‌মিবেলব অফিচত দেউতাব চাকবি নোহোৱালৈকে আমি মিণ্টন হিথতে আ'ছিলোঁ। চাকবি হ'লত আমি সকলোটি লণ্ডনলৈ গ'লোগৈ। কেনচিংটনব চার্চ ষ্ট্রীটত মাই কেনেবা ধবণব পুবণি ঘব এটা পালে। অতি সোনকালে তেওঁ তাকে এখন ধুনীয়া ঘবত পবিণত কবিলে। মোব জীয়নব এইছোৱা সময় বুদ্ধিব কামত, কলা আৰু বিশেষকৈ সঙ্গীত বিষয়ত মোব অনুবাগ হোৱা কাবণে লণ্ডনত বাস কবা ভাবটোৱে আনন্দ দিছিল। আনকি সেই পুবণা ঘবটোব লগতো শিল্পীসুলভ সংযোগ থকাব কথা শুনা গ'ল। বহুত দিনব আগতে সেই ঘবব ছোৱালী এগবাকীবে সৈতে প্রণয়ব কথা চলাই থকা অৱস্থাত গীত বচোঁতা মেণ্ডেলছন কেবাবাবো ভালৈ আহিছিল। আমি ভাবিছিলোঁ যে, লণ্ডনতে এতিয়াব পবা আমি শান্তিপূর্ণভাৱে বসবাস কবিমহঁক। কিন্তু পৃথিৱীত বিস্ফোবণ হোৱাব ভয় দিনে দিনে বাঢ়িছিল। কিন্তু সাংঘাতিক কিবা ঘটিব পাবে বুলি কোনেও ভাবিব পবা নাছিল। আমি ইমান নিঃসন্দেহ আছিলো যে, মোব একান্ত অনুবোধত মনা, মা আৰু মই ১৯১৪ চনব গবমকালি বিং আৰু ওৱেগনাবব অপেবা শুনিবব কাবণে বেবিথলৈ গৈছিলোঁ। আমি তাত বেছ আনন্দেবে আছিলোঁ। এনেতে দেউতাবপবা এখন টেলিগ্রাম আহিল। তাত লিখিছিল যে, আমি অকণো পলম নকবাকৈ উভতি যোৱা ভাল। দেউতা আমি ঘূবি যোৱা কথালৈ কিয় ইমান অধৈর্য হৈ পবিল আমি বুজিব পবা নাছিলোঁ। আমি শুনি থকা অপেবাব এটা মাত্র অংশ বাকী আছিল। সেইডোখবো শুনি যোৱাই ভাল বুলি আমি আৰু দুদিনমান থাকিলোঁ। জার্মান ভাষা আমি ভালদবে বুজি নাপাইছিলোঁ। সেই কাবণে আন্তর্জাতিক জগতত টনাটনি এটা চলি আছে। তাব বাহিবে খবব কাগজবপবা বিশেষ একো আমি গম ধবিব পবা নাছিলোঁ। এনেতে আৰু এখন টেলিগ্রাম আহিল, "তৎক্ষণাৎ শুচি আহাঁ"। তেতিয়াহে আমি ভাবিলো যে নিশ্চয় সাংঘাতিক কিবা এটা ঘটিছে। লগে লগে আমি বন্ধা-ছটা আবম্ভ কবিলোঁ আৰু লক্ষ্য কবিলোঁ, ঘণ্টাই ঘণ্টাই

মানুহবিলাকৰ কথা-বাৰ্তাৰ সুৰ বেয়া হৈ আহিবলৈ ধৰিছে। ষ্টেশ্চন যেতিয়া পালোঁগৈ, দেখিলো, ষ্টেশ্চনৰ জাৰ্মান মজদুৰবিলাকে আমাক অপমান কৰিবলৈ আৰম্ভ কৰিছে আৰু বৰ কঠুৱা আচৰণ কৰিছে। শেষত যেতিয়া হলেণ্ডৰ সীমা পালোঁগৈ, দেখিলো, সৈন্যবিলাকে বেয়নেট টোৱাঁই বেলৰপৰা আটাইবিলাক যাত্ৰীকে উলিয়াই দিছে। এনেকুৱা লাগিল, যেন আমি তাতে বৈ যাব লাগিব। যেই নহওক, আমি কোনোমতে উঠিলো আৰু আগষ্টৰ এক তাৰিখে দেউতাক লণ্ডন ষ্টেশ্চনত লগ পালোঁগৈ। ভীষণ উদ্বিগ্নতাৰ মাজত দেউতা আমাৰ কাৰণে অপেক্ষা কৰি আছিল। অহাত পলম কৰি আমি কি যে এক সাংঘাতিক বিপদৰ মাজত পৰিছিলো, সেই কথা তেতিয়াহে বুজিব পাৰিলোঁ। লণ্ডনৰ চহৰ উত্তেজনাৰে উতলি আছিল। দিনে দিনে উত্তেজনা বাঢ়ি গ'ল। শেষত ৪ আগষ্ট তাৰিখে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা হ'ল। হাজাৰ হাজাৰ মানুহে দল বান্ধি বাকিংহাম প্ৰাসাদৰ পিনে আগবাঢ়িল। আমিও সেই দলত যাগ দি প্ৰাসাদৰ পিনে গৈছিলোঁ। স্বতঃস্ফূৰ্তভাৱে ওলোৱা এক ভাবাবেগ, যি সকলোকে এক শ্ৰেণীভুক্ত কৰি এটা ঢৌৰ দৰে তেওঁলোকৰ সম্ৰাটৰ কাষলৈ বাগৰি গছিল। আমি যেতিয়া বাকিংহাম প্ৰাসাদৰ সন্মুখ পালোঁগৈ, দেখিলো তাত ইতিপূৰ্বে বিৰাট জনতা গোট খাইছে। ৰজা-ৰাণী ওলাই আহি প্ৰাসাদৰ ওপৰ মহলাৰ বুলনিত দেখা দিয়া মাত্ৰকে অসংখ্য লোকে একেলগে উৎসাহেৰে সেই পুৰণি প্ৰাৰ্থনা-সঙ্গীতটো গাবলৈ আৰম্ভ কৰিলে: "অ' গড্, আৱাৰ হেল্প ইন্ এজেছ পাষ্ট"। মিলিত স্বৰেৰে খণ্ড খণ্ডকৈ এই গীতটো গোৱাৰ পিচত তেওঁলোকে আৰম্ভ কৰিলে: "গড্ ছেভ দি কিং"। গোৱা শেষ হ'লত ৰজা ৰাণী প্ৰাসাদৰ ভিতৰলৈ সোমাই গ'ল আৰু আমিও ঘৰমুৱা হ'লোহঁক। তীব্ৰ অনুভূতি জাগিলে কোনো প্ৰশিক্ষণ নোলোৱাকৈ অভ্যাস নকৰাকৈয়ে হাজাৰ হাজাৰ লোকে সমস্বৰে কেনেকৈ গাব পাৰে, দেখিলে আচৰিত হ'ব লাগে। ঠিক সেই মুহূৰ্তত সেইদিনা গধূলি, যুদ্ধাৰম্ভাত সৃষ্টি হোৱা ঘৃণা, প্ৰতিশোধ আৰু অন্যান্য নীচ মনোবৃত্তিবিলাক তেতিয়াও বাইজৰ অন্তৰত সোমোৱা নাছিল। সেই সময়ত এটা মাত্ৰ অনুভূতি তেওঁলোকৰ মনত জাগিছিল যে তেওঁলোক অপৰিহাৰ্য এক সঙ্কটৰ সন্মুখীন হ'ব লাগিব। সেইকাৰণে জনতাই যেতিয়া গাইছিল, তেতিয়া তেওঁলোকৰ অন্তৰ মিলি এক হৈছিল আৰু মিলিতভাৱে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাওঁতে তেওঁলোকৰ মাতো মিলি গৈছিল।

আমি এইদবেই প্রথম মহাযুদ্ধত সোমালোঁ। ই তেতিয়াও আণৱিক যুগব আগব কথা কাবণে যুদ্ধব বাতাববণ সৃষ্টি হওঁতে সময় লাগিছিল। মোব যদি সঠিককৈ মনত আছে তেন্তে প্রথম আকাশী অভিযান জেপেলিনবে হৈছিল। জেপেলিনব ধ্বংসকাৰী ক্ষমতা অপেক্ষাকৃত হিচাপে কম আছিল যদিও জুই লাগি ইখনব পিচত সিখন তললৈ পৰিছিল। তাব কিছু পিচত এবোপ্লেনবিলাক আহিবলৈ আৰম্ভ কৰিলে। সেইবোব দেখাত কিমান নিমাষিত যেন লাগিছিল! অৱশ্যে সেইবোবে বিপদো কঢ়িয়াই আনিছিল। কিছু মানুহ মাৰিছিল, ঘৰ-দুৱাৰবো ক্ষতি কৰিছিল। প্ৰতিটো বোমাই য'তে পৰে তাতে এটা গাঁত কৰিছিল। তাতকৈ বেছি একো কৰিব নোৱাৰিছিল। এদিন শনিবাৰে আবেলি দিন দুপৰতে প্ৰথমবাৰব কাৰণে এবোপ্লেন লণ্ডনলৈ আহিছিল। সপ্তাহৰ শেষৰ ছুটীৰ দিনকেটা কটাৰব কাৰণে আমাৰ ঘৰৰ বাকী সকলো গ'ৰলৈ গৈছিল। মইহে কেৱল ঘৰত আছিলোঁ। অৱশ্যে ঘৰত কাম কৰা মানুহ জন আছিল। হঠাৎ মানুহবিলাকে "জাৰ্মান এবোপ্লেন" বুলি চিঞৰা শুনিলোঁ। তাকে চাবলৈ আমি আটাইবিলাকে আলিলৈ লৰ ধৰিলোঁ। সেই এবোপ্লেন-বিলাক যথেষ্ট ওপৰেদি উৰিছিল যদিও আমাৰ ঠিক মূৰৰ ওপৰেদি যোৱা কাৰণে পাইলটকৈ দেখা গৈছিল। ক'ব নোৱাৰো, বোমা নিশ্চয় বেছি পেলোৱা নাছিল। কিন্তু ক'ব নোৱাৰো—এটি এয়াৰ ক্ৰাফ্‌ট গানেৰে সেইবিলাকৰ ওপৰত গুলী চলাবলৈ কেনো চেষ্টা চলোৱা নাছিল। বোধহয় সেই শনিবাৰৰ আবেলিৰ অতৰ্কিত আকাশী আক্ৰমণৰ কাৰণে লণ্ডন সমূলি প্ৰস্তুত নাছিল। পিচলৈ অৱশ্যে দুয়োপক্ষই ভালকৈ পৰিকল্পনা কৰিছিল। জাৰ্মানসকল সাধাৰণতে ৰাতি আহিছিল। তেওঁলোকে উপকূল পাৰ হোৱাৰ বাতৰি শুনাৰ লগে লগে পুলিচে চাইকেলেৰে ঘুহিছেল বজাই যাবলৈ ধৰে আৰু চিঞৰি চিঞৰি মানুহক সাৱধান কৰি দিয়ে। যিসকলৰ ঘৰ একেবাৰে সৰু তেওঁলোকে মাটিৰ তলৰ বেল ষ্টেশ্যনত আশ্ৰয় লয় আৰু বাকীবিলাকে তললৈ নামি আহে। আমিও তাকে কৰিছিলোঁ। আমাৰ ঘৰৰ কাষত কোনো বোমা পৰা নাছিল; কিন্তু এটি এয়াৰ ক্ৰাফ্‌ট গানৰ শব্দই কাণ ঘোলা কৰিছিল। এটি এয়াৰ ক্ৰাফ্‌ট গানৰ জোঙা গুলীবিলাক খোলাৰপৰা ওলাই চাৰিওপিনে ছিটিকি পৰিছিল। এয়াৰ অভিযান শেষ হৈ যোৱাৰ পিচত, পিচদিনা পুৱা আমি ঘৰৰ ওপৰত সেইবোৰ বুটলিবলৈ যাওঁ। তাৰে কিছুমান ঘৰৰ খাপৰিত যাঠিৰ দৰে খোচ খাই থকা পাওঁ।

একাদশ অধ্যায়

মোৰ মনৰ আকাশত কোনো ডেকাল'বাই ভুমুকি মাৰিছেনে নাই, সেই বিষয়ে ককাদেউতা, দেউতা আৰু মাই যে মন কৰি আছিল, মই সেইটো গম পাই আছিলোঁ। পিছে সেইবিলাক কথাৰ প্ৰতি মই ভ্ৰুক্ষেপ কৰা নাছিলোঁ। ভাৰতবৰ্ষত লগ পোৱা কেজনমান অফিচাৰক ভাল বন্ধু হিচাপে মই বেছ পচন্দ কৰিছিলো—তাতকৈ বেছি একো নহয়। তেওঁলোকৰ ভিতৰৰ কোনো এজনো মোৰ প্ৰতি বিশেষভাৱে আসক্ত নহয় বুলিয়েই মই ধৰি লৈছিলো। সেইকাৰণে ১৯১১ চনৰ বসন্ত কালত আমি ভাৰতবৰ্ষৰপৰা উভতি আহিলত, মোৰ বিশেষ পৰিচিত নৌ বিভাগৰ এজন ডেকা বিষয়াই যেতিয়া মোৰ খবৰ লৈছিল, মই একো ভৰা নাছিলো। ৰজা পঞ্চম জৰ্জৰ ৰাজ্যাভিষেক তেওঁলোকৰ ক্লাৰৰ খিৰিকীয়েদি চাবলৈ তেওঁ মোক মতাৰ কথা মোৰ মনত আছে। তাৰ কিছুদিন পিচত বণ্ডষ্ট্ৰীত আৰু পিকাডেলীৰ কোণত থকা স্কট্‌ছ ৰেষ্টোৰাঁত তেওঁৰ ভনীয়েক আৰু অন্যান্যসকলক লগ পাবৰ কাৰণে দুপৰীয়াৰ আহাৰৰ বাবে নিমন্ত্ৰণ কৰাৰ কথা মনত পৰে। অৱশ্যে তেতিয়াও মই এইবিলাক গতানুগতিক কথা হিচাপে লৈছিলো। কিন্তু যুদ্ধ আৰম্ভ হোৱাৰ সময়ত এদিন যেতিয়া তেওঁ মোক তেওঁৰ ঘৰলৈ চাহৰ বাবে নিমন্ত্ৰণ কৰিলে আৰু দেখিলো যে তাত আন মানুহ বুলিবলৈ এগৰাকী অভিজাত সম্প্ৰদায়ৰ বুঢ়ী, ভাই কাউণ্টেছ, তেওঁৰ মাক মাথোন উপস্থিত আছিল, তেতিয়া হঠাৎ মোৰ মনত খেলালে যে এইদৰে মোক চোৱা হৈছে আৰু যদি তেওঁ অনুমোদন কৰে···। দ্বিতীয়বাৰ যেতিয়া তেওঁক লগ পাওঁ তেওঁ পোনপটীয়াকৈ কোনো কথা কোৱাৰ আগতেই মই কিবা প্ৰকাৰে এই কথা তেওঁক বুজালো যে মোৰ চিন্তা আৰু ৰুচি আন কিছুমাতহে আছে। আমি দুয়ো ভাল বন্ধু আছিলো। তেওঁক এইদৰে কষ্ট দি সঁচাকৈয়ে মই দুখ অনুভৱ কৰিছিলো। কথাটো কেনেদৰে গঢ় লৈছিল সেই কথা আগতে বুজি নোপোৱাৰ কাৰণে মই নিজকে দোষী বুলি ভাবিছিলো। অলপ দিনৰ পিচতে

বিপজ্জনক এটা কামৰ উদ্দেশ্যে যোৱা জাহাজ এখনত তেওঁ চাকৰি পালে। পিচত খবৰ আহিছিল যে কাম কৰি থকা অৱস্থাতে জাহাজখন ডুবিল আৰু তাত থকা এজনৰো প্ৰাণ ৰক্ষা নপৰিল। সেইবিলাক বৰ বিপজ্জনক দিন আছিল।

আমি ক্ৰমান্বয়ে যুদ্ধৰ ভয়ানক অন্ধকাৰ দিনবিলাকৰ মাজত সোমাই পৰিলোঁ। শাৰীৰিক ফালৰপৰা চালে কথাবোৰতো ৰেয়া আছিলেই, মানসিক ফালৰপৰা ই আৰু শোচনীয় আছিল। গুলী-গোলাই আৰু বোমাই অঙ্গক্ষত কৰে, হত্যা কৰে, কিন্তু ঘৃণাৰ প্ৰচাৰে মানুহৰ মনকে বিকাৰগ্ৰস্ত কৰে—মনৰ সুস্থতা নষ্ট কৰে।

সেই ভীষণ ঘৃণা-উদ্দীপক যন্ত্ৰটো কামত লগোৱা হ'ল আৰু আচৰিত ৰকমে তাৰ ফলো পোৱা হ'ল। অতি অলপ দিনৰ ভিতৰতে পৃথিৱীৰ অতি দয়ালু আৰু অমায়িক মানুহবিলাকেও এনেধৰণে কথা-বাৰ্তা কোৱাত লাগিল যেন বিৰোধী পক্ষৰ মানুহবিলাক মানুহেই নহয়—তেওঁলোকক পোক-পকৰাৰ দৰে ভৰিৰে মোহাৰি মাৰি পেলাৰ পাৰি। অন্তৰত মই বৰ আঘাত পাইছিলোঁ। আৰম্ভণীতে মই বেণ্ডেজ আদি তৈয়াৰ কৰা মহিলাৰ দলবিলাকত যোগ দিছিলোঁ। কিন্তু তেওঁলোকে যিবিলাক কথা-বাৰ্তা পাতিছিল, তাত ঘৃণাৰ ভাৰ এনে উৎকট আছিল যে ই মোক আচৰিত কৰি তুলিছিল। কথাবিলাক মই সহ্য কৰিব পৰা নাছিলোঁ। মই তাৰৈ যোৱা একেবাৰে বাদ দিলোঁ। ক'লোঁ যে যদি মই কিবা কৰিব লাগে তেন্তে মোক গাঁৱলৈ যাবলৈ দিয়া, যাতে তাত সময়ে সময়ে কামৰ যেতিয়া হেঁচা পৰে তেতিয়া মই সহায় কৰিব পাৰো। মনা সাধাৰণতে মোৰ লগত থাকেই। বৃদ্ধা-বঢ়া কৰিবৰ কাৰণে বাৰ্থাকো লগত লৈ আমি চিনি পোৱা খেতিয়কসকলৰ ফাৰ্মলৈ যাবলৈ ললোঁ। ফাৰ্মখনৰ নাম আছিল পাৰ্ক ফাৰ্ম। এই ফাৰ্মখন ডৰ্কিং উপত্যকাতে আছিল। ইয়াৰ চাৰিওফালৰ প্ৰাকৃতিক শোভা অতি মনোমোহা আছিল। এই ঠাইৰ বাতাবৰণ কিন্তু চহৰতকৈ সম্পূৰ্ণ পৃথক। গাঁওবাসীসকল সেই ঘৃণাপ্ৰচাৰৰ দ্বাৰা তেতিয়াও কলুষিত হোৱা নাছিল। যুদ্ধৰ শেষৰ ফালে কিছুমান জাৰ্মান বন্দীক ফাৰ্মত কাম কৰাবলৈ আনিছিল। স্থানীয় লোকসকলে সেই জাৰ্মান বন্দীসকলক অতি ভদ্ৰ আচৰণ কৰিছিল আৰু তেওঁলোকৰ প্ৰতি দয়াৰ পৰাকাষ্ঠা দেখুৱাইছিল। হতভগীয়া সেই বন্দীকেজনো তেওঁলোকৰ নিচিনাই গাঁৱলীয়া মানুহ। তেওঁলোকৰ মনতো ৰাজনীতি বা নগৰীয়া চঙ। একো নাই। তেওঁলোকে বন্দী হ'ল বুলিয়েই কিয় সিহঁতক ঘিণ কৰিব?

পার্ক ফার্মত যে আমি সৰহ দিন আছিলো এনে নহয়; যুদ্ধ লাগি থকা অৱস্থাত বেছিখিনি দিন আমি লণ্ডনতে কটাইছিলোঁ। সি যি কি নহওক, সেই বেণ্ডেজপার্টিবিলাকলৈ আৰু মই উলটি যেৱা নাছিলোঁ। দিনবিলাক পাৰ হৈ যাবলৈ ধৰিলে আৰু একপ্ৰকাৰে মই বাহিৰৰ লগত সম্পৰ্ক ছিন্ন কৰি নিজতে আৱদ্ধ হৈ থাকিবলৈ ল'লোঁ। আমাৰ ঘৰৰ এবেবাৰে ওপৰ মহলাত পিয়ানোটো আৰু কিছু কিতাপেৰে সৈতে মোৰ নিজা সৰু বহা কোঠালি এটা আছিল। খোৱাৰ সময়ৰ বাহিৰে আন সময়ত যুদ্ধৰ সেই কথাবিলাক শুনিব লগা হয় বুলি মই তললৈ নামি নাহিছিলোঁ বোৰেই। যি সঙ্গীতৰ বাবে মই জীয়াই আছো, সেই সঙ্গীত জাৰ্মানী আৰু অষ্ট্ৰিয়াৰপৰাই অহা। সেইকাৰণে ভিতৰে ভিতৰে বৰ উৎপীড়িত অনুভৱ কৰিছিলোঁ। মা-দেউতাইহঁত মোৰ অৱস্থাটো বুজি মোৰ প্ৰতি সহনশীল আছিল।

পঢ়া-শুনাত মই মনপুতি লাগিলোঁ। পিয়ানো শিকাত বিশেষ আগবাঢ়িব নোৱাৰি ভাবিলো, গাবলৈকে চেষ্টা কৰোঁ। অৱশ্যে কণ্ঠ সঙ্গীততকৈ যন্ত্ৰ সঙ্গীত মই বেছি পছন্দ কৰিছিলোঁ। তথাপি যেতিয়া দেখিলোঁ যে মোৰ আঙুলিয়ে কাম নকৰে, তেতিয়া ভাবিলো, হয়তো মোৰ মাতে কৰিব। যেই নহওক, এই ক্ষেত্ৰতো সম্পূৰ্ণৰূপে নিৰাশ হ'বলগীয়া হ'ল। ভাগ্যই যেন কৈছিল —"নহব"। মনত এনেকুৱাহে ভাব হৈছিল, যেন এই বাধা আৰু মই কোনোৰকমে অতিক্ৰম কৰিব নোৱাৰিম।

দিন যোৱাৰ লগে লগে যুদ্ধৰ কষ্টও ক্ৰমাৎ বাঢ়ি আহিবলৈ ধৰিলে। খোৱা বস্তুৰ বেগুনিডো বৰ কষ্টকৰীয়া হৈ আহিল। ৰাতি আকাশী অভিযানৰ বিৰুদ্ধে সম্পূৰ্ণ ব্লেক-আউট কৰাৰ নিয়ম হ'ল। এদিন গধূলি পুলিচে আহি আমাৰ দুৱাৰত ঢকিয়াই আমাৰ ঘৰৰপৰা সামান্যভাৱে পোহৰ ওলাইছে বুলি কোৱা কথা মোৰ মনত আছে। পুলিচৰ কথাৰ প্ৰতিবাদ কৰি আমি কৈছিলো যে আমি ঘৰৰ আটাইবিলাক দুৱাৰ-খিৰিকী ভালকৈ বন্ধ কৰিছো। তেনেস্থলত পোহৰ ওলোৱাটো কেনেকৈ সম্ভৱ হ'ব পাৰে। কোনফালেদিনো পোহৰ ওলাইছে চাবৰ কাৰণে আমি পুলিচজনৰ লগতে বাটলৈ ওলাই গ'লোঁ। দেখিলো যে আমাৰ গাধোৱা ঘৰৰ মুখৰ সৰু খিৰিকীয়েদি এসেৰা পোহৰ ওলাইছে। সেই কাৰণে তাকো বন্ধ কৰা হ'ল।

এড্‌মিৰেলৰ অফিচত দেউতাৰ কাম আছিল বেহা-বেপাৰৰ বাস্তা-

বিলাকৰ সুৰক্ষণৰ বিষয়ে সংগঠন কৰা। জাৰ্মান চাবমেৰিণবিলাকৰ কাৰণে এনে এটা সঙ্কট অৱস্থাৰ সৃষ্টি হৈছিল যে দেউতাৰ কামটো এনা অতি কঠিন অথচ প্ৰয়োজনীয় কাম আছিল। কিয়নো সেই সময়ত বিদেশৰপৰা বস্তু যোগোৱাৰ ওপৰতে ইংলণ্ডৰ অস্তিত্ব নিৰ্ভৰ কৰিছিল।

এড্‌মিৰেলৰ অধিচত দিনৰ দিনটো কাম কৰিব লগা হোৱাত, প্ৰায়ে বহুত ৰাতিলৈকে থাকিব লগাত, আৰু দুবাৰ আকাশী অভিযানৰ সময়ত তলত থকা কোঠা এটাত ৰাতিৰ বেছিভাগ সময় কটাব লগাত, সেই সময়ত দেউতাৰ চিনবিলাক বৰ দিগদাৰীৰ মাজেদি গৈছিল। এনে অত্যধিক পৰিশ্ৰম আৰু বেয়া আহাৰ খোৱা সত্ত্বেও দেউতাৰ [illegible] ভালে ৰাখিব পাৰি, মাৰ সেইটোৱেই একমাত্ৰ চিন্তা আছিল।

অৱশেষত যুদ্ধ শেষ হৈ আহিল। যুদ্ধ বিৰতি হ'ল। যুদ্ধ ঘোষণা হোৱাৰ দিনাৰ নিচিনাকৈ ডাঙৰ আৰেলী [illegible] ওলাল। এইবাৰ বিজয় সকলোৰে মনত আনন্দ। আমিও সকলোটি ইজনীয়ে সিজনীক কোলাকুলি কৰিলোঁ। সেইদিনা নিম্ন ডিভিজনৰ শ্ৰেণীগত পাৰ্থক্য সকলোৱেই পাহৰি পেলাইছিল। সকলো ৰে সকলোৰে সৈতে হাঁহি-মাতি আনন্দ উৎসৱ কৰিছিল। মোৰ মনত আছে, মাই উচটাই দিয়াত দেউতাই দুটা ৰাবৰ বৈশী [illegible] মেকে ৰাস্তাতে দুপাকমান মাৰিছিল।

এইদৰে যুদ্ধ শেষ হ'ল। অন্তঃকৰণ [illegible] কাঙুলিলাকৰ সামৰণি পৰিল। পৃথিৱী [illegible] আকৌ উন্মাদ হৈ উঠিল।

দ্বাদশ অধ্যায়

সেই সময়ত এনে বহুত লোক আছিল, যিসকলে জার্মান সঙ্গীত বয়কট কবিছিল। অৱশ্যে জার্মান সঙ্গীতজ্ঞসকলো জার্মানীলৈ নিশ্চয় উলটি গৈছিল। কিন্তু লেমণ্ড আছিল স্কট্‌ছ। তেওঁ জীয়েক আৰু পবিবাবক লৈ জার্মানীবপবা ওলাই আহিল আৰু হলেণ্ডত থাকিবলৈ ল'লে। কিয়নো, তাবপবা আন আন ঠাইলৈ গৈ কনচার্ট বজোৱা তেওঁৰ কাবণে সম্ভৱপব আছিল। জার্মানীব লগত সকলো প্রকাবব সম্বন্ধ ছেদ কবি বৃটিছসকলে সেওঁলোকব কনচার্ট হলবিলাক একে সুবব বিবক্তিকব মজলীয়া খাপব সঙ্গীত সভাত পবিণত কবিলে। প্রকৃত বস্তুব কাবণে মই তৃষ্ণাতুব হৈ পবিছিলোঁ। মোব নিশ্চিত ধাবণা যে বহুতে মনে মনে মোবদবেই অনুভব কবিছিল। সেই কাবণে মই লেমণ্ড কনচার্টব এজেণ্টজনব ওচবলৈ গ'লো আৰু তেওঁক সঙ্গীতানুষ্ঠান কিছুমান সংগঠন কবিবলৈ টানি ধবিলোঁ। এজেণ্টজন সিমান দক্ষ লোক নাছিল। তেওঁব কল্পনা শক্তিও নাছিল। প'ষ্টাব ডিজাইন কবাবেপবা বহুত কথাত নানা প্রকাবে মই তেওঁক সহায় কবিবলৈ ধবিলোঁ। ইতিমধ্যে লেমণ্ডব লগত যোগাযোগ কবি অৱস্থাটো বুজাই কলোঁ। তেওঁ আহিবলৈ ইতস্ততঃ কবিছিল। শেষত তেওঁক মাতি আনি আমাব চার্চ ষ্ট্রীটব ঘবতে বখাব কথাত ঘবব সকলোৱে সম্মতি দিলে। লেমণ্ডেও নিমন্ত্রণ গ্রহণ কবিলে।

সঙ্গীতানুষ্ঠানবিলাকত যথেষ্ট সংখ্যক দর্শকব সমাগম হৈছিল। কেল্টিক-সকলক বাদ দি ইংবাজসকল জাতি হিচাপে বব বেছি সঙ্গীতানুবাগী নাছিল। তাব উপবি যুদ্ধব সময়ব বহুতো অন্ধসংস্কাবব জোব তেতিয়াও কমা নাছিল। ঠিক এনে সময়তে জার্মান জাতীয়তা গ্রহণ কবা লোক বুলি কটাক্ষ কবি, সেই সময়তে লণ্ডনব বাতবি কাগজ এখনে এটা বাতবি প্রকাশ কবিছিল। এই খববটো সঁচা হোৱাহেঁতেন সেই সময়ব পবিস্থিতিত লেমণ্ডব কনচার্টেই পণ্ড হ'ল-হেঁতেন। সেই কাবণে তেওঁ বাতবি কাকতখনব ওপবত মানহানিব মকৰ্দমা কবে

আৰু তাত জিকেও। ফলত পিচবৰাৰ পতা বীথভেন সঙ্গীতৰ অনুষ্ঠানত গোটেইবিলাক টিকেট বিক্ৰী হৈ শেষ হৈ যায়।

এয়া আছিল বানৰ মুখৰ জোৱাৰৰ নিচিনা কথা। পিছে এজেণ্টজন এনেধোৰ কথাত সিমান পাৰ্গত নাছিল। মোৰ উৎসাহ আছিল অসীম। বাহিৰৰপৰা সহায় কৰিয়েই মোৰ কনচাৰ্ট পৰিচালনা সম্পৰ্কে যথেষ্ট জ্ঞান হৈছিল। তেন্তে মই নিজেই এই কামৰ দায়িত্ব নলওঁ কিয়? বাস্তৱিকতে কিয় নল'ম? মই নিজে সেই কামৰ দায়িত্বভাৰ গ্ৰহণ কৰি পূৰা দস্তুৰ কনচাৰ্ট এজেণ্ট হৈ পৰিলোঁ। বণ্ড ষ্ট্ৰীটৰপৰা দূৰত কোঠা এটা ভাড়া কৰিলোঁ। অফিচৰ কাৰণে ঠাইটুকুৰা সুবিধাজনক আছিল। মই অকলেই সকলো কাম চলাই দিলো। কনচাৰ্ট পাৰ্টি বহুৰত এবাৰ নে দুবাৰ, কেদিনমানৰ কাৰণেহে আহিছিল। সেই কাৰণে, কামটো চলোৱা একো টান নাছিল।

বাহিৰৰপৰা চালে সকলো ঠিকেই চলি আছিল। কিন্তু বেছিদিন নৌ যাওঁতেই ভিতৰি ভিতৰি অস্থিৰতাৰ এক অগ্নিপৰীক্ষাৰ সৃষ্টি হ'ল। মই অনুষ্ঠানৰপৰা ভালপোৱা উদ্দেশ্যৰ লগত মিল থকাত লেমণ্ডৰে সৈতে মোৰ যি আনন্দদায়ক বন্ধুত্বৰ সম্পৰ্ক গঢ়ি উঠিছিল, সি এনে এটা আকাৰ ধাৰণ কৰিছিল, যাৰ ছবিখন মোৰ নিজৰ কাৰণেও সুস্পষ্ট নাছিল। এতিয়া তাৰে সৈতে মই সমুখা সমুখি হ'লো। আনুষ্ঠানিকভাৱে নহয়, অন্তৰাত্মাৰ নিৰ্দেশ অনুসৰি ঈশ্বৰৰ ওচৰত অবিৰাম সৰ্বান্তঃকৰণে মই প্ৰাৰ্থনা কৰিবলৈ ধৰিলো—পথ প্ৰদৰ্শনৰ কাৰণে। একাধিকবাৰ, যেতিয়াই মই দেখোঁ যে গীৰ্জাঘৰ একেবাৰে জনশূন্য বা ক'ৰবাত এজন দুজনেহে আত্মোপলব্ধিৰ কাৰণে প্ৰাৰ্থনা কৰি আছে, তেতিয়াই তাত সোমাই মই নীৰৱে মোৰ অন্তৰ ঢালি দিছিলো। ইংলণ্ডৰ চাৰ্চেই হওক বা ৰোমান কেথলিকসকলৰ গীৰ্জাই হওক বা গ্ৰীকসকলৰ গীৰ্জাই হওক। নামৰ লগত মোৰ একো সম্পৰ্ক নাছিল। সম্পৰ্ক মাত্ৰ আত্মাৰ লগত। কোনো লোককে এই বিষয়ে মই একো কোৱা নাছিলোঁ। ই আছিল পৰিত্ৰ ভাব বিনিময়ৰ কথা। এই বিষয়ে মই কেৱল নিজৰ ওপৰতহে বিশ্বাস স্থাপন কৰিছিলো, ই অথলে যে'ৱা নাছিল। বহুত দিন কনচাৰ্ট হোৱা নাছিল। এইবাৰ লেমণ্ড যেতিয়া আকৌ আহিল, লগত দৈণীয়েক আৰু জীয়েককো লৈ আহিছিল। মই তেওঁলোকৰ থকা-মেলাৰ ব্যৱস্থা কৰিছিলো আৰু যাতে তেওঁলোকৰ কোনো অসুবিধা নহয়, তাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিলো। বাকী কনচাৰ্টৰ কাম আগবঢ়েই চলিল।

এই সময়তে মোৰ ককাদেউতা ঢুকায়। তেখেতৰ বয়স আশীবছৰৰ ওপৰ হৈছিল যদিও স্বাস্থ্য বেছ ভালেই আছিল আৰু শেষলৈকে কাম-কাজ কৰিয়েই আছিল। শেষত মাত্ৰ কেদিনমান অসুখত ভুগিয়েই তেখেত ঢুকাল। মোৰ আইতা যুদ্ধৰ আগতেই ঢুকাইছিল। গতিকে এতিয়া দুয়োজনেই গ'ল। অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত মই মিল্টন হিথলৈ গৈছিলো। তেখেতৰ শৰদেহ ৰখা বাকচটো চ'ৰাঘৰৰ মাজতে—য'ত আইতাই বহি আগৰ দিনত উল গুঠি আছিল আৰু য'ত পুৰণি দিনৰ বহুতো স্মৃতি জড়িত হৈ আছে, সেই ঠাইতে থোৱা হৈছিল। শৰদেহৰ কাষত থিয় হৈ যেতিয়া মই তাৰে কথা ভাবি আছিলো, মোৰ অন্তঃকৰণ পৰিপূৰ্ণ হৈ উঠিছিল। ককাদেউতাই আছিল মোৰ সৰুকালৰ বন্ধু। এতিয়া তেখেত গ'ল— তেখেতৰ লগতে ল'ৰালি কালৰ সেই সতেজ দিন-বিলাকৰ যোগসূত্ৰও ছিন্ন হ'ল।

মিল্টন হিথৰ লগত এতিয়া মোৰ জীৱনৰ কোনো সম্পৰ্ক নোহোৱা হ'ল। কিয়নো যুদ্ধৰ পিচৰ পৰিস্থিতিত অৱস্থাত এই বিৰাট ঘৰখন চলোৱা পৰিয়ালৰ কাৰোপক্ষে সম্ভৱপৰ নাছিল। যিখন ঘৰৰ ভিতৰত কাম কৰিবলৈ চাকৰ লাগিছিল ন'জন আৰু ঘোঁৰাশাল আৰু বাগানত তাতোকৈ অধিক সংখ্যক মানুহ লাগিছিল, সেইখন ঘৰৰ খৰচ চলোৱা অসম্ভৱ হৈ পৰিল। সেইকাৰণে মিল্টন হিথ বিক্ৰী কৰি পেলোৱা হ'ল। ৰৰ অস্পষ্টভাৱে মোৰ মনত পৰিছে যে ঠিক এই সময়তে বোধকৰোঁ আমি গাঁৱত আছিলোগৈ। ৰ্বাৰ্ণহামৰ ওচৰতে ঘৰ এটা ভাড়া লৈছিলো। এই ঘৰটোৰ নাম আছিল ফিল্ড প্লেচ। তাতে শেলীৰ জন্ম হৈছিল।

সেইকালত এবিধ ৰঙীণ চকমাটিৰে ছবি আঁকাটো এটা আনন্দদায়ক চখৰ কাম আছিল। বিলী নামৰ গাধটোৰে সৈতে মই অকলশৰীয়াকৈ হাবি-বনলিত বহুত সময় কটাইছিলোঁ। পিঠিত ছবিৰ সা-সঁজুলি, কম্বল এখন আৰু দুপৰীয়াৰ আহাৰৰ বোজা লৈ লগৰীয়া কুকুৰৰ দৰে সি মোৰ ওচৰে ওচৰে আহি আছিল। মই যেতিয়া বহি আঁকাত মন দিছিলো, সি ওচৰে-পাজৰে চৰি ফুৰিছিল। কিন্তু দুপৰীয়া আহাৰৰ টোপোলাটো মেলা দেখিলেই সৰুকৈ চেঁহনি মাৰি তাৰ বগা নাকটোৰ আগটো মোৰ গাত ঘঁহাই তাৰ ভাগৰ চকোলেটটো বিচাৰে। এই ভ্ৰমণবিলাক মোৰ দৰে সিও উপভোগ কৰিছিল। গাধটোৱে সম্ভৱ এই দৃঢ়মত পোষণ কৰিছিল যে দুজন হলেহে বন্ধু, তিনিজন

হ'লে একো নাই। সেই কাৰণে কেতিয়াবা যদি তৃতীয় ব্যক্তি মোৰ লগত দেখে তেন্তে আমি খোজকাঢ়ি ফুৰোতে পিছফালৰপৰা সি আহি তাৰ মুখটো আমাৰ দুয়োৰে মাজত সুমুৱাই দি দাঁতেৰে আনজনক কামোৰাৰ নিচিনা কৰে। আচলতে কিন্তু নাকামোৰে, কাপোৰহে টানে। মই নিজেই বিলীৰ সকলো যত্ন লওঁ। তাক নিজহাতে খুৱাওঁ, ধুৱাওঁ=পখলাওঁ, আৰু গৰম কালি নোমবোৰো ছাটি দিওঁ। গাধৰ বিষয়ে বৰ অপপ্রচাৰ হৈ থাকে। কিন্তু সিহঁতক যদি ভালভাবে মৰমেৰে ৰখা হয়, যত্ন লোৱা হয়, তেন্তে সিহঁত বেছ আনন্দদায়ক সঙ্গী হৈ পৰে।

দেউতাই নৌ বিভাগৰপৰা সম্প্রতি অৱসৰ গ্রহণ কৰিলে। তাৰ পিচত তেখেত এংল' পাছীয়ান অইল কোম্পানী এটাৰ ডাইৰেক্টৰ নিযুক্ত হ'ল। চাচ ষ্ট্ৰীটৰ ঘৰটো এৰি দিয়া হ'ল। মা-দেউতা এতিয়া বে'ডফ'ৰ্ড গার্ডেনৰ সৰু, নিৰ্জন আৰু বেছ সুবিধাজনক ঘৰ এটাত থাকিবলৈ ল'লে। এই ঘৰটোৰ আন এটা সুন্দৰ সুবিধা এয়ে আছিল যে মোৰ সৰুকালৰ শিল্পা বন্ধু ৰব্ বুক্সটন ঠিক আমাৰ ঘৰটোৰ বিপৰীতে এটা ধুনীয়া ঘৰত বাস কৰিছিল। তেওঁ থকা ঘৰটোৰ পিছফালে ষ্টুডিঅ' এটাও আছিল।

ত্রয়োদশ অধ্যায়

সেইকালত বিদেশত ভ্রমণ কৰাটো বৰ উজু কথা নাছিল। সীমান্তবিলাক অতিক্রম কৰাটো যে এটা ডাঙৰ অসুবিধাৰ কথা আছিল। কিন্তু সেইবিলাক একোৱেই মোক পিছ হোঁহকাব পৰা নাছিল। দুটা তীৰ্থযাত্রাত যুদ্ধইহে কেৱল মোক বাধা দিছিল। সেই দুটা যাত্রাৰ এটা আছিল বনলৈ, আনটো ভিয়েনালৈ।

মই কিছু জার্মান ভাষা শিকি ললোঁ। যাত্রা কৰিলোঁ অকলশৰে। কিয়নো, তেতিয়া মই অন্তৰৰ যি গভীৰতম প্রদেশত প্রবেশ কৰিছিলো, সেই প্রদেশৰ দ্বাৰ উন্মোচন হ'ব পাবে অতি নিভৃতে, মই সন্ধান কৰা আত্মপুৰুষৰ সৈতেহে। মই বন পালোঁগৈ। আন মানুহ বা গাইড, কাকো নোলোৱাকৈ বীথভেন জন্ম হোৱা সৰু ঘৰটোত মনে মনে সোমাই পৰিলোঁ। তাত কিমান-পৰ আছিলোঁ মই ক'ব নোৱাৰোঁ। এনে এক গভীৰ আবেগেৰে অন্তঃকৰণ পৰিপূর্ণ হৈ উঠিছিল যে তাত সময়ৰ কোনো অর্থই নাছিল। সেই সৰু ঘৰটোত যিমানবিলাক স্মৃতি-চিহ্ন যতনেৰে বাখিছিল, তাৰ ভিতৰত বহু বছৰৰ আগেয়ে সদায় আঙুলি বুলাওঁতে ক্ষয় যোৱা পর্দাৰ যি পিয়ানোটো বজাই তেওঁ গীত বচনা কৰিছিল, সেই পিয়ানোটোৱে মোক গভীৰভাৱে স্পর্শ কৰিছিল। ই বহুতো বছৰৰ আগৰ কথা। তথাপি তেওঁ যোৱা নাই। বস্তুজগতৰ লগত মোৰ সম্পর্ক নোহোৱা হ'ল। কিন্তু যেতিয়া সম্বিত ঘূৰি আহিল, দেখিলো, সেই সৰু কোঠাটোত মই অকলে। বুকুখন যেন ভাগি যাব। মোৰ এনেকুৱা অনুভৱ হ'ল। ইয়াৰ কিছুদিন পিচত মই ভিয়েনালৈ গ'লোঁ। কেনিও ক'তো মানুহ-চুনুহ নাই। এনেকুৱা সময়ত মই নীৰৱে সেই কবৰস্থানত সোমালো। বিচাৰি বিচাৰি সম্মুখৰ বাটটোৱেদি মই আগবাঢ়ি গৈ আছিলোঁ। এনেতে অলপ দূৰতে তেওঁৰ কবৰটো দেখিলোঁ। ওঁ হয়, সেইটো তেওঁৰেই কবৰ। এনে এটা অনুভূতি হ'ল, যেন মই যি পাইছো তাক সম্পূর্ণৰূপে গ্রহণ

কবিব নোৱাবো। মই চেষ্টাও কবা নাছিলোঁ। এক সীমাহীন হাবিয়াসত আত্মবিস্মৃত হৈ মই তাত থিয় হৈ আছিলোঁ। বনব সেই সক ঘবটোত হোৱাব দবে সময়ব সকলো জ্ঞান মোব হেবাল! তাবপবা কেনেকৈ ওঁভাবি আহিছিলোঁ মোব মনত নাই। ইয়াকেহে মোব মনত আছে যে বীথভেনে যিটো দীঘল বাটেদি পথাব আক বননিব মাজেদি অকলে খোজকাঢ়ি ফুবিছিল বুলি জনাজাত, সেই গাঁও অঞ্চললৈ উপত্যকা পাব হৈ খোজ লৈছিলো।

নীবৱে জোপোহাবিলাকবপবা সক সক কেটামান পাত ছিঙি ল'লো। সেইদিনধৰি পাতকিটা মোব লগতে আছে।

চতুৰ্দশ অধ্যায়

ইংলণ্ডলৈ উভতি গৈ মই আকৌ নিজৰ কামত লাগিলোগৈ। কিন্তু অন্তৰে কিবা এটা বিচাৰিবলৈ ধৰিলে। সেৱাৰ যি সপোন মই দেখিছিলো সি ভুল প্ৰতিপন্ন হ'ল। তেন্তে এতিয়া মই কৰিম কি? মোৰ মনৰ ক্ৰমবৰ্ধমান অস্থিৰতাৰ এনে সময়তে মই শুনিবলৈ পালো যে মহাকাব্যৰ নিচিনা দহটা খণ্ডত সমাপ্ত হোৱা এখন বিশাল উপন্যাস সম্প্ৰতি প্ৰকাশ হৈছে। উপন্যাসখন এজনী ফৰাচী লিখকৰ এক মহৎ অৱদান। মানুহে কয়, উপন্যাসখন আংশিকভাৱে বীথভেনৰ জীৱনৰ ওপৰত ভেটি কৰি লিখা। কথাটোৱে তৎক্ষণাৎ মোৰ মনোযোগ আকৰ্ষণ কৰিলে। এই বিষয়ে ততাতৈয়াকৈ খবৰ লৈ জানিব পাৰিলো যে, কিতাপখনৰ নাম জা ক্ৰিষ্টফ্ (Jean Christophe) আৰু ৰচয়িতা গৰাকীৰ নাম ৰোঁমা ৰোলাঁ। ৰোঁমা ৰোলাঁ বীথভেনৰ এজনা ডাঙৰ সমৰ্থক। বীথভেনৰ অতি ধুনীয়া চুটি জীৱনী এটাও তেখেতে লিখিছে। সেই সময়ত মোৰ ফৰাচী ভাষাৰ জ্ঞান যৎসামান্য হ'লেও জাঁ ক্ৰিষ্টফ্ৰ প্ৰথম খণ্ডটো আৰু ভি. ডি. জা ক্ৰিষ্টফ বীথভেন (Vie de Beethoven) নামৰ কিতাপ দুখন অনালো। সেই কিতাপ দুখন পঢ়িবলৈ যত্ন কৰিছিলো। এইদৰে যত্ন কৰি পঢ়োতে পঢ়োতে বুজাৰ হেঁপাহ মোৰ মনত প্ৰবল হৈ আহিবলৈ ধৰিলে। পঢ়াত মই বিশেষ আগবাঢ়িব পৰা নাছিলো। গতিকে ফৰাচী ভাষা শিকাৰ সুবিধা এটা ক'ত পাওঁ, সেই লৈ মই ব্যতিব্যস্ত হৈ পৰিছিলো। তথাপি যি অকণমান মই সংগ্ৰহ কৰিছিলো তাৰ দ্বাৰা এই কথা পৰিষ্কাৰ হৈ পৰিছিল যে ফৰাচী ভাষাতে সেই কিতাপকেখন মই পঢ়িবই লাগিব। সেই কিতাপ-কেখনত এক আত্মাৰ বাণী আছে আৰু সেয়া মই জানিবই লাগিব।

কনচাৰ্ট পাৰ্টিৰ এজেণ্টৰ কাম এতিয়া এৰি দিবলৈ মই সিদ্ধান্ত কৰিলো। কিন্তু এজেন্সী একেবাৰে তুলি দিয়াৰ আগতে শেষ কাম এটা কৰি লবলৈ মই ইচ্ছা কৰিছিলো। জাৰ্মান আৰু অষ্ট্ৰীয়ান সঙ্গীতৰ বিৰুদ্ধে ইংলণ্ডত তেতিয়াও

প্রসঙ্গ বিদ্বেষ আছিল। ফলত ইংলণ্ডৰ সঙ্গীতানুৰাগীসকলে ডাঙৰ অৰ্কেষ্ট্ৰা পার্টিৰ ডাইৰেক্টৰসকলৰ সঙ্গীত শুনাৰপৰা বঞ্চিত হৈছিল। ইতিমধ্যে লণ্ডন চিম্ফনী আৰু 'লণ্ডন ফিলাৰ-মণিক' অৰ্কেষ্ট্ৰাৰ অৱস্থাও অনুপ্রেৰণাৰ অভাৱত বেয়ালৈ গৈছিল। এনে অৱসাদৰ অৱস্থাটোৰ পৰিৱর্তন কৰিব খুজি মই উইন গার্টনাৰক মাতি আনি লণ্ডনৰ চিম্ফনী অৰ্কেষ্ট্ৰাৰে দুটা চিম্ফনী কনচার্ট পাতিছিলো। এই কাম কৰিবলৈ যাওঁতে যথেষ্ট অসুবিধা ভুগিব লাগিব বুলি মই জানো, তথাপি কামটো কৰিবলৈ মই দৃঢ়প্রতিজ্ঞা আছিলো। এই সঙ্গীত-মেলাৰ কার্যসূচীত দুটা বীথভেন চিম্ফনী, দুটা বীথভেন পিয়ানোফর্টে কনচার্ট আৰু অন্যান্য উচ্চাঙ্গৰ সঙ্গীত আছিল। উইনগার্টনাৰেও সৈতে এই বিষয়ে আলোচনা কৰিলো। তেওঁ আহিবলৈ সম্মত হ'ল। দুযোদনা অনুষ্ঠানলৈ তেওঁ সময়মতে আহিছিল। সেই সঙ্গীত সভা আৰম্ভ হোৱা মুহূর্তৰে পৰা পুৰণি দিনৰ দৰে অৰ্কেষ্ট্ৰাই আকৌ প্রাণ পাই উঠিল। অৰ্কেষ্ট্ৰা উদ্বোধনৰ দিনা কুইন হলৰ আটাইখিনি টিকেট বিক্রী হোৱা নাছিল যদিও সকলোৰে মনত আশাৰ শিঠৰণ জাগি উঠিছিল। উইনগার্টনাৰ যেতিয়া মঞ্চৰ ওপৰলৈ উঠি আহিল, দর্শকে তেওঁক অতি আগ্রহেৰে স্বাগত সম্ভাষণ জনালে। সেইদিনা তেওঁ সম্পূর্ণ সুস্থ আছিল আৰু সুন্দৰ আবৃত্তি কৰিছিল। তেওঁৰ হাতৰ কাঠিৰ যাদু পৰশত কি যে অৰ্কেষ্ট্ৰা সেইদিনা বাজিছিল! শেষত দর্শকে কেনেকৈ হাত চাপৰি দিছিল। বিদ্বেষৰ প্রাচীৰ খহি পৰিল।

অৱশ্যে এই সঙ্গীত সন্মিলনত খৰচ অলপ বেছিকৈয়ে হ'ল। তলি একেবাৰে উদং হৈ হলেই, লগতে মোৰ ধাৰো বহুতখিনি লাগিল। পিয়ানোটো বেচি ধাৰখিনি মাৰিলো।

এই চিম্ফনী অৰ্কেষ্ট্ৰাৰ কেদিননানৰ পিচতে এডেলী সামৰাৰ কামত মই লণ্ডনলৈ গৈছিলো। তাতে এদিন কাগজত দেখিলো যে পেন ক্লাবৰ নিমন্ত্রণ অনুসৰি বোমা বোলা লণ্ডনলৈ আহিব। মোৰ মন আনন্দত নাচি উঠিল। কাৰণনো কি তেতিয়াও মই উপলব্ধি কৰিব পৰা নাছিলো, কিন্তুনো অদৃষ্টৰ আহ্বান তেতিয়াও উন্মুক্ত হোৱা নাছিল। তথাপি বোমা বোলা মোৰ কাৰণে এনে এটা উদ্দেশ্যৰ প্রতীক হৈ পৰিছিল যে এক অনুভূতিয়ে মোক প্রবলভাৱে সেই উদ্দেশ্যৰ পিনে আকর্ষণ কৰিছিল। মোৰ সমষ্ট শৰীৰ কঁপিবলৈ ধৰিলে। একেকোৰে মই টেলিফোনটোৰ কাষ পালোগৈ। পেন ক্লাবৰ মোৰ চিনাকি সদস্য এজনক

মাতটো যিমান দূৰ পাৰো টানি উলিয়াই ফোন কৰি সুধিলো—বোমা বোলাৰ কাৰণে পতা কোনো অভ্যৰ্থনা বা অনুষ্ঠানৰ কথা তেওঁৰ জনা আছে নেকি, য'ত মই তেখেতক এবাৰ লগ পাব পাৰোঁ; তেওঁ উত্তৰ দিলে যে অভ্যৰ্থনা আদি শেষ হৈয়ে গ'ল, আৰু বোমা বোলা ইতিমধ্যে পেৰিচ অভিমুখে বাওনা হৈ যাবই পায়। কিন্তু তেখেত চেচিল হোটেলত আছিল, হয়তো এতিয়াও তাত থাকিব পাৰে। টেলিফোনটো থোৱাৰ লগে লগে মোৰ কপালেদি ঘাম ব'বলৈ আৰম্ভ কৰিলে। আগপিছ একো নুগুণি—অকণো পলম নকৰাকৈ এইবাৰ হোটেল চেচিললৈ ফোন কৰিলো। বিচেপশ্যনিষ্ট এজনে ফোনটো দাঙিলে। কোনোমতে ক'লো—"মছিয়ৰ্ বোমা বোলা আপোনা-সকলৰ হোটেলত এতিয়াও আছেনে নাই, এই খবৰটো মোক জনাবনে?" "হয় ধৰক, এয়া তেখেত কাষতে আছে।" মোৰ উশাহ বন্ধ হোৱা যেন লাগিল, ক'লো—"অ নহয়, তেখেতক ফোনলৈ নামাতিব। মই কেৱল তেখেত তাত আছেনে নাই সেই খবৰটোহে জানিব খুজিছিলো।" মানুহজনে উত্তৰ দিলে, "একো কথা নহয়, এয়া তেখেত ওচৰতে আছে, মই তেখেতক মাতি দিও।" মই চিঞৰি উঠিলো—"নহয় নহয় নামাতিব, নামাতিব। মই ফৰাচী ক'ৰ নেজানো, তেখেতক আমনি দিব নোখোজো।" সিফালৰপৰা উত্তৰ আহিল: "বেছ কথা, তেখেতৰ ভনীয়েকো ইয়াতে আছে, আপুনি তেখেতৰে সৈতে কথা পাতিব পাৰে।" মই ক'ত আছো, কি কৰিছো, গম ধৰাৰ আগতেই দেখিলো, তেখেতে টেলিফোনটো ধৰিছে। প্ৰথমতে ক্ষমা খুজি লৈ মই তেখেতক ইয়াকে বুজাবলৈ যত্ন কৰিছিলো যে, মই কেৱল এই খবৰটোহে জানিব খোজো, তেখেতৰ ককায়েক সেই হোটেলত আৰু কেদিনমান থাকিব নেকি আৰু মই তেখেতক এবাৰ লগ ধৰাৰ কিবা সুবিধা হ'ব নেকি; ইত্যাদি ইত্যাদি। অতি মিঠা মাতেৰে তেখেতে উত্তৰ দিলে যে তেওঁ বৰ দুখিত, কিয়নো তেওঁলোক এয়া ষ্টেশ্যনলৈ যাবৰ কাৰণে সাজু হৈ বৈ আছে। যদি অলপ আগতেও কথাষাৰ জানিলেহেঁতেন, তেন্তে নিশ্চয় তেখেতৰ ককায়েকে আগ্ৰহেৰে সৈতে দেখা কৰিলেহেঁতেন।"

টেলিফোনৰ বিচিভাৰটো নমাই থৈ মই ভাগৰত চকীখনত আউজি পৰি কপালৰ ঘাম মচিবলৈ ধৰিলোঁ। সুস্থ হ'বলৈ মোৰ কিছু সময় লাগিল। ইয়াৰ কেদিনমানৰ পিচতে মনতে ঠিক কৰিলোঁ যে মই তেখেতলৈ চিঠি এখনকে

লিখিম। সেই চিঠিত অনিচ্ছা সত্ত্বেও টেক্সিফোনেৰে তেখেতৰ লগত যোগাযোগ কৰিবলৈ বিচৰা বাবে মই ক্ষমা খুজিম আৰু পৰিষ্কাৰকৈ এই কথা লিখিম, বীথভেনৰ জৰিয়তে কেনেভাৱে মই তেখেতৰ প্ৰতি আকৃষ্ট হৈ পৰিছোঁ। উত্তৰলৈ আশা নাৰাখি মই চিঠিখন লিখি পঠিয়ালোঁ, উত্তৰ কিন্তু আহিল। তাত তেখেতে জনালে যে কেতিয়াবা চুইজাৰলেণ্ডলৈ যদি মই যাব পাৰো তেন্তে যিকোনো সময়তে তেখেতে মোৰ লগত দেখা কৰিবলৈ সাজু আছে। চিঠিখন পাই মোৰ আনন্দৰ সীমা নোহোৱা হ'ল।

মই জানো, তেখেতে ইংৰাজীত কথা নাপাতে। গতিকে তেখেতৰ ভাষাতে কথা পাতিব পৰা নোহোৱালৈকে তেওঁৰ ওচৰলৈ যোৱাটো ভুল হ'ব। আৰু অকণো পলম নকৰাকৈ মই ফৰাচী ভাষা শিকিবই লাগিব।

মই ফ্ৰান্সলৈ যাবলৈ সিদ্ধান্ত কৰিলোঁ। কাৰণ সঁচাকৈয়ে ফৰাচী ভাষা ভালদৰে শিকিবৰ সেয়ে একমাত্ৰ উপায়। পিছে ক'লৈ যাম? ফ্ৰান্সত মোৰ কোনো চিনাকি মানুহ নাই। সেইকাৰণে দেউতাই ফ্ৰান্সত থকা তেখেতৰ এজন বন্ধুলৈ এই বিষয়ে লিখিলে। দেউতাৰ সেই বন্ধু গৰাকীয়ে এগৰাকী বৃদ্ধা 'কমটেস'ৰ নাম দিলে। তেওঁ পেয়িং গেষ্ট হিচাপে মানুহ ৰাখে। এই ব্যৱস্থাটো মোৰ মনঃপুত হোৱা নাছিল যদিও প্ৰথমতে এইদৰেই আৰম্ভ কৰা ভাল হ'ব বুলি ভাবিলোঁ। পিচে পৰে আন কিবা ব্যৱস্থা কৰিব লাগিব। মই সেই বৃদ্ধাৰ তালৈকে গ'লোঁ। তেখেতে কিছু পৰিমাণে বিলাসী অঞ্চল এটাৰ সক ফ্লেট এটাত বাস কৰিছিল। দুৰ্ভাগ্যক্ৰমে আনগৰাকী পেয়িং গেষ্টো আছিল এগৰাকী ছোৱালী আৰু বৃদ্ধা কমটেস্ গৰাকীয়েও সুন্দৰ ইংৰাজী কৈছিল। ফৰাচী ভাষা শিক্ষাৰ অগ্ৰগতিৰ কাৰণে এই সকলো অনুকূল নাছিল। সেই কাৰণে মই তাত বেছিদিন থকা নাছিলোঁ।

এতিয়া মই এনে এটা ব'ৰ্ডিং হাউছ বিচাৰিবলৈ ধৰিলোঁ য'ত ইংৰাজী ভাষা একেবাৰে নচলে। 'লেটিন কোৱাৰ্টাৰ' নামে কিছুদূৰ তেনেধৰণৰ ব'ৰ্ডিং হাউছ এটা বিচাৰি পালোঁ আৰু তাতে এটা কোঠা ভাড়া ল'লো। তাৰ পিচত জাঁ ক্ৰিষ্টফৰ বাকী থকা নটা খণ্ড কিনি আনিলো আৰু লগতে ফৰাচী ভাষাৰপৰা ইংৰাজীলৈ থকা প্ৰকাণ্ড অভিধান এখনো কিনি আনিলোঁ। এতিয়া প্ৰকৃত আগ্ৰহেৰে মই পঢ়া আৰম্ভ কৰিলোঁ।

এই ব'ৰ্ডিং হাউছটোত সাধাৰণতে বৰ ভিৰ, খোৱাৰ টেবুলত সদায়

বিভিন্ন দেশীয় লোকৰ সমাবেশ ঘটে। ফলত তাত হোৱা কথা বাৰ্তাতো ভাল ফৰাচী ভাষা নচলে। সেই কাৰণে মই ইয়াতকৈ ভাল কিবা এটা ব্যৱস্থা কৰিব পাৰি নে নোৱাৰি তাৰ খা-খবৰ কৰাত লাগিলোঁ। ভাগ্যক্ৰমে 'ক-নৰ্টে-ডেম-ডি-কেম্প'ত আদৰ্শ ঠাই এডোখৰ পালোঁ। মাৰ্জিত কচিৰ এগৰাকী বৃদ্ধা তেখেতৰ নাতিনীয়েকৰে সৈতে সৰু ফ্লেট এটাত থাকে। নাতিনীয়েক গৰাকীয়ে সৰবনত পঢ়ে। তাত কেৱল মইহে পেয়িং গেষ্ট আছিলোঁ। তেখেতৰ নাতিনী আৰ্লেটে নামে সেই বঙিয়াল ছোৱালীজনী মোৰ ফৰাচী ভাষাৰ পাঠ ল'বলৈ সম্মত হ'ল। লাহে লাহে পাঠত মোৰ উন্নতি হ'বলৈ ধৰিলে। মই ফৰাচী ভাষাৰ পাঠ লোৱা, পঢ়া আদি শেষ কৰি আজৰি সময়ত, হয় কেতিয়াবা লাক্সেমবাৰ্গ বাগিচাত ফুৰো, নহয় মিউজিয়াম বা পিক্‌চাৰ গেলেৰী বা গঠিক ষ্টাইলেৰে সজা শুৱনি গীৰ্জাঘৰবিলাক চাবলৈ যাওঁ।

সম্ভৱত এই সময়তে গ্ৰীষ্মৰ বন্ধত চুইজাৰলেণ্ডত পোন প্ৰথমে মই 'দি ষ্টৰি অব্‌ চান মাইকেল' (The Story of San Michele) কিতাপৰ ৰচয়িতা ডাঃ এক্সেল মাষ্থেক লগ পাওঁ। মোৰ মনত আছে, দেউতাহঁতৰে সৈতে আমি হোটেল আৰ্জেণ্টায়াৰছত সেই গৰমকালটো কটাইছিলোঁ। হোটেলৰ বাগিচাত তাঁৰেৰে বেৰি থোৱা এডোখৰ ঠাইত পৰ্বতীয়া নিগনি কিছুমানক আৱদ্ধ কৰি ৰখা হৈছিল। এদিন মই থিয় হৈ সেই সৰু সৰু নিগনি-বিলাক চাই আছিলোঁ। এনেতে মোৰ কাণৰ কাষতে কোনোবাই কোৱা যেন শুনিলোঁ: "এই সৰু জীৱবিলাকক এইদৰে বান্ধি ৰখাটো নিষ্ঠুৰতা যেন লগা নাইনে?" ঘূৰি চাই দেখিবলৈ পালোঁ, আউল বাউল, পকিবলৈ ধৰা দাড়ি-চুলিৰে ওখ-পাখ এজন মানুহ। চকুত এযোৰ ক'লা চশমা, মানুহজন বৰ আচৰিত ধৰণৰ আছিল। মোৰ ভাব হ'ল যে, হঠাতে তেওঁ এই আষাৰ কথা মোক সুধি পেলোৱা নাই। হয়তো তেখেতে মোক কেবাদিনৰে পৰা লক্ষ্য কৰি আছে। সেইদৰে লক্ষ্য কৰাটো মই ভাল পাইছিলোনে নাই ক'ব নোৱাৰো কিন্তু তেওঁৰ শান্ত আৰু কোনো ভূমিকা নকৰা ব্যৱহাৰে মোক মুগ্ধ কৰিছিল। সেই সৰু নিগনিকেটাই আমাৰ দুয়োকে চিনাকি কৰিলে। কিয়নো, চৰাই আৰু জীৱ-জন্তুৰ প্ৰতি আমাৰ দুয়োৰে বাপ আছিল। সেই কাৰণে নিগনিকিটাৰ কথাই আমাৰ মাজত সংযোগস্থাপন কৰিলে। কিন্তু তেওঁৰ ভিতৰত এই জীৱ-জন্তুৰ প্ৰতি থকা প্ৰেমৰ উপৰিও আৰু

বহুত কিবাকিবি আছিল। তেওঁ খোলাভাৱে বহুত বিষয়ে কথা-বার্তা হৈছিল যদিও কিছুমান বিষয়ে তেওঁৰ মনটো জানিবলৈ নিদিছিল আৰু সেইকাৰণে তেওঁক ভালকৈ জনা সম্ভৱপৰ নহৈছিল।

তেখেতে লণ্ডনত মোক আকৌ বিচাৰিছিল আৰু আমাৰ মাজত বন্ধুৰ গঢ়ি উঠিছিল। তথাপি তেখেতক সম্পূৰ্ণভাৱে জানিব পৰা নাছিলো। তেখেতৰ মনৰ বিষাদৰ এটা ভাব সদায় অপ্ৰকাশিত হৈয়েই আছিল। বহুতো বন্ধু আছিল যদিও তেখেত আচৰিত ৰকমে অকলশৰীয়া আছিল। তেখেতৰ সেই বন্ধুসকলৰ কাকো কেতিয়াও মই লগ পোৱা নাছিলোঁ আৰু যিমানদূৰ জানো তেওঁলোকৰো কোনেও মোৰ কথা নেজানিছিল।

সেই সময়ত তেখেতৰ দৃষ্টি শক্তি ইমান কমি গৈছিল যে তেখেতে অকলে ফুৰা-চকা কৰিবলৈ বৰ টান পাইছিল। মোৰ মনত আছে, এদিন তেখেতে মোক সুধিলে, তেখেত বুগ্ৰেছলৈ তেখেতৰ বিশেষ পুৰণি বন্ধু টাউন ক্লৰ্কটোৰ ওচৰলৈ যাব খোজে, মই তেখেতৰ লগত যাব পাৰিমনে? আমি ছয়ো গ'লো আৰু এনে ঠাইত অৱস্থিত হোটেল এটাত থাকিলোগৈ, য'ৰ পৰা তেখেতে তেখেতৰ বন্ধুৰ ঘড়ীটো দেখিবলৈ পায় আৰু তাৰ শব্দ শুনিব পাৰে। প্ৰত্যেক পোন্ধৰ মিনিটৰ অন্তৰে অন্তৰে ঘড়ীটোৰপৰা দীঘলীয়া সুৰ এটা ওলায়। সেই সুৰটো ইমান দীঘলীয়া যে ঘড়ীটোত সেই সুৰটো অনৰৰত বাজি থকা যেনেই লাগে।

পঞ্চদশ অধ্যায়

ফৰাচী ভাষা কাম চলাব পৰাকৈ মই শিকি উঠিলোঁ আৰু এতিয়া বোঁমা বোলাঁক দেখা কৰাব কথা অলপ দকৈয়ে ভাবিবলৈ ধৰিলোঁ। মোৰ সেই প্ৰচেষ্টাৰ প্ৰথম খোজ হিচাপে চুইচ-ফেন্সৰ সীমাত ভিলেনি উভৰ বিপৰীতে থকা চেণ্ট গেন্‌গল্‌ফ নামৰ গাঁও এখনত থকাটোকে ঠিক কৰিলোঁ। তাৰপৰা লেকৰ সিপাৰে থকা বোঁমা বোলাঁৰ কুটীৰটো দেখা যায়। লগতে স্কুলৰ শিক্ষয়িত্ৰী এগৰাকীও বিচাৰি উলিয়াই তেওঁৰ ওচৰতে ফৰাচী ভাষাও শিকিবলৈ ল'লোঁ। তেতিয়া গ্ৰীষ্ম-কাল। ওচৰৰ পাহাৰবিলাকত বহুত দূৰলৈকে মই অকলে অকলে ঘূৰি ফুৰিছিলোঁ।

মই পেৰিচলৈ আহিছো আৰু তেখেতক দেখা কৰিব খোজো, এই কথা জনাই বোঁমা বোলাঁলৈ লিখিবলৈ তেতিয়াও মই সঙ্কোচবোধ কৰিছিলোঁ। যেতিয়াই লিখাৰ কথা ভাবো, মনত ভাব হয়, ফৰাচী ভাষা এতিয়াও মোৰ ভালকৈ আয়ত্ত হোৱা নাই। গ্ৰীষ্মকাল শেষ হৈ আহিল। ভাবিলো, এইবাৰ লিখিবই লাগিব। মোৰ মনত এনে এটা বিশ্বাস জন্মিছিল যে, তেখেতৰ লগত সাক্ষাৎ কৰাৰ ওপৰতে সকলো নিৰ্ভৰ কৰিছে। সকলো কথা বুজাই লিখিবলৈ মই চেষ্টা কৰা নাছিলোঁ। চিন্তাৰ বাজ্যত যুক্তি-বিচাৰৰ অতীত কিবা এটাই মোৰ ভিতৰত কাম কৰিছিল। মই লিখিলোঁ। চাহ খাবলৈ নিমন্ত্ৰণ জনাই সৌহাৰ্দ্যপূৰ্ণ জবাব এটাও পালোঁ। চাইকেলেৰে লেকৰ পাৰেদি থকা গোটেইটো বাস্তা ঘূৰি গৈ মই সময়মতেই সেইখিনি পালোঁগৈ। ভিতৰে ভিতৰে অত্যন্ত অস্থিৰ আৰু উদ্বিগ্ন হৈ পৰিছিলোঁ। ইয়াতে কিবা এটা হয় যদি হ'ব, নহলে একো নহয়, এয়ে আছিল মোৰ একমাত্ৰ ধাৰণা। বেল বজোৱাৰ লগে লগে লিগিৰী এগৰাকী ওলাই আহি দুৱাৰখন মেলি সৰু বহা কোঠা এটা মোক দেখুৱাই দি ক'লে যে, মিঃ বোলাঁ কেইমিনিটমান পিচতে তালৈ আহিব। যন্ত্ৰ-চালিতৰ দৰে মই তাতে বহি পৰিলোঁ। ভৰিৰ খোজৰ শব্দ আৰু দুৱাৰৰ হেণ্ডেলত ধৰাৰ শব্দ শুনি মই থিয় হ'লোঁ। বোঁমা বোলাঁ সোমাই আহিল। ওখ, শেঁতা আৰু ক'লা পোছাক পিন্ধা। ধীৰভাৱে অলপ লাজকুৰীয়া ধৰণে তেখেতে মোক সম্ভাষণ জনালে আৰু দুৱাৰৰ ওচৰতে সৰু চকী এখনত বহিল। মই তেখেতৰ ঠিক বিপৰীতে বহিছিলোঁ। তেখেতৰ নীলা চকুযুৰিৰে তেখেতে মোৰ

ফালে একেখবে চাই আছিল। কথা কওঁতে মোব বাবে বাবে খোকোজা লাগিছিল, মাজে মাজে মই বৈ গৈছিলো আক বব কিবা অসুবিধা লাগিছিল। মোব কথা ধৈর্য ধবি শুনি তেখেতে উত্তবো দিলে। কিন্তু তথাপি এনেকুবা লাগিছিল যেন এখন অদৃশ্য আঁব কাপোবে আমাব মাজত এক ব্যবধানব সৃষ্টি কবিছে। অলপ পবব পিচতে দুবাবখন মেল খালে আক তেখেতব ভনীয়েক সোমাই আহি চাহ খাবলৈ খোৱা কোঠালীলৈ আমাক মাতি নিলে। সময় যাবলৈ ধবিলে, ভাবিলো, মই এতিয়া বিদায় লোৱা উচিত। কিন্তু সেই বস্তুটো মই তাতে অ'ছ বুলি জানিছেলোঁ—যদিও সেয়া মই পোৱা নাছিলোঁ। কোনোমতে মই উঠিলোঁ আক বিদায় সম্ভাষণ জনাই শুচি আহিলোঁ। অত্যন্ত নিবাশ মনে মই মোব থকা ঠাই গেনগল্‌ফলৈ চাইকেলেবে উভতি আহিলোঁ।

তাব পিচত কেদিনমানলৈ মই পগলাব নিচিনাকৈ পাহাবে পাহাবে ঘুবি ফুবিবলৈ ধবিলোঁ। কেতিয়াবা এন্ধাব হৈ যোৱাব পিচত, কেতিয়াবা বতাহ ববষুণব মাজত বব পলমকৈ মোব কোঠালীলৈ উভতি আহিছিলোঁ। বাহিবব এই অবস্থা মোব অন্তবব অবস্থাব প্রতিধ্বনি আছিল। লেণ্ডলেডী গবাকী উদ্বিগ্ন হৈ পবিল। তেখেতে সুধিবলৈ ধবিলে, কিয় মই বাহিবত অকলে অকলে ইমান পবলৈকে থাকোঁ।

তিনি কি চাবিদিন বোধকবোঁ সেইদবেই পাব হ'ল। তাব পিচত এদিন বাতিপুৱা তললৈ নামি আহিলত হল ঘবব টেবুলত ডাঙব হালধীয়া লেফাফা এটা পবি থকা দেখিলোঁ। ইও সম্ভব নে? হয়। চিঠিখন বোমা বোলাব-পবাই আহিছে। কঁপা হাতেবে চিঠিখন খুলি দেখিলোঁ, এখন সঙ্গীতব কিতাপ, তাব সমুখব পৃষ্ঠাত আদবেবে শিবোনামা লিখা। মোব অন্তব আকৌ উদ্ভাসিত হৈ উঠিল। তেন্তে তেখেতে মোক পাহবা নাই। বোধকবোঁ আকৌ বিচাবিলে তেখেতে মোক তেখেতব ওচবলৈ যাবলৈও অনুমতি দিব। তেতিয়াই হয়তো যি বস্তুটো তেখেতব ওচবতে আছে বুলি মোব ধাবণা হৈছে সেইটোব সন্ধান পাম। মই লিখিলো আক মবমেবে লিখা উত্তব এটাও পালোঁ। তেখেতে লিখিছিল যে ভনীয়েক পেবিচলৈ গৈছে আক মই গৈ তেওঁবে সৈতে চাহ খোৱাত যোগ দি মোব অন্তবব যি কথা তাক প্রকাশ কবিব পাবোঁ আক যদি একো ক'ব নোখোজো তেনেহলে কোনো কথা নাই। তাব পিচত বোধ উপত্যকাব ওপবতে ভিলেনিউভব আক ওচবব আন এখন গাঁৱলৈ মই গ'লোঁ।

তেখেতে দিয়া তাৰিখমতে মই চাইকেলেৰে গৈ তেখেতৰ কুটীৰ ওলালোগৈ। সেই সৰু বহা কোঠালীটোতে আমি আকৌ লগ হ'লোঁ। কেইমিনিটমান যোৱাৰ পিচতে অস্বস্তিকৰ ভাব নাইকিয়া হ'ল। আমাৰ মাজত থকা ব্যৱধানৰ আঁৰ কাপোৰখনো দাং খালে আৰু মই মন খুলি কথা ক'ব পৰা হ'লোঁ। কিছু সময় কথা পতাৰ পিচত চাহ খাবৰ কাৰণে খোৱা কোঠালীত সোমালোঁ। তেখেত টেবুলত মোৰ বিপৰীতে বহিছিল। আমি কথা পাতিবলৈ ধৰিলোঁ। পিচত এনেকুৱা লাগিল যেন আমি ইজনে সিজনক বহুত দিনৰ পৰা জানো। তেখেতৰ চিন্তাৰাশি এনেদৰে বৈ ওলাই আহিছিল যেন তেওঁ মানুহে শুনাকৈ চিন্তা কৰিছে। তেখেতে মোক ভ্ৰমণ কৰিবলৈ পৰামৰ্শ দিলে আৰু অষ্ট্ৰিয়া আদি অন্যান্য ঠাইৰ কথাও ক'লে। তাৰ পিচত তেখেতে ভাৰতবৰ্ষৰ কথা উল্লেখ কৰিছিল। অৱশ্যে মোক ভাৰতবৰ্ষলৈ ভ্ৰমণৰ কাৰণে যোৱাৰ কথা কোৱা নাছিল—মাত্ৰ তেখেতে লিখা 'মহাত্মা গান্ধী' নামৰ সৰু কিতাপ এখনৰ প্ৰসঙ্গত কৈছিল। তেওঁ ক'লে যে কিতাপখন তেওঁ লিখি উঠিছেহে, প্ৰেছৰপৰা ওলোৱা নাই। মই অবাক হৈ চাই আছিলোঁ।

"তুমি গান্ধীৰ বিষয়ে শুনা নাই?"—তেখেতে সুধিলে।

"নাই"—মই উত্তৰ দিলো। তেখেতে মোক মহাত্মাৰ বিষয়ে ক'লে আৰু লগতে ইয়াকো ক'লে, "তেওঁ আন এজন যীশুখৃষ্ট।" কথাষাৰে মোক গভীৰ-ভাৱে স্পৰ্শ কৰিলে। কিন্তু ব্যক্তিগতভাৱে মোৰ কাৰণে সেই কথাষাৰৰ বিশেষ কিবা অৰ্থ যে থাকিব পাৰে, সেই কথা নাভাবি কথাটো বাদ দিলোঁ। লাহে লাহে গধূলি হৈ আহিল। মই এতিয়া উঠিব লাগিব। তেখেতে ক'লে, "এন্ধাৰ হৈ আহিলেই, তুমি চাইকেলেৰে সেই গাঁৱলৈ উলটি যাবগৈ লাগিব।" টেবুলৰপৰা আমি উঠিলোঁ। তেখেতৰ সম্মুখত থিয় হ'লোঁ। মই কি কম? ভাষাৰে বুজাব নোৱাৰিলেও, যি কিবা এটা মই বিচাৰি ফুৰিছিলোঁ, তেখেতে মোক তাৰ সন্ধান দিলে। মই মনে মনে থিয় হৈ আছিলোঁ। তেখেতে বুজিলে আৰু কোমলকৈ হাঁহি মোৰ বাঁউসীৰ ওপৰত তেখেতৰ হাত থৈ আশীৰ্বাদ জনাই দুয়ো গালে দুটা চুমা খাই বিদায় দিলে।

বোণ উপত্যকাৰ সৰু গাঁওখনিলৈ যেতিয়া মই উভতিলো, পৰম শান্তি আৰু আনন্দেৰে মোৰ অন্তৰ উপচি পৰিছিল। এতিয়া সকলো ঠিকঠাক হ'ব। কেনেকৈ যে হ'ব, সেই সম্পৰ্কে কোনো ধাৰণা মোৰ তেতিয়ালৈকে জন্মা

নাছিল। তথাপি নিশ্চয় সবলো ঠিক হ'ব, এনে এটা ভাব দৃঢ়ভাৱে মোৰ মনত ঠাই লৈছিল। মই থকা সক আলহী ঘৰটো যেতিয়া পালোঁগৈ, দেখিলোঁ ডাঃ এক্সেল মাষ্ৱেৰপৰা মোৰ নামত অহা চিঠি এখন পৰি আছে। তাত তেখেতে লিখিছিল যে, ইজিপ্টলৈ তেওঁ আগতে যোৱা নাই আৰু তেখেতৰ দৃষ্টি শক্তি অলপ থাকোঁতেই এবাৰ তেওঁ ইজিপ্টলৈ যাব খোজে আৰু মোকো লগত নিব খোজে। মই নিজকে নিজে ক'লোঁ, "ৰোলাইতো মোক এইমাত্ৰ ভ্ৰমণ কৰিবলৈ পৰামৰ্শ দিছে, এই যাত্ৰা ইজিপ্টলৈকে গৈ তেন্তে মোৰ ভ্ৰমণ আৰম্ভ কৰোঁ।" মই সম্মতি জনাই পিচৰ ডাকতে তেখেতলৈ উত্তৰ দিলোঁ। ডাক্তৰ আছিল বে-হিচাবী ধৰণৰ, স্ফূৰ্তিকৈ থকা স্বভাৱৰ মানুহ। তেওঁ যোৱাৰ খবৰটো মুৰামুৰি সময়তেই মোক জনাইছিল। সেই কাৰণে সময়মতে সাজু হ'বলৈ বৰ হুৰমুৰ কৰিব লগা হ'ল। ইজিপ্টৰ জলবায়ুৰ উপযোগী কেটামান পোছাক মোলৈ পঠাবলৈ মালৈ মই টেলিগ্ৰাম কৰিলোঁ। কাৰণ চুইজাৰলেণ্ডৰ জলবায়ুৰ উপযোগী পোছাকহে তেতিয়া মোৰ লগত আছিল। তাৰপিচত মনট্ৰিজলৈ একেকোৰে গৈ পাছপ'ৰ্ট আদিৰ ব্যৱস্থা কৰিলোঁ। সময়মতে কাপোৰখিনি আহি পালে আৰু বোম হৈ মই নেপল্‌ছ পালোঁগৈ। এই সময়ৰ ঘটনাবোৰ কোনটোৰ পিচত কোনটো কেনেকৈ ঘটিছিল, মোৰ ভালকৈ মনত নাই। সম্ভৱতঃ এইবাৰতে ইজিপ্টলৈ যোৱাৰ আগতে মই কেপ্ৰিলৈ গৈছিলো আৰু তাতে ডাঃ মাষ্ৱেই মোক তেখেতৰ প্ৰিয় 'চান মাইকেল খন দেখুৱাইছিল। তেখেতে মোক ইটালিয়ান শিকিবলৈ কৈছিল আৰু মোৰ কাৰণে শিক্ষয়িত্ৰী এগৰাকীও বিচাৰি উলিয়াইছিল। মোৰ পিছে সেই সময়ত আৰু এটা ভাষা শিকিবলৈ বিশেষ উৎসাহ নাছিল।

আলেকজেন্দ্ৰিয়ালৈ সমুদ্ৰযাত্ৰা সুস্থিৰ আৰু শান্ত নাছিল, লগতে মোৰ দাঁত এটায়ো বৰ দিগদাৰী দিছিল। গতিকে যাত্ৰাটো মোৰ জঘন্য যেন লাগিল। কাইৰো পায়েই মই দন্তচিকিৎসকৰ ওচৰলৈ যাব লগাত পৰিলোঁ। ইফালে ডাক্তৰ ধিৰ্ছ পাবলৈ অধৈর্য হৈ পৰিছিল। সেইখিনি গৈ পালতে পুৰণি ভগ্নাৱশেষ-বিলাকতে তেওঁ সম্পূৰ্ণ নিমগ্ন হৈ পৰিল। যি নহওক, তেওঁ বেছিদিন তাত থাকিব নুখুজিলে। ইউৰোপলৈ উভতি যাব খোজা কেজনমান চিনাকি মানুহক তেওঁ তাতে লগ পালে আৰু তেওঁলোকৰ লগতে উভতি যাবলৈ গুলাল। মোৰ পিছে ইমান সোনকালে উলটিবৰ মন নগ'ল ইজিপ্টৰ সূৰ্যৰ কি আচৰিত তেজ! মই তাত ব'দ লৈ থাকিবলৈ ভাল পাইছিলোঁ, মোৰ অনুভূতিৰ লগত যেন সি মিলি গৈছিল।

ষোড়শ অধ্যায়

অৱশেষত বোধকৰোঁ অক্টোবৰ মাহত ইউৰোপলৈ উভতি আহিলোঁ। নেপল্‌ছত এৰাতি কি দুৰাতি থাকি পোনে পোনে পেৰিচলৈ গ'লোঁ। প্রেছৰপৰা ওলাবলগীয়া ৰোমা ৰোলাঁৰ সেই সকু কিতাপখনৰ কাৰণে অধৈর্য হৈ পৰিছিলো। পেৰিচ গৈ পোৱাৰ ঠিক পিচদিনাই মই প্রকাশকজনৰ ওচৰলৈ গ'লোঁ। মহাত্মা-গান্ধী বুলি ডাঠ ক'লা আখৰেৰে লিখা সেই সকু কমলা ৰঙৰ কিতাপখনেৰে দোকানৰ চুক এটা সম্পূর্ণ ভৰি আছিল। দোকানখনত সোমাই তাৰে কপি এটা কিনিলোঁ।

সেইদিনা ৰাতিপুৱাৰেপৰা মই কিতাপখন পঢ়িবলৈ আৰম্ভ কৰিলোঁ। আৰম্ভ কৰাৰেপৰা মই এৰাৰো কিতাপখন হাতৰপৰা থোৱা নাছিলো। দুপৰীয়াৰ আহাৰৰ ৰাবে ৰেষ্টোৰাঁ এখনলৈ যেতিয়া গৈছিলোঁ, তেতিয়াও কিতাপখন লগতে লৈ গৈছিলোঁ। আহাৰৰ পিচত আকৌ মোৰ কোঠালৈ আহিলো আৰু গধূলিলৈ মোৰ কিতাপখন পঢ়া শেষ হ'ল।

যিটোৰ কাৰণে মই ইমান দিন অস্থিৰ হৈ আছিলোঁ সেই 'কিবা' কি আছিল, এতিয়া মই বুজিলোঁ। যিজনে সত্য আৰু অহিংসাৰ জৰিয়তে নির্ভীক-ভাৱে উৎপীড়িত ভাৰতবর্ষৰ হকে কাম কৰিছে, যিজনে এনে এটা উদ্দেশ্য লৈ কাম কৰিছে, যিটো ভাৰতত বিশেষভাৱে প্রয়োগ হলেও, উদ্দেশ্য সমগ্র বিশ্ব মানবৰ কাৰণেই প্রযোজ্য, তেওঁৰ ওচৰলৈকে মই যাৰ লাগিব। মোৰ প্রার্থনাৰ উত্তৰ কিয় এনেভাৱে আহিল সেইবিলাক কথা যুক্তি-তর্কেৰে বিচাৰ কৰিবলৈ চেষ্টা কৰা নাছিলোঁ। প্রত্যাখ্যান কৰিব নোৱাৰা নিশ্চিত এই আহ্বান। হিচাপ লব লগা কথা আছিল একমাত্র এইটোৱেই। লণ্ডনলৈ উভতি গৈ "পি এণ্ড ও" জাহাজৰ এটা ৰাৰ্থ ৰিজাৰ্ভ কৰিলোঁ। দেউতাহঁতক মোৰ সঙ্কল্পৰ কথা ক'লোঁ। তেওঁলোকে মোৰ উৎসাহৰ গুৰুত্ব উপলব্ধি কৰি মোৰ সৈতে কোনো তর্ক নকৰিলে। যেই নহওক, অলপ পিচতে মোৰ বোধ হ'ল যে মই বেছি খৰ-খেদা কৰিছোঁ। প্রথমতে কঠোৰ ট্রেইনিঙৰ মাজেদি নিজক উপযুক্ত কৰি নোতোলাকৈ মোক গ্রহণ কৰিব বুলি কেনেকৈ আশা কৰিব পাৰোঁ? সেই-

স্মৰণে মই পি এণ্ড অ'ৰ অফিচলৈ গৈ মোৰ আগৰ টিকেটটো সলাই বাৰমাহৰ পিচত কৰাই ললোঁ।

এবছৰীয়া শিক্ষাকাল মই কেনেকৈ আৰম্ভ কৰিম সেই কথা ভালকৈ চিন্তা কৰি উলিওৱাৰ প্ৰয়োজন হ'ল। সূতাকটা আৰু কাপোৰ বোৱা মই শিকিবই লাগিব, তাত সন্দেহ কৰিবলগীয়া একো নাই। বিশেষকৈ সূতাকটা মই শিকিবই লাগিব। মহাত্মা গান্ধীয়ে সৰ্বসাধাৰণ ৰাইজৰ কাৰণে সূতাকটাটো তেখেতৰ গঠনমূলক কামৰ আঁচনিৰ এটা প্ৰধান বিষয় কৰিছে। ভাৰতবৰ্ষৰ সৰ্বসাধাৰণ ৰাইজ বুলিলে বুজায় গাঁওবাসী লোকসকল। ইংৰাজসকলে ভাৰতবৰ্ষত লাঙ্কাচ্ছায়াৰৰ কাপোৰৰ প্ৰচলন আৰম্ভ কৰাৰ কাৰণে লাখ লাখ গাওঁবাসী, ভাৰতীয় ৰাইজৰ বহুত দিনীয়া পুৰণি কাপোৰ উৎপাদন কৰা পৰিপূৰক ব্যৱসায় নষ্ট হোৱাত বছৰৰ কেৰামাহো নিবন্ধুৱা হৈ থাকিব লগাত পৰে। ভাৰতবৰ্ষৰ জলবায়ুত এটা খেতিৰ ৰতৰৰ পৰা আনটো খেতিৰ ৰতৰ অহালৈ মাজত বহুত দিন থাকে। কপাহৰ সূতা কটাৰ আঁচনি লোৱাৰ আন এটা কাৰণ হ'ল, গাঁৱৰ প্ৰতিখন ঘৰকে এই আঁচনিয়ে সামৰি ল'ব পাৰে। বোৱা-কটাটো কিছুসংখ্যক লোকৰ কাম, কিন্তু সূতা কটাটো প্ৰতিগৰাকী তিৰোতা আৰু ছোৱালীৰে কাম। এখন শালক সূতাৰ যোগাৰ দিবলৈ বহুতো যঁতৰৰ প্ৰয়োজন হয়। সেই কাৰণে সম্প্ৰতি যঁতৰ ভাৰতৰ জনসাধাৰণৰ আৰু তেওঁলোকৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতীকৰূপে প্ৰতিষ্ঠিত হৈছে। লগতে সূতাকটা আৰু খদ্দৰ পিন্ধাটো ৰাজনৈতিক নেতা আৰু গঠনমূলক কৰ্মীসকলৰ কাৰণে বাধ্যতামূলক হৈছে। এই খদ্দৰেই তেওঁলোক আৰু মূক জনতাৰ মাজত সহানুভূতিৰ যোগসূত্ৰ সৃষ্টি কৰিছে।

সেই কাৰণে মোৰ আঁচনিখনৰ সৰ্বোচ্চ বিষয় হ'ল সূতা কাটিবলৈ শিকা। কিন্তু পশ্চিমত কোনেও কপাহ নেকাটে, সেই কাৰণে উলেৰেই কপাহ কটাৰ শিক্ষা ল'ব লগা হ'ল। তাৰ কাৰণে মই উপযুক্ত ঠাইতে আছিলোঁ। বে'ডফ'ৰ্ড গার্ডেনৰ তলতে, আমাৰ পৰিয়ালৰ পুৰণি বন্ধু ডৰথি উইল্‌কিন্‌চন্ আৰু তেওঁৰ বাই-ভনীসকলেৰে সৈতে চলোৱা দি কেনচিংটন উইভাৰ অনুষ্ঠানটো আছিল। মই এটা যঁতৰ আৰু উলসূতা কণিওৱা বুকজ এডাল কিনিলোঁ। তাৰে সৈতে প্ৰথমে ঘৰতে উলকটা আৰম্ভ কৰিলোঁ। কিন্তু বোৱা-কটা শিকিবৰ কাৰণে স্কুললৈ গৈছিলোঁ। তাৰ পিচত মই নিবামিষ আহাৰী হ'ব লাগিব। মাদকদ্ৰব্য

সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিব লাগিব। লগে লগে মই ভাৰতৰ ভাষা শিকিবলৈ আৰম্ভ কৰিব লগা হ'ল। ঠিক সেইদৰে মাটিত শুবলৈ আৰু মাটিত পদ্মাসন কৰি বহিবলৈও শিকিব লাগিব। এইবিলাকৰ উপৰিও অৱশ্যে মই ভাৰতবৰ্ষৰ বিষয়ে যিমান পাৰো পঢ়িব লাগিব। আহাৰৰ পৰিৱৰ্তন সম্পৰ্কে মই ধীৰে সুস্থিৰে আগবাঢ়িবলৈ সিদ্ধান্ত কৰিলোঁ। কিয়নো, এই অৱস্থাত স্বাস্থ্যহানি কৰাটো মহা মূৰ্খামি হব। প্ৰথমতে মই ৰাগীয়াল বস্তু এৰিলোঁ তাৰ পিচত ক্ৰমান্বয়ে মোৰ আহাৰ সম্পূৰ্ণৰূপে নিৰামিষ আহাৰত পৰিণত কৰিলোঁ। কিন্তু আটাইতকৈ টান সমস্যা আছিল ভাষাৰ সমস্যাটো। কি ভাষা বা মই শিকিম, কোনে শিকাব। ফৰাচী ভাষা শিকাৰ সময়ত দেউতাই মোক সহায় কৰিছিল। এইবাৰো দেউতাই সেই সময়ত ইণ্ডিয়া অফিচত থকা তেওঁৰ বন্ধু, স্থায়ী আন্দাৰ চেক্ৰেটাৰীজনলৈ লিখি এই বিষয়ে পৰামৰ্শ বিচাৰিলে। তেখেতে আমাক জনালে যে ভাষাটো হ'ব লাগিব উৰ্দু। লণ্ডনত থকা ভাৰতীয় ছাত্ৰ এজনক শিক্ষক হিচাপে তেওঁ অনুমোদন কৰিলে। এতিয়া 'মুন্সি' নামে এখন উৰ্দু ব্যাকৰণ কিতাপ কিনি আনিলোঁ আৰু সেই ভাৰতীয় ছাত্ৰজনে আহি যাতে মোক পঢ়াব পাৰে তাৰ ব্যৱস্থা কৰা হ'ল। উৰ্দু মই অসম্ভৱ টান পাইছিলোঁ।

বিষয়টোত উন্নতিও বৰ লাহে লাহে হৈছিল। ফৰাচী ভাষাও মোৰ কাৰণে টান আছিল, কিয়নো, ভাষা শিকাত মোৰ স্বাভাৰিক ব্যুৎপত্তি নাছিল। কিন্তু এই উৰ্দু ভাষা এনে টান আছিল যে ইয়াত শিকোঁতে মুঁৰৰ চুলি ডাল ডাল দি শিয়ঁৰি উঠিছিল। মাটিত বহা আৰু শোৱাৰ অভ্যাস ঠিকমতেই চলিছিল। যোৰ আৰামদায়ক বিছনাখন কোঠাটোৰপৰা আঁতৰাই নিওঁতে মাই মনত বৰ দুখ পাইছিল। পঢ়া সম্পৰ্কে মই মহাত্মা গান্ধীৰ সাপ্তাহিক বাতৰি কাগজ 'ইয়ং ইণ্ডিয়া'খনৰ গ্ৰাহক হ'লোঁ। বৃটিছ মিউজিয়ামৰ ওচৰতে ভাৰতবৰ্ষ সম্পৰ্কে লিখা কিতাপ-পত্ৰ ৰখা দোকান এখন বিচাৰি উলিয়ালো। এই এবছৰীয়া শিক্ষা কালৰ কিছুদিন পেৰিচৰ পুৰণা কোৱাৰ্টাৰ ৰু-নৰ্টে-ডেম-ডি কেম্পত কটাইছিলোঁ। তেখেতৰ কিতাপৰ প্ৰভাৱ মোৰ ওপৰত কিদৰে পৰিছে সেই কথা জনাই মই মোঁমা ৰোলাঁলৈ চিঠি লিখিছিলোঁ। পেৰিচতো মোক উৰ্দু শিকাৰ পৰা ভাৰতীয় ছাত্ৰ লগ পালোঁ। ঠিক এই সময়তে মই প্ৰথম ভাগৱত গীতা আৰু ঋগবেদৰ কিছু অংশ পঢ়ো। অৱশ্যে দুয়োখনেই ফৰাচী ভাষাত লিখা।

লণ্ডনলৈ উলটি গ'লো। এই শিক্ষা লৈ থকা অৱস্থাৰ ঠিক মাজভাগতে খবৰৰ কাগজত বাতৰি ওলাল যে হিন্দু মুছলমানৰ ঐক্যৰ কাৰণে মহাত্মা গান্ধীয়ে একৈশ দিনীয়া অনশন ব্ৰত আৰম্ভ কৰিছে। এই অগ্নিপৰীক্ষা তেখেতে নিৰ্বিঘ্নে পাৰ হ'ব পাৰিবনে নাই সন্দেহ। মোৰ কাৰণে এই খবৰ দাৰুণ কষ্টদায়ক আছিল। মনে মনে প্ৰাৰ্থনা কৰাৰ বাহিৰে কৰিব পৰাৰ ভিতৰত মোৰ আন একোৱেই নাছিল। দিনে দিনে খবৰবিলাক ক্ৰমাৎ ভয় লগা হৈ আহিবলৈ ধৰিলে। সেই একৈশটা দিনৰ যেন অন্তই নপৰিব, তেনেকুৱা ভাব হ'ল। তথাপিও অকণো ঢিলাই নিদিয়াকৈ মই মোৰ পঢ়া-শুনা আৰু আন শিক্ষাৰ কাম নিয়মমতে চলাই যাবলৈ ধৰিলোঁ। অৱশেষত যেতিয়া খবৰ আহিল যে অনশন কৃতকাৰ্যতাৰে পালন কৰাৰ পিচত ভঙ্গ কৰা হৈছে আৰু বাকী খবৰ সকলো ভাল, মোৰ আনন্দৰ পাৰ নোহোৱা হ'ল। মই আৰু মনে মনে থাকিব পৰা নাছিলোঁ। মই নিশ্চয় লিখিব লাগিব। ধন্যবাদ জনাই কিছু উপহাৰো পঠাব লাগিব। পিছে কি পঠিয়াম? সেই অৰ্কেষ্ট্ৰা পাৰ্টিতে মোৰ সকলো পয়চা-পাতি শেষ হল। পিয়ানোটোও বেচিলোঁ। মোৰ হাতত এটা হীৰাৰ ব্ৰুচ আছিল। সেইটো ককাদেউতাই মোক মোৰ একৈশবছৰীয়া জন্মোৎসৱত উপহাৰ দিছিল। তাকে বেচি যি পাওঁ পঠিয়াম। বিশ পাউণ্ডৰ চেক এখন লগতে গাঁঠি দি মই তেখেতলৈ এখন চিঠি লিখিলো। সেই চিঠিত অনশনৰ কৃতকাৰ্যতাৰ কাৰণে কৃতজ্ঞতা জনাইছিলো। বোমা বোলাঁৰ কিতাপ পঢ়িয়েই কেনেকৈ প্ৰথমতে তৎক্ষণাৎ ভাৰতবৰ্ষলৈ যাবলৈ ওলাইছিলো, তাৰ পিচত কেনেকৈ মোৰ সেই মত পৰিৱৰ্তন কৰি ঠিক কৰিলো যে এবছৰ শিক্ষা গ্ৰহণ কৰাৰ পিচত যোৱাটো ভাল হ'ব আৰু সেইমতে কেনেকৈ সেই শিক্ষা সম্প্ৰতি মই লৈ আছো, সেই সকলো বৰ্ণনা কৰিছিলোঁ। উত্তৰ পাম বুলি সপোনতো ভবা নাছিলো। ভাবিছিলো চেকখন নিশ্চয় ঘুৰি আহিব। নতুন উদ্যমেৰে মোৰ শিক্ষা চলি আছিল। কিছুদিনৰ পিচত বে'ডফ'ৰ্ড গাৰ্ডেনৰ ফোনৰ টেবুলত বহি থাকোঁতে কোনোবা এজনে আহি জীৰ্ণ শীৰ্ণ পোষ্ট কাৰ্ড এখন মোৰ আগত থলেহি। হাতৰ আখৰ অস্পষ্ট আৰু অচিনাকি। চিঠিখন লুটিয়াই মই তলৰ চহীটো চালো—এম. কে. গান্ধী। শ্ৰদ্ধাৰে সৈতে চিঠিখন তুলি লৈ মই পঢ়ি গ'লোঁ।

চিঠিখনত লিখা আছিল ঃ

প্ৰিয় বন্ধু,

আপোনালৈ সোনকালে লিখিব নোৱাৰাৰ কাৰণে ক্ষমা কৰিব। মই অনবৰত ঘুৰি ফুৰিছো। আপুনি পঠোৱা কুৰি পাউণ্ডৰ কাৰণে ধন্যবাদ জানিব। যতৰ প্ৰচাৰ কাৰ্যত টকাটো খৰচ কৰা হ'ব।

এই কথা শুনি বাস্তৱিক মই আনন্দ পাইছো যে আপুনি মনৰ প্ৰথম আবেগ অনুসৰি কাম নকৰি ইয়াৰ জীৱনৰ কাৰণে নিজকে উপযুক্ত কৰি তুলিবৰ কাৰণে কিছু সময় লবলৈ সিদ্ধান্ত কৰিলে। এবছৰীয়া পৰীক্ষা কালৰ অন্ততো যদি আপোনাক অহাৰ ভাবে উৎসাহিত কৰে তেন্তে বোধকৰোঁ ভাৰতবৰ্ষলৈ অহাটোৱেই আপোনাৰ পক্ষে উচিত হ'ব।

ট্ৰেনৰ ওপৰত
৩১।১২।২৪

আপোনাৰ বিশ্বস্ত,
এম. কে. গান্ধী

নতুন উৎসাহ আৰু উদ্যমেৰে মই মই নিজৰ কামত লাগিলোঁ। বছৰৰ ঠিক সোঁমাজ পাই সঁচাকৈয়ে মই গৈ সবৰমতী আশ্ৰমত ভর্তি হ'ব পাৰিম নে নোৱাৰিম সুধি আকৌ চিঠি লিখিলোঁ। চিঠিৰ লগতে মই কটা উল অলপমানৰ নমুনাও পঠিয়াই দিলোঁ। আগষ্ট মাহত উত্তৰ আহিল। সেই উত্তৰে মোৰ সকলো ভয় আৰু উদ্বিগ্নতাৰ অন্ত পেলালে।

১৪৮, ৰাছা ৰোড
কলিকতা
২৪ জুলাই ১৯২৫

প্ৰিয় বন্ধু,

আপোনাৰ চিঠি পাই সুখী হ'লোঁ। চিঠিখনে মোক গভীৰভাৱে স্পৰ্শ কৰিছে। আপুনি যি উলৰ নমুনা পঠিয়াইছে সিও অতি সুন্দৰ হৈছে।

আপুনি যেতিয়াই ইচ্ছা কৰে আহিব পাৰে। যিখন জাহাজেৰে ইযালৈ আহিব খুজিছে তাৰ বিষয়ে মোক আগতীয়াকৈ জনালে আপোনাক জাহাজৰপৰা আগবঢ়াই আনি সবৰমতীলৈ অহা ট্ৰেনত তুলি দিবৰ কাৰণে এজন লোক থাকিব। কেৱল মনত ৰাখিব ইয়াৰ আশ্ৰমৰ জীৱন একেবাৰে সহজ নহয়। কষ্টসাধ্য এই জীৱন। প্ৰতিজন আশ্ৰমবাসীয়ে শাৰীৰিক পৰিশ্ৰম কৰিব লাগে। এই দেশৰ জলবায়ুৰ কথাটোও ভালকৈ বিবেচনা কৰিবলগীয়া।

আপোনাৰ মনত ভয় জন্মাবৰ কাৰণে মই এই কথাকিটা লিখা নাই, লিখিছোঁ কেৱল আপোনাক সাৱধান কৰি দিবৰ কাৰণে।

আপোনাৰ বিশ্বাসী
এম. কে. গান্ধী

গৱমকালি মই চুইজাৱলেণ্ডৰ খেতিয়কসকলৰ লগত পথাৰত কাম কৰি কটালোঁ, যাতে শাৰীৰিকভাৱে নিজকে উপযুক্ত কৰি তুলিব পাৰোঁ। মই জানিছিলোঁ যে লক্ষ্যস্থানত উপনীত হোৱাৰ লগে লগে মই যথেষ্ট শাৰীৰিক শ্ৰম কৰিব লাগিব।

মই টিকেট কিনি ৰখা পি. এণ্ড. ও জাহাজখন মাৰ্ছেলীৰপৰা অক্টোৱৰৰ পচিশ তাৰিখে ৰাওনা হোৱাৰ কথা। সেইকাৰণে যোৱাৰ জোগাৰ কৰিবৰ কাৰণে গৱম দিনৰ শেষৰ পিনে লণ্ডনলৈ উভতি গ'লোঁ। খাদীৰ কাৰণে ইতিপূৰ্বেই দিল্লীলৈ লিখিছিলোঁ। সেইখিনি আহি পালে আৰু তাৰে সাধা-সিধা ৰগা ফ্ৰক কেটামান সীয়ালোঁ। বাটত ব্যৱহাৰ কৰিবৰ কৰণে যিমানদূৰ পাৰোঁ কমাই কিছু গৱম কাপোৰ ৰাখি মোৰ আন সকলোবিলাক বস্তুকে বিলাই দিলোঁ। কিছু কিতাপ আৰু সামান্য যি অলপ গহনা আছিল সেইখিনি কেৱল মোৰ লগত ৰাখিলোঁ। চাৰিশমান বছা বছা সঁচাকৈয়ে ভাল কিতাপৰ সংগ্ৰহ এটা মোৰ আছিল। সেই কিতাপখিনিৰপৰা বাছি বাছি ভৰাওঁতেও দুটা ট্ৰাঙ্ক ভৰিল। গহনা যি কেইপদ আছিল সেইখিনি যি উদ্দেশ্য সাধনৰ কাৰণে মই ওলাইছো তাৰ কাৰণে দান দিয়াৰ ভাৱতে লগতে লৈ যোৱাৰ সিদ্ধান্ত কৰিলোঁ। ঘৰৰ সৰু ছোৱালী হোৱা কাৰণে আৰু ধুনপেচ বা সামাজিক জীৱনৰ প্ৰতি মোৰ কোনো বাপ নথকা কাৰণে আ-অলঙ্কাৰ মোৰ বিশেষ একো নাছিলেই। দান দিব খুজি নিজৰ ইমান সামান্য অলঙ্কাৰহে থকা দেখি প্ৰথমবাৰৰ কাৰণে এইবাৰ অলঙ্কাৰ নোহোৱাৰ দুখ মই অনুভৱ কৰিছিলোঁ।

একেবাৰে শেষ মুহূৰ্তলৈকে মই ৰোৱা-কটা আদি কাম জোৰেৰে চলায়েই আছিলোঁ। এই কামত কিছু দক্ষতাও মোৰ জন্মিছিল। ৰোমা ৰোলাৰ ভনীয়েকৰ কাৰণে নিজে উল কাটি, ৰোলাই, চাদৰ এখন মই বৈ উলিয়াই ছিলোঁ। সেইখন ভিলেনিউভলৈ বিদায় লবলৈ যাওঁতে লগত লৈ যাম বুলি ঠিক কৰিলোঁ।

বছেৰেকীয়া শিক্ষাকাল শেষ হৈ আহিল। কিতাপৰ দুটা ট্ৰাঙ্ক আৰু ৰোধকৰোঁ আন কিবাকিবি ভৰোৱা আৰু এটা ট্ৰাঙ্ক জাহাজেৰে পঠাৰৰ কাৰণে পি. এণ্ড. ওৰ অফিচলৈ পঠালোঁ। মোৰ পৰিকল্পনা আছিল যে মই পেৰিচ আৰু ভিলেনিউভ হৈ মাৰ্ছেলীচ পামগৈ আৰু তাৰেপৰা ভাৰতলৈ বুলি পি-এণ্ড-ও জাহাজত উঠিম।

ইংৰাজ জাতিয়ে পৰম্পৰা অনুসৰি কেনেকৈ তেওঁলোকৰ গভীৰ অনুভূতি বাহিৰত কোনো ধৰণে প্ৰকাশ নকৰাকৈ ঢাকি ৰখাত অভ্যস্ত সি এটা উল্লেখযোগ্য কথা। সেইকাৰণে মই যাবলৈ ওলাওঁতে বিদায়ৰ সময়ৰ যি কষ্ট চকুৰ পানীৰে বা অন্যপ্ৰকাৰে সি প্ৰকাশ পোৱা নাছিল। এই প্ৰসঙ্গত বিশেষকৈ মাৰ কথা উল্লেখযোগ্য। প্ৰত্যেকেই স্থিৰ আৰু শান্ত হৈ আছিল। মা আৰু বোণাই মোক লণ্ডন ষ্টেশ্যনত থবলৈ আহিছিল। দেউতা সেই সময়ত পেৰিচত আছিল— তেখেতে তাৰেপৰা মোক বিদায় দিলে। প্ৰথমবেপৰা কোনেও মোক মোৰ সিদ্ধান্তৰপৰা আঁতৰাবলৈ যত্ন কৰা নাছিল। প্ৰত্যেকেই যেন বুজিছিল ই এটা আধ্যাত্মিক প্ৰয়োজন। ই এটা অৱশ্যম্ভাৱী কথা বুলি তেওঁলোকে গ্ৰহণ কৰিছিল। এৰাএৰি হ'ৰৰ পৰত দেউতাই মাথোন এই আষাৰ উপদেশ দিছিল—"সাৱধান হ'বা।" সৰ্বোচ্চ খাপৰ ইংৰাজ বিষয়া আৰু মন্ত্ৰীসকলেৰে সৈতে সম্পৰ্ক থকা এজন মানুহৰ নিজৰ জীয়েক এজনী বৃটিছ সাম্ৰাজ্যৰ প্ৰধান বিদ্ৰোহী এজনৰ লগত যোগ দিবলৈ যোৱাটো বৰ সহজ কথা নাছিল।

বোঁমা বোলাঁ আৰু তেওঁৰ ভনীয়েকৰপৰা বিদায় লবৰ কাৰণে পেৰিচৰপৰা মই ভিলেনিউভলৈ গ'লোঁ। বোঁমা বোলাঁ আৰু তেওঁৰ ভনীয়েকে তেওঁলোকৰ সৰু কুটীৰ 'ওল্গা'ৰ দুৱাৰ মুখত থিয় দি মই ওলাই যোৱাৰ পিনে চাই থকা দৃশ্য, বোলাঁৰ সেই আচৰিত চকুযুৰিৰ দৃষ্টি আৰু তেওঁ কোৱা সেই কথাষাৰৰ ঝঙ্কাৰ— "তোমাৰ কি ভাগ্য!" আজিলৈকে মোৰ স্মৃতিৰ ভঁড়ালত সঞ্চিত হৈ আছে।

সপ্তদশ অধ্যায়

১৯২৫ চনৰ অক্টোবৰ মাহৰ ২৫ তাৰিখে পি. এণ্ড. ও জাহাজেৰে যাত্ৰা আৰম্ভ হ'ল। বতৰ ভাল আছিল আৰু জোনটো দিনে দিনে একলা একলাকৈ কমি আহিছিল। প্ৰত্যেক দিনা সন্ধিয়া জোনটো পুবে উঠি ইয়াৰ বশ্মিৰে সমুদ্ৰৰ উপৰিভাগত বাট এটাৰ সৃষ্টি কৰে। সেই পোহৰ পথৰ মাজে মাজে আমাৰ জাহাজখন আগবাঢ়ে। এই পোহৰৰ পথটোলৈ মই স্থিৰ দৃষ্টিৰে চাই পঠিয়াইছিলোঁ। মই যি পথেদি আগবাঢ়িছিলোঁ, ই যেন তাৰেই প্ৰতীক এনে অনুভৱ হৈছিল। প্ৰত্যেক দিনাই মোৰ মনত ওপজা ভাৱ অনুভূতি সকলো লিখি ৰাখিছিলোঁ—ভাবিছিলোঁ ভাৰতবৰ্ষত নামিয়েই এই সকলোখিনি ডাক যোগে ভিলেনিউভলৈ পঠিয়াই দিম। ছয় নবেম্বৰ তাৰিখে আমাৰ জাহাজ আহি বোম্বে পোতাশ্ৰয়ৰ ওচৰ পালেহি। কথা দিয়া মতে মোক নিবলৈ বন্ধুসকল আহি তাত অপেক্ষা কৰি আছিল। তেখেতসকলে মোক মালাবাৰ হিলত থকা নৌবজীৰ ঘৰলৈ লৈ গ'ল। তাতে নৌবজীৰ ভাই-ভনী, নাতি নাতিনী সকলোৱে মোক তেওঁলোকৰ তাত অন্ততঃ ছত্ৰিশ ঘণ্টামান জিৰণি লৈ যাবলৈ ধৰিছিল। মোৰ মনত কিন্তু ক'তো অকণো পলম নকৰাকৈ সবৰমতী আশ্ৰম পোৱাৰ বাহিৰে আন চিন্তা নাছিল। আৰেলি পৰত মহাত্মা গান্ধীৰ চতুৰ্থ, কনিষ্ঠ পুত্ৰ দেবদাস গান্ধী আহিছিল। তেৱোঁ মোক থাকিবলৈ জোৰ কৰিছিল। কিন্তু আনতিপলমে সবৰমতীলৈ যাবৰ কাৰণে মই উদগ্ৰীৱ। মোৰ দৃঢ়মনোভাৱ দেখি তেওঁ শেষত সেই ৰাতিয়েই আহমদাবাদ ট্ৰেনেৰে সবৰমতীলৈ যোৱাৰ ব্যৱস্থা কৰি দিলে।

পিছদিনা সাত নবেম্বৰ তাৰিখে পুৱা ঠিক সময়তে আমাৰ ট্ৰেন আহমদাবাদ ষ্টেচনত ৰ'লগৈ। চশমা পিন্ধা মানুহ এজনে হাঁহি হাঁহি খিৰিকিয়েদি জুমি চালে। আধা মিনিট মানৰ পিচতে আন এজনে হাঁহি মাৰি দেখা দিলে—তেওঁক কিন্তু অলপ বেলেগ প্ৰকৃতিৰ যেন লাগিল। তাৰ পিচত তৃতীয় এজন

আহি তেওঁলোকৰ পিছফালে থিয় দিলেহি। তেওঁলোকৰ ভাব-গতিবপৰা এনেকুৱা অনুমান হৈছিল যে তেওঁলোকে বিচাৰি ফুৰা মানুহগৰাকী মইেই। তেখেতসকলে নিজৰ পৰিচয় দিলে—মহাদেৱ দেশাই (চেক্রেটাৰী আৰু মহাত্মাৰ সোঁহাত), বল্লভভাই পেটেল (পিচত স্বাধীন ভাৰতৰ গৃহদপ্তৰৰ মন্ত্ৰী) আৰু স্বামী আনন্দ (সাপ্তাহিক ইয়ং ইণ্ডিয়াৰ মেনেজাৰ)। সেই প্ৰতীক্ষাৰ মুহূৰ্ততে মই লক্ষ্য কৰিছিলো বল্লভভাই পেটেলৰ কৰ্তৃত্ব কৰাৰ ধৰণ-ধাৰণ। "তোমালোক দুয়ো বস্তু বাহানিবিলাক চোৱা আৰু এওঁক মই মটৰেৰে লৈ যাওঁগৈ।" মইনো ক'ত আছোঁ কি কৰিছো বুজি উঠাৰ আগতেই দেখিলো নতুনকৈ পৰিচয় হোৱা সেই লোকজনৰ কাষতে বহি মই জোৰেৰে মটৰকাৰত গৈ আছো। মই তেখেতৰ পৰিষ্কাৰকৈ খুবাই থোৱা মুখখনলৈ চাই আচৰিত হৈ পৰিছিলোঁ। মুখখনত ক্ষমতা ৰসিকতা আৰু মৰমৰ ভাব মিহলি হৈ আছিল। আমাৰ কাৰখন চোতাল এখনলৈ সোমাই গৈ ঘৰ এটাৰ সম্মুখত ৰলগৈ।

মই কৈ উঠিলোঁ—"এইখনতো আশ্রম নহয়—হয় নেকি ?" তেখেতে ক'লে—"নহয় নহয়, এইটো সৰ্বভাৰতীয় শিপিনী সঙ্ঘৰ অফিচ। এইদৰে কোৱাৰ লগে লগে কোনোবা এজন ওলাই আহি খিৰিকিয়েদি তেখেতৰে সৈতে গুজৰাটীত দুই চাৰি আষাৰ কথা পাতিলে। মই একো বুজা নাছিলোঁ। আকৌ আমি যাবলৈ ধৰিলো। তেখেতৰ মুখলৈ প্রশ্নসূচক দৃষ্টিৰে চোৱা দেখি তেখেতে ক'লে—"সেই মানুহজনৰ নাম শঙ্কৰলাল বাঙ্কাৰ। তেওঁ সৰ্বভাৰতীয় শিপিনী সঙ্ঘৰ চেক্রেটাৰী। সৰমতী নদীৰ ওপৰৰ দলং পাৰ হৈ আমি এতিয়া চহৰৰ বাহিৰ ওলালোঁ। উদ্বিগ্ন হৈ মই খিৰিকিৰে স্থিৰ দৃষ্টিৰে বাহিৰলৈ চাই যাবলৈ ধৰিলোঁ। দূৰত বহুতো ঘৰ দেখিছিলোঁ।

আগ্রহেৰে মই আকৌ প্রশ্ন কৰিলোঁ—"আশ্রম সেয়া নেকি ?"

তেখেতে ক'লে—"এতিয়াও পোৱাহি নাই।" তেখেতৰ চকুত বিবুদ্ধি হোৱাৰ নিচিনা দৃষ্টি মই লক্ষ্য কৰিছিলোঁ। কেইমিনিটমানৰ পিচতে ক'লে—"সৌৱা যে দূৰত গছ আৰু ঘৰবিলাক দেখিছা, সেয়ে আশ্রম।"

এতিয়া মানে মই মোৰ শাৰীৰিক অস্তিত্ব সমূলি পাহৰি পেলাইছিলোঁ। কেৱল কি হ'বলৈ গৈছে, কি—হ'ব, এই ভাবটোৰ বাহিৰে এই সময়ত মই আন সকলো কথা পাহৰি পেলাইছিলোঁ। এক কি দুই মিনিট মানৰ পিচতে কাৰখন পদুলি এটাৰ মুখৰ তেতেলী গছ এজোপাৰ তলত ৰ'লগৈ। গাড়ীৰ

পৰা নামি ঠেক ইটা পৰা বাট এটাইদি আতলচ গছৰ বাগিছাৰ মাজেৰে গৈ সৰুকৈ বেৰা দিয়া ঘৰ এটাৰ সম্মুখৰ বাৰান্দা এটাত উঠিলোঁগৈ। হাতত কিবা-কিবি টোপোলা, মোনা আদি থকাত মই বৰ অসুবিধা পাইছিলোঁ। সেইখিনি লৰালৰিকৈ লগৰীয়াজনৰ হাতত দিলোঁ। তেওঁ সেইখিনি লৈ একাষৰীয়া হৈ মোক কোঠাটোৰ ভিতৰলৈ আগবঢ়াই নিলে। সোমোৱাৰ লগে লগে পাতল, তেজগোৰা বঙৰ মূৰ্তি এটি থিয় হ'ল আৰু মোৰ ফাললৈ আগবাঢ়ি আহিল। পোহৰৰ এক অনুভূতি হ'ল। তাৰ বাহিৰে মোৰ অন্য জ্ঞান নাছিল। মই আঁঠু ল'লোঁ। দুটা হাতে মোক দাঙি ধৰিলে আৰু এটা মাতে কোৱা যেন শুনিলো: "তুমি মোৰ ছোৱালী হবা।" এতিয়াহে পাৰ্থিৱ জগত সম্পৰ্কে মোৰ চেতনা ঘূৰি আহিল। সন্তোষৰ ভাব বিৰিঙি থকা এযুৰি মৰম সনা চকুৰে মোৰপিনে চাই হাঁহি থকা এখন মুখ দেখিলোঁ। হয়, এখেতেই মহাত্মা গান্ধী··· মই পালোঁহি। তেখেত নিজৰ বহা শুকুলা আসনখনলৈ উভতি গ'ল। ময়ো তেখেতৰ সমুখতে মাটিতে বহি পৰিলোঁ।

কোঠাটোলৈ অনবৰত মানুহ অহা-যোৱা কৰি আছিল। মই মন কৰিছিলোঁ, প্ৰত্যেকেই 'বাপু', এই শব্দটো ব্যৱহাৰ কৰিছিল। ইয়াত মহাত্মা গান্ধী নাই, কেৱল—'বাপু'। গুজৰাটী ভাষাত এই শব্দটোৰ অৰ্থ পিতা। কিন্তু এইক্ষেত্ৰত শব্দটোৰ নিজৰে এটা সুকীয়া অৰ্থ আছে। গান্ধী মানুহজন যেনেকৈ অসাধাৰণ আছিল, সেইদৰে তেওঁৰ ক্ষেত্ৰত প্ৰয়োগ কৰোঁতে বাপু শব্দটোৰো এটা বিশেষ তাৎপৰ্য আছিল। বাপুৱে ক'লে, "আঁহা আমি বা'ৰ ওচৰলৈ যাওঁ।" তেখেতে বাৰান্দাইদি মোক বান্ধনী ঘৰৰ ভিতৰলৈ লৈ গ'ল।

বাপুৱে ধেমালি কৰি গুজৰাটীতে মোক বা'বে সৈতে চিনাকি কৰি দিলে। কিন্তু মই বুজিব পাৰিছিলোঁ, তেওঁ বা'ক যিকণ ইংৰাজী জানে তাৰেই ক'ব লাগিব বুলি কৈছিল। বা মানুহগৰাকী চুটি-চাপৰ আৰু গহীন প্ৰকৃতিৰ, দুয়ো হাত যোৰ কৰি, মৰমেৰে ক'লে, "কেনে আছা?" কিন্তু তেখেতৰ চকুযুৰি আছিল মোৰ ভৰিহালৰ পিনেহে। বাপুৱে ক'লে, "বা'ই তোমাৰ জোতাযোৰলৈ চাইছে। কাৰণ ভাৰতবৰ্ষত আমাৰ নিয়ম—বান্ধনী ঘৰলৈ সোমাওঁতে জোতা বাহিৰতে থৈ আহিব লাগে।" মই লৰমাৰি বাৰান্দালৈ ওলাই জোতাযোৰ খুলিলোগৈ। বাপুৱে হাঁহিবলৈ ধৰিলে।

এইদৰে মোৰ নতুন শিক্ষা আৰম্ভ হ'ল।

ইতিমধ্যে মহাদেৱ দেশায়ে মোৰ বিছনা-পত্ৰ লৈ পালেহি আৰু মোৰ কাৰণে সাজু কৰি ৰখা কোঠালিটো দেখুৱাবলৈ মোক লৈ গ'ল। আশ্ৰম সোমায়েই সোঁহাতে থকা প্ৰথম ঘৰটোৰ একেবাৰে মূৰৰ কোঠালিটোৱেই আছিল মোৰ। কোঠাটোৰ বিপৰীতে কুঁৱা এটা আছিল। কোঠাটোত খিৰিকী দুখন, বাৰান্দা এখন আৰু প্ৰতিটো মূৰতে একোখন দুৱাৰ আছিল। মোৰ কাৰণে সুকীয়া গাধোৱা ঘৰ এটাৰো ব্যৱস্থা আছিল। মোৰ অসুবিধা হ'ব বুলি ভাবি ক'ৰবাৰপৰা আনি চকী-মেজ এযোৰ আৰু বিছনা এখনো মোৰ কোঠাত পাৰি থৈছিল। কেৰামাহৰেপৰা মাটিত শোৱা আৰু মাটিত বহাৰ অভ্যাস কৰিছো কাৰণে সেইবিলাক বস্তুৰ মোৰ প্ৰয়োজন নাই বুলি ক'লোঁ। সেই কাৰণে সেই চকী-মেজ আৰু বিছনাখন আঁতৰাই নি তাৰ ঠাইত কঠ দুখন, তুলি এখন আৰু লিখা-পঢ়াৰ কাৰণে চাপৰ আসন এখন দিলে। প্ৰতিজনেই স্বাভাৱিকভাৱে মৰমেৰে ব্যৱহাৰ কৰিছিল—ক'তো কঠোৰতা বা অসুবিধা বোধ হোৱা নাছিল।

তাৰ পিচত মহাদেৱে মোক আকৌ বাপুৰ কোঠালিলৈ লৈ গ'ল। আমি মাটিতে বহিলোঁ। বাপুৱে মোৰ হাতত টাকুৰী এটা আৰু অলপ পাঁজি দিলে, লগতে কেনেকৈ কাটিব লাগে মহাদেৱক মোক শিকাই দিবলৈ ক'লে। তেতিয়াই তাতে মই চেষ্টা আৰম্ভ কৰিলোঁ। কিন্তু কপাহকটা বিদ্যা একেদিনাই শিকিব নোৱাৰি। মোৰ খোৱা-বোৱাৰ ব্যৱস্থা আৰু কাম-কাজৰ আঁচনি সম্পৰ্কে বাপু আৰু মহাদেৱৰ মাজত কিবাকিবি আলোচনা হৈছিল। শেষত ঠিক হ'ল যে আন কেইজনমান আশ্ৰমবাসীৰ লগতে বা'ৰ বান্ধনী ঘৰতে সম্প্ৰতি মোৰ খোৱাৰ ব্যৱস্থা হ'ব। কাম সম্পৰ্কে বাপুৱে ক'লে যে, মই কপাহ কমাৰ আৰু সূতা কাটিব লাগিব। নেপালৰ তুলসী মোহৰ হ'ব মোৰ গুৰু। তাৰ পিচত আছিল ভাষাৰ প্ৰশ্ন। মই কলোঁ যে উৰ্দু শিকিবলৈ এতিয়ালৈকে কৰা মোৰ চেষ্টা বৰ বেছি সফল হোৱা নাই। বাপুৱে ক'লে যে মই উৰ্দু পাহৰিব নালাগে কিন্তু লগতে দেৱনাগেৰী আখৰেৰে লিখা হিন্দুস্থানী শিকিবলৈ আৰম্ভ কৰিব লাগিব আৰু তাৰ কাৰণে মোৰ শিক্ষক হ'ব ইষ্ট ইউ পি.ৰ গোৰখপুৰ জিলাৰ সুৰেন্দ্ৰজী। শেষত উল্লেখ কৰিলেও বিশেষ প্ৰয়োজনীয় কাম আছিল আশ্ৰমৰ চীনা সদস্য-জনৰ লগত দৈনিক আশ্ৰমৰ পায়খানা চাফা কৰা। বাতিপুৱা উঠাৰ সময়, প্ৰাৰ্থনাৰ সময়, কামৰ সময় আৰু বাতিৰ বিশ্ৰামৰ সময়ৰ বিষয়েও মোক ভালকৈ বুজাই দিলে। এতিয়া মই দেখিলোঁ যে আশ্ৰমত কঠোৰ কামৰ মাজেদি ব্যস্ত

জীৱন যাপন কৰিব লগাৰ কথা মই আগতেই যিদৰে ভাবিছিলো—সি মিছা নহয়।

তাৰ পিচত শিক্ষকসকলৰ লগত মোক পৰিচয় কৰাই দিয়া হ'ল। নেপালৰ পৰ্বতীয়া মানুহ তুলসী মোহৰ মানুহজন আছিল সৰল স্বভাৱৰ আৰু প্ৰফুল্ল মনৰ। তেখেতৰ মুখত সদায় হাঁহি লাগিয়েই আছিল। কাৰোবাৰ-পৰা শিকি লোৱা 'ডিয়াৰ চিষ্টাৰ' এই শব্দ দুটাৰ বাহিৰে ইংৰাজী তেওঁ একেবাৰে নেজানিছিল। সেই দুটা শব্দকে তেওঁ অতি মধুৰভাৱে উচ্চাৰণ কৰি তেওঁ নিজেই হাঁহি হাঁহি বাগৰি পৰিছিল। সুৰেন্দ্ৰজীও তুলসী মোহৰৰ দৰেই মৰমিয়াল আছিল, কিন্তু কিছু গম্ভীৰ প্ৰকৃতিৰ। তেওঁৰ মন ধ্যান, অধ্যয়ন আদিৰ প্ৰতি ঢাল খোৱা আছিল। তেওঁ আনকি অলপ ইংৰাজীও জানিছিল। পিচত মই জানিব পাৰিলোঁ যে এই ভদ্ৰলোক দুজনেও গান্ধীজীৰ ওচৰলৈ আহিবলৈ এনে অদমনীয় ইচ্ছা অনুভৱ কৰিছিল যে, কোনো বাধাই তেওঁলোকক ঘাৰপৰা বিৰত কৰিব নোৱাৰিলে। আৱস্তণিতে বাপুৰে তেওঁলোকৰ সেইবিলাক পাতল সাময়িক ভাবাবেগ বুলি ভাবি দুয়োজনকে ধমক দিছিল। কিন্তু তেওঁলোক দুয়োজনে নেৰানেপেৰা চেষ্টাৰে সেই সকলো বাধা অতিক্ৰম কৰি অৱশেষত আশ্ৰমত সোমাবলৈ বাপুৰ অনুমতি লাভ কৰিলে। সম্প্ৰতি দুয়োজনে বাপুৰ আন্তৰিক সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছে।

পিছদিনা বাতিপুৱা ৪ বজাত শোৱাৰপৰা উঠিলোঁ। ৪-২০ মিনিটত নদীৰ কাষৰ প্ৰাৰ্থনাস্থলীত আয়োজিত হোৱা প্ৰাৰ্থনাত যোগ দিলোঁগৈ আৰু এইদৰেই সেইদিনাৰ দিনটো আৰম্ভ হ'ল। ভালকৈ পোহৰ হোৱাত সেই চীনা ল'ৰাজন মোৰ কোঠালৈ আহি মোৰ হাতত এটাৰ বাটনী দিলেহি। তেওঁৰ আশ্ৰমত মতা নাম আছিল শান্তি। তেওঁ ইংৰাজী অলপ-অচৰপ জানিছিল। আনন্দমনে কথা পাতি পাতি আমি দুয়ো আমাৰ চাফাই কামৰ কাৰণে ওলাই গৈছিলোঁ। আমাৰ কাম আছিল আন এদল ল'ৰাই পায়খানাৰ টিনবিলাক লৈ যোৱাৰ পিচত পায়খানাটো সৰা আৰু আৱশ্যক হ'লে মোচা। আমাৰ সৰা মোচা হৈ যোৱাৰ পিচত তেওঁলোকে খালী কৰি ধুই-পখালি পৰিষ্কাৰ কৰা টিন-বিলাক আকৌ তাত পাতি থয়হি।

কপাহ নেওঠা, ধুনা, পাজি বটা আদি কাম ৰৰ সহজ নাছিল। কিন্তু তুলসী মোহৰ এইবিলাক কামত বিশেষ পাকৈত আছিল আৰু ইংৰাজীৰ সহায়

নোলোৱাকৈয়ে তেওঁ এইবিলাক কাম কেনেকৈ কৰিব লাগে মোক বুজাব পাৰিছিল। আকৌ হিন্দুস্থানী শিকা মোৰ কাৰণে এক নতুন অগ্নিপৰীক্ষা আছিল। শিকিবৰ কাৰণে ইতিপূৰ্বে মই আৰবী লিপিৰে সৈতে যুদ্ধ কৰিছিলোঁ —এতিয়া এইটো আকৌ একেবাৰে নতুন। কিন্তু অতি সোনকালেই বুজিব পাৰিলোঁ যে হিন্দুস্থানী উৰ্দুতকৈ সহজ। মোৰ শিক্ষকজনো আছিল যথেষ্ট ধৈৰ্যশীল, গতিকে মই ৰক্ষা পৰিলো।

আশ্রমৰ নতুন জীৱনেৰে সৈতে নিজক শাৰীৰিকভাৱে খাপ খুৱাই ল'ৰৰ কাৰণে মই চেষ্টাৰ অলপো ত্রুটি কৰা নাছিলোঁ। তথাপি মোৰ স্বাস্থ্য ৰক্ষাত কিছু ব্যঘাত জন্মাটো একো আচৰিত কথা নহয়। বাপুৱে দেখিলে যে বা'ৰ সমূহীয়া ৰান্ধনীশালৰ আহাৰ খাই মোৰ গা ভালে থকা নাই। সেই কাৰণে কেদিনমানৰ পিচত সুৰেন্দ্রজী, তুলসী মোহৰ, আৰু বাপুৰ চেক্রেটেৰীয়েটৰ কৃষ্ণদাস নামৰ বঙালী বুদ্ধিজীৱি এজনেৰে সৈতে সৰু শান্ত দল এটাৰ লগতে মোৰ খোৱাৰ ব্যৱস্থা কৰি দিলে। এইটো ব্যৱস্থা মই বৰ ভাল পাইছিলোঁ। তেওঁলোকৰ থকা কোঠা আৰু ৰন্ধা কোঠাও মোৰ কোঠাৰ লগত লগালগিকৈ আছিল। সেই কাৰণে বিশেষ সুবিধা হৈছিল।

সুৰেন্দ্রজীয়ে মোৰ কাৰণে ডাঠ ডাঠ ডাঙৰ ডাঙৰ ৰুটি তৈয়াৰ কৰিবলৈ আৰম্ভ কৰিলে। সেই ৰুটিবিলাক দেখিবলৈও ভাল আৰু খায়ো বেছ ভাল পাইছিলোঁ। কিন্তু দুৰ্ভাগ্যক্রমে তাৰ ফল বৰ বিপজ্জনক হৈ পৰিল। মোৰ পাকস্থলীয়ে সেইবিলাক হজম কৰিব নোখোজা হ'ল। মই অসুস্থ হৈ পৰিলোঁ। কথাটো বাপুক জনোৱা হ'ল। তেখেত নিজেই মোৰ খবৰ লবলৈ আহিল। কোঠাটোৰ এচুকে বিছনাৰ ওপৰত মই পৰি আছিলোঁ। বাপুক অহা দেখি মই বৰ লাজ পাইছিলোঁ। সুৰেন্দ্রজীয়ে সেই অদ্ভুত ৰুটিবিলাক খুৱাই মোৰ প্রতি অন্ধ মৰম দেখুৱা বাবে বাপুৱে তেওঁক বৰকৈ বকিলে—অৱশ্যে সেই বকনিৰ মাজতে তেখেতে ৰসিকতাও কৰিছিল। সুৰেন্দ্রজীৰ সেই মূৰ্খামীৰ শাস্তি হিচাপে মই ভাল হৈ মুঠালৈকে তেৱেঁই মোৰ শুশ্রূষাকাৰী হ'ব লাগিব বুলি বাপুৱে ক'লে। তাৰ পিচত বাপু গুচি গ'ল। মোৰ গাটো বৰ বেয়া লাগিছিল। বমি বমি ভাব হোৱাত সুৰেন্দ্রজীয়ে মোৰ কাষত চৰিয়া এটা থলেহি। তাৰ পিচত তেওঁ কোটাটোৰ সোঁ মাজতে পদ্মাসন কৰি বহিল আৰু গভীৰ ধ্যানত মগ্ন হ'ল। এনেকুৱা এটা অৱস্থাত পৰিব লাগিব বুলি মই

কেতিয়াও ভবা নাছিলোঁ। শুশ্রূষাকাৰীৰ ধ্যান ভঙ্গ হোৱাৰ ভয়ত মই জোৰেৰে বমিৰ ভাব বন্ধ কৰি শান্ত হৈ পৰি থাকিব লগাত পৰিছিলোঁ। সি যি কি নহওক, আশা কৰা মতে ইয়াৰ ফল ফলিল। নিগনি এটাৰ দৰে মই তাত পৰি আছিলোঁ আৰু চকুৰে পিৰিক পাৰাকৈ সুৰেন্দ্রজীৰ গতিবিধি লক্ষ্য কৰি আছিলোঁ। 'লাহে লাহে ভালহৈ উঠিলোঁ।

বাপুৱে এতিয়া সিদ্ধান্ত কৰিলে যে মোৰ খোৱা মই নিজেই বান্ধিবলৈ শিকা ভাল হ'ব। সেই কাৰণে বান্ধিবলৈ শিকাৰৰ কাৰণে আশ্রমৰ ছোৱালী এজনী মোৰ ওচৰলৈ পঠালে। ভাৰতীয় প্রণালীৰে সৰু কাঠ কয়লাৰ ষ্ট'ভত বা খৰিৰে জুই ধৰি বান্ধিবলৈ শিকাত মোৰ বৰ বেছি দিন নালাগিল। বন্ধাৰ এই সৰল সহজ ব্যৱস্থাত মই আনন্দও পাইছিলোঁ।

অষ্টাদশ অধ্যায়

ঈশ্বৰৰ অসীম আশীৰ্বাদত বাপুৰ দৈনন্দিন জীৱনৰ কাৰ্যাৱলীৰ বাহিৰফালে নহয়, ঠিক তাৰ সোঁ মাজতে মোৰ স্থান হ'ল। ই মোৰ মনৰ ওপৰত বিশেষ-ভাৱে কাম কৰিছিল। ৰাতিপুৱাৰেপৰা ৰাতিলৈ কৰিবলগীয়া শেষ কামটোলৈকে গোটেই দিনটোৰ কামৰ মাজত মই যেন সেই মুহূর্তটোৰ কাৰণে জীয়াই আছিলোঁ, যেতিয়া বাপুৰ লগত মোৰ সাক্ষাত হয়। তেখেতৰ ওচৰত থকা মানে নিজৰ ক্ষুদ্ৰ গণ্ডীৰপৰা বাহিৰ ওলাই ওপৰলৈ উঠা। তেখেতৰ চেহেৰা বা কথা কোৱাৰ ধৰণ যে চমকপ্ৰদ আছিল এনে নহয়। দৰাচলতে তেখেতৰ চেহেৰা আৰু কথা-বতৰাৰ সৰলতাইহে সকলোকে মুগ্ধ কৰিছিল। ইয়াত এজন এনে পুৰুষৰে সৈতে মুখামুখি হৈছোঁ, যিজনাৰ আত্মাৰ মহত্ত্বৰ কাৰণে, সেই আত্মাৰ মাজেদি পৰিস্ফুট হৈ উঠা তেওঁৰ শৰীৰটো আৰু কথা-বতৰা এক মাধুৰ্যপূৰ্ণ আৰু স্বাভাবিক নম্ৰতাত উদ্ভাষিত হৈ উঠে। কিন্তু এই নম্ৰতাৰ লগতে প্ৰকাশ পাইছিল আধ্যাত্মিক শক্তি, স্থিৰ আত্মবিশ্বাস আৰু সমগ্ৰ-ব্যাপ্তিৰ ভাব। আকৌ গভীৰ হাবিৰ গছৰ পাতৰ সুকুঙাইদি ৰ'দৰ জিলিঙনি ওলোৱাদি বাপুৰ পৰিত্ৰ অন্তঃকৰণৰ স্বতঃপ্ৰবাহিত বহস্য ৰসিকতাই তেওঁৰ উপস্থিতিকে মানৱীয় আৰু আনন্দদায়ক কৰি তোলে।

বন্ধা-বঢ়া, পঢ়া, চাফাই ইত্যাদি কামত সেই দিনবিলাকত মই ইমান ব্যস্ত হৈ আছিলোঁ যে পুৱাৰ আৰু গধূলিৰ প্ৰাৰ্থনাৰ সময়ৰ বাহিৰে বাপুক কাচিৎহে দেখা পাইছিলোঁ। তাৰ উপৰি গোটেই শেষত ৰাতি আধাঘণ্টা সময় তেখেতৰ বিছনাৰ কাষতে মাটিত বহিবলৈ অনুমতি পাইছিলোঁ। 'সেই সময়কণ অতি মূল্যবান বোধ হৈছিল। সেই সময়ত বাপুৱে বাহিৰত মুকলি আকাশৰ তলত নিজৰ বিছনাত শুই পৰিছিল আৰু বা'ই তেওঁৰ মূৰত তেল মালিচ কৰিছিল। আন এজনে (সেই সময়ত সুৰেন্দ্ৰজীয়ে) ভৰিৰ তলুৱাত ঘিউ মালিচ কৰিছিল। সাধাৰণতে সেই সময়ত হোৱা কথা-বার্তা গুজৰাটীতে

হৈছিল। মোক যেতিয়া কোনো কথা কয় তেতিয়াহে বাপুৱে ইংৰাজীত কৈছিল। আশ্রমত থকা কোনো অতিথিয়ে প্রায়ে সেই সময়তে বাপুৰ সৈতে আলোচনা কৰিবলৈ আহে। তেতিয়া মাজে মাজে হিন্দুস্থানী ভাষা ব্যৱহাৰ হৈছিল। মই বৰ মনোযোগেৰে শুনিছিলোঁ যদিও তেতিয়াও খুব সামান্যহে বুজিব পৰা হৈছিলোঁ।

বাপু সম্বন্ধে মোৰ মনত যি ধাৰণা বা ছবি আছিল, বাপু নিজে ঠিক তেনেকুৱাই বা তাতকৈ অধিকহে আছিল যদিও আশ্রম কিন্তু অলপ বেলেগ যেন লাগিছিল। আশ্রম সম্বন্ধে মই যি ধাৰণা কৰিছিলোঁ তাক বাস্তৱ অৱস্থাৰ লগত খাপ খুৱাই লওঁতে যথেষ্ট চেষ্টা কৰিবলগীয়া হৈছিল। মোৰ ধাৰণা আছিল যে আশ্রমবাসীসকলো একেধৰণৰ একে দলভুক্ত আৰু বাপুৰ আদর্শ-সমূহ সর্বান্তঃকৰণেৰে তেওঁলোকে সমর্থন কৰে। কিন্তু তাৰ পৰিৱর্তে মই দেখিলোঁ বিভিন্ন মতামতৰ এশ কি দুশ মানুহৰ এটা দল। তাৰ ভিতৰত সকলো ৱয়সৰে, সকলো ধর্মৰে, পুৰুষ, মহিলা, ল'ৰা, ছোৱালী আছে। ধর্মান্ধ সন্ন্যাসীৰ-পৰা সন্দিগ্ধ মনৰ গৃহস্থী তিৰোতালৈকে তাত বিভিন্ন ধৰণৰ আৰু ভাৱৰ মানুহ আছিল। উল্লেখযোগ্য যে সন্ন্যাসীৰ সংখ্যা কম, গৃহস্থী ধৰণৰ লোকৰ সংখ্যাহে বেছি আছিল। এটা কথা পৰিষ্কাৰ হৈ ওলাই আছিল—যিসকলৰ তিৰোতা তাত আছিল, তাৰ'বেছিভাগেই আশ্রমত সোমাৱৰ কাৰণে নিজে যে বিশেষ আহ্বান অনুভৱ কৰিছিল এনে নহয়। তেওঁলোকৰ স্বামী বা আত্মীয়-স্বজনে বাপুৰ লগ লৈছিল কাৰণে তেওঁলোক তাত আছিল। সৰু সৰু ল'ৰা-ছোৱালী-বিলাক অৱশ্যে তেওঁলোকৰ মাক-বাপেক থকা কাৰণে তাত আছিল। পুৰুষ-সকলৰ ভিতৰতো বিভিন্ন কাৰণত আহি তেওঁলোক বাপুৰ লগত যোগ দিছিলহি। বাপুৰ প্রতিভা বহুমুখী আছিল। সেই কাৰণে বিভিন্ন প্রকৃতিৰ মানুহক তেওঁ আকর্ষণ কৰিব পাৰিছিল। কিছুমানক বাপুৰ ৰাজনীতি আৰু বিদ্রোহী দিশটোৱে আকর্ষণ কৰিছিল। কিছুমানক সামাজিক আৰু অর্থনৈতিক দিশে আকর্ষণ কৰিছিল আৰু আন কিছুমানক তেওঁৰ ধর্ম আৰু সন্ন্যাসীৰ ভাবে আকর্ষণ কৰিছিল। কিন্তু সকলোকে আকর্ষণ কৰিছিল বাপুৰ আত্মাৰ চুম্বক শক্তিয়ে। উদ্দেশ্য সাধনৰ কাৰণে তেওঁলোকে আন সকলো দলিয়াই পেলাই বাপুৰ লগত যোগ দিছিল।

সেয়েহে আশ্রমখন একেবাৰে মঠৰ নিচিনা নাছিল। দৈনন্দিন পৃথিৱীৰ

ই আছিল এটা ক্ষুদ্ৰ সংস্কৰণ। তাকে লৈয়েই বাপুৱে তেওঁৰ নৈতিক, শাৰীৰিক আৰু অৰ্থনৈতিক সংস্কাৰৰ মহান বৈপ্লবিক ধাৰণাসমূহৰ পৰীক্ষা চলাইছিল। নৈতিক মান ইমান উচ্চস্তৰত ৰাখিছিল যে আশ্ৰমবাসী কোনো এজনে সত্যপৰায়ণতা, সাধুতা আৰু ন্যায়পৰায়ণতাৰ কঠোৰ নীতিৰপৰা সামান্যভাৱে ইফাল সিফাল হলেও তাক লিখি ৰখা হৈছিল আৰু সময়ত বাপু আৰু আশ্ৰমবাসীসকলৰ মাজত ৰাজহুৱাভাৱে তাৰ আলোচনা হৈছিল। আহাৰ, পৰিশ্ৰম, শুই উঠা আৰু শুবলৈ যোৱাৰ সময়, শাৰীৰিক মান সম্পৰ্কে এইবিলাক বিষয়ত কঠোৰ কটকটীয়া নিয়ম বন্ধা আছিল। অৰ্থনৈতিক আদৰ্শ আছিল এয়ে যে প্ৰত্যেকেই হাতেকটা আৰু বোৱা কাপোৰ পিন্ধিব লাগিব আৰু যিমানদূৰ সম্ভৱ হাতেৰে তৈয়াৰী বস্তুহে ব্যৱহাৰ কৰিব। ভাৰতীয় জীৱন-ধাৰণৰ মানৰ তুলনাতো তেওঁলোকে সৰল সহজ অনাড়ম্বৰ জীৱন যাপন কৰিব লাগিছিল।

স্বাভাৱিকতে আশ্ৰমৰ বিভিন্ন প্ৰকৃতিৰ মানুহখিনিৰ এইবিলাক কথা লৈ বিভিন্ন প্ৰকাৰৰ প্ৰতিক্ৰিয়াই দেখা দিছিল আৰু স্নায়ৱিক উত্তেজনা বৃদ্ধি পাইছিল। বাপুৰ কথা কেৱল সুকীয়া। সঘনে ঘটি থকা নানা গণ্ডগোল অসুবিধাৰ মাজেদি তেখেত নিজৰ কামত শান্তিপূৰ্ণভাৱে আগবাঢ়ি গৈছিল। তথাপি মাজে মাজে গণ্ডগোল যেতিয়া ভীষণভাৱে বৃদ্ধি পায় তেৱোঁ বিচলিত হ'বলগীয়াত পৰে।

প্ৰথমতে এইবিলাক কথা মই একো বুজিব পৰা নাছিলোঁ। কিন্তু আশ্ৰমখন যে অধিক মাত্ৰাই বিস্ফোৰক পদাৰ্থেৰে গঠিত সেই কথা বুজিবলৈ মোৰ সৰহ দিন নালাগিল। মই ইয়াকো অনুভৱ কৰিছিলোঁ যে মোৰ উপস্থিতিয়ে আগৰেপৰা থকা নানান সমস্যাৰ লগতে আন ধৰণৰ আৰু এটা সমস্যা যোগ দিলে। আশ্ৰমবাসীসকল সেই বিষয়ে স্বাভাবিকতে আশান্বিত নাছিল। মই ক'ত খাপ খাম? সেই সময়ত মোৰ বীণখনৰ তাঁৰো টানকৈ' বন্ধা আছিল। স্বতঃপ্ৰণোদিত হৈ মই সন্ন্যাসীৰ দলটোতে যোগ দিলোঁ কিছু জেদ আৰু গোড়ামীৰ ভাবেৰে।

বাপুৰপৰা কোনো কথা লুকুৱাই ৰখা নৈতিকতাৰ ফালৰপৰা মোৰ কাৰণে অসম্ভৱ আছিল। সৰহ দিন নৌ হওঁতেই মই মোৰ অতীত জীৱনৰ ভুল-ত্ৰুটি আশা-আকাঙ্ক্ষাৰ কথা যিমানদূৰ পাৰোঁ তেওঁক বুজাই ক'লোঁ। শান্ত আৰু

গভীৰ সহানুভূতিৰে তেওঁ যেনেকৈ মোৰ কথা শুনিছিল অকল সেইটোৱেই যেন মোৰ সম্মুখত তেওঁৰ স্বৰূপ উদ্‌ঘাটিত কৰিলে। আশ্রমৰ জীৱনৰ প্রথম সপ্তাহ-কেইটাৰ ভিতৰতে সকলো ধৰণৰ অভিজ্ঞতা মোৰ হৈছিল।

কিছুদিন সকলো ঠিকেই চলিছিল। তাৰপিচত হঠাতে এদিন আশ্রমত ভিতৰি ভিতৰি এটা তোলপাৰ আৰম্ভ হ'ল। হাঁহিৰ সলনি মানুহ-খিনিৰ মুখত এটা দুখৰ ছাঁয়া পৰা যেন দেখা গ'ল। বাপুৰ কোঠাত দীঘলীয়াকৈ আলোচনা হ'বলৈ ধৰিলে। প্রার্থনা সভাত বাপুকো দুখিত আৰু চিন্তাযুক্ত যেন দেখা লৈছিল। আশ্রমত কি কথা-বতৰা হয় মই বুজি নেপাইছিলোঁ আৰু প্রার্থনা সভাত বাপুৱে কি কৈছিল তাকো বুজিব পৰা নাছিলোঁ। কথাটোনো কি হৈছে সেইটো জানিবৰ কাৰণে কোনোবা এজনে বুজাই নিদিয়ালৈকে মই অপেক্ষা কৰিব লাগিছিল।

আশ্রমৰ স্কুলৰ কেজনমান ল'ৰাই তেওঁলোকৰ নিজৰ মাজত যৌন দুর্ব্যৱহাৰ কৰোঁতে ধৰা পৰে। এই ঘটনাই বাপুৰ মনত বৰ কষ্ট দিছিল। বাপুৱে সেই ল'ৰাকেজনৰ বেয়া ব্যৱহাৰৰ প্রায়শ্চিত্ত স্বৰূপে নিজে এসপ্তাহ অনশন কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰিছিল। বাপুৰ এই সিদ্ধান্তত আশ্রমবাসীসকলৰ মাজত ভয়ানক উত্তেজনাৰ সৃষ্টি হৈছিল আৰু বাপুৰ মত পৰিৱর্তন কৰাৰৰ কাৰণে আশ্রমবাসীসকলে কাকুতি-মিনতি কৰি বহুত বেলি আলোচনা চলাইছিল। কিন্তু সেই আলোচনাবিলাকৰ কোনো ফল নধৰিলে। প্রার্থনাৰ শেষত বাপুৱে নিজৰ সিদ্ধান্ত ঘোষণা কৰিলে।

এই খবৰটো শুনি মই ভীষণ চক খালোঁ। মোৰ এনে অৱস্থা হ'ব বুলি জানিয়েই বাপুৱে মোক তেওঁৰ ওচৰলৈ মাতি নিলে। শান্তভাৱে অলপো বিচলিত নোহোৱাকৈ মোক মোৰ দৈনন্দিন কাম নিয়মমতে কৰি যাবলৈ আৰু এই শাস্তি গ্রহণ কৰিবলৈ সিদ্ধান্ত কৰি তেখেতে যি শান্তি আৰু আনন্দ অনুভৱ কৰিছে মোকো তাৰ সমভাগী হ'বলৈ পৰামর্শ দিলে। নিজৰ কাম সাধ্যমতে ভালদৰে কৰি যাবলৈ মই প্রতিজ্ঞা কৰিলোঁ। বাপু সন্তুষ্ট হ'ল। এই কথা তেওঁৰ ভাব-গতিৰপৰাই পৰিষ্কাৰকৈ বুজা গ'ল।

বাপুৱে যদিও আত্মাৰ জগতত শান্তিৰে বিচৰণ কৰিছিল, শৰীৰে কিন্তু কষ্ট পাইছিল। অনশনৰ তিনি কি চাৰিদিনমানত বাপুৱে ক্লান্তি আৰু বমি বমি ভাব অনুভৱ কৰিছিল। তাৰ পিচত শাৰীৰিক অৱস্থা কিছু

ভাললৈ আহিল। অনশনৰ আটাইখিনি দিন বাপুৱে শান্তিৰে আনন্দমনে আছিল।

আহি পাই বেছিদিন নৌ হওঁতেই হোৱা এই অভিজ্ঞতাই আগলৈ অহা অসংখ্য অগ্নিপৰীক্ষাৰ কাৰণে মোক সজাগ-সমৰ্থ কৰি তুলিছিল। কিন্তু ই মোৰ স্নায়ৱিক উত্তেজনা ইমান উচ্চ পৰ্যায়লৈ তুলিছিল যে সেই উত্তেজনা নিয়ন্ত্ৰণ কৰাটো সিমান উজু কথা নাছিল।

ঊনবিংশতি অধ্যায়

অনশন শেষ কবি বাপুৱে গা-টঙাইছেহে মাথোন, এনে সময়তে বাপু মধ্য প্রদেশৰ ৱার্ধালৈ যাত্রা কৰাৰ কাৰণে সাজু হ'বলগীয়া হ'ল। ৱার্ধালৈ তেওঁ বছৰত এবাৰ যায়। সেই সময়ত ৱার্ধাত বিদ্বান সন্ন্যাসী বিনোৱাই চিৰকুমাৰসকলৰ এখন ব্রহ্মচাৰী আশ্রম চলাইছিল। ভাৰতীয় জাতীয় কংগ্রেছ মহাসভাৰ মুকলি অধিবেশনৰ আগতে প্রায় দহদিনমান ৱার্ধাত গৈ বাপুৱে জিৰণি লৈছিল। বাপুৰ দলটোৰ লগতে ময়ো ৱার্ধালৈ যাম নে সবৰমতীতে থাকিম, এই প্রশ্ন লৈ মই দোধোৰ-মোধোৰত পৰিছিলোঁ। বাপু নথকাকৈ সবৰমতীত থকাটো কেনেকুৱা হ'ব সেই কথা ভাবিবলৈকে মোৰ ভয় লাগিছিল। সি যি কি নহওক, শেষত মোৰ যোৱাটোৱেই স্থিৰ হ'লগৈ। সেইবছৰ কংগ্রেছ মহাসভা কানপুৰত বহাৰ কথা। জাৱকালিৰ মাজভাগ। কানপুৰত বাতি বৰ ঠাণ্ডা হ'ল বুলি মোৰ যথেষ্ট গৰম কাপোৰ আছেনে নাই বাপুৱে সুধিলে। সঁচাকথা কবলৈ গ'লে মোৰ মাত্র এখন, তাকো অতি পাতল, গৰম কম্বল আছিল। গতিকে কিবা এটা ব্যৱস্থা কৰিবই লগা হ'ল। বাপুৱে অলপ সময় চিন্তা কৰি তুলসী মোহৰক মাতি পঠিয়ালে। তুলসী মোহৰ আছিলত বাপুৱে ক'লে, "তুমি নেপালৰপৰা আহিছা, গতিকে নিশ্চয় তোমাৰ লগত দুই এখন গৰম বাগ আছে।" তুলসী মোহৰে ক'লে, "হয় আছে"। বাপুৱে মোলৈ আঙুলিয়াই ক'লে, "তেন্তে তুমি তেওঁক এখন দিয়া"। তুলসী মোহৰে গৈ তেতিয়াই বগা-ক'লা মিহলি এখন ধুনীয়া কোমল বাগ উৎফুল্ল মনেৰে আনি দিলেহি।

এতিয়ালৈকে বাপুক মই আশ্রমত কাম কৰি থকা অৱস্থাতহে দেখিছো। এতিয়া ৱার্ধা আৰু কানপুৰলৈ যাবলৈ বুলি আশ্রমৰপৰা যেতিয়া ওলাই আহিলো তেতিয়া নতুন এটা বিস্ময়জনক অভিজ্ঞতা মোৰ জন্মিল। সেয়ে হৈছে জনসাধাৰণৰ ওপৰত থকা বাপুৰ অদ্ভুত প্রভাৱ। মহাত্মাৰ জয়ধ্বনি দি

হেঁচা-ঠেলা কৰি আগবাঢ়ি আহিবলৈ চেষ্টা কৰা অসংখ্য জনতা প্ৰত্যেক ষ্টেশ্যনতে ভৰি পৰিছিল। "মহাত্মা গান্ধী কী জয়"—এই ধ্বনিৰে আকাশ বতাহ মুখৰিত হৈ পৰিছিল। জনতাৰ মুখত বিখ্যাত এজন মানুহ চাবলৈ যোৱাৰ উত্তেজনাৰ ভাব দেখা নগৈছিল; তেওঁলোকৰ মুখত প্ৰতিবিম্বিত হৈছিল মহাপুৰুষ এজনৰ দৰ্শনাকাঙ্ক্ষী ভক্তসকলৰ তৃষিত, ব্যগ্ৰ দৃষ্টি। জনতাৰ মুখত এনে এটা ভাব ফুটি ওলাইছিল যেন তেওঁলোকে তেওঁলোকৰ ত্ৰাণকৰ্তাক চাবলৈ গৈছে, যাৰ ওপৰত তেওঁলোকৰ সকলো আশা আৰু যাৰ ওপৰত তেওঁলোকে এনে এটা বিশ্বাসেৰে নিৰ্ভৰ কৰিছে, যাক ভাষাৰে ব্যাখ্যা বা প্ৰকাশ কৰিব নোৱাৰি, অথচ কোনো প্ৰতিবন্ধক নেমানি যি মাথো আকৰ্ষণ কৰে। সৰু সৰু ষ্টেশ্যনবিলাকত, য'ত চাৰিওপিনৰ গাঁৱৰ খেতিয়ক ৰাইজ গোট খায়, তাৰ দৃশ্য যে আৰু মনত লগা। খেতিয়কসকলে হাতযোৰ কৰি ঠেলা-হেঁচা কৰি গাড়ীৰ খিৰিকীৰ কাষলৈ কেৱল তেখেতৰ দৰ্শন বিচাৰি আগবাঢ়ি আহে। তেওঁলোকৰ চকু-মুখত অনুপ্ৰাণিত হোৱাৰ আভা ফুটি উঠে। মই আচৰিত হৈ এনে দৃশ্য চাই থাকো আৰু ই মোক গভীৰভাৱে স্পৰ্শ কৰে। তাৰ পিচত বাপুৰ প্ৰতিক্ৰিয়ানো কি হয় চাৰৰ কাৰণে তেখেতৰ পিনে মু' কৰিলোঁ। তেওঁ য'তে বহি আছে তাৰেপৰাই ৰাইজক হাতযোৰ কৰি প্ৰতি নমস্কাৰ জনাই সম্পূৰ্ণ স্থিৰ আৰু শান্ত হৈ বহি আছে। তেওঁৰ মুখমণ্ডলত এক কঠোৰতাৰ ভাব। এই দৃশ্যই যে মোৰ মনত আৰু দকৈ ছাপ বহুৱাইছিল। এফালে উদুলি-মুদুলি কৰি হেতা-ওপৰা লগাই আগবাঢ়ি অহা জনতা আৰু আনফালে অকণমান ধীৰ, শান্ত অথচ কঠোৰ এটি মূৰ্ত্তি। এতিয়ালৈকে বাপুৰ চৰিত্ৰৰ এই কঠোৰ দিশটো মোৰ দৃষ্টিগোচৰ হোৱা নাছিল। একেবাহে বহুদিন লক্ষ্য কৰাৰ পিচত মই জানিব পাৰিছো যে য'তে তেওঁ ভাবৰ আতিশয্য দেখে, বিশেষকৈ যেতিয়া তেওঁৰ প্ৰতি অতিমাত্ৰাই শ্ৰদ্ধা, প্ৰেম, ভক্তি আদি প্ৰদৰ্শন কৰা দেখে, তেতিয়াই সদায় তেওঁৰ প্ৰতিক্ৰিয়া এনেকুৱা কঠোৰ হয়।

ৱাৰ্ধা আশ্ৰম পাই মন কৰিলো যে সেইখন আশ্ৰম সবৰমতী আশ্ৰমৰ নিচিনা নহয়—একেবাৰে পৃথক ধৰণৰ। ভাৰতবৰ্ষলৈ অহাৰ আগতে মোৰ কল্পনাত যি ধৰণৰ আশ্ৰম এখনৰ ছবি আছিল, এই ৱাৰ্ধা আশ্ৰম তেনেকুৱাই যেন দেখি মই উৎসাহিত হৈছিলো। এই অনুষ্ঠানটোৰ আদৰ্শ আৰু নীতিৰ ওপৰত সম্পূৰ্ণ বিশ্বাস থকা ঐক্যবদ্ধ এটি সৰু দলেৰে গঠিত এই ৱাৰ্ধা আশ্ৰম।

ইয়াত বাপুৰ আদৰ্শ নিখুতভাৱে নিয়াবিকৈ প্ৰতিপালন কৰা হয়, তাৰ ওপৰত পৰীক্ষা চলোৱা হয়। ইয়াৰ লগতে আত্মসংযমী আৰু সন্ধানী আত্মা বিনোৱাৰ কিছুমান প্ৰণালী আৰু বিচাৰ তাতযোগ কৰা হৈছিল। বিনোৱাক আশ্ৰমৰ আন সকলোৱে গুৰু বুলি মানিছিল। আশ্ৰমৰ শান্তিপূৰ্ণ বাতাবৰণ, কঠোৰ পৰিশ্ৰম, সাধনাৰ একতা, আধ্যাত্মিক লক্ষ্যযুক্ত, এইবিলাক কথাই স্বভাৱতে মানুহক মুগ্ধ কৰে। মোৰ উৎসাহ বাপুৱে লক্ষ্য কৰিছিল। মই যেতিয়া এই বিষয়ে তেখেতৰ লগত আলোচনা কৰিছিলো আৰু কৈছিলো যে, সৱৰমতীতো এনেকুৱা শৃঙ্খলা আৰু একাগ্ৰতা প্ৰৱৰ্তন কৰিব নোৱাৰিনে? উত্তৰত তেখেতে কৈছিল যে যিসকল বিশ্বাসী সহকৰ্মীয়ে দক্ষিণ আফ্ৰিকাৰ অগ্নিপৰীক্ষাত তেওঁৰ লগত একেলগে থাকি সহযোগিতা আগবঢ়াইছিল তেওঁলোকৰ দলটো তেওঁ কেতিয়াও ভাঙিব নোৱাৰে। তেওঁলোক সকলোকে লৈয়েই দুখ-কষ্টৰ মাজেৰে লক্ষ্যপথত আগবাঢ়িব লাগিব। তাৰ উপৰি বাছি লোৱা, উত্তম আৰু শ্ৰেষ্ঠসকলক লৈ বাকীসকলক বাদ দিয়া তেওঁৰ স্বভাৱ নাছিল। ৰৱঞ্চ দুৰ্বলতকৈও দুৰ্বল-জনকো তেওঁ তেওঁৰ লগত গোটাই লৈছিল। আশ্ৰমলৈ আহিব খোজা নতুন মানুহৰ হেঁচা ক্ৰমে বাঢ়ি থকাত ভৰ্তি কৰা বিষয়ত বাপু কঠোৰ হ'ব লগা হৈছিল যদিও তেওঁৰ কঠোৰতাই তেওঁক সদায় বাধা দিব নোৱাৰিছিল। তেওঁৰ অন্তৰৰ সকলোকে সামৰি লোৱা ভাৱৰ জয় হৈছিল। সেই কাৰণেই আশ্ৰমখন বিভিন্ন প্ৰকাৰৰ লোকেৰে গঠিত—নানা ধৰণৰ মানুহৰ দৈনন্দিন পৃথিৱীৰ এক ক্ষুদ্ৰ সংস্কৰণ।

মই উপলব্ধি কৰিবলৈ ধৰিলোঁ যে যি গৱেষণাগাৰত শ্ৰেয় এখন পৃথিৱীৰ কাৰণে নতুন তথ্য-পাতিৰ পৰীক্ষা চলিছে সেই গৱেষণাগাৰত নিশ্চয় এনেকৈ বিভিন্ন ধৰণৰ মানুহ থাকিব লাগিব—বছা বছা কিছু বিশেষ মানুহ ললেই নহব। বাপু আৰু অন্যান্য আধ্যাত্মিক জগতৰ নেতাসকলৰ মাজত থকা এটা মৌলিক পাৰ্থক্যৰ কথাও মই লাহে লাহে বুজিবলৈ আৰম্ভ কৰিলোঁ। বাপুৱে কাকো কোনোপধ্যেই তেওঁৰ শিষ্য বুলি গ্ৰহণ নকৰে আৰু তেওঁকো কোনেও গুৰু মনাটো তেওঁ সমূলি অস্বীকাৰ কৰে। তেখেতে কৈছিল যে গুৰুৰ আদৰ্শ ইমান উচ্চ যে আজিকালি সেই আদৰ্শ মতে নিজক গঢ়ি তুলিব পৰা লোক প্ৰায় নাযেই। অতীত কালত হয়তো তেনে অভিমানৱসকল আছিল। হিমালয়ৰ গুহাত তেনেকুৱা পৱিত্ৰ ঋষিসকল হয়তো আজিও আছে, যিসকল

গুৰু বুলি গ্ৰহণ কৰিবৰ যোগ্য। পুৰণি যুগৰ এই গুৰু শিষ্যৰ ধাৰণাটো আমি সাধাৰণ মানুহৰ ক্ষেত্ৰত এই অধঃপতিত যুগত প্ৰযোজ্য নহয়। সেই কাৰণে "ঈশ্বৰক বিচৰা, তেওঁতে আশ্ৰয় লৈ তেওঁক গুৰু মানা, কিয়নো শুদ্ধ অন্তঃকৰণেৰে তেওঁক বিচাৰিব পাৰিলে তেওঁ তোমাক নেৰে।"

বাপুৰ এই শিক্ষা মৌলিক আৰু বোধহয় অসাধাৰণ। ধৰ্মত এই গুৰু-শিষ্য পৰম্পৰা আজিলৈকে চলি আহিছে। হিন্দুসকলৰ প্ৰকৃতিত এই ধাৰণাটো ইমান বদ্ধমূল হৈ আছে যে ধৰ্মভাৱাপন্ন বেছিভাগ মানুহেই ভাবে, গুৰু নোহোৱাকৈ তেওঁলোকে একো কৰিব নোৱাৰে। ইফালে গুৰু 'হ'ৰ খোজা লোকৰো একো অভাৱ নাই। দক্ষিণ আফ্ৰিকাৰপৰা উভতি অহাৰ পিচত বাপুৰ লগত যোগ দিয়া এদল উত্তম নিষ্ঠাবান কৰ্মী আগতে তেওঁলোকৰ আধ্যাত্মিক উন্নতিৰ কাৰণে পথ প্ৰদৰ্শন কৰিবলৈ গুৰুৰ ওচৰ চপা শিষ্য আছিল। এই ক্ষেত্ৰত গুৰু শিষ্য সকলোৱে বাপুৰ আন্দোলনত যোগ দিছিল। তেওঁলোকে নিজৰ চিন্তা-ধাৰণা সকলো, অকণো লৰচৰ নকৰাকৈ, ক'তো কোনো বিৰোধ নোহোৱাকৈ আগৰ দৰেই ৰাখিছিল। বাপুৰ লগত যোগ দিয়া কৰ্মীসকলৰ মাজত বহুতো উত্তম আৰু নিষ্ঠাবান কৰ্মী এওঁলোকৰ মাজৰপৰাই ওলাইছিল।

ৱাৰ্ধা আশ্ৰমৰ শান্ত সংযমী আৰু কঠোৰ নীতি-নিয়মৰ অধীন জীৱনৰপৰা ওলাই আমি পোনে পোনে গৈ কংগ্ৰেছৰ মুকলি অধিবেশনৰ খেলিমেলিৰ মাজত সোমালোঁগৈ। সেইবছৰ বাপু নিজে কংগ্ৰেছ অধিবেশনৰ সভাপতি আছিল। অহাবছৰলৈ মনোনীত সভাপতি কবি সৰোজিনী নাইডুক বাপুৱে দায়িত্ব চমজাই দিব লগা আছিল।

বাপু আৰু তেওঁৰ দলটোৰ কাৰণে কংগ্ৰেছ শিবিৰৰ ওচৰতে এটা পুৰণি ডাঙৰ ঘৰ সাজু কৰি ৰখা হৈছিল। বাপুৰ কাৰণে যিটো কোঠালি ৰখা হৈছিল তাৰপৰা সকলো আচৰাব-পত্ৰ উলিয়াই সম্পূৰ্ণ খালী কৰি তাৰ ঠাইত সৰৱমতীৰ তেওঁৰ কোঠালিটোৰ নিচিনাকৈ একাষে বেৰত লগাই খদ্দৰ কাপোৰেৰে ঢকা এখন গাদী আৰু তাৰ সমুখত লিখা-পঢ়াৰ কাৰণে এখন সৰু ডেস্ক পতা আছিল। কোঠাটোৰ খালী হৈ থকা বাকী অংশত কঠ আৰু কম্বল পৰা আছিল।

বাপু আহি সেই বগা গাদীখনৰ ওপৰত বহাৰ লগে লগে সেই কোঠা-টোৱেই কংগ্ৰেছৰ সকলো কাম-কাজৰ প্ৰধান কেন্দ্ৰস্থল হৈ পৰিল। লগে লগে

ঘৰটোৰ বাকী কোঠালিবিলাক, ওলোৱা সোমোৱা বাট, চুক-কোণ সকলো, মানুহৰ অহা-যোৱা, দলবান্ধি কথা-বার্তা পতা আৰু চুকে-কোণে বৈ থকা মানুহেৰে জীৱন্ত হৈ উঠিছিল। ঘৰটোৰ সকলো গুৰুত্বপূর্ণ স্থান, বাগিছা আৰু বিশেষকৈ পদুলিমুখত বখীয়া হিচাপে নিযুক্ত কংগ্রেছ স্বেচ্ছাসেৱকসকলে যিমানদূৰ সম্ভৱ ভালকৈ সকলো কথা চম্ভালিছিল। বাপুৰ কোঠালিটোৱেই আছিল এই সকলোবোৰৰ মাজত অপেক্ষাকৃতভাৱে কিছু নির্জন ঠাই। এই মহান জাতীয় নাটকত ভাওঁ দিওঁতা প্রধান ভাৱৰীয়াসকলহে মাথোন এই কোঠালৈ অহা-যোৱা কৰিব পাৰিছিল।

মই মুগ্ধ হৈ এই সকলো কথা-কাণ্ড লক্ষ্য কৰিছিলোঁ। ইয়াত জীৱন-ধাৰণৰ মান এনেকুৱা স্তৰত আছিল যে সকলোকে লগ-ভাগ পাই ঘূৰি-পকি ফুৰা অতি সহজ-সৰল কথা আছিল। পশ্চিমীয়া সভ্যতাৰ নিচিনা জাল-ফান্দ-জৰী-ফহতীৰে নানা বাধানিষেধ, কঠোৰতা বা অসুবিধা ক'তো নাই।

সেই সময়ৰ বহুতো ডাঙৰ ডাঙৰ নেতা প্রাচ্যদেশীয় সংস্কৃতি অনুসাৰে চমৎকাৰ চাল-চলনেৰে আহিছিল আৰু গৈছিল। তেখেতসকলে সহজভাৱে মাটিতে বহিছিল। মাত্র দুই এগৰাকী বয়সীয়া লোকৰ কাৰণে আঁউজি বহিবলৈ বাপুৱে কেতিয়াবা কেতিয়াবা গাৰ্ক একোটা বিচাৰিছিল।

খুব সম্ভৱ আমি আহি পোৱাৰ পিছদিনাই বাপুৱে মোক সুধিছিল: "তোমাৰ গোন্ধ পোৱা শক্তি কিছু বেছিনে?" মই কলোঁ, "হয়, বিশেষ ৰকমে বেছি, মই কি কৰিব লাগিব"? বাপুৱে ক'লে, "বেছ কথা। তেওঁলোকে মোক কংগ্রেছ শিবিৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ব্যৱস্থা পৰিদর্শন কৰিবলৈ কৈছে। মই দিহা দিয়া মতে তেওঁলোকে গাঁত খান্দি পায়খানাৰ ব্যৱস্থা কৰিছে। মই পিছে একোৰে গোন্ধ নেপাওঁ। সেই কাৰণে তুমি মোৰ লগত আহি পৰিদর্শনৰ সেই গোন্ধ লোৱাৰ অংশটো লৰ লাগিব।

কংগ্রেছ শিবিৰ পৰিদর্শনৰ কাৰণে নির্দিষ্ট সময় বন্ধা আছিল। ঠিক সময়তে মানুহে আহি বাপুক এই পৰিদর্শনৰ কাৰণে লৈ যোৱাৰো নিশ্চয় ব্যৱস্থা আছিল। মই সম্পূর্ণ নতুন মানুহ। সেইকাৰণে বাপুৱে যেতিয়া ক'লে—"সময়ৰ কিছু পূর্বেই আমি খোজ কাঢ়ি ওলাই যাওঁ আহাঁ"—তুনাই এবাৰো নভবাকৈয়ে মই আনন্দমনে সম্মতি জনালোঁ। কেনেকৈ কি ঘটিল মই এতিয়া ক'ব নোৱাৰোঁ। বাপু আৰু মই ঘৰৰপৰা ওলাই কোনেও নেদেখাকৈ বাগান

পাৰ হৈ বাজআলিত ওলালোঁ। মই বুজিব পাৰিলোঁ যে বাপুৱে সাধাৰণ পৰীক্ষা এটা কৰি চাই আমোদ পাইছে। স্বেচ্ছাসেৱক, পালি-পহৰীয়াৰ দলবল লগত নোলোৱাকৈ তেওঁ ওলোৱা-সোমোৱা কৰিব পাৰিবনে নাই। চাৰিওপিনে মানুহ-চুনুহ বৰ বেছি নাছিল। সেইকাৰণে কিছু দূৰলৈ আমি ভালেৰেই গৈছিলোঁ। তাৰপিচত ওচৰেদি পাৰ হৈ যোৱা ইজন সিজন মানুহে বাপুক চিনি পালে। তেওঁলোকে বাপুৰ ভৰি ছুবলৈ লৰি আহিল। তাৰপিচত আন কিছুমান মানুহে দূৰৰপৰা তাকে দেখি সেইফালে লৰি আহিল। ক্ষন্তেকতে অৱস্থা এনেকুৱাত পৰিলগৈ যে আৰু আগবঢ়া সম্ভৱপৰ নহয়। টঙ্গা এখন ওচৰতে আছিল। আমি তাতে উঠিলোঁ। মানুহে বাট এৰি দিলে। টঙ্গাখন চলিবলৈ ধৰিলে। কোনোমতে গৈ আমি কেম্প পালোঁগৈ। আমি পদুলিমুখ সোমাইছোঁহে মাথোন, এনেতে চাৰিওপিনৰপৰা চিঞৰ-বাখৰ আৰম্ভ হ'ল। "মহাত্মা গান্ধী আহিছে।" লগে লগে উত্তেজিত জনতাই টঙ্গাখন ঘেৰি ধৰিলে। ঘোঁৰাকেটাই ভয় খাওকেই বা নেখাওকেই, লৰচৰ কৰিব নোৱাৰা হ'ল। সিহঁতক মানুহে তেনেই ঢাকি পেলালে। কিছুমান মানুহে সিহঁতৰ মুৰকিটা ধৰিলে, কিছুমান সিহঁতৰ পিঠিত উঠিল। এনেতে টঙ্গাখনৰ এডাল শলখামাৰি ভাগি থাকিল, লেকাম-ডালো ছিগিল। বাপুৱে ময়ে যিমান পাৰো ভালকৈ ধৰি টঙ্গাখনতে বহি আছিলোঁ। ইডাল শলখামাৰিও ভাগি যদি আমি আগপিনলৈ হামখুৰি খাই পৰো, তেন্তে কি হ'ব—তাকে ভাবি আছো। এনেতে দেখিলো, কেম্পৰ সংগঠক কেজনমান আমাক এই অৱস্থাৰপৰা উদ্ধাৰ কৰিবৰ কাৰণে লৰি আহিছে। যিমানদূৰ সম্ভৱ টঙ্গাখনৰ ওচৰলৈ কাৰ এখন অনোৱা হ'ল। সেই জয়ধ্বনি কৰি উদুলি-মুদুলি লগাই থকা জনতাৰ মাজেদি অনেক কষ্টেৰে বাট এটা উলিওৱা হ'ল। কোনো প্ৰকাৰে বাপু গৈ কাৰখনত উঠিল। তেওঁৰ পিচতে ময়ো উঠিলোঁ। ড্ৰাইভাৰে হৰ্ণ বজাই বজাই কোনোবকমে ঠেলি নিয়াদি নি গাড়ীখন বাহিৰ উলিয়াই কেম্পৰ সিটো মুৰলৈ লৈ গ'ল।

সেই সামান্য পৰীক্ষা কৰিবলৈ যোৱাৰ ফল হ'ল এয়া। মই যিমানদূৰ জানো বাপুৰ এনে ধৰণৰ চেষ্টা সেইবাৰতে শেষ।

পৰিকল্পনা কৰা মতে কংগ্ৰেছ শিবিৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে পৰিদৰ্শন ভালভাবেই হৈ গ'ল। ব্যৱস্থাবিলাক চাই বাপু সন্তুষ্ট হৈছিল আৰু মোৰ নাকেও যিদৰে কৈছিল সেইমতে এটা সন্তোষজনক বিপৰ্টকে মই তেখেতক দিছিলোঁ।

প্রথম দুই কি তিনিদিন রাকিং কমিটি আৰু বিষয়-বাছনি সভা বহিছিল। তাৰ পিচত সৱশেষত আহিল মুকলি অধিবেশন। মঞ্চৰ ওপৰত বাপুৰ পিছফালে মহাদেৱৰে সৈতে মই বহিছিলোঁ। মহাদেৱে ধুনীয়াকৈ তেওঁৰ ক্ষিপ্ৰ আঙুলি-কেটাৰে ছৰ্টহেণ্ডৰ বেগৰে লিখাৰ কৌশল জানিছিল। বক্তৃতাবিলাকৰ বেছি-ভাগেই হিন্দী বা উৰ্দুত হৈছিল; কিন্তু তাৰে ভিতৰত কোনো কোনোটো ইংৰাজীতো হৈছিল। সেইবিলাক মই অতি আগ্ৰহেৰে শুনিছিলোঁ।

বিংশতি অধ্যায়

মুকলি অধিবেশনৰ কার্যসূচী শেষ হ'লত আমি আকৌ সবৰমতীলৈ উলটি আহিলোঁ। সেই সময়ত বাপুৱে ভ্রমণৰ কাৰণে আন কোনো ঠাইলৈ নগৈ পূৰা এবছৰ কাল আশ্রমতে কটাবলৈ স্থিৰ কৰিছিল। মানুহে মোক কৈছিল, "তোমাৰ কি ভাগ্য! তুমি ঠিক এই সময়ত আহিলা। সাধাৰণতে এনেকুৱা সময়ত বাপুৱে হয় ভ্রমণ কৰে, নহয় জেলত থাকে। আচৰিত কথা যে তেখেতে এইবাৰ পূৰা এবছৰ একেবাহে সবৰমতীত থাকিব।"

আশ্রমৰ সকলোৰে মনত আশাৰ সঞ্চাৰ হ'ল। বাপুৱেও আশ্রমৰ কামত হাত দিলে। প্রতিটো কথাৰ খুটি-নাটি, প্রতিটো বিষয়ে তেখেতে নিজে নজৰ ৰাখিছিল। যেনে, আশ্রমবাসীসকলৰ নিয়মানুবর্তিতা, নানা কামৰ সংঘবিলাক, যেনে, খাদীৰ উৎপন্ন, ৱর্কশ্বপ, বাগিছাৰ কাম, গৰু, গাখীৰ ইত্যাদি ইত্যাদি। প্রত্যেকদিনাই তেওঁ ইয়াত এইটো, তাত সেইটো চাই চাৰিওপিনে ঘুৰি ফুৰিছিল। বিশেষকৈ যিসকল অসুস্থ তেওঁলোকৰ খবৰ প্রতিদিনেই লৈছিল। এবাৰ ল'ৰা-ছোৱালীবিলাকৰ ৰৰ আই ওলাইছিল। তেতিয়া তেওঁ এদিনো ক্ষতি নকৰাকৈ সদায় সেই অকণি অকণি ৰোগীবিলাকৰ ওচৰলৈ গৈছিল আৰু তেওঁলোকৰ বলিয়াৰ দৰে হোৱা মাক-দেউতাকহঁতক সান্ত্বনা দিছিল।

আমি প্রত্যেকে নিজৰ কামৰ আঁচনি নিজে কৰি ল'ব লাগিছিল। মোৰ মনত আছে যে মোৰ দৈনন্দিন কার্যসূচীৰ সময় ইমান কটকটীয়াকৈ বন্ধা আছিল যে আশ্রমৰ ইঠাইৰপৰা সিঠাইলৈ অহা-যোৱা কৰোঁতে যিকিটা মিনিট লাগিছিল; তাৰো হিচাপ লিখি ৰাখিবলগীয়া হৈছিল। কিয়নো বাপুৱে মোক মোৰ কার্যক্রমণিকাখনৰ সবিশেষ সকলো লিখি তেখেতক দেখুৱাবলৈ কৈছিল। লিখিবলৈ বহি মই দেখিছিলোঁ যে, দিনটোত কৰিবলগীয়া কামখিনি সময়মতে কৰি অঁতাবৰ কাৰণে প্রতিটো মিনিটৰ হিচাপ ৰাখিবলগীয়া হৈছিল। আশ্রমৰ দৈনন্দিন কাম পুৰা ঠিক সময়ত সমূহীয়া প্রার্থনাৰে আৰম্ভ হৈছিল আৰু গধূলি

সেইদবেই শেষ হৈছিল। পাঁজি কবা, সূতাকটা, হিন্দী শিকা, পায়খানা চাফা কবা ইত্যাদি কামব উপবি মোব আন এটা ওপবঞ্চি কাম হ'ল চীনা ছাত্রজনক ইংবাজী পঢ়োৱা আৰু বহুদিনীয়া পুবণি বোগী এজনক এঘণ্টাপব শুশ্রূষা কবা। এইবিলাকব উপবি মোব নিজব বন্ধা-বঢ়া, ধোৱা-পখলা, নিজব গা-পা, কাপোব-কানি ধোৱা ইত্যাদি কাম আছেই। বান্ধি-বাঢ়ি খাবলৈও এজনক সময় লাগে, সেই কথা বোধকবোঁ উল্লেখ নকবিলেও হ'ব। এইখন এখন অকণো সুকুৱা নথকা কার্যক্রমণিকা।

স্কুল-কলেজব প্রতি থকা মোব ভীতিব কাবণে আৰু কেতিয়াও কোনো অনুষ্ঠানতে সমূহীয়া হিচাপে বসবাস নকবাব ফলত এই সামাজিক জীবন মোব কাবণে বেছ কঠিন হৈ পবিছিল। কিন্তু বাপুব প্রতি থকা মোব শ্রদ্ধা-ভক্তিব কাবণে এনে বিৰূপ ভাব প্রকাশ হ'ব নোৱাবাকৈ দমন কবিছিলোঁ। দবাচলতে নিজকে নিজে মই এনেকুৱা শৃঙ্খলাব ভিতবলৈ আনিছিলোঁ যে মই সঁচাকৈয়ে বিশ্বাস কবিছিলোঁ, মই এই জীবন ভালেই পাওঁ। কেতিয়াবা বাহ্যিক দৃষ্টিত কষ্ট হোৱা যেন নেদেখুৱালেও, প্রকৃতিব বিৰুদ্ধে কাম কবিবলৈ জোব কবিলে কাবো কষ্ট নোহোৱাকৈ থাকিব নোৱাবে।

জলবায়ুব কথাতো সেই একে কথাই খাটে। মই মনে মনে দৃঢ়প্রতিজ্ঞ হৈছিলো যে বতবব কথাত মই একেবাবে মন নিদিওঁ। কিন্তু মার্চ মাহত লাহে লাহে যেতিয়া গবম পবি আহিল, শবীবে আপত্তি কবিবলৈ ধবিলে। সি যি কি নহওক, মই সেই সম্বন্ধে মনোযোগ দিবলৈ অস্বীকাব কবিলোঁ। গ্রীষ্মপ্রধান দেশব গবম সহ্য কবিবলৈ মই টান পাম বুলি বাপু উদ্বিগ্ন হৈ পবিছিল। কিন্তু যেতিয়া দেখিলে যে মই আনন্দমনে নিজব কাম কবি গৈছো, তেখেত স্বাভাবিকতে সুখী হ'ল। কিয়নো গবমকালি পাহাবলৈ গৈ বিলাসিতা কবাতকৈ যাব হাতত যি কাম আছে তাতে গবম হওক, ঠাণ্ডা হওক লাগি থকাটো তেখেতে বিচাবিছিল। বাপু আনন্দিত হোৱা দেখি মোব উৎসাহ বাঢ়ি গৈছিল। অৱশ্যে অৱচেতন মনত টনা-আজোবা চলিছিল।

এই সময় ছোৱাব প্রায় গোটেইখিনি দিন মই আশ্রমতে কটাইছিলোঁ। মাত্র মাজে সময়ে কেতিয়াবা আহমদাবাদলৈ গৈছিলোঁ। তাত ধনী মিল মালিক শেঠ অম্বালাল সাবাভাইব ভনীয়েক অনসূয়া বেনব লগত কিছু সময় কটাইছিলোঁ। এই অনসূয়া বেনেই ১৯১৮ চনত মিল মালিক ফকায়েক শেঠ

অম্বালাল সাৰাভাইৰ লগত মৰম-স্নেহৰ ভাব অটুট থকা সত্ত্বেও মালিকৰ বিৰুদ্ধে মিলৰ বনুৱাসকলে কৰা ধৰ্মঘটৰ নেতৃত্ব লৈছিল। বাপুৱে তেওঁলোকৰ সেই ধৰ্মঘট সমৰ্থন কৰি দিহা-পৰামৰ্শ দিছিল। অৱশেষত ধৰ্মঘটকাৰীসকল জিকিল আৰু বাপুৰ আঁচনিমতে 'টেক্সটাইল লেবাৰ এছচিয়েশ্যন' গঠিত হ'ল। অনসূয়া বেনৰ ঘৰলৈ আৰু কদাচিত তেওঁৰ ককায়েকৰ ধুনীয়া প্ৰাসাদোপম ঘৰলৈ যে মই গৈছিলো, আশ্ৰমৰ বাহিৰৰ জীৱনৰ লগত মোৰ পৰিচয় সিমানকণেইহে আছিল। আশ্ৰমৰ বাহিৰৰ জীৱন মোৰ ভাল লাগিছিল। তথাপি বৰ বেছি পলম নকৰাকৈ আশ্ৰমলৈ—বাপুৰ ওচৰলৈ উভতি যাবলৈ মই সদাঁয়েই উদ্বিগ্ন হৈছিলোঁ। আনফালেদি, মোৰ ধাৰণা হৈছিল যে সৰল-সহজ আশ্ৰম জীৱনৰ-পৰা মই আনফালে আকৰ্ষিত হওঁনে নহওঁ সেইটো চাবৰ কাৰণে বাপুৱে মোৰ গতিবিধি নিৰীক্ষণ কৰিছিল। বিশেষকৈ আহাৰ সম্বন্ধে তেখেত বেছি সাৱধান হৈছিল। অতিৰিক্ত পৰিমাণে মছলা দিয়া ভাৰতীয় আঞ্জা-পাতি মোৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ কাৰণে বৰ অনিষ্টকৰ হ'ব বুলি তেখেতে আশঙ্কা কৰিছিল। কিন্তু অনসূয়া বেনে মই আহিলেই মছলা-পাতি নিদিয়া কিবাকিবি দুই এখন বন্ধাইছিল।

ভাৰতবৰ্ষলৈ অহাৰ আগতে ইংলণ্ডতে কৰাই লোৱা খদ্দৰৰ পোছাককে মই এতিয়ালৈকে পিন্ধিছিলোঁ। মই ভাৰতীয় সাজপাৰ গ্ৰহণ কৰাৰ বাপু পক্ষপাতী নহয় যেন লাগিছিল। সি যি কি নহওক, এই বিষয়ে খৰ-খেদা কৰিবলৈ তেখেতে মানা কৰিলে। কিন্তু ক্ৰমে মই অধৈর্য হৈ পৰিলোঁ আৰু ভাবিলো আৰু বেছিদিন অপেক্ষা কৰা মোৰ পক্ষে সম্ভৱ নহয়। এনেতে এদিন অনসূয়া বায়ে শাড়ী কেনেকৈ পিন্ধিব লাগে মোক দেখুৱাই দিলে। শাড়ী পিন্ধি মোৰ বেছ ভাল লাগিল, অনসূয়া বাইও দেখি ভাল পালে। তেওঁ মোক তেওঁৰ নীলা সৰু পাৰি এটা লগোৱা খদ্দৰৰ বগা শাড়ী এখন পিন্ধাই আশ্ৰমলৈ পঠাই দিলে। ভয়ে ভয়ে শঙ্কিতচিত্তেৰে মই বাপুৰ আগলৈ আহিছিলোঁ। মোক দেখি তেওঁ সন্তুষ্ট হোৱা নাছিল; কিন্তু সেই অসন্তুষ্টিৰ ভাব ঢাকি বাখি তেওঁ ক'লে যে মই যদি শাড়ী পিন্ধিবৰ কাৰণে ইমানেই উদ্‌গ্ৰীৰ তেন্তে পিন্ধিব পাৰো। কিন্তু সি শুধ বগা হ'ব লাগিব; সেইখনৰ নিচিনা বঙীণ পাৰি থকা নহয়। সেইকাৰণে খাদী ভাণ্ডাৰৰপৰা বগা শাড়ী বিচাৰি আনি মই শাড়ী-পিন্ধা আৰম্ভ কৰিলোঁ। ইউৰোপীয় সাজপাৰ পৰিত্যাগ কৰি ভাৰতীয় সাজ-

পাৰ গ্ৰহণ কৰোঁতে মই অত্যধিক আগ্ৰহান্বিত হৈ বৰ বেগাই এটা সিদ্ধান্ত লোৱা বুলি বাপুৱে ভাবিছিল। এই পৰিৱৰ্তনত যি আনন্দ পালোঁহেতেন, বাপুৰ তেনে মনোভাবৰ কথা জানি সি সমূলি নষ্ট হ'ল।

মূৰৰ চুলি একেবাৰেই খুৰাই পেলাই ব্ৰহ্মচৰ্যৰ ব্ৰত গ্ৰহণ কৰাৰ ভাৱনাই এতিয়া মোৰ মন অধিকাৰ কৰিলে। এইটো এটা যথেষ্ট গুৰুত্বপূৰ্ণ আৰু চিন্তা কৰিবলগীয়া বিষয়। এই দুয়োটা কথাকে যদিও তেখেতে ভাল পাইছিল তথাপি কিছুদিনৰ কাৰণে বাপুৱে মোক তাৰপৰা বিৰত ৰাখিছিল। যেই হওক, মোৰ একাগ্ৰ বাসনা আৰু আশ্ৰমৰ তপস্যাপৰায়ণ বাতাৱৰণত মই যি আনন্দ পাইছিলোঁ সেইবিলাক দেখি শেষত তেখেতে সম্মতি দিব লগা হ'ল। তথাপি তেখেতে ক'লে যে আশ্ৰমৰ বাকী মহিলাসকলকো এই বিষয়ে ক'ব লাগিব যাতে তেওঁলোকেও নিজৰ মনোভাব ব্যক্ত কৰিব পাৰে। তেওঁলোকৰ প্ৰায় সকলোৱেই নানা কাৰণত এই চুলি কাটি পেলোৱাৰ বিপক্ষে আছিল। তেওঁলোকে দৰ্শোৱা যুক্তিসমূহৰ ভিতৰত কিছুমান অৱশ্যে যথেষ্ট প্ৰণিধান-যোগ্য। তাৰে ভিতৰত এটা আছিল যে চুলি চুটিকৈ কাটি পেলোৱাৰ পিচত মই স্পষ্টভাৱে অন্যান্য তিৰোতাসকলৰপৰা পৃথক হ'ম আৰু আমাৰ মাজত সাধাৰণভাৱে মিলা-মিছা কৰাত বাধা উপস্থিত হ'ব। কিন্তু তেওঁলোকৰ সেই-বিলাক কথা শুনিবলৈ মোৰ অলপো ইচ্ছা যোৱা নাছিল। তেওঁলোকে মোক নানান যুক্তিৰে বুজাবলৈ চেষ্টা কৰিছিল। অৱশেষত বাপুৱে মোক মোৰ ইচ্ছামতেই কাম কৰিবলৈ দিয়াটোকে স্থিৰ কৰিলে। মই যি সঙ্কল্প গ্ৰহণ কৰিবলৈ ওলাইছো সেইটো বাপুৱে লিখি আনিবলৈ ক'লে। সঁচাকৈয়ে বাপুৰ ব্ৰহ্মচৰ্যৰ যি ধাৰণা তাৰ দীৰ্ঘ-প্ৰস্থ চতুৰ্দিশ মই সম্পূৰ্ণৰূপে বুজি উঠিছো নে নাই, সেইটো যাতে চাব পাৰে। বাপুৰ ব্ৰহ্মচৰ্যৰ ধাৰণা অকল বিয়া নকৰোৱাটোৱেই নহয়, ই সকলো ধৰণৰ আত্মসংযম আৰু শৃঙ্খলা বুজায়। মই মোৰ সঙ্কল্প লিখি আনি বাপুক দেখুৱালো আৰু তেখেতেও অনুমোদন কৰিলে। এই ব্ৰত গ্ৰহণ কৰোঁতে কোনো ধৰণৰ উৎসৱ আদি একো হোৱা নাছিল। বাপুৱে নিজ হাতেৰে মোৰ মূৰৰ চুলি কাটি পেলালে। কাটি উঠি মৰমেৰে মোৰ পিঠিত থপৰিয়াইছিল। ময়ো সেইখিনিতে আঠুঁলৈ তেখেতৰ আশীৰ্বাদ মাগিছিলো।

ইয়াৰ পিচত মই আৰু শাড়ী পিন্ধিবলৈ ইচ্ছা নকৰি ঘাগ্ৰা পিন্ধিবলৈ ল'লোঁ আৰু গাঁৱৰ তিৰোতাই লোৱাৰ দৰে চুটি চাদৰ এখনেৰে মূৰত ওঢ়পি

টানি লৈছিলোঁ। এইটো পোছাক ব্যৱহাৰ কৰিবলৈ বাপুৱে তৎক্ষণাৎ সম্মতি দিছিল আৰু মোৰো কাম কৰোঁতে বিশেষ সুবিধা হৈছিল।

ঠিক এই সময়তে মই প্ৰথমে চি-এফ-এন্দ্ৰুজক লগ পাওঁ। তেখেত এজন গোড়া ইংলিছ খৃষ্টিয়ান আছিল। দক্ষিণ আফ্ৰিকাত মহাত্মাই মানবীয় অধিকাৰ ৰক্ষাৰ অৰ্থে চলোৱা যুদ্ধৰ দিনৰেপৰা তেখেতে আন্তৰিকতাৰে বাপুৰ লগত যোগ দিছিল। দুয়োজনাকে একেলগে দেখিয়েই মোৰ মনত ভাব হৈছিল যে এই দুয়োজনাৰ মাজত গভীৰ অন্তৰঙ্গতা বিদ্যমান।

বাপুৱে কিছুদিন ধৰি চার্লি এন্দ্ৰুজক সূতা কাটিবলৈ শিকিবলৈ জোৰ কৰিছিল। কিন্তু ফল একো হোৱা নাছিল। এতিয়া বাপুৰ মনত এই ভাব খেলালে যে ময়ে তেওঁক সূতা কাটিবলৈ শিকাব লাগে।

বাপুৱে হাঁহি হাঁহি তেখেতক কৈছিল, "আপুনি প্ৰত্যেকদিনাই এওঁৰ ওচৰলৈ গৈ সূতা কটা শিকিবগৈ"।

উত্তৰ আহিল, "যাবই লাগিবনে ?"

তথাপি তেখেত আহিছিল আৰু কেইদিনমান শিকিবলৈকো বৰ যত্ন কৰিছিল। পিছে তাৰপৰা লাভ একো নহল। তেখেত কিছু শকত-আৰত পুৰুষ আছিল। সেই কাৰণে মাটিত বহাটো তেখেতৰ পক্ষে সিমান সুবিধাজনক নাছিল। তাৰ উপৰি দিনবোৰো আছিল অতিপাত গৰম। ধাৰাসাৰে তেখেতৰ গাৰপৰা ঘাম বৈছিল। ফলত কপাহৰ আঁহবিলাক তেখেতৰ আঙুলিত টেপা খাই লাগি ধৰিছিল। সূতাকটাৰ কৌশলটো শিকিবলৈ বাৰে বাৰে চেষ্টা কৰিও যেতিয়া বিফল হয়, তেখেতৰ দাঢ়ি থকা, নীলা চকুযুৰিৰে শান্ত মুখখনৰ চেহেৰা কৰুণ হৈ উঠে। আমি দুয়ো বাপুক যেতিয়া এই বিষয়ে ক'লোগৈ বাপুৱে প্ৰথমতে তেখেতক বকিলে আৰু পিচত দুয়োজনে অন্তৰ খুলি হাঁহিলে।

অলপ দিনৰ পিচতে বাপুৱে নদীৰ পাৰৰ পিনে তেখেতৰ ঘৰৰ কাষতে থকা সৰু কোঠালি দুটাৰ এটা কোঠালিলৈ মোক প্ৰমোচন দিলে। বাৰান্দাৰে সৈতে এই সৰু কোঠা দুটা গা-ধোৱা ঘৰ কৰিবৰ কাৰণে সজা হৈছিল। যেই নহওক, মই তাত বন্ধা ষ্টীভটো এচুকত পাতি লৈ থাকিবলৈ দিহা কৰি ললোঁ। দুটা কাৰণত এই কোঠালিটো পাই মই আনন্দিত হৈছিলো। তাৰে এটা কাৰণ হ'ল, কোঠাটো বাপুৰ ঘৰৰ কাষতে আৰু

আনটো কাৰণ, কোঠালিটো নদীৰ পাৰৰ পিনে আছিল আৰু ওচৰত আন ঘৰ-দুৱাৰ একো নাছিল। আনটো কোঠা ছোটেলালজী নামৰ কৰ্মীজনে লৈছিল। তেখেত এনে উদাসীন আৰু নিজৰ কামত ইমান মগ্ন হৈ আছিল যে তেওঁ ভাত আছে নে নাই কোনেও গমেই নাপাইছিল। তেওঁ আশ্রমৰ বিশিষ্ট কর্মীসকলৰ ভিতৰত এজন আছিল। বাপুৰ ওচৰলৈ অহাৰ আগতে তেওঁ এজন বিপ্লৱী আছিল। এতিয়া বাপুৰ এজন নীৰৱ গুণমুগ্ধ ভক্ত। মানুহজন দেখাত ক্ষীণ, চুটি-চাপৰ কিন্তু যথেষ্ট শক্তিমন্ত আছিল। তেওঁ যি কামত ধৰিছিল এক মুহূর্তও জিৰণি নোলোৱাকৈ তাতে মন প্রাণ ঢালি দিছিল। তেওঁৰ মুঠেই কেজনমান বন্ধুৰ ভিতৰত সুৰেন্দ্রজী আছিল এজন আৰু তিৰোতা যদিও তেওঁ মোক সহ্য কৰিছিল।

আহাৰ সম্বন্ধে নানান পৰীক্ষা চলোৱাত বাপুৰ বিশেষ বাপ আছিল। তেখেতৰ অনুসন্ধানবিলাকৰ লক্ষ্য আছিল দুটা। এহাতে জনসাধাৰণে ব্যৱহাৰ কৰিব পৰা সস্তীয়া কিন্তু পুষ্টিকৰ খাদ্যৰ আৰিষ্কাৰ কৰা আৰু আনহাতে তেওঁৰ নিজৰ আৰু আনৰো, যিসকলে শৰীৰৰ পৰিত্রতা আৰু আধ্যাত্মিক উন্নতি বিচাৰে, তেওঁলোকৰ শৰীৰ সুস্থ আৰু কার্যক্ষম কৰি ৰাখিব পৰা খাদ্যৰ কাৰণে তেওঁ পৰীক্ষা চলাইছিল। ইয়াৰ বাহিৰে আৰু এটা কথাৰ প্রতিও বাপুৰে সদায় লক্ষ্য ৰাখিছিল। সাধাৰণ প্রণালীৰে বন্ধা-বঢ়া কার্যত যিমান সময় লাগে তাতকৈ সময় কেনেকৈ কমাব পাৰি, তাৰ উপায় উদ্ভাৱন কৰাৰ কথা তেওঁ ভাবিছিল।

গাখীৰৰ সলনি আন এটা উপযুক্ত খাদ্য উলিয়াবৰ কাৰণে তেওঁৰ যি বিৰামহীন বাসনা আছিল, সি হৈছে তেওঁৰ ব্যক্তিগত প্রয়োজন। তেওঁ ভাবতলৈ উভতি অহা সময়তে গুৰালবিলাকে সিঁহতৰ গৰুৰ গাখীৰ বঢ়াৰ কাৰণে কৰা নানান বদ অভ্যাসৰ কথা তেওঁৰ কাণত পৰে আৰু তেতিয়াই ভৱিষ্যতে কেতিয়াও গৰুৰ গাখীৰ বা ম'হৰ গাখীৰ স্পর্শ নকৰো বুলি প্রতিজ্ঞা কৰে। ১৯১৮ চনত তেখেতৰ এবাৰ গ্রহণী হৈ মৃতপ্রায় অৱস্থা হৈছিল। ডাক্তৰসকলে পৰামর্শ দিলে যে একমাত্র দৈ গাখীৰেহে তেওঁক এই যাত্রাত বক্ষা কৰিব আৰু সবল কৰি তুলিব। আগতে লোৱা প্রতিজ্ঞাৰ কাৰণে তেওঁ এই প্রস্তাৱ প্রত্যাখ্যান কৰিলে। বা'ই তেতিয়া ছাগলীৰ গাখীৰৰ দৈৰ কথা উলিয়ালে। বাপুৱে ইতস্ততঃ কৰিবলৈ ধৰিলে। তেওঁ ভাবিলে, ছাগলীৰ গাখীৰ খোৱা মানে

তেওঁ তেওঁৰ প্রতিজ্ঞাৰ মূলভাবটো ত্যাগ কৰি আখৰকিটাহে পালন কৰা হ'ব। কিন্তু তেখেতৰ অন্তৰত মানৱতাৰ সেৱা কৰাৰ যি অভিলাষ আছিল, সেয়ে তেওঁৰ এনে ধৰণৰ নীতিবোধক পৰাজিত কৰিলে। ছাগলীৰ গাখীৰৰ দৈ ব্যৱহাৰ কৰি তেওঁ সুস্থ হৈ উঠিল। কিন্তু গাখীৰৰ পৰিৱর্তে উপযুক্ত আন এবিধ খাদ্য কোনো প্রকাৰে আৱিষ্কাৰ কৰাৰ বাসনা আৰু তাকে কৰি তেওঁৰ প্রতিজ্ঞাৰ আচল অর্থ ৰক্ষা কৰাৰ ভাৰ তেওঁৰ শেহলৈকে আছিল।

খাদ্য সম্পর্কে বাপুৱে কিমান বেছি ৰকমে চিন্তা কৰে, সেই কথা জানিব পাৰি আমি ভাবিলো যে, সম্প্রতি আশ্রমত চলি থকা বিভিন্ন ধৰণৰ ৰান্ধনীশাল-বিলাকৰ অন্ত পৰা দেখিলে তেখেত নিশ্চয় সুখী হ'ব। তেতিয়ালৈকে আশ্রমত প্রতিটো পৰিয়ালৰ সুকীয়া পাকঘৰ আৰু বাকীসকলৰ কাৰণে সৰু সৰু দল কৰি বা অকলশৰীয়াকৈয়ে বেলেগ বেলেগ পাকঘৰৰ ব্যৱস্থা আছিল। কিন্তু আমি সকলোৱে একেলগে ঠিক মতে চলি, প্রায় দুশ মানুহৰ এটা বিৰাট ৰান্ধনী ঘৰ যে চলাব পাৰিম, সেই কথাত তেখেতৰ সন্দেহ আছিল। আমি সন্ন্যাসী ভাৱৰ লোকসকল সমূহীয়া ৰন্ধনশালাৰ আদর্শৰ বিশেষ আৰু সক্রিয় পৃষ্ঠপোষক আছিলোঁ। বাপুৰ সন্দেহে আমাৰ মনত দুগুণ উৎসাহ জন্মালে। আমি প্রবল-ভাৱে এক প্রচাৰ আন্দোলন আৰম্ভ কৰিলোঁ। উৎসাহ যথেষ্ট আছিল যদিও সদায় কৌশলেৰে আমি কার্যোদ্ধাৰ কৰিব নেজানিছিলো। এতিয়া দেখিছো যে পৰিয়াল হিচাপে থকা লোকসকলৰ প্রতি, যিসকলে তেতিয়ালৈকে আহাৰত মছলা দিছিল আৰু ভজা-পোৰা অন্যান্য বস্তুও খাইছিল, আমি ৰৰ সহানুভূতিশীল নাছিলোঁ। মছলাযুক্ত ভজা-পোৰা খাদ্যৰ কিবা সুফল আছে বুলি বাপুৱে বিশ্বাস নকৰিছিল। আমি গোটেই আশ্রমতে পৰিয়াল হিচাপে থকা লোকসকলৰ মাজতো প্রচাৰ চলাইছিলোঁ। ফলত স্বভাৱতে বিৰোধীদল এটা গঢ়ি উঠিছিল। বাপুৱে আমাৰ কামত কঠোৰভাৱে বাধা দি ক'লে যে আমি যথেষ্ট বুজি-বাজি লৈ আৰু দয়া পৰৱশ হৈহে এই কার্যত আগবাঢ়িব লাগিব। আচলতে তেওঁ আমাৰ কাম একেবাৰে বন্ধই কৰি দিলে। আমি মনতে কথাটো পাগুলি আছিলো যদিও যিসকল আমাৰ লগত একমত নাছিল, তেওঁলোকক অন্তৰে অন্তৰে সমালোচনা কৰিবলৈ এৰা নাছিলোঁ। কিছুদিনৰ পিচত দেখা গ'ল, এই সমূহীয়া ৰান্ধনীশালৰ প্রশ্নটো বাপুৱে নিজে হাতত ললে। কিন্তু আমাৰ দৰে অন্ধ উৎসাহেৰে নহয়—ধৈর্যেৰে, মৰমেৰে, হাঁহি-ধেমালিৰে, বিশেষকৈ পৰিয়াল

হিচাপে বাস কৰা তিৰোতাবিলাকৰ সৈতে—যিসকল এই সমূহীয়া বন্ধনশালাৰ স্বভাৱতে প্ৰবল বিৰোধী আছিল।

এই প্ৰশ্নটো সমাধান কৰোঁতে আচলতে কিমান সময় লাগিছিল মোৰ মনত নাই ; তথাপি কেটামান সপ্তাহ নিশ্চয় লাগিছিল। সেই সময় ছোৱাত বাপুৱে ধীৰ-স্থিৰভাৱে কাম কৰিছিল। কেতিয়াবা প্ৰাৰ্থনাৰ অন্তত হোৱা কথা-বাৰ্তাত সকলোৱে লগত, আকৌ কেতিয়াবা ব্যক্তিগত কথোপকথনত বিষয়টোৰ আলোচনা কৰিছিল। কিছুমান লোকে এই কথাটোৰে ঘোৰ বিৰোধিতা কৰিছিল আৰু যদি কেনেবাকৈ এই সমূহীয়া বান্ধনীঘৰৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়ো, কেটামান কথাত যে ই নিশ্চয় অকৃতকাৰ্য হ'ব, সেই বিষয়ে ভবিষ্যদ্বাণী কৰিছিল। কিন্তু বাপুৰ চিকিৎসাত ক্ৰমাৎ অতি দৃঢ়ভাৱে বিৰোধিতা কৰা সকলো কুমলিৰলৈ ধৰিলে। শেষত এনে এটা অৱস্থা উপস্থিত হ'ল যে সমূহীয়া বান্ধনী-ঘৰ সম্পৰ্কে খুটি-নাটি প্ৰতিটো বিষয়ৰে গহীন আলোচনা আৰম্ভ হ'ল। বান্ধনী-ঘৰৰ কাৰণে উপযুক্ত, ডাঙৰ আহল-বহল ঘৰ এটা বছা হ'ল। যিসকল এই বান্ধনী ঘৰ পৰিচালনাৰ কাৰ্য কান্ধ পাতি ল'ৰৰ কাৰণে আগ্ৰহান্বিত, তেওঁলোকক বাছি লৈ বাপুৱে সেই বিষয়ে তেওঁলোকক শিক্ষা দিবলৈ আৰম্ভ কৰিলে। ইতিমধ্যে সেই কামৰ বাবে বহুতো স্বেচ্ছাসেৱক ওলাইছিল। তাৰে ভিতৰত এই উমৈহতীয়া বান্ধনীঘৰ প্ৰৱৰ্তনৰ প্ৰস্তাৱটো প্ৰথমবেপৰা দৃঢ়ভাৱে সমৰ্থন কৰোঁতা আৰু এই বান্ধনীঘৰ আৰম্ভ হোৱাবেপৰা যি দুজন লোক এই আঁচনিৰ বাজহাঁড় স্বৰূপ প্ৰতিপন্ন হৈছিল, তেওঁলোকৰ স্মৃতি মোৰ মনত ছাপ মৰা আছে। তাৰে এগৰাকী মাজবয়সীয়া বিধৱা। নাম গঙ্গাবেন। তেখেতৰ স্বভাৱ শান্ত। অটুট স্বাস্থ্যৰ তেখেত এগৰাকী বুদ্ধিমতী তিৰোতা আছিল আৰু বাপুৰ ঘৰ ভক্ত আছিল। আৰু আনজন হ'ল মোৰে প্ৰতিবেশী ছোটেলালজী। তেওঁ প্ৰবল উৎসাহ-উদ্দীপনাৰে কামটো হাতত লৈছিল।

খৰি-খেৰ, বন্ধা বাচন-পত্ৰ, ভাণ্ডাৰ, সকলো ঠিক-ঠাক হ'ল। অৱশেষত সেই দিনটো আহিল—যিদিনা আশ্ৰমৰ সকলো লোকে একেলগে এটা বিৰাট ঘৰত খাবলৈ বহিছিল।

বন্ধা আহাৰতকৈ কেচাই খাব পৰা আহাৰৰ প্ৰতি সততে বাপুৰ মনোযোগ আকৰ্ষিত হৈছিল। বন্ধা আহাৰ মানেই দৈনিক কিমান খাটনি, উমৈহতীয়া বান্ধনীঘৰৰ নিতৌ ওলোৱা এশ এটা সমস্যা, এইবিলাকে বাপুক

কেঁচা আহাৰ সম্বন্ধে পৰীক্ষা চলাবলৈ উদগনি দিয়ে। কিছুদিন কথাটো আশ্রমৰ সদস্য আৰু আশ্রমলৈ অহা-যোৱা কৰা বন্ধু-বান্ধৱসকলেৰে সৈতে আলোচনা কৰাতে সীমাবদ্ধ আছিল। ক্রমান্বয়ে কেঁচা আহাৰৰ ধাৰণাটোৱে এটা নির্দিষ্ট গঢ় ল'লে আৰু লগতে আহাৰৰ তালিকা এখন প্রস্তুত কৰা হ'ল। কটিৰ সলনি গজালি মেলা ঘেঁহু, গাখীৰৰ সলনি চীনাবাদাম খোৱাটো ঠিক হ'ল। বাকী তৰি-তৰকাৰী, সকলো কেঁচাই খাব লাগিব।

অৱশ্যে এই পৰীক্ষা চলাওঁতে বাপু নিজেই প্রথম আৰু প্রধান গৱেষণাকাৰী। বাপুৰ লগতে যিসকলে এই পৰীক্ষাত অংশ গ্রহণ কৰিব খোজে, বাপুৱে সঁচাকৈয়ে তেওঁলোকৰ বিষয়টোত বাপ আছেনে নাই আৰু এই বিষয়ে এটা শেষ সিদ্ধান্তত উপনীত হোৱালৈকে যে পৰীক্ষা চলাই যাব লাগিব, সেই বিষয়ে তেওঁলোকে সম্যক উপলব্ধি কৰিব পাৰিছেনে নাই, সেইবিলাক কথা তন্ন-তন্নকৈ পৰীক্ষা কৰাৰ পিচত তেওঁলোকৰ নাম তালিকাভুক্ত কৰা হৈছিল। সমূহীয়া বন্ধনশালাৰ আঁচনিৰ কেইগৰাকীমান সদস্যই এই পৰীক্ষা চলোৱা কার্যত যোগ দিয়ে আৰু মোৰ যিমানদূৰ মনত আছে, সেইসকলৰ ভিতৰত ময়েই কেৱল মহিলা সদস্য আছিলোঁ। আহাৰৰ তত্ত্বাৱধানৰ ভাৰ বাপুৱে মোৰ ওপৰত দিলে, আনহাতে অন্যান্য কর্তব্যৰপৰা মোক বেহাই দিলে। মোৰ মনত আছে, গুদাম ঘৰত কঠৰ ওপৰত ডাঠ তিতা কাপোৰ এখন পাৰি তাৰ ওপৰত ঘেঁহুখিনি ঢালি, আন এখন কাপোৰেৰে ভালকৈ ঢাকি থোৱা হৈছিল। প্রায় ২৪ ঘণ্টা-মানৰ ভিতৰত ঘেঁহুখিনিৰ গজালি মেলিছিল। ইয়াৰ উপৰি নাৰিকলখিনি কুকি থব লাগিছিল আৰু অন্যান্য শাক-পাচলিখিনি ধুই-পখালি পৰিষ্কাৰ কৰি ৰাখিব লাগিছিল। সেই গজালি মেলা ঘেঁহুবিলাক ভোক গুচা পৰিমাণে দাঁতেৰে চোৰাই গুৰি কৰি খোৱাটো যে অসুবিধাজনক, অতি সোনকালে সেই কথাটো ওলাই পৰিল। বাপুৰ দাঁত নাই। সেই কাৰণে তেওঁলৈ সেই ঘেঁহু কিছু পটাত বটি দিব লাগিছিল। সৰহ দিন নৌহওঁতেই অন্যান্য পৰীক্ষক-সকলেও পিহা ঘেঁহুৰ দাবী তুলিলে। এতিয়া গজালি নেমেলা শুকান ঘেঁহু উৰলত খুন্দি গুৰি কৰাটো এক কথা আৰু গজালি মেলা এঠা এঠা ঘেঁহুবিলাক পটাত বটি মিহি কৰাটো আন এটা কথা। লাহে লাহে মোৰ এই ধাৰণা হ'ল যে বন্ধা আহাৰতকৈ কেঁচা আহাৰ প্রস্তুত কৰাটো বেছিহে অসুবিধাৰ কথা।

কিমান দিন মোৰ সঠিক মনত নাই, কিন্তু এসপ্তাহ কি দুসপ্তাহতকৈ

বেছি নহয়, সেই কেইদিন কেঁচা আহাৰ খোৱাৰ ফলত সকলোৰে শৰীৰ বেয়া হ'বলৈ আৰম্ভ কৰিলে। গা বেয়া হোৱা সকলৰ ভিতৰত ময়ে প্ৰথম। মোৰ অসুখটো হ'ল কোষ্ঠবদ্ধতা। মই পিছে কেঁচা আহাৰৰ পৰীক্ষাত ইমান সোনকালে পৰাজয় স্বীকাৰ কৰিব খোজা নাছিলোঁ। বাপুৱে মোৰ কাৰণে নানা ৰকমৰ মিহলি কেঁচা আহাৰৰ বিধান দিলে। কিন্তু ফল একো নহল। সেইকাৰণে তেখেতে পৰামৰ্শ দিলে যে আৰু অকণো পলম নকৰাকৈ মই আকৌ বন্ধা আহাৰহে খাব লাগিব। বন্ধা আহাৰ খাবলৈ আৰম্ভ কৰাৰ লগে লগে মোৰ অসুখ ভাল হৈ আহিবলৈ ধৰিলে। মোৰ পিচতে বাপুৰ অসুখৰ চিন দেখা গ'ল। তেওঁৰ আহাৰ ভালকৈ হজম নহৈছিল। ইফালে তেওঁৰ পু�ৰণি শত্রু গ্ৰহণী ৰোগ আছিলেই। গতিকে আমি সকলো উদ্বিগ্ন হৈ পৰিছিলোঁ। কেঁচা আহাৰ গ্ৰহণ কৰিবলৈ আমি বাধা দিয়াত তেখেতে আমাৰ কথা হাঁহি উৰুৱাই দিছিল। সি যি কি নহওক, তেওঁৰ হজম শক্তিয়ে ক্ৰমাৎ অধিক বেয়াৰ ফালে ঢাল ললে। বিপদ আসন্ন বুলি তেওঁক বন্ধা আহাৰ গ্ৰহণ কৰিবলৈ সম্মত কৰাৰৰ কাৰণে মই আকৌ এবাৰ বিশেষ চেষ্টা কৰিছিলোঁ। মোৰ কথা শুনি তেখেতে কেৱল হাঁহিছিল। কিন্তু মোৰ ধাৰণা হৈছিল যে তেওঁ কথাটো লাহে লাহে ভাবিবলৈ আৰম্ভ কৰিছে।

দুৰ্ভাগ্যক্ৰমে ৰব পলম হ'ল। কিয়নো, তাৰ ঠিক পিচদিনাৰেপৰা ভীষণভাৱে গ্ৰহণী ৰোগত তেওঁ আক্ৰান্ত হৈ পৰিল। নিতান্ত অনিচ্ছাৰে এতিয়া ছাগলীৰ গাখীৰৰ দৈ খাবলৈ তেওঁ সম্মত হ'ল। তথাপি এই গ্ৰহণী ভাল হ'বলৈ কিছুদিন লাগিছিল। ভাল হোৱাৰ পিচত আকৌ গাখীৰ বিহীন কেঁচা আহাৰ আৰু তেওঁ খোৱা নাছিল। কিন্তু এই আহাৰৰ সমস্যাটো সমাধানৰ কাৰণে তেনে ধৰণৰ চেষ্টা এটা তেওঁৰ সদায়েই আছিল।

এতিয়া কেঁচা আহাৰৰ পৰীক্ষা কৰোঁতা বাকীসকলৰ ভিতৰৰ পৰাও এজন এজনকৈ অসুস্থ হৈ পৰিবলৈ আৰম্ভ কৰিলে। যিসকলৰ হজমী শক্তি বেছি, এনেকুৱা দুই কি তিনিজনে হয়তো আৰু কিছুদিন এইদৰে চলিব পাৰিলেহেঁতেন। কিন্তু বাপু পৰাৰ পিচতে পৰীক্ষাৰ কাৰণে সকলোৰে উৎসাহ কমি আছিল। তাৰ উপৰি সমূহীয়া বান্ধনীঘৰত কেৱল কেজনমানৰ কাৰণে কেঁচা আহাৰৰ ব্যৱস্থা বখাটোও ৰব অসুবিধাজনক কথা হৈছিল। গতিকে পৰিকল্পনাটোকে সম্পূৰ্ণৰূপে বাদ দিয়া হ'ল।

ইয়াৰ পিচৰটো পৰীক্ষা আছিল কিছু বেলেগ ধৰণৰ। বন্ধা কামত মানুহে ইমান বেছি সময় খৰচ কৰিব লগা কথাটোৱে বাপুক তেতিয়াও পীড়া দিছিল। মাৰি, বেলি, এখন এখনকৈ কটি সেকি থকাতকৈ সোনকালে কটি তৈয়াৰ কৰাৰ আন কিবা সহজ উপায় তেওঁ বিচাৰিছিল। সেইকাৰণে ঠিক কৰিলে যে এনেকুৱা এটা চৌকা তৈয়াৰ কৰিব লাগিব য'ত গোটেইখিনি কটি একেলগে সেকিব পৰা যায়। এই কামত বহুতো অসুবিধাৰ সম্মুখান হ'ব লগা হৈছিল। এনেকুৱা এটা চৌকা কেনেকৈ তৈয়াৰ কৰা যাব পাৰে বা তাক কেনেকৈ ব্যৱহাৰ কৰিব লাগিব, সেইবিলাক কথা কোনেও নেজানিছিল। ছোটেলালজীয়েই এই চৌকাৰ সমস্যাটো সমাধান কৰিবলৈ আগবাঢ়ি আছিল। এৰাৰ এটা কামৰ দায়িত্ব গ্ৰহণ কৰিলে তেওঁ কেতিয়াও পৰাজয় স্বীকাৰ নকৰে। ছোটেলালজীৰ এনে দৃঢ় মনোবলৰ কথা জানি বাপুৱে তেওঁক সকলো কথা চাই-মেলি জানি-বুজি আহিবৰ কাৰণে বেকাৰী এটালৈ পঠাবলৈ সম্মত হ'ল। উভতি আহি ছোটেলালজীয়ে চৌকা এটা সাজিছিল আৰু বেছ ভাল কটি তৈয়াৰ কৰি উলিয়াইছিল।

আশ্ৰমত এইবিলাক কাম-কাজ চলি থকা সময়ত বাহিৰৰ জগতৰ কথা বাপুৰ মনৰপৰা সমূলি আঁতৰা নাছিল। চৰ্দাৰ বল্লভভাই পেটেল আহমদাবাদৰ-পৰা প্ৰায়ে আশ্ৰমলৈ আহিছিল আৰু দূৰ-দূৰণিৰপৰা কংগ্ৰেছৰ অন্যান্য নেতা সকলো অহা-যোৱা কৰিয়েই আছিল।

একবিংশতি অধ্যায়

বাপুৰ ওচৰলৈ অহাৰ প্ৰায় এবছৰমান হওঁতেই মই খবৰ পালোঁ, দেউতা ভীষণভাৱে অসুস্থ। কেদিনমানৰ পিচতে দেউতা ঢুকুৱাৰ খবৰেৰে মাৰপৰা এখন 'কেবল্' পালোঁ। মই নিজকে সংযত কৰি ৰাখিছিলোঁ কিন্তু ইমান বেছিকৈ মনৰ আবেগ দমাই ৰখা দেখি বাপু সন্তুষ্ট হোৱা নাছিল। তেওঁ এই বিষয়ে শান্ত অথচ দৃঢ়ভাৱে মোৰে সৈতে আলোচনা কৰিছিল। কিন্তু ইপিনে এইবুলিও কৈছিল যে মোৰ যদি ইংলণ্ডলৈ গৈ কিছুদিন মাৰ লগত থকাৰ প্ৰবল ইচ্ছা হৈছে তেন্তে তেওঁ মোক তাত বাধা দিবলৈ ইচ্ছা নকৰে। শোকাভিভূত হৈ থকা সত্ত্বেও এনেকুৱা এটা ধাৰণা মোৰ মনলৈ অহা নাছিল। এক অনুপ্ৰেৰণাৰ বশৱৰ্তী হৈ মই ভাৰতবৰ্ষলৈ আহিছো। এনে অৱস্থাত, এই সময়ত মই উভতি যোৱাৰ প্ৰশ্নই নুঠে। বাপুক মই ৰাকে ক'লোঁ। বোণা সেই সময়ত মাজ্ৰাজত আছিল। তেওঁৰ স্বামী হেৰল্ড ডাবনন্ তাৰ কালেক্টৰ আছিল। বোণাই মোক টেলিগ্ৰাম যোগে জনালে যে তেওঁ মাক দেখা কৰিবলৈ ইংলণ্ডলৈ যাৰ আৰু যোৱাৰ বাটত মই যেন তেওঁক বম্বেত লগ ধৰোঁ। বাপুৰপৰা ছুটী লৈ মই বম্বেলৈ গ'লোঁ।

এই যাত্ৰাৰ লগত জড়িত ঘটনা এটাৰ কথা মোৰ সদায় মনত আছে। বম্বেত বোণা গৈ আছিল তাজমহল হোটেলত। বাপুৰ ওচৰলৈ অহাৰপৰা এনেকুৱা ঠাইলৈ যোৱা মোৰ এইবাৰেই প্ৰথম। মোৰ স্বাভাৱিক পোছাক ধাগ্ৰা আৰু চুটি চাদৰ পিন্ধিছিলোঁ। ভৰিত আছিল চেণ্ডেল। হোটেলত সোমাই বিচেপশ্চন অফিচত মই মিছেচ ডাবননৰ খবৰ ল'লোঁ। টেবুলখনৰ সিটো ফালে থকা মানুহজনে উদাসীনভাৱে মোক নমস্কাৰটো ক'লে। যেই নহওক, সেই দিনত 'তাজ' বগা চামবাৰ মানুহৰ কাৰণে আচুতীয়া হৈ আছিল। ধাগ্ৰা পিন্ধা ভিৰোতা এজনীৰ তালৈ যোৱাৰ কি অধিকাৰ আছে? যথেষ্ট আমোৰ অনুভৱ কৰি মই সন্মুখৰ ঘটণ্ডটিটোৰ পিনে আগবাঢ়িলোঁ। তাকে দেখি

মানুহজনে হিন্দীতে চিঞৰ মাৰি ক'লে, "তুমি কেনি যোৱা ? লিফ্‌টত উঠা"। কথাটো মোৰ মনত লাগিল। লিফ্‌ট একেবাৰে খালী আছিল আৰু হোটেলৰ কোনো অতিথিৰ লগত সমুখা-সমুখি হোৱাৰ ভয় নোহোৱাকৈ ওপৰ মহলালৈ উঠি যোৱাৰ এইটো প্ৰশস্ত উপায়। গতিকে সেই মানুহজনৰ কথা মতে লিফ্‌টেৰে মই ওপৰলৈ উঠিলোঁ। কিন্তু মোৰ বাইদেউৰ কোঠালৈ সোমাই যোৱাৰ বাটত এগৰাকী বগা চামৰাৰ মহিলাৰে সৈতে মোৰ ভেটাভেটি হ'ল। তেওঁ মোৰ কাষেদি পাৰ হৈ যাওঁতে তেওঁৰ স্কাৰ্টটো ভয়েৰে এনেভাৱে কোঁচাই লৈ গৈছিল যেন মোৰ গাত লাগিলেই সেইটো কলুষিত হৈ পৰিব।

আশ্ৰমলৈ ঘূৰি আহি বাপুক যেতিয়া এই গল্পটো ক'লো, বাপুৱে অন্তৰ খুলি হাঁহিছিল আৰু কৈছিল, "এইটো তোমাৰ কাৰণে এটা বঢ়িয়া অভিজ্ঞতা।"

সপ্তাহত এবাৰকৈ আৰু এটা কামৰ ভাৰ মোৰ ওপৰত পৰিল। কামটো দীঘলীয়া নাছিল কিন্তু অত্যন্ত মনোৰঞ্জক আছিল। বাপুৱে আত্মজীৱনী— "সত্য অন্বেষণৰ কাহিনী" আৰম্ভ কৰিছিল। বাপুৰ সাপ্তাহিক গুজৰাটী কাগজ 'নৱজীৱন'ৰ কাৰণে প্ৰতি সপ্তাহে গুজৰাটী ভাষাত এই আত্মজীৱনী তেওঁ লিখিছিল। আৰু একে সময়তে 'ইয়ং ইণ্ডিয়া'ত প্ৰকাশ কৰিবৰ কাৰণে মহাদেৱে তাক ইংৰাজী ভাষালৈ অনুবাদ কৰিছিল। প্ৰেছলৈ পঠোৱাৰ আগতে অনুবাদখিনি কিবা শুধৰণীৰ দৰকাৰ হ'ব পাৰে বুলি মোলৈ পঠিয়াইছিল। প্ৰতিসপ্তাহে সেই হাতেলিখা কাগজখিনি অহাৰ লগে লগে মোৰ হাতত আন যি কামেই নাথাকক লাগিলে, তাক আঁতৰাই থ'ব লাগিছিল, কিয়নো, সাধাৰণতে সেইখিনি চাই-মেলি প্ৰেছত দিবলৈ মাজত বেছি সময় নাছিলেই।

এই কামে মোক বাপুৰ সম্পাদকমণ্ডলীৰে সৈতে ঘনিষ্ঠ সম্পৰ্কলৈ অহাৰ সুযোগ দিছিল। সেই সম্পাদকসকলৰ ভিতৰত প্ৰধানজন আছিল মহাদেৱ দেশাই নামৰ এজন গুজৰাটী লোক। মুৰত পাতল চুলি আৰু একোচা দাড়িৰে এই বুধিয়ক মানুহজন ওখ আৰু দেখিবলৈ শুৱনী আছিল। তেওঁৰ স্বভাৱৰ কোমল অনুভৱ শক্তিৰ কথা তেওঁৰ ধুনীয়া আকৃতিৰ হাত দুখনেই প্ৰকাশ কৰে। এই মানুহজন অনবৰত সলনি হৈ থকা জটিল পৰিস্থিতিসমূহত অসাধাৰণ ক্ষিপ্ৰতাৰে কথাবিলাক অনুধাবন কৰি নোট কৰা, আলোচনা কৰা, খচৰা তৈয়াৰ কৰা আৰু লিখাত বাপুৰ সোঁহাতস্বৰূপ আছিল। তেওঁ লিখাত সদায় খৰ আৰু লিখাবিলাকো অতি সুন্দৰ, পৰিষ্কাৰ-পৰিচ্ছন্ন আছিল। কিন্তু

তেওঁৰ সম্বন্ধে কবলৈ গ'লে বিশেষভাৱে উল্লেখ কৰিবলগীয়া কথা হৈছে বাপুৰ প্ৰতি থকা তেওঁৰ অগাধ ভক্তি-শ্ৰদ্ধা।

সম্পাদকমণ্ডলীৰ ভিতৰত আনজন স্থায়ী সদস্য হ'ল প্যাৰীলাল। তেওঁ এখন পাঞ্জাৱী। প্যাৰীলাল মহাদেৱভতকৈ অলপ চাপৰ। ধুনীয়াকৈ চুচি-মাজি দাঢ়ি-মুৰ খুৰোৱা, মজবুত শৰীৰৰ এই মানুহজনো মহাদেৱৰ দৰেই বুদ্ধিমান যদিও অলপ বেলেগ ধৰণৰ। মহাদেৱভতকৈ তেওঁ বয়সে সৰু আছিল। সেই সময়ত ভিতৰি ভিতৰি তেওঁ এনে এটা অৱস্থাৰ মাজত আছিল, যি অৱস্থাই তেওঁক প্ৰায়ে পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা পাহৰাই স্বপ্নাবিষ্ট কৰি ৰাখিছিল। বাপুৱে তেওঁৰ মূল্য বুজিছিল। যদিও তেওঁৰ সম্বন্ধে বাপু ৰৰ কাৰা আছিল তথাপি প্যাৰীলালৰ এই অদ্ভুত বিৱৰ্তনৰ সম্পৰ্কে তেওঁ বহুত প্ৰকাৰে মৰমেৰে প্ৰশ্ৰয় দিছিল। ষ্টাফৰ অন্যান্য সদস্যসকল বদলি হৈ আছিল। সাধাৰণতে দক্ষিণ ভাৰতীয় বা বঙালী টাইপিষ্ট এজন সদায় আছিল আৰু প্ৰায়ে ছোৱালী এগৰাকী গুজৰাটী আৰু হিন্দী চিঠি-পত্ৰবিলাক লিখিবৰ কাৰণে আছিল। সেইদিনত এই সকলোবোৰ হাতেৰে লিখিবলগীয়া হৈছিল।

প্ৰথম বছৰটো মই হিন্দুস্থানীৰে সৈতে যুজিছিলো যদিও, হিন্দুস্থানীত মোৰ উন্নতি দেখি হতাশ হ'বলগীয়াত পৰিছিলোঁ। আৰু দেখিলোঁ, বাপুও ৰৰ অসন্তুষ্ট হৈছে। কথাটো মোৰ মনত ৰৰকৈ লাগিল। কাৰণ মই জানিছিলো যে হিন্দুস্থানী যদি সহজে ক'ব আৰু বুজিব নোৱাৰো তেন্তে বাপুৰে ইচ্ছা কৰা মতে মই তেওঁৰ কামত কেতিয়াও আহিব নোৱাৰিম। আশ্ৰমত হিন্দী শিকিবৰ কাৰণে ডাঙৰ অসুবিধা এয়ে আছিল যে আশ্ৰমবাসী প্ৰায় সকলোৱে তেওঁলোকৰ ভিতৰত গুজৰাটীতে কথা পাতিছিল আৰু তেওঁলোকৰ বহুতে ইংৰাজীও জানিছিল। সেই কাৰণে কেৱল পাঠ লোৱা সময়খিনিৰ বাহিৰে কদাচিৎহে হিন্দুস্থানীৰ সংস্পৰ্শলৈ আহিছিলোঁ।

বাপু ভ্ৰমণৰ বাবে ওলাই যোৱাৰ সময় আহিল। মই ভালকৈ বুজিছিলোঁ যে তেওঁ মোক তেওঁৰ লগত নিনিয়ে। মই ভাবিলো, এই সময়তে তেওঁক এই কথা কোৱা ভাল হ'ব যে মই উত্তৰ ভাৰতলৈ গৈ এনে লোকৰ লগত থাকিবলৈ বিচাৰো—যিসকলে মই শিকিবলৈ চেষ্টা কৰা ভাষাত কথা কয়। মই অন্তৰত এই কথাও অনুভৱ কৰিছিলো যে, বাপু নোহোৱাকৈ আশ্ৰমত অকলে থকাতকৈ

মই যদি বাহিৰলৈ ওলাই গৈ নতুন পৰিবেশৰ মাজত থাকিব পাৰো, তেন্তে বাপুৰে সৈতে হোৱা বিচ্ছেদ অন্ততঃ কম কষ্টকৰ হ'ব।

মোৰ এই প্ৰস্তাৱত বাপুৱে সম্মতি প্ৰকাশ কৰিলে আৰু মোক দিল্লীৰ ডেৰিয়াগঞ্জ অঞ্চলত থকা 'কন্যাগুৰুকুল'লৈ পঠাবলৈ স্থিৰ কৰিলে। এই কন্যাগুৰু কুল আৰ্যসমাজৰ নাৰীশিক্ষাৰ প্ৰধান কেন্দ্ৰ আছিল। আৰ্যসমাজ-সংস্কাৰক এটা দলৰ অনুষ্ঠান আছিল কাৰণে ই সকলমতীতকৈ বেছি গতানুগতিক ধৰণৰ হোৱাৰে সম্ভাৱনা বেছি। মোৰ ভীষণ সংশয় জন্মিল। কিন্তু দেখিলো যে মোক পঠিয়াবলৈ ইয়াতকৈ উপযুক্ত ঠাই এডোখৰ চিন্তা কৰি উলিওৱাটো বাপুৰ কাৰণে সহজ কথা নাছিল। তাৰ উপৰি তেখেতে সেই কেন্দ্ৰত থকা অন্যান্য-সকলক মই কপাহ ধুনা, সুতা কটা আদি কাম শিকাৰ পাৰিম, এই আশা মনত ৰাখি মোক তালৈকে পঠোৱাৰ সকলো বন্দোবস্ত কৰি পেলোৱা দেখি মই আৰু কোনো আপত্তি নকৰিলোঁ। সেই সময়বোৰলৈ উলটি চালে মই দেখিবলৈ পাও, কেনেকৈ মই মোৰ স্বাধীনচিতীয়া স্বভাৱ ক্ৰমান্বয়ে ধ্বংস কৰি নিজক আন এজনৰ ইচ্ছাৰ সম্পূৰ্ণ অধীন কৰি পেলাইছিলোঁ—যিটো কথা জীৱনত মই কেতিয়াও কৰা নাছিলোঁ। বাপুৰ প্ৰতি যি তীব্ৰ শ্ৰদ্ধাজনিত প্ৰেম মই অনুভৱ কৰিছিলো সিয়েই মোক এনেদৰে নিয়ম-শৃঙ্খলাৰ অধীনলৈ আনিছিল। কিন্তু ই ভিতৰি ভিতৰি আগৰেপৰা থকা টনা-আজোৰাখন আৰু বঢ়াই তুলিছিল।

সকলো বয়সৰ ছোৱালীৰে ভৰি থকা 'কন্যাগুৰুকুল' এখন ডাঙৰ অনুষ্ঠান। অধ্যক্ষা আৰু শিক্ষয়িত্ৰীসকলে অতি মৰমেৰে মোক আদৰ সম্ভাষণ জনাইছিল। তাত থাকিবৰ কাৰণে মোক সুকীয়াকৈ এটা কোঠা দিছিল। শিক্ষয়িত্ৰীসকলৰ এগৰাকীৰ ওপৰত মোক হিন্দুস্থানী শিকোৱাৰ ভাৰ পৰিল। সুতা কটা শিকাবলৈ মোকো কেইগৰাকীমান ছোৱালী বাছি দিছিল। কন্যাগুৰুকুলৰ সবিশেষ কথাবিলাক এতিয়া মোৰ মনত নাই। নকলেও হ'ব যে তাৰ বেছিখিনি কথাই মোৰ ভাল নেলাগিছিল। তাৰবাবে অৱশ্যে কোনো দায়ী নাছিল। চাৰিওপিনৰ পৰিবেশ মোৰ স্বভাৱৰ ইমান বিপৰীত আৰু সকলোৰে চকুত পৰা হিচাপে এনেকৈ কলা আৰু সুকচিবোধ বৰ্জিত যে, তাৰেই অৱশ্যম্ভাৱী পৰিণাম হিচাপে মই কষ্ট অনুভৱ কৰিছিলোঁ।

কেদিনমানৰ পিচতে অধ্যক্ষা বিদ্যাৱতী দেৱীয়ে মোক আৰ্যসমাজৰ প্ৰধান নেতা স্বামী শ্ৰদ্ধানন্দৰ ওচৰলৈ লৈ গৈছিল। সন্ন্যাসীৰ হালধীয়া পোছাকেৰে সৈতে তেখেতৰ এখ, হৃষ্ট-পুষ্ট চেহেৰাৰ বৈশিষ্ট্য মই লক্ষ্য কৰিছিলোঁ। তেখেতে বাপুৰ খা-খৰ্চ লৈছিল আৰু কন্যাগুৰুকুলত থাকি মই ভাল পাইছো নে নাই সুধিছিল।

এই দেখা-সাক্ষাতৰ দুই কি তিনিদিনমানৰ পিচতে সেই ভয়ানক খবৰটো আহিছিল। স্বামীক কোনোবা এজন মুছলমানে হত্যা কৰিলে। গুৰুকুল শোকত অভিভূত হৈ পৰিল আৰু ভীষণভাৱে আলোড়িত হৈ উঠিল। হিন্দু-মুছলমানৰ সংঘৰ্ষৰ সম্ভাৱনাই দিল্লীক সচকিত কৰি তুলিছিল। ঈশ্বৰৰ অনুগ্ৰহত একো নহল। বিদ্যাৱতী দেৱীয়ে এই সকলোতে আচৰিত সাহসৰ পৰিচয় দিছিল। তেওঁ নিশ্চয় অত্যন্ত শোক পাইছিল। তথাপি যি সাহ আৰু শক্তিৰে নীৰৱে গুৰুকুলখন তেওঁ সংযত কৰি ৰাখিছিল, সি সঁচাকৈয়ে উল্লেখযোগ্য। স্বৰ্গগত নেতাগৰাকীৰ মৃতদেহাৰ প্ৰতি বিদ্যাৱতী দেৱী আৰু অন্যান্য শিক্ষয়িত্ৰীসকলৰ সম্মান প্ৰদৰ্শনৰ ইচ্ছা হোৱাটো নিতান্ত স্বাভাৱিক কথা। প্ৰশ্ন হৈছে, তেখেতৰ ঘৰলৈ যোৱাটো নিৰাপদজনক হ'ব নে নহয়। অৱশেষত সাহ কৰি তেওঁলোকে যাৱলৈকে স্থিৰ কৰিলে আৰু মোকো লগতে ললে। ঘৰৰ বাহিৰখন অসম্ভৱ ৰকমে উত্তেজিত জনতাৰে ভৰি আছিল। ৰোৱাত উঠি থকা এজন পুলিচে আমাক ভিতৰলৈ সোমাৰ কাৰণে বাট কৰি দিলে।

স্বামী শ্ৰদ্ধানন্দৰ মৃতদেহ তাতে শায়িত হৈ আছিল। মৃত্যুৱে যেন সেই বিৰাট শৰীৰটোৰ গাম্ভীৰ্য আৰু বঢ়াইছিলহে। ক্ষতস্থান ডোখৰ দেখুৱাই তেখেতৰ বুকুখন উদঙাই থোৱা হৈছিল। এই দৃশ্য গভীৰ হৃদয়গ্ৰাহী আছিল। আৰু ই যি সতৰ্কবাণী শুনাইছিল সি আছিল অতি ভীষণ।

কন্যাগুৰুকুলৰ বাতাৱৰণ ক্ৰমান্বয়ে কষ্টদায়ক হৈ উঠিছিল। আৰ্যসমাজ-পন্থীসকল মুছলমানসকলৰ প্ৰতি সদায়েই কঠোৰ আছিল। যুগ যুগান্তৰৰপৰা চলি অহা সহিষ্ণুতা আৰু স্বাভাৱিকতে সামৰি লোৱা হিন্দু প্ৰথাৰপৰা তেওঁলোক আঁতৰি স্বধৰ্মত্যাগী যুঁজাক এটা দলত পৰিণত হৈছিল। তেওঁলোকে মুছলমান আৰু খৃষ্টিয়ানসকলৰ কৰ্মপন্থাৰ লগত পোনপটীয়া সংঘৰ্ষ চলাইছিল। এতিয়া স্বাভাৱিকতে সিয়েই গৈ এটা চূড়ান্ত অৱস্থা পাইছিলগৈ। আনকি সক সক

ছোৱালীবিলাকেও উচ্ছৃঙ্খলভাৱে কথা কৈছিল। এই সকলোবিলাক বাপুৰ আদর্শৰ সম্পূর্ণ বিপৰীত কথা আছিল। কিন্তু এজনে অকলশৰে কি কৰিব পাৰে? ছোৱালীবিলাকে কোনো যুক্তি-বিচাৰ শুনিব নোৱাৰিছিল—শুশুনিছিল। এই পৰিস্থিতি বর্ণনা কৰি মই বাপুলৈ লিখিছিলোঁ। তেখেতে ৩ জানুৱাৰী তাৰিখে লিখা উত্তৰত লিখিছিল:

"কি এক অৱস্থাৰ মাজেৰে তুমি যাব লগা হৈছে মই বুজিছো আৰু তাৰ কাৰণে মই আনন্দিত হৈছোঁ। ভালে বেয়াই মানুহ যেনেকুৱা, সেই হিচাপে লৈয়েই তুমি মানুহক ভাল পাব লাগিব।"

দ্বাবিংশতি অধ্যায়

কন্যাগুরুকুলত থকা অৱস্থাতে মই আর্যসমাজৰ প্রধান কেন্দ্র গুরুকুল কাংগ্রীৰ বিষয়ে বহুতো কথা শুনিছিলোঁ। গুরুকুল কাংগ্রী ল'বাবিলাকৰ এখন ডাঙৰ শিক্ষানুষ্ঠান আছিল। স্বামী শ্রদ্ধানন্দই নিজে পুৰণি কালৰ অবণ্যৰ বিশ্ববিদ্যালয়ৰ আদর্শলৈ উভতি যাবৰ মানসেৰে হৰিদ্বাৰৰ বিপৰীতে গঙ্গাৰ সিটো পাৰত হিমালয়ৰ নামনি অঞ্চলত এই গুরুকুলৰ কাৰণে স্থান নির্বাচন কৰিছিল। এবছৰ কি দুবছৰৰ আগেয়ে ভাষণ বানপানীয়ে ঠাইডোখৰৰ অশেষ ক্ষতিসাধন কৰিছিল যদিও অধ্যাপক আৰু ছাত্রসকলে মিলি অনুষ্ঠানটো চলায়েই গৈছিল। পর্বতৰ কাষত অৱস্থিত, এই কথাটোৱে মোক বৰকৈ আকর্ষণ কৰিছিল। ভাবিছিলোঁ, ছোৱালীৰে ভৰি থকা চহৰৰ মাজৰ এই কন্যাগুরুকুলতকৈ গুরুকুল কাংগ্রীত পঢ়া-শুনাৰ কাৰণে নিশ্চয় শান্তিপূর্ণ বাতাবৰণ পোৱা হ'ব। সেই কাৰণে ভালৈ যোৱাৰ কথা সুধি মই বাপুলৈ লিখিছিলোঁ। তেখেতে গুরুকুল কর্তৃপক্ষলৈ এই বিষয়ে লিখিলে আৰু তেওঁলোকেও সম্মতি দিলে। পিচতহে মই জানিব পাৰিলোঁ যে মোৰ ক্ষেত্রত সাধাৰণ নিয়মৰ ব্যতিক্রম কৰা হৈছিল। কাৰণ সেই গুরুকুলত কোনো তিৰোতা মানুহ থকাৰ নিয়ম নাছিল।

মনত উচ্চ আশা লৈ গুরুকুল কাংগ্রী অভিমুখে বাওনা হ'লোঁ। মনত ভাব আছিল, অন্ততঃ দূৰৰপৰা হলেও হিমালয় পর্বতমালা দেখিবলৈ পাম আৰু শেষত আকৌ গাঁৱলীয়া পৰিবেশ এটা পামগৈ। নদীৰ পাৰত অৱস্থিত হলেও আৰু চাৰিওফালে কিছু পথাৰ-সমাৰ থাকিলেও সৰৱমতীত গাঁৱৰ পৰিবেশ নাছিল। নদীৰ সিপাৰলৈ চকু পেলালেই বায়ু দূষিত কৰা কেষ্টীৰ চিম্‌নীৰ অবণ্যহে দেখিবলৈ পোৱা হয়। ফুৰা-চকা বুলিলে অকণো মনোগ্রাহী নহয়, তেনেকুৱা বাট এটাইদি আশ্রমৰ পদুলিৰপৰা জেলৰ পদুলিলৈকে যোৱা আৰু ভাৰপৰা উভতি অহা। যদিও এইবিলাকৰ বিষয়ে চিন্তা নকৰো বুলিয়েই ঠিক কৰিছিলো, তথাপি সৰৱমতীত থকা কালত হাবি-বনৰ আকাঙ্ক্ষা মোৰ মনৰপৰা আঁতৰা নাছিল।

হৰিদ্বাৰ ষ্টেশ্যনত গুৰুকুলৰ অধ্যাপক এজনক গৰুগাড়ী এখনেৰে সৈতে বৈ থকা পালোঁগৈ। কাৰণ ডাঙৰ ডাঙৰ শিল আৰু গভীৰ বালিৰে ভৰা গঙ্গানদীৰ বহল বুকুৰ ওপৰেদি কৌশলেৰে পাৰ হ'বলৈ এই গৰুগাড়ীয়েই একমাত্ৰ উপযোগী বাহন আছিল। মুক্তবায়ু সেৱন কৰাৰ আনন্দ উপভোগ কৰিলোঁ। বিশাল অৰণ্যৰ পিনে মোৰ চকু আকৃষ্ট হ'ল। কিছু হতাশ হৈ পৰিছিলোঁ এই কাৰণেহে যে ৰবফেৰে ঢকা পৰ্বতশ্ৰেণীবিলাক বৰ বেছি দূৰত আছিল। হিমালয়ৰ পাদদেশৰ আকাৰ আৰু বিস্তৃতি সম্বন্ধে মোৰ উপলব্ধি হোৱা নাছিল।

অলপ আঁতৰত সাধাৰণ এখন বেৰা দি আছুতীয়াকৈ কথা-সক আলহী ঘৰ এটাত মই থাকিবলৈ লৈছিলোঁ। মোক সকলোৱে মৰম কৰিছিল। খবিখেৰ বাচন-পত্ৰ আৰু খোৱা বস্তু আদিৰ সকলো জা-যোগাৰ কৰি ছিছিল। মোক হিন্দুস্থানী শিকোৱাৰ ব্যৱস্থাও কৰা হৈছিল।

এই সময়ত বাপুৱে আত্মনিৰ্ভৰশীলতাৰ বাণী প্ৰচাৰ কৰি আৰু নতুনকৈ গঠিত হোৱা 'নিখিল ভাৰত চৰ্খা সঙ্ঘ'ৰ বাবে ধনডণি সংগ্ৰহ কৰি বিহাৰত পৰিভ্ৰমণ কৰিছিল। নতুন পৰিবেশে মোৰ মনত মুকলিমূৰীয়া ভাৱৰ সঞ্চাৰ কৰিছিল যদিও বাপুৰ বিচ্ছেদে অন্তৰত কষ্ট দিছিল। যেই নহওক, লাহে লাহে মোৰ হিন্দুস্থানী শিক্ষাৰ উন্নতি হ'বলৈ ধৰিলে আৰু ওচৰৰে গাওঁ এখনলৈ কপাহ ধুনা শিকাবলৈ যাবলৈ ল'লোঁ। ভাৰতৰ গাওঁবাসী বাইজৰ লগত এয়ে মোৰ প্ৰথম সংস্পৰ্শ। মই থকা ঠাইৰপৰা এই গাঁৱলৈ অহা-যোৱা কৰা বাট ডোখৰৰ মাজত আছিল এখন ডাঠ হাবি আৰু খোজকাঢ়ি পাৰ হ'ব পৰা এটা সৰু জুবি। বহুত্ব কৰিবৰ কাৰণে গছবিলাক আৰু আদৰ-সম্ভাষণ জনাবলৈ চৰাই-চিৰিকতিবিলাক তাত বৈ আছিল। এইবিলাক মোৰ ভাল লাগিছিল।

জানুৱাৰী মাহত মই গুৰুকুল কাংগ্ৰী পাইছিলোগৈ। মাৰ্চ মাহত জয়ন্তী উৎসৱলৈ বাপুও তালৈ অহাৰ কথা আছিল। 'বেনাৰস হিন্দু বিশ্ববিদ্যালয়'ৰ প্ৰতিষ্ঠাতা, প্ৰবীণ জাতীয় নেতা পণ্ডিত মদনমোহন মালব্যকে আদি কৰি অন্যান্য নেতাসকলো তালৈ অহাৰ কথা আছিল। মাৰ্চ মাহ আৰম্ভ হোৱাৰ লগে লগে বিৰাটৰূপে জা-যোগাৰৰ কাম আৰম্ভ হ'ল। দৰ্শকসকলৰ কাৰণে সকলো বন্দবস্ত ডালকৈ কৰি কেম্প সজা হ'ল। নেতাসকল থাকিবৰ কাৰণে ঘৰৰ সুকীয়া ব্যৱস্থা কৰা হ'ল। ৰৰ আনন্দৰ কথা, শুনিলো, বাপু যোলে আহি মই থকা আলহী ঘৰটোতে থাকিবহি। সময় ওচৰ চাপি

অহাৰ লগে লগে প্ৰতিজনেই এনেদৰে ব্যস্ত হৈ পৰিল যে, মোৰ পঢ়া-শুনা কিছুদিনৰ কাৰণে বন্ধ ৰাখিবলগীয়া হ'ল। আলহী ঘৰটো ধুই-পখালি পৰিষ্কাৰ কৰি পৰিপাটীকৈ সজাই-পৰাই বাপু আৰু ভেঙৰ লগত অহা তিনি-চাৰিজন মানুহৰ কাৰণে সাজু কৰি থোৱা হ'ল। বাপুৰ লগত বাকী কোন কোন আহিছিল মোৰ সঠিক মনত নাই। সম্ভৱতঃ মহাদেৱ, প্যাৰেলাল আৰু কোনোবা দুই এজন।

ইমান দিনৰ মূৰত বাপুক আকৌ দেখিবলৈ পাম, এই চিন্তা মোৰ মনৰপৰা একেবাৰে মুগুছা হ'ল। অৱশেষত ভেঙ যেতিয়া পালেহি, মই বাহিৰে দেখাত কোনোমতে শান্ত হৈ আছিলোঁ। কিন্তু সেইদিনাই আবেলি প্ৰাৰ্থনাৰ পিচত মোৰ আবেগ মই দমাই ৰখা টান হ'ল আৰু বাবীৰ ফালে মনে মনে লৰমাৰি গৈ কান্দি পেলালোঁ। মোৰ অতদিনে জোৰেৰে বন্ধ কৰি ৰখা অৱৰুদ্ধ আবেগ-অনুভূতি জোৰেৰে বাহিৰ ওলাই আহিল। গছ এজোপাৰ আঁৰত মই লুকাবলৈ চেষ্টা কৰিছিলো। বাবীখন বৰ সৰু আছিল। কোনোবা এজনে মোক সেইদৰে থকা দেখি কি কথা জানিবৰ কাৰণে মোৰ ওচৰলৈ আহিছিল। মই কেনেকৈ বুজাওঁ? এনেকুৱা কথাবিলাক আনক বুজাব নোৱাৰি। কোনোবাই এই বিষয়ে বাপুক ক'লত ভেঙ বৰ অস্বস্তি অনুভৱ কৰিছিল। প্ৰাৰ্থনাত গোট খোৱা লোকসকল দিহাদিহি যোৱাৰ পিচত ভেঙ মোক মাতি নি সুধিলে—"এইবিলাক কি?" মৰমেৰে, কিন্তু দৃঢ়ভাবে ভেঙ মোক বুজাইছিল, ককৰ্ধনাও কৰিছিল। মই বুজিলো যে এই ঘটনাৰপৰা ভেখেতৰ বিশ্বাস বাঢ়িলহে যে মই বেলেগ হৈ থকাত অভ্যস্ত হৈ উঠিবই লাগিব।

আশা অলপো নাছিল, তথাপি মই আশা কৰিছিলো যে বাপুয়ে হয়তো এইবাৰ মোক ভেঙৰ লগত লৈ যাব। কিন্তু বাপুয়ে এতিয়া মোক এনেকুৱা এখন ঠাইলৈ পঠোৱাৰ কথা ক'বলৈ ধৰিলে, যিখন ঠাই এই গুৰুকুলতকৈ মোৰ কাৰণে ভাল হ'ব বুলি ভেঙ ভাবিছিল। কিয়নো, গুৰুকুলত বাকী-সকলৰপৰা মই আঁতৰ হৈ থাকিব লাগিছিল। অনতিপলমে মই বুজি উঠিলোঁ যে ষ্টেণ্ডনলৈকে এইখিনি বাট যোৱাৰ বাহিৰে বাপুৰ লগত যোৱাৰ কোনো প্ৰশ্নই আৰু নাই। ষ্টেণ্ডনত আমি দুয়ো দুকালে যাব লাগিব আৰু ট্ৰেইন সলনি কৰিব লাগিব বুলি বুজিলোঁ। সেই দিনটো যেতিয়া আছিল, মোৰ অন্তৰ ভাগি গৈছিল। কিন্তু বাহিৰত সেই ভাব নেদেখুৱাবলৈকে চেষ্টা কৰিছিলোঁ। এইবাৰ

মই যেবাব "ভগবদ্‌ভক্তি" আশ্রমলৈ যাব লাগিব। শেঠ যমুনালাল বাজাজজীয়ে মোব বাবে এইখন ঠাইব নাম অনুমোদন কবিছিল।

এইখন এখন সম্পূর্ণ নতুন বাজ্য—বাজস্থান। এই ঠাইব প্রাকৃতিক দৃশ্য, স্থানীয় কৃষক বাইজব বীতি-নীতি, আচাব-ব্যবহাব, গৰু-গাই—সকলো যেলেগ ধবণব আৰু যথেষ্ট মনোগ্রাহী আছিল। হিমালয়ব পাদদেশব জাক-জমকপূর্ণ—চমকপ্রদ অবণ্যভূমি মই হেকৰালোঁ। কিন্তু ইয়াত এই চাবিওপিনে মুকলি গাঁৱলীয়া ঠাইখিনিব নিজস্ব এটা প্রকৃত মনোৰম ৰূপ আছিল। ঠায়ে ঠায়ে ছাবি-বনব সৰু সৰু জোপোহাবিলাক আছিল। ভাব'মাজে মাজে ক'লা হবিণাই দল বান্ধি শান্তভাবে চবি ফুবা প্রায়ে পোৱা গৈছিল। ঠাইখন সঁচাকৈয়ে অতি মনোৰম আছিল। কিন্তু ইয়াব জলবায়ু বব গবম আৰু তেতিয়া গ্রীষ্মকাল ওচব চাপিছিল।

মোব চাবিওপিনব পবিবেশ নতুন আৰু মনোবঞ্জক আছিল যদিও স্বাস্থ্য ভাল নথকা সত্ত্বেও বাপু আকৌ এক কষ্টসাধ্য ভ্রমণলৈ ওলোৱাব চিন্তা মোব মনবপবা আঁতবা নাছিল। বাপুব লগত এবাএবি হোৱাব দুখো যোৱা নাছিল।

পিচদিনাখন বাপুবপবা এখন চিঠি আহিল :

"আজিব বিদায় বব দুখদায়ক আছিল, কাবণ মই বুজিছিলো যে তোমাক মই কষ্ট দিছিলোঁ। তত্রাচ সি অনিবার্য আছিল। মই তোমাক কোনো বকমব দোষ-ত্রুটি নথকা, সকলো বিষয়তে সম্পূর্ণ এগবাকী ভিবোতা হোৱাটো বিচাবো। তুমি মনব সকলো বকমব আড়ষ্টতা আৰু একা-বেঁকা ভাব পবিত্যাগ কবাটো বিচাবো। অনাবশ্যকীয় সকলো লুক-ঢাক ভাবো যাব লাগিব।

স্নায়বিক দুর্বলতা দলিয়াই পেলোৱা। তুমি মোব এই শবীবটোত নিশ্চয় ওলমি থাকিবলৈ চাব নেলাগিব। শবীবটো বাদ দি আত্মা সদায় তোমাব লগতে আছে। সেই আত্মা, তেজ-মঙহব শবীবব সকলো সীমাবদ্ধভাবে সৈতে শবীবব ভিতবত বন্দী, দুর্বল আত্মাতকৈ বহুতগুণে শ্রেষ্ঠ। শবীবক বাদ দি যি আত্মা, সিহে শুদ্ধ, নির্দোষ আৰু তাবেইহে আমাব প্রয়োজন। অনাসক্তিব অভ্যাস কবিলেহে আমাব এই অনুভূতি জন্মিব পাবে। অনাসক্তিব ভাব আয়ত্ত কবিবলৈ তুমি এভিয়াবপবা যত্ন কবিব লাগিব।

মই যদি তুমি হ'লোহেঁতেন তেন্তে নিজক এনেদবেই শুধবাবলৈ চালোহেঁতেন। কিন্তু তুমি নিজব মতেই চলিবলৈ চাবা। ইয়াত মই যিবিলাক কথা কৈছো—তোমাব অন্তবে যদি গ্রহণ কবিব নোখোজে তেন্তে তুমি তাক প্রত্যাখ্যান কবিবা। যিয়েই নহওক,

তুমি নিজব ব্যক্তিত্ব অটুট বাখিবই লাগিব। যেতিয়া তুমি অবশ্যকবণীয় বুলি ভাবা তেতিয়া তুমি মোক প্রতিবোধো কবিবা। তোমাব প্রতি মোব মবম থকা বাবণেও মই তোমাক ভুল বুজিব পাবোঁ। মোব কেতিয়াও পতন বা দোষ হ'বই নোৱাবে, এনেকুৱা গুণ তুমি মোব ওপবত আবোপ কবাটো মই নিবিচাবোঁ।"

২২।৩।২৭

এইকেইটা শব্দেবে বাপুৱে আগলৈ অহা দিনবিলাকত মই সম্মুখীন হ'ব লগা—আমি উভয়ে সম্মুখীন হ'ব লগা যুদ্ধখনব মূল কথাটোব আভাস দিছিল। বাপুৱে বিচাৰিছিল মই নিখুত হ'ব লাগে, অথচ নিজব ব্যক্তিত্বও হেকৰাব নেলাগে। এই দুয়োটা খাপ নোখোৱা কথা। "যিয়েই নহওক কিয়, তুমি তোমাব ব্যক্তিত্ব অটুট বাখিবই লাগিব।" মোব ভিতবব স্বাভাৱিক 'মই'জনীক হত্যা কবাব কথা বাপুৱে বুজিছিল। কিন্তু সকলো প্রকাবে মই যদি তাকে নকবিলোঁহেতেন তেন্তে বাপুক সদায়েই অসন্তুষ্ট কবিব লগা হ'লহেঁতেন। এই চিঠিখনব কথাবিলাক গভীবভাৱে চিন্তা কবিও মই কোনো সমাধান উলিয়াব পবা নাছিলো। নিজব মতেই চলিবলৈ স্থিব কবি এটা মুহূর্তত যদি মই মনটো পাতল যেন পাওঁ, তাব পিচ মুহূর্ততে মোব এনে ভাব হয় যে যিকোনো উপায়ে মই নিজব দোষ-ত্রুটিবিলাক আঁতবাবই লাগিব। সেই প্রয়োজনীয় অনাসক্তি কেনেকৈ লাভ কবিব পাবি? সকলো সময়তে বাপুব মঙ্গলব চিন্তাত ভিতবি মোব অন্তবখন কঁপি উঠিছিল। কিবা এটা বেয়া খবব পাম পাম যেন লাগি মনটো গধুব হৈ পবিছিল।

পঞ্চমদিনা হঠাতে মহাদেৱবপবা এখন টেলিগ্রাম আহিল যে বাপুৱে সন্ন্যাসবোগব আক্রমণবপবা কথমপিহে সাবিছে। তেওঁব বক্তচাপ এতিয়াও বব বেছি হৈ আছে আৰু ডাক্তবে সম্পূর্ণভাৱে জিবণি ল'বলৈ পবামর্শ দিছে। মোব অনাসক্তি লাভব চিন্তা কেনিবাদি উবি গ'ল। টেলিগ্রাম কবিলোঁ। পিচব খববব কাবণে উদ্বিগ্ন হৈ মহাদেৱলৈ চিঠি লিখিলো। কেদিনমানব পিচত বাপুবপবাই এইবুলি এখন চিঠি আহিল যে তেওঁব কিছু ভাল আৰু মই চিন্তিত নহৈ নিজব কামত নিমগ্ন হ'ব লাগে। মই পার্শ্বনামে তাকে কবিবলৈ চেষ্টা কবিছিলোঁ। কিন্তু বাপুৱে অতিবিক্ত পবিশ্রম নকবিব বুলি তেওঁব ওপবত যি বিশ্বাস বাখিবলৈ চেষ্টা কবিছিলোঁ সেই বিশ্বাস নোহোৱা হ'ল। মোব আগত দুটা কথা স্পষ্টকৈ ওলাই পবিছিল: প্রথম কথা হৈছে, যিসকলে বাপুব ভ্রমণ

আঁচনি প্ৰস্তুত কৰিছিল তেওঁলোকৰ মাত্ৰাজ্ঞান নাছিল। তেওঁলোকে অসম্ভৱ ধৰণৰ ভ্ৰমণ তালিকা তৈয়াৰ কৰিছিল। দ্বিতীয়তে, বাপুৱেও জনসাধাৰণৰ সকলোকে সন্তুষ্ট কৰিবলৈ গৈ তেওঁৰ শক্তিয়ে অটাতকৈ অধিক কৰিবলৈ গৈছিল। ডাক্তৰৰ পৰামৰ্শ মতে বাপুৱে সৰৱমতীতে জিৰণি ল'বলৈ ইচ্ছা কৰিছিল। কিন্তু তেওঁৰ এনে কথাত ডাক্তৰসকল সন্মত নহৈ কোনোবা এখন ঠাণ্ডা ঠাইতহে গৈ তেওঁ জিৰণি ল'ব লাগিব বুলি কৈছিল। সেইমতে প্ৰথমতে মহীশূৰৰ নন্দীহিলত আৰু পিচত বাঙ্গালোৰত তেখেতৰ থকাৰ বন্দৱস্ত কৰা হ'ল।

আমাৰ মাজত চিঠি-পত্ৰৰ আদান-প্ৰদান নিয়মমতে চলিছিল। সেই সময়ত বাপুলৈ লিখা চিঠিবিলাকৰ ভিতৰৰ এখনত মই মোমা মোলাৰ "লাইফ অব্ বীথভেন" নামৰ কিতাপৰপৰা কিছু অংশ তুলি দিছিলোঁ। ১৯২৭ চনৰ ১৩ এপ্ৰিল তাৰিখে লিখা উত্তৰত তেখেতে লিখিছিল :

"বীথভেনৰ উদ্ধৃতি থকা তোমাৰ চিঠিখনৰ প্ৰাপ্তি-স্বীকাৰ আজি এই অনশনৰ দিনাই মই কৰিব লাগিব। সেইবিলাক আত্মাৰ উপাদেয় আহাৰ। তুমি সঙ্গীত পাহৰি পেলোৱাটো বা তোমাৰ সঙ্গীতৰ প্ৰতি থকা বাপ নোহোৱা হোৱাটো মই নিবিচাৰোঁ। সেই সকলোবিলাক, বিবিলাকৰ ওচৰত তুমি ইমানখিনি ধৰৱা আৰু যিহে স'চাকৈয়ে তোমাক মোৰ ওচৰলৈ আনিলে, তাক পাহৰি পেলোৱাটো নিষ্ঠুৰতা হ'ব।"

কাৰ্যতঃ একেবাৰে অকলশৰে বীথভেন সঙ্গীত শুনাৰ কোনো উপায় নথকাত মনৰ সেই আশা মনতে সামৰি থৈছিলোঁ। দৰাচলতে মই হঠাতে এনে এটা অৱস্থাত উপনীত হৈছিলোঁ, যেতিয়া, মই যি জীৱনত প্ৰবেশ কৰিছিলোঁ তাৰ বাহিৰে অন্যকথা নেভাবিবলৈ চেষ্টা কৰিছিলোঁ। কোনো সন্দেহ নাই যে বাপুৱে এনে ইচ্ছা নকৰিছিল। কিন্তু অনুভৱ হৈছিল যেন ই মোৰ তপস্যাৰ এক অৱশ্যম্ভাৱী অংশ। মোৰ প্ৰাৰ্থনাৰ উত্তৰত যেন মই ইয়াক পাইছো। বাপুৱে বা মই কোনেও তাত বাধা দিব নোৱাৰিছিলোঁ।

ভগবদ্ভক্তি আশ্ৰমখন এখন কট্‌কটীয়া নিয়ম-নীতিবপৰা মুক্ত সহজ-সৰল ঠাই। তাত গুৰুকুলৰ নিচিনা পৃথকীকৰণৰ নিয়ম নাছিল। এই আশ্ৰমৰ প্ৰধান গৰাকী এজনা বৃদ্ধ স্বামী। তেখেতক মহাৰাজজী নামে সকলোৱে জানে। তেখেতক আশ্ৰমৰ পুৰুষ, মহিলা আৰু সকলো বয়সৰে ল'ৰা-ছোৱালী, সকলোৱে গুৰু বুলি মানে। কোনো নিৰ্দিষ্ট সীমাৰ ভিতৰত আশ্ৰমখন অৱস্থিত নাছিল।

প্রকাণ্ড ঠাই এখনৰ অ'ত ত'ত আশ্রমৰ ঘৰবিলাক সিচঁৰতি হৈ আছিল আৰু গোটেইখনতে ধুনীয়া নিমগছবিলাক আছিল।

দুর্ভাগ্যক্রমে আশ্রমখনত এটা দোষ আছিল—সেই বিষয়ে বাপু বা যমুনালালজীয়ে বোধকৰো নাজানিছিল। সেইটো হৈছে, গছবপবা তৈয়াৰ কৰা এবিধ নিচা, ভাং খোৱা দস্তুৰ। বহুতো বিষয়ত মই তেতিয়াও নতুন আছিলো। পুৰাদস্তুৰ সাধু সমাজৰ লগত, য'ত ভাং খোৱাটো সাধাৰণ কথা হিচাপে ধৰা হয়, মোৰ তেতিয়াও পৰিচয় হোৱা নাছিল। সেই কাৰণে আশ্রমৰ কিছুমানে ভাং খাই বম্ ভোলা হৈ পৰি থকা দেখি মই ভীষণ আচৰিত হৈছিলোঁ। আশ্রমবাসী-সকলক আচৰিত মানি এই কথা যেতিয়া সুধিছিলোঁ তেতিয়া তেওঁলোকে মোৰ কথা শুনি হাঁহিছিল। কথাটো মই সহজভাৱে গ্রহণ কৰিব পৰা নাছিলো। বাপুক চিঠিৰে এই বিষয়ে জনালোঁ, তেখেতো বিচলিত হৈ পৰিছিল আৰু যমুনালালজীক আশ্রম পৰিদর্শন কৰিবলৈ কৈছিল। অৱশেষত গাঞ্জাৰ সেই পৰিবেশ নোহোৱা হ'ল।

হিন্দী ভাষা শিকাত মই আগবাঢ়িছিলোঁ। পিছে মই যিমান বেগাই শিকিবলৈ বিচাৰিছিলো সিমান বেগাই শিকিব পৰা নাছিলোঁ। এই সময়ছোৱাত বাপুৰে তেখেতৰ চিঠিত মই হিন্দী শিক্ষা শেষ কৰাৰ আৱশ্যকীয়তাৰ ওপৰত জোৰ দি লিখিছিল আৰু তেখেতে ইচ্ছা কৰিছিল, এই কাম শেষ নকৰাকৈ যেন মই তেখেতৰ কাষলৈ নেযাওঁ। "প্রথমতে হিন্দী, তাৰ পিচতহে আন কথা।" এই ভাৱটো এটা দুঃস্বপ্নৰ দৰে হৈছিল।

বাৰিষা আৰম্ভ হোৱাৰ লগে লগে বাপু নন্দী পাহাৰৰপৰা নামি বাঙ্গালোৰলৈ আহিল আৰু ময়ো শেষত স্থিৰ কৰিলোঁ যে আৰু বেছিদিন এইদৰে নিজক ভোৰ কৰি বাখি বখাতকৈ হিন্দী শিক্ষা 'সমাপ্ত' কৰাৰ চেষ্টা বাদ দি বাপুক দেখা কৰিবলৈ যাম। কিন্তু কেতিয়া শেষ হ'ব কেনেকৈ কোৱা যায়? পৰীক্ষা আদি দিয়াৰ নিয়ম নাছিল। 'সমাপ্ত' মানে যদি হিন্দীত সম্পূর্ণ দখল বুজায়, তেন্তে তাক আয়ত্ত কৰিবলৈতো কেবাবছৰো লাগিব। সেইকাৰণে এই দুঃস্বপ্নৰ কথা বাদ দি মই যোৱাৰ কথাকে ভাবিলোঁ।

এইটো যাত্রা সম্বন্ধে মোৰ বেছি একো মনত নাই। কিন্তু মনত আছে যে চিঠিত বাপুৱে যেনেকৈ লিখিছিল, তেওঁক দেখি সিমান সুস্থ যেন মোৰ লগা নাছিল। মোৰ বিবেকে মোক তাত দীঘলীয়াকৈ থাকিবলৈ নিদিছিল।

ভগবদ্‌ভক্তি আশ্রমলৈ মই কিন্তু উভতি যোৱা নাছিলোঁ। বাপুৱে স্থিৰ কৰিলে যে বাকী দুমাহৰ কাৰণে মই বিনোবাজীৰ আশ্রমলৈকে যাব লাগে। মোৰ হিন্দী জ্ঞান তেতিয়া কাম চলাবৰ কাৰণে যথেষ্ট বুলি ভৰা হৈছিল। অন্যথে দক্ষতা লাভ যে হৈছিল এনে নহয়।

আন সকলো ঠাইতকৈ ৱার্ধা-আশ্রম মোৰ ভাল লাগিছিল। আশ্রমৰ চাৰিওপিনে মুকলি ঠাই আছিল আৰু তাৰ বাতাবৰণো আনন্দদায়ক আছিল। বাপুৰ খাদী উৎপাদন আঁচনিৰ সংগঠকসকলৰ ভিতৰৰ এজন শ্রেষ্ঠ সংগঠক বয়োবৃদ্ধ জাজুজীক মই শিক্ষক হিচাপে পাইছিলোঁ। তেওঁ আছিল এজন ধৈৰ্যশীল আৰু উৎকৃষ্ট শিক্ষক।

ৱার্ধাত কেছিদিন নো হওঁতেই মই ভীষণভাৱে মেলেৰিয়া জ্বৰত আক্রান্ত হৈ পৰিছিলোঁ। শৰীৰৰ উত্তাপ ১০৫ ডিগ্রীলৈকে উঠিছিল। মোৰ কাৰণে মেলেৰিয়াৰ এয়ে প্রথম আক্রমণ আছিল নেকি মোৰ মনত নাই। কিন্তু এইবাৰেই প্রথমবাৰৰ কাৰণে বৰ বেয়া ধৰণৰ জ্বৰ হৈছিল। তেতিয়াৰেপৰা প্রায় প্রতিবছৰেই, পঁচিশ বছৰৰো বেছি, মই এই ৰোগত ভুগিছিলোঁ। সেইবাৰৰ অসুখ বহুত দিনলৈকে চলিছিল আৰু যেতিয়া অসুখে এৰা দিলে, মই অত্যন্ত দুৰ্বল হৈ পৰিছিলোঁ। জিৰণি ল'বলৈ আৰু বায়ু পৰিৱর্তন কৰিবলৈ বাপুৱে মোক পুণালৈ যোৱাৰ ব্যৱস্থা কৰি দিছিল।

ইতিমধ্যে বাপুৱে বাঙ্গালোৰত গা টঙাই উঠি দক্ষিণ ভাৰতত ভ্রমণ আৰম্ভ কৰিছিল। খবৰ কাগজত ওলোৱা বাতৰিৰপৰা আৰু আনকি বাপুৰ চিঠি-বিলাকৰপৰাও জানিব পাৰিছিলো যে কামৰ ভীষণ হেঁচাৰ কাৰণে তেখেতৰ স্বাস্থ্য আকৌ ভাগি পৰোঁ পৰোঁ অৱস্থা। চেপ্টেম্বৰৰ ৯ তাৰিখে তেখেতে লিখিছিল :

"প্রেমৰিলাকত ভেওঁলোকে মোৰ কাৰণে যথেষ্ট সময় ৰাখে। নানাধৰণৰ শ্রোতাসকলৰ আগত মোৰ অন্তৰ ঢালি কথা কওঁ। এইদৰে কথা কোৱাৰ পিচত আন একো কৰিবলৈ মোৰ শক্তি নাইকিয়া হয়····। এই ভ্রমণ সমাপ্ত হোৱাটো যদি ঈশ্বৰৰ ইচ্ছা হয়, তেন্তে তেওঁ অনিষ্ট হ'বলৈ নিদিয়ে। সেইকাৰণে তুমি মোৰ কাৰণে চিন্তা নকৰিবা।"

কিন্তু ইয়াৰ আগৰবাৰ বাপুৰ স্বাস্থ্যভঙ্গ হোৱাৰ পিচত মই কেনেকৈ শান্তিৰে থাকিব পাৰোঁ? অলপতে মেলেৰিয়াত ভোগাৰ পিচৰেপৰা মোৰ নিজৰো শাৰীৰিক দুৰ্বলতা কমা নাছিল। তাৰ উপৰি দক্ষিণ ভাৰতৰপৰাও

ক্রমে অত্যন্ত অস্বস্তিকব খবববিলাক আহিবলৈ ধবিলে। দক্ষিণ ভাবতব আধাবাটত, মই পুণাত আছিলোঁহেঁতে। সেইকাবণে পুনবায় মোব কাম আবম্ভ কবাব আগতে এবাব গৈ বাপুক চাই অহাবপবা নিজক বিবত বাখিব নোৱাবিলোঁ। পিছে এইবাব মই এটা ডাঙব ভুল কবিছিলোঁ। মই ভীষণ বকনি খালোঁ আৰু ততালিকে টোপোলা-টাপলি বান্ধি সবৰমতীলৈ গুচি আহিব লগা হ'ল।

যদিও বাপুৱে সময়ে সময়ে কঠোব ব্যৱহাব কবিছিল, তথাপি তেনে কবি তেওঁ নিজেও কষ্ট পাইছিল :

"এইবাবব নিচিনাকৈ তোমাব চিঠিব কাবণে মই কেতিয়াও উদ্বিগ্ন হোৱা নাছিলোঁ। কিয়নো এটা টান অস্ত্রোপচাবব পিছত বব বেগেতে মই তোমাক আঁতবাই পঠালোঁ। কিন্তু এই আঁতবাই পঠোৱাটো সেই অস্ত্রোপচাবৰে এটা অংশ। বেচেবা আত্মা! তেৱেঁ। মোক কৈছিল যে তোমাব মন বেয়া হৈ আছে। তেওঁ কৈছে যে মই তোমাক সান্ত্বনা আৰু আশ্বাস দিয়া উচিত। যমুনালালজীয়ে কৈছে যে মই তোমাক মোব লগত বখা উচিত আছিল। কিন্তু মই আশাকবোঁ, তুমি ভালভাবে প্রফুল্লমনে থাকি তেওঁলোকব এই সংশয় মিছা বুলি প্রতিপন্ন কবিবা। কালি নিশা সপোনতো তোমাক দেখিছিলো। যিসকলব ওচবলৈ তোমাক পঠোৱা হৈছে, তেওঁলোকে মোক খবব দিলে যে তুমি প্রলাপ বকিছা, কিন্তু ভয়ব কাবণ নাই। তেওঁলোকে ইয়াকো ক'লে, 'আপুনি উদ্বিগ্ন হ'ব নালাগে। মানুহব সাধ্যমে কবিব পবা সকলোবিনি আমি কবিছোঁ।' এনেতে মই সাব পালোঁ। মনটো বব বেয়া লাগিল। ঈশ্ববে সকলো বিধিনিবপবা তোমাক বক্ষা কবক—তাব কাবণে প্রার্থনা কবিলো। এদে সময়ত তোমাব চিঠিখন পাই বব আনন্দ পালোঁ।"

বাপুক ইমান বেছি পবিমাণে উদ্বিগ্ন কবি তুলি মোব অত্যন্ত অনুতাপ হৈছিল। আৰু তেওঁক আমনি নকবো বুলি এক ভীষণ দৃঢ়তাবে মোব কামত লাগি গ'লোঁ।

ভাইচবয় লর্ড আবউইনে দেখা-সাক্ষাতব কাবণে বাপুক দক্ষিণ ভাবতবপবা মতাই আনিলে। দিল্লীলৈ উত্তবি আহোঁতে ট্রেনবপবা বাপুৱে লিখিছিল :

"এই সাক্ষাৎ-প্রসঙ্গবপবা বিশেষ কিবা লাভ হ'ব বুলি মোব মনে নকয়। কিন্তু সেই ধাবণাব ওপবত ভেটি কবি আগবঢ়োৱা নিমন্ত্রণ মই প্রত্যাখ্যান কবিব নোৱাবো।"

দেখা গ'ল যে চাইমন কমিছন সম্বন্ধে ভাবত সচিবব ঘোষণাই আছিল এই দেখা-সাক্ষাতব উদ্দেশ্য। কি এক দুৰাশাব কথা।

দিল্লীবপৰা বাপু কেদিনমানৰ কাৰণে সিংহললৈ গৈছিল। ভাৰতৰ স্বাধীনতা আন্দোলনৰ কাৰণে তাত গৈ অৰ্থসংগ্ৰহ কৰিছিল। তাৰ পিচত তেওঁ সবৰমতীলৈ উভতি আহে।

এই গোটেইখিনি দিন মই সবৰমতীতে আছিলোঁ। কপাহ ধুনা আদি কাম ভালকৈ শিকিছিলোঁ। ল'ৰা-ছোৱালীক টাকুৰীত সূতা কাটিবলৈ শিকাইছিলোঁ। গো-শালাতো কিছু কাম কৰিছিলোঁ। এজনী গাই সদায় মই খীৱাইছিলোঁ।

এই সময়ত দেশত ৰাজনৈতিক অস্থিৰতা ক্ৰমাৎ বৃদ্ধি পাইছিল। "চাইমন উভতি যোৱা", চাইমন কমিছন বৰ্জন আন্দোলন আৰম্ভ হৈছিল। বাপু আকৌ সক্ৰিয় ৰাজনীতিত সোমাইছিল। তেওঁ প্ৰায়েই জৰুৰী সভা-সম্মিলনৰ কাৰণে ওলাই যাবলগীয়া হৈছিল। সি যি কি নহওক, আশ্ৰমে সৰু-সুৰা প্ৰতিটো বিষয়তে বাপুৰ মনোযোগ পাই আহিছিল। বাস্তৱিক ক্ষেত্ৰত এক তীব্ৰ জাতীয় সংগ্ৰামৰ কথাৰ যি আগজাননী শুনা গৈছিল, বাপুৱে সেই অগ্নিপৰীক্ষাৰ কাৰণে আশ্ৰমবাসীসকলক শিক্ষা দিবলৈ আৰু শৃঙ্খলাৱদ্ধ কৰি তুলিবলৈ অধিক উদ্বিগ্ন হৈ পৰিছিল।

আহমদাবাদ, প্ৰকৃততে গোটেই গুজৰাট প্ৰদেশেই বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰস্থল স্বৰূপ আছিল। হিন্দুধৰ্মৰ বিভিন্ন শাখাৰ ভিতৰত এই শাখাই প্ৰধানকৈ অহিংসা মতবাদ পোষণ কৰিছিল। সেই অঞ্চলত বসবাস কৰা অসংখ্য জৈন ধৰ্মাৱলম্বী লোকৰ প্ৰভাৱো পৰিছিল। সবৰমতী আশ্ৰম সেইকাৰণে গোড়া অহিংসকসকলৰ মাজত অৱস্থিত আছিল। বাপু নিজেও এক নৈষ্ঠিক বৈষ্ণৱ পৰিয়ালৰ লোক হোৱা কাৰণে প্ৰতিষ্ঠিত আদৰ্শৰ তেওঁ এজন প্ৰধান পৃষ্ঠপোষক হোৱাটো স্বাভাৱিক কথা। এতিয়া সেই পৰীক্ষা আহিল।

আহমদাবাদ চহৰত গিৰিহঁত নোহোৱা কুকুৰে ৰব আমনি কৰিছিল। গৰম জলবায়ুৰ কাৰণে আটাইবিলাক কুকুৰ ফাপৰে ধৰা আৰু কিছুমানৰ গাত যে নোম এডালো নাছিল। সিহঁতে বজাৰৰ মাজত আৰু তাৰ পিচফালে থকা সৰু ৰাস্তাবিলাকত ম'তে যি পায় বুটলি বুটলি খুন্দি ফুন্দিছিল। লাহে লাহে মৃত্যুৰ পথলৈ ঠেলি নিয়া সিহঁতৰ গাৰ সেই অসহ্য খজুৰতিত হুৎ নেপাই মাজে মাজে সিহঁতে অনৰ্গল গা খজুয়াবলৈ ধৰে। সেই ঠাইৰ বাসিন্দাসকলেও তেওঁলোকৰ গোড়ামিৰ কাৰণে সেই দুৰ্ভগীয়া অধম জীৱবিলাকক মাৰি পেলাই

সিহঁতক এই কষ্টবপবা মুক্তি দিবলৈ সাহ নকবিছিল। কিন্তু চহবখন বাঢ়ি অহাব লগে লগে, কাপোবব মিলব কাবণে বব বেগাই বাঢ়িছিলও, মালিক নোহোৱা কুকুবব সমস্যাটো এটা প্রকৃত ভয়ব কাবণ হৈ উঠিছিল। কাবণ সাধাবণতে দেখা দিয়া দুখলগা অৱস্থাব উপবিও, কিছুমান কুকুব ৰলিয়াও হৈছিল। মিউনিচিপেলিটীয়ে অৱশেষত সাহ কবি সেই কুকুববিলাক গুলীয়াই মাবি পেলাবলৈ স্থিব কবিলে। এই কথাত জনসাধাবণব ক্ষোভ প্রকাশ হ'ল। এনে অনুমান হৈছিল যেন একো কবিব পবা নেযাব। এনেতে চহবব প্রধান প্রধান নাগৰিক কেজনমান লগ লাগি, তাব ভিতবত শেঠ আম্বালাল সাবাভায়ে প্রধান অংশ গ্রহণ কবিছিল, বাপুব ওচবলৈ গৈ, তেওঁব অনুমতি ল'বলৈ সিদ্ধান্ত কবিলে। তেখেতসকল আশ্রমলৈ আহিছিল। আন্তবিকতাপূর্ণভাবে তেওঁলোকব মাজত আলোচনা চলিছিল। বাপুৱে গুলী কবি মবাব পক্ষেই তেওঁব মত দিলে আৰু সেইমতে কুকুববিলাক মবাও হ'ল। বাইজব তবফবপবা বিস্তব প্রতিবাদ হ'বলৈ ধবিলে। বাপুৱে ধীব-স্থিবভাবে তেওঁৰ নিজব উপায়েবে তাব সম্মুখীন হৈছিল।

কিন্তু এভিয়া বাপু তাতোকৈ এটা কঠিন পবীক্ষাব সম্মুখীন হ'বলগীয়া হ'ল। আশ্রমব গোহালীব দামুৰী পোৱালি এটা বেমাবত পবিল আৰু একেবাবে অসহায় হৈ পবিল। পোৱালিটো চাবি ঠেং মেলি কাতি হৈ আছিল যদিও মবিব পবা নাছিল। এই কথা শুনি বাপুৱে তাইক চাবলৈ গ'ল। পশুচিকিৎসক এজনকো মতা হ'ল। তেওঁ ক'লে যে তাইব আৰু বচাব কোনো আশা নাই। বাপুৱে ভাবিলে, তেওঁব অহিংসাব আকৌ এটা পবীক্ষা! এইবাব গৰুব পৱিত্রতাব কথাটোও লগতে সাঙোব খাই আছে। দামুৰীটো যথেষ্ট ডাঙব আছিল। শষ্যাক্ষত নোহোৱাকৈ বাখিবব কাবণে মানুহক যেনেকৈ ইকাতি-সিকাতি কবি দিব পাবি তেনেকৈ তাইক কবাটো অসম্ভব কথা আছিল। তাই একোকে নোখোৱা হ'ল। মাখিবিলাকে আমনি কবিবলৈ ধবিলে আৰু সকলো প্রকাবে তাইব জীৱন যন্ত্রণাদায়ক হৈ পবিল।

বাপুৱে নিজব মনতে স্থিব কবিলে যে, প্রকৃত অহিংসাব কাম হ'ব দামুৰীটোক যিমানদূব সম্ভব কষ্ট নোহোৱা উপায়ে মাবি পেলাই তাইক এই কষ্টকব অৱস্থাবপবা উদ্ধাব কবা। সেইটোৱেই শুদ্ধপথ বুলি আশ্রমব বাকীসকলব মাজত বিশ্বাস জন্মাব নোৱাবাতেকৈ এই কাম কবিবলৈ তেওঁ ইচ্ছা কবা নাছিল।

আশ্রমত গভীৰ আলোচনা চলিবলৈ ধৰিলে। আশ্রমৰ সৱহখিনি সদস্যই বাপুৰ যুক্তিকে মানিছিল। কিন্তু দুই এজনে এই প্রস্তাৱৰ ঘোৰ বিৰোধিতা কৰিছিল। ৰা' আৰু তেওঁৰ অন্তৰঙ্গ বন্ধু কাশীবেনো সেই দলত আছিল। সেই কাৰণে বাপুৱে তেওঁলোকক দামুৰীজনীৰ ওচৰলৈ গৈ তাইক শুশ্রূষা কৰিবলৈ ক'লে আৰু যদি তেওঁলোকে তাইক এই কষ্টৰপৰা উদ্ধাৰ কৰিব পাৰিব বুলি ভাবে, তেন্তে বৰ ভাল কথাই হব। সেইমতে তেওঁলোক গৈ সেই দুৰ্ভগীয়া জীৱটোৰ ওচৰতে খেৰৰ ওপৰত বহি মাথি খেদাই থাকিবলৈ ধৰিলে। তাইক আহাৰ খুৱাবলৈকো তেওঁলোকে বৰ যত্ন কৰিছিল। কিন্তু যেতিয়া দেখিলে, তেওঁলোকে তাইক খুৱাবও নোৱাৰে আৰু তাইৰ কষ্টৰো অকণো লাঘৱ কৰিব পৰা নাই তেতিয়া দুখমনে তেওঁলোক বাপুৰ ওচৰলৈ আহি ক'লে যে তেওঁলোকে আৰু বাপুৰ বিৰোধিতা নকৰে।

বাপুৱে জানিছিল যে অহিংসাৰ এই ধৰণৰ অর্থ কৰাত শেঠ আম্বালাল সাৰাভায়ে তেওঁক সমর্থন কৰিব। বাপুৱে তেওঁলৈ খবৰ পঠিয়ালে যে তেওঁ এনে এটা ইনজেকশ্যনৰ ব্যৱস্থা যাতে কৰে, যিটোৰ ফল যিমানদূৰ সম্ভৱ সোনকালে আৰু কষ্ট নোহোৱাকৈ হয়। শেঠ আম্বালাল তেওঁলোকৰ ঘৰলৈ ডাক্তৰজনক লৈ তৎক্ষণাৎ ওলালহি। ডাক্তৰজনে এটা ডাঙৰ 'চিৰিঞ্জ' আৰু আৱশ্যকীয় বিহ লগতে লৈ আহিছিল। বাপুৱে তেওঁলোকক গোহালীটোৰ পিনে লৈ গ'ল। গুৱালটো আৰু মই, তেওঁলোকৰ পিচে পিচে গৈছিলো। সকলো মনে মনে আছিল। দামুৰীটো পৰি থকা কোঠাটোত আমি সোমালোগৈ। ডাক্তৰজনে চিৰিঞ্জটো প্রস্তুত কৰিলে। এনেতে বাপুৱে চাপৰি আগ ঠেং এটা লাহেকৈ দাঙি ধৰিলে। ইনজেকশ্যন দিয়া হ'ল। দিয়াৰ লগে লগে জোকাৰণি এটা মাৰি দামুৰী পোৱালীটো মৰি থাকিল। কাপোৰ এখনেৰে বাপুৱে তাইৰ মুখখন ঢাকি দি নীৰবে নিজৰ কোঠালৈ উলটি আহিল।

বাপুৱে এই ঘটনাটো বিৱৰি আৰু তেওঁ কিয় এনে কৰিলে তাৰ যুক্তি দি 'ইয়ং ইণ্ডিয়া'ত 'অগ্নিপৰীক্ষা' শিৰোনামাৰে এটা দীঘল প্রবন্ধ লিখিলে। জীৱনৰ প্রতি বাপুৰ দৃষ্টিভঙ্গী ফুটি ওলোৱা দুটি কাব্যিক উদ্ধৃতিৰে তেওঁ যুক্তি প্রতিপন্ন কৰিছিল :

> "প্রেমৰ পথ অগ্নিপৰীক্ষাৰ পথ, সংশয়াত্মা ইয়াৰপৰা বিচ্যুত হয়। ঈশ্বৰৰ পথ কেৱল বীৰসকলৰ কাৰণে, কাপুৰুষৰ কাৰণে নহয়।"

চাবিওফালবপবা বিক্ষুব্ধ প্রতিবাদব ববটোপ ফুটিবলৈ ধবিলে। 'ইয়ং ইণ্ডিয়া'ত বাপুৱে লিখিছিল: "তাব ভিতবৰে কিছুমানে তেওঁলোকব গালি-শপনিবে মোব বিৰুদ্ধে হিংসা প্রদর্শন কবাটোকে তেওঁলোকে তেওঁলোকব অহিংসাব কাম হিচাপে লোৱা যেন লাগিছিল।"

কিন্তু বাপুৱে সকলোবিলাক কথাব ভাল ফালটোহে চাইছিল। তাব কিছুদিনব পিচতে মোলৈ লিখোতে তেখেতে মন্তব্য কবিছিল: "এই কথাবোৰে ভালকে কবিলে। কিয়নো ই মানুহক চিন্তা কবিবলৈ সুবিধা দিলে।"

মোক কাবণে এতিয়া নিজে আগবাঢ়ি গৈ গাওঁবাসীব মাজত সোমাই কাম কবাব সময় উপস্থিত হ'ল। ইতিমধ্যে কপাহ ধুনা আৰু সূতা কটা আদি কামত মই যথেষ্ট পাবদর্শিতা লাভ কবিছিলোঁ আৰু মোব হিন্দীও কাম চলাব পবা বিধব হৈছিল। ভাবতবর্ষব কোন ঠাইলৈ মই যাব খোজো বুলি বাপুৱে সোধাত মই বিহাবব কথা ক'লোঁ। সেই সময়ত সকলো প্রদেশতে সেই সেই প্রদেশব জাতীয় নেতাসকল আছিল। অহিংসাব জবিয়তে ভাবতবর্ষব স্বাধীনতা লাভ কবিবব উদ্দেশ্যে এইসকল নেতাই সকলো জলাঞ্জলি দি তেওঁলোকব ভাগ্য বাপুব লগত সাঙুবি লৈছিল। মাদ্রাজত বাজাজী (শ্রীবাজাগোপালাচাবী, স্বাধীন ভাবতব প্রথম গবর্ণব জেনেবেল), গুজবাটত বল্লভভাই (চর্দাব পেটেল), বিহাবত বাজেন্দ্র বাবু (ডাঃ বাজেন্দ্রপ্রসাদ, প্রজাতন্ত্র ভাবতব প্রথম বাষ্ট্রপতি), এইদবে সকলো ঠাইতে স্থানীয় নেতাসকল আছিল। মই বাজেন্দ্রবাবুব এলেকালৈ যাব লগা হ'ল।

মোব কাম হ'ল খাদী কর্মীসকলক কপাহ ধুনা আৰু সূতা কটাব উন্নত প্রণালী প্রচলনব কার্যত সহায় কবা। মই প্রথমতে উত্তব বিহাবব নিখিল ভাবত শিপিনী সঙ্ঘব কেন্দ্র মধুবাণীলৈ যোৱাটো স্থিব হ'ল। তাত স্থানীয় কর্মীসকলব সহায় আৰু পবামর্শ লৈ এখন উপযুক্ত গাঁও বাছি ল'ব লাগিব।

খাটোৱান্ নামে এখন গাঁও বাছি লোৱা হ'ল। সেই গাঁওখন এনে এটা অঞ্চলত অবস্থিত, য'ত প্রত্যেক ঘবতে সূতাকটা মানুহ আছিল। তাব উপবি সেই ঠাইত কপাহ বিলাবলৈ আৰু সূতা সংগ্রহ কবিবলৈ গুদামঘব এটাও আগতে স্থাপন কবা হৈছিল। চাবিওপিনে মুকলি খেতিব পথাবব মাজত, অ'ত ত'ত আম আৰু বাঁহগছব জোপোহাবিলাকে আবৃত কবা, সৰু সৰু গাঁওবিলাক আছিল।

গুজৰাট আৰু ৰাজস্থানত এতিয়ালৈকে মই যিবিলাক গাওঁ দেখিছিলো সেইবিলাক যথেষ্ট অৱস্থাপন্ন গাঁও আছিল। এতিয়া এই প্ৰথমবাৰৰ কাৰণে দৰিদ্ৰতা আৰু তাৰ আনুষঙ্গিক দুখ-কষ্টৰ সম্পূৰ্ণ ছবিৰে মই গাৱঁলীয়া বাইজক দেখিলোঁ। বাপুৰ অন্তৰত জ্বলি থকা জুইকুৰাৰ অৰ্থ মই এতিয়াহে হৃদয়ঙ্গম কৰিলোঁ।

সেই গাঁওখনত ইটাৰে সজা ঘৰ কেটামানহে আছিল। তাৰে এটা আমি বাছি ল'লোঁ। এইটোক ঘৰ বুলিব নোৱাৰি। এটা সৰু হলঘৰ। বাৰান্দাৰ পিনে খোলা। সেই বাৰান্দাৰ সম্মুখেদিয়েই গাঁৱৰ বাটটো গৈছে। ঘৰটোৰ এমূৰে এটা অতি সৰু কোঠালী। তাতে মোৰ বস্ত্ৰ-বাহানিখিনি থৈছিলোঁ। পিচফালে চোতালত খেৰ-বাঁহৰে সজা এটা সৰু ভূপুৰী। সেয়েই আছিল বান্ধনীঘৰ।

বিহাৰত সৰ্বভাৰতীয় শিপিনী সঙ্ঘৰ বিহাৰ শাখাৰ চেক্ৰেটাৰী বাবুলক্ষ্মী নাৰায়ণৰ নেতৃত্বত এদল বাছকৰনীয়া গঠনমূলক কৰ্মী আছিল। তেখেতৰ দলৰ বিশিষ্ট লোকসকলৰ ভিতৰৰ এজন—ৰামদেৱ বাবুক মোৰে সৈতে একেলগে গাঁৱত কাম কৰিবলৈ দিছিল। মজফৰপুৰৰ ৰাজেন্দ্ৰবাবুৰ আশ্ৰমৰপৰাও কেজনমান ল'ৰাক আমাৰ লগলৈ পঠাবলৈ ব্যৱস্থা কৰা হৈছিল। এইদৰে আমি আটায়ে মিলি এখন সৰু আশ্ৰম পতাৰ দৰে হ'ল।

কপাহ ধুনাৰ উন্নত প্ৰণালী দেখুৱাৰৰ কাৰণে সেই সূতাৰ গুদামত বহি কপাহ ধুনিবলৈ মই স্থিৰ কৰিলোঁ। সেই ঠাইলৈ দৈনিক বক্তৃতা ভিৰোতাই তেওঁলোকে কটা সূতা, কপাহলৈ বা পইচালৈ সলাৰলৈ অহা-যোৱা কৰিছিল। মোৰ এই কামে শীঘ্ৰে তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰিছিল আৰু যে যে তেওঁলোকে মোৰ কাম কৰা চাইছিল। তেওঁলোক যে অতি সন্দিগ্ধ মনৰ আছিল দেখিলেই বুজিব পাৰি। তেওঁলোকৰ সন্দেহ থকা সত্ত্বেও মইনো কি কৰিছো তাৰ প্ৰতি মনোযোগ নিদিয়াকৈ তেওঁলোকে নোৱাৰিছিল। এই নতুন প্ৰণালীৰ উপযোগিতা সম্বন্ধে তেওঁলোকৰ মনত বিশ্বাস জন্মাৰৰ কাৰণে নতুনকৈ ধুনা কপাহেৰে তেতিয়াই তেওঁলোকৰ আগতে পাঁজি বাটি উলিয়াই তেওঁলোকৰ হাততে দি কওঁ—"তোমালোকে এয়া ঘৰলৈ লৈ গৈ ইয়াৰে সূতা কাটি চাবাচোন। যদি কাটি ভাল পোৱা তেন্তে এই ধৰণৰ কপাহ ধুনা ধনু ব্যৱহাৰ কৰিবলৈ তোমালোকে নিশিকা কিয় ?"

তেওঁলোকে মনোযোগেৰে পাঁজিখিনি পৰীক্ষা কৰে। ইজুটি সিজুটিকৈ চাই ইজনীৰ হাতৰপৰা সিজনীৰ হাতলৈ ঘুৰাই লৈ যায়। কিন্তু নিজে কৰিবলৈ চেষ্টা কৰি চাৰৰ কাৰণে কোনো এজনী তিৰোতাও আগবাঢ়ি নাহে। মই ধনুখন উলিওৱা দেখিলেই সিহঁতে খিক খিক কৰে হাঁহি ইজনীয়ে সিজনীয়ে ঠেলা-হেঁচা কৰি পিচলৈ আঁতৰি যায়।

এইদৰে তিৰোতাসকলক কপাহ ধুনাৰ উন্নত প্ৰণালীটো শিকাবলৈ কিছুদিন লাগিছিল। কিন্তু এবাৰ তেওঁলোকৰ মাজৰ সাহিয়াল দুই-এগৰাকী আগবাঢ়ি আহিলত অসুবিধাটো আঁতৰ হ'ল। অতি শীঘ্ৰে সমস্যা হৈ পৰিল, তেওঁলোকৰ দাবী কেনেকৈ পূৰণ কৰা যায়।

অতীত কালত কপাহী কাপোৰৰ উৎপাদন এটা ভাল উপাৰ্জন হোৱা পৰিপূৰক জীৱিকা আছিল। কিন্তু কাপোৰৰ কলৰ আমদানী হোৱাৰেপৰা যঁতৰ আৰু তাঁতশালবিলাকৰ ইখনৰ পিচত সিখনকৈ কাম নোহোৱা হৈ বহি থাকিব লগা অৱস্থা হ'ল। ইতিমধ্যে "সৰ্বভাৰতীয় শিপিনী সঙ্ঘ" যদি তেওঁলোকৰ মাজলৈ নাহিলহেঁতেন তেন্তে কৃষক বাইজৰ কাপোৰ উৎপাদনৰ দ্বাৰা সামান্য যি অলপ উপাৰ্জন হৈছিল, সিও নোহোৱা হ'লহেঁতেন। আমাৰ কামে সেইকাৰণে বাইজৰ মাজত সমাদৰ লাভ কৰিছিল। খাদী আন্দোলন সম্বন্ধে ইতিপূৰ্বে মই উৎসাহ অনুভৱ কৰিছিলোঁ। কিন্তু এতিয়া প্ৰত্যক্ষ অভিজ্ঞতাৰ দ্বাৰা এই আন্দোলন সম্পৰ্কে মোৰ বিশ্বাস দৃঢ় হ'ল।

মোৰ অভিজ্ঞতাৰ সবিশেষ বাতৰি জনাই বাপুলৈ মই সদায় লিখিছিলোঁ। প্ৰথমতে সিন্ধুপ্ৰদেশত আৰু পিচত ব্ৰহ্মদেশত ভ্ৰমণ কৰি ফুৰা সত্ত্বেও তেখেতৰপৰা নিয়মমতে চিঠি-পত্ৰ আহিছিল। সৰু-সুৰা প্ৰতিটো কথাতে তেখেতে মন দিছিল আৰু প্ৰায়ে কাৰ্যকৰী পৰামৰ্শ আগবঢ়াইছিল।

এনেতে মেলেৰিয়া মহামাৰীয়ে গাঁওখন গ্ৰাস কৰি পেলালে। ই বেয়া ধৰণৰ মেলেৰিয়া আছিল। এটা বা তাতকৈ অধিক লোক জ্বৰত আক্ৰান্ত হৈ পৰি নথকা ঘৰ, ক'ৰবাত দুই এখনহে বোধকৰো আছিল। গাঁৱৰ বাটেদি মই ওলাবকে নোৱাৰা হ'লোঁ। কাৰণ বলিয়াৰ নিচিনা হোৱা তিৰোতাবিলাকে ঘৰৰপৰা বেগেৰে ওলাই আহি মোৰ হাতত ধৰি সিহঁতৰ ঘৰৰ ভিতৰলৈ টানি নিছিল। প্ৰতি ঠাইতে চাপৰ, খিৰিকী নোহোৱা ঘৰবিলাকৰ এন্ধাৰ চুক একোটাত বোপা পৰি আছিল। বাহিৰৰ উজ্জ্বল পোহৰৰপৰা গৈ সেই এন্ধাৰ

কোঠালীত সোমাই প্ৰথমে কিছুপৰ একোকে দেখা নগৈছিল। কেৱল যোগীৰ কেঁকনিৰপৰাহে অনুমান কৰিব পাৰি, তেওঁনো ক'ত আছে।

কিছুদিনৰ পিচত মোৰো পাল জ্বৰ আৰম্ভ হ'ল। সেই আওহতীয়া ঠাইত ফল-মূলৰ যোগাৰ কৰিব পৰা নগৈছিল। কলিকতাৰ নিচিনা কোনো ডাঙৰ চহৰৰপৰাহে অনাৰ লাগিছিল। সেইকাৰণে যিমান পাৰো কমেৰেই মই চলাবলৈ চেষ্টা কৰিছিলোঁ। এখন চিঠিত বাপুৱে ককৰ্থনা কৰি লিখিছিল :

"তোমাৰ কাৰণে এতিয়াই কৰিব লগা কাম হৈছে ভাল হৈ উঠা। এতিয়া ফলৰ বাবে প্ৰচুৰ পৰিমাণে ব্যয় কৰাটোৱেই হৈছে মিতব্যয়িতা। সতেজ ফল-মূল ব্যৱহাৰ নকৰাকৈ তুমি স্বাস্থ্য ভালে ৰাখিব নোৱাৰা·····। সন্তীয়া আহাৰ আৰিষ্কাৰ কৰাটো তোমাৰ প্ৰাথমিক কৰ্তব্য নহয়—বহুৰে এবাৰ পাহাৰলৈ ভ্ৰমণলৈ যোৱাৰ আৱশ্যক নোহোৱাকৈ গাঁৱতে থাকিব পৰাটোহে।"

কিন্তু পিচলৈ মোৰ আৰু বেয়াধৰণে জ্বৰ আৰম্ভ হ'ল। শেষত ৰাজেন্দ্ৰবাবুৱে জেৰাদাই গাঁৱত থকা তেখেতসকলৰ পুৰণি ঘৰলৈ মোক লৈ যাবলৈ আহিছিল। ৰাজেন্দ্ৰবাবুৰ পোছাক-পৰিচ্ছদ আৰু আচৰণ তেওঁৰ খাদী কৰ্মীসকলৰ দৰেই সহজ আৰু অনাড়ম্বৰ আছিল। খাটোৱালনৈ আহোঁতে তেওঁ লগত বহী এডালেৰে বন্ধা বিছনাৰ সৰু টোপোলা এটাৰ বাহিৰে আন একো অনা নাছিল। তেওঁ আমাৰ সৰু আশ্ৰমখনতে আছিল আৰু বাতি সাধাৰণতে ৰাৰান্দাৰ কাঠৰ বেঞ্চখনতে পৰি আছিল। গাঁৱৰ মানুহে যেতিয়া তেওঁক দেখা কৰিবলৈ আহিছিল তেওঁ তেওঁলোকৰ লগত নিজা মিঠা বিহাৰী ভাষাত কথা পাতিছিল। গাঁৱৰ মানুহৰ তেতিয়া মনৰ সঙ্কোচ ভাব একেবাৰে নাইকিয়া হৈ সহজ হৈ পৰিছিল।

জেৰাদাইত মোৰ স্বাস্থ্য ভাল হ'ল। কিন্তু ঠিক হ'ল যে মই আকৌ উত্তৰ বিহাৰৰ মেলেৰিয়া ৰোগৰ বেছি প্ৰাদুৰ্ভাৱ থকা গাঁওবিলাকলৈ উভতি যোৱা উচিত নহব।

সেইবছৰ গৰমকালি খাদীৰ প্ৰচাৰৰ কাৰণে বাপু হিমালয়লৈ গৈছিল। আলমোড়া জিলাৰ এডোখৰ সুন্দৰ ঠাই কৌশানী। তালৈ যোৱাৰ আগমুহূৰ্ততে মই তেখেতৰ কাষ পাইছিলোগৈ। সেই ঠাইৰপৰা মানুহে অবাক বিস্ময়েৰে চিৰতুষাৰাবৃত হিমালয় পৰ্বতমালালৈ ৰ লাগি চায়। মূল্যবান দহোটা দিন

বাপু ভাত আছিল। ভাত তেখেতে নিজে ভাঙনি কবা গীতাব পাতনি লিখিছিল।

বাপু সবহ দিন একেঠাইতে থাকিব নোৱাবিছিল। লক্ষ লক্ষ জনতাব আহ্বানে তেওঁক অনবৰত গোটেই দেশখনতে ঘুবাই লৈ ফুবিছিল। স্বাধীনতা এইদবে কেটামান দিন থকাব পিচত অস্ত্র নপবা খাদী প্রচাবব কাবণে আমি আকৌ ভৈয়ামলৈ নামি আহিলোঁ।

বাপুব দলটোত সাধাবণতে আশ্রমবপবা দুই কি তিনিজন লোক থাকে। সেইদলত মহাদেৱ থাকিবই। তেওঁ বাপুব ব্যক্তিগত সা-সুবিধাব প্রতি লক্ষ্য বাখে আৰু চেক্রেটাবীব কাম কবে। তাব বাহিবে যি প্রদেশত তেখেতে ভ্রমণ কবে সেই প্রদেশব কেজনমান মানুহে তেওঁব লগে লগে থাকি ভ্রমণসূচী প্রস্তুত কবিছিল। সভা আদিব আয়োজন, যান-বাহন আৰু থকা-মেলাব ব্যৱস্থা কবিছিল। বহুত দূব ঠাইলৈ দীঘল যাত্রাবিলাক বেলেবে কবা হৈছিল। বেলব তৃতীয় শ্রেণীব ডবা এটাত গোটেই দলটো, বিছনা-পাতি, টোপোলা-টাপলি, ফাইল আদি লৈ গোট খাইছিল। ডবাটোব এমূবে এডোখব ঠাই বাপুব বিছনাখন পূবাকৈ মেলি ল'বব জোখাবে বখা হৈছিল—যাতে তেখেতে মাজে সময়ে দীঘল দি জিবণি ল'ব পাবে। কিন্তু যেতিয়া ইখনব পিচত সিখনকৈ গাওঁবিলাক ফুবিব লগীয়া হয় তেতিয়া আমি সকলো গাড়ীবে যাওঁ। বাপুবখন গাড়ী আগত, তাব পিচত দুখন বা তিনিখন গাড়ী মানুহ আৰু টোপোলা-টাপলিবে নধবা হৈ যোৱা হয়।

এইদবে ভ্রমণ কবা কালত কিছুদিনব কাবণে বাপুব ব্যক্তিগত প্রয়োজনীয় কথাবিলাক চোৱাব দায়িত্ব মোব ওপবত পবিছিল। যদিও ই এটা সহজ কাম, তথাপি যি অৱস্থাত এই কাম কবিবলগা হৈছিল সি একেবাবে সহজ কথা নাছিল। আমি একেবাহে ভ্রমণতে আছিলোঁ। বাটত ঠায়ে ঠায়ে সভাবিলাক হৈছিল। ২৪ ঘণ্টাব ভিতবত দুবাব প্রধানকৈ বৈঠিলোঁ। এবাব দুপবীয়াব আহাব, গা-পা, কাপোব-কানি ধুবব কাবণে আৰু আনবাব বাতিব আহাব আৰু বাতিটো জিবণি ল'বব কাবণে।

সকলো ঠাইতে সীমাহীন জনতা। বেলবে ষ্টেচ্যনবিলাকত আকুল-ব্যাকুল হৈ, তীব্র আগ্রহ-ঔৎসুক্য লৈ জনতা গোট খাইছিল। গাঁৱত দিকালেদিয়েই মটববিলাক গৈছিল সেইকালেই মানুহব ভীবব কাবণে বাট বন্ধ

হ'ৰৰ উপক্ৰম হৈছিল আৰু শেষত যি ঠাইত আমি বৈছিলোগৈ সেই ঠাইতো চাৰিওফালে মানুহ ঠাহ খাই আছিল।

মোৰ কাম আছিল এই ভীৰৰ মাজতো বাপুৰ দৈনন্দিন কাৰ্যক্ৰম যাতে সুচাৰুৰূপে আৰু সময়মতে পালন হয় তাকে চোৱা। প্ৰত্যেকখন প্ৰধান ঠাইতে বাপুৰ কাৰণে বাট চাই থকা দৰ্শকসকলেৰে, ঠাহ খাই থকা বাজহুৱা সভা-বিলাকলৈ বাপু পোনে পোনে যায়। মই আমাৰ কাৰণে সাজু কৰি ৰখা ঘৰলৈ বেগেৰে গৈ থকা-মেলাৰ কেনে ব্যৱস্থা কৰিছে সেইবিলাক চাওঁগৈ। আমি যাৰ খোজা প্ৰতিখন ঠাই সম্পৰ্কে সদায় আগতীয়াকৈ খবৰ দিয়া হৈছিল।, বাপুৰ কি কি প্ৰয়োজন হ'ব বা নহব সকলো কথা পৰিষ্কাৰকৈ জনাই থোৱা হয়। কিন্তু তথাপিও গৈ কি পোৱা যায় বা নেযায় কোনেও ক'ব নোৱাৰে। আমি সাধাৰণতে মানুহৰ ঘৰত, কেতিয়াবা স্কুলঘৰত আৰু কেতিয়াবা কেম্পত আছিলোঁ। বাপুৰ কাৰণে কোঠালী এটাৰ আচবাব-পত্ৰ আঁতৰাই মাটিত গাড্ডী এখন পাৰি তাৰ ওপৰত খদ্দৰৰ কাপোৰ পাৰি থৰলৈ, পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ওচৰতে এটা গাধোৱা ঘৰৰ ব্যৱস্থা ৰাখিবলৈ আৰু সতেজ কেঁচা শাক-পাচলি, ফল-মূল আৰু ছাগলীৰ গাখীৰৰ ব্যৱস্থা ৰাখিবলৈ সাধাৰণতে সকলো ঠাইলৈকে নিৰ্দেশ দিয়া হয়।

কেতিয়াবা কেতিয়াবা এই নিৰ্দেশবিলাক বঢ়িয়াকৈ বুজি সেইমতে দিহা কৰি থোৱা পোৱাগৈ হয়। কিন্তু সদায় তেনেকুৱা নহয়। বিশেষকৈ আওহতীয়া গাঁৱলীয়া অঞ্চলত। তেনেকুৱা ঠাইত সদায় অভাৱনীয় অসুবিধাৰ, কেতিয়াবা আকৌ অতি অসন্তৰ ধৰণৰ অসুবিধাৰ সম্মুখীন হ'বলগীয়া হয়।

কোনো এখন ঠাই গৈ পায়েই প্ৰথমতে চাবলগীয়া হয় গাধোৱা পানী গৰম কৰা হৈছেনে নাই, গাধোৱা ঘৰটো পৰিষ্কাৰ হয়নে নহয়। তাৰ পিচতে বান্ধিবৰ কাৰণে ষ্টভ আছেনে নাই, শাক-পাচলি, ছাগলীৰ গাখীৰ ইত্যাদি বস্তুৰ যোগাৰ হৈছেনে নাই, সেইবিলাক খবৰ কৰা। সকলো ঠাইতে গিৰিহঁত আৰু গিৰিহঁতনী-গৰাকী সহায় কৰিবৰ কাৰণে অতিমাত্ৰাই উৎসাহী হৈ পৰে। ফলত কথাবোৰ বেছি জটিলহে হৈ পৰে। বাপুৰ আহাৰ বেছিও নহয়, কমো নহয়, ঠিক জোখত আৰু ঠিক সময়ত সদায় প্ৰস্তুত ৰাখিব লাগিছিল। ইয়াৰ উপৰি পঞ্চবস্তুৰ সমস্যাটোও আছিল (প্ৰতিদিনে কেৱল পাঁচটা বস্তুহে খোৱাৰ প্ৰতিজ্ঞা)। এই পঞ্চবস্তুৰ ভিতৰত প্ৰতিবিধ ভৰকাৰী আৰু ফল-মূলক একোটা বস্তু বুলি ধৰা

হৈছিল। ইয়াৰ অৰ্থ হ'ল, গধূলিলৈকো ষিকিটা বস্তু দিব পৰা নাযাৰ তাক দুপৰীয়াৰ আহাৰতো দিব নালাগিব। এই বিষয়ে আগতীয়াকৈ নিশ্চিত হৈ ল'ব লাগিছিল। মৰমিয়াল মানুহবিলাকে ইটো বান্ধা সিটো বান্ধা বুলি জোৰ কৰিছিল: "এইবিলাক তৰি-তৰকাৰী আমি বিশেষকৈ বাপুৰ কাৰণেই আনিছো, তুমি বান্ধিবই লাগিব।" আগতেই ঠিক কৰি থোৱা পাঁচটা বস্তুৰ অতিৰিক্ত আৰু একো বান্ধিব নোৱাৰি—এই কথাটো বুজাবলৈ সেই মূল্যবান সময়ৰে কিছুসময় গৈছিল। তাৰ পিচত ছাগলীৰ গাখীৰ ক'ত? সন্তৰপৰ হ'লে নিজে খীৱালে গাখীৰখিনি পৰিষ্কাৰ আৰু নতুন বুলি নিশ্চিন্ত হ'ব পাৰিছিলোঁ। অৱশেষত দূৰত যেতিয়া "মহাত্মা গান্ধী কী জয়" ধ্বনিয়ে সভা ভাগিল আৰু বাপু কেই-মিনিটমানতে পাৰহি বুলি সাৱধান কৰি দিয়ে, তেতিয়া মনত পৰে, বহা কোঠালী-টোৰ গাদীখনত খদ্দৰ কাপোৰ পাৰিছে নে মিলৰ কাপোৰ পাৰিছে মই চোৱা হোৱাই নাই। মই কোঠালীটোলৈ উৰি যোৱাদি যাওঁ—হয়, সকলো ঠিক আছে। কিন্তু এবাৰ ঠিক নাছিল আৰু তাৰ কাৰণে মই বকনিও খাইছিলোঁ।

মানুহৰ মাত-কথাবোৰেই লাহে লাহে কোলাহলত পৰিণত হয় আৰু ঘৰ-খনেদি এক তীব্ৰ শিহৰণ বাগৰি যায়। বাপু আহি পালেহি, ক্লান্ত, উত্তপ্ত, ধূলিৰে ধূসৰিত—কিন্তু শান্ত আৰু মুখত হাঁহি। তেওঁ নিজৰ গাদীলৈ যায়। জনতাক কোনোপ্ৰকাৰে সোমাৰলৈ নিদিয়াকৈ পদুলিতে বাধা দিয়া হয়। কেৱল বাপুৰ নিজৰ ব্যক্তিগত কাম কৰা কৰ্মচাৰীসকলক আৰু ঘৰৰ মালিকক ভিতৰলৈ আহিবলৈ দিছিল।

আহি পোৱাৰ কেইমিনিটমানৰ পিচতে বাপুক কণ্ঠ যে গাধোৱা পানী যতনাই থোৱা হৈছে। তেওঁ গা ধুবলৈ সোমায়। ইপিনে মই তেখেত ওলাই অহাৰ লগে লগে দিব পৰাকৈ আঁহাৰ যতনাই বাখোঁ। তাৰ পিচত তেখেত যেতিয়া খাবলৈ বহে মই তেখেতৰ কাপোৰ-কানিখিনি ধুই দিওঁ আৰু নিজৰ-খিনিও ধুই-পখালি গা-পা ধোওঁ। সেইঠাইত থকা দুই তিনি ঘণ্টাৰ ভিতৰত যদি তিওৱা কাপোৰ-কানিখিনি শুকুৱায় তেন্তে সেইখিনি তিতাবেই সামৰি বাতি থকা ঠাইলৈ লৈ যোৱা হয়।

দুপৰীয়াৰ আহাৰৰ পিচত পাৰিলে বাপুৱে অলপ পৰ শোৱে। সেই সময়তে বস্তু-পাতি সকলো বান্ধি সামৰি-সুতৰি লওঁ আৰু আকৌ আমি যাত্ৰা

কৰো। দিনৰ পিচত দিন এইদৰে চলি থাকে। কিন্তু নিতৌ বেলেগ বেলেগ ধৰণৰ অভিজ্ঞতাৰ শেষ নাই।

কেতিয়াবা মই সভাতো যোগ দিওঁগৈ। তেতিয়া মোৰ কাম হয় বাপুৰ বক্তৃতাৰ অন্তত দান সংগ্ৰহত সহায় কৰা। আমাৰ ভিতৰৰে কেজনমানে কাপোৰৰ মোনা হাতে হাতে লৈ মাটিত থেপাথেপিকৈ বহি থকা দৰ্শকৰ মাজে মাজে ঘুৰি ফুৰোঁ। প্ৰত্যেকৰে ওচৰলৈ যোৱাটো সহজ কথা নাছিল। কিন্তু চাৰিওপিনৰপৰা দিবৰ কাৰণে ব্যগ্ৰ হৈ আমাৰ পিনে হাতবিলাক মেলিছিল।

কৃষক বাইজে যি ধৰণে তেওঁলোকৰ কঁকালৰ খোচনাত, আঁচলৰ আগত বান্ধি থোৱা তামৰ আৰু নিকেলৰ মুদ্ৰাবিলাক দিছিল, সেই দৃশ্যই গভীৰভাৱে মোৰ অন্তৰ স্পৰ্শ কৰিছিল। ৰ'দে পোৰা, পৰিশ্ৰম কৰাৰ চিন থকা হাতেৰে সাউৎকৈ তেওঁলোকে গাঁঠিটো খুলি নগণাকৈ আৰু অকণো ইতস্ততঃ নকৰাকৈ যি আছিল গোটেইখিনি আমাৰ মোনাত ভৰাই দিছিল। আনহাতে যো-যোত্ৰ থকাসকলে সযতনে তেওঁলোকৰ ধনৰ মোনাটো খুলি টকাবিলাকৰ মাজত আধলি এটা বিচাৰি থাকে।

কিন্তু কোনো কোনো সময়ত ধনীসকলেও আচৰিত ধৰণে দান কৰে। ভিৰোতাসকলৰ সভা এখনৰ কথা মোৰ বিশেষভাৱে মনত আছে। সেই সভাত বাপুৱে তাত থকা ভিৰোতাসকলক গা-গহনা দান দিবলৈ অনুপ্ৰাণিত কৰি আবেদন জনাইছিল। বাপুৰ সেই আবেদনে তেওঁলোকৰ অন্তৰ এনেদৰে স্পৰ্শ কৰিছিল যে তেওঁলোকে পিন্ধি থকা হাতৰ, কাণৰ আৰু ভৰিৰ গহনাবিলাক আঁজুৰি আঁজুৰি সোলোকাবলৈ ধৰিলে। ধনী-দুখীয়া, বুঢ়ী-ডেকেৰী, সকলোৱে তেওঁলোকৰ গা-গহনা পৰস্পৰে প্ৰতিযোগিতা কৰি আমাৰ মোনাত ৰৰষিবলৈ ধৰিলে।

দৰ্শকসকলৰ বহা ঠাইৰ বাহিৰেদি ঘুৰি ফুৰোঁতে এগৰাকী গাভৰু গাঁৱলীয়া ভিৰোতাই আহি মোক ধৰিলেহি। ভিৰোতাগৰাকীৰ ভৰিত পিন্ধা গধুৰ ৰূপৰ বেৰিযোৰৰ বাহিৰে দিবলৈ আন একোৱেই নাছিল। বেৰিযোৰৰ মূৰ দুটা ইমান চেপামাৰি থোৱা আছিল যে ভিৰোতাগৰাকীয়ে নিজে সোলোকাব পৰা নাছিল। তেওঁ চিঞৰি কলে, "মোক সহায় কৰা, টানা টানা।" আমি দুয়ো মাটিতে বহি তেওঁ এটা মূৰে আৰু মই আনটো মূৰে ধৰি টানিবলৈ ধৰিলোঁ। অৱশেষত বেৰিযোৰৰ মূৰকেটা ভিৰোতাগৰাকীৰ ভৰিৰপৰা

সোলোকাব পবাকৈ মুকলি হ'ল। ভিবোতাগবাকীব আনন্দব পাব নোহোৱা হ'ল। তেওঁ বেবিযোব বাপুক দিবব কাবণে মোব হাতত গুজি দিলে।

এই সকলো উপচি পবা মবম বাপুৰে সহজ অনাসক্ত কৃতজ্ঞতাবে সৈতে গ্রহণ কবিছিল তেখেতব উদ্দেশ্য সাধনব কাবণে। তেখেতে প্রতিটো তামব মুদ্রা পবিত্র স্যাসবক্ষী হিচাপে জমা বাখিছিল আৰু এই দানসমূহব সঠিক হিচাব অত্যন্ত যত্ন সহকাবে বখা কথাত বিশেষ জোব দিছিল। যিসকলব গাত দাম সংগ্রহব ভাব আছিল তেওঁলোকে প্রত্যেকদিনাই বাতি নিজব কোঠালীব মাটিত বাহ সেই টকা-পয়চাবিলাক গণে। নোটবিলাক গণাটো সহজ কথা। কিন্তু হাজাব হাজাব তামব আৰু নিকেলব মুদ্রা গণাটো এটা ভীষণ কঠিন কাম আছিল। মোনাবিলাক মাটিত যেতিয়া উবুবিয়াই দিয়া হয় তেতিয়া তাত বিবাট দ'ম এটা হয়। সেইখিনি গণি অঁতাবলৈ কেবাঘণ্টাও লাগিছিল। কিন্তু গণিব লাগিবই। কিয়নো, পুঙ্খানুপুঙ্খৰূপে সকলো হিচাব বাপুক নজনোৱালৈকে বাপুৰে শান্তি নেপাইছিল। অলঙ্কাব-পাতি সংগ্রহ হ'লে প্রতিপদ বস্তুবে নাম, সংখ্যা লিখি বাখিব লাগিছিল। এই সকলো টকা-পয়চা, অলঙ্কাব আদি ইখন গাঁৱবপবা সিখন গাঁৱলৈ লগে লগে লৈ ফুবাব লগা হৈছিল। ডাঙব চহব এখন পালেগৈ তাব বেঙ্কত সকলোখিনি জমা দিয়া হৈছিল। পিচদিনা সংগ্রহ কার্য আকৌ পুবাদমে আবম্ভ হৈছিল।

শীতকালব আবম্ভণিতে বাপুৰে মোক নিজব মতে কাম কবিবলৈ পঠিয়াই দিছিল। কিন্তু লাহোব কংগ্রেছলৈ বুলি বাওনা হোৱাব আগতে তেখেতে মোক মাতি পঠিয়ালে। যাওঁতে বাটত তেখেতে ববলাটব লগত দেখা কবিবব কাবণে দিল্লীত সোমাইছিল। সেই সাক্ষাত-প্রসঙ্গত ববলাটে তেখেতক লণ্ডনত পতা আগন্তুক ঘূবণীয়া মেজমেলত যোগ দিবলৈ সম্মত কবাবব কাবণে চেষ্টা কবিছিল। কিন্তু এই আলোচনাব কোনো ফল নধবিলে। কিয়নো লণ্ডন সম্মিলনত যোগ দিয়াব কাবণে বাপুৰে যিবিলাক চর্ত আগবঢ়াইছিল সেইবিলাক বৃটিছ গৱর্ণমেণ্টব গ্রহণযোগ্য নাছিল। কংগ্রেছব অধিবেশনব সেই সময়ত বাজনৈতিক বাতাববণ এনেয়ে গবম হৈ আছিল। বাপু-ববলাটব আলোচনা ব্যর্থ হোৱাত সি আৰু বেছি গবম হৈ উঠিছিল।

তেতিয়া খীষ্টমাছব সময়। লাহোবত বব জাব পবিছিল। বাতি বৰফ পবিছিল। বাতি কাটি নিয়া ঠাণ্ডা। তাতে আমি আছিলো তম্বুত। বাপুব তম্বুটো

গৰমে বাখিবলৈ মই চেষ্টা কবিছিলো। কিন্তু তেওঁৰ তম্বুলৈ প্ৰতিবাৰতে একোছাটি ঠাণ্ডা বতাহ লৈ ইমান মানুহ ওলোৱা-সোমোৱা কবিছিল যে গৰমে বখাটো একেবাৰে অসম্ভৱ কথা হৈ পবিছিল। আমাৰ সকলোকে শুবলৈ খাট দিছিল। কিন্তু আমি দেখিলো যে খাটত শোৱাতকৈ মাটিত খেৰ পাবি শুলে ঠাণ্ডা কম লাগে। গাধোৱা ঘৰ কিছু দূৰত আছিল। শুদা ভৰিত চেণ্ডেল এযোৰ সুমুৱাই সেই হিম পবি থকা ঘাঁহৰ ওপৰেদি তাললৈ অহা-যোৱা কবিব লাগিছিল। মধ্যভাৰত আৰু দক্ষিণ ভাৰতৰ বহুতো প্ৰতিনিধিয়ে আৰু দৰ্শকে সেই বছৰ ঠাণ্ডাত বৰ বেয়াধৰণে ভুগিছিল।

কংগ্ৰেছৰ লক্ষ্য "পূৰ্ণ-স্বাধীনতা"। এই কথা ঘোষণা কবি প্ৰস্তাৱৰ খচবা প্ৰস্তুত কবিবলৈ যেতিয়া সিদ্ধান্ত কবা হ'ল তেতিয়া আগবেপবা চলি থকা গৰম ৰাজনৈতিক বাতাববণ একেবাৰে উতলা অৱস্থা পালেগৈ। এই প্ৰস্তাৱটো মুকলি অধিবেশনত দাঙি ধবাৰ দিনা আবেলি বাপুৰ লগত অহা প্ৰতিজনেই—(সাধাৰণতে থকাতকৈ আমাৰ দলটো সেইবাৰ ডাঙবো আছিল) সভামণ্ডপত উপস্থিত থাকিবলৈ বিচাবিছিল। কিন্তু এনে সভা-সমিতিত তেওঁৰ লগত অহা মানুহবিলাকে আসনৰ কাৰণে জোৰ কবাত বা য'ত তেওঁলোকে কবিবলগীয়া বিশেষ কাম নাই তেনে ঠাইলৈ যোৱাত বাপুৱে সদায় আপত্তি কবিছিল। এইবাৰো বাপুৱে ক'লে যে নোট লবৰ কাৰণে ব্যক্তিগতভাৱে তেওঁ যি দুই এজনক বিচাৰে তাৰ বাহিৰে দলৰ আন কোনো সভালৈ যাব নেলাগে।

গৰম আলোৱানখন গাত ছটিয়াই লৈ বাপুক ওলাই যোৱা মই চাই আছিলোঁ। তাৰ পিচত ভিতৰলৈ আহি তেওঁ উভতি অহালৈ বাট চাই আছিলোঁ। ভাবিছিলো, দুই তিনি ঘণ্টাৰ ভিতৰতে তেওঁ উভতি আহিব। সময় যাবলৈ ধৰিলে। তেতিয়াও সভা পূৰ্ণোদ্যমে চলি থকা যেন অনুমান হৈছিল। সভামণ্ডপ বৰ বেছি দূৰত নাছিল। যেতিয়াই সভাস্থলত কোনো হৰ্ষধ্বনি হয় সেই ধ্বনি মই তম্বুৰ-পৰাই শুনিবলৈ পাইছিলোঁ। বাতি বাঢ়ি অহাৰ লগে লগে ঠাণ্ডাও বেছি হৈ আহিল। কাঠ-কয়লা জাপি দি দি মই জুইকুৰা জ্বলাই বাখিছিলোঁ। তাৰ পিচত মই লক্ষ্য কবিলোঁ যে আমাৰ দলৰ কোনো এজনো ওচৰে-পাজৰে ক'তো দেখোন নাই। তেওঁলোক আটাইবিলাক কলৈ গ'ল? সভামণ্ডপলৈ নিশ্চয় যোৱা নাই। তেওঁলোকে বোধকবো বাহিৰত বৈ শুনি আছে। এতিয়া প্ৰায় মাজবাতি হ'লহি। কাঠ-কয়লাখিনিও শেষ হ'ল। বাপু উভতি অহালৈকে

তম্বুটো এতিয়া কেনেকৈ গৱমকৈ ৰখা যায়? সভামণ্ডপৰ বিৰাট জনতাৰ ৰোল আৰু জয়ধ্বনি সাগৰৰ ঢৌৰ দৰে উঠিছিল আৰু নামিছিল। তাৰ পিচত নিস্তাল মাৰিলে। মই কাণ পাতি বৈ আছিলোঁ। অধিবেশন শেষ হ'লেই নেকি! তেনেতে হঠাৎ আকাশ-বতাহ মুখৰিত কৰি তুমুল জয়ধ্বনি হবলৈ ধৰিলে—জয়ধ্বনি, জয়ধ্বনি আৰু জয়ধ্বনি। জয়ধ্বনিৰ উপৰি আকৌ জয়ধ্বনি। অৱশেষত সেই সকলো শাম কাটিলে। অলপ পৰৰ পিচতে বাপু পালেহি।

কিনো ঘটিল!

মাজৰাতি বিপুল ভোটত পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গৃহীত হ'ল। লগে লগে এটা নতুন বছৰৰ আৰম্ভণি হ'ল। এটা নতুন বছৰ—এটা নতুন যুগ।

নতুন যুগৰ প্ৰতীক হিচাপে যেন এইবাৰৰ অধিবেশনত জৱাহৰলাল নেহৰু কংগ্ৰেছ সভাপতি নিৰ্বাচিত হ'ল। দেশৰ ৰাজনৈতিক নেতৃত্ব ডেকাদলৰ হাতলৈ আহিল; কিন্তু জনসাধাৰণৰ নেতৃত্বৰ ভাৰ বাপুৰ হাততে থাকিল। নতুনকৈ গৃহীত হোৱা পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱটো যে কেৱল অন্তঃসাৰশূন্য শব্দ কিছুমান নহয়, ইয়াতে যে সমস্ত জাতিৰ আশা-আকাঙ্ক্ষা নিহিত আছে, সেই কথাটো বৃটিছ গৱৰ্ণমেণ্টৰ আগত প্ৰতিপন্ন কৰি দেখুৱাবৰ কাৰণে কাম হাতত ল'বলৈ সকলোৱে এতিয়া বাপুৰ মুখলৈ চাই আছিল।

আমি সবৰমতী আশ্ৰমলৈ উভতি আহিলোঁ। দেশৰ ইমূৰৰপৰা সিমূৰলৈকে ২৬ জানুৱাৰী দিনটো স্বাধীনতা দিবস হিচাপে পালন কৰা হ'ল। দূৰ দূৰান্তৰত সকলোৱে অনুভৱ কৰিলে যে এক সঙ্কট ঘনীভূত হৈ আহিছে।

আশ্ৰমৰ প্ৰত্যেকেই উত্তেজিত হৈ পৰিছিল। বাপুৱে কি পৰিকল্পনা কৰিছে? প্ৰথম অৱস্থাত বাপুৱে একোকে প্ৰকাশ কৰি কোৱা নাছিল। কিন্তু তেওঁৰ চাৱনি আৰু মাত-কথাবিলাক অন্তৰতম প্ৰদেশৰ প্ৰেৰণাৰ পৰিপূৰ্ণ ভাৰ আৰু প্ৰাৰ্থনাৰে উদ্ভাষিত হৈ উঠিছিল। আশ্ৰমৰ নিয়ম-শৃঙ্খলা সৈন্য-বিভাগৰ নিয়ম-শৃঙ্খলাৰ দৰে কটকটীয়া কৰা হ'ল। প্ৰত্যেকদিনাই পুন্না-গধূলি প্ৰাৰ্থনাৰ অন্তত বাপুৱে অলপ দীঘলীয়াকৈয়ে ভাষণ দিছিল।

লাহে লাহে এই কথা পৰিষ্কাৰ হৈ পৰিল যে, তেওঁ মনে মনে এনে এক সৰ্বভাৰতীয় সত্যাগ্ৰহৰ কথা ভাবিছে, যি সত্যাগ্ৰহে ভাৰতবৰ্ষৰ দুখীয়াতকৈ দুখীয়াজনকো উৎসাহিত কৰি তুলিব পাৰে। সকলোৱে ভাবিছিল যে, খাজনা বন্ধ কৰা, আদালত বৰ্জন কৰা, এনে ধৰণৰ কিবা এখন আঁচনিকে লোৱা হ'ব।

কিন্তু ইয়াৰ এটাও বাপুৰ মনঃপুত হোৱা নাছিল। জনসাধাৰণৰ কাৰণে এনে আঁচনি সিমান সুবিধাজনক নহব বুলি ভাবিছিল। ই এনেকুৱা এটা কথা হ'ব লাগিব যি কথাই প্ৰতিজন গাঁওবাসীকে স্পৰ্শ কৰে। তেওঁৰ মন লোণত নিবদ্ধ হ'ল। মানুহ, জীৱ-জন্তু সকলোবে কাৰণে লোণ আৱশ্যকীয় বস্তু। তাক সমুদ্ৰৰ-পৰা আৰু নানাৰকম মাটিৰপৰা সংগ্ৰহ কৰিব পাৰি। তথাপি এই লোণৰ ওপৰত কৰ বহুৱা হৈছে আৰু মানুহে নিজে সংগ্ৰহ কৰাত বাধা আৰোপিত হৈছে। এই বিষয়ে বাপুৱে যিমানে চিন্তা কৰিবলৈ ধৰিলে সিমানে তেখেতৰ মনত দৃঢ়বিশ্বাস জন্মিল যে এই লোণ-আইন ভঙ্গৰ সিদ্ধান্তকে ল'ব লাগিব।

ফেব্ৰুৱাৰীৰ মাজভাগত আশ্ৰমতে কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ এক অধিবেশন বহিছিল। আটাইকেউজন ডাঙৰ ডাঙৰ নেতাই সেই সভালৈ আহিছিল। ছাত্ৰ-সকলৰ বাসস্থানবিলাক খালী কৰি নেতাসকলৰ বাবে ঠিক-ঠাক কৰি ৰখা হৈছিল। তেওঁলোক তাতে আছিল। ৰাপুৱে মোক আলহীসকলৰ কোঠালীয়ে কোঠালীয়ে পুৱাৰ জলপানৰ লগত চাহ আৰু কফিৰ যোগান ধৰাৰ আৰু সভা চলি থকা সময়ত তাতে দুবাৰ চাহ দিয়াৰ ব্যৱস্থাবিলাক পৰিদৰ্শন কৰাৰ দায়িত্ব দিছিল। চাহ, কফি আশ্ৰমবাসীসকলৰ কাৰণে নিষিদ্ধ আছিল, যদিও বাপুৱে এই নিয়ম আলহীসকলৰ ওপৰত প্ৰয়োগ নকৰিছিল। মোৰ আন এটা কাম আছিল আলোচনা চলি থকা সময়ত সভাঘৰৰ দুৱাৰখন পহৰা দিয়া। এইটো এটা লেঠাত পৰা কাম আছিল। আগতে ৱাৰ্কিং কমিটীৰ সদস্যসকলহে সভাস্থলীত সোমাব পাৰিব—এই নিয়মটো কাৰাকাৰি হিচাপে পালন কৰা নহৈছিল। কিন্তু ডেকা আৰু উৎসাহী সভাপতি জৱাহৰলালে দৃঢ়ভাবে নিৰ্দেশ দিলে যে এই নিয়ম কটকটীয়াভাবে পালন কৰিব লাগিব। কথাটো অলপ বিমোৰত পেলোৱা ধৰণৰ আছিল। বিশেষকৈ এই কাৰণে যে, সেই সময়ত দুই এজন বিশিষ্ট নেতা ৱাৰ্কিং কমিটীৰ সদস্য নাছিল। আন এটা কোঠালীত বহুৱাই মই তেওঁলোকক সন্তুষ্ট ৰাখিবলৈ চেষ্টা কৰিবলগীয়া হৈছিল।

বাপুৱে যেতিয়া 'লোণ-আইন' ভঙ্গৰ প্ৰস্তাৱটো দাঙি ধৰিলে ৱাৰ্কিং কমিটীয়ে বিশ্বাসকে কৰিব পৰা নাছিল।

"লোণ!"— তেওঁলোকে চিঞৰি উঠিছিল।

"আমি আটাইবিলাকে ওলাই গৈ লোণ তৈয়াৰ কৰিম বুলি তুমি ভাবানে?" কিন্তু কথা-বতৰাৰে অবিশ্বাসীৰ মনত বিশ্বাস জন্মোৱাৰ আৰু

বসিকতা কবাব বাপুব যি অসাধাবণ ক্ষমতা আছিল সেই ক্ষমতাবে তেওঁ সকলোকে জয় কবিছিল। তিনিদিনীয়া অধিবেশনব অন্তত প্রতিজনেই উত্তপ্ত হৈ উঠিছিল।

মোব ভালকৈ মনত আছে যে জৱাহবলাল নেহৰু আৰু তেওঁব দেউতাক মতিলাল নেহৰু যেতিয়া যাবলৈ ওলাইছিল তেতিয়া সেই বয়োবৃদ্ধ ভদ্রলোকজনে মোক বিদায় সম্ভাষণ জনাওঁতে শেক্সপীয়েবব দুটামান শাবী উদ্ধৃত কবি কৈছিল : "আমি তিনিজন আকৌ কেতিয়া মিলিম। গাজনি-ঢেবেকনি-বজ্রপাত বা মুষলধাব-বৃষ্টিপাতব মাজত ?"

আশ্রমত এতিয়া তিনি সপ্তাহ জুবি বিশেষ প্রস্তুতি চলিবলৈ ধবিলে। বাপুৱে সিদ্ধান্ত কবিলে যে, অনুগামীসকলব এটা দল লগত লৈ তেওঁ সমুদ্রব উপকূললৈ যাত্রা কবিব। তাত সাগবব পানী সংগ্রহ কবি লোণ তৈয়াব কবিব আৰু এইদবে লোণ-আইন অমান্য কবিব। কিন্তু বাপুৱে নিজে এই আইন ভঙ্গ নকবালৈকে দেশব আন কোনেও এনে কবিব নেলাগিব। যত্ন সহকাবে এই সুদীর্ঘ পথব ভ্রমণ আঁচনিখন প্রস্তুত কবা হ'ল আৰু সেই যাত্রাত কোনে কোনে যোগ দিব তাকো বছা হ'ল। এইটো আছিল আটাইতকৈ আহকলীয়া কাম। কিয়নো, প্রত্যেকেই নিজব নাম তালিকাত সুমুৱাবলৈ বিচাবিছিল। অৱশেষত উনাশীজনীয়া দল এটা বাছি উলিওৱা হ'ল। বাপুৱে এতিয়া ববলাটলৈ চৰম-পত্র দিয়াব সময়ো উপস্থিত হ'ল।

সেই সময়ত আশ্রমত বেজিনাল্ড বেনল্ড নামে ডেকা ইংলিছ 'কোয়েকাব' এজন আছিল। লাহোব কংগ্রেছব সময়ত তেওঁ আমাব লগতে আছিল আৰু সেই সময়ব ভাব-চিন্তাব লগত সম্পূর্ণৰূপে জড়িত হৈ পবিছিল। বাপুৱে ববলাটব ওচবলৈ এওঁকে পত্রবাহক হিচাপে পঠাবলৈ স্থিব কবিলে।

সেই নির্দিষ্ট দিনটো আহিল। চিঠিও গ'ল আৰু সমস্ত জাতিয়ে উদ্‌গ্রীব হৈ ফলাফলব কাবণে অপেক্ষা কবি আছিল। বৃটিছ গৱর্ণমেণ্টে যে বাপুব চৰ্তবিলাক মানিব, সেই আশা অতি ক্ষীণ আছিল আৰু হ'লো সেয়ে। তেওঁলোকে "নহয়" বুলি দিয়া উত্তবটো পোৱা হ'ল। শক্তিশালী সাম্রাজ্যই অধিকতব শক্তিশালী আত্মশক্তিক চুনাই অগ্রাহ্য কবিলে।

মার্চ মাহৰ ১২ তাৰিখে বাতিপুৱা ডাণ্ডিযাত্ৰা আৰম্ভ কৰিব বুলি বাপুৱে ঘোষণা কৰিলে। প্ৰায় সকলোৱেই ভাবিছিল যে যিকোনো মুহূৰ্ততে বাপুক গ্ৰেপ্তাৰ কৰিব। ১১ তাৰিখে আবেলি আহমদাবাদৰ বাসিন্দাসকল সদলবলে আহিবলৈ ধৰিলে। জুমে জুমে মুনিহ-তিৰোতা, ল'ৰা-ছোৱালীয়ে নদীখন পাৰ হ'ল। আবেলিৰ প্ৰাৰ্থনাৰ সময়লৈ জনতাৰ সংখ্যা ইমান বেছি হ'লগৈ যে, সেই বিৰাট জনতা একেলগে গোট খাবলৈ একমাত্ৰ নদীৰ পাৰৰ মুকলি বালিচৰৰ বাহিৰে ক'তো ঠাই নাছিল।

ৰাতি হৈ আহিল। তথাপি বাপুক গ্ৰেপ্তাৰ কৰিবলৈ কোনো পুলিচ তেতিয়ালৈকে নাহিল। আমি সকলোৱে অস্থিৰ হৈ কি হ'ব কি নহব গুণা-গঁথা কৰি আছিলোঁ। কিন্তু বাপু সম্পূৰ্ণ শান্ত হৈ আছিল। একো যেন হোৱাই নাই, এনেভাৱে নিজৰ দৈনন্দিন কাৰ্যসূচী অনুসৰি কাম কৰি গৈছিল। তেওঁ ৰাতি যেতিয়া বিছনাত দীঘল দিলে ৰা'ই তেওঁৰ মূৰত তেল ঘঁহি দিছিল আৰু মই ভৰি দুখনত ঘিঁউ মালিশ কৰিছিলোঁ। তেওঁক চিন্তামুক্ত যেন দেখি আমি মনে মনে আছিলোঁ। কেইমিনিটমানৰ পিচতে বাপু শান্তিৰে টোপনি গ'ল।

যি জনতা গোট খাইছিল তেওঁলোকৰ কোনো সেই নিশা নিজ ঘৰলৈ উলটি যোৱা নাছিল। আশ্ৰমৰপৰা কিছু দূৰতে তেওঁলোকে ৰাহৰ পাতি পুঁৰতি নিশালৈকে পহৰা দি নিশাটো কটাইছিল। মোৰ বোধেৰে সেই নিশা বাপুহে কেৱল শুইছিল।

পোহৰ হৈ অহাৰ লগে লগে অধীৰ আগ্ৰহেৰে বহুতো মানুহ জমা হবলৈ ধৰিলে। তথাপি কোনো পুলিচ নাই। এনেহে অনুমান হৈছিল যেন সাম্ৰাজ্যবাদী শক্তিয়েও আনকি বাপুক ভক্তসকলৰ এই বিশাল মিলনভূমিৰ মাজৰপৰা আঁজুৰি নিবলৈ ইতস্ততঃ কৰিছে। যাত্ৰাৰ ক্ষণ উপস্থিত হ'ল। হাতত লাখুটিডাল লৈ বাপু থিয় হ'ল। ভাৰতবৰ্ষৰ অন্তৰাত্মা জাগ্ৰত হ'ল। আত্মাৰ যি জ্যোতি উদ্ভাষিত হৈ উঠিছিল, বাপুতে সি কেন্দ্ৰীভূত হৈছিল।

আশ্ৰমৰ পদুলিৰ বাহিৰে থকা বাটটোৰপৰা মানুহৰ ভিৰ ভাঙি মুকলি কৰা হ'ল। শুভ্ৰ খাদী বস্ত্ৰ পৰিধান কৰি, কাঙ্কত কেৱল কাগজ-পত্ৰৰ মোনা একোটি আঁৰি লৈ সেই সক দলটো শৃঙ্খলাবদ্ধভাৱে একত্ৰিত হ'ল। কেৱলমাত্ৰ সঙ্গীত শিক্ষকজনে তেওঁৰ তাঁৰৰ যন্ত্ৰটোও লগত লৈছিল। আগেয়ে কোনেও ক'তো নেদেখা এনে এদল সৈন্যবাহিনী এয়া ইয়াত গোট খাইছে—সামৰিক

অস্ত্র-শস্ত্র তেওঁলোকব একো নাই—মাত্র আশীজন লোকব এটা দল। পৃথিবীব আটাইতকৈ ডাঙব সাম্রাজ্যখন ওফবাই পেলাবব কাবণে অন্তবত দৃঢ় বিশ্বাস লৈ আনন্দেবে তেওঁলোকে যাত্রা আবম্ভ কবিছে। যাত্রা আবম্ভ হোৱাব লগে লগে জনতাই জয়ধ্বনি কবি চিঞবি উঠিল—"মহাত্মা গান্ধী কী জয়।" সেই সক সৈন্যবাহিনীটো আগবাঢ়ি গ'ল। জনতাও তেওঁলোকব পিছে পিছে গৈছিল।

আমি যিসকল যোৱা নাছিলোঁ, সেই সকলোৱে ভবিব খোজত ওপবলৈ উঠা ধূলিব বাহিবে চাবলৈ একো নোহোৱালৈকে চাই আছিলোঁ। আমি নিজ নিজ কোঠালীলৈ যাবব কাবণে যেতিয়া উভতিলোঁ, আশ্রমখন চাবিওপিনে শূন্য আক নীবব যেন লাগিল। বহুত লোক অৱশ্যে তেতিয়াও আশ্রমত আছিল ; কিন্তু প্রাণবন্ত যেন ওলাই গ'ল।

পিচদিনা সময় থাকোঁতেই তেওঁলৈ আশ্রমব সকলো খবব পঠাবলৈ বাপুৱে মোলৈ লিখিছিল। কিয়নো, যিকোনো মুহূর্ততে তেওঁক গ্রেপ্তাব কবিব পাবে বুলি ভাবিছিল। পদযাত্রা চলিবলৈ ধবিলে। কিন্তু গৱর্ণমেণ্টে তেতিয়াও একো কবা নাছিল।

মই বাপুবপবা তেওঁ ল'বালবিকৈ আক চুটি চুটিকৈ লিখা খবববিলাক পাই আছিলো। তাবপবা বুজা গৈছিল যে বাপুৱে সেই যাত্রাব কষ্ট বেছ ভালভাৱে সহ্য কবিছে। এপ্রিলব পাঁচ তাবিখব ভিতবতে তেখেত ডাণ্ডি পালেগৈ। ছয় তাবিখে পুৱা সমুদ্রব কাষলৈ গৈ লোণ তৈয়াব কবিলে। উৎসাহব এক তবঙ্গ গোটেই দেশতে বিয়পি পবিল। সকলো ঠাইতে মানুহে লোণ-আইন ভাঙিবলৈ আবম্ভ কবিলে। তিবোতাসকলে যিধবণে তেওঁলোকব অন্তেষপুৰবপবা ওলাই আহি এই সত্যাগ্রহত যোগ দিছিল, সি এই আন্দোলনব এক উল্লেখযোগ্য বিশেষত্ব আছিল। বম্বেব ধনী মহিলাই সাগবব পানীবপবা লোণ তৈয়াব কবাবপবা দুখীয়া খেতিয়কব তিবোতাই তেওঁলোকব গাঁৱব ওচবব মাটিবপবা নিমখ খান্দি উলিওৱালৈকে তেওঁলোকে সকলোঠাইতে এই আন্দোলনত যোগ দিছিল। দলে দলে গ্রেপ্তাব আবম্ভ হৈছিল যদিও বাপুক বাদ দি থৈছিল। বাপুৱে তেওঁব কাম শেষ কবিমুঠালৈকে যেন এক অদৃশ্য শক্তিয়ে গৱর্ণমেণ্টক বাধা দি বাখিছিল। যেতিয়া সম্পূর্ণৰূপে গোটেই দেশ জ্বলি উঠিল তেতিয়াহে তেওঁক গ্রেপ্তাব কবা হ'ল। শেহবাতি সেই খবব বিয়পিবলৈ নৌ পাওঁতেই তেওঁক

নি য়াৰবাদা জেল পোৱালেগৈ। মে মাহৰ পাঁচ তাৰিখে এই ঘটনা ঘটিছিল। বিপ্লৱৰ অগনিত ই যেন ঘিঁউহে ঢালিলে।

মে মাহৰ বাৰ তাৰিখে বাপুৱে লিখিছিল যে তেখেত সম্পূৰ্ণ ভালে আছে আৰু ক্ষতি হোৱা টোপনি পুৰাবলৈ ধৰিছে।

বাপু জেলত সোমোৱাৰ অভিজ্ঞতা মোৰ কাৰণে এইবাৰেই প্ৰথম। বহুত দিনৰেপৰা মই ইয়াৰ বাবে প্ৰস্তুত হৈ আছিলোঁ। তথাপি সঁচাকৈয়ে ই যেতিয়া আহিল, এটা আচৰিত অনুভূতি হ'ল। ই মন আৰু স্নায়ুৰ ওপৰত কিবা এটা বিশেষ ধৰণে ক্ৰিয়া কৰিছিল। গ্ৰেপ্তাৰ হৈ নিজেও জেললৈ যাবলৈ ইচ্ছা থাকিলেও বাপুৱে সেই সময়ত সত্যাগ্ৰহত যোগ দিয়াৰপৰা বেজিনাল্ডক বৰাৰ দৰে মোকো বিৰত কৰি ৰাখিছিল। সেই কাৰণে নেবানেপেৰাকৈ কাম কৰি যোৱাই আছিল একমাত্ৰ সান্ত্বনা।

কিছুদিনৰ পিচত ধৰা-বন্ধা কিছুমান নিয়মৰ ভিতৰত বাপুক দেখা-সাক্ষাত কৰিবলৈ অনুমতি দিছিল। বন্ধু কেজনমানৰ লগতে ময়ো অনুমতি পাইছিলোঁ।

চুপাৰিণ্টেণ্ডেণ্টৰ কোঠালীত দেখা-সাক্ষাত হৈছিল। বান্ধি দিয়া সময়তকৈ এক মিনিটো বেছিকৈ থকা বা জেলৰ নিয়ম ভাঙি কোনো নকৰলগীয়া কথা কোৱা সম্বন্ধে বাপু বিশেষ সাৱধান আছিল। এই দেখা-সাক্ষাত এনে কটকটীয়া আৰু অস্বাভাৱিক আছিল যে বাপুক দেখা যেন নালাগিছিলেই।

কেইসপ্তাহমান যোৱাৰ পিচত হঠাৎ চিঠি-পত্ৰ বন্ধ হৈ গ'ল। অস্থিৰ, উদ্বিগ্নভাৱ মাজেদি সপ্তাহৰ পিচত সপ্তাহ পাৰ হৈ যাবলৈ ধৰিলে। গভৰ্ণমেণ্টে চিঠি-পত্ৰৰ আদান-প্ৰদান এনেদৰে বন্ধ কৰিছে কিয়! বাপু অসুস্থ নেকি? তাকে বাইজক জনাবলৈ তেওঁলোকে ভয় কৰিছে নেকি? তথাপি সৰহ দিনলৈ সেই খবৰ লুকুৱাই ৰাখিবলৈ তেওঁলোকে সাহ নকৰিব। তেন্তে কথাটো কি হ'ব পাৰে। অৱশেষত জুন মাহত চিঠি আকৌ আহিল।

কেবাসপ্তাহৰো পিচত আশ্ৰমৰ খবৰবিলাক লিখিবলৈ মই আকৌ কলম হাতত লৈছোঁ। বাটটো এতিয়া কিছু পৰিষ্কাৰ হৈছে যেন অনুমান

হৈছে। সময় যোৱাৰ লগে লগে আশ্রমতে সোমাই থাকি থাকি মই একপ্রকাৰ অধৈর্য হৈ উঠিলোঁ। আশ্রমৰপৰা ওলাই গৈ ব্যাপকভাৱে খাদীৰ অভিযান এটা চলাবৰ মন গৈছিল—অন্ততঃ টকা সংগ্রহ কৰিবৰ বাবে নহয়। কাৰণ সেই কামৰ অধিকাৰ একচেটীয়াভাৱে বাপুৰহে আছিল। মোৰ মন আছিল গাঁৱৰ মানুহৰ মাজত উন্নত প্রণালীৰে কপাহ ধুনা আৰু সূতাকটা বিষয়ে প্রচাৰ কৰা আৰু চহৰৰ মানুহে যাতে খাদী কিনে আৰু খাদীহে পিন্ধে তাৰবাবে প্রচাৰ কার্য চলোৱা। লোণ সত্যাগ্রহত মই যোগ দিব নোৱাৰিলেও খাদীৰ প্রচাৰৰ কাৰণে দেশত পৰিভ্রমণ কৰিবলৈ মোক অনুমতি দিব পাৰে। সেই সময়ত দেশৰ মনোভাৱো সেইবিলাক কথা শুনাৰ অনুকূলে আছিল। সেই কাৰণে বিভিন্ন প্রদেশৰ লগত যোগাযোগ কৰি ভ্রমণসূচী এখন প্রস্তুত কৰা হ'ল। এই ভ্রমণ-সূচীমতে বিহাৰ হৈ মই মাদ্রাজলৈ যাব লাগিব। তাৰপৰা পুৰ উপকূলেদি উজাই গৈ কলিকতা পাৰলৈ লাগিব। কেৱল উভতি আহোঁতে মাদ্রাজৰপৰা কলিকতালৈ ঘুৰি অহা বাটডোখৰৰ কথা মোৰ পৰিষ্কাৰকৈ মনত আছে। ইতিমধ্যে পুলিচৰ মনোভাৱ বিৰূপ হৈ উঠিছিল। এই ভ্রমণত তেওঁলোকে মোৰ লগ এৰা নাছিল।

কাম-কাজ চলাওঁতে আৰু কথা কওঁতে বিশেষ সাৱধানতা লৈ মই নিজক বচাই চলিছিলোঁ। কিয়নো, নিজে ইচ্ছা কৰি গ্রেপ্তাৰ নহবলৈ বাপুৱে মোক পৰামর্শ দি থৈছিল। কিন্তু বাপুৰে সৈতে সম্বন্ধ থকা যিকোনো এজনৰ প্রতি বাইজৰ বিশেষ উৎসাহ আছিল। বাইজৰ সেই উৎসাহে মোৰ ভ্রমণ বঙীণ কৰি তুলিছিল আৰু কর্তৃপক্ষক ব্যতিব্যস্ত কৰি বাখিছিল। দিন যোৱাৰ লগে লগে তেওঁলোকৰ মনোযোগ সুস্পষ্ট হৈ উঠিল। মোৰ লগত থকা বন্ধুসকলে ভাবিছিল যে যিকোনো মুহূর্ততে মোক গ্রেপ্তাৰ কৰিব পাৰে।

বাজা মেহেন্দ্রী ষ্টেশ্তনৰ পিনে যেতিয়া আমাৰ ট্রেনখন আগবাঢ়িছিল—তাৰ আগতে এবি অহা ষ্টেশ্তনটোতে আমি শুনিছিলোঁ যে সেই ঠাইত এজন বৰ কাৰা বৃটিছ পুলিচ বিষয়া আছে আৰু হয়তো তাত কিবা দিগদাৰী হ'ব পাৰে। সঁচাকৈয়ে আমি যেতিয়া ষ্টেশ্তন পালোগৈ লাঠীধাৰী পুলিচ কনিষ্টবলৰ দল এটা প্লেটফর্মত বৈ আছিল—বাইজৰ কাললৈ কোনো মানুহেই তাত উপস্থিত নাছিল। তেওঁবিলাকক পুলিচে মাৰধৰ কৰিছিল। ট্রেনখন ষ্টেশ্তনত যেতিয়া ব'লগৈ

পুলিচসকলে দুয়োপিনে শাৰী পাতি মাজেদি এটা বাট কৰি থিয় দিলে। ৰেলৰপৰা নামি সেই বাটেদি মই প্লেটফৰ্মৰ বাহিৰ ওলাব লাগিব। ষ্টেশ্যনৰপৰা মই বাহিৰ ওলোৱাৰ লগে লগে তেওঁলোকে বাহিৰৰ মুকলি ঠাইত দীঘলীয়াকৈ শাৰী পাতি বৈ থকা ধুনীয়া দক্ষিণ ভাৰতীয় গৰুগাড়ীবিলাকৰ পিনে ঢাপলি মেলিলে আৰু অতি নিষ্ঠুৰভাৱে ৰলদবিলাকক কোবাবলৈ ধৰিলে। মাৰৰ কোবত ৰলদকেটায়ো গাড়ীৰে সৈতে ইফালে-সিফালে দৌৰা-দৌৰি কৰিবলৈ ধৰিলে। মোক নিবলৈ যিখন কাৰ আনিছিল তাৰ ড্ৰাইভাৰজনকো ইমান ভাষণভাৱে মাৰধৰ কৰিছিল যে সিও গাড়ী চলাব নোৱাৰা হৈ পৰিল। এতিয়া মই পাহৰিছো—সঁচাকৈয়ে কেনেকৈ মই সেই ৰাতি থাকিবলৈ ঠিক কৰা ঘৰখন পাইছিলোঁগৈ। থকা স্থান পাই মই লক্ষ্য কৰিলোঁ যে সৰ্বভাৰতীয় শিপিনী সঙ্ঘৰ প্ৰাদেশিক চেক্ৰেটাৰী, নম্ৰ, নিমাখিত, অকণমান মানুহজন আমাৰ মাজত নাই। তেখেতৰ বিষয়ে সোধাত মোক কৈছিল যেষ্টেশ্যনত তেখেতে বুকুত বেছিকৈ আঘাত পাই অসুস্থ হৈ পৰিছে।

সকলো সভা-সমিতি বন্ধ হ'ল আৰু মই নিজে ধৰা দিবও নোৱাৰো, গতিকে কোনো ৰাজহুৱা অনুষ্ঠান পতা নাছিল। যি হওক, ৰাতি আমি থকা ঘৰখনতে কৰ্মীসকলৰ সভা বহিছিল। সেই ঠাইতো আক্ৰমণ হ'ব বুলি গুজব ওলাইছিল। ঘৰৰ গৃহস্থ আৰু স্থানীয় অন্যান্য বন্ধুসকল সেই ৰাতি কিজানি শোৱাই নাছিল। পুলিচে ৰাতিটো ঘৰখন ঘেৰাও কৰি ৰাখিছিল। কোনো ঘটনা অৱশ্যে ঘটা নাছিল।

পুলিচৰ লোকসকল তৎপৰ হৈ উঠাৰ আগতেই খুব পুৱাতে সেই ঠাই এৰিবলৈ আমি ব্যৱস্থা কৰিছিলোঁ। পিছে ৰাতি পুৱৱাৰ আগতেই হাতে হাতে লাঠী লৈ পুলিচবাহিনী ওলাই লৰী এখনত উঠি আমাৰ আগে আগে আৰু চি. আই. ডি.ৰ লোকসকল পিচে পিচে গৈছিল। তেওঁলোকৰ জিলাৰ সীমা পাৰ নোহোৱালৈকে তেওঁলোকে আমাৰ ওপৰত এনে ধৰণে নজৰ ৰাখিছিল। সত্তৱতঃ সেই কাৰ্য বৃটিছ বিষয়াজনে নিশ্চয় নিজৰ শক্তিৰ যথোচিত পৰিচয় দিয়া হৈছে বুলি ভাবিছিল।

এনেয়ে চেপ্তেম্বৰ মাহৰ গৰম বতৰ, তাতে দিনটো কামৰ হেঁচাত উশাহ ল'ব নোৱাৰা অৱস্থা আৰু ৰাতিও গৰমত ছটফটাই থাকিব লগা হোৱা কাৰণে

ইতিমধ্যে মোব অলপ অলপ জ্বব আবম্ভ হৈছিল। পূর্ব উপকূলব যাত্রা শেষ হ'ল আক কলিকতাত গৈ মই অলপ বিশ্রাম লমগৈ বুলি ভাবিছিলোঁ। কলিকতাব পুলিচ কমিছনাবজনো ইংলণ্ডব "শক্তিশালী" মানুহবিলাকব মাজবে এজন। আনহাতে বঙালী লোকসকলো হৈছে জন্মতে বিদ্রোহী। লৌহ হস্তব দমন-নীতিব বিৰুদ্ধে তেওঁলোকে স্বাভাৱিকতেই বিদ্রোহী হৈ উঠিছিল।

ট্রেনখন হাওবা ষ্টেশ্চন সোমোৱাব লগে লগে "মহাত্মা গান্ধী কী জয়" জয়ধ্বনি দিয়া মই শুনিবলৈ পাইছিলোঁ। মই বব আচবিত হলোঁ। কিয়নো, কোনো অভ্যর্থনাব আয়োজন কবাব কথা মোক আগতে কোৱা হোৱা নাছিল। মই যাব ঘবত গৈ উঠাব কথা তেওঁকহে কেৱল প্লেটফর্মত লগ পাম বুলি ভাবিছিলোঁ। খিবিকীবে বাহিবলৈ চাই দেখিলো, খদ্দবব সাজ-পাব পিন্ধা মুনিহ-তিবোতাব এটা দলে হাতত মালা লৈ থিয় দি আছে। তেওঁলোক মোব পিনে দৌবি আহিছিল কিন্তু পুলিচে বাধা দিলে। কথাটোনো কি হৈছে জানিবলৈ নৌ পাওঁতেই এজন ইংবাজ বিষয়া গাড়ীব ভিতবলৈ জাপ মাবি উঠি মোক গাড়ীবপবা নমাত বাধা দিলে। তেওঁ মোব হাতত এখন নটীচ দি ক'লে যে তেওঁ পুলিচব ডেপুটি কমিছনাব। সেই নটীচখনত মোক আগবঢ়াবলৈ অহা আক মোক লৈ গোটেই নগবতে পবিভ্রমণ কবিব খোজা মহিলাব শোভাযাত্রাত যোগ নিদিবলৈ মোব প্রতি নির্দেশ দিয়া আছিল। বিষয়াজনে ক'লে, "নটীচখন কি বিষয়ে, আপুনি জানিছে। গতিকে অনুগ্রহ কবি আপুনি শোভাযাত্রাত যোগ নিদিব।" মই কলোঁ যে যিসকলে মোব ভ্রমণ তালিকা প্রস্তুত কবিছে, আক যিসকলক তেওঁ প্লেটফর্মবপবা আগবাঢ়িবলৈ দিয়া নাই— তেখেতসকলেবে সৈতে আলোচনা নকবাকৈ মই কোনো কথা দিব নোৱাবো। "আপুনি অনুগ্রহ কবি তেওঁলোকক ভিতবলৈ আহিবলৈ দিবনে?" তেওঁ মোক সাৱধান কবি দি ক'লে, "আপুনি যদি শোভাযাত্রাত যোগ দিবলৈ চেষ্টা কবে তেন্তে লাঠীচার্জব হুকুম দি বখা হৈছে।" এইবুলি কৈয়েই তেওঁ গাড়ীবপবা জাপ মাবি নামি ওলাই গ'ল।

প্লেটফর্মত বৈ থকা দলটোক তেতিয়া মোব ওচবলৈ আহিবলৈ অনুমতি দিয়া হ'ল। একেকোবে গাড়ীব ভিতবলৈ সোমাই আহি তেওঁলোকে মোব ডিঙিত মালাব ওপবতে মালা জাপি জাপি উশাহ-নিশাহ নোপোৱাব নিচিনা অৱস্থা কবিছিল। তেওঁলোক ইমান উত্তেজিত হৈ পবিছিল যে, তৎক্ষণাৎ আটায়ে

একেলগে কথা কৈছিল। সেই কাৰণে প্ৰকৃত অৱস্থাটো বুজোতে মোৰ অলপ সময় লাগিছিল। দেখা গ'ল যে মহিলাসকলৰ শোভাযাত্ৰাৰ দলটোক হাওৱা ব্ৰিজৰ সিপাৰে আচল কলিকতাৰ সীমাতে আগবাঢ়িবলৈ নিদিয়াকৈ বখা হৈছে। যেই হওক, মহিলাসকল অৱশ্যে দিহা-দিহি শুচি নগৈ মই সেইখিনি পোৱালৈকে বাট চাই আছে। তেওঁ কোৱামতে নকৰিলে লাঠীচার্জ কৰা হ'ব বুলি ডেপুটি কমিছনাৰজনে মোক সাৱধান কৰি দিছিল। ই যুদ্ধাৰ্থে আহ্বানৰ নিচিনা কথা আছিল। মোৰ তেজ উতলি উঠিল। মোৰ ভাৰ হ'ল, বাপুৰে নিশ্চয় এনে ধৰণৰ ধমকত মই সেও মনাটো আৰু জনসাধাৰণৰ উৎসাহত এইদৰে চেচাঁপানী ঢলাটো ইচ্ছা নকৰিলেহেঁতেন। ইয়াকে ভাবি মোক আগুৰি থকা সৰু দলটোক উদ্দেশ্য কৰি ক'লো, "আঁহা আমি দলংখন পাৰ হওঁহক"। তেওঁলোকে কলে, "হয়, হয়, আপোনাক লৈ যাবৰ কাৰণে আমাৰ কাৰ এখনো বৈ আ'ছ।" আমি ষ্টেশ্যনৰ বাহিৰে থকা চোতাল ওলালোগৈ। এক উত্তেজিত জনতা তাত গোট খাইছিল। মোক নিবলৈ অহা মটৰখনৰ সন্মুখত পুলিচ থিয় দি আছিল। তেনেতে এগৰাকী বাঙালী বন্ধুৱে মোৰ কাণে কাণে ক'লে যে মটৰখনক যাবলৈ নিদিবলৈহে সস্তুৰ পুলিচক হুকুম দিয়া আছে। গতিকে আমি যদি খোজকাঢি যাওঁ তেন্তে বোধকৰো তেওঁলোকে বাধা নিদিব। তাকে ভাবি আমি শুচি গ'লোঁ। পুলিচকেজনে তেওঁলোকৰ কটকটীয়া নিয়ম মানি কাৰখনৰ সন্মুখতে দৃঢ়ভাৱে থিয় দি থাকিল। আমি ব্ৰিজখনৰ মাজমান নৌ পাওঁতেই সিফালে লাঠীচার্জ আৰম্ভ হৈছিল। মোৰ গাত আঘাত লগা নাছিল যদিও ওচৰে-পাজৰে থকা সকলোৱেই খুন্দা খাইছিল। অলপ আঁতৰতে মহিলা শোভাযাত্ৰাৰ দলটো বৈ থকা মই দেখা পাইছিলোঁ। এনেতে এই সকলো উত্তেজনা আৰু গণ্ডগোলৰ মাজতে ডেপুটি কমিছনাৰে মোৰ ওচৰলৈ আহি সুধিলে, "কলিকতাত যিখন ঘৰত আপুনি থাকিবগৈ, সেই ঘৰখন ক'ত? তালৈ আপুনি এইখন টেক্সিত যাব লাগিব।" মই কলোঁ, "আপোনাৰে সৈতে এইদৰে সহযোগিতা কৰিম বুলি নিশ্চয় আপুনি আশা নকৰে।"

"তেন্তে মই আপোনাক পুলিচ থানালৈকে লৈ যাব লাগিব। অনুগ্ৰহ কৰি টেক্সিখনত উঠক।"

মই লৰচৰ কৰা নাছিলো। সেই কাৰণে পুলিচ এজনে মোক পিচফালৰপৰা লাহেকৈ আগলৈ ঠেলি দুৱাৰখনেদি গাড়ীৰ ভিতৰলৈ সুমুৱালে। ডেপুটি

কমিছনাবজন মোব কাষতে বহিল। পুলিচজন আগত, ড্রাইভাবব লগত বহিছিল। ডেপুটি কমিছনাবে চিঞবি ক'লে, "পুলিচ ষ্টেশ্যন"। আমি শুচি গলোঁ। আগত বহা পুলিচজনে আগলৈ হাউলি যাকৈ মন যায় আৰু তেওঁব লাঠীবে যাকে য'তে ঢুকি পায় খুন্দিয়াই যাবলৈ ধবিলে। আমি পালোঁগৈ। ডেপুটি কমিছনাবে মোক "ওৱেটিং কম" এটাত থৈ বাহিবলৈ ওলাই গ'ল। অলপ পবব পিচত উলটি আহি তেওঁ মোক ক'লে, "কমিছনাবে আপোনাক মাতি পঠাইছে"। তেওঁ মোক লৈ গৈ কমিছনাবব অফিচটো দেখুৱাই দি দুৱাবখন জপাই থৈ শুচি গ'ল। ডেস্কব সিফালে বহি থকা ছাব চার্লচ্ টেগার্টে কঠোবভাবে ওপবলৈ চালে। তেখেতব বিপবীতফালে থকা চকীখনত মই বহিলোঁ।

তেখেতে ক'লে, "আজি চহবত এইবিলাক কিহব গণ্ডগোল ?"

মই উত্তব দিলোঁ, "আপোনাব পুলিচবিলাকব কাবণেহে। নহলে একো গণ্ডগোলেই নহলহেঁতেন।" যথেষ্ট সময় আমাব মাজত কথা-বতবা হৈছিল। অৱশেষত ছাব চার্লচে কৈছিল –"এইবাবলৈ সাৱধান কবি মই আপোনাক এবি দিম। কিন্তু আগলৈ কোনো আদেশ অমান্য নকবো বুলি প্রতিশ্রুতি দিব লাগিব।" মই ক'লোঁ, "সম্ভৱতঃ সেইটো মই কবিব নোৱাবিম। কিয়নো, কেতিয়া কেনে অৱস্থাত পবোঁ আৰু মোব মনে কি কবিবলৈ কয় সেইটো মই আগতীয়াকৈ ক'ব নোৱাবোঁ।" তেওঁ মোব এই কথাষাবব ওপবত বেছি জোব নিদিলে। মই যাবলৈ উঠাত তেখেতেও উঠি কবমর্দন কবিলে।

মই ওলাই আহি দেখিলো, টেক্সিখন তেতিয়াও তাতে বৈ আছে। সেইখনতে উঠি মই শিখ ড্রাইভাবজনক ঘবব ঠিকনাটো ক'লোঁ। গন্তব্যস্থান পাই যেতিয়া ড্রাইভাবজনক গাড়ীব ভাবা যাচিলোঁ, তেওঁ লবলৈ একেবাবে অমান্তি হ'ল। আন্দোলনবে সৈতে তেওঁবো অন্তবব যোগ আছিল।

অৱশেষত ঘবখন পাইহে অতপবে মোব গাত উঠি থকা অবব বিষয়ে উমান পালোঁ। মোব সকলো দায়িত্ব লৈ গৃহস্থগবাকীয়ে মোক শুৱাই বাখিলে। কিন্তু চাবিওফালব সাধাবণ বাতাবৰণ উত্তলি আছিল আৰু নানা ধবণব খবব-বিলাক লৈ মানুহ আহিয়েই আছিল। তেওঁলোকবপবা পোৱা খবববিলাকবপবা জনা গ'ল যে মোক পুলিচ ষ্টেশ্যনলৈ টেক্সিত লৈ যোৱাব পিচ মুহূর্তৰে পৰা মহিলাব দলটোৱে কলিকতাব বাটত শোভাযাত্রা আবম্ভ কবিছিল। পুলিচে কেইপিনে

তেওঁলোকক ঘেৰাও কৰি গৈছিল। শোভাযাত্ৰাটো যেতিয়া বিশ্ববিদ্যালয়ৰ কাষেদি পাৰ হৈছিল—কেজনমান ছাত্ৰই খিৰিকীৰে জুমি চাই মহিলাসকলৰ প্ৰতি অশোভন ব্যৱহাৰ কৰা পুলিচকেজনলৈ টিঞৰি কিবা মন্তব্য কৰিছিল, ফলত পুলিচ বিশ্ববিদ্যালয়ৰ ভিতৰলৈ সোমাই গৈ ওপৰলৈ উঠি 'কমনৰুম' পালেগৈ আৰু তাত ছাত্ৰসকলক যাকে য'তে লগ পাইছিল তাতে তেওঁলোকক নিষ্ঠুৰভাৱে প্ৰহাৰ কৰিছিল। ইয়াৰে ফলস্বৰূপে গোটেই চহৰতে এক উত্তেজনাৰ সৃষ্টি হৈছিল আৰু বজাৰ-সমাৰ সকলো বন্ধ হৈছিল।

পিচদিনা ভাইচ্ চেঞ্চেলাৰজনে আহি বিশ্ববিদ্যালয়ৰ ঘৰৰ ভিতৰৰ বাটৰ বাৰবিলাকত আৰু কমনৰুমত—য'ত পুলিচে ছাত্ৰসকলক মাৰ-ধৰ কৰিছিল—তাত লাগি থকা তেজৰ দাগবিলাক দেখুৱাবলৈ মোক লৈ গৈছিল। তেখেতৰ তীব্ৰ খং উঠিছিল আৰু ঘৃণা উপজিছিল।

কলিকতাত কটোৱা বাকী দিনকিটা মোৰ তুলনামূলক হিচাপে চালে সহজভাৱেই পাৰ হৈছিল। গম্ভীৰ বাতাবৰণ বৰ্তিছিল যদিও আৰু কোনো গণ্ডগোল ছোৱা নাছিল। ভ্ৰমণ শেষ হ'লত মই আকৌ সৰৰমতীলৈ উভতি আহিলোঁ।

এই সময়ছোৱাত য়াৰবাদা জেলৰপৰা বাপুৰ চিঠি নিয়মমতে পাই আছিলো। মোৰ চিঠিতো নিয়ম ভঙ্গ নকৰাকৈ যিমানদূৰ সম্ভৱ মোৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰিছিলোঁ আৰু ঘটনাৱলীৰ এখন ছবি দাঙি ধৰাত কিছুদূৰ কৃতকাৰ্যও হৈছিলোঁ। ১৯৩০ চনৰ চেপ্তেম্বৰ মাহৰ ৯ তাৰিখে তেওঁ লিখিছিল :

"মই তোমাৰ কলিকতাৰপৰা দিয়া চিঠি পাইছো। তোমাৰ বহুত ধৰণৰ অভিজ্ঞতা হৈছে। সত্যৰ অন্বেষণ কৰোতাজনে প্ৰতিটো অভিজ্ঞতা কামত লগায়।"

কিছু পৰিমাণে পৰিশ্ৰান্ত হৈ মই সৰৰমতীলৈ উভতি আহিলো যদিও এনে এটা অস্থিৰতা অনুভৱ কৰিছিলোঁ যে বেছিদিন আশ্ৰমত আৰু থাকিব নোৱাৰিলোঁ। মই আকৌ ভ্ৰমণৰ বাবে ওলালোঁ। এইবাৰ সিন্ধু প্ৰদেশলৈ।

জানুৱাৰী মাহৰ ২৪ তাৰিখে হঠাতে বাপুক মুক্তি দিলে। আপোচ মীমাংসা এটা কৰিবৰ কাৰণে জেলৰ বাহিৰত থকাসকলে অনবৰত চেষ্টা চলাই গৈছিল। কিন্তু সেই চেষ্টা ফলৱতী হ'বলৈ নহয় আগতীয়াকৈ অনুমান কৰা টান আছিল।

বাপু প্ৰথমতে বম্বেলৈ গৈছিল। পণ্ডিত মতিলাল নেহৰু ভীষণভাৱে অসুস্থ হোৱাৰ খবৰ পাই লৰালৰিকৈ তেওঁ এলাহাবাদলৈ গ'ল। মতিলাল নেহৰুৱে জেলত বৰ বেছি ৰকমে ভুগিছিল। মোৰ সিন্ধু প্ৰদেশৰ ভ্ৰমণ শেষ হ'লত ময়ো-পোনে পোনে তাললৈকে গ'লোঁ।

মতিলালজী ভাৰতৰ এজন বিশিষ্ট ৰাজনীতিজ্ঞ পুৰুষ। তেখেত এজন বিখ্যাত আইনবিদো আছিল। অকল সেয়ে নহয়, তেখেতৰ শক্তিশালী আৰু চমৎকাৰ ব্যক্তিত্বৰ কাৰণে তেখেতে ৰাজহুৱা জীৱনত বিশেষ স্থান দখল কৰিছিল। কি ভাৰতীয়, কি ইংৰাজ, সকলোৱে সমানে তেখেতক সম্মান কৰিছিল। বাপুৰে সৈতে তেখেতৰ ভাগ্য সাঙুৰি লোৱাৰ আগতে তেওঁ পশ্চিমীয়া চাল-চলন, আদৰ-কায়দাৰ শীৰ্ষস্থানত আছিল। আনকি বৃটিছ গৱৰ্ণৰসকলৰ তুলনাতো তেখেত এখোপ চৰাহে আছিল। কিন্তু বাপুৰ আন্দোলনত যোগ দি যেতিয়া তেওঁ ৰাজনৈতিক ক্ষেত্ৰত নামিল তেতিয়া বিদেশী বস্ত্ৰ, বিদেশী চাল-চলন, সকলো দলিয়াই পেলাই ভাৰতীয় ধৰণেৰে খদ্দৰৰ সাজ-পাৰ পিন্ধিবলৈ লৈছিল। সেই দেশী সাজবোৰকে তেওঁ এনে ধৰণে এটা ফিট্-ফাট্ ৰূপ দিছিল যে, ভাৰতীয় খাদী সাজ-পাৰক উন্নত কৰাৰ যে যথেষ্ট স্থল আছে লাহে লাহে সেই বিষয়ে মানুহৰ চকু মুকলি হ'ল।

মতিলালজীৰ ৰাজনৈতিক তীক্ষ্ণদৃষ্টিৰ কাৰণে বাপুৱে তেওঁক বিশেষ সম্মান কৰিছিল আৰু দেশে যি ভীষণ সঙ্কট অৱস্থাৰ সম্মুখীন হ'বলগীয়া হৈছিল তাত তেখেতৰ সহায় পাবলৈ বাপুৱে আশা ৰাখিছিল। এনে অৱস্থাত তেখেত ভীষণভাৱে অসুস্থ হোৱাৰ খবৰ অতিশয় কষ্টদায়ক আছিল।

মতিলাল নেহৰুৱে জৱাহৰলালজীৰ কাৰণে সজোৱা 'আনন্দ ভৱন'ত নেহৰু পৰিয়ালৰ সকলোটি গোট খাইছিলহি। বাপুৱেও লগত আন দুই এজনেৰে সৈতে ইতিপূৰ্বে সেইখিনি পাইছিলগৈ। পণ্ডিত মতিলাল নেহৰুৰ স্বাস্থ্য বেগেৰে বেয়াৰ পিনেহে ঢাল ললে। কেঞ্চিমানৰ ভিতৰতে ঠিক কৰা হ'ল যে তেওঁক deep X-ray চিকিৎসা দিয়াৰৰ কাৰণে লক্ষ্ণৌলৈ নিব লাগিব।

তাত আমি সকলোটি গৈ এটা ডাঙৰ ঘৰত আছিলোগৈ। মতিলাল নেহৰুক চিকিৎসাৰ বাবে হাস্পতাললৈ নিয়াৰ আগতেই তেখেতৰ মৃত্যু হ'ল। দুখ-বেজাৰ কৰিবলৈ বা ভাবিবলৈ সময়েই নাছিল। কাৰণ সেইদিনাই এলাহাবাদলৈ আকৌ উভতি গৈ শৱদাহ কৰিব লাগিব। সেই কাৰণে আমি উভতিলোঁ। আগত মৃতদেহ লৈ যোৱা গাড়ীখনত অকলশৰে জৱাহৰলাল আৰু পিছে পিছে আমি।

শৱদাহৰ কাৰণে জা-যোগাৰ সম্পূৰ্ণ হৈ উঠাৰ আগতেই গধূলি হ'ল। তাৰ পিচত শৱযাত্ৰাত কোনে কোনে যোগ দিব এই লৈ প্ৰশ্ন উঠিল। ইতিমধ্যেই চন্তালিৰ নোৱাৰা হিচাপে জনতা গোট খাইছিল। গতিকে বাপুৰে ক'লে যে তেওঁ কিছুসময়ৰ পিচত যোৱাই ভাল হ'ব। অৱশেষত গঙ্গা-যমুনাৰ সঙ্গমস্থলত থকা শ্মশান অভিমুখে শৱযাত্ৰা আৰম্ভ হ'ল। জনতাই পাছ ল'লে। 'আনন্দ ভৱন' নীৰৱ হৈ পৰিল। শৱযাত্ৰা ঘাট গৈ পোৱাৰ খবৰটো অহালৈকে বাপুৰে সৈতে আমি তেখেতৰ কোঠালীতে বহি আছিলোঁ। আমি বৈ আছিলোঁ, এনেকৈ ৰাতিও যথেষ্ট হ'ল—তেনেতে বাপুক লৈ যাৰৰ কাৰণে কাৰ এখন আছিল। আমি যেতিয়া ঘাট পালোগৈ,-নদীৰ পাৰৰ বালি অসংখ্য জনতাৰে ভৰি পৰিছিল। যেই হওক, ভিৰৰ মাজেদি কোনোমতে বাট এটা মুকলি কৰি উলিয়াইছিল। মৃতদেহ ইতিপূৰ্বে চিতাত তোলা হৈছিল। কেৱল শিৰৰ বাহিৰে শৰীৰৰ বাকী অংশত কাঠ জাপি দিয়া হৈ গৈছিল। বাপু যেতিয়া পালেগৈ তেখেতৰ হাতত চন্দনকাঠ যতনাই দিয়া হ'ল। তেখেতেও মুখখনৰ চাৰিওকাষে সযতনে সেই কাঠ পাৰি দিলে। তাৰ পিচত অন্যান্য নেতা-সকলেও দেহটো সম্পূৰ্ণ আবৃত কৰি আৰু চন্দনকাঠ জাপি দিলে। তাৰ পিচত সুগন্ধি বস্তু আৰু ঘিউ ঢলা হল। অৱশেষত জৱাহৰলালৰ হাতত মুখাগ্নি কৰিবৰ কাৰণে জুমুঠি একুৰা জ্বলাই দিয়া হ'ল। জুইৰ শিখা বাতিৰ আকাশৰ পিনে মু কৰি জ্বলি উঠিল। সেই শিখা ওপৰলৈ, ক্ৰমাৎ ওপৰলৈ উঠি গ'ল। জনতাই চিঞৰি উঠিল, "পণ্ডিত মতিলাল নেহৰু কী জয়।" জুইৰ তাপ বৰ বেছি হৈছিল। চিতাৰ কাষত, আমি য'ত বৈ আছিলো সেই ঠাইলৈ, আগলৈ আহিব খোজা জনতাই জোৰেৰে হেঁচি-ঠেলি আগবাঢ়িছিল। আমি থিয় হোৱা ঠাই কমি আহিবলৈ ধৰিলে। কিন্তু এনে অৱস্থা বেছি সময়লৈ নাছিল। উদ্বিগ্ন স্বেচ্ছাসেৱকসকলে হাত জোকাৰি সঙ্কেত জনালে। জনতাই বুজিব

পাৰি লাহে লাহে হেঁচা-ঠেলা কৰা কমালে আৰু আমিও দুইকি আহিলোঁ। বাপু আৰু পণ্ডিত মালব্যই চমু বক্তৃতা দিয়া হোৱাৰ পিচতে বাপু উঠতি আহিছিল।

কিন্তু জৱাহৰলালৰ কাম তাৰ বহুত পিচলৈকে আছিল। শেহবাতি গঙ্গাৰ পৱিত্ৰ জলত স্নান কৰাৰ পিচতহে তেওঁৰ কাম শেষ হৈছিল। নিচেই বাতিপুৱাতে দেউতাক ঢুকুৱাৰ সময়ৰেপৰা সেই শেহবাতি নদীৰ ঠাণ্ডা পানীত ডুব মৰালৈকে তেওঁৰ একেবাহে ভীষণ কষ্ট গৈছে। গতিকে পিচদিনা পুৱা পানীলগা, জ্বৰ, শাৰীৰিক আৰু মানসিক ক্লান্তিত তেখেতৰ স্বাস্থ্য ভাগি পৰাত আচৰিত হ'বলগীয়া নাছিল।

অৱশ্যে সেইদিনত কোনেও ক'তো অকণো জিৰণি লোৱা নোৱাৰিছিল। দুই এটা শান্তিৰ প্ৰস্তাৱ প্ৰকাশ পাইছিল। প্ৰতিক্ৰিয়ানো কেনে ধৰণৰ হয় তাকে বুজিবলৈ ৰৱলাটৰ ঘৰৰপৰাই এই প্ৰস্তাৱবিলাক ওলাইছিল। মাৰ্চ মাহৰ ১৭ তাৰিখে বাপুক আলোচনাৰ কাৰণে নিমন্ত্ৰণ জনোৱা হ'ল। ভাৰতত সম্ৰাটৰ প্ৰতিনিধিয়ে ভাৰতীয় বিদ্ৰোহী এজনেৰে সৈতে এক সম্মানজনক মীমাংসাত উপনীত হ'ৰ কাৰণে সমানে সমানে চলোৱা গান্ধী-আৰউইনৰ এনে আলোচনাই বৃটিছ ৰক্ষণশীল লোকসকলৰ অন্তৰত পোৰণি তুলিছিল। বাপুৱে আৱশ্যকমতে সকলো সময়তে তেখেতসকলক যাতে লগ পাব পাৰে তাৰ কাৰণে কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ কেউজন সদস্য দিল্লীতে গোট খাব লগা হৈছিল। কিন্তু এইখন আছিল মতিলালজী বিহীন ৱাৰ্কিং কমিটী। ঠিক এই মুহূৰ্ততে তেখেতৰ সহায় আৰু দিহা-পৰামৰ্শৰ অভাৱ সকলে অনুভৱ কৰিছিল।

আমি ডেৰিয়াগঞ্জত ডাঃ আন্সাৰীৰ ঘৰত আছিলোঁ। তেওঁৰ ঘৰৰপৰা যমুনা নদীখন দেখি। আমি থকা কুৰিটা দিন ডাঃ আন্সাৰীৰ ঘৰখন আচলতে আলহী ঘৰত পৰিণত হৈছিল। ডাঃ আন্সাৰী ৱাৰ্কিং কমিটীৰ সদস্য আছিল। সকলো সময়তে তেওঁ আছিল সহাস্যবদন, বিনীত আৰু শান্ত। তেওঁক ধৰফৰ কৰা বা ব্যতিব্যস্ত হোৱা কেতিয়াবা দেখিছিলোঁ বুলি মোৰ মনে নধৰে। এজন সহকৰ্মী মুছলমান স্বাধীনতা যুঁজাক আৰু এজন ডাক্তৰ হিচাপেও বাপুৰ তেওঁৰ প্ৰতি স্নেহ মিহলি এক বিশেষ শ্ৰদ্ধা আছিল আৰু ডাঃ আন্সাৰীয়েও বাপুক আন্তৰিকভাৱে ভাল পাইছিল।

লৰ্ড আৰউইন (পিচত লৰ্ড হ্যালিফাক্স) বাপুৰ এজন বিশেষ গুণগ্ৰাহী

আছিল। ইয়েই বাপুৰ লগত আপোচৰ চেষ্টা চলোৱাত তেওঁক প্ৰেৰণা দিছিল। তেখেতৰ আশা আছিল যে হয়তো এয়ে শেষত বাপুক লণ্ডনত বহিব লগা ঘূৰণীয়া মেজমেলত যোগ দিয়াত সহায়ো কৰিব। বাপুৱে নিজেও উপলব্ধি কৰিছিল যে, সাধাৰণতে ৰৱলাটসকল যেনেকুৱা হয়, আৰউইন তেনে নাছিল। সেই কাৰণে কিছু পৰিমাণে আশা মনত লৈ তেখেতে আলোচনাত যোগ দিছিল। কিন্তু বাপুৰ ওপৰত ভীষণ হেঁচা পৰিছিল। প্ৰতিদিনেই তেওঁ ৰৱলাটৰ প্ৰাসাদলৈ গৈছিল আৰু অকলেই সেই দীঘলীয়া আলোচনাবিলাক চলাইছিল। ডেৰিয়াগঞ্জত ৰাৰ্কিং কমিটীৰ সদস্যসকল উদ্বিগ্ন হৈ বাট চাই আছিল, কি হ'ল কি নহল সকলো কথা সঠিকভাৱে জানিবৰ কাৰণে। বাপুৱে সেই কাৰণে জিৰণি লোৱাৰ সলনি প্ৰতিটো খুটি-নাটি কথাকে তেওঁলোকক ক'ব লগা হৈছিল। কিন্তু কথাকিটা জনালেই যে হৈছিল, এনে নহয়। সেইটো ডাঙৰ কথা নাছিল। তেওঁ ৰৱলাটৰ লগত হোৱা আলোচনাৰ প্ৰতিটো কথাত কেনেকৈ ক'ত জিকিছে বা হাৰিছে সেইবিষয়ে ব্যাখ্যা কৰোঁতেহে বহুত সময় লাগিছিল আৰু শক্তিও যথেষ্ট ক্ষয় হৈছিল। সকলো এক উত্তেজনাৰ অৱস্থাৰ মাজত আছিল। কোনো কোনোৱে ভাবিছিল যে, দাম-দৰ কৰোঁতে বাপু বেছি কঠোৰ হৈছিল, আন কিছুমানে আকৌ কৈছিল যে তেওঁ ইমান ঢিলা হোৱা উচিত নাছিল। কেতিয়াবা ঘণ্টাৰ পিচত ঘণ্টা জুৰি গৰম আলোচনা চলিছিল। এই সকলোবিলাক বাপুৱে কেনেকৈ সহ্য কৰিছিল সিহে এক আশ্চৰ্য।

ৰাৰ্কিং কমিটীৰ সদস্যসকলৰ বাহিৰেও তিনিজন সৰ্বপ্ৰধান সাংবিধানিক পণ্ডিত তাত আছিল। তেওঁলোক হৈছে ছাৰ তেজবাহাদুৰ সাপ্ৰু, পণ্ডিত শ্ৰীনিবাস শাস্ত্ৰী আৰু ডাঃ এম. আৰ. জয়াকৰ। তেওঁলোকে মাজে সময়ে অহা-যোৱা কৰিছিল। তেওঁলোক তিনিওগৰাকীৰে বাপুৰ প্ৰতি অকৃত্ৰিম শ্ৰদ্ধা আছিল। কিন্তু প্ৰত্যক্ষ সংগ্ৰামত নমাটো তেওঁলোকৰ স্বভাৱ বিৰুদ্ধ আছিল। যেই নহওক, তেখেতসকল এই আপোচ প্ৰস্তাৱত যিমানকণ পাৰে সহায় কৰিবৰ কাৰণে অতিশয় আগ্ৰহান্বিত আছিল। বাপুৱে তেখেতসকলৰ সবল মতামতৰ ওপৰত মূল্য দিছিল। তেখেতসকলৰ জ্ঞান আৰু অভিজ্ঞতাৰ প্ৰতিও বাপুৰ বিশেষ শ্ৰদ্ধা আছিল। সেইকাৰণে তেওঁলোকে যেতিয়া ৰৱলাটৰ লগত তেওঁলোকে কৰা আলোচনাৰ কোনো খৰৰ বা কোনো প্ৰস্তাৱ লৈ বাপুৰ

ওচবলৈ আহিছিল—সদায়েই বাপুৰে তেখেতসকলৰ কথা ধৈর্যেৰে শুনিছিল।

এদিন গধূলিৰ কথা মোৰ ভালকৈ মনত আছে। আৰউইনৰ লগত চলোৱা আলোচনা তেতিয়া প্ৰায় ব্যৰ্থ হওঁ হওঁ অৱস্থা। বাপুৰে পলমকৈ শুবলৈ গৈছিল। বাতি পুৱালেই গোটেই কথাটোৱেই এটা শূন্যত পৰ্যবসিত হৈ শেষ হ'ব যেন অনুমান হৈছিল। বতৰ ঠাণ্ডা আছিল যদিও তেওঁ যমুনাৰ পিনে মুখ কৰি থকা বাৰান্দাতে সদায় শুইছিল। ময়ো অলপ আঁতৰতে এখন কাণ থিয় কৰি এটা চকু মেলি শুইছিলোঁ—কিজানি কোনোবাই আহি তেওঁক আমনি কৰে! সেইদিনাৰ সেই বিশেষ ৰাতিটোত বাপু টোপনি যোৱাৰ পিচত আৰু মোৰো যেতিয়া চিলমিলকৈ টোপনি ধৰিছিল—হঠাতে ক্ষীণ সাৰে ভৰিত সাৰে কোনোবা অহাৰ শব্দ মই শুনিবলৈ পালোঁ। মই ক্ষীণ মাৰি থিয় হ'লো আৰু অস্পষ্টভাৱে হলেও অন্ধকাৰ পিন্ধা আৰু মাফলাৰ মৰা তিনিটা মূৰ্তি দেখিবলৈ পালোঁ। এক মুহূর্তৰ বাবে মই ভাবিছিলোঁ যে তেওঁলোক চি-আই-ডি অফিচাৰ, বাপুক গ্ৰেপ্তাৰ কৰিবলৈ আহিছে। কিন্তু পিছ মুহূর্ততে বুজিব পাৰিলো যে সেই তিনিজন সাংবিধানিক পণ্ডিত। মই কোবেৰে তেখেতসকলৰ ওচৰ পালোঁগৈ। তেওঁলোকে ফুচ্‌ফুচাই মোক ক'লে যে তেওঁলোকে ৰবলাটৰ লগত বিশেষ জৰুৰী কথা হৈ বাপুক জনাবলৈ আহিছে আৰু তেখেতৰ প্ৰতিক্ৰিয়া কেনে হয় জানিবলৈ বিচাৰিছে। মই বুজিলো যে এতিয়া বাপুক নজগালে নহ'ব। গতিকে মই গৈ লাহে লাহে তেখেতক কলোগৈ। বাপু চকুমকুকৈ সাৰ পাই উঠিল। অলপ দূৰতে থিয় দি থকা তিনিটা মূৰ্তিৰ পিনে আঙুলিয়াই দেখুৱাই কথাটো কি হৈছে মই তেখেতক বুজাই ক'লোঁ। বাপু তৎক্ষণাৎ বিছনাতে উঠি বহিল আৰু তেখেতসকলক সম্ভাষণ জনালে। তাৰ পিচত মোৰ ফালে চাই ক'লে, "চকী আনা।" একান্তমনে আলোচনা আৰম্ভ হ'ল। তাৰ পিচত সেই তিনিটা মূৰ্তি যেনেকৈ আহিছিল তেনেকৈ আকৌ উলটি গ'লগৈ। বাপুও পৰাৰ লগে লগে আকৌ গভীৰ টোপনিত নিমগ্ন হ'ল।

আলোচনা ব্যৰ্থ হোৱাৰ ভয় দূৰ হ'ল। আলোচনা-বিলোচনা আকৌ চলিবলৈ ধৰিলে। এদিনাখন আবেলিৰ আলোচনা বৰ দীঘলীয়াকৈ চলিছিল। মোলৈ খবৰ আহিল যে বাপুৰ আহাৰ ৰবলাটৰ প্ৰাসাদলৈকে লৈ যাব লাগে।

সেই সময়ত বাপুৰ ঘাই আহাৰ আছিল খেজুৰী আৰু গাখীৰ। খোৱা সৰঞ্জামখিনি আছিল য়াৰৰাদা জেলৰপৰা স্মৃতিচিহ্ন হিচাপে দিয়া সাধাৰণ জেলৰ বাচন-পত্ৰ। লৰালৰিকৈ এই সকলোখিনি বাস্কেট এটাত ভৰাই লৈ ৰবলাটৰ প্ৰাসাদ অভিমুখে ৰাওনা হ'লো। এজন এ-ডি-চি-য়ে ৰাৰান্দাতে লগ ধৰি মোক অপেক্ষা কৰিবলৈ ক'লে। তেওঁ তেতিয়া ৰবলাটৰ অধ্যয়ন কক্ষলৈ সম্ভ্ৰমেৰে সোমাল আৰু মই অহাৰ বাতৰি জনালে। আধামিনিটমানৰ ভিতৰতে তেওঁ উলটি আহি আহাৰখিনি লৈ মোক ভিতৰলৈ যাবলৈ ক'লে। মই সেই দুখনীয়া দুৱাৰেদি সাৱধানে সোমাই গৈ ধুনীয়া অধ্যয়নৰ কোঠাটো পালোগৈ। জুহালৰ একাষে ডাইচবয় আৰামী চকী এখনত বহি আছিল আৰু চোফা এখনত জুইলৈ মু'কৰি বাপু বহিছিল, হোম চেক্ৰেটাৰী ইমাৰছনে পেঞ্চিল আৰু কাগজ হাতত লৈ নোট লৈছিল। বাপুৱে মোৰ চিনাকি দিলে। লৰ্ড আৰউইনে থিয় হৈ সম্পূৰ্ণ বন্ধুভাৱে মোৰে সৈতে কৰমৰ্দন কৰিলে। তাৰ পিচত মই আহাৰখিনি যতনাৰৰ কাৰণে আছুতীয়া চুক এটা বিচাৰিছিলোঁ। টেবুলবিলাক ৰৰ ধুনীয়াকৈ পলিচ কৰা আছিল আৰু মজিয়াতো অতি চমৎকাৰ ডাঠ কাৰ্পেট এখন পৰা আছিল। ভাগ্যক্ৰমে কাৰ্পেটখন ৰাৰৰ দাঁতিলৈকে পৰা নাছিল। মাৰ্বল পাথৰৰ মজিয়াখনৰ খালী হৈ থকা চুক এটা মোৰ চকুত পৰিল। তাতে নিৰাপদে বাস্কেটটো থৈ মোৰ টোপোলাটো খুলিলোঁ। বাপুৱে জেলৰ যি পাত্ৰত গাখীৰ আৰু খেজুৰী খাইছিল সেইটো ধৰিবলৈ নাল নথকা ওখ কাণৰ বাটি এটা। তাতে মই খেজুৰীকেটা দি গৰম গাখীৰ বাকি দিলোঁ আৰু পাত্ৰটো চামুচ এখনেৰে বাপুৰ হাতত তুলি দিলোঁ। ৰবলাটে ৰৰ কৌতূহলেৰে চাই আছিল। বাপুৱে চামুচেৰে খেজুৰী বাটিৰপৰা তুলিবলৈ ধৰিলে। লৰ্ড আৰউইনে বাপুৱেনো কি খাইছে সুধিলে। বাপুৱে হাঁহি মাৰি উত্তৰ দিলে, "প্ৰফেটৰ খাদ্য"। ডাইচবয়ে থিয় হৈ বাটিটো মন দি চালে— তেওঁনো কি বস্তুটোৰ কথা কৈছে জানিবৰ কাৰণে। বাপুৱে চামুচখনেৰে সৈতে বাটিটো টুকুৰিয়াই অলপ গৰ্বেৰে সৈতে কৈছিল : "এইটো মোৰ জেলৰ বাটি"।

বাপুৱে তেতিয়া পৰামৰ্শ আগবঢ়ালে যে সময় ৰচাৰৰ কাৰণে তেওঁ খাই থকাৰ মাজতো আলোচনা চলাই থাকিব লাগে। তাৰ লগে লগে বাপুৱে জানিব খুজিলে, মই কোঠাটো এৰি যাব লাগিবনে নেলাগে। লৰ্ড আৰউইনে ক'লে যে মই ভাত খকাত কোনো আপত্তি নাই। খোৱা শেষ

নোহোৱালৈকে বাপুৰ চোকাৰ আনটো মুৰে মই বহি আছিলোঁ। চুক্তিখনৰ খচৰা কৰাৰ অৱস্থা তেতিয়া আহি পাইছিল। এটাৰ পিচত আনটো কথা তেতিয়া লিপিবদ্ধ কৰা হৈছিল। বাপুৱে সহজভাৱে যেনেকৈ মহাদেৱক কৈ যায়, ইমাৰছনে লিখি যাওঁতেও ঠিক তেনেকৈয়ে কৈ গৈছিল। কোৱাৰ মাজতে ৰবলাটে এবাৰ এটা পৰামৰ্শ দিলে। বাপুৱে তেওঁ কৈ থোৱা কথাৰ মাজতে সেই পৰামৰ্শ সুমুৱাই গৈছিল। পেঞ্চিলেৰে লিখি যোৱাৰ লগে লগে মিঃ ইমাৰছনে মন্তব্য কৰিছিল, "মিঃ গান্ধী, আপুনি এজন বিশেষ ভাল খচৰা কৰোঁতা"। বাপুৱে শান্তভাৱে উত্তৰ দিলে, "তেনে এটা যশস্যা মোৰ আছে"। ইমানতে খাজুৰী আৰু গাখীৰ খোৱাও শেষ হ'ল। মই বাটিটো ল'লোঁ। বাস্কেটত সকলো ভৰালো আৰু ভাইচৰয়ক বিদায়-সম্ভাষণ জনাই ওলাই আহিলোঁ।

এফালেদি যেতিয়া গুৰুত্বপূৰ্ণ ৰাজনৈতিক নাটকখন আগবাঢ়িছিল আনফালে অবিকাপোৰৰ আঁৰত নীৰৱে এক আন্তৰিকতাপূৰ্ণ প্ৰেমৰ হাট-বাট চলিছিল। বাপুজীৰ কনিষ্ঠ পুত্ৰ দেৱদাস আৰু ৰাজাজীৰ লক্ষ্মী নামৰ সৰু ছোৱালীজনী, এওঁলোক পৰস্পৰৰ প্ৰতি গভীৰভাৱে আসক্ত হৈ পৰিছিল। তেওঁলোক দুয়োৰে মাজত গভীৰ অনুৰাগ জন্মিছিল। কিন্তু দুয়োজন দেউতাকৰে সোনকালে বিয়া পতাত আপত্তি আছিল। গুজৰাটী বৈশ্য আৰু মাদ্ৰাজী ব্ৰাহ্মণ, এই দুটা বেলেগ বৰ্ণৰ মাজত এনে আসক্তি বা অনুৰাগ কিমানদূৰ স্থায়ী আৰু তেওঁলোকৰ ভিতৰত স্বভাৱৰ সাদৃশ্য কিমান আছে সেইটো পৰীক্ষা কৰি চোৱা ভাল হ'ব বুলি ৰাজাজীয়ে (তেওঁ তেতিয়া ৰাকিং কমিটীৰ সদস্য আছিল) পাঁচ বছৰলৈ পৰীক্ষাৰ কাল হিচাপে নিৰ্ধাৰিত কৰিলে। কস্তুৰবা'ৰ ওপৰত তেতিয়াও পূৰ্বণি-কালৰ ৰক্ষণশীলতাৰ প্ৰভাৱ কম নাছিল। সেইকাৰণে দুটা বৰ্ণৰ ভিতৰত ছোৱালী এনে অনুৰাগৰ প্ৰতি তেওঁ যথেষ্ট সন্দিহান আছিল। কিন্তু বা'ই দেৱদাসক আৰু দেৱদাসেও মাকক ইমান ভাল পাইছিল যে সেয়ে বা'ৰ অন্তৰ কোমলাই'ছিল।

যুৱক-যুৱতী দুয়ো বিনা সঙ্কোচে পাঁচ-বছৰীয়া পৰীক্ষাৰ সম্মুখীন হ'বলৈ স্থিৰ কৰিলে। লক্ষ্মী দেউতাকৰ লগত মাদ্ৰাজলৈ যোৱাৰ আগতে দেৱদাসে লক্ষ্মীৰ লগত এবাৰ নিৰলে কথা হ'বলৈ বিচাৰিছিল। কিন্তু দেৱদাসে জানিছিল যে

মাকে তেওঁলোকক অকলশৰে লগ হোৱাত সন্মতি নিদিব। সেই কাৰণে তেওঁ এনেধৰণৰ এটা প্ৰস্তাৱ দিলে: বাপু ৰবলাটৰ প্ৰাসাদত আলোচনাত থকা অৱস্থাত তেওঁলোক দুয়ো বাপুৰ খালী বাৰান্দাত বহিব আৰু সেই সময়ত মই থাকিম দুৱাৰখন খুলি ওচৰৰে কোঠা এটাত। বা'ই এনে ব্যৱস্থাত সন্মতি দিছিল। প্ৰেমিক-প্ৰেমিকাযোৰ আহিল আৰু মুখামুখিকৈ বাৰান্দাৰ খুটাত আউজি বহিল। আজিও মোৰ মনত পৰে, তেওঁলোকৰ স্নিগ্ধ আৰু ঐকান্তিকতা-পূৰ্ণ ছবিখন। তেওঁলোকৰ পিচফালে আছিল বৃক্ষৰাজি, তাৰ সিফালেদি বৈ গৈছিল যমুনা আৰু দিগন্ত বিয়পি আছিল অনন্ত নীলা আকাশ। সেই সকলো অতিক্ৰম কৰি দূৰ ভবিষ্যতত—যদিও আমি সেই সময়ত জনা নাছিলোঁ—বিনন্দীয়া অনাবিল সুখৰ এটি পাৰিবাৰিক জীৱন।

অৱশেষত ৰবলাটৰ লগত হোৱা আলোচনা শেষ হ'ল। ৪ মাৰ্চ তাৰিখে গান্ধী-আৰউইন চুক্তি স্বাক্ষৰিত হ'ল। জনসাধাৰণক চুক্তিখনৰ বিষয়ে জনাবৰ উদ্দেশ্যে মুকলি ঠাইত ৰাজহুৱা সভা আহ্বান কৰা হ'ল। কিন্তু সভাত ইমান বেছিকৈ মানুহ গোট খাইছিল আৰু তেওঁলোক এনেভাৱে উৎসাহিত হৈ পৰিছিল যে বাপুৰ মাত "মহাত্মা গান্ধী কী জয়" ধ্বনিৰ মাজত মাৰ গ'ল। জনসাধাৰণে যি কথা শুনিবলৈ আহিছিল সেই কথা ক'ব নোৱাৰি বাপুৱে সভাস্থল এৰি যাব লগীয়া হ'ল। দৰাচলতে তেওঁলোকৰ সৰহ ভাগেই বাপুজীৰ দৰ্শন লাভৰ কাৰণেহে হেঁপাহ কৰিছিল। দৰ্শন তেওঁলোকে পালে। কিন্তু বাপুৱে ৰাইজক এবাৰ কথাবিলাক জনাবৰ বাবে দৃঢ়সঙ্কল্প লৈ আছিল। সেই কাৰণে দুদিনৰ পিচত আকৌ এখন ৰাজহুৱা সভা আহ্বান কৰা হ'ল। এইবাৰৰ সভাত কিছু পৰিমাণে নীৰৱতা ৰক্ষা হৈছিল। ৮ মাৰ্চ তাৰিখে বাপুৱে দিল্লী এৰিলে। আমি কৰাচী কংগ্ৰেছলৈ যোৱাৰ বাটত। ১৯ তাৰিখে আমিও পালোহি।

ঠিক সেই সন্ধিক্ষণত হিংসাপন্থী বিপ্লবী চৰ্চাৰ ভগৎসিঙৰ কাৰণে দেশ জুৰি ভীষণ উত্তেজনাৰ সৃষ্টি হৈছিল। দিল্লীত থকা দুই কি তিনিদিনৰ ভিতৰত বাপুৱে প্ৰাণদণ্ডৰ হুকুম স্থগিত কৰাবৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিছিল। ৰবলাটে তেওঁক নিশ্চিত প্ৰতিশ্ৰুতি দিব নোৱাৰিলে যদিও বাপুৱে আশা কৰিছিল যে ক্ষমা প্ৰাৰ্থনা হয়তো মঞ্জুৰ হ'ব—কিয়নো, ই জনা কথা যে সেই সময়ত ভগৎসিঙৰ প্ৰাণদণ্ডই ৰাইজৰ বৃটিছ-বিৰোধী মনোবৃত্তি অত্যন্ত উগ্ৰ কৰি তুলিব। কংগ্ৰেছৰ গোটেই দলটোকে কৰাচীলৈ লৈ যাবৰ কাৰণে বন্দৱস্ত কৰা

বিশেষ ট্রেনত নিজ নিজ ঠাইত আমি উঠিছিলোগৈহে মাত্র, এনেতে বাপুক কোনোবাই আহি খবব দিলে যে ভগৎ সিঙক তেওঁব দুজন সঙ্গীবে সৈতে সেইদিনা বাতিপুৱাই লাহোব জেলত ফাঁচী দিয়া হ'ল। বাপু অতিশয় মর্মাহত হ'ল। প্লেটফর্মত গোট খোৱা মানুহব মাজত যেতিয়া কথাটো প্রচাবিত হল চাবিওপিনব-পবা খং আৰু ক্ষোভত মানুহে নানা কথা কোৱা শুনা গৈছিল। গান্ধী-আৰউইন চুক্তিব বাবে বাইজ উৎসাহিত হৈ পবিছিল। তেওঁলোকব মগজুত কথাটো এনেদবে সোমোৱা যেন লাগিছিল যে, যদি বাপুৱে এনে ধবণব এটা চুক্তি সম্পন্ন• কবিব পাবে তেন্তে ইচ্ছা কবা হলে এই প্রাণদণ্ডও বহিত কবিবলৈ সমর্থ হ'লহেঁতেন। বাপুৱে তেওঁলোকব বিক্ষুব্ধ চিত্তব-বাখব আৰু খণ্ডেবে কবা প্রশ্নবিলাক ধৈর্য ধবি শুনিব লগাত পবিছিল। কিয়নো, জবাব শুনিবলৈ তেতিয়া কাবো ক'তো মন নাছিল। ট্রেনখন এবিলতহে বক্ষা পোৱা হ'ল। ভাগ্যক্রমে এইখন এখন বিশেষ ট্রেন হোৱা কাবণে বহুতো ঠাইত ট্রেনখন থোৱা নাছিল। কিন্তু য'তে বৈছিল তাতে উত্তেজিত আৰু বিক্ষুব্ধ জনতা অপেক্ষা কবি আছিল।

তাব ভিতবত চুক্কুব নামে এডোখব ঠাইত বোৱাব কথা মই কেতিয়াও পাহবিব নোৱাবিম। তেতিয়া মাজবাতি। বিক্ষোভ প্রদর্শনকাবী ছাত্রসকলব এটা ডাঙব দলে ভগৎ সিঙব মূর্তি লৈ প্লেটফর্মত অপেক্ষা কবিছিল। ছাত্রসকলে ট্রেনখনব ইমুৱবপবা সিমুৱলৈ লবা-চপবা কবি বাপু কোনটো কোঠাত আছে বিচাবি ফুবিছিল। বিচাবি পোৱা মাত্রকে তেওঁলোকে ভগৎ সিঙব মূর্তিটো আনি বাপুব খিবিকীব ওচবত থৈ তাত মালা পিন্ধাইছিল। তাব পিচতে কোঠাটোব ওপবত তেওঁলোকব আচল আক্রমণ আবম্ভ হ'ল—দুৱাবেদি সোমাবলৈ তেওঁলোকে মবো-জাওঁ-সোঁ-আধিকৈ চেষ্টা কবিছিল। বাপু আৰু বা'ব বাহিবে আমি চাবিজনীয়া দল এটা তাত আছিলোঁ। মত্তা মানুহ-কেজনে দুৱাবকেখন হেচি ধবি আছিল যদিও যিকোনো মুহূর্তত সি ভাগি যাওঁ যাওঁ যেন হৈছিল। মই খিবিকীকেইখনব ওপবত নজব বাখিছিলোঁ। হঠাতে এজনে পায়খানাব খিবিকী ভাঙি সোমাই আহিল। তেওঁব হাতত ছেজ ওলাইছিল। তেওঁ পায়খানাব খিবিকীব আইনা ভাঙি সেইপিনে কোনোমতে সোমাইছিল। মই কোবেবে সক কোঠালীটোব পিনে গৈ দেখিলো যে আন এজন ছাত্রই খিবিকীবে তেওঁব মুবটো সুমুৱাইছে আৰু আন বহুতো লম্বা

সোমাৱৰ কাৰণে বাহিৰত বৈ আছে। কি কৰা যাব ভৱা-চিন্তা কৰিবলৈ তেতিয়া আৰু সময় নাছিল। মই তেওঁৰ চুলিকোচাত ধৰি হাতেৰে টেটুত চেপা মাৰি ধৰি কোনোমতে তেওঁক সেইখিনিতে ৰাখিলোঁ। আক্ৰমণৰ সেই বলিয়ালি কিছুদূৰ শাম কাটিলে। ভিতৰ সোমোৱা ছাত্ৰজনে তেওঁৰ বক্তব্য ক'বলৈ চেষ্টা কৰা দেখি বাহিৰত থকাসকলৰ এই ভাৰ হৈছিল যে, তেওঁলোকৰ কথা অন্ততঃ শুনিছে—অৱশ্যে কোনে কি কৈছিল, এটা শব্দও কোনেও শুনা নাছিল। বাপুৱে এইবিলাক গণ্ডগোলৰ মাজত নীৰবে হাতযোৰ কৰি স্থিৰ হৈ ৰহি আছিল। ট্ৰেনখনে যেতিয়া সেই ষ্টেশ্যনটো এৰিলে, আমি আটায়ে ঈশ্বৰক ধন্যবাদ জনাইছিলোঁ।

কিন্তু গণ্ডগোল সিমানতে অন্ত পৰা নাছিল। পিচদিনা ৰাতিপুৱা আমি গৈ যেতিয়া কৰাচী পালোগৈ, তাত ক'লা পতাকা লৈ বিক্ষোভ প্ৰদৰ্শন কৰা হৈছিল। বিক্ষোভ প্ৰদৰ্শনকাৰীসকলে ক'লা কাপোৰেৰে তৈয়াৰ কৰা ফুল লৈ বাপুক দিবলৈ আগবাঢ়ি আহিছিল। অৱস্থাই হিংসাত্মক ৰূপ ধাৰণ কৰিব পাৰে বুলি আন লোকসকল ব্যতিব্যস্ত হৈ পৰিছিল। তেওঁলোকে সেই ক'লা পতাকা লৈ শোভাযাত্ৰাকাৰীসকলক বাধা দি ৰাখিব খুজিছিল। কিন্তু বাপুৱে ক'লে, "নহয়, তেওঁলোকক আহিবলৈ দিয়া।" বাপুৱে তেওঁলোকে অনা ক'লা ফুল আৰু বিক্ষুব্ধ ধ্বনি গ্ৰহণ কৰি ইমান মধুৰভাৱে হাঁহিমুখে তেওঁলোকক সম্ভাষণ জনাইছিল যে তেওঁলোকৰ ক্ষোভ সমূলি নাইকিয়া হৈ পৰিল আৰু তেওঁলোকে আপোন-আপুনি স্বেচ্ছাসেৱকবাহিনী হৈ বাপুক সাধাৰণ ৰাইজৰ হেঁচাৰপৰা ৰক্ষা কৰাত সহায় কৰিছিল।

কংগ্ৰেছৰ শিবিৰ এটা বিৰাট কাৰবাৰ। জনসাধাৰণৰ জাগ্ৰত চেতনাও বিশেষভাৱে পৰিলক্ষিত হৈছিল। প্ৰস্তাৱসমূহত আগতকৈও বিশ্বাসৰ সুৰ ফুটি উঠি স্বাধীনতা লাভ কৰাৰ দৃঢ় সঙ্কল্পই যে কেৱল তাত প্ৰকাশ হৈছিল এনে নহয়, ভাৰতৰ গণতন্ত্ৰ সম্পৰ্কে কংগ্ৰেছৰ ধাৰণাসমূহো সেই প্ৰস্তাৱৰ জৰিয়তে পৃথিবীৰ আগত দাঙি ধৰা হৈছিল। কংগ্ৰেছৰ এই অধিবেশনৰ আন এটা উল্লেখযোগ্য ঘোষণা আছিল যে ঘূৰণীয়া মেজমেলত বাপু কংগ্ৰেছৰ একমাত্ৰ প্ৰতিনিধি হ'ব। বাপুৱে নিজেও এটা প্ৰতিজ্ঞা ল'লে যে তেওঁ ভাৰতবৰ্ষই স্বাধীনতা নোপোৱালৈকে সবৰমতী আশ্ৰমত আৰু বাস নকৰে। বাপুৰ এই সঙ্কল্পৰপৰা সকলোৱে উপলব্ধি কৰিব পাৰিছিল যে এইবাৰৰখন হ'ব বিৰামহীন চূড়ান্ত যুদ্ধ।

এই সকলোবিলাক উত্তেজনাব মাজত মোব সন্দেহ হ'বলৈ ধবিলে যে মোব স্বাস্থ্য বব বেয়া হৈছে। মোব শবীবব উত্তাপ বাঢ়িছিল আৰু পিঠিত কিবা এটা খজুৰতি হৈছিল। মই মহাদেবক এই কথা কলোঁ। "আমি বাজাজীব লগত আলোচনা কবোঁ আহা। এনেবিলাক বিষয়ত তেঁহেই আটাইতকৈ জনা মানুহ।" ততালিকে মহাদেবে বাজাজীক এই কথা কবলৈ গ'ল। বাজাজী আহিল আৰু তেওঁব ক'লা চশমাযোব ওপবলৈ তুলি মোব পিঠিখন চাই কোনো সঙ্কোচ নোহোৱাকৈ ক'লে যে মোব আই ওলাব খুজিছে। ডাক্তব এজন মতা হ'ল। ডাক্তবেও বাজাজীয়ে কোৱা কথাকে ক'লে। অকণো পলম নকবাকৈ মোক নিলগাই বখা হ'ল আৰু বাপুব সন্মতিক্রমে হাস্পতাললৈ স্থানান্তবিত কবিলে।

সংক্রামক বোগী থকা ঠাইবপবা ওলাই অহাব পিচতেই মই বাপুক লগ ধবিলোগৈ। তেওঁ তেতিয়া বম্বেত আছিল। গান্ধী-আবউইন চুক্তিমতে গৱর্ণমেণ্টে যিখিনি পালন কবিব লগীয়া সেইখিনি তেওঁলোকে ঠিকমতে পালন কবা নাছিল। কিছুদিনব আগতে সত্যাগ্রহত গুজবাটব বাৰ্দলী আৰু বৰ্সাদ অঞ্চলব বাইজে যি সাহসিকতাপূর্ণ ভূমিকা লৈছিল তাব কাবণে স্থানীয় কর্মচাবীয়ে পোতক তুলিবলৈ বিচাবিছিল। সেই কাবণে বাপুয়ে কিছুদিন বাৰ্দলী আৰু কিছুদিন বৰ্সাদত থাকি তাব বাইজক আশ্বাস আৰু সাহ দিবলৈ গৈছিল। লগে লগে গৱর্ণমেণ্ট কর্মচাবী আৰু বাইজব ভিতবত যিবিলাক অভিযোগ আৰু প্রতি-অভিযোগ হৈছিল তাব অনুসন্ধান কবিছিল। ইতিমধ্যে লণ্ডনত ঘুবণীয়া মেজমেলত বাপুয়ে যোগ দিয়া সম্পর্কে নতুন বযলাট লর্ড উইলিংডনব লগত চিঠি লিখা-লিখি হৈছিল। যদি গৱর্ণমেণ্টে গান্ধী-আবউইন চুক্তি নেমানে তেন্তে বাপু ঘুবণীয়া মেজমেললৈ যোৱা অসম্ভব হ'ব। এইটোৱেই আছিল অলঙ্ঘনীয় বাধা। বৰ্সাদত থকালৈকে সবিশেষ খুটি-নাটি কথাবিলাক মোব মনত নাই। তেতিয়া জুন মাহ। বহুবব কালব পবা চালে বহুবটোব ভিতবত এইটো মাহেই আটাইতকৈ বেয়া। মই অনুভব কবিছিলো, মই তেওঁব লগত থকাত বাপু বব অস্থিব হৈ পবিছে। তেওঁ বিচাবিছিল মই সববমতীলৈ

যোৱাটো। প্ৰায়ে তেওঁ নিচেই সাধাৰণ কথাতে মোৰ ওপৰত বিৰক্ত হৈ পৰিছিল। এদিন তেওঁ যেতিয়া সঁচাকৈয়ে ধৈৰ্যচ্যুত হ'ল, তেওঁ নোকোৱাকৈয়ে মই যাবলৈ স্থিৰ কৰিলোঁ। প্ৰস্তাৱটো যেতিয়া মই দাঙি ধৰিলো তেওঁ সম্মত হ'ল। তাৰ-পৰা মই আঁতৰি আহিলো। তাৰপিচত বাপুৰপৰা অতি সোনকালে এখন চিঠি আহিল :

"তোমাৰ কথাটোৱেই মোৰ মনত খেলাই আছে। মোৰ চাৰিওফালে চাওঁ আৰু তোমাৰ অভাৱ অনুভৱ কৰোঁ। যঁতৰটো মেলি লওঁ, তাতো তোমাৰ অনুপস্থিতি অনুভৱ কৰোঁ। সকলোতে সেই একেই কথা। কিন্তু ইয়াৰেই বা প্ৰয়োজন কি? তুমি ঠিক কামকে কৰিছা। তুমি তোমাৰ ঘৰ-বাৰী-আত্মীয়-স্বজন আৰু সাধাৰণতে মানুহে যিবিলাকত মূল্য দিয়ে সেই সকলো ত্যাগ কৰি আহিছা—ব্যক্তিগতভাৱে মোৰ পৰিচৰ্যা কৰিবলৈ নহয়, যি আদৰ্শৰ হকে মই থিয় দিছো সেই আদৰ্শৰ সেৱা কৰিবলৈ। তুমি তোমাৰ ভালপোৱা, ব্যক্তিগতভাৱে মোৰ ওপৰত সকলো সময়তে অপচয় কৰিছিলা। মই নিজকে আত্মসাৎ কৰাৰ দোষত দোষী যেন অনুভৱ কৰিছিলো। যিকোনো এটা সামান্য অজুহাততে মোৰ বিস্ফোৰণ হৈছিল। এতিয়া পিছে তুমি ওচৰত নথকাত তোমাক যে ভীষণভাৱে ককৰ্ণনা কৰিছিলো, তাৰ কাৰণে নিজৰ ওপৰতে খং উঠিছে। কিন্তু তোমাৰ সেৱা-শুশ্ৰূষা লৈ থকা সময়ত মই এখন তপত খোলাত থকা যেন অনুভৱ কৰিছিলো। আনন্দেৰে আদৰ্শৰ কাৰণে কাম কৰিলে তুমি মোক প্ৰকৃততে সেৱা কৰা হ'ব। নিৰুৎসাহ নহবা। উদ্যোগী হৈ উঠা। অযথা বেজাৰৰ সময় আৰু নাই।"

বাপুৰ অবিহনে আশ্ৰমৰ সেইবিলাক দিন অতি টান দিন আছিল। ইংলণ্ডৰপৰা মাৰ স্বাস্থ্য সম্পৰ্কে অহা বেয়া খবৰবিলাকে এই দিনবিলাক অধিক কষ্টদায়ক কৰি তুলিছিল। আমি লণ্ডনলৈ গলে মাক দেখিম বুলি মই মনে মনে দিন গণিবলৈ ধৰিলো। কাৰণ, বাপু যদি যায় তেন্তে মোকো লগতে লৈ যাবলৈ তেওঁ মনস্থ কৰা যেন অনুমান হৈছিল। কিন্তু এতিয়া এই কথা সুস্পষ্ট হৈ পৰিল যে মাৰ স্বাস্থ্য বেগাই বেয়াৰ পিনে ঢাল লৈছে। কেদিনমানৰ ভিতৰতে তেওঁ টুকুৰাৰ খৰবেৰে 'কেবল্' এখন আহিল। মোৰ অন্তৰ উবুবিয়াই বাপুলৈ এখন চিঠি লিখিছিলো। তেওঁ উত্তৰ দিলে :

"মা গ'ল! তোমাৰ চিঠিৰ প্ৰতিটো শাৰীতে তুমি তোমাৰ অন্তৰত হেঁচা দি থকা শোকৰ উচ্ছ্বাস ধৰা পৰিছে। যিমানেই যি নহওক, আমি মানুহহে। সংযমৰ ক্ষমতাই হৈছে সমূলে নাইকিয়া কৰিব পৰাৰ পূৰ্বাৱস্থা। ঈশ্বৰে তোমাক শক্তি দিয়ক।"

ইংলণ্ড এবাৰেপৰা কেতিয়াও বাদ নপৰাকৈ প্ৰতি সপ্তাহে 'উইকলি পি এণ্ড অ' মেইলত মই মালৈ চিঠি লিখিছিলোঁ। তেওঁ অসুস্থহৈ থকা অৱস্থাতে একেবাৰে শেহলৈকে প্ৰতি সপ্তাহে মোলৈ দীঘলীয়া চিঠি দিছিল। তেওঁৰ মৃত্যুৱে এক শূন্যতাৰ সৃষ্টি কৰিলে। সময়েহে কেৱল তাক পূৰাব পাৰে।

গৱৰ্ণমেণ্টৰ লগত বাপুৰ টনা-আজোৰা চলিয়েই আছিল। লৰ্ড উইলিংডন আহিলত কথাবোৰ আৰু জটিল হৈ পৰিছিল। ইতিপূৰ্বে জুলাইৰ মাজভাগ পাইছিলগৈ আৰু বাপুৱে যদি ঘূৰণীয়া মেজমেলত যোগ দিবগৈ লাগে তেন্তে অতি পলমকৈ হলেও আগষ্টৰ মাজভাগত যাত্ৰা কৰিবই লাগিব। আলোচনাৰ কাৰণে তেওঁক ছিম্‌লালৈ মাতি পঠাইছিল। তাৰপৰা তেওঁ মোলৈ লিখিছিল যে—"বহুত জটিলতা আৰু নানান প্ৰতিবন্ধক আছে"। ছিমলাৰ আলোচনাৰ-পৰা নিশ্চিতৰূপে কোনো লাভ নহ'ল আৰু বাপু গুজৰাটৰ গণ্ডগোল হোৱা ঠাইলৈ আকৌ উভতি আহিল।

এই সময়ছোৱাত মই সবৰমতী আশ্ৰমৰ নদীপাৰৰ পিনে থকা সেই সৰু কোঠালীটোতে আছিলো। বাপুৰ অবিহনে ঠাইখন পৰিত্যক্ত আৰু অত্যন্ত দুৰ্ভগীয়া যেন লাগিছিল। স্বাধীনতা লাভ নকৰালৈকে বাপুৱে আৰু তাত বাস নকৰে। এই কথাই অন্তৰত উঠিপৰি লগাৰ বাসনা জগাই তুলিছিল।

মোক উৎফুল্ল কৰি তুলিবৰ কাৰণে অকণমানি বন্ধু এজন মোৰ কোঠালৈ প্ৰায়ে আহিছিল। তেওঁ হৈছে এটি মইনা চৰাই। চৰাইটোৱে কেইবাবাৰো আহি মোৰ কোঠাৰ দুৱাৰমুখত ভুমুকি মৰাত মই তাৰ কাৰণে প্ৰথমে মজিয়াত কিচ্‌মিচ্‌ সিচি দিছিলোঁ আৰু সিও সেইখিনি বুটলি খাইছিল। তাৰ-পিচত কিচ্‌মিচ্‌ মই মোৰ হাতৰ আঙুলিৰ মূৰত ধৰি থাকিবলৈ ল'লো আৰু বেছিদিন নৌ হওঁতেই সিও বেছ সাহ কৰি হাতৰপৰাই কিচ্‌মিচ্‌ খুটি খাবলৈ ধৰিলে। তাৰপিচত এদিনাখন কোঠাটোলৈ উৰি আহি সোমাওঁতে সি মোৰ মূৰৰ ওপৰতে বহিছিল। ময়ো তৎক্ষণাৎ হাতত অলপ কিচ্‌মিচ্‌ লৈ তালৈ বুলি দাঙি ধৰিলো আৰু সেইদিনাৰেপৰা তাক যদি খুৱাব লাগে তেন্তে মোৰ মূৰৰ ওপৰত বহিব লাগিব—এই ভাব প্ৰকাশ কৰিছিলোঁ। মোৰ এই মনোভাৱ সিও তৎক্ষণাৎ বুজি পালে আৰু দিনটোত কেবাবাৰো দুৱাৰেদি উৰি আহি সোমাই মোৰ মূৰৰ ওপৰতে পৰেহি আৰু মই তাৰ প্ৰতি মনোযোগ নিদিয়ালৈকে তাতে সি কিচিৰ মিচিৰ শব্দ কৰি ওপৰ-তল কৰি লৰি-চৰি থাকে। এনেকৈ

কিছুদিন চলাৰ পিচত মাজতে কিছুদিনৰ কাৰণে সি নাইকিয়া হৈছিল। এদিন বাতিপুৱা লগত আন এটা সক মইনা চৰাই লৈ আকৌ ওলালহি। বুজিবলৈ টান নাছিল যে তাই আছিল তাৰ জীৱনসঙ্গিনী। সি আহি এইবাৰ মোৰ মূৰৰ ওপৰত পৰা নাছিল—মাটিত ম'ত মই বহি আছিলো তাৰ আগত পৰিলহি আৰু সিটো মইনাক মোৰে সৈতে চিনাকি কৰি দিছিল। মইনা চৰাইজনী বৰ লাজকুৰীয়া আছিল। তাইক যেতিয়া মই কিচ্‌মিচ্‌ খাঁচিছিলো তাই এখুজি দুখুজিকৈ পিছ হুইকি গৈছিল। যেই হওক, তেতিয়াবেপৰা তাই মইনাটোৰ লগত সদায় আহিছিল আৰু বেছিদিন নৌ হওঁতেই মোৰ আঙুলিৰপৰা ফল-মূল নিবলৈ সাহ কৰিছিল। প্ৰতিবাৰেই আহি মইনাটোৱে যদিও মোৰ মূৰৰ ওপৰত বহিছিল তথাপি মই ইচ্ছা কৰা সত্ত্বেও তাই কিন্তু এই চেষ্টা কৰিবলৈ সাহ নকৰিছিল। লাহে লাহে মই লক্ষ্য কৰিলো যে সিহঁতে মই দিয়া কিচ্‌মিচ্‌ নিজে নাখায়, ঠোঁটৰ আগত লৈ বাৰী পাৰহৈ উৰি গুচি যায়। কিছুদিনৰ কাৰণে নিয়মমতে ঠিক এনেভাৱে চলিবলৈ ধৰিলে। তাৰপিচত এদিন বাতিপুৱা সক সক তিনিটা পোৱালি লগত লৈ সিহঁত ওলালহি। সিহঁত পাচোটাই অৰ্ধ-বৃত্তাকাৰে মোৰ সমুখত পৰি কিচ্‌মিচৰ দাবী কৰিছিল। বাপুক বৰ্ষাদত লগ ধৰিবলৈ মই আশ্ৰম এৰি যোৱাৰ পিচতো সিহঁত নিয়মমতে মোৰ কোঠালীলৈ আহি আছিল।

এতিয়া আগষ্ট মাহ পালেহি। একেবাৰে শেহত যাত্ৰা কৰা যিখন পি. এণ্ড অ' ষ্টীমাৰত গ'লে বাপুৱে সময়মতে সম্মিলন পাবলৈ লণ্ডন পাবগৈ পাবে, সেইখন ২৯ তাৰিখে বাওনা হোৱাৰ কথা আছিল। গৱৰ্ণমেণ্টৰে সৈতে এটা সন্তোষজনক মীমাংসাত উপনীত হ'বৰ কাৰণে শেষ চেষ্টা কৰি চাবলৈ ২৪ তাৰিখে বাপু আকৌ ছিমলালৈ গৈছিল। লগত গৈছিল মহাদেৱ আৰু দেৱদাস। ইফালে কোনো চুক্তি হলে বাপুৱপৰা পাৱ লগা টেলিগ্ৰামখনৰ কাৰণে মই আৰু প্যাৰীলাল অপেক্ষা কৰি আছিলোঁ। প্ৰকৃতপক্ষে লণ্ডন যাত্ৰাৰ কাৰণে কোনো জা-যোগাৰেই কৰা হোৱা নাছিল। পাছপৰ্ট আদিৰ ব্যৱস্থাও হোৱা নাছিল। কিন্তু বাপুৱে তেওঁৰ লগত কোন কোন যাব সেইটো ঠিক কৰিয়েই ৰাখিছিল—তেওঁলোক হ'ল মহাদেৱ, প্যাৰেলাল, দেৱদাস আৰু মই।

আগষ্টৰ ২৭ তাৰিখে ছিমলাৰপৰা টেলিগ্ৰাম আছিল যে আমি বম্বেপৰা ২৯ তাৰিখে যাত্ৰা কৰিব লাগিব। বম্বেলৈ যাব পৰা প্ৰথমখন ট্ৰেন মই

ধবিলো আৰু প্যাবেলালে ক'লে যে কিছুসময়ব পিচত ঢেৰো যাব। তেওঁ সপোনবাজ্যত থকা যেন লাগিছিল। সেই সময়ত মনে এটা বিশেষ উত্তেজনাৰ অনুভূতি আছিল। বহুতো বন্ধুয়ে মোক সহায় কবিবব কাবণে আখবাটি আছিছিল। প্রধান কাম আছিল টিকেট আৰু পাছপ'ৰ্ট সংগ্রহ কবাটোৱে। ছিমলাবপবাই পাছপৰ্ট অফিচক সঁকিয়াই দিয়া হৈছিল। সেই কাবণে পাছপৰ্ট সংগ্রহ কবোঁতে কোনো অসুবিধা হোৱা নাছিল। বাপুৱে মোক সহায় কবিবলৈ অহা বন্ধুকেজনব ভিতবত এজনলৈ পাঁচটা নিম্নতম শ্রেণীব বাৰ্থ ভাড়া কবিবলৈ টেলিগ্রাম কবিছিল। তেওঁ ক'লে যে চেকেণ্ড ক্লাছেই হৈছে পাব পবাব ভিতবত নিম্নতম শ্রেণী। তেওঁ মোক কোঠাকিটা দেখুৱাবলৈ জাহাজলৈ লৈ গৈছিল। সেই ব্যৱস্থা সন্তোষজনক আছিল।

এতিয়া আছিল কাপোব-কানি, ট্রাঙ্ক আদিব কথা। আমি সকলো ধবণব দোকানতে দোকান বন্ধ হোৱাব সময়লৈকে ঘূবি ঘূবি দৰ্কাবী প্রত্যেকটো বস্তুকেই—দৰ্কাবী কিয়, লগাতকৈ সবহকৈয়ে বস্তু সংগ্রহ কবিছিলোঁ। বন্ধুসকলে জোব কবাত বাপুৱে ভাল নেপাব যেন লগা বস্তুবিলাকো গোটোৱা হৈছিল। বম্বেত বাপুৱে সাধাবণতে থকা ঘব 'মনি ভৱন'লৈ এগাড়ী বস্তু লৈ যেতিয়া আমি উভতি আহিলো—দেখিলোঁ, বাপুব কাবণে ইতিমধ্যে ভাত অসংখ্য উপহাব জমা হৈছে। চুটি মোজা, দীঘল মোজা, আলোৱান, মাফলাব, মোনা, পকেট বুক ইত্যাদি ইত্যাদি। ইফালে প্যাবেলাল আহি পাই নিজবপবাই মহাদেব, দেবদাস আৰু তেওঁব কাবণে বন্ধুসকলবপবা উপহাব ছিচাপে বা ধাবলৈ বহুতো বস্তু সংগ্রহ কবিলে। পিচত এনেকুৱা হ'লগৈ যে আমাব লগাতকৈ ওপবঞ্চি মালব সংখ্যা ইমান বেছি বাঢ়িল যে আমি বুজিছিলো, বাপুৱে এইবিলাক কেতিয়াও সহ্য নকবে। পিছে উপায় কি? গোটেই দিনটো লাগি মই সেইবোব বাছি বাছি প্রত্যেকবে ওপবত লেবেল মাবি মাবি শেহ বাতি বিছনা আৰু বাকচ পাতিব ওপবতে কিছুসময় টোপনি নোযোৱাকৈ দীঘল দি আছিলোঁ। কাবণ, ডকলৈ সেই মাল-পত্রবিলাক নিবলৈ ট্রাক এখন অহাব কথা আছিল।

ছিমলাবপবা বিশেষ ট্রেন এখনেবে আহি কোনোমতে মেইল ট্রেনখন ধবি বাপু পালেহি। অবশ্যে উৎসাহী লোকসকলেবে ভবি পবিল। মই বাপুব গা ধোৱাব দিহা কবিলোঁ। মহাদেব আৰু দেবদাসে ধুনীয়া চামবাব চুটকেচত আৰু কিছুমান বস্তু লৈ ওলালহি। তাঃ আলাবীয়ে ঘোৱাবাব ইউবোপলৈ যাওঁতে

যিবিলাক বস্তু ডেওঁ লৈছিল সেই সকলোখিনি ডেওঁলোকৰ হাতত দিছিল। এই-বিলাক দেখিতো মই অবাক। সেইখিনি এবিধেয়ে বা যাওঁ কেনেকৈ? আকৌ যিবিলাক আগতে পেক কবি ভবাই লৈছিলো সেইবিলাক আকৌ খুলি মেলি বাছি ল'বলৈকো সময় নাছিল। অগত্যা আটাইবিলাকতে লেবেল লগাই নিবলৈকে ঠিক কবা হ'ল।

বাপু গা ধুই ওলাই আহিল। ডেঙীয়া ডেওঁক খাবলৈ দিবৰ সময় হৈছিল। কিন্তু কোঠালীটো মানুহেবে এনেদবে ঠাহখাই আছিল যে ডেওঁ বহি থকা ঠাইলৈ মই সোমাই যোৱাই টান হৈ পবিছিল।

বাপু যেঙীয়া তৈয়াব হ'ল আক ঘবটোব ভিতবত থকা মানুহব ভিবব পবা নিজক কোনোবকমে উলিয়াই লবলৈ সমর্থ হ'ল, তেঙীয়া জাহাজ এবিবব সময় পাব হৈয়ে গৈছিল। বাপুব কাবণে জাহাজখন অলপ সময় বাখিবহে লগীয়া গৈছিল। আমি জাহাজতে উঠিলোঁ। উৎসাহী জনতাই বাপুক দাঙি নিয়াদি মি জাহাজত তুলি দিছিল। সবোজিনী নাইডু আক পণ্ডিত মালব্য ইতিমধ্যে জাহাজত উঠিছিলগৈ। তেওঁলোক দুজনো ঘুবণীয়া মেজমেলব প্রতিনিধি আছিল। তেওঁলোকব প্রতিনিধিত্ব আছিল আনকালবপবা। আন বহুতো মুখিয়াল মানুহো যাত্রী আছিল। তাব উপবি জাহাজব ডেক বিদায় জনাবলৈ যোৱা কংগ্রেছব নেতা আক অন্য মানুহেবে ভবি পবিছিল। কংগ্রেছ সভাপতি ছর্দাব বল্লভভাই পেটেলে বাপুবে সৈতে শেষ মুহূর্ততো আলোচনা কবিছিল। কিয়নো, দেশব পবিস্থিতি সেই সময়ত উদ্বেগজনক আছিল। বাপু মথকাত জাতীয় আন্দোলনব দায়িত্ব লোৱা চিন্তাব কথাও আছিল। তাবপিচত আহিল বিদায় সম্ভাষণ। সকলোতকৈ সবল আক অন্তবস্পর্শী আছিল বা'ব বিদায়। বা'ই জানিছিল যে যাত্রাব সেই কষ্ট ডেওঁ সহ্য কবা টান। ডেওঁক এবি থৈ যোৱাব কাবণে ডেওঁব কোনো অভিযোগ নাছিল। কিন্তু বাপু সাগব পাব হৈ যোৱাব কথাটো ভাবিবলৈ টান পাইছিল। জাহাজ কর্তৃপক্ষই জাহাজব ডেক খালী কবোঁতে বেচ কষ্ট পাবলগীয়া হৈছিল। অৱশেষত যেঙীয়া ডেকখন খালী হ'ল, জাহাজ এবিলে। জনতাই বিমানদুবলৈকে পাবে হাতেবে সঙ্কেত জনাই পাবে পাবে দৌবিছিল। শেষত জাহাজে যেঙীয়া মুকলি সাগবত পাবি দিলে তেওঁলোকে জাহাজব খোঁৱা নেদেখা হোৱালৈকে থিয় হৈ চাই বৈছিল।

লণ্ডনে মহাত্মা গান্ধী ও মীরা বেন

এতিয়া কি যে এটা পার্থক্য। হঠাৎ জনতা ভাগিল—মানুহৰ সোঁত বন্ধ হ'ল আৰু আমিও উশাহ পালোঁ। জাহাজৰ ঠিকনাত বাপুলৈ শুভইচ্ছা জনাই দিয়া বহুতো চিঠি আৰু টেলিগ্ৰাম আছিছিল। তেওঁ সেইবিলাক নিজৰ বাঙ্কত (bunk) বহি পঢ়িবলৈ ল'লে। এখন ভাইচৰয়ৰপৰা আছিছিল। সেইখন পঢ়োতে তেওঁ কিছু গহীন হৈ আছিল। পঢ়ি উঠি মহাদেৱৰ হাতত চিঠিখন দি ক'লে, "এইখন পঢ়িবলৈ শুৱলা আৰু যথেষ্ট বন্ধুভৱ ভাৱো ইয়াত আছে। কিন্তু মনত ৰাখিব লাগিব, এওঁ লৰ্ড আৰউইন নহয়। যদি হলহেতেন, তেতিয়া মোৰ ভাৱ বেলেগ হ'লহেতেন"। লণ্ডনৰ সম্মিলন আৰু ভাৱতত অনিশ্চিত গান্ধী-আৰউইন চুক্তি সম্পৰ্কে বাপুৰ মনত যে সন্দেহ আছিল তাক এই সকু ঘটনাটোৱেপৰাই বুজা গৈছিল।

আগষ্ট মাহত আৰু সাগৰখন বিশেষ ভাল অৱস্থাত নাছিল। অতি সোনকালে জাহাজখনক ঢৌয়ে আফালিবলৈ ধৰিলে। সমুদ্ৰযাত্ৰাৰ কাৰণে কোন ভাল, কোন বেয়া, তৎক্ষণাৎ ওলাই পৰিল। বাপু আটাইতকৈ উত্তম, তাৰপিচতে মহাদেৱ, তাৰপিচত দেৱদাস, তাৰপিচত মই আৰু সকলোতকৈ শেষত আছিল বেচেৰা প্যাৰেলাল। বাপুৱে চাৰিওপিনে ঘূৰি-পকি ফুৰিছিল আৰু আমাৰ কেবিনবিলাকত সোমাই চাই ফুৰিছিল। সেইদৰে ফুৰোঁতে প্ৰতিখন বাঙ্কৰ তলতে আৰু প্ৰতিটো কোণতে জাপি জাপি থোৱা বাকচ আৰু চুটকেচবিলাকৰ ওপৰত তেওঁৰ চকু পৰিল। "এইবিলাক কি?"—তেওঁ সুধিলে। লৰালৰিৰ কোৰত খেলিমেলি লাগি আৰু বন্ধুবিলাকে দিয়া উপহাৰ ঘূৰাই দিয়াৰ অসুবিধাৰ কাৰণেহে যে আমি সেই সকলোবিলাক আনিব লগাত পৰিলো, সেই কথা তেওঁক বুজাবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু বাপুৱে আমাৰ কোনো কথা শুনিব খুখুজিলে। "তোমালোকে এনেধৰণৰ মাল-পত্ৰ লৈ ভ্ৰমণ কৰিব খোজা যদি, বিসকলে সেইধৰণৰ জীৱন যাপন কৰে তেওঁলোকৰ লগত থকা উচিত। কিন্তু তোমালোক আছা মোৰ লগত আৰু মই ইংলণ্ডলৈ এখন দুখীয়া দেশৰ প্ৰতিনিধিত্ব কৰিবলৈ যাবলৈ ওলাইছোঁ। এইবিলাক বস্তু আমাক কেলেই বা এইবিলাকেৰে আমি কি কৰিম? আৰু সৌ চিকুচিকীয়া চামবাৰ চুটকেচকেটা চোৱাচোন। মানুহে সেইবিলাক দেখি চকু খাব। সেইবিলাক খাব কৰি আনিছা আৰু আমি উভতি আহিয়েই ঘূৰাই দিম, সেইবোৰ কথা কৈ

একো লাভ নাই। তোমালোকে সেইবোৰ কেতিয়াও আনিব নেলাগিছিল"। তাৰপিচত আমেৰিকাত তৈয়াৰী কেম্পবেড এখনৰ ওপৰত তেওঁৰ চকু পৰিল। সেইখন কোনোবা এজন উৎসাহী বন্ধুৱে ডেকত ব্যৱহাৰ কৰিবৰ কাৰণে তেওঁলৈ উপহাৰ দিছিল। যিমানদূৰ পাৰো ভালকৈ আমি তেখেতক কথাটো বুজাবলৈ চেষ্টা কৰিছিলোঁ, কাৰণ, ইতিমধ্যে আমি ভালদৰে দাৰি খাইছিলোঁ। বাপুৱে তীব্ৰ ঠাট্টাৰ সুৰত ক'লে, "অ, সেইখন কেম্পবেডহে নেকি? মই আকৌ ভাবিছিলো সেইমুঠি 'হকি ষ্টিক'।

ইয়াৰ শেষ পৰিণাম হিচাপে এডেনৰপৰা আকৌ বোম্বেলৈ যিবিলাক মাল ঘুৰাই পঠাম তাৰ এখন লিষ্ট তৈয়াৰ কৰিবলৈ প্ৰতিজ্ঞা কৰিব লগা হ'ল। সেই-দেখি সমুদ্ৰপীড়া হওকেই বা নহওকেই, আমি চাৰিওজনে প্ৰথমতে এটা কেবিনত, তাৰপিচত আনটোত, এইদৰে সোমাই আটাইবিলাক বাকচৰ বস্তুবোৰ উলিয়াই সকলো বস্তুৰে সম্পূৰ্ণ লিষ্ট এখন তৈয়াৰ কৰিলো। তাৰপৰা বাছি বাছি যিখিনি বস্তু ৰাখিবলৈ বাপুৰ সম্মতি পাম বুলি আশা কৰিছিলো, সেইখিনি মাত্ৰ ৰাখি বাকীখিনি সেই চিক্‌চিকীয়া চুটকেচ আৰু তজবজীয়া ট্ৰাঙ্কেটাত ভৰাই এডেনৰপৰা ঘুৰাই পঠাবলৈ ঠিক কৰি থলোঁ। মুঠতে সাতোটা টোপোলা। আৰু কোনো প্ৰশ্ন নকৰাকৈ বাপুৱে আমাৰ লিষ্টখন অনুমোদন কৰিলে। কিন্তু তেওঁৰ মুখৰপৰা খং আৰু ঘৃণাৰ ভাব তেতিয়াও যোৱা নাছিল।

বিৰাট উত্তেজনা আৰু থৌকিবাথোৰ মাজতে এডেনত এখন ৰাজহুৱা সভা পতা হৈছিল। তাৰপিচত সুৰেজ আৰু পৰ্ট সৈয়দত ইজিপ্টৰ নেতাসকলে বাপুলৈ আন্তৰিক শুভেচ্ছা আৰু সম্ভাষণ পঠাইছিল আৰু এই আশা প্ৰকাশ কৰিছিল যে উভতি যাওঁতে যেন তেওঁ তেওঁলোকৰ দেশত সোমাই যায়।

আমি যেতিয়া ভূমধ্যসাগৰত সোমালো—সুন্দৰ মুক্ত বায়ু ৰবলৈ আৰম্ভ কৰিলে। বাপু আৰু মোৰ বাহিৰে আমাৰ দলৰ আন কোনেও ইতিপূৰ্বে ইউৰোপ দেখা নাছিল। তেওঁলোকে আনন্দমনে শুদ্ধনী ক্ৰীট দ্বীপটোৰ পিনে ৰ' লাগি চাই গৈছিল। আমাৰ ভাগ্য ভাল যে আমি দিনৰ ভিতৰতে মেচিনা প্ৰণালী আৰু বনিফেচিও প্ৰণালী পাৰ হৈছিলোঁ। বতৰো বেচ ভাল আছিল। গতিকে মনোৰম দৃশ্যাৱলী দেখা গৈছিল। যিমানদূৰ সম্ভৱ চমু ৰাটেৰে গৈ আমি লণ্ডন পাবলৈ লাগে। আমি মাৰ্ছেলিচত নামি পোনে পোনে পেৰিচ হৈ লণ্ডনলৈ ৰাব লাগিব।

প্রথমতে ইংলণ্ডলৈ যোৱাব বাটত যোমা বোলাক দেখা কবি যোৱাব কিছু আশা আছিল। কিন্তু এতিয়া সেইটো প্রশ্নই উঠে। মনে-প্রাণে মই সেই দেখা-সাক্ষাতব কথাই ভাবি আছিলোঁ। এতিয়া পলম হ'ব বুলি জানি কিজানিবা ঘূর্বি যাওঁতে কিবা অদৃশ্য বাধাব সৃষ্টি হয়, দেখা কবিব নোৱাবোৱেই, এই আশঙ্কাত মই উদ্বিগ্ন হৈ পবিছিলোঁ।

আমি যেতিয়া মার্ছেলিচ পালোঁগৈ, ইউবোপীয় সাংবাদিকসকলব এক ভীষণ ভিব আবম্ভ হ'ল। চিনাকি অচিনাকি যিসকল বন্ধুয়ে বাপুক অভ্যর্থনা জনাবলৈ আহিছিল, সকলোৱেই প্রায় বিহ্বল হৈ পবিছিল। সি যি কি নওহক, প্রথমতে যিগবাকীয়ে বাপুক সম্ভাষণ জনাইছিলহি, তেওঁ হৈছে মেডেলিন বোজাণ্ড আৰু তেওঁব লগত আছিল প্রফেছব আৰু মেডাম এড্‌মণ্ড প্রিভাট্‌। এওঁলোক বাপুব আদর্শব নিষ্ঠাবান পৃষ্ঠপোষক আছিল। যোমা বোলাঁই নিজেও বোলে আহিবলৈ মনস্থ কবিছিল। কিন্তু শেষ মুহূর্তত তেখেতব দুর্বল স্বাস্থ্যই অহাত বাধা জন্মালে। ঈশ্ববলৈ ধন্যবাদ যে তেওঁ সেই চেষ্টা নকবিলে। নহলে এই হেঁচা ঠেলা গণ্ডগোল তেখেতব সহজে অভিভূত হোৱা শবীবব কাবণে বব বেয়া হ'লহেতেন।

পেবিচ ট্রেনে অপেক্ষা কবি আছিল। বন্ধু-বান্ধৱব লগত কটাবলৈ সময় অকণো নাছিলেই। ফ্রান্সব মাজেদি ক্রমে উত্তবলৈ যেতিয়া আমি যাবলৈ ধবিলোঁ, জলবায়ুব পবিবর্তনব কথাটো আমাব সকলোবে অনুভৱ হৈছিল আৰু আমি গবম কাপোব উলিয়াই লৈছিলোঁ। কিন্তু বাপুৱে কেৱল তেওঁব আলোৱানখনহে গাত লৈছিল, কাবণ, তেওঁ ঠিক কবিছিল যে, তেওঁ সাজ-পাবব একোকে সলনি নকবে।

পেবিচ ষ্টেশ্যনতো আকৌ সেই বিবাট উৎসাহী জনতাব ভিব। কোনোবা এজনে অতিমাত্রায় উত্তেজিত হৈ আহি এই খবব দিলেহি যে, এজনী ধুনীয়া যুৱতী ছাগলী বাপুক গাথীব যোগাযব কাবণে অনা হৈছিল – কিন্তু পুলিচে তাইক প্লেটফর্মলৈ আনিবলৈ নিদিলে। এনেতে গণ্ডগোল আৰু ভিব আকৌ ইমান বেছি হৈ পবিল যে কাবো কথা শুনাও নগৈছিল আৰু উত্তবো তালৈকে দিব পবা নগৈছিল। ছাগলীজনী আনিব পবা হলে ভাল হ'লহেঁতেন বুলি মই ভাবিছিলোঁ। কিন্তু এই বিষয়ে চেষ্টা কবি একো লাভ নাই। অৱশেষত চেনেল পাব হৈ ইংলণ্ডব মাটিত ভবি দিয়াব সময় পালেহি। ততালিকে আমি

"বাজ" ক্ষমতা অনুভৱ কৰিছিলোঁ। আমি আৰু এতিয়া স্বাধীন "এজেণ্ট" নাছিলোঁ। বিধি-নিষেধ যেন বতাহতে মিহলি হৈ আছিল। সকলোৱে অতি নম্ৰ আৰু ভদ্ৰ আচৰণ কৰিছিল যদিও তেওঁলোকৰ কথা-কাণ্ডৰ মাজত এনে ভাব সকলো ক্ষেত্ৰতে ফুটি ওলাইছিল। তাৰে প্ৰথমটো এয়াঃ বাপুৱে কাৰেৰে লণ্ডনলৈ যাব লাগিব আৰু বাকী আমিবিজন যাব লাগিব ট্ৰেনেৰে। বাপুৱে ট্ৰেনেৰে যাবলৈকে ভাল পালেহেঁতেন, কিন্তু নহয়—এয়া গৱৰ্ণমেণ্টে কৰা ব্যৱস্থা। মিঃ চার্লি এণ্ড্ৰুজৰপৰা আমি এই বিষয়ে অলপ আভাস পাইছিলোঁ। তেখেতে আমাক লগ ধৰিবলৈ ষ্টেশ্যনলৈ আহিছিল। বাপু আহি এটা নির্দিষ্ট সময়ত ষ্টেশ্যন পালেহি, বাইজৰ তৰফৰপৰা আয়োজন কৰা অভ্যৰ্থনা গৱৰ্ণমেণ্টে বন্ধ কৰাটো অকণো শোভনীয় কাম নহ'ব। গতিকে তেনে অভ্যৰ্থনা আদি যাতে হবই নোৱাৰে তাৰ কাৰণে গৱৰ্ণমেণ্টৰ কৰ্মকৰ্তাসকলৰ এই ব্যৱস্থা। সেইদেখি বাপু গৱৰ্ণমেণ্টে বাছি দিয়া লোকসকলেৰে সৈতে কাৰত গুচি গ'ল আৰু আমি চাৰিওজনে অত্যন্ত অসন্তুষ্ট হৈ গৈ ট্ৰেনত উঠিলোগৈ।

জোৰেৰে বৰষুণ দি থকা সত্ত্বেও ভিক্টোৰিয়া ষ্টেশ্যনত অসংখ্য জনতাই আশাৰে বাট চাই আছিল। তেওঁলোকক বাপু কাৰেৰে যোৱাৰ খবৰটো দিয়াটো যে কি টান কাম আছিল! কোনটোৰ পিচত কোনটো কথা হৈছিল মোৰ সঠিককৈ মনত নাই। কিন্তু মই ভাবো, প্ৰথমতো 'কোৱেকাৰ'সকলৰ কেন্দ্ৰ ফ্ৰেণ্ডছ হাউছত অভ্যৰ্থনাৰ আয়োজন হৈছিল, তাৰপিচত কাৰেৰে ইষ্ট ইণ্ডলৈ যাব লাগিছিল। তাত মুৰিয়েল লিষ্টাৰে তেওঁৰ কিংচলি হলত আমাক অভ্যৰ্থনা জনাবৰ কাৰণে আগ্ৰহেৰে বাট চাই আছিল। আগতে সৰৱমতী আশ্ৰমত তেওঁ বাপুৰ অতিথি হৈ আছিলহি আৰু এতিয়া ব'ৰ দুখীয়াসকলৰ মাজত থকা তেওঁৰ কেন্দ্ৰত বাপু তেওঁৰ অতিথি হ'ব।

ফ্ৰেণ্ডছ হাউছত ছোৱা মিটিঙৰ উৎসাহ-উদ্দীপনাত চৰকাৰী যন্ত্ৰৰ দৰে সঠিকভাৱে চলা কিন্তু প্ৰাণহীন ব্যৱস্থাবিলাক ভাহি গ'ল। বন্ধুৱা মতা-তিৰোতা আৰু ল'ৰা-ছোৱালীৰ মাজত ধৰাবন্ধা গতানুগতিক শিষ্টাচাৰৰ কথা-বিলাকো নোহোৱা হ'ল।

কিংচলি হলৰ ওপৰ মহলাত এশাৰী সৰু সৰু কোঠালী আমাৰ ব্যৱহাৰৰ কাৰণে দিছিল। প্ৰত্যেকটো কোঠাই সুকীয়া আৰু নিজস্ব আছিল। ইয়াৰ-পৰা চাপৰ চাপৰ ঘৰবিলাকৰ চিমনিৰ চুৰুৰ অবণ্যৰ ওপৰেদি দূৰলৈ দেখা

গৈছিল। চাপৰ চাপৰ ঘৰবিলাক ইষ্ট লণ্ডনৰ এক বিশেষত্ব আছিল। অৱশ্যে এইবিলাক ধোঁৱাৰে ধুঁৱলী-কুঁৱলী হৈ থাকিছিল; কিন্তু মুকলি আকাশখনৰ সান্ত্বনাদায়ক দৃশ্যৰ কাৰণে তাত থকাটো সাৰ্থক হৈছিল। বাপুক দিয়া কোঠালীটোৰ কাষতে এটা অকণমান বাচন-পত্ৰ ধোৱা কোঠালী আছিল আৰু তাতে গেছৰ চৌকাটো আছিল। তাতে মই বাপুৰ কাৰণে ৰন্ধা-বঢ়া কৰিব পাৰিছিলোঁ। তাৰ কাষতে আছিল এটা সৰু গা ধোৱা ঘৰ। আমি প্ৰত্যেকেই নিজ নিজ কোঠাত থাকিবলৈ ঠিক-ঠাক কৰি ল'লোঁ। মোৰ কোঠালীটো আছিল এমূৱে, বাকীবিলাকৰ লগত সমকোণ কৰি সজা। সেইকাৰণে ওপৰলৈ কোন আহে কোন যায় চাই থাকিবলৈ বেচ সুবিধা হৈছিল।

গৈ পোৱা মুহূৰ্তৰেপৰা বাপুৱে এদিনো অকণো জিৰণি ল'ব পৰা নাছিল। মোৰ ঠিক মনত নাই, সম্ভৱতঃ তেতিয়া সন্মিলনখন ঠিক আৰম্ভ হ'বৰ হৈছিল বা আৰম্ভ হৈয়েই গৈছিল। তাৰ বাহিৰেও সন্মিলনেৰে সৈতে জড়িত সকলো প্ৰধান ব্যক্তিৰে সৈতে ব্যক্তিগতভাৱে জৰুৰী আলোচনাবিলাক কৰিব লাগিছিল। ৱেষ্ট এণ্ডৰপৰা আঠ মাইল দূৰ। ৱেষ্ট এণ্ডতে সকলোবিলাক আছিল আৰু তাতে চেণ্ট জেমচ্ পেলেচত সন্মিলন বহিছিল। গতিকে বাপুক ৱেষ্ট এণ্ডতো কেটামান কোঠা লাগিব যেন দেখা গ'ল। তেওঁ ৰ'ৰ সৈতে সম্পৰ্ক এৰি নেপেলাবলৈ দৃঢ়প্ৰতিজ্ঞ আছিল। সেইকাৰণে দুয়োকূল ৰক্ষা কৰি এটা উপায় উলিওৱা হল। নাইট ব্ৰিজত তেওঁৰ কাৰণে ঘৰ এটা ভাড়া লোৱা হ'ল। তাতে তেওঁ সন্মিলন এবাৰ বহি উঠি আকৌ বহালৈকে মাজৰ সময়খিনিত মানুহক লগ পাইছিল আৰু তাতে দুপৰীয়াৰ আৰু গধূলিৰ আহাৰ কৰিছিল। আচলতে দুপৰীয়াৰ আহাৰ প্ৰায়ে বাস্কেট এটাত ভৰাই চেণ্ট জেমচ্ পেলেচলৈ লৈ যাব লাগিছিল। তাতে তেওঁ ওচৰতে থকা অফিচৰ সৰু কোঠা এটালৈ সন্মিলনৰপৰা পাকমাৰি আহি বেগেতে যি পাৰে অলপ খাই লৈছিল। কিন্তু ৰাতি শুবৰ কাৰণে তেওঁ সদায়েই কিংচলি হললৈ আহিছিল।

নাইটছব্ৰিজৰ ঘৰটোত অতি সোনকালে সকলো বন্দবস্ত পকা হ'ল। মহাদেৱ, প্যাৰেলাল আৰু দেৱদাসে তাতে থাকিবলৈ ল'লে। কামৰ বোজা ইমান বাঢ়িছিল যে আৰু দুজন বন্ধুও সহায় কৰিবৰ কাৰণে দিনৌ তালৈ আহিছিল। ক্ষতি-খুন নোহোৱাকৈ অনবৰত টেলিফোন বাজিছিল আৰু সকলো ধৰণৰ মানুহেই তালৈ অহা-যোৱা কৰিছিল।

আগাথা হেৰিশ্যনেও যি পাৰে সহায় কৰিছিল। কাৰণ, তেওঁ জাতীয়তাবাদী ভাৰতৰ স্বাৰ্থৰ হকে লণ্ডনত বেচৰকাৰী ৰাষ্ট্ৰদূত হৈ পৰিছিল। অফুৰন্ত শক্তিৰে ওখ, লাহী আৰু শেঁতা চেহেৰাৰে তেওঁ এগৰাকী ইংৰাজ মহিলা। তেওঁক চলাবলৈ দিয়া আঁৰকাপোৰৰ আঁৰৰ বহুতো কথা তেওঁ ধৈর্যেৰে কৌশল খটুৱাই সমাধান কৰিছিল। ক'বলৈ গ'লে প্ৰতিদিনাই তেওঁ নাইটছ-ব্ৰিজৰ ঘৰলৈ আহিছিল।

দুঠাইত দুখন ঘৰৰ বন্দৰস্তই মোৰ কাম সঁচাকৈয়ে জটিল কৰি তুলিছিল। কিংচলি হলত মই পুৱা বাপুৰে গা ধুবৰ কাৰণে গৰম পানী কৰি দিব লাগিছিল আৰু তেওঁৰ বাতিপুৱাৰ জলপান কৰিব লাগিছিল। সদায় বাতিপুৱা ঠিক আঠ বজাত যেতিয়া গৱৰ্ণমেণ্টৰ কাৰে তেওঁক লৈ যাবলৈ আহে— তেওঁক আগ পাছ ধৰি উলিয়াই পঠিয়াব লাগিছিল। বাপু ওলাই যোৱাৰ পিচতে কোঠা-কেইটা আৰু চোতালখন সাৰি-পুছি, ধুবলগীয়া কাপোৰ-কানিখিনিৰ টোপোলা এটা বান্ধো। তাৰপিচত ওচৰতে থকা বজাৰৰপৰা খোৱা বস্তু কিনি আনো আৰু বাপুৰ দুপৰীয়াৰ আহাৰ বান্ধি বান্ধি-কুন্ধি এহাতে কাপোৰৰ টোপোলাটো আৰু আনহাতে খোৱা বস্তুৰ বাস্কেটটো লৈ লৰালৰিকৈ আন্দাৰ গ্ৰাউণ্ড বেলৰেৰে নাইটছব্ৰিজ পাওঁগৈ। গৈ পায়েই প্ৰথম কামটো হ'ল কাপোৰখিনি ধোৱা; যাতে সেইখিনি গধুলিলৈকে শুকায়। বাপু যদি সম্মিলনৰপৰা উভতি আহে তেন্তে তেওঁক তাতে খাবলৈ দিওঁ, নহলে প্যাৰেলাল বা দেবদাসৰ হাতত খোৱা বস্তুৰ বাস্কেটটো চেণ্ট জেমচ্ পেলেচলৈ পঠিয়াই দিওঁ। গধূলিৰ আহাৰ মই নাইটছব্ৰিজৰ ঘৰতে বান্ধো আৰু শেষত প্ৰায়ে ৮ বা ৯ বজাত আন্দাৰ গ্ৰাউণ্ড বেলৰেৰে ব'লৈ উভতি আহি বাপু অহালৈ বাট চাই থাকো। তেওঁ সাধাৰণতে ১১-১২ বজাৰ ভিতৰতে উভতিছিল। কেতিয়াবা আকৌ উভতোতে মাজৰাতি পাৰ হৈ গৈছিল। কাৰণ, দীঘলীয়া ৰাজনৈতিক সম্মিলনবিলাক সাধাৰণতে ৰাতিহে বহিছিল।

আমি ইংলণ্ড আহি পোৱাৰ কিছুদিন পিচতে চৰকাৰীভাৱে গৰম দিনৰ সময় ৰেনেডাৱে ধাৰ্য কৰা হয় তাৰ দিন উকলিছিল আৰু সেইকাৰণে ইংলণ্ডৰ সকলো ঘড়ী সেইভাৱে পৰিবৰ্তন কৰি লোৱা হৈছিল। কিন্তু বাপুৰ ঘড়ী বদলি কৰা নহৈছিল। বাপুৱে ঘড়ীৰ কাটা বদলি কৰিবলৈ অস্বীকাৰ কৰিছিল। তেওঁ কৈছিল যে ঘড়ী এইদৰে বদলি কৰি থকাটো ভাল নহয়।

আমি সকলোরে তেখেতক বুজাবলৈ চেষ্টা কবিছিলোঁ। মহাদেবে ক'লে, "ঘড়ীব সময় বদলি নকবিলে আপুনি ইয়াত দেখা-সাক্ষাতব সময় কেনেকৈ বাখিব? কেতিয়াবা আপুনি পাহবি যাব পাবে যে আপোনাব ঘড়ী এঘণ্টা আগত চলিছে। বাপুৱে উত্তব দিলে, "ভয় নকবিবা, মোব সময় মই ঠিক বাখিম।" মই ক'লো, "কিন্তু বাপু, আপোনাব ঘড়ীমতে যদি পুৱাব প্রার্থনা হ'ব লাগে, তেন্তে ৩ বজাতে প্রার্থনাব সময় নহবনে?" অলপো বিচলিত নোহোৱাকৈ বাপুৱে উত্তব দিলে, "তাত ক্ষতি কি? মই প্রার্থনাব পিচত আকৌ শুব পাবোঁ।" বাপুব লগত আৰু নোৱাবি।

এই প্রসঙ্গটো আমি ইমানতে এবি দিবলগীয়া হ'ল। আন যিসকল আমাব লগত আছিল, তেওঁলোকক এই কথাই বিশেষ অসুবিধাত পেলোৱা নাছিল; কাবণ তেওঁলোক শুইছিল নাইটছ ব্রিজত। কিন্তু মোব কাবণে সঁচাকৈয়ে ই এটা পবীক্ষাব কথা হৈছিল। বাতিটোব ভিতবত মই এতিয়া এবাব শোৱা এবাব উঠা, আকৌ শোৱা আকৌ উঠা। নতুন সময় ধার্য কবাব পিচত এবাতিব ছবি এখন আঁকিলে এনেকুৱা হ'ব: বাপু ভাগবি-জুগবি আহি ওলায়-হি বাতি ১১½ বজাত। তেওঁব লগত খট্‌খটিব ওপব খলপালৈকে উঠি অহা ডিটেক্টিভজনবপবা মই যঁতবটো আৰু কাগজব টোপোলাটো লওঁ। বাপু যেতিয়া শুই পবে, গবম তুলিবব কাবণে মই তেওঁব ভবিহাল মোহাবি দিওঁ। কেইমিনিটমানব ভিতবতে তেওঁ টোপনি যায়। তেতিয়া মই নিজব কোঠালৈ যাওঁ। ঘড়ীটোত ২ বাজি ৫০ মিনিটত সাৱধানে এলার্ম দি থওঁ। ঠিক তিনি বজাত মই বাপুক জগাওঁ। ৩ বাজি ১৫ মিনিটত আমি প্রার্থনাব কাবণে বহোঁ। ৪ বাজিবলৈ ১৫ মিনিট থাকোঁতে বাপু আকৌ শোৱেগৈ আৰু মই মোব কোঠালৈ আহি ৪ বাজি ৪৫ মিনিটত ঘড়ীত এলার্ম দি থওঁ। সেই সময়ত মই আকৌ উঠি বাপুক গবম পানীত মধু আৰু নেমু চেপি দি খাবলৈ দিওঁ। তাব-পিচত বাপু ক্ষীণ পোহবত বাওঁ চহবব বাটত প্রাতঃ ভ্রমণব. বাবে ওলাই যায়। আমাব লগত গৈছিল মুবিয়েল লিষ্টাব আৰু কিংচলি হলব দুই এজন কর্মচাবী। আমি উভতি ঘব পাওঁতে আকাশত পুৱতি বেলিব বাঙলী আভা দেখা গৈছিল।

কোনো এটা বাতিয়েই ইয়াতকৈ ভালভাবে পাব হৈছিল বুলি ক'ব নোৱাবি। কিছুমান বাতি যে নিশ্চয় ইয়াতকৈও বেয়াহে আছিল। যেনে, সেইদিনা বাতি যেতিয়া বাপুৱে লয়েড জৰ্জক তেওঁব গাঁৱব ঘবত লগ পাই বাতি

২ বজাত উভতি আহিছিল। সেই বাতি এলাৰ্ম দিয়া ঘড়ীটো মোৰ কাণৰ একেবাৰে ওচৰতে থৈ শুইছিলোঁ। নহলে ২-৫০ মিনিটত আকৌ উঠিব পৰাৰ কোনো আশাই নাছিল। দিনৰ ভিতৰত শোৱাৰতো কোনো প্ৰশ্নই মুঠিছিল। ফলত এয়ে হৈছিল যে মই কোনো সভা-সমিতি বা আলোচনাত যেতিয়া যোগ দিবলগীয়া হৈছিল তেতিয়া মই মোৰ চকুহাল মেলি বখাই অসম্ভৱ টান কথা হৈ পৰিছিল।

শনিবাৰে আবেলিবেলা আৰু ৰবিবাৰবিলাকত সম্মিলন নৰহিছিল। সেই কাৰণে উশাহ লবলৈ ওলোৱা এইকণ সময় অক্সফৰ্ড, কেম্ব্ৰিজ ইটন আৰু বাৰ্মিংহাম, কেণ্টাৰবাৰী, চিকহেষ্টাৰ আৰু লাঙ্কাচায়াৰত থকা কোৱেকাৰ কেন্দ্ৰ পৰিদৰ্শন কৰাত লগোৱা হৈছিল। ট্ৰেনৰ ভ্ৰমণ বাপু আৰু মোৰ কাৰণেও আশীৰ্বাদৰ নিচিনা হৈছিল। কাৰণ, লণ্ডন ষ্টেশ্চন এৰাৰেপৰা লক্ষ্যস্থান নোপোৱালৈকে আমি দুয়োজনেই লালকাল দি শুইছিলোঁ। আৰু এটা সময়ত বাপুয়ে অলপ শুব পাৰিছিল। সেয়া হৈছে চৰকাৰী গাড়ীৰে ব' আৰু ৱেষ্ট এণ্ড মাজতে অহা-যোৱা কৰা সময়কণত। সহজেই বুজিব পাৰি যে তেওঁ এনেকৈ সুবিধা পালেই শুই লোৱাই উচিত হৈছিল। যদি সেইদৰে সেইকণ শুবলৈ তেওঁ নেপালেহেঁতেন, তেন্তে কিজানি ভাগি নপৰাকৈ তেওঁ এই যাত্ৰা চলোৱাই টান হ'লহেতেন।

প্ৰদেশবিলাকলৈ যোৱাৰ বাহিৰেও লণ্ডন নগৰৰ ভিতৰতো তেওঁ বহুতো সামাজিক অনুষ্ঠানত যোগ দিবলগীয়া হৈছিল। তাৰে কেটামান হৈছে: নিৰামিষাশী সমিতিয়ে এবাৰ দুপৰীয়াৰ ভোজৰ আয়োজন কৰিছিল। বাপুৱে তাত যৎকিঞ্চিত মাদক গুণেৰে সৈতে নিভাজ আপেলৰ ৰস বুলি কোৱাত 'চাইডাৰ' নামে এবিধ পানীয় তেওঁ গ্ৰহণ কৰিছিল। প্ৰেছৰ মানুহেও এটা দুপৰীয়াৰ ভোজ দিছিল আৰু তাত তেওঁলোকে বাপুৰ কাৰণে ইংলণ্ডত সেই সময়ত দুষ্প্ৰাপ্য আমৰ যোগাৰ কৰিছিল। অৱশ্যে আটাইতকৈ ডাঙৰ সামাজিক অনুষ্ঠান আছিল বাকিংহাম প্ৰাসাদৰ গাৰ্ডেনপাৰ্টি। এই পাটি লৈ ঘূৰণীয়া মেজ-মেলৰ সকলো প্ৰতিনিধিকে নিমন্ত্ৰণ কৰা হৈছিল। ৰজা আৰু ৰাণীৰ আগত

কি সাজ-পাৰ পিন্ধি ওলাৰ পৰা যায় সেই সম্পৰ্কে কিছুমান কটকটীয়া নিয়ম সদায় বান্ধি দিয়া হৈছিল। বাপুৰ আঠুযুৰীয়া ধুতি আৰু চেণ্ডেল পিন্ধা শুদা ভৰি অনুমতি পাৰ পৰা কোনো এবিধ সাজ-পোছাকৰ ওচৰ সীমাৰেও নগৈছিল। ৰাজসভাৰ আচৰণ (court etiquette) নিয়ন্ত্ৰণ কৰা বিষয়াজনৰ কাৰণে ই এটা ডাঙৰ সমস্যা হৈ পৰিছিল। ইঙ্গিত আভাস দি তেওঁ চেষ্টা কৰি চাইছিল যে বাপুৰ সাজ-পাৰৰ কিবা পৰিৱৰ্তন কৰিব পাৰি নে নোৱাৰি। কিন্তু যেতিয়া তেওঁলোকে ভালদৰে বুজিলে যে, পৃথিৱীৰ কোনো বজাৰ কাৰণে বাপুৱে তেওঁৰ নিজস্ব সাজ-পাৰ, ধৰণ-কৰণ সলনি নকৰে আৰু তাকে কৰিবলৈ বেছি জোৰ দিলে বাপুৱে গার্ডেন পার্টিত যোগ দিবলৈকে অস্বীকাৰ কৰিব পাৰে, তেতিয়া পোছাকৰ প্ৰশ্নটো যেনেভাৱে তোলা হৈছিল তেনেভাৱেই সতর্কতাৰে সৈতে কোনেও মন কৰিব নোৱাৰাকৈ এৰি পেলোৱা হ'ল। বাপুৰ লগত সৰোজিনী নাইডু আৰু মহাদেৱ যোৱাৰ কথা আছিল। সেইদিনাৰ অনুষ্ঠানত যোগ দিয়ৰ কাৰণে তেওঁ ধুনীয়া বন কৰা বগা শাড়ী পিন্ধি সুসজ্জিতা হৈ ওলাইছিল। মহাদেৱে ভাৰতীয় ধৰণে ধক্‌ধকীয়া বগা খদ্দৰ পিন্ধিছিল। নাইটছ ব্ৰিজৰ বহা কোঠালীতে তেওঁলোক আহি গোট খাইছিল। আমি ঠাট্টা-মস্কৰা কৰি তেওঁলোকৰ সাজ-পোছাকৰ প্ৰশংসা কৰিছিলোঁ। যাৱৰ সময় প্ৰায় হৈ আহিছিল কিন্তু বাপু তেতিয়াও গা ধোৱা ঘৰতে আছিল। আমি ইজনে সিজনৰ মুখলৈ বৰ উৎকণ্ঠিত হৈ চোৱা-চুই কৰিছিলোঁ। নিশ্চয় এনেকুৱা এটা অনুষ্ঠানলৈ যাওঁতে বাপুৱে পলম নকৰে। ঠিক তেনে সময়তে মুখত এটা ডাঙৰ হাঁহি লৈ বাপু দুৱাৰমুখত উপস্থিত হ'লহি। বাপুৰ কেৱল এখন দুতৰপীয়া বগা পশ্‌মিনা শ্বাল আছিল। সেইখনকে তেওঁ সদায় ব্যৱহাৰ কৰি আছিল। গতিকে ধুবলৈও সুবিধা পোৱা নাছিলোঁ। অন্ততঃ শ্বালখনৰ চাফাহৈ থকা ভিতৰ লুটিটোকে বাহিৰ উলিয়াই জাপি দিওঁ বুলি ভাবি তেওঁ সোমাই আহোঁতেই মই কৈছিলোঁ, "বাপু, আপোনাৰ শ্বালখন লুটিয়াই দিওঁ।" বাপুৱে অলপ গৰ্বৰ ভাবেৰে তেওঁৰ পশ্‌মিনাখনৰ চাফা কোমল ভাজটোলৈ দেখুৱাই কৈছিল, "এয়া চোৱা, মই আগতেই লুটিয়াই লৈছোঁ"। এইবুলি কৈ তেওঁ সকলোৰে লগত হাঁহিত যোগ দিলে। এতিয়া ঠিক যাৱৰ সময় হ'ল। আৰু একমিনিটো পলম নকৰাকৈ তেওঁলোক ওলাই গ'ল।

এনে প্ৰাণহীন, নিয়ন্ত্ৰিত আৰু কেৱল বাহ্যিক আৰু কৃত্ৰিম নিমন্ত্ৰণ গ্ৰহণ কৰিবলৈ সিদ্ধান্ত কৰিবলগীয়া হোৱাত বাপুৱে অন্তৰত কিমান যে দুখ অনুভৱ

কবিছিল তাক অনুমান কবা কাবোপক্ষে সম্ভব নাছিল। বৃটিছ গৱর্ণমেণ্টব আলহী হিচাপে এই নিমন্ত্রণ বক্ষা কবাটো তেওঁব নৈতিক কর্তব্য বুলি ভাবিছিল। এবাব যাবলৈ সিদ্ধান্ত কবাব পিচত সক-সুবা ইটো-সিটো কথালৈ তেওঁ আমোদো কবিব পাবিছিল।

সামাজিক অনুষ্ঠান আৰু বিশেষ বিশেষ গোটব মানুহব সভা-সমিতি বহুতো হৈছিল যদিও বাপু জনসাধাবণব সংস্পর্শলৈ আহিব পবা নাছিল। মই তাব কাবণে বব বেয়া পাইছিলোঁ। মহাদেবেও তেনেকৈয়ে ভাবিছিল। আমি দুয়ো এই বিষয়ে কথা হ'লোঁ। মই তেওঁক ক'লো, "আমি এলবার্ট হলটো ভাবা লৈ এখন ডাঙব বাজহুৱা সভা আহ্বান নকবো কিয়? আগতে মই কনচার্টব কাবণে কুইনচ্ হলটো এনেকে লৈছিলোঁ; সেই কথাবিলাক কেনেকৈ কবিব লাগে মই জানো।" মহাদেবে ক'লে, "ই অতি উত্তম কথা।" কথাটো যেতিয়া আমি আনব লগত আলোচনা কবিবলৈ ল'লো তেতিয়া দেখিলো যে এই প্রস্তাবটোব প্রতি এটা প্রচ্ছন্ন বিবোধিতাব ভাব আছে। কর্তৃপক্ষব লগত যোগাযোগ থকা ইংবাজ বন্ধুসকলে বাপুক ইঙ্গিত দিলে যে তেওঁ বৃটিছ গৱর্ণমেণ্টব অতিথি। সেই কাবণে গৱর্ণমেণ্টক বিমোবত পেলোৱা কোনো কাম কবাটো বাঞ্ছনীয় বুলি বিবেচনা কবা নহব। এই যুক্তিয়ে গান্ধীব সম্মানব ধাবণাব ওপবত পোনপটীয়াকৈ ক্রিয়া কবা কাবণে বাজহুৱা সভা পতা কথাটো পবিত্যাগ কবিবলগীয়া হ'ল। কোনো সন্দেহ নাই যে বাজহুৱা সভা কবিব পবাহেতেন বাপুৱে শ্রমিকসকলব মাজত বিপুল উৎসাহ আৰু সহানুভূতিব সৃষ্টি কবিব পাবিলেহেতেন। লাঙ্কাচায়াব ভ্রমণে এই কথা যথেষ্ট পবিমাণে পবিষ্কাব কবি তুলিছিল।

লাঙ্কাচায়াব ভ্রমণব পবিকল্পনাটোও গৱর্ণমেণ্টে ভাল চকুবে চোৱা নাছিল। বিদেশী বস্ত্র বর্জন আঁচনিয়ে মিলবিলাকব যি বিষম ক্ষতি সাধিছিল সেই কথালৈ চাই বাপু তালৈ যোৱাটো নিবাপদ নহয়—এনে কথাও প্রচাব কবা হৈছিল। দবাচলতে গৱর্ণমেণ্টে সঁচাকৈয়ে ভয় কবিছিল আৰু নিবাপত্তা বক্ষাব ব্যবস্থা বাহুল্যভাবে কবিছিল। তেওঁলোকে এই কথা ভালদবে উপলব্ধি কবিছিল যে ইংলণ্ডত থকা অৱস্থাত যদি বাপুব ক'ববাত কিবা ঘটে তেন্তে ভাবতবর্ষত ভাব বিপদজনক প্রতিক্রিয়া হ'ব।

এই কাবণেই বাপু যঁলৈকে নৈছিল তালৈকে তেওঁব লগত ইংলণ্ডব

দুজন ওখ খাপব গুপ্ত পুলিচ (ডিটেক্‌টিভ) গৈছিল। দুয়োজন মানুহ হৃষ্টপুষ্ট চেহেবাব, তেওঁলোকব ব্যৱহাবো অতি সুন্দব। তেওঁলোকে পুলিচব পোছাক নিপিন্ধি সাধাবণ পোছাক পিন্ধিছিল। অৱশ্যে তেওঁলোকব জেপত যে বিভলভাব আছিল তাত অকণো সন্দেহ নাছিল। সম্ভৱতঃ তেওঁলোকে ইতিপূর্বে কেতিয়াও এনে এজনা যশস্বী লোকব— যিজন মানুহে প্রত্যেকদিনাই পুৱা ৮ বজাতে ওলাই গৈ মাজবাতিহে ঘব সোমায়—বক্ষণা-বেক্ষণ কবি পোৱা নাছিল। কিন্তু তেওঁলোকে প্রতিদিনে ঠিক সময়ত, হাঁহিমুখে উপস্থিত হৈছিলহি।

আমি যেতিয়া লাহাচায়াব অভিমুখে যাত্রা কবিছিলো, তেওঁলোক বিশেষভাৱে সতর্ক হৈ পবিছিল। বেলত আমি সাধাবণতে ভ্রমণ কবা মতে আমাব দলটোব কাবণে দুটা দ্বিতীয় শ্রেণীব কোঠালী আগতীয়াকৈ বন্দবস্ত কবি বখা হৈছিল। ইয়াবে এটা কোঠালী লৈ গুপ্ত পুলিচকেজনে বাপুকে মোকে আগবঢ়াই নিলে। খিবিকীব চিক পেলাই দি দুৱাব বন্ধ কবি তেওঁলোকে বাহিবত পহবা দি থাকিল। তেওঁলোকে জানিছিল যে আমাব দুয়োজনবে কাবণে এই সময়ত আটাইতকৈ প্রয়োজনীয় বস্তুটো হৈছে টোপনি। দীঘল দিয়াব লগে লগে বাপু টোপনি গ'ল। তেওঁবে অনুসবণ কবোঁতে মোবো ঘব বেছি সময় নালাগিল। আমাব ট্রেনখনে লাহাচায়াবব প্রথম ষ্টেশ্বনটো সোমোৱাব লগে লগে প্লেটফর্মব গণ্ডগোল আক উত্তেজনাব শব্দ মই শুনিবলৈ পাইছিলোঁ। খিবিকীব চিক তুলি দেখিলোঁ, অসংখ্য জনতাই ট্রেনখনব ইমুবপবা সিমুবলৈ বিচাবি ফুবিছে। মহাদেব আক অন্যান্যসকল লগালগিকৈ থকা তেওঁলোকব কোঠাবপবা আমাব কোঠালৈ সোমাই আহিল আক বাপুও উঠি বহিল। বাহিবত থকা জনতাই তেওঁব দর্শন লাভ কবিলে।

: তেওঁ তাতে আছে, চোৱা চোৱা! তেওঁ তাতে আছে মিঃ গেন্ধী। তেওঁলোক খিবিকীখনব ওচবলৈ লবি আহিছিল।

: আপোনাব কেনে—মিঃ গেন্ধী? আপুনিয়েই মিঃ গেন্ধীনে? আপোনাক দেখা পাই বব ভাল পাইছো।

ঠিক এইদবেই। সকলো বন্ধুভাৱাপন্ন। বাপুৱে খিবিকীয়েদি মবমেবে তেওঁলোকলৈ চাই হাঁহিছিল। কিন্তু এইঠাইত বেলখন অলপ সময়হে বৈছিল। আমি আকৌ যাবলৈ ধবিলোঁ। এতিয়া সকলো ঠাইতে সেই একেই কথা।

আমি যিটো ষ্টেশ্বনত নামিলোগৈ তাত বৰ বেছিবকমে উত্তেজনাৰ সৃষ্টি হৈছিল। তাৰ পিচত মটৰ গাড়ীবে যেতিয়া আমি গৈ আছিলো তেতিয়া চাবিআলিৰ মুবত আৰু আলি কেকুবিবিলাকত—বিশেষকৈ গাঁৱৰ বাটবিলাকত মতা মানুহে তেওঁলোকৰ টুপী আৰু তিবোতা মানুহে কমাল জোকাবি সম্ভাষণ জনাইছিল।

সমুখৰ আসনত মোৰে সৈতে বহি থকা গুপ্ত পুলিচজনে আচবিত হৈ চিঞবি উঠিল, "এইবিলাক কি? আনকি বজা বাণী আহিলেও আজিৰ নিচিনাকৈ এইদবে মানুহ ওলোৱা মই দেখা নাই।"

বাপুৰ প্ৰগ্ৰেম আছিল কেবাখনো ঠাই পবিদৰ্শন কবা, নানান দলৰ বন্ধুৰা আৰু মালিকৰ লগত আলোচনা কবা, অৱশ্যে ক'তো বাজহুৱা সভা পতাৰ অনুমতি নাছিল। বাধা-নিষেধ থাওক নাথাওক, প্ৰকৃতপক্ষে জনতাৰ সংস্পৰ্শ ঘটিছিল। সকলো ঠাইতে সাধাবণ বাইজ ভবি পবি ছিলহি। তাৰ পিচত গোট হিচাপে পতা মিটিঙত আন্তবিকতাবে ভাবৰ আদান-প্ৰদান ঘটিছিল।

ইংলণ্ডৰ কাপোৰ বৰ্জন কবা প্ৰশ্নটো স্বাভাৱিকতে সকলোবে মনত মুখ্য হৈ আছিল। বাপুৰ উত্তৰ আছিল:

সকলো বিদেশী বস্ত্ৰ বৰ্জন কবিবলৈ আমি জাতি হিচাপে সঙ্কল্প কবিছো। কিন্তু যেতিয়া ইংলণ্ড আৰু ভাবতবৰ্ষৰ ভিতবত সন্মানজনক মীমাংসা হয় অৰ্থাৎ স্থায়ী শান্তি প্ৰতিষ্ঠা হয়, তেতিয়া দুয়ো পক্ষই মানি লোৱা সৰ্তমতে আমাৰ দেশে উৎপাদন কবি যোগান ধবাতকৈয়ো বেছি যিখিনি কাপোৰ আমাক লাগে, সেইখিনি কাপোৰ বিদেশৰপৰা আমদানী কবোঁতে আনদেশতকৈ ইংলণ্ডৰ লাঙ্কাচায়াৰক আগ ঠাই দিবলৈ মই অলপো ইতস্ততঃ নকবোঁ……। তাৰপৰা আপোনাসকলে কিমান সকাহ পাব মই ক'ব নোৱাবো। ইয়াৰ নিবনুৱা সমস্যাৰ কথা জানি মই দুখ পাইছো। কিন্তু ইয়াত মানুহ অনাহাৰে বা অৰ্ধাহাৰে থাকিব নেলাগে। ভাবতত দুয়োটাই আছে……। মই আপোনাসকলৰ মঙ্গল কামনা কবোঁ; কিন্তু আপোনা-সকলে যেন ভাবতবৰ্ষৰ কোটি কোটি দবিদ্ৰ মানুহৰ সমাধিৰ ওপবত ঐশ্বৰ্যশালী হোৱাৰ কথা নেভাবে। ভাবতবৰ্ষৰ কাবণে আন্তৰ্জাতিক সম্বন্ধ নথকা বিচ্ছিন্ন জীৱন মই সমূলি বিচৰা নাই। কিন্তু মোৰ খোৱা বস্ত্ৰ আৰু পিন্ধা কাপোৰৰ কাবণে মই কোনো দেশৰ ওপবত নিৰ্ভৰ কৰিব নোখোজো।

বাপুৰ কথাকেষাবে শ্ৰোতাসকলৰ অন্তৰ স্পৰ্শ কবিছিল আৰু পিচত মানুহে মন্তব্য কবা শুনা গৈছিল:

"এতিয়া আমি পবস্পবক বুজিব পাবিছো। মিঃ গান্ধীক লগ পোৱাটো এটা সৌভাগ্যব কথা।"

"মই এজন নিবনুৱা। কিন্তু মই যদি ভাবতত থাকিলোহেতেন তেনেহলে মিঃ গান্ধীয়ে যি কৈছে ময়ো তাকে কলোহেঁতেন।"

আটাইতকৈ উল্লেখযোগ্য ঘটনা এটা ঘটিছিল এটা মিলত। মেনেজাব-জনে মিলটো দেখুৱাব পিচত বাপুক ক'লে যে তেওঁ ছুটীব ঘণ্টাটো বজাই দিবনে, যাতে মিলত কাম কবা মানুহখিনি, তাব ভিতবত বেছিখিনিয়েই ভিবোতা, ওলাই আহি তেওঁক লগ ধবিব পাবে? বাপুৱে ক'লে, "নিশ্চয় পাবিব"। ঘণ্টাটো বজোৱা হ'ল। তৎক্ষণাৎ মেচিন বন্ধ হ'ল আৰু ঘবটো লবা-ঢপবা কবা মানুহব ভবিব শব্দেবে ভবি পবিল। কোঠাটোব সিফালে বাবান্দাইদি খটখটিয়েদি তেওঁলোক ওলাবলৈ ধবিলে। হুবমুব, হুবমুব, হুবমুব, কেৱল হুবমুধ শব্দ। আমি বাহিবলৈ ওলাই যাওঁতে যিখিনি সময় লাগিছিল তাব ভিতবতে শ্রমিকসকলব এটা ডাঙব জনতা গোটখাই আমাব কাবণে বৈ আছিল। বাপুৱে কেইআষাবমান কথা কলে, তাবপিচতে হঠাৎ হুগবাকী ভিবোতা তেওঁলোকব মাজবপবা ওলাই আহি বাপুক হুফালবপবা হুয়োগবাকীয়ে এটা হাতেবে ধবি আনটো হাত ওপবলৈ তুলি জয়ধ্বনি দিলে, "থ্রি চিয়াবচ ফব মিঃ গেন্ধী, হিপ্ হিপ্—

জনতাই চিঞবি উঠিল "হুবে"। তেনেকৈ এবাব, দুবাব, তিনিবাব বিপুল উৎসাহেবে জয়ধ্বনি হ'ল। সেইবাতি যিজন বন্ধুব সক ঘবটোত আমি আছিলো-গৈ তাব বাহিবফালে বিশেষভাৱে বাপুব নিবাপত্তাব বাবে পুলিচব ব্যৱস্থা কবা হৈছিল। প্রতিজোপা গছব আঁবতে একোজনকৈ পুলিচ থকাব দবে আছিল। তেওঁলোকব বলিষ্ঠ দেহা লুকুৱাবলৈ চেষ্টা কবিলেও কৃতকার্য হ'ব পবা নাছিল। বন্ধুভাৱাপন্ন লোকসকলে অহা-যোৱা কবিয়েই আছিল। বহুতো ভিবোতাই তেওঁলোকব কেচুৱাবিলাকো লগত লৈ আহি বাপুব কোঁচত তুলি দিছিল।

লাহাচায়াবত একেবাহে মানুহব সংস্পর্শলৈ আহি থকাব কাবণে মই সাব পাই থাকিব পাবিছিলোঁ আৰু ক'ত কি হৈছে নহৈছে ভাবো বুজ লৈ থাকিব পাবিছিলোঁ। কিন্তু যেতিয়া অক্সফর্ড আৰু কেম্ব্রিজব পাণ্ডিত্যপূর্ণ আলোচনা আৰু চার্চব প্রধান পদাধিকাবীসকলক লগ পোৱাব কথা হ'ল তেতিয়া কথা শুনিবলৈ মোব সুযোগ হলেও টোপনিয়ে জুমুবি দি ধবিছিল।

ভাবপিচত কথা শুনাৰ চেষ্টাকে মই এবি দিছিলো। কিন্তু কেখনমান ছবি মোৰ এতিয়াও মনত লাগি আছে। তাবে এখন : বাজপ্রাসাদৰ বাগিছাত চিচেষ্টাৰৰ বিচপৰ লগত বাপুৱে খোজ কাঢ়িছিল—এই দৃশ্য এজন কলাকাৰৰ কাৰণে এক উৎকৃষ্ট সমল হ'লহেঁতেন।

বাপুৱে কেণ্টাৰবাৰী কেথেড্রেলৰ উপাসনাত আৰেলি যোগ দিছে আৰু সেইদিনাই গধূলি ডিনেৰীৰ বহা কোঠাৰ জুহালৰ শুৰিত বাগ এখনৰ ওপৰত বহি বাপুৱে সূতা কাটিছে আৰু ডীন হাউলেট্ জনচনে ওচৰতে বহি আগ্রহেৰে চাই আছে।

মোৰ এতিয়া ভালকৈ মনত নাই, এবাৰ মটৰেৰে আমি কেবাঠাইলৈও গৈছিলোঁ। ডর্কিঙৰ মাজেদি মিল্টনহিথলৈ সোমোৱা বাটৰ কাষেদি আমি গৈছিলোঁ। আধাঘণ্টামানৰ কাৰণে হলেও মোৰ বাল্যকালৰ এই ঠাইডোখৰ বাপুক দেখুৱাবলৈ ইচ্ছা হৈছিল। কিন্তু সময় নাছিল। সম্মুখৰ দুৱাৰেদি আমাৰ গাড়ী বিদ্যুৎসঞ্চাৰে পাৰ হওঁতে যিখন পথাৰত জাৰ্চি গাইকেজনী চৰিছিল সেই পথাৰখন মোৰ চকুত পৰিছিল। চৰাইৰ বাহেৰে সৈতে বুঢ়া এলম্ গছবিলাকো মোৰ চকুত পৰিছিল। তৎক্ষণাৎ সকলো আকৌ সপোনৰ দৰে চাঁত্ কৰে নাইকিয়া হ'ল। সপোনৰ দৰে—সঁচাকৈয়ে ই সপোনৰ দৰেই আছিল। ইংলণ্ড এবি যোৱা ছবছৰ হৈছে। ইয়াৰ ভিতৰতে কিমান যে পৰিৱর্তন হৈছে! মা আৰু দেউতা দুয়োজনৰে পৰলোক হ'ল। বোনা তেওঁৰ স্বামীৰে সৈতে আকৌ ভাৰতলৈ গৈছে। কিন্তু নতুন এখন ঘৰ আকৌ হৈছে। এলেকে বিয়া কৰাইছে। তেওঁলোক অক্সফর্ডৰ ওচৰতে এলিজাবেথৰ দিনৰ জমিদাৰৰ প্রাসাদ এটাত আছিল। বাপু তালৈ গৈছিল। তেওঁ সেই ঠাইৰ সৌন্দর্য, শান্ত পৰিবেশ আৰু পুৰণি ধোঁৱাৰবণীয়া শিলৰ কামৰ সৌন্দর্য দেখি, বিশেষকৈ বাগিছাৰ মাজত থকা সৰু গীর্জা ঘৰটো দেখি মুগ্ধ হৈছিল। লুচি আৰু বার্থাই বাপুক দেখা কৰিবলৈ কিংচলি হললৈ আহিছিল। মনা নাইটছ ব্রিজলৈ আহিছিল—কিন্তু মই ইমান ব্যস্ত আছিলো আৰু কামত ইমান মজি থাকিবলগীয়া হৈছিল যে খাপ্মাৰি একেবাৰ কথা ছোৱাৰ বাহিৰে তেওঁলোকৰ লগত থাকিবলৈ মই সময়কে উলিয়াৰ নোৱাৰিছিলোঁ।

কন্‌ফারেন্স হলর ভিতরত বাপুরে প্রথমবেপরা এখন বিরামহীন কঠোর যুদ্ধ করিব লগা হৈছিল। সম্মিলনর বাতাবরণ শত্রুভাবাপন্ন নহলেও সহানুভূতিশীল নাছিল। ভারতীয় প্রতিনিধির দলটো গঠন করা পদ্ধতিও আছিল কৃত্রিম। সম্মিলনত বক্তৃতা দি বাপুরে কৈছিল : "অকৃতকার্যতার কারণ ভারতীয় প্রতিনিধি দলর গঠনর মাজতে সোমাই আছে। আমি প্রায় আটাইখিনিয়েই যিবিলাক দল বা গোটর প্রতিনিধিত্ব করিবলৈ আহিছো, তেওঁলোকর নির্বাচিত প্রতিনিধি নহওঁহঁক। গভর্ণমেণ্টর মনোনয়নক্রমে আমি ইয়ালৈ আহিছো। আলোচনা করি সমাধানর উপায় উলিয়াবর কারণে যিসকলর উপস্থিতি একান্ত বাঞ্ছনীয় সেইসকলর কাকো ইয়াত দেখিবলৈ পোরা নাই।"

আরম্ভণীতে বাপুক ভারতীয় জাতীয় কংগ্রেছর স্থিতি সম্পর্কে ক'বলৈ কোরা হৈছিল। ভারতীয় জাতীয় কংগ্রেছর বিষয়ে বেছিভাগ লোকেই নেজানিছিল যদিও সমালোচক আছিল। বাপুরে এটা সম্পূর্ণ বিবরণ দি কৈছিল : "যদি মোর ভুল হোরা নাই, তেনেহলে কংগ্রেছ হৈছে ভারতর আটাইতকৈ পুরণি রাজনৈতিক অনুষ্ঠান। ইয়ার প্রায় পঞ্চাশ বছরীয়া আয়ুস কালত এবারো বাদ নপরাকৈ বার্ষিক অধিবেশন পতা হৈ আহিছে। জাতীয় বুলিলে যি বুজায় ই সেয়েই। ই কোনো বিশেষ সম্প্রদায়, বিশেষ শ্রেণী বা বিশেষ কোনো স্বার্থর প্রতিনিধিত্ব নকরে। ভারতীয় জাতীয় কংগ্রেছে ভারতর সকলো স্বার্থর আরু শ্রেণীর লোকরে প্রতিনিধিত্ব করার দাবী রাখে।.....

বাপুরে এই কথা সদায় পরিষ্কারকৈ কৈছিল যে ইংলণ্ডর লগত সম্বন্ধ ছেদ করা তেওঁর ইচ্ছা নহয়। তেওঁ কেবল সম্বন্ধটো সম্মানজনক আরু সমান স্বত্বত প্রতিষ্ঠিত হোরাটো বিচারে। সম্মিলন ঘরর বাহিরর এখন সভাত বক্তৃতা দি বাপুরে কৈছিল :

আমার অহিংস আন্দোলনর লক্ষ্য হৈছে ভারতর পূর্ণস্বাধীনতা। যি কোনো এটা আধিভৌতিক অর্থত নহয়, মনর কোনো সঙ্কোচ নরখাকৈ ইংরাজী শব্দর অর্থমতেহে।

মই অনুভব করো যে প্রত্যেক জাতির এই স্বত্ব আছে আরু তার উপযুক্ততা বা আন জেনে কোনো প্রশ্ন উঠিব নোরারে। যেনেকৈ প্রতিটো জাতি খোরা, পিয়া আরু উশাহ লোরার কারণে

উপযুক্ত, ঠিক সেইদৰে প্ৰত্যেক জাতি তেওঁলোকৰ নিজৰ কাম-কাজ চলাবৰ কাৰণেও উপযুক্ত। যিমান বেয়াকৈয়ে নচলাওক কিয়, সি কোনো কথা নহয়। যেনেকৈ দুৰ্বল ডাওঁকাওঁৰ এজন লোকে কষ্টেৰে উশাহ ল'ব, ঠিক সেইদৰে ভাৰতবৰ্ষয়ো তেওঁৰ অসুস্থতাৰ কাৰণে হাজাৰটা ভুল কৰিব পাৰে। শাসন কৰাৰ উপযুক্ততাৰ মতবাদটো এটা ভুৱা দিয়া কথা মাথোন। স্বাধীনতা মানে বিদেশীসকলৰ কবলৰপৰা মুক্তি। ভাতকৈ ই বেছিও দুবুজায়, কমো দুবুজায়।

ৰক্ষাকৱচ সম্পৰ্কে বৃটেনে যি দাবী তুলিছে সেই বিষয়ে অতি কঠোৰ ভাষাত তেখেতে কৈছিল :

যদি সেই সকলোবিলাক ৰক্ষা কৱচ মঞ্জুৰ হ'ব লাগে আৰু ইয়াত হোৱা সকলোবিলাক আলোচনাই এটা নিৰ্দিষ্ট গঢ লয় আৰু দায়িত্বশীল গৱৰ্ণমেণ্ট আমি পাম বুলিও কয় তেন্তে বন্দী-সকলে জেলত দায়িত্বসম্পন্ন গৱৰ্ণমেণ্টৰ অধিকাৰ পোৱাৰ দৰে কথাহে সি হ'ব। জেলৰ দুৱাৰত তলা লগোৱাৰ আৰু জেইলাৰ শুচি যোৱাৰ লগে লগে বন্দীসকলেও পুৰা স্বাধীনতা পায়। দহফুট বৰ্গক্ষেত্ৰৰ বা দীঘে সাত ফুট, পুতলে তিনিফুটীয়া 'চেল'ৰ ভিতৰত তেওঁলোক পুৰা স্বাধীন। জেইলাৰসকলে তেওঁলোকৰ অধিকাৰ নিৰ্বিবাদে ৰক্ষা কৰিব—তেনেধৰণৰ স্বাধীনতা মই বিচৰা নাই।

বৃটিছ ৰাজনীতিবিদসকলে এনেকুৱা স্পষ্ট আৰু পোনপটীয়া কথা অকণো ভাল পোৱা নাছিল। তেওঁলোকে শব্দৰ চালৰাজি খেলা আৰু লেহেম কৰা কৌশল অৱলম্বন কৰিছিল। কিন্তু তেওঁলোকে সম্মুখীন হবলগীয়া মানুহজন হ'ল গাপু; তেনেস্থলত তেওঁলোকে সত্য কথা আৰু গোপন কৰিব নোৱাৰা হ'ল।

"আমি ব্যৱহাৰ কৰা প্ৰতিটো শব্দৰে যদি প্ৰত্যেকৰে কাৰণে বেলেগ বেলেগ সূত্ৰ থাকে তেনেহলে আপোচ মীমাংসা কেনেকৈ হ'ব পাৰে? ই অসম্ভৱ কথা। প্ৰধানমন্ত্ৰী মহোদয়, সবিনয়ে মই ক'ব খোজো যে তেতিয়া হলে আমি মিলিব পৰা এখন ক্ষেত্ৰ বা আপোচৰ এটা সূত্ৰ বিচাৰি উলিওৱা সম্পূৰ্ণ অসম্ভৱ কথা। মই ৰব দুখেৰে সৈতে ক'বলগীয়া হৈছে যে এই পৰিশ্ৰান্ত হোৱা সপ্তাহ-কেইটাত যিবিলাক শব্দৰ আমি আদান-প্ৰদান চলাইছো সেইবিলাকৰ কোনো এটা সাধাৰণ সূত্ৰ এতিয়ালৈকে মই আবিষ্কাৰ কৰিব পৰা নাই।

প্ৰকৃতপক্ষে বিষয়টো আমাৰ আয়ত্তৰ ভিতৰলৈকে কেতিয়াও অহা নাই।

আপুনি কবব দবে আমি মূল বিষয়লৈকে অহা নাই। এইকেদিন দিনে-বাতিয়ে মই উদ্বিগ্ন হৈ আছো—কাতব হৈ পবিছো—অবস্থাটো প্রকৃতভাবে আয়ত্তলৈ আনিবলৈ আক মূল বিষয়টোলৈ যাবব কাবণে। মই ভাবিছো—কিয় আমি পবস্পবব ওচব চাপিব পবা নাই, কিয় আমি ব্যাখ্যীতা, ওজস্বিনী ভাষণ, তর্ক আক কোনে কোনটো কথাত জিকিল, এনেবিলাক ভাব লৈ সময়ব অপচয় কবিছো। ঈশ্ববে জানে যে মোব নিজব মাতটোও শুনিবব মোব এতিয়া আক ইচ্ছা নাই, কোনো তর্কাতর্কিত যোগ দিবলৈও মোব ইচ্ছা নাই। মই জানো, স্বাধীনতা তাতকৈ বহুত কঠিন উপাদানেবে গঠিত। মই জানো, তাতোকৈ বহুত বেছি কঠিন উপাদানেবে গঠিত ভাবতব স্বাধীনতা।" সময় পাব হৈ গৈছিল; কিন্তু কোনো মীমাংসাব আশা দেখা নগৈছিল। অবশেষত বাপুৱে সতর্কবাণী শুনালে:

সময়ব ঘড়ীব বালি প্রায় শেষ হওঁ হওঁ। এইকণ সময়ব ভিতবতো মই বিচাবো যে, কংগ্রেছ কিহব কাবণে থিয় দিছে সেইকথা আপোনালোকে বুজিবলৈ চাব। মোব জীবন আপোনাসকলব হাতত। বাকিং কমিটীব সদস্যসকলব আক নিখিল ভাবত কংগ্রেছ কমিটীব সদস্যসকলব জীয়নো আপোনাসকলব হাতত। কিন্তু মনত বাখিব যে কোটি কোটি মূক জনসাধাবণব জীয়নো আপোনাসকলব হাতত। যদি সন্তুষ্টপব হয়, সেই জীয়নবিলাক মই বলি দিব নোখোজো।"

সম্মানজনক মীমাংসাব কাবণে বাপুৱে বিমানদূব সন্তুষ্ট চেষ্টা কবিবলৈ প্রস্তুত আছিল। কিন্তু সি যদি সন্তুষ্টপব নহয়, তেন্তে তেওঁলোকে জনা উচিত, তাব পবিণাম কি হ'ব পাবে। শেষব সম্ভাষনত সেই সতর্কবাণী আকৌ শুনা গ'ল:

"সম্ভবতঃ আপোচ আলোচনাব কাবণে আপোনাসকলব লগত মই এইবাবেই শেষবাব বহিম। মই যে আপোনাসকলব লগত আকৌ বহিবলৈ নিবিচাবো এনে নহয়। আপোনাসকলব লগত একেলগে একেখন মেজত মই বহিবলৈ বিচাবোঁ, আপোচ আলোচনা কবিব খোজো, আপোনাসকলক মোব বিনতি জনাব খোজো আক শেষ খোজ লোৱাব আগতে, চূড়ান্তভাবে যুদ্ধত জাপ দিয়াব আগতে মই আঠু ল'ব খোজো।

তাবপিচত বাপুৱ গাত প্রধানমন্ত্রীলৈ শলাগব শবাই আগবঢ়োৱাব ভাব পবিছিল। বাপুৱে অতি অনিচ্ছাবে কিন্তু পবিষ্কাব ভাষাত কৈছিল যে

অন্ততঃ তেওঁৰ ফালৰপৰা ক'বলৈ গ'লে তেওঁলোক এৰাএৰি হোৱাৰ উপক্ৰম হৈছে বুলিয়েই তেওঁৰ ধাৰণা জন্মিছে। গতিকে এতিয়া টোপোলা-টাপলি বন্ধাৰ সময় হ'ল।

ৰোমা ৰোলাঁক দেখা কৰিবৰ কাৰণে মই উদ্বিগ্ন হৈ আছিলোঁ। বাপুৱে চুইজাৰলেণ্ড হৈ আহি ব্ৰিন্দিছিত ইটালীয়ান জাহাজ লয়ড ত্ৰিয়েষ্টিন ধৰিবলৈ সম্মত হোৱাত মই উশাহ পালোঁ। তেওঁ ভাৰতলৈ যিমান পাৰে সোনকালে উভতি আহিবলৈ ইচ্ছা কৰিছিল ; কাৰণ, ভাৰতত গণ্ডগোল হ'বৰ আশঙ্কা আছে। কিন্তু ৰোমা ৰোলাঁক দেখা নকৰাকৈ, তেখেতৰে সৈতে দীঘলীয়া আলোচনাৰ কাৰণে সময় নৰখাকৈ উভতিব নোৱাৰে বুলিও তেওঁ ভাবিছিল। তেখেতে আনকি পেৰিচত এবাতি থাকি এখন ৰাজহুৱা সভা কৰিবলৈ আৰু ৰোমতো সোমাই যাবলৈ সম্মত হৈছিল।

বৃটছ ৰাজনীতিজ্ঞ আৰু চৰকাৰী বিষয়াসকলে শেষলৈকে সদায় নম্ৰ আৰু ভদ্ৰ আচৰণ কৰিছিল যদিও—আমি পিচত জনামতে তেওঁলোকে ইতিপূৰ্বে সমগ্ৰভাৱে দমন কৰাৰ নীতি গ্ৰহণ কৰিছিল।

ইপিনে আমাৰো তেওঁলোকৰ ৰাজ্য এৰাৰ লগে লগে আচৰিত ধৰণে সকাহ পোৱা যেন অনুভৱ হৈছিল। আমি যেন স্বাভাৱিকভাৱে উশাহ ল'ব, ভাবিব আৰু কথা ক'ব পৰা হৈছিলোঁ। সাম্ৰাজ্যবাদৰ আইনে এনে বাতাৱৰণৰ সৃষ্টি কৰিছিল। অৱশ্যে সকলোধৰণৰ মানুহৰ ভিতৰত বাপুৰ ব্যক্তিগতভাৱে বহুতো বন্ধু আছিল। তাৰে ভিতৰত এটা অতি অপ্ৰত্যাশিত আৰু মৰ্মস্পৰ্শী বান্ধোন আছিল সেই বলিষ্ঠ গুপ্ত পুলিচ দুজনৰ লগত। তেওঁলোক দুয়োজনেই বাপুৰ ইমান ভক্ত হৈ পৰিছিল যে এৰাএৰি হ'বৰ সময় যেতিয়া ওচৰ চাপিল, তেওঁলোকে ব্ৰিন্দিছিলৈকে বাপুৰ লগত যাবলৈ অনুমতি প্ৰাৰ্থনা কৰিছিল। এইটো এটা আহুকলীয়া প্ৰশ্ন আছিল। কাৰণ, ইয়াৰ অৰ্থ হ'ল, তেওঁলোকে তেওঁলোকৰ গৱৰ্ণমেণ্টৰ সীমাৰ বাহিৰ হৈ যাব লাগিব। বাপুৱে ছাৰ চেমুৱেল হোৱলৈ তেওঁলোকৰ প্ৰাৰ্থনা যাতে মঞ্জুৰ হয় তাৰ কাৰণে মিনতি জনাই এখন চিঠি লিখিছিল। সেই প্ৰাৰ্থনা মঞ্জুৰ হ'ল। তেওঁলোক আমাৰ লগে লগে দক্ষিণ ইটালীলৈকে আহিছিল।

পেছিচত আহ্বান কবা সভাখনেই ইউবোপত বাপুব প্রথম বাজহুৱা সভা আছিল। সভাঘব মানুহেবে এনেদবে ঠাহখাই পবিছিল যে উশাহ-নিশাহ নোপোৱা অৱস্থা। বাহিবতো ইমান ডাঙব জনতা গোটখোই বৈ আছিল যে শান্তি-বক্ষাব কাবণে অশ্বাবোহী পুলিচ মাতিব লগা হৈছিল। বাপুৱে যেতিয়া তেওঁব বক্তৃতা শেষ কবিলে—চাবিওপিনবপবা বাজনৈতিক, নৈতিক, আধ্যাত্মিক আৰু যদি মোব সঠিকভাৱে মনত আছে, তেন্তে খাদ্য সম্বন্ধীয় প্রশ্নকে ধবি নানাধবণব প্রশ্নবাণ ববষিবলৈ ধবিলে। মানুহে টুকুবা-টুকুব কাগজত লবালবিত হিবিজিবিকৈ, লিখি সেইবিলাক মঞ্চব ওপবলৈ পঠাই দিছিল। তীব্র উত্তেজনাব সৃষ্টি হৈছিল। প্রত্যেকেই তেওঁলোকব নিজ নিজ প্রশ্নব উত্তব বিচাবি উত্তপ্ত হৈ উঠিছিল। প্রকৃতপক্ষে সেই সকলোবোব প্রশ্নবে উত্তব দিয়া বাপুব পক্ষে একেবাবে অসম্ভব কথা আছিল। আমি, যিসকলে ওপবলৈ তুলি দিয়া সেই প্রশ্ন লিখা টুকুবা কাগজবিলাক লৈ আছিলো—তাব মাজবপবা বিভিন্ন বিষয়ব প্রধান প্রধান প্রশ্নবিলাক বিচাবি উলিয়াব লগা হৈছিল।

সেইনিশা বাপুৱে লেটিন কোৱার্টাবত মেডেম গিয়েছব আলহী হিচাপে অকণমানি ফ্লেট এটাত শুইছিল। সেই আচবিত চুটি-চাপব বুঢ়ী তিবোতা-গবাকীব বাপুব উদ্দেশ্যব প্রতি অগাধ বিশ্বাস আছিল। তেখেতে "গান্ধীব বন্ধুসকল" নাম দি এখন এচ'চিয়েশ্যন গঠন কবিছিল। পিচদিনা আমি ভিলেনিউভলৈ বুলি যাত্রা কবিলোঁ।

বোমা বোলাঁবে সৈতে শান্তিবে কিছু সময় কটাবলৈ আমি আশাবে বাট চাইছিলোঁ। কিন্তু বাপু যাব বুলি জানি তেখেতব জেনিভালেকব পিনে মু কবি থকা শান্তিপূর্ণ সক ঘবখনত নানা ধবণব উৎসাহ-অদ্বিব লোকব হৈ চৈ লাগি গৈছিল। বাপু আহি পোৱাব আগতেই দর্শক আৰু প্রেছব মানুহেবে ঘব ভবি পবিছিল। বহুতো চিঠি-পত্র আৰু টেলিফোনব কল আহিছিল। এই সকলো হেঁচা পবিছিল নিস্রাহীনভাব বোগী আৰু সেইসময়ত বেয়াধবণব পানীলগা অসুখত ভুগি থকা বোমা বোঁলাব ওপবত।

ভিলেনিউভব এই সকলো উত্তেজনা, ধৌকিবাধৌব উপবিও দুখন বাজহুৱা সভাব ব্যৱস্থা কবা হৈছিল—এখন লৌচেনত আৰু আনখন জেনিভাত।

সেই মূল্যবান দিনবিলাকলৈ আজি যেতিয়া মই উলটি চাওঁ, খুটি-নাটি

প্রতিটো কথা মনত পেলোৱা মোৰ কাৰণে বৰ টান হৈ পৰে। লণ্ডন ভ্রমণে মোক একেবাৰে ক্লান্ত আৰু অৱশ কৰি তুলিছিল। কিন্তু আন এটা কথা—বিশেষ মৌলিক কথা আছিল যে ইংলণ্ডত থাকোঁতেও মোৰ অবচেতন মনত কিবা এক আচৰিত অনুভূতি হৈছিল। এই কথাটোৱে মোক পীড়িছিল। অনুভূতি হৈছিল যে যি ঠাইত আগতে মই মুক্ত আৰু স্বাধীনভাৱে বিচৰণ কৰিছিলোঁ, মই তালৈ ঘূৰি আহিছো; কিন্তু এক কঠোৰতম নিয়মানুবৰ্তিতাৰ অধীন হৈ। সেই নিয়ম-শৃঙ্খলা ৰক্ষা কৰিবলৈ যাওঁতে মোৰ অজ্ঞাতসাৰে মই নিজক মোৰ অন্তৰৰ বন্দীশালত বন্দী কৰি ৰাখিছিলোঁ। বোমা বোলাঁক আকৌ যেতিয়া মই লগ পালোঁ, তেখেতৰ তীক্ষ্ণ নীলা চকুযুৰিৰ প্ৰভাৱত পৰি মই অস্পষ্টভাৱে বুজিছিলোঁ যে ক'ৰবাত কিবা এটা ভুল হৈছে। ভুল মানে মই সম্পূৰ্ণৰূপে নিজত নাছিলোঁ। মোৰ আত্মাই নীৰৱে ওলাই গৈ তেওঁক ঢুকি পাৰলৈ ইচ্ছা কৰিছিল। কিন্তু সেই অন্তৰৰ বন্দীশালৰপৰা মই ওলাব পৰা নাছিলোঁ। মোৰ বহু আগৰ প্ৰাৰ্থনাৰ ফলস্বৰূপে নিয়তিয়ে মোৰ কাৰণে নিৰূপণ কৰিছিল এক তপস্যাৰ জীয়ন। এই যে অনুভূতি, সি যেন তাৰেই এটা ভাগ।

এইদৰে নিজেই বুজি নোপোৱা এক অস্পষ্ট বিষাদৰ ভাৰত দিনবিলাক পাৰ হৈছিল।

এনে এটা মানসিক অৱস্থাৰ কাৰণে সেই পাঁচটা দিনৰ ঘটনাবিলাকৰ পুঙ্খানুপুঙ্খ বিৱৰণ মনত পেলাবলৈ মই অসমৰ্থ। সেই কাৰণে আমি শুচি অহাৰ পিচতে বোমা বোলাঁই এমেৰিকাত থকা তেখেতৰ বন্ধু এজনলৈ লিখা চিঠি এখনৰ মধুৰ বৰ্ণনা এটাকে এই প্ৰসঙ্গত দাঙি ধৰিলোঁ।

"সেই ভাৰতীয়সকল অহা সময়ত তুমি ইয়াত থকা হলে মই যে কিমান ভাল পালোহেঁতেন! তেওঁলোক ভিলাডায়োনেটত পাঁচদিন আছিল—ডিচেম্বৰৰ পাঁচ তাৰিখৰপৰা এঘাৰ তাৰিখলৈকে। সোলা, চকুত চশমা পিন্ধা সেই অকণমান মানুহজনে তেওঁৰ বগা চাদৰখনেৰে গাটো ঢাকি লৈছিল—বগলীৰ নিচিনা ক্ষীণ ভৰিহাল আছিল তাৰ। অ'ত ত'ত দুই এডাল ঠৰঙা তুলিবে তেওঁৰ খুৰোৱা মুখটোও আছিল উদং, ৰবৰযুগত তিতা। শুকান হাঁহি এটাৰে মুখখন আকলুৱাকৈ মেলি এহাতেৰে মোক সাৱটি ধৰি গালখন মোৰ খাউসীত লগাইছিল। তেওঁৰ

বীথো ভেন

মহাত্মা গান্ধী

বোমা বোলা

লণ্ডনৰ ঘূৰণীয়া মেজমেললৈ যোৱাৰ আগতে **মহাত্মা আৰু মীৰা বেন**

লণ্ডন অভিমুখী জাহাজত মীৰা বেনৰ লগত **মহাত্মা**

মহীয়া বঙৰ মূৰটো মোৰ গালত লগা মই অনুভৱ কৰিছিলোঁ। মোৰ এক আনন্দৰ শিহৰণ হৈছিল। এনেহে ভাব হৈছিল, এয়া যেন চেইণ্ট ডমিনিক আৰু চেইণ্ট ফ্রেন্সিচৰ চুম্বন।"

ভাৰপিচত আহিল মীৰা (Miss slade), প্ৰকৃতিৰ অধিষ্ঠাত্ৰী দেৱীৰ নিচিনা ৰাজকীয় আচৰণেৰে আৰু গাম্ভীৰ্যপূৰ্ণ চেহেৰাৰে। আৰু একেবাৰে শেষত আহিল তিনিজন ভাৰতীয়। এজন হ'ল দেবদাস; গোল মুখ, সুখী চেহেৰা। তেওঁ ভদ্ৰ কিন্তু নিজৰ নামৰ গৌৰৱ সম্পৰ্কে উদাসীন। বাকীকেজন হ'ল তেওঁৰ চেক্ৰেটাৰী, শিষ্য—মন আৰু অন্তঃকৰণৰ আপুকণীয়া গুণৰাজিৰ সৈতে দুজন ডেকা : মহাদেব দেশাই আৰু প্যাৰেলাল।

এই অলপদিন আগতে ভীষণভাৱে পানীলগা অসুখত ভোগা কাৰণে—যেন মই অসুখটো সময় বুজি বুদ্ধি পাতি মাতিহে আনিছিলো, মোৰ ঘৰতে "ভিলা ওলগা"ৰ তৃতীয় মহলাত থকা মোৰ শোৱনী কোঠালৈকে—কোঠাটো তোমাৰ মনত থাকিব পায়, গান্ধী সদায় ৰাতিপুৱা মোৰে সৈতে কথা-বতৰা হ'বৰ কাৰণে আহিছিল। মীৰাৰ সহায়ত মোৰ ভনীয়ে দোভাষীৰ কাম কৰিছিল। কিছু কণ্ঠাৰেক নামেৰে মোৰো এগৰাকী ৰাছিয়ান বন্ধু চেক্ৰেটাৰী আছিল। তেওঁ আমাৰ আলোচনাৰ টোকা লৈছিল। আমাৰ প্ৰতিবেশী schlemmer নামে মস্ত্ৰিষ্কৰ এজন মানুহে কিছুমান ভাল ভাল ফটো লৈ আমাৰ এই সাক্ষাৎ-প্ৰসঙ্গৰ ৰেকৰ্ড ৰাখিছিল।

আবেলি ৭ বজাত দুমহলাৰ অতিথি আপ্যায়ণ কৰা কোঠালীতে প্ৰাৰ্থনা সভা বহিছিল।

চাকিৰ পোহৰ কিছু কম বা চাকি তললৈ নমোৱা। ভাৰতীয়জন দলিছাৰ ওপৰত বহিছিল আৰু বিশ্বাসী সেই সৰু দলটি তেওঁৰ কাষতে বহিছিল। তিনিটা সুন্দৰ প্ৰাৰ্থনা সঙ্গীত একাদিক্ৰমে গোৱা হৈছিল। প্ৰথমতো আছিল গীতাৰ-পৰা। দ্বিতীয়টো গান্ধীয়ে সংস্কৃত গ্ৰন্থৰপৰা ভাঙনি কৰা এটা অতি পুৰণি প্ৰাৰ্থনা আৰু তৃতীয়টো আছিল ৰাম-সীতাৰ এটা স্তোত্ৰ। সেইটো মীৰাই তেওঁৰ গহীন মাতেৰে সুৰ লগাই গাইছিল।

অন্যান্য প্ৰাৰ্থনা গান্ধীয়ে ৰাতিপুৱা তিনি বজাতে কৰিছিল। লণ্ডনত এই পুৱাৰ প্ৰাৰ্থনাৰ কাৰণে তেওঁ ৰাতি এক বজালৈকে নোশোৱাকৈ থাকি হায়ৰান হোৱা কৰ্মচাৰীসকলকো জগাই দিছিল। দেখাত নিচেই দুৰ্বল এই অকণমান

মানুহজনৰ ভাগৰ নাছিল। তেওঁৰ শব্দকোষত ক্লান্তি বোলা শব্দটো নাছিলেই। মুখৰ চেহেৰাত অলপো বিকাৰ নোহোৱাকৈ লৌচেন আৰু জেনিভাত ঘণ্টাৰ পিচত ঘণ্টা জুৰি তেওঁ শান্তভাৱে জনতাৰ নানা প্ৰশ্নৰ উত্তৰ দিব পাৰিছিল। স্থিৰভাৱে টেবুল এখনৰ ওপৰত বহি সদায় স্পষ্ট আৰু শান্তস্বৰেৰে প্ৰত্যক্ষ বা প্ৰচ্ছন্ন বিৰোধীসকলক তেওঁ জবাব দিছিল। জেনেভাত সেইধৰণৰ বিৰোধীৰ অভাৱ নাছিল। গান্ধীৰ কঢ় সত্যই তেওঁলোকৰ মাত বন্ধ কৰিছিল আৰু একেবাৰে উশাহ নোপোৱা অৱস্থা কৰিছিল।

ৰোমান অভিজাতশ্ৰেণী আৰু জাতীয়তাবাদীসকলে প্ৰথমবেপৰা গান্ধীক ভালভাৱে ল'ব পৰা নাছিল। গান্ধী যোৱাৰ পিচত তেওঁলোক খণ্ডতে জলি-পকি উঠিছিল। মোৰ বোধেৰে গান্ধী যদি আৰু কেদিনমান বেছিকৈ থাকিল-হেঁতেন তেন্তে ৰাজহুৱা সভাবিলাক নিষেধ কৰা হ'লহেঁতেন। জাতীয়তাবাদী অস্ত্ৰীকৰণ আৰু মালিক-বনুৱাৰ সঙ্ঘৰ্ষ—এই দুয়োটা প্ৰশ্ন সম্পৰ্কে গান্ধীয়ে যিমান স্পষ্টভাৱে হ'ব পাৰে, তেওঁৰ অভিমত ব্যক্ত কৰিছিল। প্ৰশ্নোত্তৰৰ এই কথাটোত ময়েই তেওঁক লগাইছিলোঁ।

এটাৰ পিচত আনটো বিষয়ে পৰীক্ষা কৰি কৰি গান্ধীৰ মন আগবাঢ়ে। তেওঁ পোনে পোনে যায়। পোনবাটৰপৰা অলপো ফালৰি কাটি নেযায়। কিন্তু তেওঁ ক'তো কেতিয়াও নৰয়। দহ বছৰৰ আগতে তেওঁ কি কৈছিলে, সেই কথা লৈ তেওঁক বিচাৰ কৰিলেও ভুল কৰা হ'ব। কাৰণ, অবিৰাম তেওঁৰ চিন্তাৰ ক্ৰমবিকাশ হৈছে। এই বিষয়ে মই সৰু এটা উদাহৰণ দিম। তাৰপৰা বুজা যাব, কেনেকৈ তেওঁৰ মনৰ ক্ৰমবিকাশ হৈছে।

ঈশ্বৰেই সত্য

লাউচেনীত গান্ধীক প্ৰশ্ন কৰা হৈছিল, ঈশ্বৰ মানেনো তেওঁ কি বুজে।

গান্ধীয়ে ইয়াৰ উত্তৰত কৈছিল যে, হিন্দু শাস্ত্ৰত ঈশ্বৰৰ যিবিলাক মহৎ-গুণৰ কথা কোৱা হৈছে, তাৰ ভিতৰত সৰু কালতে তেওঁ 'সত্য' শব্দটো বাছি লৈছিল। কিয়নো, তেওঁ ভাবিছিল যে ঈশ্বৰৰ মূল লক্ষণ সঁচাকৈয়ে প্ৰকাশ কৰে এই সত্য শব্দটোৱেহে। ইয়াৰ লগতে গান্ধীয়ে কৈছিল, "কিন্তু দুবছৰ আগতে মই আৰু এখোজ আগবাঢ়িছো। এতিয়া মই কওঁ—'সত্যই ঈশ্বৰ'। কিয়নো,

অবিনশ্বববাদীসকলেও সত্যব শক্তিব প্রয়োজনীয়তা অস্বীকাব নকবে। সত্য আবিষ্কাব কবা আগ্রহব আতিশয্যব কাবণে অবিনশ্ববাদীসকলে ঈশ্ববব অস্তিত্ব অস্বীকাব কবিবলৈ দ্বিধা কবা নাই। তেওঁলোকব বিচাবভঙ্গীবপবা তেওঁলোক শুদ্ধও।" এই অকণমান কথাটোৰেই প্রাচ্যব এইজন ধর্মাত্মাব নির্ভীক আৰু স্বাধীন চিন্তাব তুমি পবিচয় পাবা। গান্ধীব গাত মই বিবেকানন্দব লক্ষণ দেখিছোঁ। তদ্ৰাচ এইজনা মানুহেই আকৌ প্রতিটো বাজনৈতিক প্রশ্ন সম্পর্কে অবহিত হৈ আছে। গান্ধীব নিজব বাজনীতি হৈছে, তেওঁ যি ভাবে সেই কথা অলপো লুক-ঢাক নকবাকৈ সকলোকে কৈ দিয়া।

শেষব দিনা গধূলি, প্রার্থনাব পিচত, গান্ধীয়ে মোক বীথভেনব সঙ্গীত বজাবলৈ অনুবোধ কবিছিল। তেওঁ বীথভেনক নেজানে। কিন্তু তেওঁ জানিছিল যে বীথভেনব জবিয়তেই মোব আৰু মীবাব মাজত সম্পর্ক আৰু সেইকাবণে মীবা আৰু তেওঁব ভিতবতো। সেই কাবণে শেষ অনুশীলন মতে আমি সকলো বীথভেনব ওচবত কৃতজ্ঞ হ'ব লাগিব। পঞ্চম চিম্ফনীব 'আনদান্টে' মই বজালোঁ। তাব লগতে যোগ দিলো গ্লাকব 'লা চেম্পচ ইলিচ্চি'।

তেওঁব দেশব ভক্তি-সঙ্গীত সম্পর্কে গান্ধীব অনুভূতি বব প্রবল। এই সঙ্গীতবিলাকব লগত আমাব শ্রেষ্ঠ গ্রেগবীয়ান সঙ্গীতব মিল আছে। তেওঁ এই-বিলাক সংগ্রহ কবিবলৈও চেষ্টা কবিছে।

কলা সম্পর্কেও আমাব পবস্পবব ধাবণানো কি, সেই বিষয়ে আমি আলোচনা কবিছিলোঁ। গান্ধীয়ে তেওঁব সত্যব ধাবণাবপবা কলা পৃথককৈ নেচায়। তেওঁব সত্যব ধাবণাব লগত আনন্দবো অবিচ্ছিন্ন সম্পর্ক। তেওঁব মতে সত্যই আনন্দ দিব পাবিব লাগে। কিন্তু তাবপবা এইটো প্রতিপন্ন হয় যে এই বীব প্রকৃতিব মানুহজনব কাবণে চেষ্টাব অবিহনে আনন্দ লাভ হ'ব নোৱাবে। "সত্যান্বেষণকাবীব অন্তব পহুমব পাহিব দবে কোমল কিন্তু বজ্রব দবে কঠোব।"

তুমি মোব মবমব বন্ধু। গান্ধীবে সৈতে একেলগে থকা সেই দিনকেটাব দুই-এটা কথা তোমালৈ লিখিলোঁ। সেইকেইটা দিনব সবিশেষ টোকাও মই বাখিছোঁ।

তোমালৈ মই এটা কথাহে লিখা নাই। গান্ধীব আগমণ উপলক্ষে আমাব ঘব দুখনত অনাই-বনাই ফুবা অনধিকাব প্রবেশকাবীসকলব আৰু

অল্পবুদ্ধিৰ লোকসকলৰ ভিৰ পৰিছিল। অনবৰত টেলিফোন বাজি আছিল। প্ৰতিজোপা গছৰ আঁৰৰপৰা 'ফটোগ্ৰাফাৰ'সকলে ইখনৰ পিচত সিখন ছবি লৈছিল। লিমানৰ গোৱাল সজ্যই মোক জনাইছিল যে মোৰ লগত "ভাৰতৰ ৰজাৰ" এই ভ্ৰমণৰ সময়ত খাদ্যৰ সম্পূৰ্ণ দায়িত্ব তেওঁলোকে ল'ব খোজে। আমি "ঈশ্বৰৰ সন্তান"সকলৰপৰা চিঠি পাইছিলোঁ।

সাপ্তাহিক জাতীয় চিঠিখেলত কোনটো নম্বৰ জিকিব সেইবিষয়েও কেজনমান ইটালীয়ানে মহাত্মালৈ লিখিছিল।

এই যাত্ৰাত ৰক্ষা পৰি মোৰ ভনীজনীয়ে জুৰিকৰ কোনো চিকিৎসালয়ত দহদিনৰ জিৰণি ল'বলৈ গৈছে। তেওঁ অলপতে উভতিব। মোৰ প্ৰতি নিদ্ৰাদেবী একেবাৰে বিমুখ হৈছে। যদি পোৱা ৰেজিষ্টাৰ পোষ্টত মোলৈ পঠাবা"।

বাপুৰ লগত ভিলেনিউভত যিসকল আছিল আৰু তেওঁৰে সৈতে প্ৰাতঃ ভ্ৰমণ কৰিছিল, তাৰ ভিতৰত আছিল প্ৰফেছৰ আৰু মেডাম প্ৰিভট আৰু বিখ্যাত শান্তিবাদী পিয়েৰ কেৰিচল্ল। ইয়াত আমি লণ্ডনৰ দৰে সোনকালে প্ৰাতঃ ভ্ৰমণলৈ ওলোৱা নাছিলোঁ। অৰ্থাৎ আমি পোহৰ হোৱালৈকে অপেক্ষা কৰিছিলোঁ। কিয়নো, ইয়াত গাঁৱৰ মাজৰ লুং-লুঙীয়া চাকি-বাতি নোহোৱা বাটেদি খোজকঢ়াৰ কথা।· তাৰ উপৰি ডিচেম্বৰ মাহত ঠাণ্ডাও অতি ভীষণ হৈ আহিছিল। আমি সেই ঠাই এৰিবৰ সময়ত লেকৰ চাৰিওপিনে থকা পাহাৰবিলাকত বৰফ পৰা আৰম্ভ হৈছিল।

মিঃ আৰু মেডাম প্ৰিভট কেতিয়াও ভাৰতবৰ্ষলৈ অহা নাছিল আৰু কেতিয়াবা আহিব পাৰিব বুলি তেওঁলোকে সপোনতো ভবা নাছিল। কিন্তু বাপুৰ আদৰ্শ সম্পৰ্কে তেওঁলোকৰ আস্থা দেখি আৰু তেওঁলোকৰ পৰস্পৰৰ সম্পূৰ্ণ মিল দেখি, বাপু বিশেষ সন্তুষ্ট হৈছিল। বাপুৰে তেওঁলোকৰ মনত ভাৰত ভ্ৰমণৰ ধাৰণাটো ইমান আকৰ্ষণীয় কৰি আৰু বাস্তৱিক এনেকৈ সম্ভৱপৰ কৰি তুলিলে যে তেওঁলোকে তেতিয়াই তাতে লৰা-ঢপৰা কৰি পাছপৰ্ট, কানি-কাপোৰ আদি সংগ্ৰহ কৰি ব্ৰিন্দিছিত আহি আমাক লগ ধৰিবলৈ সিদ্ধান্ত কৰি পেলালে। বাপুৰেও তেওঁৰ নিজৰ আৰু দলটোৰ কাৰণে ইটালীয়ান লাইনাৰত ভ্ৰমণ কৰিবলৈ ডেকৰ টিকেট সংগ্ৰহ কৰিব পাৰি বৰ আনন্দ পাইছিল। গতিকে তেওঁলোকে ডেকত আমাৰে সৈতে অতি কম খৰচতে আহিব পাৰিব আৰু এবাৰ ভাৰতবৰ্ষ গৈ পালে তেওঁলোকক আদৰ-অভ্যৰ্থনা জনাবৰ কাৰণে বহুতো

বন্ধু ওলাব। পিয়েব কেবিচলেও আমাব লগতে আছিবলৈ অতি ভাল পালেহেঁতেন ; কিন্তু সেই সময়ত ৰেলচত চলি থকা তেওঁব "বিলিফি"ব কাম এবি অহাটো তেওঁব কাবণে অসম্ভব কথা আছিল।

আমি যেতিয়া বোম পালোঁহি তেতিয়া তাত ধুনীয়া উমলগা ব'দ ; কিন্তু লগতে আল্পচ্ পর্বতবপিনবপবা এজাক বব চেঁচা বতাহো বলিছিল। বন্ধুসকলে মুছোলিনিব লগত বাপুব দেখা-সাক্ষাতব বন্দবস্ত কবিছিল। পোপব লগতো সাক্ষাতব কথা আছিল। বাপুৱে পোপব লগত সাক্ষাত কবি বব ভালো পালেহেঁতেন ; কিন্তু দুর্ভাগ্যক্রমে ব্যবস্থা কবোঁতাসকলব কিবা ত্রুটিব কাবণে— পোপব লগত দেখা নহল।

বোঁমা বোলাঁই তেওঁব বন্ধু জেনেবেল মবিচব ঘবত বাপুব থকাব দিহা কবিছিল। জেনেবেল মবিচব চহবব বাহিবত সুন্দব, প্রশস্ত এটি কুটীব আছিল। কিন্তু সচবাচবতে যেনে হয়, পাবিপার্শ্বিকতাব পিনে দৃষ্টি পেলাবলৈ কাবো অৱসব নাছিল।

অকণো সুকঙা নথকা আছিল বাপুব কার্য-তালিকা। কেৱল মাথোন দুটা কথা মোব পবিষ্কাবকৈ মনত আছে—ভেটিকান পবিদর্শন আৰু মুছোলিনীব লগত দেখা-সাক্ষাত। ভেটিকানত এটি মানুহব সমান আকাবব ক্রুশবিদ্ধ যীশুব মূর্তি এটাত বাপুব চকু পবিছিল। তেওঁ তৎক্ষণাৎ এই মূর্তিব ওচবলৈ গৈ ধ্যান-মগ্ন হৈ থিয় দি বৈছিল। তাবপিচত বিভিন্ন দিশবপবা মূর্তিটো চাবব কাবণে এবাব ইফালে এবাব সিফালে গৈছিল। অৱশেষত ঘূবি গৈ পিছফালবপবা মূর্তিটো চাবব কাবণে ওপবলৈ চাইছিল। মূর্তিটো আৰু পিছফালে ঘেবি বখা বাবব মাজত যাব পবা বাট নাছিল বুলিলেই হয়। সেই সময়খিনি তেওঁ সম্পূর্ণভাৱে নীববে আছিল। সেই ঠাই এবি অহাব পিচতহে তেওঁ কথা কৈছিল আৰু তেতিয়াও ধ্যানত থকাব দবেই—"সেইটো এটা অতি আচবিত ক্রুশবিদ্ধ যীশুব মূর্তি"—তাবপিচত আকৌ নীববতা। সেই দৃশ্যই মোব মনতো এনে গভীবভাৱে বেখাপাত কবিছিল যে, অকল সেই দৃশ্যটোব বাহিবে ভেটিকান পবিদর্শনব আন একো কথা মোব মনত নাই।

মুছোলিনীৰ লগত দেখা কৰিবলৈ যাওঁতে জেনেৰেল মৰিচো বাপুৰ লগত গৈছিল। আমাৰ নিজৰ দলটোৰপৰা আছিলো মহাদেৱ আৰু মই। আমি নির্দিষ্ট সময়ৰ কেইমিনিটমান আগতে পালোঁগৈ। সেই কাৰণে কাষৰে কোঠা এটাত আমাক অপেক্ষা কৰিবলৈ দিলে। সেই কোঠালীটো আছিল মধ্যযুগীয় এটি অস্ত্রাগাৰ। বাপু এখন আসনত বহিল। তেওঁৰ দুয়োপিনে দুজন ডাকোৱাল। সিহঁতৰ বিৰাট কোটকেটা তেওঁৰ গাত লাগো লাগো হৈ আছিল। ভেটিকানৰ সেই মনোমোহা মূৰ্তিৰ লগত তুলনা কৰাত মই তেতিয়াও মগ্ন হৈ আছিলোঁ। এনেতে এটা ঘণ্টা বাজিল। লগে লগে এজন্ পৰিচাৰকে জাপমাৰি আহি আমাক মুছোলিনীৰ লগত সাক্ষাতৰ কাৰণে আগবঢ়াই নিলে।

দুৱাৰখন মুকলি হোৱাৰ লগে লগে আমি দেখিলোঁ 'বলৰুম'ৰ সমান ডাঙৰ এটা কোঠা। কোঠাটো তেনেই উদং, কেৱল দূৰত বাওঁহাতে চুকলৈ এখন লিখা-পঢ়া কৰা টেবুল। সেই টেবুল সন্মুখত বাখি বহি আছিল মুছোলিনী। বাপু সোমোৱাৰ লগে লগে মুছোলিনীয়ে থিয় হৈ খোলা মজিয়াৰ মাজে মাজে আহি কোঠাটোৰ ঠিক সোঁ মাজত আমাক লগ ধৰিছিলহি। তেওঁ আমাক তেওঁৰ টেবুলৰ কাষলৈ আগবঢ়াই লৈ গ'ল আৰু সন্মুখত থকা চকী দুখনৰ পিনে বাপু আৰু মোক বহিবলৈ ইঙ্গিত দি নিজে আমাৰ বিপৰীতে বহিল। এই ব্যৱস্থাত জেনেৰেল আৰু মহাদেৱ থিয় হৈ থাকিব লগা হ'ল। মোৰ বৰ অসুবিধা লাগিছিল। কিন্তু মুছোলিনীয়ে সেইটো এটা গতানুগতিক কথা হিচাপে লৈছিল। বেচ ভাল ইংৰাজীৰে তেওঁ বাপুক সম্বোধন কৰি ভাৰতবৰ্ষ সম্বন্ধে কেটামান প্ৰশ্ন সুধিছিল। তাৰপিচত বোমত বাপুৱে তেতিয়ালৈকে কি কি চাইছে সুধি, জেনেৰেলৰ পিনে ঘুৰি, বাপুৱে যাতে সকলোবিলাক চাব পাবে তাৰ ব্যৱস্থা কৰিবলৈ ক'লে। মাতৃমঙ্গল আৰু শিশুমঙ্গল কেন্দ্ৰকো বাদ নিদিয়াকৈ বেলিল্লাৰ এটা প্ৰদৰ্শনৰ দিহা কৰিবলৈ ক'লে। বেলিল্লা (Balilla) হৈছে মিলিটাৰী এম্বাৰচাইজ আৰু ড্ৰিল শিক্ষা লোৱা সক সক ল'ৰা। প্ৰায় দহমিনিট-মান সময় যেতিয়া পাব হ'ল তেওঁ নিজৰ আসনৰপৰা এনেভাৱে থিয় হ'ল যেন সাক্ষাৎ-প্ৰসঙ্গ শেষ হৈছে। তেওঁ কোঠাটোৰ সিমূৰে থকা দুৱাৰৰ কাষলৈকে আহি আমাক বিদায় দিলে। জেনেৰেলে পিচত আমাক কৈছিল যে মুছোলিনীৰ কাৰণে ই একেবাৰে অস্বাভাৱিক ব্যৱহাৰ। চকীৰপৰা তেওঁ নুঠে। দেখা কৰোঁতা তেওঁৰ কোঠালৈ সোমালে তেওঁ প্ৰায়ে চকু তুলিয়েই নেচায়।

বোমত থকা বাকী দুদিনব ভ্রমণ তালিকা মাজত অকণো সময় নোহোৱা-কৈ নিকপ্ কপীয়াকৈ বন্ধা আছিল। ব্রিন্দিছি যেতিয়া আমি পালোগৈ, আমি সকলোৱেই আগন্তুক সমুদ্রযাত্রাত বিশ্রাম লবব কাবণে আগ্রহেবে অপেক্ষা কবিছিলো। ডেক এখনত যিমানদূব সম্ভব আমাব কাবণে সুন্দব বন্দবস্ত কবি বখা হৈছিল। আমাব দলটোব কাবণে জাহাজব ডেকব তলত থকা খোলব উপবিভাগটো আগতীয়াকৈ বন্দবস্ত কবি বখা হৈছিল। দ্বিতীয় শ্রেণীব গা ধোৱা ঘববিলাক ব্যবহাব কবিবলৈ আমাক সুবিধা দিছিল। বাপুৱে এইবিলাক উপকৰণ বিলাসিতা বুলি ভাবে বুলি মই সন্দিগ্ধ হৈ আছিলো—আনকি বাপুৱে এইবিলাক সুবিধা অস্বীকাব কবিব পাবে বুলি ভয়ো হৈছিল; কিন্তু তেওঁ নকবিলে। আমাব সৌভাগ্যক আমি ধন্যবাদ জনালোঁ।

একেবাৰে শেহত, মোব মনত আছে, জাহাজখন যেতিয়া সমুদ্রব বুকুলৈ আগবাঢ়ি গ'ল, ইংলণ্ডব সেই বলিষ্ঠ দেহব গুপ্ত পুলিচ দুজনে পাবত থিয় হৈ হাত জোকাবি আমাক বিদায়-সম্ভাষণ জনাইছিল।

যাত্রাটো ভাগ্যক্রমে অতি চমৎকাব আছিল। ভাবতবর্ষ গৈ পোৱাব লগে লগেই এক বিবাট সংগ্রামব সম্মুখীন হ'ব লাগিব বুলি তেওঁ জানি, নতুবা সম্ভবতঃ সেই কাবণেই বাপুৱে জিবণি লব পাবিছিল। যাত্রীসকলব বিশেষ অনুবোধক্রমে আবেলিব প্রার্থনা সভা ওপবব ডেকত নিয়মীয়াকৈ সদায় বহিছিল। বহুতো যাত্রীয়ে তাত যোগ দিছিল। তাব ভিতবত ছাব আকবব ছাইদবীব কথা মোব বিশেষভাৱে মনত আছে। দিনত পঢ়া, লিখা, আৰু সূতাকটাব মাজত প্রায়ে বাপুৱে দীঘল দিয়ে আৰু আধাঘণ্টামান লালকাল দি শোৱে। এইদবে লাহে লাহে লণ্ডনত বাতি যি টোপনি ক্ষতি হৈছিল তাক পূবাবলৈ তেওঁ চেষ্টা কবিছিল।

পোর্টচৈয়দ বন্দব যেতিয়া আমি পালোঁগৈ তেতিয়া তাত এক দুর্বোধ্য চাঞ্চল্য আৰু উত্তেজনা পবিলক্ষিত হৈছিল। ইজিপ্টবাসী বন্ধুসকলে বাপু আৰু তেওঁব দলটোক কেইবোলৈ আৰু তাবপবা সুৱেজলৈকে কাবেবে লৈ গৈ তাত আকৌ জাহাজ ধবাই দিবব কাবণে এলানি কাব লৈ আগবঢ়াই নিবলৈ আছিছিল। বাপুও যাবলৈ সাজু হৈছিল, কিন্তু কর্মচাবীসকলে তেওঁক জানিবলৈ দিলে যে সুৱেজত জাহাজ আৰু নবয়গৈ। সেই কাবণে তেওঁ যদি ইয়াত নামিব খোজে তেন্তে থাকি যাব লাগিব। সেই সিদ্ধান্তত তেওঁ তেনে

এটা কথা ভবাও সম্ভব নাছিল। সেই কাবণে গোটেই পবিকল্পনাটোবেই ব্যর্থ হ'ল। এই কথাত আমিও বব দুখ পাইছিলো আৰু ইজিপ্টবাসীসকলো অত্যন্ত ক্রুদ্ধ হৈ উঠিছিল। কিন্তু সুৱেজ যেতিয়া আমি পালোগৈ, দেখিলোঁ জাহাজ তাত বৈছিল। বাপুক ডাঙব নাও এখনেবে জাহাজত আনি তুলি দিবব কাবণেও যথেষ্ট সময় হ'লহেঁতেন।

ভাবত উপকূলব কাষ চাপি অহাব লগে লগে দমন কার্যব নানা খবব আমি পাবলৈ ধবিলো। বাপু ভাবত আহি পোৱাব আগতেই ববলাটে এই দমন কার্য চলোৱা উচিত বুলি ভাবিছিল। জৱাহবলালক গ্রেপ্তাব কবা হৈছিল। উত্তব পশ্চিম সীমান্ত প্রদেশত গুলীচালনা হৈছিল আৰু তাব লগে লগে খান আব্দুল গফব খানক গ্রেপ্তাব কবা হৈছিল। দেশ এক উত্তপ্ত উত্তেজিত অৱস্থাত আছিল। বাপুব কাবণে আয়োজিত বাজহুৱা অভ্যর্থনাক বাধা দিব পাবিলেই কিজানি গৱর্ণমেণ্টে ভাল পালেহেঁতেন। কিন্তু বাপুক সম্বর্ধনা জনাবব কাবণে একেলগে ওলাই অহা বম্বেব লক্ষকোটি জনতাক বাধা দি বখাটো তেওঁলোকব ক্ষমতাব অতীত আছিল। বাটবিলাকত উত্তেজিত হৈ পগলাব দবে হোৱা জনতাই শাবী পাতি থিয় দিছিল। প্রত্যেক খিবিকীয়েদি আৰু বেলকনিব পবা ল'বা-ছোৱালী আৰু তিবোতা মানুহে ফুল ছটিয়াইছিল আৰু হাত জোকাবি সম্বর্ধনা জনাইছিল। সৰু-সৰু জাতীয় পতাকাবিলাক সকলো ঠাইতে উবিছিল। দীঘল বাটটোব ঠায়ে ঠায়ে তোবণ আৰু পতাকাবে সজাই বখা হৈছিল।

কাক গ্রেপ্তাব কবা যাব, ক'ত লাঠীচার্জ কবা যাব, একোৱেই সম্ভবপব নাছিল। সেইকাবণে গৱর্ণমেণ্ট মনে মনে আছিল। কিন্তু ঘাটত অৱস্থা তেওঁলোকব আয়ত্তত আছিল; তাত তেওঁলোকব বিশ্বাসী বন্ধু আম্বেদকাবক লৈ হবিজনসকলব দ্বাবা ক'লা পতাকাবে এক বিক্ষোভ প্রদর্শনব ব্যৱস্থা কবিছিল। এই প্রদর্শন অতি সামান্য আছিল। কিন্তু ভেদনীতি খটুৱাবব কাবণে গৱর্ণমেণ্ট কেনেকৈ যে প্রস্তুত আছিল ই তাবেই স্পষ্ট নিদর্শন।

মনি-ভৱনব চাতব ওপবত বাপুৱে বাহব পাতিলে। ৱার্কিং কমিটীব যিসকল সদস্য আৰু কংগ্রেছব যিসকল নেতা জেলত নোসোমোৱাকৈ তেতিয়াও বাহিবত আছিল, তেওঁলোক সকলো বাপুব ওচবত গোট খালেহি। ৱার্কিং কমিটীব অধিবেশন একেবাহে চলিবলৈ ধবিলে। কেতিয়াবা কেতিয়াবা বাতি দুই কি তিনি বজালৈকে তেওঁলোকব আলোচনা চলিছিল। বাপুৱে ভাইচবয়বে

সৈতে দেখা কবিবব কাবণে টেলিগ্রাম যোগে অনুবোধ জনাইছিল ; কিন্তু লর্ড উইলিংডনে তাক দৃঢ়ভাবে প্রত্যাখ্যান কবিলে। অবশেষত ডিচেম্বব মাহব ৩১ তাবিখে কংগ্রেছ ৰাকিং কমিটীয়ে এটা প্রস্তাব গ্রহণ কবিলে। সেই প্রস্তাব মতে গান্ধী-আবউইন চুক্তিব সময়ত স্থগিত কবি বখা সত্যাগ্রহ আন্দোলন পুনব চলাবলৈ স্থিব হয়।

আমি জানিছিলো যে বাপুক নিশ্চয় এতিয়া গ্রেপ্তাব কবিব। কিন্তু চাবিদিনলৈ গৱর্ণমেণ্টে একো নকবাকৈ থাকি চাবি জানুৱাবী তাবিখে গ্রেপ্তাব হ'ব বুলি হোৱা উত্তেজনা যেতিয়া কিছু শাম কাটিছিল—পুৱা তিনিবজাত ইংবাজ কমিছনাবজনে গ্রেপ্তাবব পবোৱানাখন তেওঁব হাতত দি কৈছিল, "আপোনাক গ্রেপ্তাব কবাটো মোব কর্তব্য"। সেইদিনা বাপুব মৌনব্রতৰ দিন আছিল। তেওঁ লিখি জনালে যে সাজু হ'বব কাবণে তেওঁক আধাঘণ্টা সময় লাগিব। সেই প্রার্থনা মঞ্জুব হ'ল। লবালবিকৈ মই বাপুব বিছনাখন বান্ধিলোঁ আৰু ৩১ ডিচেম্ববৰপবা প্রতিনিশাই গ্রেপ্তাব হ'ব পাবে বুলি সাজু কবি বখা আন বস্তুবিলাকো লগতে বান্ধি দিলোঁ। বাপুৱে কাগজত দিবব কাবণে জাতিব উদ্দেশ্যে এটা বাণী লবালবিকৈ লিখিলে। তাত তেখেতে কৈছিল :

ঈশ্বৰ অসীম কৰুণা ; সত্য আৰু অহিংসাৰপবা কেতিয়াও বিচলিত নহবা ; কেতিয়াও পৃষ্ঠভঙ্গ নিদিবা আৰু স্বৰাজলাভৰ হকে তোমাৰ জীৱন আৰু সর্বস্ব ত্যাগ কবা।

তাব পিচত আমি সকলো গোল হৈ বহিলো। বাপুব প্রিয় প্রার্থনা-সঙ্গীতটো গোৱা হ'ল। পুলিচকেইজন অলপ দূবতে সতর্কভাবে থিয় দি আছিল। ইয়াব পিচতে বাপু উঠিল। তেখেতব চবণ স্পর্শ কবিবব কাবণে প্রত্যেকেই চাপবিছিল। তাবপিচত পুলিচে চাবিওপিনবপবা আগুবি তেওঁক লৈ গুচি গ'ল।

পিচদিনা বাপুৱে কাম এটাব কথা লিখি মোলৈ এখন চিঠি দিছিল। তেখেতে ডাণ্ডব থার্মচ এটা খুজি পঠাইছিল। "অতি বাতিপুৱাই ওৱার্ডাবসকলব কামব লাঘব কবিবব কাবণে এইটোত গবমপানী বাখি থবলৈ সুবিধা হ'ব।" চেক এখন সম্পর্কে সেই টোকাটোত কিবা অলপ আছিল। "আমাব দুয়োবে ভাল", এইদবে লিখি চিঠিখন শেষ কবিছে। এই কথাবে আমাক জনালে যে বল্লভভাইকো গ্রেপ্তাব কবি তেওঁব লগতে বাখিছে। এই খবব শুনি আমি যথেষ্ট সকাহ পালো। কিয়নো, তেওঁ কিমান যত্ন কবি বাপুব ওপবত নজব

বাখিব আৰু তেওঁৰ দুষ্টালিবে ভৰা বহস্যেৰে কেনেকৈ বাপুক আমোদ দিব, সেই কথা আমি জানো।

সম্প্রতি মই সবৰমতীলৈ উলটি আহিছো। অত্যাচাৰ-উৎপীড়ন চলি থাকিবলৈ ধৰিলে। ৱার্কিং কমিটীক বে-আইনী ঘোষণা কৰা হ'ল আৰু তাৰ সকলো সদস্যকে গ্রেপ্তাৰ কৰা হ'ল। পুলিচৰ উৎপীড়নৰ আৰু বাইজৰ বীৰত্বপূর্ণ আচৰণৰ বাতৰি আহি থাকিবলৈ ধৰিলে। ইতিমধ্যে মহাদেৱ আৰু প্যাৰেলালকো গ্রেপ্তাৰ কৰিলে। গতিকে মোৰ এতিয়া ভাব হ'ল যে গোটেই দেশৰপৰা খৰৰ-খাতিবিলাক পৰিপাটিভাৱে সংগ্রহ কৰি বিদেশত প্রচাৰ কৰা সম্পর্কে নিশ্চয় কিবা এটা কৰিব লাগিব। ৱৰ বেছিৰকমে 'চেঞ্চৰ' কৰা কাৰণে ভাৰতীয় প্রেছৰ জৰিয়তে আচল সত্য প্রচাৰ হোৱাৰ কোনো আশা নাছিল। সেই কাৰণে পুনৰ বম্বেলৈ ঘুৰি যাবলৈ মই মনস্থ কৰিলোঁ। তাত এজন সাহিয়াল বন্ধুৰে মোক আশ্রয় দিবলৈ সাজু হৈছিল। সেইদিনত এনেকৈ আশ্রয় দিয়া সাহৰ কথা আছিল। কিয়নো, ধনী আৰু প্রতিপত্তিশালী মানুহ নহলে (মোৰ বন্ধুজন তেনে মানুহ নাছিল) অবাঞ্ছিত লোকক আশ্রয় দিয়াৰ কাৰণে গ্রেপ্তাৰ হোৱাৰ ভয় আছিল।

মোৰ পিচৰখন চিঠি বাপুলৈ বম্বেৰপৰা লিখিছিলোঁ। এবেশ জানুৱাৰীত লিখা তেখেতৰ উত্তৰ পাই যথেষ্ট আশ্বস্ত হলোঁ :

অৱশ্যে বম্বেলৈ গৈ তুমি ঠিক কামেই কৰিছা। তুমি ক'ত থাকিবা, কি কৰিবা, সেই সকলো তুমি নিজেই বিচাৰ কৰি ঠিক কৰা উচিত।

বম্বেত মই কাম আৰম্ভ কৰা মাত্রকে, মইনো কি কৰিবলৈ চেষ্টা কৰিছো মানুহে বুজি উঠিল আৰু তেতিয়া চাৰিওপিনৰপৰা সহায়-সাৰধি আহিবলৈ ধৰিলে। কিছুমান মানুহ নিজৰ সাধাৰণ পোছাকেৰেই মোৰ ওচৰলৈ আহিছিল। কিন্তু যিসকল গ্রেপ্তাৰ হোৱাৰ ভয় নাছিল, তেওঁলোকে বেলেগ বেলেগ ধৰণে পোছাক কৰি আহিছিল। পর্দাৰ আঁৰৰপৰা ধনী-দুখী সকলোৱেই সাহায্য আগবঢ়াইছিল। টাইপিষ্ট এজনেৰে সৈতে টাইপ ৰাইটাৰ এটা আৰু চাইক্লষ্টাইল এটা মোক দিছিল। যিসকল কংগ্রেছ কর্মী তেতিয়াও জেলৰ বাহিৰত আছিল তেওঁলোকে দেশৰ প্রতিটো কোণলৈকে মানুহ পঠিয়াই প্রকৃত খৰৰবিলাক

সংগ্রহ কবাব এটা সুন্দব ব্যবস্থা কবিছিল। এইদবে নানা খবব আহিবলৈ ল'লে। তাবে কিছুমান প্রকৃত খবব, কিছুমান জোবা দিয়া আৰু কিছুমান গুজব। এই আটাইবিলাকব ভিতববপবা বাছি-বিচাবি, তন্ন-তন্নকৈ পবীক্ষা কবি, অবশেষত যিবিলাক সঁচাকৈয়ে বিশ্বাসযোগ্য বুলি মোব অনুমান হয়, সেইখিনি মাত্র বাছি উলিয়াই এখন 'সাপ্তাহিক প্রতিবেদন' প্রস্তুত কবি ইংলণ্ড, ফ্রান্স আৰু আমেবিকাব বন্ধুসকললৈ পঠাইছিলোঁ। চেঞ্চবব হাতবপবা বক্ষা পাবব কাবণে চিঠিব খামটো টাইপিষ্টজনব হাতত দি প্রধান ডাকঘবলৈ এবোপ্লেনেবে যোৱা ডাকব সময় উকলিবব সময়ত পঠিয়াই দিওঁ। তাত তেওঁ লবালবিকৈ বেলিকৈ দিয়া চিঠিব জবিমনা দি চিঠিব থৈলাটো বান্ধিবব সময়ত খামটো গুজি ভবাই দিয়ে। এই ব্যবস্থা এনে ভালদবে, চলিছিল যে তাক উল্লেখ নকবি নোৱাবি। সকলো এইদবে ঠিকমতে চলি আছিল।

পিছে বেছিদিন এইদবে নৌ হওঁতেই লক্ষ্য কবিলো যে সন্দেহজনক চেহেবাব এজন মানুহ পদুলিমুবত বাগিছাব দেৱালব ওপবত বহি আছে। তেওঁ সেইদবে পিচদিনাও আহি বহিছিলহি, তাব পিচদিনাও। পিচত বুজা গ'ল যে, সেইজন কামত নিযুক্ত থকা এজন চোবাংচোৱা। সেইকাবণে টাইপিষ্টজনে ডাকলৈ ওলোৱা বাটটো, সময় আৰু তেওঁব মোনাটো. এই সকলো সলনি কবিবলৈ ধবিলে। এই সাধাবণ কৌশলটোৱেই সেই এলেহুৱা চোবাংচোৱা-জনক ভুলাবব কাবণে যথেষ্ট আছিল। কাবণ, দেৱালব ওপবত বহি থকাটোৱেই তেওঁব কাম বুলি ভাবিছিল।

বাপুৱে তেওঁব এখন চিঠিত উদ্বেগজনক খবব এটা দিলে। তেওঁ আকৌ খাদ্য সম্বন্ধে পবীক্ষা চলোৱা আবম্ভ কবিছে: "মই সম্প্রতি গাখীবব সলনি বাদামবটা আবম্ভ কবিছো।"

বাপুব গ্রেপ্তাবব লগে লগে আন্দোলনব বেগ আৰু বৃদ্ধি পাইছিল আৰু অত্যাচাব-উৎপীড়নো সেই অনুপাতে চলিছিল। প্রত্যেক ঠাইবেপবা আচবিত আচবিত ঘটনাবিলাকব খবব মোলৈ আহিবলৈ ধবিলে। ব্যাপকভাবে গ্রেপ্তাব, সম্পত্তি নষ্ট, লাঠীচার্জ আৰু মাব-ধব আদিতো আছিলেই। কিন্তু তাব বাহিবেও আন এটা অধিক অন্ধকাব আৰু ঘৃণাজনক দিশো আছিল—পুলিচে অভদ্র ধবণে অপমান কবিছিল আৰু শাস্তি বিহিছিল।

গবিত গাঁৱব মানুহবিলাকক, তেওঁলোকব নিজব ভিবোতাব সমুখত

লাজ আৰু অপমান দিবৰ কাৰণে, ভয়ঙ্কৰ পৈশাচিক উপায়বিলাক তেওঁলোকে ভাবি উলিয়াইছিল। উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ পাঠানসকলেও ইয়াৰপৰা বেহাই পোৱা নাছিল। তেওঁলোকৰ ওপৰত বিৰক্তিজনক অত্যাচাৰ চলোৱা হৈছিল।

এনেধৰণৰ খবৰবিলাক যেতিয়া তলে তলে হলেও চাৰিওপিনে প্ৰচাৰ হ'বলৈ ধৰিলে, ইংলণ্ডত গৱৰ্ণমেণ্ট বৰ বেছি বিৰক্ত হৈ উঠিল। কোনোবাই সঁচাকৈয়ে দুটা নে এটা চক খাবলগীয়া খবৰ কাগজতে যেতিয়া ছপাই দিলে, তেতিয়া ছাৰ ছেমুৱেল হোৰে 'হাউছ অব্ কমন্স'ত খণ্ডেৰে এই বিষয়ে উল্লেখ কৰিছিল। তেওঁ মোৰ নাম কোৱা নাছিল যদিও মোৰ বিপৰ্টৰ কথাই উল্লেখ কৰিছিল। কেদিনমানৰ ভিতৰতে বম্বে ত্যাগ কৰিবলৈ মোৰ ওপৰত নটীচ জাৰি হ'ল। অৱশ্যে মই সেই নটীচমতে বম্বে এৰি নগ'লো আৰু তেতিয়াই মোক গ্ৰেপ্তাৰ কৰা হ'ল।

বিচাৰৰ ভেকো-ভাওনা কৰিবৰ কাৰণে মোকো আদালতলৈ নিলে। আত্মপক্ষ সমৰ্থন কৰা আমাৰ দস্তুৰ নাছিল। তিনিমাহলৈ বিনাশ্ৰম কাৰাদণ্ড বিহিলে 'এ' শ্ৰেণীৰ বন্দী হিচাপে। পুলিচে মোক নি যেতিয়া আৰ্থাৰ ৰোডৰ জেলত জমা দিলেগৈ, জেল কৰ্তৃপক্ষ বিমোৰত পৰিল। মোক লৈ এতিয়া তেওঁলোকে কৰে কি? অসংখ্য মহিলা ৰাজনৈতিক বন্দীৰে মহিলাৰ সাধাৰণ জেল কেতিয়াবাই ভৰি পৰিছিল। ইয়াত 'এ' শ্ৰেণীৰ বন্দীৰ কাৰণে কোনো ব্যৱস্থা নাই, তাৰ উপৰি তেওঁলোকে 'বি' বা 'চি' শ্ৰেণীৰ বন্দীৰ লগত মোক সমূলি থৰ লুথুজিছিল। কিয়নো, তেতিয়াহ'লে বন্দীসকলে মোৰপৰা শেহতীয়া সকলো খবৰেই পাব। 'বি' আৰু 'চি' শ্ৰেণীৰ এই বন্দীসকল এটা ডাঙৰ বেৰাকত একেলগে আছিল। অফিচ কোঠালীৰ কাষৰে সক কোঠা এটাত মোক বহিবলৈ ক'লে। ইফালে জেল চুপাৰিন্‌টেণ্ডেণ্ট, জেইলাৰ আৰু মেট্ৰনৰ মাজত আলোচনা চলিল। শেষত মেট্ৰনে মহিলা ৱাৰ্ডাৰ এগৰাকীৰে সৈতে আহি মোক Debtor's জেললৈ লৈ গৈছিল। তেওঁ মোক ক'লে যে তেওঁলোকে 'এ' শ্ৰেণীৰ বন্দীৰ কাৰণে থকাৰ দৰেই ব্যৱস্থা কৰিব। সম্প্ৰতি মই গৈ সেই ডাঙৰ বেৰাকত অন্যান্য ৰাজনৈতিক বন্দীসকলৰ লগতে থাকিবগৈ লাগিব।

তেতিয়া সন্ধিয়া হৈ আহিছিল আৰু বন্দীবিলাকক ইতিপূৰ্বে তলা মাৰি থোৱা হৈ গৈছিল। বেৰাকটো গুজবাটী আৰু মাৰাঠী ভিৰোতাৰে ভৰি আছিল। তাৰ ভিতৰত বহুতো মোৰ বান্ধবী আৰু বহুতৰ লগত মোৰ চিনাকিও আছিল।

গেটখন বাহিববপবা বন্ধ কবাব আৰু অকলশবীয়া হোৱাব লগে লগে আমি আটায়ে কথা পাতিবলৈ বুলি মাটিত বহিলোঁ। প্রত্যেকটো খববকে, বিশেষকৈ বাপুব সম্পর্কে দিয়া প্রতিটো ক্ষুদ্র ক্ষুদ্র খবব সকলোরে আগ্রহেবে শুনিছিল।

ইয়াত বম্বেব কেইগবাকীমান নেতৃস্থানীয়া মহিলাও আছিল। দবাচলতে সকলোবিলাক বন্দীবেই জীৱন-ধাবণব মান উচ্চ আছিল, অন্ততঃ নিশ্চয় আশ্রমব মানতকৈ উচ্চ আছিল। কিন্তু তেওঁলোকব প্রায় সকলোকে 'চি' শ্রেণীত দিছিল আৰু সকলোৱেই জেলব পোছাক পিন্ধিছিল। তথাপি তেওঁলোকব উচ্চ ধাবণা আৰু অপৰিসীম উদ্যম আছিল। তেওঁলোকব সবহভাগেই পিকেটিং কবা কাবণে গ্রেপ্তাব হৈছিল। সকলো ঠাইতে তিবোতাই নির্ভয়ে অতি উৎসাহেবে পিকেটিং কার্য চলাইছিল। বাপুব আহ্বানত যিদবে ভাবতীয় নাবীসকল আলোড়িত হৈছিল, গৱর্ণমেণ্টে সম্মুখীন হ'বলগীয়া পবিস্থিতিসমূহব ভিতবত ই এটা আটাইতকৈ বিস্ময়জনক আৰু মোব নোপোৱা পবিস্থিতি আছিল।

বেবাকটো পকা চোতাল এখনব ওপবত আছিল। ইয়াব এটা মূবে গা ধোৱা ঘববিলাক আৰু একাষে সৰু সৰু বান্ধনী ঘববিলাক আছিল। এই বান্ধনী ঘববিলাক বন্ধ কবি থৈছিল; কিয়নো, 'বি' আৰু 'চি' শ্রেণীব বন্দীক নিজে বান্ধি খাবলৈ নিদিছিল। তৃতীয়দিনা সেই বান্ধনী ঘববিলাকবে এটা খুলি দি মোক কৈছিল যে, সেইটোকে মোব থকা ঠাই কবি ল'ব লাগিব। লগতে ইয়াকো ক'লে যে মই আন বন্দীসকলব লগত মিসা-মিচা কবিব নালাগে। পিচবটো পবামর্শ অৱশ্যে অদ্ভুত আছিল। কিয়নো, আমি আটায়ে একেখন চোতালকে ব্যৱহাব কবিছিলোঁ। গতিকে কর্তৃপক্ষই মই সেই ডাঙব বেবাকটোলৈ নোযোৱাকৈ থকাতে সন্তুষ্ট হ'বলগীয়াত পবিছিল।

মোব নতুন বাসস্থান আছিল অকণমান এটা কোঠালী। কোঠালীটো ডাঙব চৌকাটোবেই প্রায় সম্পূর্ণ ভবি আছিল। ইয়াবপবা ডাঙব সুবিধা এটা হ'ল এয়ে যে ভিতবত শুবলৈ তাত অকণো ঠাই নাছিল। সেই কাবণে কর্তৃপক্ষই মোক চোতালতে শুবলৈ খুলি বাখিবলৈ সম্মত হৈছিল। সেই কাবণে বাতি মই মুক্ত আকাশব তলত শুব পাবিছিলো। সেই বতবত বাহিবত শুবলৈ পোৱাটো এক আশীর্বাদস্বৰূপ আছিল।

মুকলি আকাশেবে সৈতে এই সম্পর্কই মোক জেলব পকাবেবব মাজত থাকি প্রকৃতিবে সৈতে আন সম্পর্ক ছেদ হোৱাব কষ্ট সহ্য কবাত সহায় কবিছিল।

ক'তো সেউজীয়া ঘাঁহৰ আগ এটিও দেখিবলৈ পোৱা নগৈছিল। দেৱালবিলাকো ইমান ওখ আছিল যে তাৰ ওপৰেদি কোনো গছ-গছনি দেখা নগৈছিল। কেৱল এফালে একেবাৰে চুক এটালৈ নিয়মমতে গৈ তাৰপৰা দেখা সেউজীয়া গছৰ আগটোলৈ চাইছিলোঁগৈ। যেতিয়া বন্ধাকবি বা আন তেনেকুৱা সেউজীয়া ভবি-তৰকাৰী বান্ধিবৰ কাৰণে মোলৈ আনে, মই প্ৰায়ে সেইবিলাকৰ শান্তিদায়ক বঙৰ দৃশ্য নেদেখা হোৱাৰ ভয়ত সেইবিলাক খাবলৈকে টান পাইছিলোঁ।

জেলৰপৰা বাপুলৈ লিখা প্ৰথম চিঠিখনত মই তেখেতৰ লগত কিতাপৰ বিষয়ে আলোচনা কৰিছিলোঁ। কাৰণ, এতিয়াই মোৰ সুবিধা। ভাৰতলৈ আহিবৰেপৰা এই সাতবছৰ পঢ়িবৰ কাৰণে মোৰ একেবাৰে সময় নাছিল। উত্তৰত তেখেতে যি দুখন প্ৰধান কিতাপৰ কথা অনুমোদন কৰি লিখিছিল, সেয়া হ'ল ৰামায়ণ আৰু মহাভাৰত—হিন্দুসকলৰ দুখন মহাকাব্য। লগতে তেখেতে এইটোও জনালে যে, বাদামবটাৰ পৰীক্ষা চলিয়েই আছে।

চিঠি-পত্ৰৰ আদান-প্ৰদানত এতিয়া কিছু প্ৰতিবন্ধকতা জন্মিল। সেই কাৰণে এমাহমান কোনো চিঠি-পত্ৰ নাছিল। অৱশেষত এখন আছিল। তাত বাপুৱে লিখিছিল :

মহাদেৱ এতিয়া আছি আমাৰ লগ লাগিছে। আমি এতিয়া এটা ৰং-ৰহইছেৰে ভৰা দলত পৰিণত হৈছো।

এই খবৰটো পাই মই অতিশয় আনন্দিত হৈছিলোঁ। কাৰণ, মই জানিছিলো যে বাপুৰ কাৰণে মহাদেৱৰ কিমান যে প্ৰয়োজন হ'ব। মহাদেৱেও আনন্দ পাব। কাৰণ মহাদেৱে বাপুৰ বিচ্ছেদ তীব্ৰভাৱে অনুভব কৰিছিল। পঢ়িবৰ কাৰণে আৰু কিছুমান কিতাপৰ নাম অনুমোদন কৰি তেখেতে চিঠিখন সামৰিছিল। তাৰ ভিতৰত আছিল এঘাৰখন প্ৰধান উপনিষদ।

আশ্ৰমৰ শৃঙ্খলা এতিয়া মোৰ বেচ কামত আহিছিল। মই নিয়মীয়া দৈনিক কাৰ্য-তালিকা এখন প্ৰস্তুত কৰি ল'লোঁ। সেই কাৰ্য-তালিকা মই কঠোৰভাৱে অনুসৰণ কৰিছিলোঁ। ইমানখিনি সময় পঢ়াৰ কাৰণে, ইমানখিনি সময় হিন্দীৰ কাৰণে, ইমানখিনি সময় সূতাকটাৰ কাৰণে, ইমানখিনি সময় বন্ধা-বঢ়া, ধোৱা-পখলা আৰু খোৱাৰ কাৰণে আৰু ইমানখিনি সময় চোতালৰ ইযুৰপৰা সিমুৰলৈ খোজকঢ়া, ব্যায়ামৰ কাৰণে।

অলপদিনব পিচতে সমাজবাদী নেত্রী, কমলাদেবী চট্টোপাধ্যায়ক আমাব জেললৈ আনিলে। দেখিবলৈ তেওঁ আছিল সুকুমাব কলাব এখন সুন্দব ছবিব দবে। কিন্তু তেওঁকো বাতি 'বি' শ্রেণীব বন্দীসকলব লগত বাখিছিল আৰু জেলব পোছাক পিন্ধাইছিল। বম্বেব গৱর্ণমেণ্ট মহিলা বাজনৈতিক বন্দী-সকলব শ্রেণীবিভাগ কবাত বিশেষভাবে কঠোব আছিল। তেওঁলোকব বেছিভাগতে জীৱন-ধাবণব মান আছিল উচ্চ আৰু তেওঁলোক যথেষ্ট শিক্ষা-দীক্ষা পোৱা আছিল যদিও, গ্রেপ্তাব কবি কেৱল বা', সবোজিনী দেবী আৰু মোকহে 'এ' শ্রেণীত দিছিল।

কমলাদেবী আৰু মই 'চি' শ্রেণীব বন্দীসকলব সুখ-সুবিধাব কথাত মন দিছিলোঁ। তেওঁলোকব ওজব-আপত্তি কিছুমানব কথা চুপাবিণ্টেণ্ডেণ্টক কৈছিলো। আমাক মনে মনে থাকিবলৈ কৈছিল। কিন্তু আমি থকা নাছিলোঁ। ফলত আমাক Debtor's জেলবপবা আঁতব কবি মহিলাসকলব জেললৈ পঠাইছিল। তাত 'এ' শ্রেণীব বন্দীব কাবণে এটা সক বেবাক আছিল। এইটো বেবাক আৰু 'চি' শ্রেণীব সাধাবণ বন্দীসকলব বেবাকব মাজত এখন উমৈহতীয়া বাবান্দা আছিল।

ইয়াত এজোপা সক গছ আৰু কিছু ফুলো আছিল। কি যে আনন্দব কথা! পিছে ইয়াত কিছু অসুবিধাও আছিল।

খোলা ঠাইখিনি আছিল অতি সঙ্কীর্ণ আৰু ইয়াবে বেছিখিনি অংশ আন এটা বিল্ডিঙবপবা দেখা গৈছিল।

গধূলি হ'লে আমাক আমাব সক বেবাকটোত সুমুৱাই তলা মাবি থয়। আমি মুকলি আকাশব তলত শুবব কাবণে অনুমতি বিচাবিছিলোঁ। কিন্তু আমাক কোৱা হ'ল যে এতিয়া 'এ' শ্রেণীব ব্যবস্থাত ভিতবত শুব পবা ঠাই আছে, সেইদেখি বাহিবত শুবলৈ দিয়া নহব।

পিচদিনা কমলাদেবীয়ে বঙা গোলাপ এপাহ ছিণ্ডি খোপাত পিন্ধিছিল। মেট্রনগবাকী সুন্দব মানুহ। গধূলি আমাক ভিতব সুমুৱাই তলা মাবিবলৈ আহোঁতে তেওঁ হাঁহি মাবি কমলাদেবীক কৈছিল, "আপুনি ফুল নিছিণ্ডিব। এনেকৈ খোপাও নসজাব।" আৰু এটা কথা, আমি আমাব কাপোববিলাক ধুই বাহিবত ব'দত মেলি দিছিলোঁ। আবেলি আকৌ মেট্রনে আহি আমাক সাবধান কবি দি কৈছিল, "আপোনাসকলে কাপোববিলাক বাহিবত সেইদবে

মেলি দি শুকোৱাটো ভাল পোৱা নাই।" আমি উত্তৰ দিলো, "কিন্তু আমি নিশ্চয় পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিব লাগিব আৰু কাপোৰবিলাকো ধোৱাৰ পিচত নিশ্চয় শুকুৱাব লাগিব।" তেতিয়া মেট্ৰনে আমাক বুজাই দিলে: "সেই খিৰিকীকেখনেদি যাতে সেইবিলাক নেদেখি আপোনালোকে তেনে ঠাইত বাহিৰত চুক এটাত মেলি দিব পাৰে।"

"সেইবিলাক কাৰ ঘৰৰ খিৰিকী?"— আমি সুধিছিলোঁ।

"সেইটো চুপাৰিণ্টেণ্ডেণ্টৰ ফ্লেট। তেখেতৰ পৰিবাৰে মহিলা বন্দীসকলৰ ওপৰত চোকা নজৰ ৰাখে।"

পিচৰ কথাষাৰ আমি জানিব খোজাতকৈ ৰেছি, ওপৰঞ্চি খৰৰ আছিল।

আকৌ সদায় বিৰাকিৰি দুৰ্গন্ধই আমাক আমনি দিবলৈ ধৰিলে। ধোৱা এজনৰ কাপোৰ শুকুৱা ঠাই আৰু চহৰৰ জাৰৰ-জোঠৰ আনি দমাই থোৱা ঠাই এডোখৰ ঠিক Debtor's জেলৰ দেৱালৰ ওচৰতে আছিল। ই এটা যথেষ্ট বেয়া কথা আছিল। আমি আছিলো জেলৰ প্ৰধান দেৱালখনৰ একেবাৰে মুখৰ চুক এটাত। সম্মুখত আৰ্থাৰ ৰোড আৰু বাওঁহাতে মিল মজদুৰসকলৰ বাসস্থান। সম্মুখৰ বাটটোৱেদি প্ৰায় সদায়েই মৰা জন্তুবিলাকৰ দুৰ্গন্ধ ওলোৱা মৰাশ-বিলাক গৰুগাড়ীৰে নগৰৰ দাঁতি-কাষৰীয়া ঠাইলৈ পঠাৱৰ কাৰণে নিয়ে। বাওঁহাতে মজদুৰসকলৰ পায়খানাবিলাক। আমাৰ দেৱালৰ ওপৰেদি সেই পায়খানাৰ ভেণ্টিলেটাৰৰ ৰতাহ বলিছিল। সকলোতকৈ বেয়া কথা আছিল এয়ে যে পানীৰ নলাবিলাক ত্ৰুটিপূৰ্ণ আছিল। সেই ঠাইডোখৰৰ অৱস্থিতি অলপ নামনিত। গতিকে যেতিয়াই পানীৰ সোঁত বেছি হয় তেতিয়াই ময়লাৰ গেছ নলাৰে উভতি বয়। প্ৰতিটো বেৰাকৰে পিচফালে জেলৰ নিয়মমতে দুৱাৰ নথকা পায়খানাবিলাক আছিল। সেই কাৰণে বিশেষকৈ ৰাতি যেতিয়া আমাক তলা মাৰি সুমুৱাই থয়, সেই বেয়া গেছবপৰা হাত সাৰিবৰ আমাৰ কোনো উপায় নেথাকে।

তাৰপিচত এই অৱস্থাটোৰ লগতে শেষ কথা হিচাপে যোগ দিব পাৰি "ফিভাৰ হাস্পতালটো।" হাস্পতালটো আৰ্থাৰ ৰোডৰ সিটো পাৰে, আমাৰ ঠিক বিপৰীতে আছিল। হাস্পতালটো আই ওলোৱা ৰোগীৰে ভৰি আছিল। দিনটোত কেৰাৰাৰো তাৰপৰা শৱযাত্ৰা ৰাহিব হৈছিল। হাঁয়ে-বিয়ৈকৈ

কন্দা-কটা কবা আৰু কিবা সুব লগাই গাই যোৱা ধ্বনি দেৱাল ভেদ কবি আমাব কাণত পবিছিলহি।

সি যি কি নহওক, এইবিলাক নিৰুৎসাহ হ'বলগীয়া দিন নাছিল। আমি নিজকে পঢ়া-শুনা, ব্যায়াম আদিত ব্যস্ত বাখিছিলোঁ। পিচলৈ কমলাদেৱীয়ে ব্যয়ামব লগতে স্কিপিং কবাও যোগ দিছিল—অৱশ্যে সেই খিবিকীকেইখনবপবা আঁব কবি। আমি পুৱা-গধূলি প্ৰাৰ্থনা-সঙ্গীত গাইছিলোঁ। তাতো আপত্তি তুলিছিল। যেই হওক, আমি প্ৰাৰ্থনা বন্ধ কবা নাছিলোঁ, কেৱল গাওঁতে সৰু সৰুকৈ গাইছিলোঁ।

এটা ধুনীয়া চকুত লগা মেকুবী আহি আমাব লগ লাগিছিলহি—বিশেষকৈ খাবব পবত। প্ৰথমতে সি বেছ ভাল আচবণ কবিছিল। যি দিওঁ তাকেহে মাত্ৰ খাইছিল। কিন্তু লাহে লাহে সি লক্ষ্য কবিলে যে খোৱাব আগতে কবা প্ৰাৰ্থনাব সময়ত আমি চকু মুদো। সেই সুবিধাতে লাহেকৈ নিজেই পাতবপবা তুলি খাবলৈ আবম্ভ কবিলে। তাব এই স্বভাব দেখি মই অলপকৈ চকু মেলি থাকি তাক লক্ষ্য কবি থাকিবলৈ ল'লো। যদিও সি এনেভাবে বহি থাকিবলৈ ললে যেন কোনো দুষ্টামিব ভাবেই তাব মনত নাই।

কমলাদেৱীক এতিয়া আন ঠাইলৈ বদলি কবিলে। মই অকলশবীয়া হলোঁ। অৱশ্যে সাধাবণ বন্দীবিলাক, যিবিলাকক অপবাধী বোলা হয়, ওচবৰে বেবাকটোত আছিল। এজনী নে দুজনীব হত্যাব অপবাধত আৰু বাকীখিনিব চুবি আৰু বেশ্যাবৃত্তিব অপবাধত জেল হৈছে। এই তিবোতা-বিলাকব সম্পৰ্কে মেট্রনগবাকীবপবা বহুতো কথা জানিছিলো। তেওঁলোকব ভিতবত কিমানজনীয়ে টান দিনত নিয়মমতে জেললৈ আহে আৰু কিমানক মতা মানুহে চৌৰ্যবৃত্তিত লগায়—ইত্যাদি ইত্যাদি। মেট্রনে কোৱা এগবাকী তিবোতাব কথা মোব মনত আছে। সেই তিবোতাজনী এজন মানুহব তিনিজনী তিবোতাব ভিতবব এজনী আছিল। সেই তিনিজনীব ভিতবত এজনীয়ে মানুহটোব পবিচৰ্যা কবিছিল। বাকী দুজনীয়ে এবাব ইজনী এবাব সিজনীকৈ চুব কবি জেলত সোমাইছিল। এই পবিকল্পনাটো দেখাত বটিয়াকৈ চলিছিল।

মোব বেবাকত মই অকলশবীয়াকৈ বেছিদিনলৈ থাকিবলগীয়া নহল। এদিন বাতিপুৱা চুপাবিণ্টেণ্ডেণ্ট সোমাই আহি অলপ উত্তেজিতভাবে কলে, "মিছেছ নাইডু 'এ' শ্ৰেণীব বন্দী হিচাপে অলপতে ইয়ালৈ আহিব"। ই মোব

কাৰণে ভাগ্যৰ কথা আছিল। তেখেতৰ উত্তেজনা দেখি তাৰ লগতে অৱশ্যে ময়ো দুটামান মন্তব্য নকৰাকৈ থাকিব নোৱাৰিলোঁ। "মিছেছ নাইডু এগৰাকী প্ৰকৃত অৰ্থত মহাবাণী। দেশৰ ডাঙৰ ডাঙৰ বজাসকল তেওঁৰ অন্তৰঙ্গ বন্ধু", ইত্যাদি ইত্যাদি।

'এ' শ্ৰেণীৰ বন্দী হিচাপে যে মই সকলোবিলাক সুবিধাৰ অধিকাৰী, সেই সম্পৰ্কে মোৰ কোনো জ্ঞান নাছিল। কিন্তু এতিয়া দেখিবলৈ পালোঁ, 'এ' শ্ৰেণীৰ প্ৰাপ্য সাজ-সৰঞ্জাম সৰোজিনী দেৱীৰ কাৰণে মোৰ বেৰাকলৈ আহিবলৈ ধৰিলে। এখন বিছনা, বুকজ আৰু যণীৰে সৈতে এখন ড্ৰেছিং আইনা, হাত ধোৱা ষ্টেণ্ড, গা ধোৱা টাৱ্ ইত্যাদি, আনকি লগতে পৰ্দাও। মেট্ৰনগৰাকী বিশেষ উত্তেজিত হৈ পৰিছিল। তাৰ পিচদিনা উৎসাহ আৰু হাঁহি-ধেমালিৰে নধৰা হৈ সৰোজিনী দেৱী ওলাললহি। অৱশ্যে তেওঁ বাহিৰত যি দৌৰাদৌৰি আৰু উত্তেজনাৰ মাজেদি চলিব লগা হৈছিল, তাৰ কাৰণে ক্লান্ত হৈ পৰিছিল। তথাপি তেওঁৰ বয়স বা বিষকোপবিলাকে তেওঁক নিৰুৎসাহ কৰিব পৰা নাছিল। সকলোবিলাক শেহতীয়া খবৰ শুনাৰ এইবাৰ মোৰ পাল পৰিল। খবৰো আছিল বহুতো। জেলত কেৱল 'টাইমছ অব্ ইণ্ডিয়া' উইক্‌লিখন দিছিল। তাৰো কেতিয়াবা কেতিয়াবা খবৰ থকা অংশ কাটি ৰাখিছিল। সেইকাৰণে আমি যিকেদিন— তিনি কি চাৰিদিন হ'ব, একেলগে আছিলোঁ, সেই কে'দিনতে সকলোবিলাক ৰাতৰি, গল্প, কাহিনী শুনিবৰ কাৰণে প্ৰয়োজনলৈ চাই যথেষ্ট সময় নাছিল।

তাৰপিচত সৰোজিনী দেৱীক পুণাৰ য়াৰবাদা জেললৈ লৈ গ'ল। মই আকৌ অকলশৰীয়া হ'লোঁ। মেট্ৰনে 'এ' শ্ৰেণীৰ সা-সুবিধাবিলাক ৰাখিবৰ কাৰণে মোক জোৰ কৰিছিল। মই তেখেতক এইদৰে বুজাইছিলোঁ যে আশ্ৰমৰ জীৱন-যাপনৰ মান বহুতখিনি 'চি' শ্ৰেণীৰ বন্দীৰ নিচিনাই। তাৰ উপৰি মোৰ লগত কোনোৰা বন্দী দিলেও তেওঁ নিশ্চয় 'বি' শ্ৰেণীৰ বা 'চি' শ্ৰেণীৰহে হ'ব।

বাপুৱে এখন চিঠিৰপৰা মই জানিলো যে তেওঁৰো মেকুৰী-জাতীয় সঙ্গী কেজনমান গোট খাইছে। আমি আনে যি কৰা ৰিচাৰো, সেই সম্পৰ্কে নিজে কেনেকৈ আৰ্হি দেখুৱাব লাগে, সেই বিষয়ে ক'বলৈ গৈ বাপুৱে তেওঁলোকৰ কথা উল্লেখ কৰিছিল। বাপুৱে লিখিছিল :

নিজ ইচ্ছাৰে বৰণ কৰি লোৱা দাৰিদ্ৰ্যৰ আদৰ্শ অত্যন্ত আকৰ্ষণীয়। আমি এই বিষয়ত আগবাঢ়িছো। কিন্তু মই নিজৰ জীৱনতে ইয়াক সম্পূৰ্ণৰূপে উপলব্ধি কৰিব নোৱাৰাৰ

কাবণে আশ্রযত থকা বাকীসকলব কাবণে এই সম্পর্কে বিশেষ কিবা এটা কবা টান হৈ পবিছে। তেওঁলোকব ইচ্ছা আছে কিন্তু তেওঁলোকব সমুখত সম্পূর্ণতা লাভব দৃষ্টান্ত নাই। আমাব দুটা যবম লগা মেকুবী পোৱালি আছে। যাকে কেতিয়াও সিহঁতক চকুব আঁব নকবে। সিহঁতব নির্বাক মাকব সংস্পর্শবপবাই সিহঁতে পাঠ শিকে। অভ্যাসেই হৈছে কথা।

সম্প্রতি মই ইমানবিলাক কথাত যে এনে বেয়াধবণে অকৃতকার্য হবলৈ ধবিছো। কিন্তু যিটো অবশ্যম্ভাবী তাব কাবণে বেজাব কবি লাভ নাই।

এই চিঠিখনব শেষত বাপুৱে লিখিছিল :

"বোধকবো আমি সোনকালে লগ হ'ম।" ইয়াবপবাই মই বুজিব পবিলো যে জেলবপবা মুকলি হোৱাব লগে লগে মই তেখেতক নিঃসঙ্কোচে দেখা কবিবলৈ যাব পাবিম।

জেলব শেষবফালব দিনখিনিত মোব এনেকুৱা ধাবণা হ'বলৈ ধবিলে যে বাহিবত ক'ববাত কিবা এটা ভুল হৈছে। নির্দিষ্ট কোনো খবব তেনেকৈ ওলোৱা নাছিল। কিন্তু হিন্দু-মুছলমানব মাজত সঙ্ঘর্ষ চলিছিল যেন অনুমান হৈছিল। জেলবপবা ওলোৱাব দিনটো যেতিয়া আহিল মোক উলিয়াই নি চুপাবিণ্টেণ্ডেণ্টব অফিচ পোৱালেগৈ। চুপাবিণ্টেণ্ডেণ্টে ক'লে যে জেল আক মালাবাব হিলব মাজব অঞ্চলত কথা-কাণ্ড ইমান বেয়া হৈছে যে, সাহ কবি কোনোবা ওলাই আহি মোক নিবহি নে নাই সন্দেহ। মালাবাব হিললৈকে মোব যোৱাব কথা আছিল। কিন্তু অতিথি-বৎসল দামোদবদাসে কাব এখন লৈ আহি মোক বেগাবেগিকৈ লৈ গৈ তেওঁব মালাবাব হিলব ঘব পোৱালেগৈ।

ততাতৈয়াকৈ মই আকৌ মোব সেই পুবণি কাম আবম্ভ কবিলোঁ। সঙ্ঘর্ষ জোবেবে চলিছিল। চুবি মবা, লুটপাত কবা আক ঘব-দুৱাব জ্বলোৱাব বাতবি আহিবলৈ ধবিলে। বম্বেত অসৎ চবিত্রব মানুহব এখন বেলেগ জগত আছে বুলি সকলোৱে ভালকৈ জানে। সেই মানুহবিলাকে টকাব কাবণে যিকোনো ধবণব কাম কবিবলৈ প্রস্তুত আছিল। এনে মানুহবিলাকক যে কামত লগোৱা হৈছে সেই বিষয়ে অকণো সন্দেহ নাছিল। কেৱল পুলিচব ব্যৱহাবেই তাব যথেষ্ট প্রমাণ আছিল। কিন্তু এনেবিলাক চক্রান্তয়ো বাইজব মনোবল নষ্ট কবিব পবা নাছিল।

বাপুক দেখা কবিবব কাবণে পোৱা প্রথম সুবিধাটোকে মই গ্রহণ কবিছিলোঁ। দেখা-সাক্ষাতব বাবে যোৱা দ্বিতীয় দলটোব লগত মই যোগ

দিলোঁ। জেল গৈ পোৱাত মোক জনালে যে গৱর্ণমেণ্টৰপৰা এইবুলি নির্দেশ আছে যে বাপুক দেখা কৰিবলৈ মোক অনুমতি দিব নেলাগে। গতিকে বাকী সকল যেতিয়া চুপাৰিণ্টেণ্ডেণ্টৰ অফিচলৈ গ'ল তেতিয়া মই জেলৰ পদূলিতে বহি থাকিব লগা হৈছিল।

বাপুৰপৰা পোৱা পিচৰখন চিঠিত বাপুৱে লিখিছিল যে তেওঁ গৱর্ণমেণ্টক মই দেখা কৰিবলৈ যাব নোৱাৰা সিদ্ধান্ত পুনৰ বিবেচনা কৰিবৰ কাৰণে জনাইছে আৰু তাতে এই ইঙ্গিতো দিয়া হৈছে যে যদি তেওঁলোকে অস্বীকাৰ কৰে তেন্তে বাপুৱে আনকো দেখা কৰা বন্ধ কৰিব। শেষত সেয়ে হৈছিলো।

ইফালে "গাখীৰবিহীন" আহাৰৰ পৰীক্ষা চলিয়েই আছিল। বাপুৱে আখৰোটৰ সলনি চীনাবাদাম ব্যৱহাৰ কৰি আৰু অলপ উন্নতি সাধিব খুজিছিল। কিয়নো, বাদাম আখৰোটতকৈ বহুত সস্তা। কিন্তু তেখেতৰ সঙ্গীসকলে এই কথা সহ্য কৰিব নোৱাৰিছিল। মে' মাহৰ তেৰ তাৰিখে তেখেতে লিখিছিল :

বাদাম গ'ল। বল্লভভাই আৰু মহাদেবে মোক ভয় খুৱালে। ময়ো ভীত হবলৈ নিজক অনুমতি দিলোঁ।

যদিও বাপুৰ ওজন প্রায় একে ৰকমে আছিল, তথাপি তেওঁৰ স্বাস্থ্যৰ ক'ৰবাত কিবা ত্রুটি ঘটিছিল। প্রায় প্রত্যেকখন চিঠিতে তেওঁৰ অসুখৰ বিষয়ে উল্লেখ আছিল। কেতিয়াবা বাওঁ কিলাকুটীত, কেতিয়াবা সোঁহাতত এনে বিষ হৈছিল যে তেওঁ লিখিব বা সুতা কাটিব নোৱাৰা হৈছিল। তেতিয়া তেওঁ বাওঁহাতে লিখা অভ্যাস কৰিবলৈ ধৰিলে। আমিও যাতে তেনে অভ্যাস কৰি সাজু থাকো, তাৰ পৰামর্শ তেওঁ দিছিল।

কিন্তু সকলোৱেই তেওঁৰ এই বিষবিলাকৰ কথালৈ ব্যতিব্যস্ত হৈ পৰিল। সি যি কি নহওক, বাওঁহাতে লিখাটো সোঁহাতৰ ঔষধ নহয়। অৱশেষত জেলসমূহৰ ইন্সপেক্টৰ জেনেৰেল—মেজৰ ভাণ্ডাৰীয়ে 'গাখীৰ বিহীন' আহাৰৰ পৰীক্ষা বন্ধ কৰিবই লাগিব বুলি জোৰ দি কলে। জুনৰ ২২ তাৰিখে বাপুৱে লিখিছিল :

মই হাৰিলো। মই গাখীৰ খাইছো। কটিয়ালাৰ কটিও খাইছো। তাৰ মানে নিমখ খাইছো। মেজৰ ভাণ্ডাৰীয়ে মোৰ স্বাস্থ্যৰ সঙ্কট ঘটিব পৰা কোনো পৰীক্ষা মোক কৰিবলৈ নিদিয়ে।

আর্থাব বোড বন্দীশালত থাকোতে নিমখ নোহোরাকৈ খাব পাবি নে নোৱাবি পবীক্ষা কবিবলৈ মই চেষ্টা কবিছিলো। সেই প্রসঙ্গতে নিমখব কথাটো উঠিছিল। বাপুব হাত আক কিলাকুটীব বিষ নিমখ নেখালে কিজানি ভাল হ'ব বুলি মইও ভাবিছিলোঁ। তেওঁ এনেবিলাক পবীক্ষা চলাবলৈ সদায় প্রস্তুত আছিল। গতিকে তেওঁ গাখীব নোখোৱাব লগতে নিমখ নোখোৱাটোও যোগ কবিছিল।

গাখীবহীন খাদ্যব অন্ত পবিছে বোলা খববটো শুনি আশ্বস্ত হ'লো। বাপুব সাধাৰণ স্বাস্থ্যবো অৱশ্যে উন্নতি হ'বলৈ ধবিলে।

ইতিমধ্যে বাহিবত মোব কামব বেগ দিনক দিনে বৃদ্ধি পাইছিল। অতি সোনকালে মই আকৌ গ্রেপ্তাব হ'ম বা মোক সেই ঠাই এবিবলৈ কোৱা হ'ব। যাব ঘবত মই আলহী আছিলো তেৱোঁ অনাহকতে দণ্ডিত হোৱাব সম্ভাৱনা বব বেছি আছিল। সেই কাবণে বন্ধুসকলে ঠিক কবিলে যে মই বিশেষ ধনী আক প্রতিপত্তি থকা মিল মালিক এজনব তাত গৈ থকাটো ভাল হ'ব। তেওঁব অতিথি থকা ঘবত মিল মালিকজনে মোক থাকিবলৈ দিবলৈ সম্পূর্ণ সাজু আছিল। এনেধবণব লোকব লগত তেওঁব সম্পর্ক আছিল যে গৱর্ণমেণ্টে তেওঁক দিগ্‌দাবী কবাব সম্ভাৱনা কম। সেইমতে মই তেওঁব মালাধাব হিলব আন এটা অংশত অৱস্থিত প্রাসাদোপম ঘব এটালৈ গলোঁগৈ।

জুলাই মাহব প্রথম ভাগলৈকে মই মুক্ত হৈয়েই আছিলোঁ। মই বাজেন্দ্রবাবুক দেখা কবিবলৈ মনস্থ ক'বলোঁ। তেওঁ অসপতে জেলবপবা মুকলি হৈ বিহাবব চাপবা জিলাত থকা তেওঁব নিজব ঘবত আছিলগৈ। যাবব কাবণে বস্তু-বাহানি সামবি-সুতবি লওঁতেই মোক বম্বে ত্যাগ কবিবলৈ কোৱা নটীচ এখন পালোঁ। পুলিচে প্রত্যক্ষভাবে মোব পবিকল্পনা সম্পর্কে একো নেজানিছিল। মোব পবিকল্পনা সলনি নকবিবলৈকে স্থিব কবি প্রেছলৈ এটা মন্তব্য দি যেনেকৈ ব্যৱস্থা কবিছিলো সেইদবেই মই বাওনা হ'লোঁ।

চাপবাত বাজেন্দ্রবাবুক বব বেয়াধবণব মেলেবিয়া বোগত আক্রান্ত হৈ পবি থকা অৱস্থাত পালোঁগৈ। বিহাবব মহবোব দিনে-নিশাই কামত বব ব্যস্ত। সিহঁতবপবা হাত সবাব উপায় নাই। গৈ পোৱাব কিছুসময়ব পিচতে মোক এখন নটীচ দিলে। পিচদিনা পণ্ডিত মালব্য আক অন্যান্য নেতাসকলক দেখা কবিবব কাবণে বেনাবসলৈ মোব যোৱাব কথা আছিলেই। মই বাজেন্দ্রবাবুবে সৈতে

আলোচনা কৰিছিলো। তেখেতে কৈছিল যে সেইদিনা গধূলি মোক গ্ৰেপ্তাৰ কৰাৰ সম্ভাৱনা বিশেষ নাই। কিয়নো, ওচৰে-পাঁজৰে সেইখিনিত ক'তো তিৰোতা মানুহৰ জেল নাই। গতিকে মই সেইৰাতি তাতে থাকিলো। নিশা ঘৰটোৰ বিপৰীতে বাটত পুলিচ বহি আছিল। পিচদিনা পুৱা ষ্টেশ্যনলৈকে তেওঁলোকে মোৰ অনুসৰণ কৰিছিল। মোক লৈ বিশেষ অসুবিধাত পৰিব লগা নহল কাৰণে, তেওঁলোক বোধহয় সুখীয়েই হৈছিল। সেই কাৰণেই মোৰ ওপৰত জাৰী কৰা নটীচৰ সময়তকৈ মই কেৰাঘণ্টাও বেছিকৈ তাত থাকিলো যদিও তেওঁলোকে সেইটো আওকাণ কৰিছিল।

বেনাৰসৰ এজন বিখ্যাত নাগৰিক, পণ্ডিত মালৱ্য আৰু অন্যান্য কংগ্ৰেছ নেতাসকলৰ বন্ধু, শিৱপ্ৰসাদ গুপ্তৰ ঘৰতে মোৰ থকাৰ কথা আছিল। সেইখিনি গৈ পোৱাৰ লগে লগে মোৰ নিজৰে মেলেৰিয়া আৰম্ভ হ'ল। যিমানদূৰ সম্ভৱ মোৰ শুশ্ৰূষা কৰিবৰ কাৰণে গৃহস্থই উদ্বিগ্ন হৈ হাস্পতালৰপৰা নাৰ্ছ এগৰাকী মতাই আনিলে। নাৰ্ছগৰাকীয়ে দুদিন বৰ সুন্দৰকৈ মোৰ সেৱা-শুশ্ৰূষা কৰিলে। তেওঁ বৰ কথকী আছিল। তাৰপিচত হঠাৎ নাৰ্ছ অহা বন্ধ হ'ল। শিৱপ্ৰসাদ বাবুৱে মোক ক'লে যে তেওঁলোকে নাৰ্ছগৰাকীক পুলিচ ষ্টেশ্যনত সোমোৱা দেখিছে। তাইক তেওঁলোকে নিশ্চয় চোৱাংচোৱা-গিৰি কৰাত লগাইছে। সেই কাৰণে তাইৰ কাম বন্ধ কৰা হৈছে। সি যি কি নহওক, মোৰ জ্বৰো এতিয়া ক্ৰমাৎ ভাল হৈ আহিল আৰু সোনকালেই, কেৱল অলপ দুৰ্বলতা থকাৰ বাহিৰে মই সম্পূৰ্ণ সুস্থ হৈ উঠিলোঁ।

ৰাজেন্দ্ৰবাবুৰ দৰে আৰু কেইগৰাকীমান কংগ্ৰেছৰ নেতাই জেলৰপৰা মুক্তি পাইছিল। সেই কাৰণে শিৱপ্ৰসাদ বাবুৰ ঘৰতে কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ মিটিং পাতিবলৈ স্থিৰ কৰা হৈছিল। ই মোৰ কাৰণে সৌভাগ্যৰ কথা হৈছিল। এনে এটা কথা আগতে আশা কৰিবকে পৰা নাছিলোঁ।

মোৰ স্বাস্থ্য ভালহৈ উঠাৰ লগে লগে আহমদাবাদ হৈ মই বম্বেলৈ যাত্ৰা কৰিলোঁ। মোৰ সম্পৰ্কে সম্পূৰ্ণ নিশ্চিন্ত হ'বৰ কাৰণে গৱৰ্ণমেণ্টে মোলৈ আন এটা নিৰ্দেশ দিছিল। সেই নিৰ্দেশমতে বম্বেত কেডিয়াও নোসোমাবলৈ মোক কোৱা হৈছিল। আহমদাবাদৰ বাটেদি খোজকাঢ়ি ওলাওঁতে এজন পুলিচ বিষয়াই মোক এই আদেশ দিছিল।

মই তেওঁলোকক কলোঁ, "যেচ কথা, মই আবেলিৰ ট্ৰেনত বম্বেলৈ যামগৈ।

আপোনালোকো লগতে অহাটো ভাল হ'ব ; কিয়নো, বিচাবব সময়ত দৰ্কাব হ'ব।"

পিচদিনা পুৱা বম্বেব ভিক্টোবিয়া টার্মিনাছ ষ্টেশ্যনত যেতিয়া নামিলো, তাত সাধাবণ পোছাকত থকা দুজন ইংবাজ পুলিচ বিষয়া মোব কাবণে অপেক্ষা কবি আছিল। তেওঁলোকে এনে ভদ্রতা আৰু সতর্কতাবে মোব লগত ব্যৱহাব কবিছিল যে শেঠ আম্বালাল সাবাভাই আৰু তেওঁব জীয়েক মৃদুলা সাবাভায়ে —তেওঁলোকো সেইখন ট্রেনতে আহিছিল, প্লেটফর্মত মোব ওচবলৈ আহি সুধিলে : "হেবা, তোমাক গ্রেপ্তাব কবা নাই ?" বেলব কোঠালীবপবা মোব মাল-পত্র নমোৱাই থকা ভদ্রলোক দুজনলৈ আঙুলিয়াই ক'লো, "হয়, মোক কবিছে।"

টেক্সি এখনত তুলি মোক পুলিচ ষ্টেশ্যনলৈ লৈ গ'ল। তেওঁলোকে মোক লকআপত বখা নাছিল। মোক বেঞ্চ এখনত বহিবলৈ দি আনকি মোব কাবণে চাহ আদিও আনি দিছিল। অলপ বেলিব পিচতে মোক কাছাবীলৈ নিলে আৰু মেজিষ্ট্রেটব সমুখত উপস্থিত কবালেগৈ। তেওঁ কেছটোব সবিশেষ শুনাব পিচত এই বায় দিলে যে আৱশ্যকীয় সাক্ষীব অভাৱত, যিজন বিষয়াই মোব ওপবত নটীচ জাবী কবিছিল, তেওঁ বম্বে আহি নোপোৱালৈকে বিচাব নিশ্চয় বন্ধ বাখিব লাগিব। মই মন্তব্য কবিলোঁ যে মানুহজনক মই মোব লগতে আহিবলৈ কৈছিলো ; লগতে এই কথাও কলো যে যিমানেই যি নহওক, মই দোষ স্বীকাব কবিমেই যেতিয়া এই পুলিচ বিষয়াজনব সাক্ষীব কি প্রয়োজন ? যেই হওক, মেজিষ্ট্রেটে পুলিচ বিষয়াজন লাগিবই বুলি ক'লে আৰু মোব দায়িত্ব লোৱা পুলিচজনক মোক লৈ গৈ বিচাবাধীন বন্দী হিচাপে বাখিবলৈ আদেশ দিলে।

গতিকে মই মোব আর্থাব বোডব পুবণি বাসস্থানলৈ আকৌ উলটি আহিলোঁ। সেইটো তেতিয়া খালী আছিল। বাতিপুৱাবেপবা মোব ঘব বেয়াধবণে পানী লাগিছিল। এতিয়া, ইমানপবলৈ মোব অব বাঢ়িবলৈ ধবিলে। ভালকৈ ভাল হবলৈ দুই কি তিনিদিনমান লাগিছিল। পূবা এসপ্তাহব পিচত মোক আকৌ আদালতলৈ নিছিল। দর্শকেবে আদালত ভবি আছিল আৰু মই তাত মোব বহুতো বন্ধু-বান্ধৱক দেখিবলৈ পাইছিলো। বিচাবব সাধাবণ নিয়ম-কানুন ঠিকমতে পালন কবা হ'ল। যিজন পুলিচে মোক

আহমদাবাদতে নটীচ দিছিল তেৱোঁ নিজৰ কবিবলগীয়াখিনি ঠিকমতে পালন কবিলে। অৱশেষত বিচাবকে 'এ' শ্রেণীৰ বন্দী হিচাপে এবছৰ সাধাৰণ কাৰাদণ্ডৰ ঘোষণা কবিলে। দীঘলীয়া সময়ৰ কাৰণে মই বন্দীশালত সোমালো।

খবৰটো পাই বাপুৱে উনৈশ আগষ্টত মোলৈ লিখিছিল :

তেনেহলে তুমি আকৌ নিজৰ খুপৰীত সোমালা। মই আশাকৰোঁ, তুমি তোমাৰ হেৰোৱা শক্তি-সামৰ্থ্য আকৌ ঘুৰাই পাবা। আন একোৰে কাৰণে উদ্বিগ্ন নহবা। কেৱল সুতা কটা আৰু যিবিলাক অধ্যয়ন সহজে কবিব পাবি সেইবিলাকত মনোনিবেশ কবা। আমি সকলো ভালে আছো। আমাৰ সকলোৰে মৰম জানিবা। ঈশ্বৰ তোমাৰ সহায় হওক।

জেলৰ নিয়ম অনুসৰি মই যদি প্রতি সপ্তাহে বাপুলৈ লিখিবলৈ ইচ্ছা কৰোঁ, তেন্তে আন মানুহৰ লগত দেখা-সাক্ষাৎ বন্ধ কবিব লাগিছিল। মই দেখা-সাক্ষাৎ বন্ধ কবি তাৰ সলনি বাপুৰ লগত চিঠিৰ আদান-প্রদান চলাইছিলোঁ।

এতিয়া ভালকৈ পঢ়া-শুনা কবি অপেক্ষাকৃত শান্তিপূর্ণভাৱে থাকিব পাবিম বুলি মই ভাবিছিলোঁ। বাপুৱে বেদ, উপনিষদ, মহাভাৰত, বামায়ণ আদিৰ বিষয়ে উল্লেখ কবি সাত আগষ্ট তাৰিখে লিখিছিল :

এইখিনি কিতাপে নিশ্চয় তোমাক হিন্দু চিন্তাধাৰা সম্পর্কে জ্ঞান দিব। সি বৰ মূল্যবান কথা হ'ব।.....মই ইয়াৰ লগতে কোৰাণ আৰু আমিৰ আলিৰ 'স্পিৰিট অৱ ইছলাম' পঢ়ি ভাবসাম্য বক্ষা কবিলোঁহেতেন।

শান্ত, সুন্দৰ বি-শ্রেণীৰ বন্দিনী এগবাকীকো মোৰ লগৰীয়া হিচাপে পাইছিলোঁ। তেওঁক সকলোৱে মৰমতে কিযাণ বুলি মাতিছিল। আমি আমাৰ পঢ়া-শুনালৈ ব্যস্ত হৈ পবিছিলোঁ। কিন্তু এমাহ হ'ল কি নহ'ল, এনেতে খবৰ পালোঁ যে বাপুৱে অনশন কবিবলৈ সিদ্ধান্ত কবিছে। বৃটিছ প্রধানমন্ত্রী বামজে মেকডনাল্ডৰ প্রস্তাবিত সাম্প্রদায়িক বাটোৱাৰাৰ লগত যুঁজিবৰ কাৰণে এই অনশন। এই বাটোৱাৰামতে তপশীলভুক্ত সম্প্রদায়ৰ (অস্পৃশ্যসকল) কাৰণে পৃথক নির্বাচকমণ্ডলী মঞ্জুৰ কবা হৈছিল। প্রথমবেপবা বাপুৱে দৃঢ়ভাৱে এই ভেদনীতিৰ বিবোধিতা কবিছিল। তেওঁ ইয়াৰ অশুভ পবিণতিৰ কথা ভালদবে জানিছিল। এই ব্যৱস্থামতে, আইনমতে আৰু স্থায়ীভাৱে হবিজন-সকলক বাকী নির্বাচক মণ্ডলীসমূহবপবা পৃথক কবিব আৰু চক্রান্তকাৰী

ৰাজনীতিজ্ঞসকলৰ, বিশেষকৈ তেনে ৰাজনীতিকসকলৰ, যিসকলে আভ্যন্তৰীণ কাজিয়া-পেচালেৰে জাতীয়তাবাদী ভাৰতক দুৰ্বল কৰিব খোজে, হাথিয়াৰত পৰিণত কৰিব। বাপু এতিয়া জেলত। গতিকে গৱৰ্ণমেণ্টে ভাবিছিল যে সেই সময়তে এই চাল তেওঁলোকে চলাব পাৰে। অৱশ্যে ডঃ আম্বেদকাৰে তেওঁলোকক সমৰ্থন কৰিছিল। এই পটভূমিৰ বিষয়ে জনা থকাত আগন্তুক সংগ্ৰামৰ শেষ সীমা কি হ'ব সেই সম্পৰ্কে আমাৰ কোনো সন্দেহ নাছিল। বাপুৱে লোৱা প্ৰতিজ্ঞাৰ শব্দাৱলীয়েও সন্দেহৰ অলপো অৱকাশ ৰখা নাছিল: "নিমখ আৰু চৌদা দিয়া বা নিদিয়া পানীৰ বাহিৰে আন কোনো প্ৰকাৰৰ খাদ্য গ্ৰহণ নকৰাকৈ মৃত্যু পৰ্যন্ত অনশন।" মই বাপুলৈ লিখিছিলোঁ আৰু ছেপ্তেম্বৰৰ বিশ তাৰিখে তেওঁৰ উত্তৰ আহিছিল:

> মোৰ প্ৰতিজ্ঞা সম্পৰ্কে প্ৰথমখন চিঠি লিখোঁতে মই তোমাৰ আৰু বা'ৰ কথাই ভাবিছিলোঁ। এসময়ত মোৰ মূৰ ঘূৰাই যোৱা যেন লাগিছিল। তোমালোক দুজনীয়ে কেনেকৈ এইবিলাক সহিবা! কিন্তু অন্তৰ্বাণীয়ে কলে—'তুমি যদি ইয়াত নামিব খোজা তেন্তে সকলো ৰকমৰ আসক্তি পৰিত্যাগ কৰিবই লাগিব।' অনশনৰ প্ৰতিজ্ঞা কৰা চিঠিখন পঠিয়ালোঁ। অস্পৃশ্যতাৰ পাপ ধুই নিকা কৰিবৰ কাৰণে কোনো ধৰণৰ কষ্টয়েই ভীষণ নহয়। এই কষ্টত সেইকাৰণে তুমি আনন্দ কৰা আৰু সাহেৰে সৈতে ইয়াক সহ্য কৰা। ই কিমান টান মই বুজোঁ। তথাপি তুমি চেষ্টা কৰি কৰিবলগীয়া কাম আচলতে সেইটোহে। ভাবা আৰু বুজিবলৈ চেষ্টা কৰা যে শেষ দেখা বোলা কথাটোৰ একো অৰ্থ নাই। যি আত্মাক তুমি ভালপোৱা সি সদায় তোমাৰ লগতে আছে। যি শৰীৰৰ মাধ্যমেৰে সেই আত্মাক ভাল পাবলৈ শিকিছিলা সেই ভালপোৱা জীয়াই ৰাখিবৰ কাৰণে শৰীৰটোৰ আৰু কোনো প্ৰয়োজন নাই।

বাহিৰত কি ঘটিছিল আমি ক'ব নোৱাৰিছিলোঁ। কিন্তু বুজিবলৈ টান নাছিল যে এক ক্ষোভ আৰু উদ্বিগ্নতাৰ শিহৰণে জাতিক কঁপাই তুলিছিল। দেশৰ হাজাৰ হাজাৰ লোকে বাপুৱে অনশন আৰম্ভ কৰিবৰ দিনা উপবাসে থাকি প্ৰাৰ্থনা কৰিছিল।

চৰকাৰে বা', সৰোজিনী দেৱী, প্যাৰেলাল আৰু কেজনমানক বাপুক নিতৌ দেখা কৰিবলৈ দিছিল। অৱশ্যে বঙ্গদেশৰপৰা লৰালৰিকৈ ইমান বাট অহা ৰবীন্দ্ৰনাথ ঠাকুৰকো অনুমতি দিছিল। মোৰ সম্বন্ধে তেওঁলোকে

অন্ততঃ এইকণ বিবেচনা দেখুৱাইছিল যে, বাপুয়ে মাজে-সময়ে দিয়া বাণীবিলাক তেওঁলোকে মোলৈ পঠিয়াইছিল।

নিসন্দেহে ক'ব পাৰি, ইমানদিনীয়া গাখীবহীন খাদ্যৰ পৰীক্ষাৰ কাৰণেই তেওঁৰ শৰীৰ অনশনৰ বাবে অনুপযুক্ত আছিল। তাৰ উপৰি ডঃ আম্বেদকাৰ আৰু গোড়া হিন্দু নেতাসকল আৰু অন্যান্য লোকো আহি ঘণ্টাৰ পিচত ঘণ্টা জুৰি তেওঁৰে লৈতে তৰ্ক কৰিবলৈ লৈছিল। ফলত অতি সোনকালে তেওঁৰ শক্তি কমিবলৈ আৰম্ভ কৰিছিল। সাতদিনৰ দিনালৈ ডাক্তৰসকল ত্ৰস্তমান হ'ল। ঠিক সেইদিনাই লণ্ডনৰপৰা চৰকাৰৰ উত্তৰ আহিল, বাপুৰে তেওঁৰ বিৰোধীসকলেৰে সৈতে যিখন চুক্তি বচনা কৰি উলিয়াইছিল, চৰকাৰে তাক গ্ৰহণ কৰিছে। অনশন ভঙ্গ কৰা হ'ল। ছেপ্তেম্বৰ ২৬ তাৰিখে বাপুয়ে টেলিগ্ৰাম কৰিছিল :

"আজি কোনো চিঠি দিয়া নাই। ঈশ্বৰক ধন্যবাদ। অনশন ভঙ্গ হ'ল পাঁচ বাজি পোন্ধৰ মিনিটত, গুৰুদেৱ আৰু অন্যান্য বন্ধুসকলৰ সমুখত।"

এনেকুৱা অভিজ্ঞতা এটাৰ পিচত মন আৰু স্নায়ুমণ্ডলক শান্ত কৰিবৰ কাৰণে কিছু সময় লাগিছিল। তাৰ পিচত আমি আকৌ আমাৰ পঢ়া-শুনাত লাগিলো। সেই সময়ত কিযাণ মুকলি হ'ল নে আন ঠাইলৈ বদলি হ'ল ঠিক মোৰ মনত নাই। সক ব্যাবাকটোত মই আকৌ অকলশৰীয়া হলো।

বাতি অকলশৰীয়াকৈ মোক তলা মাৰি থোৱা এইবাৰেই প্ৰথমবাৰ নাছিল। দুৰ্ভাগ্যক্ৰমে চুপাৰিণ্টেণ্ডেণ্টৰ জেলৰ নিয়ম সম্বন্ধে লিখা কিতাপ এখনৰ নিয়ম এটালৈ হঠাতে মনত পৰিল। তাত ডিবোতা বন্দীক বাতি অকলশৰীয়াকৈ এৰিব নেলাগে বুলি লিখা আছিল। তেওঁ নিজে অহা নাছিল। জেইলাৰক মোক এই কথা জনাবৰ কাৰণে পঠিয়াই দিছিল যে মই এতিয়া অকলশৰীয়া; নিয়ম আছে যে ডিবোতা মানুহক বাতি অকলে তলা মাৰি ৰাখিব নেলাগে। সেইকাৰণে চুপাৰিণ্টেণ্ডেণ্টে আন দুগৰাকী অপৰাধী বন্দীক সেই বাতি মোৰ কোঠালীত শুবলৈ আদেশ দিছে। মই কলোঁ যে ইয়াৰ অকণো আৱশ্যকতা নাই; কিয়নো, জীৱনজুৰি অকলশৰীয়াকৈ থকাত মই অভ্যস্ত। এইদৰে অকলে থাকি মই ভয়তো নকবোৱেই ৰবঁ সেই অকল-শৰীয়া অৱস্থা উপভোগহে কৰোঁ। কিন্তু জেইলাৰজনে ক'লে যে এয়া নিয়ম, আৰু চুপাৰিণ্টেণ্ডেণ্টে এই নিয়ম মানিবই লাগিব বুলি আদেশ দিছে। অৱশ্যা

মই তেওঁক সোঁৱৰাবলৈ চেষ্টা কৰিছিলো যে এইটো ব্যাৰাকতে ইতিপূৰ্বে বহুতো নিৰ্জন ৰাতি মই অকলশৰে কটাইছোঁ।

"কি কৰা যায়, আমি নিয়ম মানিব লাগিব, বুজিছো।" লগতে জেইলাৰ-জনে এই কথাও কৈছিল যে তিৰোতা মানুহ কেতিয়াবা মূৰ্ছা যায় বা মৃগী ৰোগ থাকে।

মই তেখেতক দঢ়াই দঢ়াই কলোঁ যে মূৰ্ছা যোৱা অভ্যাস মোৰ নাই আৰু জীৱনত কেতিয়াও এবাৰলৈকো মই মূৰ্ছা যোৱা নাই। পিচে সকলো বৃথা হ'ল।

"তেন্তে আপোনালোকে কাক মোৰ লগত থবলৈ ঠিক কৰিছে?"—মই সুধিলোঁ।

তেওঁ ওচৰৰে ব্যাৰাকটোত থকা দুগৰাকী তিৰোতাৰ নাম উল্লেখ কৰিলে। মই কলোঁ, "বঢ়িয়া ব্যৱস্থা। আপোনাসকলে তেনেহলে দুগৰাকী হত্যাকাৰীণীৰ লগত মোক তলা মাৰি থবলৈ মনস্থ কৰিছে। পিচে দুজনী কেলেই? এজনীয়েই দেখোন যথেষ্ট হ'ব।" তেওঁ বুজাই কলে, "নিয়মটো হৈছে যে দুগৰাকী হ'ব লাগে। এগৰাকীয়ে যদি আপোনাক আক্ৰমণ কৰে তেন্তে ৰক্ষা কৰিবলৈ আনগৰাকী আছে।"

মই জোৰেৰে হাঁহি কলো, "নিশ্চয়, এজনক মূৰ্ছিত কৰিবৰ কাৰণে এইটোৱেই প্ৰকৃষ্ট উপায়।"

মোৰ লগত থ'ব খোজা দুয়োগৰাকী তিৰোতা যদিও হত্যাৰ অপৰাধত অপৰাধী হিচাপে জেলত সোমাইছে, আচলতে এজনীৰো চৰিত্ৰ তেনে বিপদ-জনক নাছিল। কিন্তু এজনী আছিল ভীষণ অপৰিষ্কাৰ। তাইৰ নতুনকৈ ওপজা কেচুৱাটো হত্যা কৰাৰ কাৰণে তাইক গ্ৰেপ্তাৰ কৰিছিল। তাই তেতিয়াও বিচাৰাধীন বন্দী হিচাপে আছিল। গতিকে জেলৰ সাজ-পোছাক তেতিয়াও তাই পোৱা নাছিল। তাই তেতিয়াও বৰ বেছি ধৰণে তেজৰ দাগ লাগি থকা শাড়ীখনকে—যিখন শাড়ী পিন্ধি থকা অৱস্থাত তাইক ধৰিছিল—পিন্ধি আছিল। মই জেইলাৰক টানকৈ কলোঁ যে তাইক কেতিয়াও মোৰ লগত তলা মাৰি থ'ব নোৱাৰে। পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু শান্ত আনগৰাকী তিৰোতা—যাৰ গিৰিয়েকক হত্যা কৰা অপৰাধত জেল হৈছে—থাকিলেই মোৰ যথেষ্ট হ'ব। জেইলাৰে মোৰ চকু দেখি গণ্ডগোলৰ আশঙ্কা কৰি এই ব্যৱস্থাতে ৰাজী হৈছিল।

মোৰ নতুন সঙ্গীসকলী ত্ৰিশ বছৰমান বয়সৰ গাঁৱৰ ধুনীয়া সৰু ছোৱালী এজনী। মেট্ৰনে যি বৰ্ণনা দিছিল আৰু তাইৰপৰাও যিখিনি শুনিছিলোঁ, তাৰপৰা তাইক মিছাতে শাস্তি দিছে যেন অনুমান হৈছিল। পিচলৈ মই তাইৰ কেছটো পুনৰ বিবেচনা কৰাৰ কাৰণে চেষ্টা কৰিছিলোঁ। অৱশেষত তাইৰ দীঘলীয়া দিন কিছু কমিছিল।

লগালগিকৈ থকা দুটা ব্যাৰাকত বাস কৰা এই তিৰোতাবিলাকৰ দৃশ্য অতি শোচনীয় আছিল। তেওঁলোকৰ পুনৰ সংস্থাপনৰ কোনো চেষ্টা হোৱা যেন নেলাগিছিল। আন অপৰাধত দণ্ডিত হোৱা যিসকল প্ৰায়ে জেলৰ নতুন আলহী, ভিন্ন জগতৰ সম্পৰ্কে যাৰ কোনো জ্ঞান নাই, তেওঁলোকক শাৰীৰিকভাৱে অসুস্থ আৰু মানসিকভাৱে কলুষিত বেঞ্চাসকলৰপৰা পৃথককৈ ৰখাৰ কোনো চেষ্টা নাছিল। মেট্ৰনৰ লগত প্ৰায়ে এই বিষয়ে মই কথা পাতিছিলোঁ। এই বিষয়ে তেৱোঁ যথেষ্ট চিন্তা কৰিছিল যদিও তেওঁৰ কোনো উপায় নাছিল। এই দুই ধৰণৰ বন্দীক পৃথকভাৱে ৰাখিৰ কাৰণে ঠাই নাই। দুয়োটা ব্যাৰাকতে যিমান ঠাই আছে তাতকৈ বেছি মানুহেৰে ব্যাৰাকটো সদায় ভৰি থাকে। মোৰ মনত আছে, আমাৰ সকলোৰে কাৰণে তাত এটাহে পানীৰ কল আছিল। ইয়াতে বন্দীবিলাকে সিহঁতৰ ময়লা কাপোৰ ধুইছিল আৰু তাৰেপৰা খোৱা পানীও নিৰলগীয়া হৈছিল।

আৰ্থাৰ ৰোড জেলত তিৰোতা মানুহৰ কাৰণে কোনো হাস্পতাল নাছিল। মেট্ৰনগৰাকীৰ ই আছিল এক দুঃস্বপ্ন। কাৰণ, বহুতো তিৰোতা গৰ্ভৱতী আছিল। কেচুৱা জন্ম হওঁ হওঁ অৱস্থাত সিহঁতক টেক্সিৰে চিভিল হাস্পতাললৈ ৰৰ বেগাই লৈ যাবলগীয়া হৈছিল। তিৰোতা মানুহবিলাকে সাধাৰণতে ৰিং আৰম্ভ হোৱাৰ বিষয়ে আগতীয়াকৈ তেওঁক নকৈছিল। সেই-কাৰণে এইটো এটা অতি টান কাম আছিল।

এদিনৰ কথা মোৰ বিশেষকৈ মনত আছে। কাষৰ ব্যাৰাকটোত এগৰাকী তিৰোতাই মেট্ৰনে তাইক লৈ যোৱাৰ আগতেই দুটা ৰঁজা সন্তান প্ৰসৱ কৰিলে। জেলৰ ডাক্তৰ আৰু তেওঁৰ সহায়কাৰীজনক মতা হ'ল। তেওঁ যোৱাৰ আগতে কথাটোলৈ কি হৈছে সুধিবলৈ মই ব্যাৰাকটোলৈ সোমাই গৈ চাইছিলোঁ। ঘৰা কেচুৱাহাল পকাৰ ওপৰত পৰি থকা মই দেখিছিলোঁ। মই সুধিলোঁ, "সিহঁত মৃত নেকি?" ডাক্তৰজনে উত্তৰ দিলে, "হয়, তিৰোতা-

গৰাকীয়ে যব বেয়াধবণে চিকিলিছ বোগত ভুগিছে। ডেওঁব কোনো সন্তানেই বোধকযো জীয়াই নেথাকিব।"

মবা কেচুৱাকেইটাবে সেই দুৰ্ভগীয়া ভিবোতাজনীক হাস্পতাললৈ লৈ যাবলৈ মেট্রনক কোৱা হৈছিল। ভেতিয়াই সিহঁতক সামবি-সুতবি লৈ গ'ল। বাকী বন্দীসকলক ভেতিয়া আচবিত ধবণে লেভেবা-পেভেবা হোৱা পকাখন চাফ কবিবলৈ আদেশ দিয়া হৈছিল। ডাক্তব আক অন্যান্যসকল তাব পিচত ওলাই গুচি গ'ল। ভিবোতাবিলাকে ভেওঁলোকব ব্যাবাকব মজিয়াখন ধুবলৈ ধবিলে। কিন্তু মোব অনুমান যে সিহঁতব হাতত কোনো সংক্রামক বোগনাশক ঔষধ নাই। মই ভেওঁলোকক সুধিলো, "সংক্রামক বোগনাশক ঔষধ?" সিহঁতে চিঞবি উঠিল—"আমাব হাতত তেনে কোনো ঔষধ নাই।"

ভাগ্যক্রমে মোব হাতত অলপ কাৰ্বলিক আছিল। তাকে সিহঁতব পানীব বাল্টিবিলাকত ঢালি দিলোঁ। সচাঁকৈয়ে এটা কাঢ়া 'চলিউচন' হ'ল।

ইতিমধ্যে পঢ়া-শুনাত মই মনপুতি লাগিছিলোঁ। উপনিষদ, বামায়ণ আক মহাভাবতব প্রভাব মোব ওপবত গভীবভাবে পবিছিল। এই গ্রন্থসমূহত মই এনেবোব বস্তুব সন্ধান লাভ কবিছিলো, যিবিলাক মোব অন্তবব অন্তবতম প্রদেশবে অংশবিশেষ—বহুতো আগতে পোৱা আক ভেতিয়াই হেকৰাই পেলোৱা কিবা এটাবে অংশ। ইয়াত উত্তব বিচাবি নোপোৱাব দুঃস্বপ্নবিলাক নাই—তাব সলনি আছিল অজ্ঞেয়ব বিবাট জ্যোতিষ্মান প্রকাশ। ইয়াত ধ্যান-ধাবণাব বিভীষিকা নাছিল; আছিল অসীম অনুপ্রেবণাব উৎস। উপনিষদ আক বেদব কোনো কোনো অংশ পঢ়োতে বীথভেনব সঙ্গীতব মই যি সুব শুনিছিলোঁ—তাকেই শুনিছিলোঁ আক মোব অন্তঃকবণ উদ্বেলিত হৈ উঠিছিল, আকৌ শুদ্ধ শান্ত হৈ পবিছিল, যেন ভবিষ্যতব কাবণে অপেক্ষা কবিছে।

বামায়ণত আক মহাভাবতব নল-দময়ন্তীব সাধুত ভিবোতাব স্বামীভক্তিব যি ধাবণা তাক পঢ়ি মই গভীবভাবে অভিভূত হৈছিলোঁ। সদায় মোব এনে এটা ধাবণা আছিল যে বিবাহ এটা অতি পবিত্র বস্তু। সম্পূর্ণৰূপে বিলাই দিয়ায়, স্বামীব সলত একাত্মভাব হৈ নিজক প্রকাশ কবাব আদর্শ মোব অন্তবব

নিস্তৃত কোণত মই পোষণ কৰিছিলোঁ। এতিয়া সীতা আৰু দময়ন্তীৰ মাজত সেই আদৰ্শৰ আচৰিত ছবিখন মই বিচাৰি পালোঁ।

ইয়াৰ পিচত কোৱাণখন পঢ়িছিলোঁ। সেই সম্পৰ্কে যি ধাৰণা হৈছিল তাক বাপুলৈ লিখিছিলোঁ। অক্টোবৰৰ ২৬ তাৰিখে তেখেতে উত্তৰ দিছিল ঃ

কোৱাণত তুমি আৰু বহুতো মণি-মুকুতা বিচাৰি পাবা। তাৰে কিছুমান অতি গভীৰ।

বাপুৱে তেওঁৰ চাৰিঠেঙীয়া সঙ্গীসকলৰ খবৰ দিবলৈ কেতিয়াও নেপাহৰিছিল। ১৯৩২ চনৰ ডিচেম্বৰ মাহৰ ২২ তাৰিখে লিখা এখন চিঠিত তেখেতে লিখিছিল ঃ

আমাৰ মেকুৰীকেইটাই লাজ বা অপমান পাইছে। মাকজনীয়ে চুৰকৈ খোৱা ধৰা পৰিছে। বাতি হলে আমাৰ দলিচা আৰু কাগজ-পত্ৰৰ ওপৰত লেতেৰা কৰি থাকে। বন্নভভায়ে সেই কাৰণে সিহঁতৰ আহাৰৰ যোগান বন্ধ কৰিছে। এইদৰে একেলগে খোৱা বন্ধ হৈছে। আৰু কি কি অধ্যাদেশ বন্নভভায়ে ঘোষণা কৰে মই নেজানো। জঙ্গলী আইনৰ দ্বাৰা শাসনেই হৈছে বৰ্তমান যুগৰ চলিত কথা—আনকি বেচেৰা মেকুৰী পোন্নালিকেইটাৰ কাৰণেও।

ইফালে মন্নো পকৰাবিলাকৰ লগত বৰ সুন্দৰভাৱে সময় কটাইছিলো। পকৰাবিলাকৰ অসাধাৰণ বুদ্ধি আৰু পৰিশ্ৰমৰ ক্ষমতা অধ্যয়ন কৰিবলৈ মই যথেষ্ট সময় আৰু সুযোগ পাইছিলোঁ।

ভালে থাকিবলৈ মই যিমান পাৰো চেষ্টা কৰিছিলো যদিও, দুৰ্গন্ধ আৰু গেছে মোৰ স্বাস্থ্য তলে তলে বেয়া কৰিবলৈ আৰম্ভ কৰিলে। কিছুদিনৰ পিচত বাপুলৈ লিখা চিঠিত এই বিষয়ে উল্লেখ কৰিছিলোঁ। তেখেতে মোক এই বিষয়ে সক-সুৱা সকলো কথা লিখি তেখেতলৈ চিঠি দিবলৈ কৈছিল। মই তাকে কৰিলো। বাপুৱে উত্তৰত লিখিছিল যে য়াৰৱাদা জেললৈ মোক ৰাজহুলি কৰিবৰ কাৰণে আৰু বিশেষজ্ঞৰ দ্বাৰা মোৰ পৰীক্ষাৰ ব্যৱস্থা কৰিবৰ কাৰণে তেওঁ চৰকাৰলৈ অনুৰোধ কৰি লিখিছে।

এই চিঠিখন পাৰৰ কেইদিনমানৰ পিচতে মেট্ৰনে আহি মোক টোপোলা-টাপলি বান্ধিবলৈ ক'লে; কাৰণ, মোক আন ঠাইলৈ পঠিওৱা হ'ব ক'লে পঠিয়াৰ সেইটো তেওঁ নকয়; কাৰণ সেইটো নিয়ম বিৰোধী কথা। মোৰ

হওক, বাপুৰে মোক য়াৰবাদালৈ পঠিয়াবলৈ লিখিছিল আৰু পৰীক্ষা কৰি চিভিল চার্জনজনেও মোক কৈছিল যে তেখেতেও মোক কোনো এখৰ ঠাণ্ডা ঠাইলৈ পঠিয়াবলৈ পৰামৰ্শ দিব। গতিকে মোক পুণালৈকে পঠাব বুলি মই বৰ আশা কৰিছিলোঁ।

আৱশ্যকীয় সকলো বিধি-ব্যৱস্থা পালন কৰাৰ পিচত এজন ইংৰাজ পুলিচ চার্জেণ্টৰ হাতত মোক গতাই দিলে। তেওঁ মোক বিচনা-পত্ৰৰে সৈতে পুলিচৰ ভান এখনত তুলিলে। আমি ওচি গ'লোঁ। বাহিৰলৈ দেখা নগৈছিল। গতিকে কোনটো বাটেদি গৈছো ক'ব পৰা নাছিলোঁ। যেতিয়া বলোগৈ আৰু বাহিৰলৈ ওলাই আছিলোঁ, দেখিলোঁ, আহমদাবাদ লাইনৰ সক ষ্টেচন এটা। আমি বাতিৰ ট্রেইন ধৰিব লাগিব। মোক সবৰমতী জেললৈ বদলি কৰা হ'ল; য়াৰবাদালৈ নহয়।

চার্জেণ্টজনে মোক প্লেটফৰ্মখনৰ একেবাৰে এমূৰে ৰাখিছিল, যাতে কোনেও মোক দেখা নেপায়। ট্রেইন যেতিয়া আছিল, তেওঁ মোক খৰখেদাকৈ আগতে বন্দৰস্ত কৰি থোৱা দ্বিতীয় শ্রেণীৰ কোঠা এটাত তুলি দিলে। নিজেও উঠি দুৱাৰখন বন্ধ কৰি খিৰিকীৰ চিকবিলাক পেলাই দিলে। মোৰ মনত পৰিছিল—সাত বছৰৰ আগতে সেই একেখন ট্রেইনতে একেখন ঠাইলৈকে মোৰা বাতিটোৰ কথা।

এই কথা লাহে লাহে মই বুজি উঠিলোঁ যে চৰকাৰে কেতিয়াও মোক বাপুক দেখা কৰিবলৈতো নিদিয়েই আনকি বাপুৰ ওচৰত থাকিবলৈও অনুমতি নিদিয়ে। গতিকে য়াৰবাদালৈ যাবলৈ নোপোৱাৰ হতাশা, চৰকাৰৰ এই মনোভাৱৰ অৱশ্যম্ভাৱী ফল হিচাপে মই গ্রহণ কৰিছিলোঁ। পিচদিনা বাতি-পুৱা সবৰমতী জেল পালোঁগৈ। সবৰমতী জেলৰ চোতালখন আহল-বহল আৰু চোতালতে কেজোপামান নিম গছ আছিল। তাতো বন্ধৰ দৰেই বা তাতকৈ গৰম কিছু বেছিহে আছিল। তথাপি সুন্দৰ বতাহ বলিছিল কাৰণে বক্ষা পৰিছিলোঁ। তাৰ পিচত যেতিয়া দেখিলো বা' সেই সমুহীয়া বান্ধনী ঘৰৰ দিনৰ সবমিয়াল গন্ধাবেন আৰু আশ্রমৰ বহুতো বাই ভনী তাত আছে—তেতিয়া যে মোৰ কি আনন্দ হৈছিল।

বা' আৰু মইহে কেৱল 'এ' শ্রেণীৰ বন্দী আছিলো। জেল কৰ্তৃপক্ষই সুকীয়া-এটা ব্যাৰাকত আমাৰ দুয়োকো ৰাখিছিল। কিন্তু ৰাজনৈতিক বন্দী-

সকলৰ বাবে আছুতীয়াকৈ কথা চোতালত আমি আন বন্দীসকলৰ লগত অবাধে মিলা-মিচা কৰিব পাৰিছিলোঁ। ফেব্ৰুৱাৰী মাহৰ বাৰ তাৰিখে বাপুৰপৰা মই এখন চিঠি পালোঁ। তাত তেখেতে লিখিছিল ঃ

তোমাৰ লগত বা'ও আছে, সেই কথা আমি বৰ বৰ আনন্দ পাইছো।

বা'কে মোকে বাতি কোঠাৰ ভিতৰত সুমুৱাই তলা মাৰি নেৰাখিছিল, গতিকে বাতি আমি তৰাবহা আকাশৰ তলত শুব পাৰিছিলোঁ।

তিনি মাহো পাৰ হোৱা নাই, এনেতে হঠাৎ এদিন আমালৈ খবৰ আহিল যে বাপুৱে এঁকেশ দিন অনশন কৰিবলৈ সিদ্ধান্ত কৰিছে। তেখেতে বৰ্ণনা কৰা মতে এই অনশনৰ উদ্দেশ্য আছিল "হৰিজনসকলৰ উদ্দেশ্য সিদ্ধিৰ অৰ্থে অধিক মনোযোগ আৰু সতৰ্কতা যাতে বক্ষা হ'ব পাৰে, সেই উদ্দেশ্য মোৰ নিজৰ আৰু লগৰীয়াসকলৰ আত্মশুদ্ধিৰ কাৰণে অন্তৰৰ এক প্ৰাৰ্থনা।" এনেকুৱা আঘাত-বিলাক কিছুদূৰ ধৈৰ্যেৰে সহ্য কৰিবলৈ ক্ৰমে মই শিকিছিলোঁ। নহ'লে সেই এঁকেশ দিনৰ ভাৰটোৱেই অসহ্যজনক হৈ উঠিলহেঁতেন।

চমকাৰে ভাবিছিল যে এই অনশনত বাপুৰ জীৱন বক্ষা নপৰিব। তেওঁলোকে বাপুক মুক্তি দিবলৈ সিদ্ধান্ত কৰিলে। পৰ্ণকুটীলৈ নিয়াত বাপু সম্মত হ'ল। পৰ্ণকুটী হৈছে লেডী থেকাৰছেৰ ঘৰ। এই ধুনীয়া ঘৰটো পুণাৰ আটাইতকৈ ওখ অঞ্চলত অৱস্থিত আছিল। ইয়াৰপৰা দূৰৰ সুন্দৰ দৃশ্য দেখা গৈছিল আৰু যথেষ্ট মুকলি বতাহ পোৱা গৈছিল। ঘৰটো সম্পূৰ্ণ কৰি উঠাৰ আগতেই তেওঁৰ স্বামী ঢুকাইছিল। তেখিয়াবেপৰা বিধবাগৰাকীয়ে তিৰোতাৰ মাজত সামাজিক আৰু কল্যাণমূলক কামত আত্মনিয়োগ কৰিছিল। প্ৰাকৃতিক শান্তি আৰু শোভাৰ বাহিৰেও এই ঠাইখিনিৰ এটা ধাৰ্মিক বাতাবৰণ আছিল। ঘৰটো প্ৰাসাদতুল্য হলেও বাপুৱে ইয়াত থাকি শান্তি পাইছিল।

বাপুৰপৰা নিয়মমতে খা-খবৰ আহি আছিল। বিমানে দিন যাবলৈ ধৰিলে সেই চিঠিবিলাক ক্ৰমাৎ চুটি হৈ আহিবলৈ ধৰিলে। কিন্তু মহাদেৱে সকলো কথা খৰচিমাৰি লিখিছিল। বেচেৰী বা'ই বৰ সাহ কৰি আছিল যদিও, ভীষণভাৱে কষ্ট পাইছিল। সাধাৰণতে তেওঁ বিশেষ পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু পৰিপাটি। কিন্তু এতিয়া একেবাৰে হাড়-ছাল ওলোৱা অৱস্থা। তেওঁৰ চুলি

আউল-বাউল, কাপোৰ-কানিবো কোনো লাগ-বান্ধ নাই। আমি বিমানদূৰ পাবো ভেখেতক সান্ত্বনা দিবলৈ চেষ্টা কবিছিলোঁ। কিন্তু এইবাব যে বাপুৰ জীৱন সঙ্কটাপন্ন, সেইকথা লুকুৱাব পবা নগৈছিল। দয়াপৰবশ হৈ এসপ্তাহৰ ভিতৰতে চৰকাৰে বা'ক মুক্তি দিবলৈ ঠিৰাং কবিলে। খবৰটো শুনা মুহূর্তৰে-পবা বা' এগবাকী সম্পূর্ণ বেলেগ মানুহ হৈ পবিল। ততালিকে ভেওঁ চাফ-চিকুণ হৈ পবিল। আমিও বন্ধা-কোন্ধাত সহায় কবি দিলোঁ। পুণা অভিমুখে যোৱা প্রথমখন ট্রেনতে ভেওঁ গুচি গ'ল।

বাপুয়ে যে মাহৰ চৌধ তাবিখে পঠিওৱা ভেওঁৰ চুটি খবৰটোত লিখিছিল :

এতিয়া তোমাক চাবলৈ বা তোমাক সজদান দিবলৈ বা'ও তোমাৰ ওচৰত নাই। ঈশ্বৰে তোমাক বাৰে বাৰে পৰীক্ষা কবি চাইছে। তেৱেঁই তোমাক শক্তি দিব।

অৱশেষত সেই একৈশ দিন সম্পূর্ণ হ'ল। আমি সকলোৱে ঈশ্বৰক ধন্যবাদ জনালোঁ। কেদিনমানৰ ভিতৰতে বাপুয়ে নিজহাতে ডাঙৰ ডাঙৰকৈ লিখা কিন্তু কঁপা হাতৰ আখৰৰ নহয়, চমু টোকা এটা আছিল :

এইমাত্র মই অনশন ভঙ্গ কবিছোঁ। ইয়াৰ পিচৰ কাম আৰম্ভ হৈছে। তেৱেই উপায় উলিয়াই দিব। (৫-১-৩৩)

ৰঙ্গৰ তুলনাত সৰৰমতী জেলৰ পৰিবেশ সম্পূর্ণ পৃথক আছিল। চুপাৰিণ্টেণ্ডেণ্ট, জেইলাৰ, ডাক্তৰ সকলো ভাৰতীয়। ভেওঁলোকৰ আন্তৰিক সহানুভূতি আছিল। মেট্রনগৰাকীও আছিল এগৰাকী সৰল মুছলমান তিৰোতা। ভেওঁ আমাৰ লগত বিশেষ ভাল ব্যৱহাৰ কবিছিল। আশ্রমৰ বহুতো বাই-ভনী সোমাইছিল আৰু ওলাইছিল। আহমদাবাদৰ মৃদুলা সাৰাভায়ো জেলত সোমাইছিল। ভেওঁলোকৰ সৰহভাগবে শাস্তিৰ কাল দীঘল নাছিল। সেইকাৰণে জেলৰ বাসিন্দাখিনি সদায় দলনি হৈ থকা এটা দল। এই জেলখনৰ এটা বিশেষত্ব হ'ল, ইয়াৰ ক'লা মুখৰ, দীঘল দীঘল নেজৰ,

ডাঙর ডাঙর মটীয়া বরণর হলৌ বান্দরর বিরাট দলটো। প্রত্যেকদিনাই সিহঁতে কিবা নিয় পাবে নেকি চাই জেলর দেরালর ওপরেদি এপাক মারে। মাকবিলাকে পিঠিত বা বুকুত সক ডাঙর পোন্নালিবিলাক বান্ধি লৈ ফুরিছিল। এটা আছিল দলপতি। তার ক'লা মুখখনর চারিওফালে গোলাকার বগা লোমর ডাঙর চক্র এটা আছিল। দীঘল ফুৎসিৎ দাঁত, বৃহৎ বপুরে এইটো এটা ভয়ানক বস্তু আছিল। জেলর প্রত্যেকেই তাক সম্মান করিছিল। মানুহে কোন্না-মেলা করা শুনিছিলোঁ, এবার বোলে এটা মানুহে তার লাঠীডালেরে এই বান্দরটোক খুন্দিয়াইছিল। এই বুঢ়া জীয়টোরে তেতিয়াই তাতে ইয়ার প্রতিশোধ লোন্না নাছিল। সুযোগ বিচারি সি অপেক্ষা করি আছিল। কেদিন-মানর পিচত, অত্যন্তনীয়ভাবে সি সেই মানুহটোর ওপরত জপিয়াই পরি তাক মরাপ্রায় করিছিল। কেতিয়াবা সি আমার চোতালৈকো নামি আহিছিল। সেইদরে নামি অহা দেখিলে সকলোরে তাক বহিবলৈ ডাঙর আসন পারি দিছিল। আমার ব্যারাকটোর বিপরীতে থকা তিরোতা মানুহর সক হাস্পতালটোর সমুখর দুরারমুখর ঠাইকণ সি বিশেষ ভাল পাইছিল। সি সেই দুরারখনেদি অহা-যোরা করা বাটটোর মাজতে আধাঘণ্টা বা তাতকৈ কেতিয়াবা বেছি পরো বহি থাকে। সেইখিনি সময়ত কোনো ভিতরলৈ সোমারও নোরারে বা ওলারও নোরারে। যদি কোনোবা মূর্খই তাক আঁতর হ'বলৈ ইঙ্গিত দিয়ে, তেন্তে তার দীঘল দাঁত-কেইটা উলিয়াই গেঙেরি দি ভয়ঙ্কর আকার ধারণ করে আরু কেরেপ নরুরাকৈ য'তে রহিছিল তাতে দৃঢ়ভারে রহি থাকে। কোনেও আরু দ্বিতীয়বার তেনে ইঙ্গিত নিদিয়ে।

সেই জেলত কেরল হলৌ বান্দরবিলাকেই একমাত্র জীর নাছিল। এবার এটা ঘটনা ঘটিছিল। সেই ঘটনাটো মোর পুঙ্খানুপুঙ্খরূপে মনত আছে। পায়খানার ব্যরস্থা আছিল সাধারণ—সরু টিনর গামলা লগোরা ধরণর। জামাদারণী সদায় আহিছিল। এদিন রাতিপুরা তারে এটা পায়খানালৈ মই মৈছিলোঁ। ঠিক ওলাই আহিরলৈ ধরিছো, এনেতে জামাদারণী এজনীয়ে পাছফালে রাহিবরপরা পায়খানার টিনটো টানিছে। হঠাৎ তাই চিঞর মারি উঠিল—"সাপ। সাপ।" মোর সম্মুখতে, য'ত টিনটো আছিল সেই ঠাইত মের লৈ থকা ক'লা ফেঁটা সাপ এটাই ফণা মেলি মোলৈ চাই আছিল। আমার মাজত ব্যরধান দুফুটতকৈয়ো কমহে আছিল। দুরারখন মেলিরর হ'লে মই

সাপটোলৈ পিঠি দিব লাগিব। দুৱাৰখনৰ শিকলিডালো টানকৈ মৰা আছিল। কিন্তু বক্ষা পৰিষৰ একমাত্ৰ পথ আছিল সেই দুৱাৰখনেই। সেই কাৰণে মই ঘূৰিলৈ জোৰেৰে দুৱাৰখন মেলি যাহিৰ ওলাই চাবিওপিনে চাইছিলোঁ। সাপটোৱে খুটিয়াৰলৈ সাজু হৈ ফণা মেলি লৰচৰ কৰি ডেউিয়াও তাতে আছিল। মই পাছলৈ—নিৰাপদ স্থানলৈ আঁতৰি গ'লোঁ। মেট্রনে কথাটো শুনি তৎক্ষণাৎ অফিচলৈ খৰৰ পঠিয়ালে। চাৰি কি পাঁচজনমান হ'ব, জেলৰ পুলিচৰ দল এটা হাতত দীঘল লাঠী লৈ ওলালহি। বেচেৰা ক'লী কেঁটা সাপটোৰ সেয়ে অন্তিম দশা। জেলত অৱশ্যে কোনেও আশ্রমৰ প্রণালী আশা কৰিব নোৱাৰে।

ভবিষ্যত কার্যসূচী সম্পর্কে বাপুৱে কি ভাবিছিল মই একো জনা নাছিলোঁ। কাৰণ, মোলৈ লিখা চিঠিত তেওঁ সেই বিষয়ে এটা শব্দও লিখিব নোৱাৰিছিল। তেওঁ যদিও মুক্ত, মই কিন্তু বন্দী। সম্পূর্ণ নতুন আৰু অভাৱনীয় এক পৰিস্থিতি। যেই হওক, বাপুৱে যি ধৰণে লিখিছিল তাৰপৰাই অনুমান কৰিব পাৰি যে তেওঁ হৰিজনসকলৰ উন্নতিৰ কাৰণে আচৰিত ধৰণে খাটিছে, আৰু কিবা এটাৰ কাৰণে তেওঁ কাম কৰিছে, সেইটোনো কি আছিল ?

এসপ্তাহ নৌ হওঁতেই জেলতে আমি খৰৰ এটা পালোঁ যে বাপু আহমদাবাদলৈ আহিছে আৰু নতুনকৈ নিৰুপদ্রৱ সত্যাগ্রহ আন্দোলনৰ নমাৰ আগতে সৰবমতী আশ্রম উঠাই দিবলৈ পৰিকল্পনা কৰিছে। এই খৰৰটো আমি কেনেকৈ পাইছিলো মনত নাই। নিশ্চয় কোনোবা এজন নতুন বন্দীয়ে এই খৰৰটো আনিছিল।

আন্দোলন সম্প্রতি কিছু নির্জীৱ হৈ পৰিছিল। বাস্তৱ ক্ষেত্রত সকলো-বিলাক কংগ্রেছৰ নেতা আৰু হাজাৰ হাজাৰ সাধাৰণ কংগ্রেছী লোক জেলত আৱদ্ধ হোৱাৰ কাৰণেই এনে অৱস্থা দেখা দিছিল। আন এটা কাৰণ হ'ল যে চৰকাৰে এটা নতুন কৌশল উদ্ভাৱন কৰিছিল। ব্যাপকভাৱে মাৰ-ধৰ আৰু গ্রেপ্তাৰ কৰাৰ সলনি তেওঁলোকে এতিয়া মাটি-বাৰীকে ধৰি সম্পত্তি বাজেয়াপ্ত কৰিবলৈ ধৰিছিল। আচলতে যিজনে আইন অমান্য কৰিছে তেওঁৰেই অকল নহয়, তেওঁলোকৰ মাক-বাপেক বা ওচৰ সম্বন্ধৰ সকলোৰে সম্পত্তি বাজেয়াপ্ত কৰা হৈছিল। এতিয়া সত্যাগ্রহী হোৱা মানে গোটেই

পবিয়ালটো ধ্বংস কবা। এই কাবণেই বাপুৱে সববমতী আশ্রম তুলি দিবলৈ মনস্থ কবিছিল। খাদী আৰু গ্রামোন্নয়নব কামত লাগি থকা আন বহুতো আশ্রমব দবে সববমতীও চবকাবে বাজেয়াপ্ত কবিব পাবিলেহেঁতেন। কিন্তু তেতিয়ালৈকে তেওঁলোক ভেনে কবাবপবা বিবত আছিল। বাপুৱে অনুভব কবিছিল যে, এনে সময়ত তেওঁব নিজব "পবিয়ালক" তেওঁলোকব আশ্রমব ঘবখন বাখি থাকিবলৈ দিলে, আনে সর্বস্ব ত্যাগ কবিব লাগে বুলি আশা কবা উচিত নহয়।

সববমতী জেল আশ্রমবপবা কথমপি এমাইলমান দূবত অৱস্থিত। মই আমাব চোতালবপবা আশ্রম তুলি দিয়া সময়খিনিত, কাব-ট্রাকব অহা-যোৱা হৰ্ণ বজোৱাব আৰু আন গণ্ডগোল শুনিছিলোঁ। আশ্রমব মেনেজাব নবেনদাস ভাইবে সৈতে দুআষাব কামব কথাবে সাক্ষাৎ বিচাবি মই চবকাবব অনুমতি বিচাবিছিলোঁ। এই অপ্রতিহতভাৱে চলা ধ্বংসকার্যবপবা মই কোনকেইখন কিতাপ আৰু কাগজ-পাতি বাখিব খোজোঁ—সেই কথা তেওঁক বুজাই কবলৈ বিচাবিছিলোঁ। চবকাবে মোব প্রার্থনা মঞ্জুব নকবিলে। ফলত মোব যিখিনি বস্তু আশ্রমত এবি থৈ আহিছিলোঁ—তাব ভিতবত কিছুমান মূল্যবান কিতাপ আৰু বোঁমাবোঁলাব এখন ফটো আছিল, ফটোখনব পাছফালে তেওঁ পবিত্র সঙ্গীত এটাব এফাকি লিখি দিছিল, সেই সকলোখিনি নাইকিয়া হ'ল। ভাগ্যক্রমে লণ্ডনবপবা উভতি আহি যেতিয়া দেখিলোঁ যে, জেললৈ যোৱা আৰু সম্পত্তি বাজেয়াপ্ত কবাটোৱেই প্রচলিত বীতি হৈ পবিছে, তেতিয়া মই বাপুব আৰু বোঁমাবোলাব চিঠিখিনি সামবি-সুতবি আহমদাবাদব অতি নিবাপদ বন্ধু এজনব ঘবত গচ্ছিত বাখিছিলোঁ। তেওঁব ঘব খানাতালাচ হোৱাব কোনো সম্ভাৱনা নাছিল।

আশ্রমখন ভাঙি নিয়াব শব্দবিলাক দুই-তিনিদিনলৈ বতাহত ভাহি আহিছিল। সেই শব্দ শুনাব লগে লগে মোব মনলৈ আহিছিল ইমান বছবব কাহিনী—তাব কাম আৰু বাপুৱে আশ্রমখনত তেওঁব অন্তবব সকলো ভালপোৱা কেনেকৈ ঢালি দিছিল, সেই সকলো কথা। এই ত্যাগব অর্থ এয়ে যে বাপুৱে ইয়াতকৈয়ো কঠিন আৰু কঠিনতব সত্যাগ্রহব পবিকল্পনা কবিছে।

এনেবিলাক ভাবেবে মোব মন আলোড়িত হৈ থকা অৱস্থাতে জেইলাবে আহি মোক দেখা-সাক্ষাতব কাবণে চুপাবিণ্টেণ্ডেণ্টব কোঠালীলৈ লৈ গ'লহি।

দেখা-সাক্ষাৎ কাব লগত? মই মুম্বাই কৈছিলো যে মই কাবো সৈতে দেখা কবিব নোখোজো, কবিলে বাপুবে সৈতে থকা সাপ্তাহিক চিঠিব আদান-প্রদানত বেমেজালি ঘটিব। জেইলাবজনে হাঁহি মাবি কলে, "গান্ধী নিজেই আহিছে।" মোব অন্তব আনন্দত নাচি উঠিল। প্রায় ডেব বছব মই বাপুক দেখা নাই। স্পষ্টহৈ ওলাই আছে যে, তেওঁ যি পবিকল্পনা কবিছে তাব কাবণে তেওঁ, মই এমাহব পিচত মুকলি হৈ ওলোৱাব আগতেই, আকৌ জেললৈ যাব লাগিব। মোব ভাব হৈছিল যে মই যেন অনন্ত কাললৈ বাপুক দেখিবলৈ নেপাম।

বাপুৱে হাঁহি মাবি মোক সম্ভাষণ জনালে। তেখেতব চবণ স্পর্শ কবিবলৈ যেতিয়া মই চাপবিছিলো—তেওঁ মোব পিঠিত থপবিয়াইছিল। অনশনব কাবণে শাবীবিকভাৱে তেখেত ক্ষীণ আৰু দুর্বল হৈছিল যদিও, তেওঁব মন আছিল উদ্দীপ্ত। তেওঁ কিবা এটা বিশেষ অনুপ্রেবণাবে অনুপ্রাণিত হৈ আছিল। কিন্তু, কি সেই অনুপ্রেবণা সেই কথা অৱশ্যে তেওঁ মোক ক'ব পবা নাছিল। মই কেৱল অনুমান কবিব পাবিছিলোঁ যে, আশ্রম ত্যাগ কবি তেওঁব অন্তব পাতল হৈছে আৰু ই এক সক্রিয় আন্দোলনব সূচনা কবিছে।

ঠিক সেই নিশাই বাপু, বা' আৰু ত্রিশজনমান আশ্রমবাসীক গ্রেপ্তাব কবিছিল—তেওঁলোকে পবিকল্পনা কবা মতে সত্যাগ্রহ যাত্রা আবম্ভ কবাত বাধা দিবব কাবণে। বা'ক আমাব কোঠালৈ আনিলে। তেওঁবপবাই আমি জানিলোঁ যে, বাপুও আমাব জেলতে আছে। বাপু জেলব ভিতবত বুলি খববটো জেলব সকলো ঠাইতে প্রচাব হ'লত সাধাবণ উত্তেজনা দেখা গৈছিল। মহাদেৱকো গ্রেপ্তাব কবি বাপুব লগতে বাখিছে বুলি বা'ই কোৱাত মই আশ্বস্ত হৈছিলোঁ। বাপু থাকিলে জেলো বেলেগ বস্তু। কিন্তু সি বেছিদিনলৈ নহয়। তেওঁক অবিলম্বে য়াববাদা জেললৈ বদলি কবিলে।

কিছুদিন কোনো খবব অহা নাছিল। পিচতহে মই জানিলোঁ যে এদিন নে দুদিনব পিচতে চবকাবে বাপুকে মহাদেৱকে মুক্তি দি কাব এখনত তুলি য়াববাদা জেলব এলেকা পবিত্যাগ কবিবলৈ নির্দেশ দিছিল। এইবাব, আৰু এবাব ১৯৩২ চনত বাপুক তেওঁলোকে কোনো নিয়ম ভঙ্গ কবাব আগতেই গ্রেপ্তাব কবিছিল। তেওঁলোকে বাপুক আকৌ অন্তবীণ বন্দী হিচাপে বাখিবলৈ ইচ্ছা কবা নাছিল; বিচাবত দোষী সাব্যস্ত হোৱা বন্দী হিচাপেহে তেওঁক বাখিবলৈ বিচাৰিছিল। এনে কবিলে তেওঁলোকে জেলব নিয়ম সম্পর্কে কঠোব

হ'বলৈ সুবিধা পাব। আশা কৰা মতে বাপুৱে এতিয়া সেই আদেশ অমান্য কৰিলে। গতিকে তেওঁলোকে বিচাৰ কৰি শাস্তি দিবলৈ সুবিধা পালে। বিচাৰ জেলৰ ভিতৰতে হৈছিল। বাপুক এবছৰ সাধাৰণ কাৰাদণ্ড দিয়া হ'ল 'এ' শ্ৰেণীৰ বন্দী হিচাপে। য়াৰবাদা চুক্তিৰ সময়ত, অন্তৰীণ বন্দী হৈ থকা কালতো হৰিজনসকলৰ কাম কৰিবলৈ বাপুক যিবিলাক সা-সুবিধা দিয়া হৈছিল, সেই সকলোবিলাক বন্ধ হ'ল। অৱশ্যে বাপুৱে এইবিলাক সহ্য কৰি থকা নাছিল। যুক্তি-তৰ্কই যেতিয়া কাম নিদিলে, বাপুৱে আমৰণ অনশন কৰিব বুলি ঘোষণা কৰিলে। সৰৱমতী জেলৰপৰা বাপুক মুক্তি দিয়া হৈছিল। ইয়ৰবপৰা আমি জানিব পাৰিলোঁ যে আকৌ এবাৰ অনশন আৰম্ভ হৈছে।

জেলত মোৰ এবছৰ পূৰা হৈছিল। কিন্তু সেই আৰ্থাৰ বোড জেলত মই প্ৰথম সপ্তাহটো বিচাৰাধীন বন্দী হিচাপে আছিলোঁ। তাৰ অৰ্থ হ'ল যে মই জেলত আৰু সাতদিন থাকিব লাগিব। মই চুপাৰিণ্টেণ্ডেণ্টলৈ আবেদন জনালোঁ। কিন্তু তেখেতে কৈছিল যে, নিয়মবিলাক এনেকুৱা যে সম্ভৱতঃ সেই প্ৰথম সপ্তাহটো তেওঁ হিচাপত ধৰিব নোৱাৰিব। খবৰ ওলাইছিল যে বাপুৱে সেইবাৰৰ অনশন সহ্য কৰিব পৰা নাই আৰু ইতিমধ্যেই মানুহে ভয় কৰিবলৈ আৰম্ভ কৰিছে। পিচৰবাৰ পৰিদৰ্শনলৈ আহোঁতে চুপাৰিণ্টেণ্ডেণ্টে মোক আশ্বাস দিছিল যে, বছৰ পূৰ হোৱাৰ কেইঘণ্টামান আগতে মোক মুক্তি দি পুণা ট্ৰেন যাতে ধৰিব পাৰোঁ, তাৰ কাৰণে তেওঁৰ ক্ষমতাৰে যিমানদূৰ সম্ভৱ তেওঁ কৰিব। সেয়ে নহলে সম্পূৰ্ণ এটা দিন মোৰ পলম হ'ব। মই তেখেতক অশেষ ধন্যবাদ জনাইছিলোঁ।

ৰাতি পুৱাল। টোপোলা-টাপলি বান্ধি মই সম্পূৰ্ণ সাজু। সঁচাকৈয়ে কথা দিয়া মতেই চুপাৰিণ্টেণ্ডেণ্টে মোক সোনকালে মুক্তি দিছিল।

লৰালৰিকৈ মই ষ্টেশ্যনমুৰা হ'লো আৰু বম্বেলৈ যোৱা ট্ৰেনখন ধৰিলোঁ। তাৰপৰাই মই পুণালৈ যোৱা ট্ৰেন ধৰিব পাৰিম। বেলৰ তৃতীয় শ্ৰেণীৰ কোঠালীত মই নিজৰ ঠাইত বহিছোগৈহে মাথোন, এনেতে মই লক্ষ্য কৰিলোঁ যে, মোৰ চাৰিওফালে বহি থকা মানুহে সেই অনশনৰ কথাকে পাতিছে। বাপুৰ মৃত্যু হ'ব বুলিয়েই সকলোৱে ভৰা যেন লাগিছিল। সকলোৰে মুখত হতাশা আৰু ক্ষোভৰ চিন। সেই যাত্ৰাটো যেন অন্ত নপৰিবই, তেনেকুৱা লাগিছিল।

অৱশেষত যেতিয়া পুণা পালোঁগৈ পোনে পোনে মই পৰ্ণকুটীলৈ গৈছিলোঁ।

তাত মানুহ উদ্বিগ্ন হৈ থকা পালোঁগৈ। তেওঁলোকে কৈছিল—চার্লি এণ্ড্রুজে তেওঁৰ শক্তিৰে যিমান পাৰে চৰকাৰক সন্মত কৰাবলৈ চেষ্টা কৰিছে। কিন্তু এইবাৰ তেওঁলোকে বাপুৰ মৃত্যু হ'লেও হওক বুলি মন বান্ধিছিল। তেওঁক হাস্পতাললৈ স্থানান্তৰিত কৰা হৈছে। কিন্তু তথাপি বন্দী হিচাপেই ৰাখিছে। ঠিক এনে সময়তে বা' সোমাই আহিল। তেওঁ হাস্পতাললৈ গৈছিল। "বাপুৰ মৰণাপন্ন অৱস্থা। তেওঁ পানী এটোপাও খাবলৈ অস্বীকাৰ কৰিছে। হাস্পতালৰ লণ্ডৰাবিলাকৰ মাজত তেওঁৰ যি সামান্য দুই-এপদ বস্তু আছিল, সেই সকলোখিনিকে বিলাই দিছে। সকলো শেষ হৈ আহিছে।"—বলিয়াৰ দৰে এই কেইআষাৰ কথা কৈ বা' নীৰৱ হৈ পৰিল। যুক্তিযুক্ত কোনো কাৰণ নথকা সত্ত্বেও মোৰ গভীৰ বিশ্বাস আছিল যে এনে সন্ধিক্ষণত ঈশ্বৰে বাপুক কেতিয়াও মৰিবলৈ নিদিয়ে। মই, বা' আৰু আন সকলোকে সেইদৰে কৈছিলো। পিচে তাৰ দ্বাৰা কোনে কি সান্ত্বনা পাব?

সেইদিনা পুৱাও এণ্ড্রুজ আকৌ বিষয়াসকলৰ ওচৰলৈ এই আশাত গৈছিল যে, হয়তো গোটেই দেশৰে প্রতিবাদ আৰু ক্ষোভৰ ফলত শেষ মুহূর্তত কিবা এটা আপোচ হ'বগৈ। আমি বৈ আছিলোঁ—বৈয়েই আছিলোঁ। সকলোৱে অন্তৰেৰে প্রার্থনা কৰি আছিল। এনেতে এটা খবৰ আহিল যে বাপুক মুক্তি দিয়া হৈছে। আনন্দৰ চকুলোৰে ধুৰলি-কুঁৱলী দেখা চকুৰে আমি বাহিৰলৈ ব' লাগি চাই পঠিয়াইছিলোঁ। অলপ বেলিৰ পিচতে আমি বেডক্রছৰ এখুলেঞ্চ এখন অহা দেখিলোঁ। গাড়ীখন ঘূৰি ঘূৰি ওপৰলৈ উঠি আহি সম্মুখৰ দুৱাৰমুখত ৰ'লহি। ড্রাইভাৰৰ কাষতে বহা চার্লি এণ্ড্রুজ আনন্দত উৎফুল্ল হৈ আছিল। তেওঁলোক জাপ মাৰি গাড়ীৰপৰা নামিল। পিচফালৰ দুৱাৰখন খুলি ষ্ট্রেচাৰ এখনত তুলি বাপুক বাহিৰলৈ উলিয়াই আনিলে। তেওঁৰ চকুযোৰ মনৰ বলেৰে উদ্দীপ্ত হৈ তেতিয়াও হাঁহি আছিল। কিন্তু সেই চকুযোৰ আছিল এছাতমান সোমোৱা আৰু শৰীৰৰ অৱস্থাও শুকাই-ক্ষীণাই অৱস্থা নোহোৱা। ষ্ট্রেচাৰেৰে ভিতৰলৈ সুমুৱাই আনোতে তেওঁ হাঁহি আহিছিল আৰু মোক দেখি আনকি তেতিয়াও চৰ্ম্মসাৰ হাতখন মেলি লাহেকৈ থপবিয়াইছিল।

এখুলেঞ্চত তোলাৰ আগতে জেলতে বাপুৱে অলপ কমলা ৰস খাই অনশন ভঙ্গ কৰিছিল। আমি সকলোৱে তেওঁৰ বিচনাৰ চাৰিওপিনে বহি প্রার্থনা কৰিছিলোঁ।

এইবাৰৰ এই বিনাচর্তে মুক্তি লাভ কৰাটো বাপুৰ কাৰণে এনে অভাৱনীয় আছিল যে তেওঁ ভবিষ্যতে জীয়াই থাকিব, এই কথাটোৱে তেওঁক বিবুদ্ধি কৰিছিল। প্ৰেছলৈ দিয়া এটা মন্তব্যত তেখেতে কৈছিল:

ঈশ্বৰৰ বিধান বুজিব নোৱাৰি। দীঘলীয়া বাজহুৱা জীৱনত যদিও মই অতি আচৰিত আৰু নভৱা-নিচিন্তা ঘটনা ঘটা দেখাত আদিবেপৰা অভ্যস্ত, তথাপি মোৰ জীৱনৰ অতি অভাৱনীয় ঘটনাটো এতিয়া ঘটিছে। মোৰ ভাগ্যত আৰু কি আছে? জেলৰপৰা পোৱা এই মুক্তিক মই কিদৰে কামত লগাম? মই নেজানো·····

মন্তব্যটোৰ শেষৰ অংশত বৰ্ণহিন্দুসকললৈ অস্পৃশ্যতা দূৰীকৰণৰ বাবে জনোৱা এক মৰ্মস্পৰ্শী আবেদন আছিল।

মন্তব্যটো মুখেৰে কওঁতেই বাপু ভাগৰি পৰিছিল। কিছুদিনৰ কাৰণে একোকে চিন্তা নকৰাকৈ সম্পূৰ্ণ জিৰণি লৈ থাকিবৰ কাৰণে বাপুক ডাক্তৰে মিনতি কৰিছিল। কিন্তু কেদিনমান নো যাওঁতেই ইয়াৰ পিচৰটো খোজ কি হ'ব চিন্তাত তেওঁৰ মন ব্যস্ত হৈ পৰিছিল।

এবছৰলৈ থকা জেলৰ ম্যাদ শেষ নোহোৱাকৈ অভাৱনীয়ভাৱে তেওঁ এইবাৰ মুক্তি পাইছে। মুক্তি পালেও এবছৰৰ কাৰণে সেই স্বাধীনতা ৰাজনৈতিক কামত নলগাবলৈ চৰকাৰৰ ওচৰত তেওঁ ধৰৰা হৈ আছে, এনে অনুভৱ তেওঁৰ হৈছিল। সেই কাৰণে তেওঁ সেই গোটেইটো বছৰ অস্পৃশ্যতা দূৰীকৰণৰ কাৰণে জোৰেৰে প্ৰচাৰ-কাৰ্য চলাবলৈ সঙ্কল্প কৰিছিল। বাপুৰ স্বাধীনতা সংগ্ৰামত ভাগ্যবিধাতাই যেন এইদৰে বাধা দিছিল আৰু কৈছিল, "নহয়, প্ৰথমতে এইটো কৰিব লাগিব।" ই হ'ল ভিতৰৰ বিপ্লৱ, ইয়াত কৃতকাৰ্যতা লাভ কৰিবই লাগিব। সেয়ে নহলে জাতিয়ে স্থায়ী শক্তি লাভ কৰিব নোৱাৰে।

সেইদেখি বাপুৱে যথেষ্ট শক্তি ঘুৰাই পোৱাৰ লগে লগে সমগ্ৰ ভাৰত ভ্ৰমণ আৰম্ভ কৰিবলৈ আয়োজন কৰিছিল। ডাক্তৰ আৰু আন্যান্যসকলে ধীৰে-সুস্থিৰে আগবাঢ়িবলৈ মিনতি জনাইছিল। কিন্তু দুমাহ পুৰ নো হওঁতেই তেওঁ অস্থিৰ হৈ উঠিল। ভ্ৰমণ আঁচনি প্ৰস্তুত কৰা হ'ল। গোটেই দেশতে কৰ্মীসকলক জনাই দিয়া হ'ল যে বাপুৱে নবেম্বৰ মাহৰ প্ৰথম ভাগতে যাত্ৰা আৰম্ভ কৰিবলৈ মনস্থ কৰিছে। প্ৰথম কিছুদিনৰ কাৰণে আমি ৱাৰ্ধালৈ উভতি আহিলোঁ।

মই এবছৰ জেলত থকা সময়ছোৱাৰ ভিতৰতে পশ্চিমৰপৰা দুগৰাকী নতুন দৰ্শক আহিছিল। তেওঁলোকে এতিয়া আশ্রমত গৈ বাপুক লগ ধৰিলেগৈ। এগৰাকী অত্যন্ত একাগ্রতা থকা জার্মান গায়ক, নাজীসকলে ইহুদীসকলৰ ওপৰত চলোৱা উৎপীড়নত পলাই আহিছিল। তেওঁক ভাৰতীয় ধৰণে বন্ধা-বঢ়া কৰিবলৈ আৰু কাপোৰ ধোৱা শিকাবলৈ বাপুৱে মোক কৈছিল। কিন্তু অত্যন্ত উদ্বিগ্ন হৈ থকা কাৰণেই বোধকৰোঁ তেওঁৰ কাৰণে কামটো বৰ টান আছিল। আনগৰাকী এগৰাকী আমেৰিকান গায়ক। গ্রীকসকলৰ নাচ আৰু কবিতাৰ প্রভাৱ থকা—এওঁ আছিল মোৰ বন্ধা আৰু কাপোৰ ধোৱা বিষয়ৰ ছাত্রী-গৰাকীৰ সম্পূর্ণ বিপৰীত। তেওঁ আগতেই বাপুৰ ওচৰলৈ আহিছিল। সবৰমতী আশ্রম তুলি দিয়াৰ আগতে আৰু ভাঙি নিয়াৰ সময়তো তেওঁ সবৰমতী আশ্রমতে আছিল। সবৰমতী আশ্রম তুলি দিয়াৰ পিচত কিছুদিনৰ কাৰণে তেওঁ ৱার্ধালৈ আহিছিল। গতিকে পাৰিপার্শ্বিকতাৰে সৈতে তেওঁৰ চিনাকি আছিল। তেওঁক সাধাৰণভাৱে চোৱা-চিতা কৰিবলৈ বাপুৱে মোক কৈছিল। এইবাৰ মোৰ কামটো টান হ'ল। কাৰণ, নীলাৰ আছিল চৰাইৰ দৰে নাচি গাই কটোৱা এটা জীৱন। তেৱোঁ একাগ্র আছিল। কিন্তু এই একাগ্রতা আছিল ভাৰৰ আতিশয্যৰ। এদিন পুৱা দেখিলোঁ, তেওঁ যেনেকুৱা চৰাইৰ নিচিনা আছিল—তেনেকৈয়ে সজা এৰি উৰি গুচি গ'ল। পিচত শুনিছিলোঁ যে তেওঁ বৃন্দাবনত আছিলগৈ। তাত কৃষ্ণৰ লীলাকুঞ্জত অকলে অকলে নাচি ফুৰোতে হাৰিৰ কিবা বিহ কাঁইটে ভৰিত বিন্ধিলত মিছনেৰী হাস্পতাল এখনত পৰি আছিল। এই সঙ্কটাৱস্থাৰপৰা তেওঁক উদ্ধাৰ কৰিবৰ কাৰণে বাপুৱে বৰ যত্ন কৰিছিল। কিন্তু মিছনেৰীসকল আৰু বৃটিছ গৱর্ণমেণ্ট যোগ হৈ তেওঁক আমেৰিকালৈ ফিৰাই পঠিয়ালে। এই কথাত বাপুৱে মনোকষ্ট পাইছিল। মোৰ কাৰণে এই কথা সুস্পষ্ট আছিল যে বাপুৱে সেই ছোৱালীজনীৰ অস্থিৰতা সত্ত্বেও সেই উৰণীয়া প্রাণীটোৰ ভিতৰত সেই সময়ত থকা আমাৰ সকলোবিলাকতকৈ কিবা বেছি দেখিছিল।

নবেম্বৰ মাহৰ সাত তাৰিখে কাৰেৰে আমি নাগপুৰ অভিমুখে যাত্রা কৰিলোঁ। ভ্রমণ-সূচীখনৰ প্রথম ঠাই আছিল এই নাগপুৰ। তাৰপৰা আমি ভাৰতৰ একেবাৰে দক্ষিণ সীমালৈকে গৈ তাৰপৰা আকৌ ওপৰলৈ উজাই আহি সেইটো গৰমতে বম্বে পামহি।

আগতে খাদীৰ প্ৰচাৰৰ কাৰণে কৰা ভ্ৰমণবিলাকৰ দৰে কেৱল সোমবাৰৰ বাহিৰে (মৌনব্ৰতৰ দিন) আন বিশ্ৰামৰ দিন নাছিল। মৌনব্ৰতৰ দিনা গোটেই দিনটো বাপুৱে তেওঁৰ সাপ্তাহিক কাগজলৈ লিখি আৰু চিঠি-পত্ৰ চাই কটায়। সকলো ঠাইতে সেই একে জনতা, একে উৎসাহ, উপচি পৰা একেই আদৰ-সাদৰৰ মাজেৰে আমি আগবাঢ়ি যাবলৈ ধৰিলোঁ। ইমানদিন জনতাৰ-পৰা আঁতৰি থকাৰ পিচত ইয়েই এতিয়া বাপুৰ কাৰণে টনিকৰ দৰে হ'ল আৰু ভ্ৰমণৰ অবিৰাম কষ্ট স্বীকাৰ কৰিবলৈ তেওঁক সমৰ্থ কৰি তুলিলে। এই কামত বাপুৰ উৎসাহ আৰু আগ্ৰহ ইমান বৃদ্ধি পাইছিল যে, এতিয়া তেওঁ আনকি নিৰুপদ্ৰৱ সত্যাগ্ৰহ কিছুদিনলৈ বন্ধ ৰাখি সকলোকে তেওঁৰ এই হৰিজন অভিযানত যোগ দিবলৈ আহ্বান জনাইছিল।

বাপুৰ ব্যক্তিগত সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰখাৰ দায়িত্ব আকৌ মোৰ ওপৰত পৰিল। এইবাৰৰ যাত্ৰা এনে সুখময় যাত্ৰা আছিল যে, কেটামান বেলেগ বেলেগ কথাহে মোৰ স্পষ্টকৈ মনত আছে।

আটাইতকৈ ধুনীয়া স্মৃতিটো হৈছে সেই পবিত্ৰ ঘুলিটো- য'ত বাপুৱে স্নান কৰিছিল। ভাৰতবৰ্ষৰ একেবাৰে দক্ষিণ প্ৰান্তত, সমুদ্ৰৰ স্বাভাৱিক শিলাখণ্ডবদ্বাৰা এই পানীভাগ গঠিত হেছিল। সেই ঘুলিটোৰ পানী স্থিৰ আৰু গাঢ় বঙৰ আছিল। শিলকেইটাৰ সিফালৰ পানীভাগ নীলা আৰু সেই নীলা পানীয়ে নীল দিগন্ত চুমি আছে। সেই পানীভাগৰ অ'ত-ত'ত আছিল মাছমৰীয়াসকলৰ বগা পালতৰা সৰু সৰু নাওবিলাক।

মই বহি নীৰবে সেই দৃশ্যৰ ধ্যান কৰিছিলোঁ। সেই ভিতৰৰ আনন্দ অতদিন সুপ্ত হৈ আছিল, সেয়ে মোৰ ভিতৰত আকৌ আলোড়িত হৈ উঠিছিল। ই মৰুস্থানৰ নিচিনা আছিল, মোৰ ভিতৰৰ তৃষ্ণাৰ্ত কিবা এটাই যেন তাতে পিয়াহ পলুৱাইছিল। কিন্তু সি কেৱল এক মুহূর্তৰ কাৰণেহে। তাৰ পিচত সেই অহা-যোৱা আকৌ আৰম্ভ হ'ল আৰু আমিও শুচি আহিলোঁ।

বাপুৰ অস্পৃশ্যতাৰ বিৰুদ্ধে অবিশ্ৰান্ত আক্ৰমণৰ লাহে লাহে ফল ধৰিবলৈ আৰম্ভ কৰিলে আৰু ধৰ্মোন্মত্ত গোড়া হিন্দুসকল সন্ত্ৰস্ত হৈ উঠিল। সেই জাগৰণৰ চোক প্ৰতিৰোধ কৰিবৰ কাৰণে তেওঁলোকে বহুতো কৌশল খটুৱাইছিল। তাৰে ভিতৰত এটা হ'ল হালধীয়া কাপোৰ পিন্ধা সাধুৰ দল এটা সংগঠন কৰি বাপু য'লৈকে যায় তালৈকে গৈ তেওঁৰ মিটিঙত গণ্ডগোল সৃষ্টি

কবিবলৈ চেষ্টা কবা। উবিষ্যাব এডোখব ঠাইত আমাব কাবখন লাহীধাবী কিছুমান মানুহে আক্রমণ কবিছিল। বাপুব ভ্রমণ-আঁচনি প্রস্তুত কবাসকলে বব বেয়া পাইছিল। তেওঁলোকে ভাবিছিল, বাপুব যাত্রা অধিকতব সুবক্ষিত হোৱা উচিত। কিন্তু বাপুব মনে সুকীয়া ধবণে কাম কবিছিল। বাপুৱে ক'লে যে যদি বিক্ষোভ প্রদর্শনকাবীসকলব প্রণালী এনেকুৱাবিলাকেই হয় তেন্তে আমি গাড়ীত উঠি কোবেবে গুচি যোৱা উচিত নহয়। গাড়ীবপবা নামি খোজ কাঢ়ি যাব লাগিব আক যদি তেওঁলোকে ইচ্ছা কবে তেন্তে তেওঁলোকব লাঠীব আঘাত শিবপাতি ল'ব লাগিব।

"মহাত্মাজী আপুনি সেইটো কবিব নোৱাবে।"—সংগঠকসকলব ভিতবত যিজনব গাত বাপুব নিবাপত্তাব ভাব আছিল তেওঁ সেইদবে চিঞবি উঠিল। তেওঁ পুনব ক'লে, "এই বিক্ষোভ প্রদর্শনকাবীসকল সাংঘাতিক মানুহ। তেওঁলোকে যিকোনো কাম কবিব পাবে।"

কিন্তু বাপুব মন এই ভাবেবে উথলি উঠিল। উবিষ্যা ভ্রমণব বাকী অংশ খোজকাটি শেষ কবিবলৈ তেওঁ নেবানেপেৰাকৈ লাগিল। ইয়াব অর্থ হ'ল যে গোটেই আঁচনিখন আকৌ ঠিক কবিব লগা হ'ল। পুৰীমুৱা হৈ আমি আছিলোঁৱেই। ঠিক কবা হ'ল যে পুৰীতে আমাব সম্মিলন আদি পাতি দুই-তিনিদিনমান বৈ আঁচনিখন পুনবায় প্রস্তুত কবা হ'ব। গোটা হিন্দুসকলব য'ত ঘাটি, জগন্নাথ মন্দিব য'ত প্রতিষ্ঠিত, সেই চহবপবা বাপুৱে তেওঁব সক্ষ দলটোবে সৈতে পদব্রজে যাত্রা আবম্ভ কবিলে।

বাপুৱে যিদবে ভাবিছিল, ঠিক সেয়ে হ'ল। কোনেও আমাক আক্রমণ নকবিলে। একমাত্র বাধা হৈছিল এয়ে যে, আমি যিবিলাক গাঁওব মাজেদি পাব হৈছিলোঁ, সেইবিলাকত উৎসাহী কৃষক বাইজ দল বান্ধি জমা হৈছিল, বা পথাবত য'ত তেওঁলোকে কাম কবি আছিল তাবপবা লবি লবি আলিব দাঁতিলৈ আহিছিল। বাপুৱে সদায় বিশ্বাস কবিছিল যে খোজকাঢ়ি ফুবাই হৈছে দেশভ্রমণব প্রকৃষ্ট উপায়। এই অভিজ্ঞতাই তেওঁক অসীম আনন্দ দান কবিছিল।

কিন্তু ডাঙব মিটিংবিলাকলৈ সাধুসকল তেওঁলোকব নেতা লালনাথবে সৈতে প্রায়ে আহিছিল। এটা ঘটনা মোব বিশেষকৈ মনত আছে। ডাঙব নদী এখনব বালিত মিটিংখন পতা হৈছিল। কাঠেবে মঞ্চ এখনো সজা

হৈছিল আৰু আমি গৈ পোৱাৰ পূৰ্বেই তাত দৰ্শকসকল গোটখাই বৈ আছিল। স্বেচ্ছাসেৱকসকলে ভিৰৰ মাজেদি বাপু আৰু আমাৰ কাৰণে বাট এটা কৰি দিছিল। আমি গৈ মঞ্চত উঠিলোঁগৈ। বাপুৱে তেওঁৰ বক্তব্য আৰম্ভ কৰিব খুজিছে মাথোন, এনেতে আমি দেখিলোঁ, স্বামী লালনাথ আৰু তেওঁৰ সাধুৰ দলটোৱে হাতত পতাকা লৈ চিঞৰি চিঞৰি বালিৰ মাজেদি আহিব লাগিছে। জনতাৰ মাজত থং আৰু বিক্ষোভৰ গুণগুণনি শুনা গ'ল। ৰৰ বেছি বেয়ালৈ নগ'লেও হতাহতি এখন লাগিব যেন দেখা গ'ল। বাপু তৎক্ষণাৎ থিয় হ'ল আৰু স্বামী লালনাথক মঞ্চলৈ আহিবলৈ বাট এৰি দি উত্তেজিত জনতাক ৰহিবলৈ সঙ্কেত দিলে। বাইজে বাপুৰ কথা মানি বহাৰপৰা উঠা নাছিল; কিন্তু খঙত ভোৰভোৱোৱা শুনা গৈছিল। স্বামী যেতিয়া আহি মঞ্চৰ কাষ পালেহি, বাপুৱে মিঠাকৈ হাঁহি মাৰি স্বামীক তেওঁৰ কাষত ৰহিবলৈ মাতিলে। তাৰ পিচত দৰ্শকবৃন্দৰ ফাললৈ চাই ক'লে যে অস্পৃশ্যতা সম্পৰ্কে স্বামী লালনাথৰ অভিমত বেলেগ। তেৱেঁই প্ৰথমে বক্তৃতা দিব আৰু তেওঁৰ কথা ধৈর্য ধৰি শুনা উচিত। ইতিমধ্যে স্বামীৰ সকলো দম্ভ অহঙ্কাৰ নাইকিয়া হৈ পৰিছিল। তেওঁ আশা কৰি আহিছিল গণ্ডগোল হ'ব বুলি। সি যি কি নহওক, এতিয়া যে একো ভয় খোৱা নাই, এনেকুৱা দেখুৱাই চমুকৈ হৰিজন আন্দোলনৰ বিপক্ষে এটা বক্তৃতা দিছিল। মানুহে তেওঁৰ বক্তৃতা অলপো ভাল পোৱা নাছিল। তাৰ পিচত তেওঁ ৰহিল আৰু বাপুৱে ক'বলৈ আৰম্ভ কৰিলে। দৰ্শকসকলে মন দি তেওঁৰ কথা শুনিলে আৰু উচ্চস্বৰে সমৰ্থন জনালে। এবাৰ স্বামী লালনাথে বাপু সভাস্থল এৰি যোৱাৰ পিচত কিছু গণ্ডগোল কৰিছিল। ফলত সাধুসকলে ঢকা ভুকু কিছু খাব লগা হ'ল। তেওঁলোকে তেতিয়া তেওঁলোকৰ ক্ষতস্থানবিলাক—কিছুমানৰপৰা তেজ বৈয়েই আছিল, বাপুৰ ভক্তসকলে কেনে হিংসাৰ পথ লৈছে তাকে দেখুৱাবলৈ বাপুৰ ওচৰলৈ আহিছিল। বাপুৱে বেগুজ আনিবলৈ ক'লে। সাধুসকলক তেতিয়াই তেওঁৰ আগতে পৰিচর্যা কৰোৱা হৈছিল।

এতিয়া জুন মাহ পালেহি। সেমেকা গৰম তীব্ৰ হৈ উঠিছিল। বৰ্ষা ঋতুৰ সময় হৈছিল। কিন্তু আমি প্ৰতিদিনে যাত্ৰা কৰিয়েই আছো—কৰিয়েই আছো। আমি সাধাৰণতে বেলি ওলোৱাৰ পূৰ্বেই ৰাওনা হৈ যাওঁ আৰু দুপৰ হ'লে আমনি বাৰীৰ ছাঁত জুৱাওগৈ। ৰওঁতে প্ৰত্যেকবাৰেই গাঁৱৰ মানুহে

পাচিয়ে পাচিয়ে আম আৰু ডাব নাৰিকল আনি দিছিল। অবিলম্বে ডাব নাৰিকল এমুৰে কটাৰ শব্দ শুনা গৈছিল। তেওঁলোকে আমাক কৈছিল যে ডাবৰ পানী গিলাচত ঢালিব নেলাগে। ডাবটোৰে দাঙি ধৰি মুখত বাকী খালেহে নিশ্চয় তাৰ গোন্ধ আৰু মজা পোৱা যায়। এইদৰে খাবলৈ অলপ অভ্যাস কৰিবলগীয়া হৈছিল। অৱশ্যে বাপুকো ধৰি আমি সকলোৱে এই কৌশলটো আয়ত্ত কৰিছিলোঁ। বাৰিষা আৰম্ভ হোৱাৰ ঠিক আগে আগে আমি এই পদযাত্ৰাৰ আঁচনি কোনোৰকমে সম্পূর্ণ কৰি উঠিছিলোঁ। তাৰ পিচত আমি বম্বেলৈ গলোঁগৈ। উত্তৰ ভাৰত ভ্ৰমণৰ বাকী অংশ আমি এতিয়া কাৰেৰে বা ট্ৰেনেৰে বেগেৰে কৰিব লাগিব। কাৰণ, বাৰিষা হ'বৰ হ'ল।

পশ্চিমত বাপু আৰু তেওঁৰ উদ্দেশ্য সম্বন্ধে মিছা প্ৰচাৰ অপ্ৰতিহতভাবে চলি আছিল। ইংলণ্ডলৈ গৈ মজদুৰসকলৰ লগত সম্বন্ধ স্থাপন কৰাৰ প্ৰয়োজনীয়তা মই অনুভৱ কৰিছিলোঁ। বাপুৰ ওচৰলৈ গৈ এই বিষয়ে মই যেতিয়া কলোঁগৈ, তেওঁ ততালিকে সম্মতি দিলে। ঘূৰণীয়া মেজমেললৈ যাওঁতে কৰোৱা কানি-কাপোৰ সকলো ঠিক হৈয়েই আছিল। গাঁতকে আন একোকে কিনিব লগা নহ'ল। পাছপ'টৰ যোগাৰো সোনকালেই হ'ল। ঠিক পিচৰখন পি. এণ্ড ও ষ্টীমাৰত দ্বিতীয় শ্ৰেণীৰ বাৰ্থ এটা লোৱা হ'ল। লণ্ডনত মোৰ আৱশ্যকীয় খৰচৰ বাবে বাপুৱে শেঠ আম্বালাল সাৰাভাইক কৈছিল। তেওঁ তেতিয়াই লণ্ডনত থকা এজেণ্টলৈ মোক তাত যিমান টকাৰ আৱশ্যক হয়, সেই সকলো টকা দিবলৈ লিখিলে। বাপুৰ আগত কথাটো উলিওৱাৰপৰা পাঁচ দিনৰ ভিতৰতে ইউৰোপ অভিমুখে যোৱা জাহাজত উঠিলোঁ।

দুই এদিনৰ ভিতৰতে বেতাঁৰ-বাৰ্তা আহিছিল যে হিন্দু সম্প্ৰদায়ৰ ধৰ্মান্ধ কিছুমান লোকে পুণাত বাপু যোৱা কাৰখনলৈ এটা বোমা দলিয়াবলৈ চেষ্টা কৰিছিল। কিন্তু বোমাটো আন এখন গাড়ীত গৈ লাগিল আৰু সাতজন মানুহ আহত হ'ল।

এই খবৰ শুনি মই বিশেষভাৱে উপলব্ধি কৰিলোঁ যে বাপুৰ জীৱন এতিয়া বিপদাপন্ন হৈ পৰিছে। কেৱল ঈশ্বৰেহে তেওঁক ৰক্ষা কৰিব পাৰে আৰু ৰক্ষা কৰিবও।

মাৰ্ছেলিছত নামি মই পোনে পোনে ভিলেনিউভলৈ— যোঁমা বোলাঁ আৰু তেওঁৰ ভনীয়েকৰ ওচৰলৈ গৈছিলোঁ। আচল মইজনী হবলৈ মোৰ যি ইচ্ছা আছিল, বাস্তৱিকতে মই তেনেজনী হোৱাও নাছিলোঁ, এই অনুভূতিটোৱে মোক আকৌ ১৯৩১ চনৰ নিচিনাকৈ ভাৰাক্ৰান্ত কৰি পেলাইছিল। বোধহয় তেতিয়াতকৈ কিছু বেছি পৰিমাণেহে, কিয়নো, এইবাৰ এই বিষয়ে যেন মই বেছি সজাগ আছিলোঁ। সেই কাৰণে সেই সুখৰ দিনবিলাকো কিছু বিষাদময় আছিল।

লণ্ডন যেতিয়া পালোঁগৈ বাপুৰ সমৰ্থক ইংৰাজ বন্ধুসকলে মোৰ এই হঠাৎ উপস্থিতিত কিছু উৎকণ্ঠিত হৈছিল। কিয়নো, দেখাদেখিকৈয়ে মই কি কম বা কৰিম আৰু বৃটিছ চৰকাৰৰ প্ৰতিক্ৰিয়া কি হ'ব সেই সম্পৰ্কে তেওঁলোক সন্দিহান আছিল। মই তেওঁলোকক ঠাৱঁৰকৈ ক'লো যে বাপুৱে মোক সকলো উপদেশ দি পঠিয়াইছে আৰু মোৰ প্ৰথম কাম হ'ল ছাৰ ছেমুৱেল হো�ৰক লগ ধৰা। মোৰ এই কথাই তেওঁলোকৰ উদ্বিগ্নতা কমাওক ছাৰি বঢ়াইহে তুলিলে। যেই হওক, ছাৰ ছেমুৱেল হোৰে মোৰ প্ৰস্তাবিত লেকচাৰ টুৰ সম্পৰ্কে কোনো আপত্তি কৰা নাই বুলি কোৱাৰ পিচতহে তেওঁলোক আশ্বস্ত হৈছিল আৰু মোক গোটেই দেশতে মিটিঙৰ ব্যৱস্থা কৰিব পৰা লোকসকলৰ লগত কথা-বাৰ্তা পাতিবলৈ সকলো প্ৰকাৰে সহায় কৰি দিছিল।

ইংলণ্ডত বাপুৰপৰা পোৱা প্ৰথম চিঠিখনত, ২০ জুন তাৰিখে তেখেতে লিখিছিল :

> যিমান দিন আৱশ্যক হয় তুমি তাত থাকিবা আৰু যিমান পাৰা সিমান সোনকালে উভতি আহিবা।

লণ্ডনত 'ফ্ৰেণ্ডছ অৱ ইণ্ডিয়া ছচাইটি'ত এক গহীন আৰু নিকৎসাহজনক পৰিবেশৰ মাজত মিটিং এখন কৰাৰ পিচতে মই প্ৰদেশবিলাক ভ্ৰমণ কৰিবলৈ ওলালোঁ। যেতিয়াই মই মজদুৰসকলৰ লগত পোনপটীয়া সংস্পৰ্শলৈ আহিছিলোঁ, তেতিয়াই শ্ৰোতাসকলৰ আন্তৰিক সহানুভূতি অনুভৱ কৰিছিলোঁ। লাঙ্কাচায়াৰত মানুহৰ সমৰ্থন মৰ্মস্পৰ্শী আছিল। সৰু সৰু হলঘৰবিলাক মানুহে নধৰা হৈ পৰিছিল। এবাৰ এঠাইত সভাস্থল গৈ পাই দেখিলো, দৰ্শকসকলে হাতে হাতে চকী একোখন লৈ ওলাই আহিছে। "ইয়াত

অকণো ঠাই নাই, সেইদেখি ডাঙব হল এটালৈ যাবলৈ ওলাইছো। অনুগ্রহ কবি লগতে আহক।"—তেওঁলোকে এইদবে কৈছিল। আমি সকলো আহল-বহল ঠাই এডোখবলৈ গলোঁগৈ। য'তে সম্ভব হৈছিল তাতে মই বন্দুৱাসকলব লগত আছিলোঁ। এবাব লাঙ্কাচায়াববে এখন চহবত মই নিবন্দুৱা বোৱনী মানুহ এযোবাব ঘবত আছিলোঁ আক এঠাইত অবসব লোৱা ইঞ্জিন ড্রাইভাব এজনব ঘবত। এইদবে য'তে সম্ভব হয় আছিলোঁ। সকলো ঠাইতে স্নেহ আক সহানুভূতি; ক'তো কেতিয়াও বাপুব বিৰুদ্ধে খং-ক্ষোভ দেখা পোৱা নাছিলোঁ। ভ্রমণ কবি কবি মই ডাণ্ডি পাইছিলোঁগৈ। তাত স্কটলেণ্ড-বাসীসকলব মাজলৈ আহি মই আনন্দিত হৈছিলোঁ। সভাখন বেচ ডাঙব আছিল আক ই বব ভালো হৈছিল।

বাপুব চিঠিয়ে মোক সতর্ক কবি দিছিল যে অতি সোনকালে তেওঁ অকৌ এবাব অনশন আৰম্ভ কবিব।

> আগন্তুক অনশনব বিষয়ে তুমি বুজিবলৈ চাবা। এটা কথাব বাবে প্রায়শ্চিত্ত কবিব লাগিব। কাবণ, স্পষ্টভাবে প্রতিশ্রুতি ভঙ্গ কবা হৈছে। নিবাপ ৰাব প্রতিশ্রুতি ভঙ্গ কবাব নিচিনা কথাতকৈ বোধকবোঁ ভীষণ কথা আন একো নাই।

এয়া সেই স্বামী লালনাথেই। তেওঁ আকৌ এবাব গণ্ডগোল কবি আহত হৈছিল।

বাপুব এইবাবব অনশন বেছি কষ্ট নোহোৱাকৈয়ে পাব হৈ গৈছিল। তেখেতব গাও আগতকৈ ভালে আছিল। তাব উপবি ৰাৰ্ধাত নিজা পবিবেশব মাজত তেওঁ এতিয়া এজন স্বাধীন মানুহ আছিল।

হবিজনসকলব সমস্যাব উপবিও অন্যান্য কথাই তেওঁক সেই সময়ত চিন্তাক্লিষ্ট কবি বাখিছিল। ৭ আগষ্ট ত'বিখে তেওঁ লিখিছিল:

> সম্প্রতি মোব মনত বহুতো পবিবর্তন ঘটিছে। ক'ংগ্রেছব ভিতবব দুর্নীতিব কথাই এতিয়াব দবে কেতিয়াও মোক খুলি খুলি খোৱা নাছিল। মই কংগ্রেছবপবা ওলাই, বাহিববপবা কংগ্রেছব আদর্শব বাবে কাম কবাটো ভাল হ'ব নে নহয় বন্ধুসকলবে সৈতে সেই বিষয়ে পবামর্শ কবিছো। দুর্নীতিয়ে মোক যে উদ্বিগ্ন কবি তুলিছে ই ভালবে লক্ষণ। লবালবিকৈ মই কোনো সিদ্ধান্ত লোৱা নাই। কিন্তু কিবা এটা কবিব লাগিব।

লণ্ডনলৈ উভতি আহি মই আকৌ সাম্রাজ্যবাদী মহানগবীব কঠোবতা আক বান্ধ বান্ধ লগা ভাব অনুভব কবিছিলোঁ।

সেই সময়তে ইংলণ্ডৰ বিভিন্ন অঞ্চলত শান্তিবাদীসকলৰ সম্মিলন বহিছিল আৰু মোকো তালৈ নিমন্ত্ৰণ কৰিছিল। ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিৰ মিটিঙলৈ গৈয়ো বৰ ভাল পাইছিলোঁ।

আৰু এটা মনোৰঞ্জক অভিজ্ঞতা আছিল লয়ড জৰ্জৰ লগত দেখা-সাক্ষাৎ প্ৰসঙ্গটো। তেওঁ মোক শ্বাৰ্টত থকা তেওঁৰ ঘৰলৈ চাহ খাবলৈ নিমন্ত্ৰণ কৰিছিল। পকা চুলিয়ে আবৰি থকা তেওঁৰ গোলাপী মুখখন, শক্তি-সামৰ্থ্য আৰু বুদ্ধিমত্তাৰে উজলি আছিল। তেওঁ অতিশয় বন্ধুভাৱাপন্ন আছিল আৰু বাপুৰ বিষয়ে উচ্চ প্ৰশংসা কৰিছিল। তেওঁ কৈছিল :

> মই গান্ধীক এজন সাধু বুলিহে ইমানদিনে জানিছিলোঁ। কিন্তু তেওঁক লগ পোৱাৰ আগলৈকে মই বুজিব পৰা নাছিলোঁ যে তেওঁ এজন ৰাজনীতিজ্ঞ পুৰুষো।

ভাৰতবৰ্ষ সম্পৰ্কে কিছুসময় কথা-বতৰা পতাৰ পিচত, তেওঁ মোক বহা কোঠালীলৈ লৈ গ'ল। জুহালৰ কাষত থকা চোফাখনলৈ চাই লয়ড্ জৰ্জে কৈছিল : "সেইখনতে গান্ধী বহিছিল।" তাৰ পিচত তেওঁ বাপু অহাৰ দুদিন নে এদিন আগতে, মেকুৰী এটা তেওঁৰ ঘৰলৈ অহাৰ কথা বৰ্ণনা কৰিছিল। "তাই কাৰোবাৰ পোহনীয়া মেকুৰী যেন লাগিছিল। কাৰণ, তাইৰ ডিঙিত ফিটা এডাল আছিল। সেইকাৰণে মই তাইক আঁতৰাই পঠিয়াবলৈ যত্ন কৰিছিলোঁ। পিচে তাই কোনোপধ্যেই আঁতৰি যাব নুখুজিলে। তাৰ পিচত গান্ধী আহিবৰ দিনা গধূলি তাই পোনে পোনে গৈ গান্ধী সেই চোফাখনত বহি থাকোঁতে তেওঁৰ কোলাত উঠিলগৈ। তেওঁ যাবলৈ মুঠালৈকে তাই তেওঁৰ কোলাত একেদৰে বহি আছিল। তুমি কি ভাবা? পিচদিনা পুৱা তাই গুচি গ'ল। তাইক দুনাই আৰু কেতিয়াও মই দেখা নাই।" এই ঘটনাটোৱে লয়ড জৰ্জৰ ভিতৰত থকা কেণ্ট মানুহজনক স্পৰ্শ কৰিছিল।

হাতত থকা কামৰ বাহিৰে আন একোতে মই সময় খৰচ কৰা নাছিলোঁ। কেৱল এৰাতি নে দুৰাতি মই এলেক আৰু বোনাৰ লগত থাকিবলৈ গৈছিলোঁ। বোনাৰ গিৰিয়েকে তেতিয়া অৱসৰ গ্ৰহণ কৰিছিল। সঙ্গীত সম্পৰ্কে মই নেভাবিবলৈকে চেষ্টা কৰিছিলোঁ। সেইকাৰণে কোনো কন্‌চাৰ্ট পাৰ্টিলৈ যোৱা নাছিলোঁ। মই যি তপস্যা লৈছিলোঁ, সি মোক নিৰ্দিষ্ট পথৰপৰা পিছলি যোৱাৰপৰা ৰক্ষা কৰিছিল।

মই ঠিক ভাবতলৈ উভতি অহাব কথা ভাবিছো। এনেতে ১৯৩৪ চনব ছেপ্তেম্বব মাহব ১৪ তাবিখে বাপুবপবা তাঁব আহিল—"যদি সম্ভব হয় বিশ্ব অক্টোবৰত এগুজ গৈ পোৱালৈকে থাকা।"

ইয়াব অর্থ হ'ল আৰু এমাহ থকা। এই মাহটোত তেন্তে কি কবা যাব? প্রদেশবিলাকত আৰু এবাব ভ্রমণ কবাব কথা বহুতে কৈছিল। কাবণ, বহুত ঠাইবপবা সেই বিষয়ে খবব কবিছিল। কিন্তু মোব ভাব হ'ল যে মই আমেবিকালৈহে যোৱা উচিত। মই অবিলম্বে ডঃ জন হেনিছ হোমলৈ ই সম্ভব হ'বনে নহয় কেব্‌ল্ কবি সুধি পঠিয়ালোঁ। তেখেতেও আঁচনি এখন প্রস্তুত কবা হৈছে বুলি কেব্‌ল্ যোগে খবব পঠিয়াইছিল। বাপুলৈ মই আমেবিকালৈ যোৱাব খবব জনাই কেব্‌ল্ কবিছিলোঁ। ২৯ ছেপ্তেম্বৰত তেওঁৰ-পবা জবাব আহিছিল:

ঈশ্বৰে তোমাব পথ পোহবাই তোলক বা পথ দেখুৱাওক। আশীৰ্বাদ।

সেই সময়ব আটাইতকৈ ডাঙব জাহাজ 'মেজেষ্টিক'ত মই গ'লোঁগৈ। কিন্তু সিমান ডাঙব জাহাজখনো আনকি আটলাণ্টিক মহাসাগবব বুকুৰেদি যাওঁতে শূন্যস্থ নিবক্ষবৃত্তব এজাক প্রবল ধুমুহাত পবি জোকাব খাইছিল আৰু কঁপিছিল।

আটলাণ্টিক মহাসাগব মই কেতিয়াও পাব হোৱা নাছিলোঁ। ডেকত বহি মই সাগবত বৈ বৈ উঠা প্রকাণ্ড ঢৌবিলাক চাই যাবলৈ চেষ্টা কবিছিলোঁ। কিন্তু অতি সোনকালে মোব মুব ঘুবণি আৰু সমুদ্রপীড়া আবম্ভ হ'ল। লবালবিকৈ মই নিজব কেবিনলৈ গ'লোঁ। সেই ডাঙব জাহাজখন ইমুবৰপবা সিমুবলৈকে মেবমেবাবলৈ ধবিলে। তাব পিচতে অগাপিচাকৈ দুবাব ভীষণ-ভাবে জোকাব খাইছিল। জাহাজৰ খোৱা-মেলাব তত্ত্বাবধান কোৱা মানুহজনে মোব খবব লবলৈ আহি কৈছিল যে, সেই দুটা ডাঙব জোকাবণিব কাবণ আছিল দুটা প্রকাণ্ড ঢৌয়ে ব্রিজব ওপবলৈকে ছাটি মাবি তাব ভাঠ আইনা ভাঙি গুবি কবিছে। ফলত কেপ্টেইনজন ভীষণভাবে আহত হৈছে আৰু তেওঁক নিজব কেবিনলৈ লৈ যোৱা হৈছে। তেওঁ আৰু কৈছিল: "ব্রিজখন সমুদ্র পৃষ্ঠব-পবা ৮০ ফুট ওপবত। গতিকে তেনেকুৱা ঢউ উঠিছে।"

বতৰ এনেকুৱা হোৱাব ফলত জাহাজখন গৈ পাওঁতে ২৪ ঘণ্টা পলম হৈছিল। নিউয়র্কব ওচব চপাব সময়তহে মই আকৌ ডেকলৈ ওলাইছিলোঁ। কিন্তু

মুকলি বতাহ সেৱন বা ভবা-চিন্তা একো কৰিবলৈ নৌপাওঁতেই মহিলা বিপৰ্টাৰ-সকলৰ দল এটা 'পাইলট ব'টে'ৰে আহি দেখা-সাক্ষাতৰ কাৰণে জোৰ কৰিছিল। আমেৰিকা সম্বন্ধে এই মোৰ প্ৰথম অভিজ্ঞতা। মোৰ উশাহ-নিশাহ নোপোৱাৰ নিচিনা লাগিছিল। তাৰ পিচতে আহিল কেমেৰামেনসকলৰ এটা দল। তাৰ পিচত ডঃ জন হেনিছ হোমছ আৰু অন্যান্য বন্ধুসকল। দুঘণ্টাৰ আগতে মুক্তবায়ু সেৱন কৰিবলৈ ডেকলৈ ওলাই অহাৰপৰা মই আৰু কেবিনলৈ ঘুৰি যাব পৰা নাই।

মোৰ জনোৱা হ'ল যে জাহাজখন পলমকৈ আহি পোৱাৰ কাৰণে সেইদিনাই আবেলি বাৰ্বিজন-প্লাজা হোটেলত পতা মিটিঙলৈ মই পোনে পোনে যাব লাগিব। সেই তেতিয়াৰেপৰা পোন্ধৰ দিনলৈ সভা, অভ্যৰ্থনা, অন্যান্য সম্মিলন এবেৰাহে চলিছিল। ইতিপূৰ্বে মোৰ পৰিচয় হোৱাখনতকৈ এইখন জগত সম্পূৰ্ণ পৃথক। ইয়াৰ গতি আৰু আচৰিত দক্ষতা সত্ত্বেও এইখন জগতত বহল অন্তঃকৰণৰ এনে এক প্ৰবাহ যে তাৰ সোঁতত সাতুৰিব পাৰি যদিও উশাহ নোপোৱাৰ দৰে হয়।

নিউয়ৰ্ক চহৰত মোৰ প্ৰধান কেন্দ্ৰস্থল আছিল হেন্ৰী ষ্ট্ৰীট হাউছ চেটেলমেণ্টত। ইয়াৰপৰা এই ডাঙৰ চহৰখনৰ পিচফালৰ অংশত থকা দুখীয়া লোক সকলৰ অৱস্থা ভূমুকি মাৰি চাবলৈ সুবিধা হৈছিল। ইয়াতো ব্যৱস্থা-পাতি বেচ সুবিধাজনকেই আছিল। সকলোবিলাক ক'তো দাগ এটাও নথকা পৰিষ্কাৰ-পৰিচ্ছন্ন। ভাৰতীয় মানৰ তুলনাত আনকি কিছু বিলাসিতাপূৰ্ণও বুলিব পাৰি। অৱশ্যে নিউয়ৰ্কৰ তুলনাত যথেষ্ট কম। চুবুৰীটো অৱশ্যে বৰ নীৰস আৰু দুৰ্দশাগ্ৰস্ত আছিল।

নিউয়ৰ্কৰ বাহিৰত ফিলাডেলফিয়াৰ কলেজ কিছুমানত, ৱেষ্ট চেষ্টাৰত, বোষ্টনত, হাৰ্ভাড বিশ্ববিদ্যালয়ত আৰু নেৱাৰ্কৰ বিডীমাৰ গীৰ্জাতো মই বক্তৃতা দিছিলোঁ। তাৰ পিচত ৱাছিংটনৰ হোৱাইট হাউছত মিছেছ কুজভেল্টে অভ্যৰ্থনা জনাবলৈ পতা সভাত যোগ দিছিলোঁ। আৰু তাতে নিগ্ৰোসকলৰ হোৱাৰ্ড বিশ্ববিদ্যালয় পৰিদৰ্শন কৰিছিলোঁ।

নিউয়ৰ্ক চহৰত হোৱা সম্মিলনবিলাকত সকলো প্ৰকাৰৰ মানুহ গোট খাইছিল। তাৰ ভিতৰত দুখন আটাইতকৈ ডাঙৰ আছিল; এখন হৈছিল ডঃ হেনিছ হোমৰ কমিউনিটি চাৰ্চৰ টাউন হলত আৰু আনখন কাৰ্ণিজ হলত

ববি ওৱাইজব ফ্রি চিণ্ডিকেটব সম্মিলন। তাব পিচত ম্যাক এল্লিন হোটেলত কিৱানিছ ক্লাবে এটা ভোজমেল পাতিছিল। তাত ব্যৱসায়ীলোক আৰু তেওঁলোকব তিবোতাসকলে যোগ দিছিল। মই তাত নিতান্ত নীৰস আৰু উৎসাহহীন দৰ্শকসকল থাকিব বুলিহে ভাবিছিলোঁ। কিন্তু দৰ্শকসকল আছিল ঠিক তাব বিপৰীত। তেওঁলোক অতি উৎফুল্ল আৰু মনোযোগী আছিল। নিউ হিষ্টৰী ছ'চাইটিব মিটিংখনতো মানুহে ঠাহ খাই পৰিছিল। সৰ্বশেহত "এমেৰিকান লীগ ফব ইণ্ডিয়াজ ফ্রিডম" এই অনুষ্ঠানটোৰে বিদায় সম্ভাষণ জনাবলৈ নৈশভোজ এটাব আয়োজন কৰিছিল।

গোটেই ভ্রমণ কালছোৱাব ভিতবত বাইশখন সভা পতা হৈছিল আৰু পাঁচটা বেতাঁব ভাষণ দিয়া হৈছিল। এই সকলোখিনি শেষ হোৱাব পিচত মই অত্যন্ত ভাগবি পৰিছিলোঁ। ইংলণ্ডতকৈ ইয়াব সভাবিলাক বহুত বেছি ডাঙব আছিল। প্ৰত্যেক ঠাইতে বাপু মানুহজন সম্বন্ধে অসাধাবণ ঔৎসুক্য দেখুৱা হৈছিল। বাপুব বিষয়ে সকলো ধৰণব প্ৰশ্ন সুধিছিল। ইংলণ্ডত যেনেকৈ বাজনৈতিক দিশটো মুখ্য আছিল, ইয়াত এই আমেৰিকান লোকসকলব কাবণে বাজনৈতিক দিশটো গৌণ আছিল। গান্ধী মানুহজন, গান্ধী শিক্ষকজন, সত্যপ্ৰচাব কৰোঁতা গান্ধী, এইবিলাক সম্বন্ধেহে তেওঁলোকে জানিবলৈ বিচাবিছিল—কি যে তৃষ্ণা আৰু একাগ্ৰতাবে। এই গভীৰ মনোযোগ, মুকলি মন আৰু উপচি পৰা মৰমে মোক সেই পোন্ধৰ দিনব শেষলৈকে চলাই যাবলৈ শক্তি দিছিল।

নিউয়ৰ্কবপৰা আহি লণ্ডনখন এখন গাঁৱব দৰে লাগিছিল। ইয়াব ঘৰবোব চাপব, যান-বাহনব গতি ধীব আৰু পাৰ্কবিলাক মুকলি।

১৯৩৪ চনব ১০ অক্টোবব তাবিখে বাপুৰে লিখা মোব নামব চিঠি এখন আহি পালোঁহি :

> তোমাব আমেৰিকাব অভিজ্ঞতাব বৰ্ণনা শুনিবলৈ মই বাট চাই আছো। ইয়াত কথাবিলাকে এটা গঢ় লৈছে। কংগ্ৰেছবপৰা ওলাই যাবলৈ মই মনতে ঠিক কৰিছো। মোব সন্দেহ নাই যে ইয়াবপৰা কংগ্ৰেছবে ভাল ক'ব আৰু মোবো ভাল ক'ব। কংগ্ৰেছব বাহিবত থাকি মই কংগ্ৰেছব ওপৰত বেছি ভালকৈ প্ৰভাব কৰিব পাৰিম। মই এতিয়া যেনেকৈ এটা বোজা হোৱাদি হৈছো, তেনেকৈ বোজা হৈ নেথাকিম। কিন্তু যেতিয়াই প্ৰয়োজন হয় কংগ্ৰেছক মোব মত জনাব পাৰিম।

এতিয়া অক্টোবৰ মাহৰ শেহ পালেহি। যিমান পাৰোঁ সোনকালে ভাৰতবৰ্ষলৈ উভতি যাবলৈ মই উদগ্ৰীৱ হৈ উঠিলোঁ। কিন্তু বাপুৰপৰা খবৰ আহিল যে, খান অব্দুল গফুৰ খাঁৰ চৌধ বছৰীয়া সৰু ছোৱালী মেহেৰতাজক মই লগত লৈ যাব লাগে। ছোৱালীজনী সেই সময়ত তেওঁৰ খুৰীয়েক, ডাঃ খান চাহাবৰ ইংৰাজ পত্নীগৰাকীৰ লগত আছিল। এই কথাটোৱে কিছুমান জটিলতাৰ সৃষ্টি কৰিছিল। প্ৰথমতে খুৰীয়েকে ভতিজা জীয়েকক এৰি দিব নুখুজিছিল। মানুহগৰাকী অলপতে উত্তেজিত হৈ উঠা ধৰণৰ আছিল। গতিকে সমস্যাটো অলঙ্ঘনীয় হ'ব যেন লাগিছিল। শেষত যেতিয়া এই সমস্যা অতিক্ৰম কৰা হ'ল তেতিয়া আকৌ দেখা গ'ল যে ছোৱালীজনীৰ পাছপৰ্টখন থকা ট্ৰাঙ্কটো, কোনোবা এটা গুদামত আছে। আকৌ আমি বিপাঙত পৰিলোঁ।

ব্ৰিন্দিছিৰপৰা যোৱা 'লয়ড ট্ৰিয়েষ্টিনো' জাহাজৰ ডেক পেছেজ মই আগতে বন্দবস্ত কৰি ৰাখিছিলোঁ। ৰাটত পেৰিচত মোৰ এখন মিটিং থকা কাৰণে মোৰ যোৱাটো স্থগিত ৰাখিব নোৱাৰিছিলোঁ। গতিকে সৰু ছোৱালী-জনীক ইউৰোপেদি লৈ আহি ব্ৰিন্দিছিত মোৰ লগ লগাই দিবলৈ কোনোবা এজনক বিচাৰি উলিয়াব লগা হ'ল। আগাথা হ্যাৰিছনলৈ ধন্যবাদ। তেওঁৰ অক্লান্ত চেষ্টাৰ ফলতে অৱশেষত মেহেৰতাজে জাহাজখন ধৰিবৰ বাবে ঠিক সময়ত ইংলণ্ড এৰিব পাৰিছিল।

লণ্ডনত মোৰ শেষ দিনকেইটাত, ইফালে এইবিলাক ঘৰুৱা জঞ্জাল চলি থকা সময়তে যিসকল ৰাজনীতিজ্ঞ পুৰুষৰ লগত আমেৰিকালৈ যোৱাৰ আগতে মই সাক্ষাৎ কৰিব পৰা নাছিলোঁ, তেওঁলোকৰে সৈতে সাক্ষাৎ কৰাৰ দিহা কৰিছিলোঁ। নবেম্বৰ মাহৰ পহিলা তাৰিখে লৰ্ড হ্যালিফাক্সক (আগতে লৰ্ড আৰউইন) মই দেখা কৰিছিলোঁ। নবেম্বৰৰ দুই তাৰিখে জেনেৰেল স্মাট্‌ছ, ছাৰ হেমুৱেল হোৰ আৰু উইনষ্টন চাৰ্চিলৰ লগত দেখা কৰিছিলোঁ। গতিকে এতিয়া আৰু কৰিবলৈ একো বাকী নাই। পেৰিচ হৈ ব্ৰিন্দিছি অভিমুখে মই যাত্ৰা কৰিলোঁ।

বাপু আৰু তেওঁৰ দলটোৱে সৈতে ডেক পেছেজ এটা সুকীয়া কথা, বিশেষকৈ লগত ধুনীয়া সৰু ছোৱালী এজনীৰে সৈতে অকলে ইটালিয়ান জাহাজৰ ডেক পেছেজ সম্পূৰ্ণ এটা বেলেগ কথা। জাহাজত আমাক এটুকুৰা আছুতীয়া ঠাই দিয়া হৈছিল। কিন্তু তাৰ চাৰিওফালে ডেকৰ সৰু ঠাইটুকুৰা বিজাৰ্ভতো নাছিলেই, ষ্টুৱার্ট আদি জাহাজৰ কৰ্মচাৰী আৰু চাকৰ-বাকৰবিলাকৰ খেলা ঠাই আছিল। তেওঁলোকে সদায় গধূলি বল লৈ আহি মাজ বাতিলৈকে নানাৰকম খেল খেলিছিল। খেলাৰ বাবে হোৱা গণ্ডগোল সত্ত্বেও মেহেৰতাজ লালকাল দি শুইছিল। খেলুৱৈবিলাকে তেওঁলোকৰ বলটো তেওঁৰ গালৈ মাৰিবলৈ টোঁৱাই বা তেওঁৰ বিচনাৰ আশে-পাশে পেলাবলৈ প্ৰায়ে চেষ্টা কৰে। সেই কাৰণে মই প্ৰতিটো বাতি তেওঁলোকে খেল সামৰি নোযোৱালৈকে বহি থাকিব লাগিছিল।

বতৰ বঢ়িয়া আছিল। সেই কাৰণেই বোধকৰোঁ এইবাৰেই প্ৰথমবাৰৰ কাৰণে মোৰ সমুদ্রপীড়া অনুভৱ নকৰা সমুদ্রযাত্রা আছিল।

বোম্বে পাই মোৰ গাত ধুনীয়া ছোৱালীজনীৰ যি দায়িত্ব আছিল তাক তেওঁৰ সম্বন্ধীয় লোকসকলৰ হাতত চমজাই দি মই পোনে পোনে ৱার্ধালৈ গৈছিলোঁ। বাপু তেতিয়া ভাত আছিল। কৱলগীয়া বস্তুতেই আছিল। পিচে এনেবিলাক কথা শুনিবলৈ সময়ো সাধাৰণতেই বৰ কম। সেই কাৰণে তেওঁৰ আগত নিজক প্ৰকাশ কৰা সহজ নাছিল। হৰিজন ভ্ৰমণ শেষ হৈছিল, কিন্তু অস্পৃশ্যতা দূৰীকৰণৰ কাম পূৰ্ণোদ্যমে চলি আছিল। সম্প্ৰতি বাপুৱে তেওঁৰ গঠনমূলক কামৰ আঁচনিত আৰু এটা ডাঙৰ বিষয় যোগ কৰিছে। তেখেতে "সৰ্বভাৰতীয় গাঁও শিল্প সমিতি" এখন গঠন কৰিছে। এই সমিতিৰ উদ্দেশ্য হৈছে, গাঁৱৰ শিল্পসমূহৰ পুনৰ উদ্ধাৰ কৰা, সেইবিলাকৰ উন্নতি সাধা, উৎসাহ দান কৰা আৰু ভাৰতৰ গাঁওসমূহৰ শাৰীৰিক আৰু নৈতিক উন্নতিৰ বিধান কৰা। সেই কাৰণে যদিও তেওঁ নিৰুপদ্রৱ সত্যাগ্রহ স্থগিত ৰাখিছে আৰু শেষত কংগ্রেছৰ চাৰিজনীয়া সদস্যপদো ত্যাগ কৰিছে, তথাপিও তেওঁৰ আগৰ দৰে সেই একেই ব্যস্ততা।

যদিও বাপুৱে আনুষ্ঠানিকভাৱে কংগ্ৰেছ ত্যাগ কৰিছিল, কংগ্ৰেছে কিন্তু তেওঁক এৰা নাছিল। তেওঁলোকে নিজৰ মতে চলিবলৈ বিচাৰিছিল। কিন্তু যেতিয়াই কিবা এটা অসুবিধা হয়, তেতিয়াই বাপুৰ সহায় বিচাৰিছিল।

কংগ্ৰেছৰ লগত শেষ সম্বন্ধ ছেদ কৰাৰ এমাহৰ আগতে ১৯৩৪ চনৰ ছেপ্তেম্বৰ মাহৰ ১৭ তাৰিখে এটা বিবৃতিত বাপুৱে কৈছিল :

> মোৰ অনুভৱ হৈছে যে, বহুতো কংগ্ৰেছৰ মানুহ আৰু মোৰ ভিতৰত মৌলিক পাৰ্থক্য আছে আৰু সি বাঢ়ি গৈছে। মোৰ প্ৰতি থকা তুলনাবিহীন আনুগত্যৰ অবিহনে বহুতো বুদ্ধিজীৱি কংগ্ৰেছৰ মানুহে যি বাট ল'লেহেঁতেন, মই ঠিক তাৰ বিপৰীত দিশে গৈছো যেন লাগিছে। কংগ্ৰেছৰ সম্মুখত মই যি নীতি ৰাখিছো, সেই নীতি অগ্ৰহণীয় বুলি প্ৰতিবাদ কৰাৰ সময়তো বুদ্ধিজীৱি কংগ্ৰেছৰ মানুহবপৰা মই যি আনুগত্য আৰু শ্ৰদ্ধা লাভ কৰিছো, কোনো নেতাই তাতকৈ বেছি আনুগত্য আৰু শ্ৰদ্ধা পাবলৈ আশা কৰিব নোৱাৰে। মোৰ প্ৰতি থকা তেওঁলোকৰ এই আনুগত্য আৰু শ্ৰদ্ধাৰ অধিক সুবিধা ল'বলৈ গ'লে তেওঁলোকৰ ওপৰত অবাঞ্ছনীয়ভাৱে হেচা দিয়া হ'ব। এই আনুগত্যৰ কাৰণে বুদ্ধিজীৱি কংগ্ৰেছৰ মানুহৰ আৰু মোৰ ভিতৰত থকা মৌলিক পাৰ্থক্য সম্পৰ্কে মই চকু মুদি থাকিব নোৱাৰোঁ।

তেওঁৰ নিজৰ মতে জাতিক চলাই লৈ যোৱাটো কিছু টান হলেও, বাপুৰ কাৰণে পোনপটীয়া কাম হ'লহেতেন। কিন্তু কংগ্ৰেছৰ বাহিৰলৈ যোৱাৰ পিচত ক'ত কি হৈছে চাই থকা, উপদেশ দিয়া আৰু যেতিয়াই কোনো অসুবিধাই দেখা দিয়ে সহায় কৰা ইত্যাদি এতিয়া বাপুৰ কাম বেছি আহুকলীয়া হ'ল। আচৰিত হবলগীয়া একো নাই যে, মই বাপুক তেতিয়া যথেষ্ট টনা-আজোৰাখনত থকা যেনহে পাইছিলোঁ। তেওঁ আপোন স্বভাৱমতে সদায়েই প্ৰফুল্লমনে আছিল যদিও কিবা এটা পাৰ্থক্যই দেখা দিছিল। লোণ সত্যাগ্ৰহৰ দিনৰ পাতল প্ৰসন্ন মন আৰু নাছিল।

দেশৰ বাতাবৰণ কষ্টদায়ক আছিল। স্থগিত বধা সংগ্ৰামো অজীৰ্ণ ৰোগৰ দৰে হৈছিল।

ডিচেম্বৰ মাহৰ শেহৰপিনে বাপুৱে এখন ডাঙৰ হৰিজন কল'নিৰ আধাৰ-শিলা স্থাপন কৰিবলৈ দিল্লীলৈ গৈছিল। সেই কল'নি স্থাপনৰ সকলো খৰচ বহন কৰিছিল শ্ৰীঘনশ্যাম দাস বিৰলাই। সেই কল'নিৰ অধিবাসীসকলে সাহিত্য বিষয়ক আৰু হস্তশিল্পৰ বিষয়ে শিক্ষা পাব। আমি পূৰা এমাহ সেই কল'নি পাতিৰ খোজা ঠাইত থাকি তাৰপৰা ৱাৰ্ধালৈ উলটি গৈছিলোঁ।

ৱার্ধা জিলাৰ প্রধান মাৰোৱাৰী ব্যৱসায়ীলোক শেঠ যমুনালাল বাজাজৰ, তেওঁৰ ডাঙৰ শৰীৰটোৰ দৰে অন্তঃকৰণো অতি প্রশস্ত আছিল। তেওঁ বাপু আৰু বিনোৱাৰ ভক্ত আছিল। বাপুক তেওঁ পিতৃ-মাতৃৰ দৰে জ্ঞান কৰিছিল আৰু বিনোৱা আছিল তেওঁৰ গুৰু। এইবোৰেই বিনোৱাৰ কাৰণে ৱার্ধা আশ্রম পাতিছিল। সম্প্রতি বিশ একৰ মাটিত থকা কমলাৰ বাগিছাখনেৰে সৈতে তেওঁৰ বিশাল প্রাসাদটো বাপুৰ মৰমৰ ভাগিন মগনলাল গান্ধীৰ সৌৱৰণীৰ বাবে দান কৰিছে। মগনলাল গান্ধী সবৰমতী আশ্রমৰ প্রথম মেনেজাৰ আছিল। কেইবছৰমানৰ আগতে বিহাৰত জ্বৰ হৈ তেওঁ ঢুকাইছে। বাপুৰে এই ঘৰটো অবিলম্বে নতুনকৈ গঠিত হোৱা "গাঁও শিল্প সমিতি"ৰ কেন্দ্রলৈ ৰূপান্তৰিত কৰিছিল আৰু তাৰ নাম দিছিল মগনৱাদী।

দিল্লীৰপৰা ঘূৰি অহাৰ কিছুদিন পিচতে বাপুৱে বিনোৱাৰ আশ্রমৰ-পৰা এই নতুন কেন্দ্রলৈ গৈছিল। আমি সকলোৱে তাতেই থিতাপি ল'লোঁ। অন্ততঃ থিতাপি লৈছিলোঁ বুলি ভাবিছিলোঁ। আমাৰ লগত দক্ষিণ ভাৰতীয় প্রতিভাশালী খৃষ্টান অর্থনীতিবিদ এজন আছিল। তেখেতৰ নাম জে. চি. কুমাৰাপ্পা। তেওঁ সম্পূর্ণৰূপে বাপুৰ মত, বিচাৰধাৰা গ্রহণ কৰিছে আৰু ৰৰ বেগেৰে উন্নতি কৰা সমিতিখনৰ দায়িত্ব গ্রহণ কৰিছিল। সেই আহল-বহল ঘৰটোৰ এটা কোণত তেওঁৰ অফিচ আছিল আৰু সম্পূর্ণ স্বাধীনভাৱে বাস কৰিছিল। ইফালে পোন্ধৰ কি কুৰিজনীয়া দলটোৰে সৈতে বাপুৱে ঘৰটোৰ বাকী অংশ দখল কৰিছিল। দলটোনো কেনে আছিল? সবৰমতী আশ্রমত থকা কেজনমান পুৰণি লোক তেতিয়াও তাত আছিল। বাপুৰ চাৰিওকাষে নানা ধৰণৰ আধা বলিয়া মানুহৰ, আচৰিত বাৰেমিহলি দল এটা গোট খাইছিল। আমি সকলো একেটা ঘৰতে ওচৰা-উচৰিকৈ আছিলোঁ, গতিকে শান্তিও নাছিল আৰু তাৰপৰা হাত সাৰিবৰো উপায় নাছিল। আনকি ৰাতিও গণ্ডগোল চলি থাকে। এজন লোকৰ টোপনিতে খোজকঢ়া ৰোগ আছিল। আন এজনৰ আছিল একপ্রকাৰ স্নায়ৱিক ৰোগ। এজনে টোপনিতে উঠি যেতিয়া খোজ কাঢ়িবলৈ আৰম্ভ কৰে, আনজনে তেওঁক ধৰিবলৈ চেষ্টা কৰে। গভীৰ ৰাতিৰ নিস্তব্ধতাৰ মাজত গাৰ নোম শিয়ঁৰি উঠা চিঞৰ-ৰাখৰখন লাগে। এইবিলাক আহুকাল সত্ত্বেও বাপুৱে যি পৰিমাণৰ কাম কৰি গৈছিল, তাৰ কথা ভাবিলে আচৰিত হ'ব লাগে।

এতিয়া বাকী সকলো কথাৰ উপৰিও বাপুৱে লগৰীয়াসকলক লৈ খাদ্য সম্বন্ধে আন এটা পৰীক্ষা চলাবলৈ আৰম্ভ কৰিলে। এইবাৰৰ পৰীক্ষা আছিল উৰহী জাতীয় এবিধ বস্তুৰ ওপৰত। চয়াবিনৰ আচৰিত গুণ আৰু দৈনিক আহাৰত কেনেকৈ ইয়াক গাখীৰৰ সলনি ব্যৱহাৰ কৰিব পাৰি, সেই সম্বন্ধে সেই সময়ত কাগজত বহুত লিখালিখি হৈছিল। বাপুৱে বিচাৰি ফুৰা বস্তুটো এইটোৱেই যেন লাগিছিল। তেওঁ ইয়াক কেবাপ্ৰকাৰেও বন্ধাই আহাৰৰ লগত দিয়াইছিল। অন্যান্য ভাৰতীয় দাইলৰ লগত ইয়াৰ পাৰ্থক্য এয়ে আছিল যে এই চয়াবিনৰ সোৱাদো কম আৰু হজম কৰিবলৈও টান। কিন্তু তাত প্ৰোটিন অধিক পৰিমাণে থকা বুলি কয়। প্ৰোটিনৰ সেই আধিক্যৰ কাৰণেই এই-বিলাক হজম কৰিবলৈ টান হৈছিল। সি যি কি নহওক, বাপুকো ধৰি সকলোৰে এইবিলাক খাই অসুখ হৈছিল। গতিকে সোনকালে এই পৰীক্ষা এৰি পেলোৱা হ'ল। এইবাৰৰ চয়াবিনৰ পৰীক্ষাত মই নিজক আঁতৰাই ৰাখিছিলোঁ।

দিন যোৱাৰ লগে লগে এনেকুৱা অদ্ভুত পৰিস্থিতিৰ মাজত থাকি মই অস্থিৰ হৈ পৰিছিলোঁ। তাৰপৰা অব্যাহতি পাবৰ মানসেৰে নিচেই ৰাতি-পুৱাতে বহুত দূৰলৈকে খোজকাঢ়ি ফুৰিবলৈ গৈছিলোঁ। মুকলি ঠাই ওলাবলৈ মাজতে সিন্দি নামে গাঁও এখনৰ মাজেদি যাবলগীয়া হৈছিল। গাঁওখনৰ পাৰিপাৰ্শ্বিক অৱস্থা এনে অপৰিষ্কাৰ আছিল যে মই বৰ বিৰক্ত হৈ পৰিছিলোঁ। বাপুৰ আগত এই বিষয়ে উল্লেখ কৰিছিলোঁ। বাপুৱে কৈছিল : "তেনেকুৱাই যদি হয় তেন্তে আমি কিবা এটা কৰা উচিত। গাঁওবিলাকৰ শাৰীৰিক আৰু নৈতিক উন্নতি সাধনত সহায়তা কৰিবলৈ আমি মগনৱাদীলৈ আহিছো। গতিকে আমাৰ কাষতে থকা গাঁওখন তেনে অৱস্থাত থাকোতে, আমি সেই বিষয়ে একো নকৰাকৈ বহি থাকিব নোৱাৰোঁ।"

মই সম্মতি জনালোঁ। বাপুৱেও কি প্ৰণালী লোৱা হ'ব সেই সম্বন্ধে ক'লে। সেইমতে প্ৰত্যেকদিনাই ৰাতিপুৱা, বাপুৱে মগনৱাদীত থকা লোকসকলৰ আৰু আনকি চাবলৈ অহা লোকসকলৰ মাজবপৰা বাছি দিয়া দুই কি তিনিজন স্বেচ্ছাসেৱক লগত লৈ, সিন্দি গাঁৱৰ ৰাট-পথবিলাক চাফা কৰিবলৈ যাব লাগিব। এই কামৰ কাৰণে বাপুৰ উৎসাহ ইমান বেছি আছিল যে কোনেও এই কাম কৰিবলৈ ইতস্ততঃ কৰিব নোৱাৰিছিল। গতিকে অকণো পলম নকৰাকৈ মোৰ

দলটোবে সৈতে কাম আবম্ভ কবি দিলোঁ। গাঁৱব মাজব ঠেক বাটবিলাক যদিও অতি অপবিষ্কাব আছিল, তথাপি সেই গাঁৱব অধিবাসীসকলব ঘবব ভিতবখন —বিশেষকৈ বান্ধনী ঘববিলাক, তেওঁলোক যিমান দুখীয়াই নহওক কিয়, অতি পবিষ্কাব-পবিচ্ছন্ন আছিল। এই বিষয়ত হবিজনসকলো ব্যতিক্রম নাছিল। বাস্তবিকতে কোনো কোনো বিষয়ত তেওঁলোকহে আটাইতকৈ চাফা। ইয়াবপবা এনে ধাবণা হয় যে, তেওঁলোক সোনকালেই হওক বা পলমকৈয়ে হওক বাহিবতো নিশ্চয় চাফা হ'ব।

মে' মাহত কিছুদিনব কাবণে বাপু বর্সাদলৈ গৈছিল। তাব ওচবে-পাজবে থকা গাঁৱত চবকাবব প্রতিহিংসা পবায়ণতা সম্বন্ধে যি প্রতিবেদন পাইছিল সেই সম্বন্ধে স্থানীয়ভাৱে সেই ঠাইবিলাকলৈ গৈ অনুসন্ধান কবিবব কাবণে বাপু তালৈ গৈছিল। সিন্দি গাঁৱত আবম্ভ কবা কামত ব্যাঘাত ঘটিব বুলি তেওঁ মোক লগত নিয়া নাছিল। মে মাহব ২৫ তাবিখে তেখেতে লিখিছিল :

সিন্দি গাঁও চাফা কবা কাম এদিনো বাদ পাবিব নেলাগিব। লগতে পাঁচাবষ পিনে তোমাব সেই নীবব ভ্রমণো চলি থাকিব লাগিব।

পিচদিনা বাপুৱে আকৌ লিখিছিল :

ধুনীয়া বর্ণনা দি লিখা তোমাব দুয়োখন চিঠি পাইছোঁ। নিজক প্রকাশ কবিবব কাবণে তোমাব অকলশবীয়া ভ্রমণব কিমান প্রয়োজন সেই চিঠিয়ে প্রমাণ কবিছে। দৈনিক নোৱাবিলেও যিমান ঘনাই পাবা সেই ভ্রমণ তুমি নিশ্চয় কবিবা।

বাপুৱে যে কেৱল মোব এই মুকলি ঠাইলৈ ওলাই যোৱাব প্রয়োজনীয়তা সম্বন্ধে লক্ষ্য বাখিছিল এনে নহয়, তেওঁ মোক ঘবব কাষতে থকা বাগিচাব গছ এজোপাব তলত কঠেবে সজা সক কোঠা এটা লিখা-পঢ়া কবিবব কাবণে কবি লবলৈও সম্মতি দিছিল। আন সকলোবে মাজতো মই অকণো আমনি নোপোৱাকৈ থকাটো তেখেতে যে ভাল পালেহেঁতেন, এই কথা মই জানো, কিন্তু এনে চেষ্টাব পবিণতি হ'লহেতেন ঘব ভঙাব দবে।

বাপু বর্সাদবপবা ঘুবি অহা সময়লৈ ভীষণ গবম পবিছিল। বার্ধা জিলা ভাবতব আটাইতকৈ গবম ঠাইবিলাকব ভিতবত এখন। মার্চ মাহব আবম্ভণিতেই তাত উত্তাপ ১০০ ডিগ্রী (ফাবেণহিট) হয় আক মে'-জুন মাহত ই ১১৮ ডিগ্রী বা তাতোকৈ ওপব পায়গৈ। বাপুৱে মুবটো অনবৰত ভিজা কাপোবেবে

মেৰাই ৰাখিছিল আৰু ময়ো তাকে কৰিছিলোঁ। নহলে মোৰ শেষেই হ'লহেঁতেন। সকলো ধাতুৰ বস্তুৱেই, আনকি ঘৰৰ ভিতৰত থকাবিলাকো হাতেৰে ছুৱ নোৱাৰা গৰম হৈ পৰিছিল। জুন মাহৰ মাজমানত আকাশ কিছু পৰিমাণে ডাৱৰীয়া হৈছিল আৰু উত্তাপো কমিছিল। জুন মাহৰ শেষ ভাগত যেতিয়া বৰষুণ আৰম্ভ হ'ল তেতিয়াহে সকলোৱে তৎ পালে। কিন্তু এই সকাহ কেৱল গৰমৰপৰাহে পোৱা হ'ল, তাৰ পিচতে চেপ্তেম্বৰ মাহত অসম্ভৱ গুপগুপীয়া গৰম হৈছিল আৰু মেলেৰিয়াই মহামাৰীৰূপে দেখা দিছিল। নিয়তিয়ে বাপুৰ বসতিৰ কাৰণে এনে এটুকুৰা ঠাইকে নির্ধাৰণ কৰিছিল। এনে এটা অৱস্থাৰ সম্মুখীন হ'বৰ কাৰণে যথেষ্ট সাহৰ প্ৰয়োজন।

দৈনন্দিন কাৰ্যসূচীত অলপো সুকুঙা নথকা সত্ত্বেও দৰ্শকসকলৰ লগত দেখা কৰিবলৈও বাপুৱে সময় পাইছিল। সেই দৰ্শকসকলৰ ভিতৰত পৃথিৱীৰ বিভিন্ন অংশৰ বহুতো লোকো আছিল। ইমান দিনৰ পিচত তেওঁলোকৰ বহুতকে মই পাহৰিছো। কিন্তু তাৰে দুজনৰ কথা মোৰ স্পষ্টকৈ মনত আছে: ডাৰ্কিৰ বিশিষ্ট লিখিকা হেলিডে এডিৰ হানাম আৰু 'চেলফ ৰিয়েলিজেশ্যন ফেল'শ্বিপ অৱ এমেৰিকা'ৰ প্ৰতিষ্ঠাতা স্বামী যোগানন্দ।

এজন দৰ্শক ৰৰ সাদৰ জনাবলগীয়া বিধৰ নাছিল—তেওঁ আছিল এজন সাপৰাজী দেখুৱা লোক। তেওঁ আহি বাপুৰ সম্মুখত সাপৰাজী দেখুৱাইছিল। সাপটোৱে কেনে পোহ মানিছে দেখুৱাৰৰ কাৰণে সাপটো বাপুৰ কান্ধত ওলোমাই দিছিল। সাপটোৱে তৎক্ষণাৎ বাপুৰ ডিঙিত মেৰিয়াই ধৰিছিল। কিন্তু বাপুৱে মামুহজনে সাপটো তেওঁৰ ডিঙিৰপৰা আঁতৰাই নিনিয়ালৈকে অলপ অস্বস্তিকৰ হাঁহি মাৰি স্থিৰ হৈ বহি আছিল।

দিন যোৱাৰ লগে লগে বাপুৰ স্বাস্থ্য সম্বন্ধে আমি সকলো উদ্বিগ্ন হৈ উঠিছিলোঁ। তেওঁৰ স্নায়ুমণ্ডলীৰ ওপৰত ভীষণ হেঁচা পৰিছিল। আৰু এটা কথাই তেওঁৰ মন গধুৰ কৰি তুলিছিল। সি হৈছে সিন্ধি গাঁওবাসীসকলৰ সমস্যা। তেওঁলোকে স্বাস্থ্যৰ বিধান সম্বন্ধে চলোৱা আমাৰ চেষ্টাত অকণো সহাৰি জনোৱা নাছিল। হঠাতে এদিন বাপুৱে ঘোষণা কৰিলে যে তেওঁ অকলে সিন্ধি

গাঁৱত থাকিবগৈ। তেওঁক ব্যক্তিগতভাৱে যি সহায়-সাবথি লাগে সেইখিনি গাঁওবাসীসকলবপবাই ল'ব। সকলোৱে বিচুতি খালে। কিন্তু এবাব তেওঁব মনত এই ধাবণা জন্মাব পিচত কেনেকৈ তেওঁক নেযাবলৈ সম্মত কবাব পাবি? এই অৱস্থাবপবা হাত সাবিবব কাবণে মই পাবোমানে চেষ্টা কবিছিলোঁ। তেওঁ যদি সম্মত হয় তেন্তে ময়ে গৈ সিন্দি গাঁৱত থাকিবলৈ ওলালোঁ। অতি অনিচ্ছাবে তেওঁ এই বন্দবস্তত সম্মত হ'ল আৰু আমিও উশাহ পালোঁ।

গাঁওখনত থাকিবব কাবণে তেনে কোনো ঠাই নথকাত বাপুব পবামর্শ মতে মোব কাবণে ইটাবে একোঠলীয়া সৰু ঘব এটা সজা হৈছিল। এসপ্তাহ কি দুসপ্তাহমানব ভিতবতে মই তালৈ গ'লোঁ। সেই গাঁৱব অধিবাসীসকলব সবহভাগেই মাহাব সম্প্রদায়ব লোক। এওঁলোক আৰু উত্তব ভাবতব চমাব-সকল একে শ্রেণীব লোক। সেই গাঁৱত হবিজন সম্প্রদায়বে আন শ্রেণীব কেইঘবমান মানুহ আছিল। তেওঁলোক জামাদাব শ্রেণীব লোক নাছিল যদিও, তেওঁলোকক মাহাবসকলে তেওঁলোকতকৈ নীচ জাতিব বুলি বিবেচনা কবিছিল। এঘব নে দুঘব উচ্চ বর্ণব হিন্দুও তাত আছিল। এই প্রত্যেক সম্প্রদায়ব লোকবে নিজা পানী খোৱা কুঁৱা আছিল। পোন প্রথমদিনাই নীহকুলীয়া মানুহ এজনে দিয়া পানীবে মই হাত ধুইছিলোঁ। ফলত মোক উচ্চ বর্ণ হিন্দুসকলব বা মাহাবসকলব কুঁৱাব ওচবলৈকে যাবলৈ নিদিছিল। সেই নিম্ন শ্রেণীব মানুহবিলাকব কুঁৱাটো সিমান পবিষ্কাব নোহোৱা কাবণে মই বন্ধা আৰু খোৱা পানীব ব্যৱহাব তাবপবা কবিবব ইচ্ছা নকবিছিলোঁ। ইয়াব পবিণাম হিচাপে মই পানীব বাল্টিটো নি আন দুটা কুঁৱাব যিকোনো এটালৈ নি অলপ আতবত পাতি থৈ গবাকীক অনুগ্রহ কবি পানী বাল্টি ভবাই দিবলৈ অনুবোধ কবিবলগীয়া হৈছিল। কেতিয়াবা এনেকুৱাও হয়, এই মানুহবিলাকব সকলো পথাবলৈ গুচি যায়। গতিকে পানী নোহোৱাকৈয়ে চলিব লগাত পবে। অস্পৃশ্য হোৱা মানে যে কি, সেই সম্বন্ধে মোব এতিয়া প্রত্যক্ষ অভিজ্ঞতা জন্মিল।

অলপ দিনব ভিতবতে সেই অঞ্চলত কলেবা আবম্ভ হৈছিল। সিন্দি গাঁৱব এজন ডেকা, বয়স ওঠব বছবমান হ'ব, এই বোগত আক্রান্ত হৈছিল। মই লবালবিকৈ গৈ চিভিল হাস্পতালবপবা কলেবাব 'মিকশ্চাব' এবটল আনিছিলোগৈ। আনি পাওঁহি পাওঁহি মানে ল'বাটোব মবো মবো অৱস্থা হৈছিল। ল'বাটো গাঁৱব যিটো জুপুবিত আছিল সেই জুপুবিটো অতি চাপব

আৰু তেনেই সৰু আছিল। মই প্ৰথম কোঠাটোত সোমাই দেখিলোঁ, সি ভিতৰ-ফালৰ খিৰিকী নোহোৱা কোঠা এটাত আছে। তাতে সেই আধা আন্ধাৰত ল'ৰাটো পৰি আছে। তাৰ মূৰটো মাকৰ কোলাত। মই সোমাই অহাৰ লগে লগে সি শেষ নিশ্বাস পেলাইছিল। বলিয়াৰ দৰে হোৱা বেচেৰী মাকজনীয়ে হাতেৰে তাৰ মুখৰ এদাঁতিয়েদি ওলোৱা লেলাৰতিবিলাক গুচাই দিছিল। দুই কি একমিনিটৰ ভিতৰত সকলো শেষ হ'ল। আটাইবিলাকে বাউচি জুৰি কান্দিবলৈ ধৰিলে। মাকজনী বেগেৰে ঘৰটোৰপৰা বাহিৰলৈ ওলাই আহি দুৱাৰৰ কাষৰ খোৱা পানী ৰখা ডাঙৰ পাত্ৰটোত হাতখন জুবুৰিয়াই তেওঁৰ চকুলো বৈ থকা চকুযোৰ ধুইছিলহি। মই সকলোকে বুজাই কলো যে, সেই পানীখিনি পেলাই দিব লাগে আৰু পাত্ৰটো জুইৰে পুৰি শোধন কৰিব লাগে। কাৰো সেইকথা শুনাৰ বা বুজাৰ অৱস্থা নাছিল। মই শুচি আহিলোঁ। মনে মনে ভাবিছিলো, গোটেই ঘৰখনেই সেই ৰেমাৰত পৰিব।

গাঁৱৰ বাকীসকলক মই জনাই দিছিলোঁ যে মই ঔষধ আনিছো আৰু কোনোবাই যদি এই অসুখ হোৱাৰ সামান্য লক্ষণো দেখা পায়, তেন্তে যিমান খাতিয়েই নহওক কিয় মোক যেন খবৰ দিয়ে। ঈশ্বৰৰ অশেষ কৰুণাত ততালিকে কলেৰাৰ মিকৃশ্বাৰ খুউৰাৰ কাৰণে পিচত যিসকল আক্ৰান্ত হৈছিল তেওঁলোকৰ ৰোগ আয়ত্তৰ ভিতৰলৈ আনিব পৰা হৈছিল। কিন্তু মই আচৰিত হৈছিলোঁ, যিখন ঘৰত সেই ডেকা ল'ৰাটি ঢুকাইছিল আৰু পানীৰ পাত্ৰটো দূষিত হৈছিল, তাত নতুনকৈ কোনো আক্ৰান্ত হোৱা নাছিল।

কাষৰে গাঁওখনত বাৰজনৰ মৃত্যু হৈছিল। গোটেই অঞ্চলটোত আৰু কিমানৰ মৃত্যু হৈছিল মোৰ মনত নাই। কোৱা শুনিছিলো, এনেকুৱা মহামাৰী সাধাৰণতে ঘটি থকা ঘটনা। গাঁৱৰ যি অস্বাস্থ্যকৰ পৰিবেশ তাত তেনেকুৱা হোৱাটো একো আচৰিত কথা নহয়। চিভিল হাস্পতালত এই মহামাৰী সম্পৰ্কে জনোৱাৰ পিচত, কলেৰাৰ বেজী দিয়া আৰু সংক্ৰামক ৰোগ নিৰাৰক দল এটা লগত লৈ অঞ্চলটোত ফুৰিবলৈ ডাক্তৰ এজন পঠিওৱা হৈছিল। মহামাৰীৰ প্ৰাদুৰ্ভাৱ সোনকালেই নোহোৱা হৈ আছিল। কিন্তু মহামাৰী আৰম্ভ হ'বলৈ কিয় বৈ থাকিব লাগে? বাপুৱে যে কিয় ইমান স্বাস্থ্য-বিধানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু কৰ্মীসকলক আন কামতকৈ চিকিৎসা দানৰ ওপৰত মনোযোগ দিয়াটো বিচাৰিছিল, সেই কথা ইয়াৰ আগতে

মই ইমান স্পষ্টকৈ বুজিব পবা নাছিলো। কেবলমাত্র চিকিৎসাব ব্যৱস্থা বাপুৱে জনপ্রিয়তা লাভব নিবর্থক চেষ্টা বুলি ভাবিছিল। উত্তম চিকিৎসাব বিধান হৈছে পুষ্টিকব খাদ্যব ব্যৱস্থা কবা আৰু অস্বাস্থ্যকব অৱস্থা নাইকিয়া কবা।

দিনবিলাক যাবলৈ ধবিলে। ক্রমে গাঁওবাসীসকলব আচবণো আগতকৈ কিছু কোমল হৈ আহিল। মোব ঘবটোব পিছফালে ওচবতে এটা ডাঙব নাম-ঘব আছিল। তাতে মাহাবসকল গোটখাই কবতাল বজাই নাম-কীর্তন কবিছিল। এদিনাখন এজন ডেকা ল'বাই আহি তেওঁলোকব নামত যোগ দিবলৈ মোক নিমন্ত্রণ কবিছিলহি। ই এটা নতুন কথা। মই তেওঁব পিচে পিচে সেই ঘবটোলৈ গ'লোঁ। বাবজনমান লোক গোলাকাব হৈ বহি আছিল। তেওঁলোকে মোক দেখি ক'লে, "আহক আহক"। এইবুলি তেওঁলোকে মোক তেওঁলোকব লগতে বহিবলৈ ঠাই কবি দিছিল। তাব পিচত মোক মাতিবলৈ যোৱা ডেকাজনে মোব হাতত তাল এযোব দিলে। সেই চক্রাকাবে বহি থকা মানুহখিনিব ভিতবব বুঢ়া মানুহজনে তালযোব কেনেকৈ ধবিব লাগে মোক দেখুৱাই দিওঁতে পিতৃতুল্য ব্যৱহাব কবিছিল। তাব পিচতে সক ডাঙব নানান আকাবব নানান শব্দ কবা তালবিলাক বজাই তেওঁলোকে কীর্তন আবম্ভ কবিছিল। কাণ কলা হবব উপক্রম হৈছিল যদিও নিশ্চয় ই উদ্দীপক আছিল।

ইয়াব পিচবেপবা বিশেষ কীর্তনব আয়োজন হলেই তেওঁলোকে মোক নিমন্ত্রণ কবিছিল। অৱশ্যে সকলো কথা তৎক্ষণাৎ সহজ হৈ পবা নাছিল। লাহে লাহে পবিবেশ সলনি হৈছিল আৰু চাকাই কামো লঘু হৈ পবিছিল।

এইদবে উন্নতি হৈ আহিছিল যদিও মই সকলো সময়তে অস্থিবতা অনুভব কবিছিলোঁ, কিয়নো, আমি এতিয়াও গাঁওবিলাকব আচল সমস্যাসমূহব ওচব চাপিব পবা নাই। যি কি নহওক, সিন্দি ৱার্ধাবে দাঁতি-কাষবীয়া অঞ্চল। এই গাঁওখন এমূবে ৱার্ধাব লগত যুক্ত হৈ আছে। মই বাপুব সম্মুখত এই পবামর্শ দাঙি ধবিছিলোঁ যে, মগনৱাদীবপবা যদি কোনোবা এজন এই সিন্দি গাঁৱত থাকিবলৈ বাজি হয় তেন্তে মই চাবিওপিনে ঘুবি-মেলি আচল গাঁও এখন বিচাবি চাব পাবোঁ। তেখেত তাতে সম্মত হ'ল আৰু এজন ডেকাই অন্ততঃ কিছুদিনব কাবণে সিন্দিত আহি থাকিবলৈ বাজি হোৱাত মই তাবপবা পাঁচ মাইল ব্যাসার্ধব ভিতবত থকা গাঁওবিলাকত অনুসন্ধান কবিবলৈ ধবিলোঁ। সেই গাঁওবিলাক সিমান সম্ভাৱনাপূর্ণ যেন নালাগিল। এইবিলাক আছিল

শুকান কঠুৱা আৰু অলপো সহাঁৰি নিদিয়া গাৰলীয়া অঞ্চল আৰু তাৰ অধিবাসী-সকলৰ স্বভাৱো অতি কঠুৱা ধৰণৰ। কিছুমান ঠাইত যে হৰিজনসকল দেখা দেখিকৈয়ে শত্ৰুভাৱাপন্ন। সেই কাৰণে উপযুক্ত গাঁও এখন বিচাৰি উলিওৱা সঁচাকৈয়ে টান আছিল। দিনৰ পিচত দিন চাৰিওফালে খোজ কাঢ়ি কাঢ়ি ঘূৰি-ফুৰি শেষত ৱাৰ্ধাৰ পাঁচ মাইল পূবে থকা সে-গাঁও (পিচত সেৱাগ্ৰাম)-খনেই উত্তম হ'ব বুলি, অন্ততঃ আটাইতকৈ কম অসন্তোষজনক হ'ব বুলি মই সিদ্ধান্ত কৰিলোঁ।

আন যি নহওক, ইয়াত তেও যমুনালালজীৰ ফলৰ বাগান এখন আৰু পাম এখন আছিল। গাঁওবাসীসকলেও আন গাঁৱতকৈ কিছু অধিক পৰিমাণে সহাঁৰি দিছিল। গোটেই অৱস্থাটো মই বাপুক বুজাই ক'লো আৰু তেওঁ যমুনালালজীক এই বিষয়ে ক'লে। ফলত অতি সোনকালে সিন্দিৰপৰা মই তালৈ গ'লোঁ।

প্ৰথমতে গৈ মই যমুনালালজীৰ পামৰ গোহালীঘৰ এটাতে আছিলোঁগৈ। অতি সোনকালে গৰুৰ গাৰ চিকৰাবিলাকৰ লগত মোৰ পৰিচয় ঘটিল। মোৰ কঁকালৰ চাৰিওফালে আৰু আঁঠুৰ তলত সিঁতে কামোৰ মাৰি ধৰিছিল। সেইবিলাক একৰাবলৈ যথেষ্ট টান আছিল।

সৰু বহা এডোখৰ সাজিবৰ কাৰণে ঠাই একণ বিচাৰি মই গাঁওখনত ঘূৰিছিলোঁ। কমাৰ এজনৰ ঘৰ আৰু মন্দিৰ এটাৰ মাজৰ খোলা ঠাই এডোখৰৰ ওচৰতে কুঁৱা এটাও আছিল ; শেষত সেইডোখৰ ঠাইকে বাছি লৈছিলোঁ। ফাৰ্মৰ মেনেজাৰে তেওঁৰ মাহাৰ বনুৱাসকলক মোৰ নিৰ্দেশমতে সৰু জুপুৰি এটা সাজি দিবলৈ কৈছিল। মই সেই বনুৱাসকলক, যিবিলাক বস্তুৰে তেওঁলোকৰ নিজৰ ঘৰ সাজে, সেইবিলাক বস্তুৰেই মোৰটো ঘৰো সাজিবলৈ কৈছিলোঁ। ঘৰটো দীঘে সাতফুট, বহলে পাঁচফুট কৰি সাজিবলৈ আৰু বস্তু-পাতি থ'বৰ কাৰণে একালে চালি এডোখৰো দিবলৈ কৈছিলোঁ। এসপ্তাহতকৈয়ো কমদিনৰ ভিতৰতে ঘৰটো সম্পূৰ্ণ হৈ উঠিল। ব্যৱহাৰ কৰা বস্তুবিলাক আছিল কাঠ, বাঁহ, তালপাতৰ মাজৰ সিৰ, বোকাৰ লেপ আৰু চালখনৰ কাৰণে খাপৰি। মানুহ-বিলাকে কাম কৰোঁতে মই লক্ষ্য কৰিছিলো যে বোকাৰ লেপত চিত্ৰ আঁকিব পাৰি। সেইকাৰণে নিজহাতে মই ভেটিবপৰা বেৰৰ ওপৰ অংশত তালগছ, চৰাই আৰু জন্তুৰ ছবি আঁকিছিলোঁ।

ৰব বেছিদিন নৌ হওঁতেই খবৰ আহিল যে হঠাৎ বাপুৰ স্বাস্থ্য ভাগি পৰিছে আৰু তেওঁৰ বক্তচাপ ভীতিজনকভাৱে বৃদ্ধি পাইছে। পিচৰটো খবৰত শুনিলো যে তেওঁ বিনোৱাৰ আশ্রমলৈ গৈছে। কাৰণ, তেওঁ ভাত নিবলে থাকিব পাৰিব। ডাক্তৰসকলে তেওঁক সম্পূর্ণ বিশ্রাম ল'বলৈ নির্দেশ দিছে। সকলো ব্যৱস্থাৰ দায়িত্ব যমুনালালজীয়ে লৈছে আৰু ইটো সিটো কৰিবলৈ লগত তিনি চাৰিজনমান লোক আছে বুলি মোক কৈছিল।

আশ্রমখন ৱার্ধাৰ সেৱাগ্রামৰপিনেই আছিল আৰু দূৰত্বও কথমপি চাৰি মাইলমানহে হ'ব। মই তালৈ গৈ বাপুৰ কাষত কিছুপৰ শান্তিৰে বহি আকৌ গাঁৱলৈ উভতিব পাৰিম, গতিকে মই খোজ লৈছিলোঁ। বাপু প্রধান ঘৰটোৰ চাতত থকা ডাঙৰ কোঠাটোত আছিল। চাতলৈ উঠা খট্‌খটিৰ কাষ পালোঁগৈ। মানুহ এজনে মোৰ বাট বন্ধ কৰি ধৰিলে। মই যেতিয়া প্রতিবাদ কৰিলোঁ তেওঁ ক'লে যে মোক বাধা দিবলৈ তেওঁক নির্দেশ দিয়া আছে। কথাষাৰ মোৰ বাবে বজ্রাঘাত যেন আছিল। মই বাবত আউজি পৰিলো আৰু গালেদি চকুলো নিগৰিবলৈ ধৰিলে। চকুপানী মই সামৰিব নোৱাৰা হৈছিলোঁ। এই আঘাত মোৰ কাৰণে ইমান ডাঙৰ আছিল যে কেবাবছৰলৈকে ইয়াক মই পাহৰিব পৰা নাছিলোঁ। অৱশ্যে বাহিৰত এইবিলাক কি ঘটিছে নঘটিছে বাপুৱে তাৰ একো সন্ধেদ পোৱা নাছিল। মোক সাৱধান কৰি দিছিল যে মই গাঁৱৰপৰা আহিছো বুলি যদি বাপুৱে শুনিলেহেতেন তেন্তে নিশ্চয় তেওঁৰ বক্তচাপ বৃদ্ধি পালেহেঁতেন।

সে-গাঁৱলৈ আকৌ উলটি গ'লোঁ। কোনোবকমে মোৰ কাম চলাই গৈছিলোঁ। কেদিনমানৰ পিচত যমুনালালজীয়ে খবৰ পঠিয়ালে যে, মই গৈ কেই-মিনিটমানৰ কাৰণে বাপুক চাই আহিবগৈ পাৰো। আধামৰাৰ নিচিনা হৈ মই পথাৰ পাৰ হৈ গৈ আছিলোঁ। বাপুৰ কোঠালীলৈ যেতিয়া মই উঠি গৈছিলো, যমুনালালজীও মোৰ লগে লগে আহি জেল চুপাৰিণ্টেণ্ডেণ্টৰ দৰে ভাতে বহি আছিলহি। মোৰ বোধেৰে মোক পাচ কি দহ মিনিট পৰ বাপুৰ ওচৰত থাকিবলৈ দিছিল। বাকী যিসকলে বাপুক চোৱা-চিতা কৰিছিল, তেওঁলোক কোঠাটোলৈ অহা-যোৱা কৰিয়েই আছিল। কিন্তু মোক কৈছিল যে যিয়েই নহওক, মই সে গাঁৱত থাকিবই লাগিব নহলে বাপুৰ বক্তচাপ বিপদজনক হৈ উঠিব। অৱশ্যে বাপুৰ প্রতি থকা ভক্তি আৰু উদ্বিগ্নতাৰ কাৰণেই তেওঁলোকে এনে সাৱধানতা

অবলম্বন কবিছিল। সেই হিচাপে গোটেই কথাটো মই ভালভাবে ল'বলৈ চেষ্টা কবিছিলোঁ। কিন্তু ইতিপূর্বেই মোব স্নায়ুব ওপবত যি ভীষণ হেঁচা পবিছিল, সেই অবস্থাত এই নতুন পবিস্থিতি মই সহ্য কবা টান হৈ পবিছিল।

ক্রমান্বয়ে বাপুব স্বাস্থ্যব উন্নতি হ'বলৈ আবম্ভ কবিছিল যদিও, তেওঁব বক্তচাপ তেতিয়াও অতিবিক্ত পবিমাণে বর্ধিত অবস্থাত আছিল। ডাক্তবসকলে বায়ু পবিবর্তনব পবামর্শ দিছিল। সেই কাবণে তেওঁ কিছুদিনব কাবণে আহমদাবাদলৈ গৈছিল। বাপু অসুস্থ হৈ বিনোবাব আশ্রমত থকা সময়ছোৱাব ভিতবত অলপ সময়ব কাবণে কেইবাবমান মোক দেখা কবিবলৈ যে অনুমতি দিছিল সেয়েই আক। দেখা-সাক্ষাতব সময় কম হোৱাব কাবণে নহয়, এই যে বাপু আক মোব মাজত আচবিত ধবণব এক কৃত্রিমতাব সৃষ্টি কবা হৈছে, সেই কথাই দুঃস্বপ্নব দবে মোব লগ নেবা হৈছিল। মই যদি এটা শব্দ কওঁ তেন্তে বাপুব বক্তচাপ বৃদ্ধি পাব, এই ভয়টোৱেই ডেমক্লচব তবোৱালব দবে মোব মূবব ওপবত সদায় ওলমি আছিল। সেই কাবণে মই একো নেমাতি মনে মনে থাকিবব কাবণে নিজব লগত যুদ্ধ কবি আছিলোঁ। কিন্তু বেছিদিন নো হওঁতেই মোব স্বাস্থ্য ভাগি পবিল আক মগনৱাদীলৈ যাবলগীয়া হ'ল।

এতিয়া বাপু দূবত। তেখেতলৈ লিখিবলৈ মই অনুমতি পাইছিলোঁ। এই লিখাব মাজেবে বাপুবে সৈতে ঘনিষ্ঠতা আক স্বাভাৱিকতা পুনব ঘুবাই পাইছিলোঁ। আনে তদাবক কবা সাক্ষাত-প্রসঙ্গবিলাকত এই স্বাভাৱিকতাব একেবাবে অভাব ঘটিছিল।

সে-গাঁও সম্বন্ধে থকা মোব কিছুমান ভয়ব কথা বাপুৱে মোব চিঠিত ধবা পেলাইছিল। এই ভয় গাঁওখনব সম্বন্ধে তেনেকৈ নহয়; ই এনে এটা বস্তু বা ঠাই এখনব কথা, যাবে সৈতে ভয়ানকভাবে চকুখোৱা ঘটনা এটাব সম্পর্ক আছে। এই সে-গাঁৱবপবাই বাপুক চাবলৈ যাওঁতে মই তেওঁ অসুস্থ হৈ পবি থকা কোঠালীলৈ যোৱা খট্‌খটিব মুখত মোক সোমাবলৈ মানা কবা নাছিলনে? আক এই সে-গাঁৱলৈকে মই কষ্টকব অকলশবীয়া জীৱন যাপন কবিবলৈ উভতি যোৱা নাছিলোনে? এইকথা সঁচা যে, এবাব সেই কষ্টদায়ক দৃশ্যবপবা আঁতবি আহি আকৌ তালৈ ঘুবি যাবলৈ মই ভয় কবিছিলোঁ।

ফেব্রুৱাৰী মাহৰ শেষ তাৰিখে আহমদাবাদৰপৰা বাপুৱে লিখিছিল :

মই বুজিছো—তুমি সে-গাঁৱলৈ যাবলৈ ভয় কৰিছা। যদি তুমি তালৈ যোৱাৰ কাৰণে উৎসাহ অনুভৱ কৰা নাই, তেনেহলে নেযাবা।

তাৰ পিচৰ দিনাখন :

আত্মশুদ্ধিৰ কাৰণে তপস্যা কৰিবলৈ তুমি সে-গাঁৱলৈ যোৱাৰ আৱশ্যকতা আছে বুলি মই নেভাবোঁ। আন প্ৰকাৰে যদি তুমি সুখী হ'ব নোৱাৰা, তেতিয়াহে তুমি তালৈ যোৱা উচিত। সে-গাঁৱলৈ অৱশ্যে মই যাবই লাগিব। মই যেতিয়া সে-গাঁৱলৈ যাম, তেতিয়া তুমি যদি তাত নেথাকা, তেন্তে এতিয়া মোৰ লগত থকা সঙ্গীসকলৰ কোনো তালৈ যাব নোৱাৰে। সে-গাঁৱত মই নতুন বন্ধু-বান্ধৱ আৰু সহকৰ্মী পাবলৈ লাগিব। যদি ভালপোৱা তেন্তে সে-গাঁৱৰ লগালগি যিকোনো এখন গাঁৱতে তুমি থিতাপি লোৱাৰ বন্দবস্ত কৰিব পাৰোঁ—যাতে মোৰপৰা ওচৰতে হয়। মোৰ প্ৰাণ গাঁওবিলাকতে আছে। কিবা এটা বুদ্ধি উলিয়াই মই তালৈ যাব খোজো। মোৰ নিজ ইচ্ছাৰে তালৈ যোৱাৰ বা বন্ধুসকলৰ যুক্তি-তৰ্কৰ লগত যুজ কৰাৰ সাহস মোৰ নাই। অসুস্থ অৱস্থাৰপৰা মই ভাল হৈ উঠাৰ লগে লগে যদি তুমি সে-গাঁও এখিবলৈ নিজক সমৰ্থ কৰাব পাৰা তেন্তে মই সে-গাঁৱলৈ যাবলৈ ভাল পাম। তোমাক শাস্তি দিবৰ কাৰণে নহয়—গাঁৱলে যাবৰ কাৰণে ঈশ্বৰে দিয়া সুযোগ এটা বুলিহে।

এই চিঠি পোৱাৰ পিচত মোৰ মনৰ মাজত তোলপাৰ লাগিল। কেবা-বছৰৰপৰা মোৰ মনৰ সপোন আছিল যে বাপুৰ নিশ্চয় এদিন গাঁৱত থাকিবলৈ ল'ব আৰু ময়ো হয়তো তেওঁৰ লগতে থাকি জনতা আৰু তেওঁলোকৰ সমস্যাৱলী বাপুৱে কেনেকৈ সমাধান কৰিব খোজে সেই বিষয়ে অধ্যয়ন কৰিব পাৰিম। সম্প্ৰতি মোৰ এই সপোন ছেদেলি-ছেদেলি হৈ গল। হয়তঃ এই সপোনত মই নিজে গিমানদূৰ জড়িত সেই কথাটো। তাৰ উপৰি বাপুৰ কাৰণে যিখন ঠাই মই বাছিলোঁহেঁতেন সেইখন কোনোপধ্যেই সে গাঁও হ'ব নোৱাৰে। তথাপি সে-গাঁও সম্পৰ্কে মোৰ এনে ভাব থকা সত্ত্বেও মগনবাদী হ'কে সে গাঁৱেই বোধকৰো বাপুৰ কাৰণে বেছি ভাল হ'ব। মগনবাদীত অতি সোনকালে তেওঁৰ স্বাস্থ্য আকৌ ভাগি পৰিবলৈ বাধ্য।

ততালিকে সে-গাঁৱলৈ উদ্গতি গ কৰোবভাৱে কাম কৰিব লাগিব আৰু ফলাফল ঈশ্বৰৰ হাতত। ইয়াতকৈ অন্য সিদ্ধান্তলৈ অহাৰ কথা মই ভাবিব নোৱাৰিছিলোঁ।

সে-গাঁৱলৈ উভতি আহি মই স্বাস্থ্যবিধি সম্বন্ধীয় সমস্যাত মনোনিবেশ কৰিছিলোঁ। সে-গাঁও এটা কেন্দ্ৰ হিচাপে বাচিব লগা গাঁও নহ'ব পাৰে; কিন্তু যি অৱস্থাত বাছনি কৰিব লগা হৈছিল, সেই অৱস্থাত সে-গাঁৱকে নেবাছি উপায় নাছিল। আন যিকি নহওক, সিন্দিতকৈতো ভাল।

সে-গাঁৱৰ চাৰিওপিনে মুকলি ঠাই আছিল। গাঁৱৰ মাজৰে বাট-পথ-বিলাকৰ অৱস্থাও সিন্দিতকৈ বহুত ভাল। অৱশ্যে ইয়াত উন্নতি কৰিবলগীয়া বহুতো কাম বাকী আছিল।

মার্চ মাহ আৰম্ভ হোৱাৰ সময়লৈ বাপুৰ গা ইমানখিনিলৈকে ভাল হৈ উঠিছিল যে তেওঁ আগৰ দৰে ফুৰা-চকা আৰম্ভ কৰিব পৰা হৈ উঠিল। পোন প্ৰথমতে তেওঁ চেৰলি নামে ঠাই এখনলৈ গৈছিল। চেৰলি গাঁৱলীয়া অঞ্চলৰ এখন সৰু চহৰ। তাতে নতুনকৈ গঠন হোৱা গান্ধী সেৱা সঙ্ঘৰ প্ৰথম সম্মিলন-খন বহিছিল। এই সেৱাসঙ্ঘ সম্বন্ধে বাপু আৰু তেওঁৰ সহকৰ্মীসকলৰ মাজত বহুতো আলোচনা হৈছিল। তেওঁলোকে বাপুৰ আদৰ্শসমূহ শৃঙ্খলাবদ্ধ কৰি তাৰ উন্নতি সাধন কৰিবলৈ বিচাৰিছিল। আনপক্ষে বাপুৰে কৈছিল যে তেওঁৰ কোনো 'ইজিমে'ই নাই। এনেধৰণে হোৱা আলোচনাৰ ফলত বাপুৰে অতদিনে নিজৰ, আৰু নিজৰ কাম সম্বন্ধে কোৱা কথাৰ ভিতৰত আটাইতকৈ মূল্যৱান কথা কেইআষাৰমান কৈছিল।

গান্ধী সেৱাসঙ্ঘৰ সভাত বক্তৃতা দি ১৯৩৬ চনৰ মার্চ মাহৰ ২৮ তাৰিখে বাপুৰে কৈছিল:

> গান্ধীবাদ বুলি কোনো মতবাদ নাই। মোৰ পিচত কোনো মোৰ নামৰ সম্প্ৰদায় মই ৰাখি থৈ যাব নোখোজো। মই দাবী নকৰো যে কোনো নতুন নীতি বা মতবাদ মই সৃষ্টি কৰিছো। অনাদি অনন্ত সত্যসমূহ আমাৰ দৈনন্দিন জীৱনত আৰু আমাৰ সমস্যাবাজি সমাধানৰ কাৰণে কেনেকৈ কামত লগাব পাৰি, মোৰ নিজৰ মতে, মই তাৰেইহে পৰীক্ষা চলাইছো। সেইকাৰণে, মনুৰ দৰে মই কোনো সংহিতা এৰি থৈ যোৱাৰ কথা নাই। সেইজন আইন বচোঁতাৰ লগত মোৰ কোনো বিজনি হ'ব নোৱাৰে। মোৰ অভিমত আৰু সিদ্ধান্তবিলাক অপৰিৱৰ্তনীয়ও নহয়। তাতকৈ ভাল মত বা সিদ্ধান্তত উপনীত হ'ব পাৰিলে, মই সেইবিলাক পৰিৱৰ্তনো কৰিম। পৃথিৱীক মই নতুন একো শিকাবলগীয়া নাই। সত্য আৰু অহিংসা পৰ্বতৰ দৰেই পুৰণি। মই কেৱল এক বৃহত্তৰ ক্ষেত্ৰত, যিমান ভালকৈ পাৰো, তাৰ পৰীক্ষা চলাইছো। তাকে কৰিবলৈ যাওঁতে মই কেতিয়াবা ভুলো কৰিছো আৰু সেই ভুলবপৰা

শিকিছোও। এই ধৰণে মোৰ কাৰণে জীৱন আৰু জীৱনৰ সমস্যা সত্য আৰু অহিংসাৰ ক্ষেত্ৰত লানি নিছিগা গৱেষণা আৰু অন্বেষণত পৰিণত হৈছে। স্বাভাৱিকভাৱে মই সত্যপৰায়ণ; কিন্তু সেইদৰে অহিংস বুলি ক'ব নোৱাৰো। মই যেনেকৈ সত্যৰ পৃষ্ঠপোষক, তেনেকৈ অহিংসাৰ নহওঁ। মই সত্যক প্ৰথম স্থান দিওঁ আৰু অহিংসাক দ্বিতীয় স্থান দিওঁ, এজনে, জৈন মুনিয়ে এবাৰ কোৱা এই কথাষাৰ সঁচা। কিয়নো, মুনিজনে কৰা শব্দ সংযোজনা মতে, মই সত্যৰ কাৰণে অহিংসা বলি দিব পাৰোঁ। দৰাচলতে, সত্য অন্বেষণ কৰোঁতেহে মই অহিংসা আৱিষ্কাৰ কৰিছো। আমাৰ শাস্ত্ৰয়ো কৈছে যে সত্যতকৈ ডাঙৰ ধৰ্ম নাই। কিন্তু শাস্ত্ৰকাৰসকলে কৈছে যে অহিংসা সৰ্বোচ্চ ধৰ্ম। মোৰ মতে সত্য আৰু অহিংসা এই দুটা কথাৰ সম্পৰ্কত ধৰ্ম শব্দটোৰ অৰ্থও বেলেগ।

মোৰ সমগ্ৰ দৰ্শন—যদি দৰ্শনৰ দৰে গাম্ভীৰ্যপূৰ্ণ শব্দ এটা ব্যৱহাৰ কৰিব পাৰি—মই ওপৰত এইমাত্ৰ কোৱা কথাকেষাৰৰ ভিতৰত সন্নিবিষ্ট হৈ আছে। আপোনাসকলে যেন ইয়াকে গান্ধীবাদ বুলি নকয়। কিয়নো, ইয়াত কোনো বাদৰ কথা নাই। এই কথাকিটা ব্যাখ্যা কৰিবলৈ কোনো ব্যাপক সাহিত্য প্ৰচাৰৰো প্ৰয়োজন নাই। মোৰ যি অভিমত, তাৰ বিৰুদ্ধে শাস্ত্ৰ বাক্যও উদ্ধৃত কৰি দেখুৱা হৈছে। কিন্তু মোৰ সেই দৃঢ় বিশ্বাস আগতকৈও দৃঢ়তৰ হৈছে যে একোৰে কাৰণে সত্য বিসৰ্জন দিয়া উচিত নহয়। যিসকলে মই দাঙি ধৰা প্ৰাথমিক সত্যত বিশ্বাস কৰে, তেওঁলোকে সেইমতে জীৱন যাপন কৰিছে, তাৰ প্ৰচাৰ কৰিব পাৰে। কেৱল কিতাপৰ জৰিয়তে মই কেনেকৈ পৃথিৱীক প্ৰত্যয় নিয়াব পাৰো। যে মোৰ সমগ্ৰ গঠনমূলক আঁচনিখনৰ মূল শিপাডাল বা ভিত্তি হৈছে অহিংসাৰ আচৰণ, মোৰ জীৱনেহে এই কথা প্ৰতীয়মান কৰি দেখুৱাব পাৰে।

চেৱলিৰপৰা কেদিনমান জিৰণি লবৰ উদ্দেশ্যে বাপু দিল্লীলৈ গৈছিল। দিল্লীৰ কিংছৱে কেম্পত থকা হৰিজন কলনিত তেওঁ আছিলগৈ। তাৰপৰা ভাৰতীয় জাতীয় কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনত যোগ দিবলৈ লক্ষ্ণৌলৈ গৈছিল।

এইদৰে ভ্ৰমণ কৰি থকা সময়তো বাপুৰপৰা নিয়মমতে চিঠি আহিছিল। সেই চিঠিবিলাকৰপৰা বুজিব পৰা গৈছিল যে সে গাঁৱত আহি নিজে বসবাস কৰা ধাৰণাটোৰ প্ৰতি তেখেতৰ মন বৰ বেগেৰে ধাবিত হৈছে। মাৰ্চ মাহৰ ১৪ তাৰিখে তেওঁ লিখিছিল :

মোৰ অন্তঃকৰণ তাতে আছে। মোৰ চেষ্টাই ক'ত পৰিণতি লাভ কৰে নেজানো।

খুটি-নাটি প্ৰতিটো কথা মোৰ তেনেকৈ মনত নাই। কিন্তু সাধাৰণভাৱে যি মনত আছে তাৰপৰা কব পাৰো যে, প্ৰায় সকলোৱেই বাপুৱে এইদৰে

গাঁৱলৈ গৈ বাস কৰা কথাটোৰ বিৰোধিতা কৰিছিল আৰু ময়েই ইয়াৰ কাৰণ বুলি সকলোৱে দেখাদেখিকৈ মোৰ সমালোচনা কৰিছিল। বাপুৰ চাৰিওকাষে ঘেৰি থকা মানুহখিনিৰ মাজত ক'ৰবাত এজনো কিজানি এনে লোক নাছিল যিজনে গাঁও ভাল পায়। চহৰৰ দাঁতি-কাষৰীয়া অঞ্চলত থকা মগনৱাদীলৈকে তেওঁলোকৰ সৰহভাগে যাবলৈ ইচ্ছা ৰাখে।

আকৌ গৰম দিন আহিল। সকলো ঠাইলৈকে খোজকাঢ়ি যোৱাটো মোৰ কাৰণে টান হোৱাত মই গাঁৱৰ স্থানীয় ঘোঁৰা এটা যোগাৰ কৰি লৈছিলোঁ। ঘোঁৰাটো বেচ সৰু আছিল। ঘোঁৰাটো টাট্টু ঘোঁৰা এটাতকৈ ডাঙৰ নাছিল। কিন্তু বুধিয়ক, শক্তিমান আৰু মৰমিয়াল আছিল। মই নিজেই তাৰ সকলো যতন লৈছিলোঁ। আমি দুয়ো ঘনিষ্ঠ বন্ধু হৈ পৰিলোঁ। তাৰ নাম আছিল 'চেজিলা'।

উত্তা। যেতিয়া ১০০ ডিগ্ৰীৰো ওপৰলৈ উঠে তেতিয়া গাঁৱৰ মাজত থকা মোৰ সৰু বহাটোত থকাটো অসম্ভৱ হৈ পৰে। মই যমুনালালজীৰ ফাৰ্মলৈ উভতি গৈছিলোঁ। কিন্তু এইবাৰ গৈ মই তেওঁৰ ফলৰ বাগিচাৰ গছৰ তলত কেম্প কৰি আছিলোঁ, সেই চিকৰাবিলাকৰ কবলত নপৰিবৰ কাৰণে। গছৰ কিছু পাতল আৱৰণৰ লগতে মই বাহৰ ঢাৰি এখন দি লৈছিলোঁ। তথাপিও গৰম অতি সাংঘাতিক আছিল।

সে-গাঁৱত আহি বাস কৰা কথালৈ বাপুৰ উৎসাহ ক্ৰমান্বয়ে বাঢ়ি আহিছিল। কিন্তু প্ৰথমতে যমুনালালজীৰ মত সলনি নকৰালৈকে তেওঁ কোনো চূড়ান্ত সিদ্ধান্ত ল'ব যেন লাগিছিল। এপ্ৰিল মাহৰ ১৪ তাৰিখে বাপুৱে লিখিছিল :

> আধাআধি যমুনালালজী মোৰ মতলৈ আহিছে।
>
> মই বৰ আনন্দ পাইছো যে চেজিলাৰ মাজেদি তুমি এজন বিশ্বস্ত আৰু বুদ্ধিমান বন্ধুৰ সঙ্গ লাভ কৰিছা। মই তোমাৰ সাহসমূলক নৈশ অভিযানবিলাকলৈ ভয় কৰোঁ। মই জানো, আমি এনেকৈ ভয় কৰা ভুল। আমি সকলো সিজনাৰ ছত্ৰছায়াৰ তলত আছোঁ। কিন্তু আগতীয়াকৈ অনুমান কৰিব পৰা কিছুমান দুৰ্ঘটনাৰপৰা যাতে তুমি মুক্ত থাকিব পাৰা তাৰ কাৰণে মই উদ্বিগ্ন হৈ আছোঁ। আশা কৰোঁ তুমি ভালে কুশলে আনন্দেৰে আছা।

মোৰ নৈশ অভিযানবিলাক আছিল এদ্ধাৰ হোৱাৰ পিচত সে-গাঁৱলৈ ঘোঁৰাত উঠি উভতি অহা। কিবাকিবি কামত মই প্ৰায়ে ৰাৰ্ধালৈ গৈ থাকিব

লাগিছিল। দিনত অতিপাত গৰম হোৱাৰ কাৰণে মই চলপুৱাতে ঘোঁৰাত উঠি ৰাওনা হৈছিলো আৰু গধূলি পলমকৈ, আন্ধাৰ হোৱাৰ পিচতহে উভতি আহিছিলোঁ। সেই কালত সে-গাঁও আৰু ৱাৰ্ধাৰ মাজত থকা পথ হত্যা আৰু ডকাইতিৰ কাহিনীৰপৰা মুক্ত নাছিল। ময়ো ভবিষ্যত আন্ধাৰ হোৱাৰ আগতে ঘৰ সোমাবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু ৰাতি অকলশৰে ঘোঁৰাত উঠি নিৰ্জন বাট এটাৰে যোৱাত মোহনীয় কিবা এটা আছিল। মই তাক উপভোগ কৰিছিলোঁ।

মগনৱাদীলৈ উলটি আহি বাপুৱে লিখিছিল :

ঘৰ-দুৱাৰ সজা কাম আৰম্ভ কৰিবৰ কাৰণে যমুনালালজীয়ে সম্পূৰ্ণ কৰ্তৃত্ব দিছে। তুমি যদি কাইলৈ আবেলি বা ২৩ তাৰিখে আহা তেন্তে সকলো কথা কব পাৰিলোহেঁতেন।

মই ঘোঁৰাত উঠি বাপুক লগ ধৰিবলৈ গৈছিলোঁ। তেওঁ মোক বুজাই ক'লে যে, কেইদিনমানৰ কাৰণে তেওঁ আহি মোৰ গছৰ তলৰ কেম্পতে থাকিবহি— যাতে গাঁওখন আৰু তেওঁৰ পঁজাটিৰ বাবে সতাধানভাৱে বাছি থোৱা ঠাইখন চাব পাৰে। গৰম, ক্লান্তি বা কোনো ৰকমৰ অসুবিধাৰ অনুভূতি মোৰ নোহোৱা হ'ল। মোৰ সেই সৰু কুঠৰীটো যিমানদূৰ পাৰো পৰিষ্কাৰ পৰিচ্ছন্ন কৰি মই সজাই তুলিলোঁ। ডাঙৰ গছজোপাৰ তলতে মই বাপুৰ গাড্ডীখন বঢ়িয়াকৈ পাৰি তাৰ ওচৰতে মোৰ গাইজনী আৰু চেঞ্জিলাৰ লগতে খাৰতী ছাগলী এজনাও বান্ধি ৰাখিছিলোঁ। বাপু যেতিয়া আহিল যমুনালালজীয়ে গাঁৱত এখন সভা পতাৰ ব্যৱস্থা কৰিছিল। সেই সভাত বাপুৱে গাঁওবাসীসকলৰ আগত বক্তৃতা দিছিল।

কুম্বী গাঁওবুঢ়া আভিজাত্যসম্পন্ন আকৰ্ষণীয় চেহেৰাৰ এজন বুঢ়া মানুহ। তেওঁ এটা অকপট আৰু সুৰুচিসম্পন্ন বক্তৃতাৰে বাপু আহি তেওঁলোকৰ মাজত বাস কৰিব খোজাত আনন্দ প্ৰকাশ কৰিছিল। কিন্তু লগতে এই কথাও পৰিষ্কাৰকৈ জনাই দিছিল যে তেওঁ ব্যক্তিগতভাৱে বাপুৰ হৰিজন আঁচনিত সহযোগিতা কৰিব নোৱাৰিব। বাপুৱে তেওঁৰ অকপট আচৰণ দেখি সন্তোষ পাইছিল আৰু সেইদিনাৰেপৰা তেওঁলোকৰ মাজত বেচ ভাল ভাব হৈছিল।

গাঁওখনৰ উত্তৰে ওখ অঞ্চলটোৰপিনে থকা মুকলি পথাৰখনতে এক একৰ মাটি মই বাপুৰ পঁজাটোৰ কাৰণে বাছিছিলোঁ। এতিয়া তাকে বাপুৱে

চাবলৈ গৈছিল। আমি তেখেতৰ নিৰ্দেশমতে ঘৰটোৰ ভেটিটো জুখিছিলোঁ। ঘৰটো দীঘলে ত্ৰিশ ফুট আৰু বহলে পোন্ধৰ ফুট হ'ব। ভেটি ওখ আৰু খোলা বাৰান্দাবিলাক হ'ব। সেই সময়ত ঘৰটোৰ অন্যান্য খুঁটি-নাটিৰ বিষয়ে একো ঠিক হোৱা নাছিল।

সেই ৰক্তচাপ বৃদ্ধিৰ অসুখৰপৰা বাপু তেতিয়াও সম্পূৰ্ণৰূপে আৰোগ্য হোৱা নাছিল। ডাক্তৰসকলে তেওঁক ৰৰষুণ নোহোৱালৈকে কোনো এখন ঠাণ্ডা ঠাইলৈ যাব লাগে বুলি জোৰ কৰিছিল। তেওঁ নন্দী পাহাৰলৈ গৈছিল। আগতেও সেই ঠাইৰ জলবায়ুয়ে তেওঁক সুজিছিল। যোৱাৰ আগতে দুজন শক্তিমান কৰ্মী মগনৱাদীৰপৰা আহি যাতে মোক বসুৱা গোটোৱা আৰু সিহঁতৰ কাম চোৱা কামত সহায় কৰিব পাৰে, তাৰ ব্যৱস্থা তেখেতে কৰিছিল। এজন আছিল বলৱন্ত সিং। বাপুৰ দলটোৰ মাজত আচল খেতিয়কৰ বুনিয়াদ থকা একমাত্ৰ মানুহজন আছিল এই বলৱন্ত সিং। মুখত জুটুলা-জুটুল দাঢ়িৰে, সিৰ ওলোৱা ক্ষীণ চেহেৰাৰ আছিল মানুহজন। আনজন আছিল মুন্নালাল শ্বাহ—ওখ আৰু বলী। তেওঁ এজন আইন-ব্যৱসায়ী আছিল। তেওঁ নিজৰ আইন ব্যৱসায় এৰি দি বাপুৰ লগত যোগ দিছিল। যিমান বেগেৰে পাৰোঁ আমি আমাৰ কাম কৰি যাবলৈ ধৰিলো। ৰৰষুণ আৰম্ভ হ'বলৈ এমাহতকৈ অলপহে বেছি আছিল। যিয়েই নহওক লাগিলে, ৰৰষুণ আৰম্ভ হোৱাৰ আগতে আমি সকলো কাম শেষ কৰিবই লাগিব। বোকাৰ লেওৰে ৰেৰবিলাক সাজিব লাগিছিল আৰু যদি চালখন সম্পূৰ্ণ হোৱাৰ আগতে ৰৰষুণ আৰম্ভ হয়, তেন্তে সেই মাটিৰ ৰেৰবোৰ খহি যাব।

দক্ষিণৰপৰা পোনে পোনে বাপু সে-গাঁৱলৈ আহিবলৈ পৰিকল্পনা কৰিছিল। তাৰ অৰ্থ হ'ল, আৰু এমাহ সময়ৰ ভিতৰতে আমি সকলো সম্পূৰ্ণ কৰিব লাগিব। ওচৰে-পাঁজৰে থকা আটাইকিখন গাঁৱৰেপৰা মুনিহ আৰু তিৰোতা বসুৱাও মাতি অনা হৈছিল। জুপুৰিটোৰ ভেটি বান্ধিবৰ কাৰণে ওচৰৰ পাহাৰৰ-পৰা শিল কঢ়িয়াবলৈ প্ৰায় পঞ্চাশখন সৰু গৰু গাড়ী নিযুক্ত কৰা হৈছিল। বাতিপুৱাৰেপৰা বাতি নোহোৱালৈকে আমি এই কামতে লাগি আছিলোঁ।

জুপুবিটোৰ উপবিও গোহালীঘৰ এটাও সাজিব লগা হৈছিল। তাৰ উপবি ক'লা মাটিৰ দ পথাৰখনবপৰা কাষৰ ওখ ঠাইখিনিলৈকে বাস্তা এটাও কবিব-লগা হৈছিল। তাত মাটিখিনি টান আৰু শিলাময় আছিল।

এই ঘৰ সজা কাম পূৰ্ণ উদ্যমে চলি থকা অৱস্থাতে হঠাতে মই মেলেবিয়া জ্বৰত পবিলোঁ। মোৰ জ্বৰ ১০৫ ডিগ্ৰী পৰ্যন্ত উঠিছিল। সেই সময়ত দিনৰ উত্তাপ অতি বেছি ১১৮ ডিগ্ৰীলৈকে উঠিছিল। এই গৰমে মোক ভালকৈ সিজাই পে লাইছিল। বেচেৰা বলৰন্তু সিং আৰু মুন্নালাল ভায়ে ঘৰৰ কাম চোৱাৰ উপবি মোৰ পবিচৰ্যাও কবিব লগা হৈছিল। কিয়নো, ঘৰৰ কাম এদিনলৈও আমি বন্ধ বাখিব নোৱাবিছিলোঁ। ভীষণ জ্বৰত গছজোপাৰ তলত পবি থকাৰ কথা মোৰ মনত পৰে। বলৰন্তু সিঙে মোৰ ভবিৰ তলুৱাত ছাগলী গাখীৰ পিহি দিছিল আৰু তাৰ পৰা সঁচাকৈয়ে মই বৰ আৰাম পাইছিলোঁ। মোৰ এই অৱস্থাৰ খবৰ যেতিয়া ৰাধা পালেগৈ তেতিয়া মোক যমুনালালজীৰ ঘৰলৈ লৈ গ'ল। মাজে মাজে জ্বৰ নথকা সময়ত ঘৰ সজা কামত কিছু চকু দিব পৰা যাব বুলি আমাৰ সক কেম্পটোতে থাকিবলৈ মই বেছি ভাল পালোঁহেতেন; কিন্তু মানুহে বৰ জোৰ কবিছিল।

ভাগ্যক্ৰমে জ্বৰ সোনকালে এবিলে আৰু এসপ্তাহৰ ভিতৰতে মই সে-গাঁৱলৈ উভতি আহিলোঁ। জুনমাহ পালেহি। ডাৱৰৰ অহা-যোৱা আৰম্ভ হ'ল, কিন্তু তেতিয়াও বাপুৰ কুটীৰৰ চালখন তোলা হোৱা নাছিল। অসমাপ্ত সেই মাটিৰ বেৰবিলাক শুকাল আৰু কাঠৰ চ'ত্তিৰ ভৰ সহিব পৰা হ'ল। এতিয়া ফলা বাঁহৰ কামিৰে সজা চালখন খাপবি খাজৰৰ কাৰণে চ'ত্তিৰ ওপৰত তুলি গজালি দিবলগীয়া হ'ল। শেষচটা খাপবি যেতিয়া তুলিবা হ'ল, আমি ঘৰটোৰ পিনে ৰ' লাগি চাই স্বস্তিৰ নিশ্বাস পেলাইছিলোঁ। কিন্তু কোঠালীটো কেনেকৈ শুকোৱা যায় সেই প্ৰশ্নটো তেতিয়াও আছিলেই। আটাইবিলাক দুৱাৰ-খিৰিকী আমি খুলি বাখিছিলোঁ। তথাপি সেমেকা বতাহৰ কাৰণে ঘৰ লাহে লাহেহে ঘৰটো শুকাইছিল।

১৪ জুন ববিবাৰে বাপুৰপৰা চমু চিঠি এখন আহিল। বাপু তেতিয়া মগনৱাদী পাইছিলহি। চিঠিখনত লিখিছিল যে বতৰ যদি ভালে থাকে তেন্তে মঙ্গলবাৰে পুৱা ৭½ বজাত তেওঁ সে-গাঁও পাবহি বুলি আশা কৰে।

সোমবাৰটো আমি নতুনকৈ সজা ঘৰটোৰ দাঁতিত জমা হোৱা জাৱৰ-জোঁখৰ আৰু ভগাশিলৰ টুকুৰা-টুকুৰি, ইটা-শিল ইত্যাদিবিলাক আঁতৰাই

পৰিষ্কাৰ কৰাত লাগিছিলোঁ। নতুনকৈ সজা ঘৰৰ কাষত সাধাৰণতে এইবোৰ জমা হয়েই। ঘৰৰ ভিতৰখন শুকুৰাবৰ কাৰণে বাণ্টিৰ চৌকাত কাঠ-কয়লাবে জুই ধৰি অ'ত-ত'ত বাখিছিলোঁ। মঙ্গলবাবে বাতিপুৱাবেপৰা বৰ ডাঙৰ বৰষুণ আৰম্ভ হৈছিল। আমি নিজৰ ভিতৰতে কোৱা-কুই কৰিছিলো: "বাপুৱে লিখিছিল যে বতৰ যদি ভালে থাকে তেহে তেওঁ আহিব। এতিয়া এই ধাৰাসাৰ বৰষুণত নিশ্চয় তেওঁ নাহে। কোঠাটোৰ তেওঁৰ বাবে সাজু কৰা ঠাইকণ আমি কাঠ-কয়লাৰ চৌকা জ্বলাই শুকুৰাওঁগৈ বলা। সম্ভৱতঃ বৰষুণ এবাৰৈকে কোঠাটোত থাকিব পৰা অৱস্থা হ'বগৈ।"

আমি তিনিওজনে মাটিত লেপেটা কাচি বহি কাঠ-কয়লাৰ চৌকাকিটা ইঠাইৰপৰা সিঠাইলৈ—বাপুৰ গাদীখন য'ত পৰা হ'ব সেই ঠাইত লৰাই লৈ ফুৰিছিলোঁ। এনেতে তিতি জুকুলি-জুপুৰি হৈ খোলা হাঁহি এটা মাৰি বাপু সোমাই আহিল।

সে-গাঁৱত অৱশ্যে বাপুৱে অকলে থাকিবলৈ মনস্থ কৰিছিল। সেই কাৰণে মোৰ পঁজাডোখৰ সজা হোৱাৰ লগে লগে চেজিলাবে সৈতে মই তালৈ গৈছিলোঁ। চেজিলাৰ কাৰণেও চালি এডোখৰ দিয়াইছিলো। মোৰ বোধেৰে বাপু আহি পোৱাৰ এসপ্তাহ কি দহদিনৰ ভিতৰতে মই গৈছিলোঁ। বলৱন্ত সিং আৰু মুন্নালাল ভাই অৱশ্যে সে-গাঁৱতে আছিল। সবৰমতী আশ্রমৰ দিনৰ এগৰাকী তিৰোতা, নাম লীলাৱতী বেন, তেওঁ মগনৱাদীৰপৰা আহিছিল। ফলত বাপুৱে ইচ্ছা কৰাতকৈ বাৱস্থাটো বেচ বেলেগ হৈ পৰিছিল। ৱেৰোদাত থকা মোৰ কুটীৰটোলৈ যোৱাৰ তিনি সপ্তাহৰ পিচত সে-গাঁৱলৈ মুখেৰে কেটামান খবৰ কৈ পঠিয়াইছিলোঁ। তাৰ উত্তৰস্বৰূপে মৌনব্রতৰ দিনা ২০ জুলাই তাৰিখে বাপুৱে লিখিছিল:

> বার্তাবাহকজনে কি যে বাতৰি আনিছিল কোনেও বুজা নাছিল। লীলাৱতীয়ে বুজিবলৈ অকণো চেষ্টাও কৰা নাছিল। মই কথা কব নোৱাৰো। মুন্নালালৰ আধামৰা অৱস্থা। 'বি'য়েও সেইবাট ল'ব বুলি ভয় দেখুৱাইছে। আশাকৰামতে এইখন আশ্রম নহৈ এখন খেলিমেলি গৃহস্থীতহে পৰিণত হৈছে। মোৰ এনেকুৱাই ভাগ্য। মোৰ আশ্রম মই অন্তৰতে বিচাৰি উলিয়াব লাগিব।

ৱেৰোদা গাঁৱত গৈ থকাৰ বন্দৱস্ত হোৱাৰ সময়ত মই ভাবিছিলোঁ যে মই প্রায়ে সে-গাঁৱলৈ গৈ থাকিব পাৰিম। কিন্তু এই অহা-যোৱাত বাপুৱে নিৰ্দিষ্ট

বাধানিষেধ আৰোপ কৰিছিল। মোৰ যিমানদূৰ মনত আছে, সপ্তাহত মাত্ৰ এবাৰ মোক সে-গাঁৱলৈ যাবলৈ অনুমতি দিছিল। অকলশৰীয়াকৈ থাকোঁতে মোৰ বহুতখিনি সময় ৰন্ধা-বঢ়া কৰা, পৰিষ্কাৰ-পৰিচ্ছন্ন কৰা আৰু সেজিলাক চোৱা-চিতা কৰোঁতে পাৰ হৈছিল। বাকী সময় ৰেৰোদা গাঁৱৰ অৱস্থাৰ বিষয়ে খা-খবৰ লওঁতে শেষ হৈছিল। কিন্তু সদায় এইদৰে চলাটো মোৰ পক্ষে অসম্ভৱ হৈ উঠিছিল। মাজে মাজে মোৰ জ্বৰ হবলৈ আৰম্ভ কৰিছিল। বাপু চিন্তিত হৈ পৰিছিল আৰু প্ৰত্যেকদিনাই কোনোবা এজন নহয় এজনক ৰন্ধা-মেলা কৰিবৰ কাৰণে পঠিয়াইছিল। কিন্তু মেলেৰিয়াই মোক পীড়ি পেলালে। অৱশেষত মই বিছনা ল'ব লগা হ'ল। সেই কাৰণে বাপুৱে এদিন ৰেৰোদাৰপিনেই খোজকাঢ়ি ফুৰিবলৈ আহিছিল। এখন গৰুৰ গাড়ীও তেখেতে লগতে লৈ আহিছিল। তাতে মোক তুলি দিয়ালে। মোৰ মনত আছে, গৰুৰ গাড়ীৰ ভিতৰত শুই থকাৰপৰা পিচে পিচে বাপু খোজকাঢ়ি অহাৰপিনে চাই চাই মই নিজে বৰ লাজ পাইছিলোঁ। সে-গাৱঁত কেদিনমান থকাৰ পিচত মই ভাল হৈ উঠিলোঁ আৰু চাৰিওফালে ঘূৰি-পকি সাধাৰণ কাম-কাজত সহায় কৰিব পৰা হ'লোঁ।

বলৱন্ত সিং আঁতৰত, লীলাৱতী বেনো মগনবাদীলৈ উভতি গৈছিল। গতিকে দলটোত এতিয়া কোনো তিৰোতা মানুহ নাছিল। কিন্তু দলটোত আন যিকেজন পুৰুষে যোগ দিছিল, তেওঁলোকৰ ভিতৰত সঙ্গীত শিক্ষক নানাৱতী ভাই আৰু প্যাৰেলালো আছিল। তেওঁৰ অবিশ্ৰান্ত লিখা-পঢ়া কাম-কাজলৈ আৰু দীঘলীয়া দিনৰ বাবে তালৈ অহা খান আব্দুল গফুৰ খাঁৰে (তেওঁক সকলোৱে বাদশ্বাহ খান বুলিয়েই জানিছিল) সৈতে বাপু ব্যস্ত আছিল।

অলপদিনৰ ভিতৰতে নানাৱতী ভাই জ্বৰত পৰিল। ডাক্তৰসকলে এই জ্বৰ সন্নিপাত (টাইফয়েড) জ্বৰ বুলিয়েই ঠাৱৰ কৰিলে। প্ৰায় সেই সময়তে বলৱন্ত সিঙো মেলেৰিয়া জ্বৰত মৃতপ্ৰায় অৱস্থা হৈ তালৈ আহিছিল। এই দুয়োজন ৰোগীৰে সেৱা-শুশ্ৰূষাত প্যাৰেলালক মই সহায় কৰিছিলোঁ। আনকি বাদশ্বাহ খানকো বাপুৱে ফলৰ ৰস আদি দিয়া কামত লগাইছিল। বলৱন্ত সিং সোনকালে ভাল হৈ আহিল। কিন্তু নানাৱতীৰ অসুখ দীঘলীয়া আছিল।

তাৰ পিচত মই টাইফয়েডত পৰিলোঁ। বাপু বোধকৰোঁ কিছু উদ্বিগ্ন হৈ পৰিছিল। তেওঁ নীৰৱে মোৰ সকলো পৰিচৰ্যাৰ ভাৰ নিজৰ হাতত লৈছিল। সেই অৱস্থাত যিমানদূৰ পাৰোঁ জোৰকৈয়ে মই বাপুক বাধা দিছিলোঁ। কিন্তু

বাপুৱে মাথোন কৈছিল যে তেওঁ শুশ্ৰূষা কৰি আনন্দ পায়। এই সময়ত তেওঁ আন কোনো তিৰোতা মানুহ সে-গাঁৱলৈ আনিব নোখোজে। তেওঁ নিজেই মোৰ চোৱা-চিতা কৰিব আৰু মই সেইবিলাক কথালৈ চিন্তিত হ'ব নেলাগে। ৰষ বেগাই মোৰ এক অসহায় অৱস্থা হৈ পৰাত মই তাতে সম্মতি দিলো। বাপুৰ হাতৰ ধীৰ, শান্ত, মৰমৰ যতন অসীম আশীৰ্বাদ বুলি গ্ৰহণ কৰিবলৈ নিজক এৰি দিলোঁ। সম্পূৰ্ণ নিয়মিতভাৱে বাপুৱে মোৰ প্ৰতিটো আৱশ্যকতাৰ প্ৰতি মনোযোগ দিছিল। আনকি ৰাতি এক বজাতো নিয়মমতে মোক সদায় চাবলৈ আহিছিল। জ্বৰ আৰু মূৰটো ফাটি যাওঁ ফাটি যাওঁ কৰা মূৰ কামোৰণিৰ কাৰণে মোৰ টোপনি নহাত সাৰ পাই থাকিছিলোঁ। মই ইমান দুৰ্বল হৈ পৰিছিলোঁ যে নিজে ইকাতি-সিকাতি কৰিব নোৱাৰা হৈছিলোঁ। বাপুক তেওঁৰ বগা চাদৰখন গাত মেৰিয়াই বাৰান্দাইদি মোৰ বিছনাৰ কাষলৈ অহা দৃশ্যটো চাবলৈকেহে যেন মই জীয়াই আছিলোঁ। তেওঁ এদিনো নহাকৈ থকা নাছিল।

দিনত সেই ডাঙৰ কোঠাটোতে আমি সকলো আছিলোঁ। কোঠাটোৰ এটা কোণত বাপু আৰু বাদশ্বাহখান আছিল। তেওঁলোকৰ বিপৰীতে আছিল নানাৱতী ভাই। মই বাপু থকা কোণটোৰে ইটো মূৰে আৰু দলৰ বাকী-সকল অ'ত-ত'ত এনেকৈ আছিল। গোটেই দিনটো একেটা দৃশ্যকে চাই মই পৰি থাকোঁ। সেই ছবি মোৰ মনত আজিও ছাব মাৰি থোৱাৰ দৰে আছে। কেতিয়াবা বাদশ্বাহখানে আহি তেওঁৰ ডাঙৰ হাতখনেৰে মোৰ মূৰটো পিটিকি দিয়েহি। কেতিয়াবা ডাক্তৰসকল আহে আৰু কেতিয়াবা আহে চাবলৈ অহা মানুহ। সেই সময়ত নানাৱতীৰ অৱস্থা বেয়া হৈ অহা কাৰণে তেওঁক ঠাণ্ডা পট্টিৰ চিকিৎসা দিয়া হৈছিল। অৱশ, কিন্তু সজ্ঞান অৱস্থাত পৰি থাকি, মই এই সকলো চাই আছিলোঁ।

টাইফয়েড জ্বৰ, তাৰ ধৰাবন্ধা সময় চৌদ্দ দিন বা এৰেশ দিন বা ২৮ দিনলৈ চলিবই। আৰু অতি বেয়াধৰণৰ হ'লে পয়ত্ৰিশ দিনো পায়গৈ, যদি ইতিমধ্যে ৰোগীজন নমৰে। মোতকৈ আগতে পৰা নানাৱতীৰ জ্বৰ এৰেশ দিনলৈকে চলিছিল। শেষৰ পিনে তেওঁ প্ৰায়ে অচেতন হৈছিল। মোৰ জ্বৰ আৰম্ভ হোৱা যেতিয়া তেৰ দিন হল, বাপুৱে হাঁহি মাৰি মোক কৈছিল, "কাইলৈ তোমাৰ জ্বৰ এৰিব লাগিব।" মই ক্ষীণ মাতেৰে ক'লো, "মোৰ জ্বৰ এৰিবনে?" বাপুৱে কৈছিল, "ওঁ, তোমাৰ জ্বৰ এৰা উচিত।" সঁচাকৈয়ে মোৰ জ্বৰ এৰিছিলো।

ইয়াব পিচতে অতি সোনকালে বাপু বেনাবস, বাজকোট আৰু আহমদা-বাদলৈ যাবলগীয়া হৈছিল। তেখেত দুবি অহালৈ মোব স্বাস্থ্যব ভালেখিনি উন্নতি হৈছিল। তথাপি তেখেতে বব বেগেতে মোক বেৰোদালৈ উভাতি যাবলৈ জোব কবা নাছিল, তাত গৈ অকলে থকাব কষ্টটোব কাবণে। বাপুব এক একব মাটিব বাৰীখনব এচুকে মোব কাবণে অকণমান পঁজা এডোখব সাজিবলৈ অনুমতি দিছিল। সেই পঁজাটোতে সে-গাঁওবাসীসকলক কপাহ ধুনা, সুতা কটা আদি শিকাবলৈ লগতে আন এটা কোঠালি থাকিব। এই ঘবটোব বেৰবিলাক ইকবাব ওপবত বোকাব লেপ দিয়াই সজাইছিলো। এইদবে কবালে দুফুটীয়া গোটা মাটিবোবতকৈ সস্তাও পবে আৰু সোনকালেও হয়।

প্রায় এই সময়তে বাপু নিজে মেলেবিয়া বোগত আক্রান্ত হৈছিল। যমুনালালজী বব উদ্বিগ্ন হৈ উঠিছিল। তেওঁ বাপুক চিকিৎসাব কাবণে ৰাধাব চিভিল হাস্পতাললৈ যাবলৈ যেনে তেনে সম্মত কৰাইছিল। সেৱা শুশ্রূষাত মই সহায কবিছিলো। ভাগ্যক্রমে সাধাবণ ধৰণব জ্ব আছিল। বাপু সোনকালেই আবোগ্য হৈ উঠিল। সেই সময়ত হাস্পতালব কথা এটা মোব স্পষ্টকৈ মনত আছে। সেইটো হৈছে হাস্পতাললৈ অহা আন এজন সাপ বাজীকবব কথা। তেওঁ এজন শিক্ষিত আধুনিক ধৰণব মানুহ আছিল। সাপক শাসন কবিব পবা তেওঁব এটা বিশেষ গুণ আছিল। তেওঁ হাস্পতালত বাপুক দেখা কবিবলৈ আহিছিল। লগতে বাকচ এটাও তেওঁব সাপবিলাকো লৈ আহিছিল। মগনবাদীলৈ অহা মানুহজনব নিচিনাকৈ এওঁ বাপুব চিকিত যাতে সাপ ওলোমাই নিদিয়ে, ভক্তজনব একাগ্রতাবে মই তাক আশা কবিছিলো। কিন্তু তেওঁ তাতোকৈ বেয়া কাম এটা কবিছিল। তেওঁ সাপ কেটামান বাপুব বিছনাব ওপবত মেলি দিছিল। তাব ভিতবে এটা সাপ আচবিত ধৰণে ধুনীয়া আছিল। তাব গাব ৰ বহুবৰণীয়া। তাব ভিতবত আকাশী আৰু কমলা বঙেই অধিক উজ্জ্বল আছিল। সাপটো মেলি দি বাজীকবজনে কৈছিল যে সেই সাপটো অসাধাবণভাবে বিষাক্ত শ্রেণীব সাপ। বাপুবে বিছনাত বহি থকা অৱস্থাবে-পবা তেওঁব কন্ধলব ওপবত সাপকেটাব সুন্দৰ, ধীব নৃত্য শান্তভাবে লক্ষ্য কবিছিল। জ্ঞানীব দবে তেওঁ চবণ দুটি সম্পূর্ণ স্থিব অৱস্থাত বাখিছিল। বঙীন সাপটো আনবিলাকতকৈ বেছি জীৱন্ত যেন লাগিছিল। ফণা মেলি উঠি সি যেন বাপুক ভালকৈ চাবহে খুজিছিল। দৰ্শকজনে তাব মুবত হাত ফুবাই দিলত সি

তৎক্ষণাৎ তাৰ ফণা নমাই লেৰাই পৰিল। এইবিলাক চাই থাকিবলৈ বেচ ভাল লাগিছিল সন্দেহ নাই ; কিন্তু আমি আঁতৰৰপৰা চাই থকাসকলৰ সাপবিলাক আকৌ বাকচত ভৰোৱা দেখিহে উশাহ আহিছিল।

দেখুৱা শেষ হ'ল বুলি মই ভাবিছিলোঁ, এনেতে দৰ্শকজনে আৰু দুটা ফেঁটী সাপ মজিয়াত মেলি দিছিল। সিহঁত বেছি তৎপৰ আৰু আগৰ সৰু-কেটাতকৈ শাসন কৰিবলৈ টান আছিল। মই ঈশ্বৰক এইবুলি ধন্যবাদ জনাই-ছিলো যে সিহঁতক অন্ততঃ বাপুৰ বিছনাত তেওঁ এৰি দিয়া নাই। তাৰে এটা সাপে ভয় লগাকৈ মজিয়াত চোঁচা লৈছিল। মানুহজনে তৎক্ষণাৎ চিঞৰি উঠিল : "পিচলৈ যোৱা।" প্ৰত্যেকেই যিমানদূৰ পাৰে পিচলৈ হুহঁকি গৈছিল। কিন্তু মই আছিলো বাপুৰ শিতানৰ পিনে বাৰত আউজি। গতিকে মই য'তে আছো ত'তে থাকিব লগা হৈছিল। সামান্য কৌশল এটা খটুৱাই গৰাকীজনে সাপটোক বাকচত সোমাবলৈ সম্মত কৰালে আৰু আনটো সাপো তাৰ পিচে পিচে গৈ বাকচত সোমাল। সিহঁতক ভিতৰত ভৰাই বন্ধ কৰাৰ পিচত গৰাকীজনে আমাক কৈছিল যে বেছি ছটফটীয়া সাপটো অলপ খঙাল। সি কেদিনমানৰ আগতে তাৰ মাকক খাইছে। বৰ আনন্দৰ কথা যে সেই ফেঁটী সাপকিটা বন্ধ কৰাৰ পিচতহে মানুহজনে আমাক সেই খবৰটো দিছিল।

সোনকালেই বাপু সে-গাঁৱলৈ উভতি আহিব পৰা হ'ল। তেওঁ মেলেৰিয়া জোকাৰি পেলাইছিল। কিন্তু ১৯২৭ চনৰ আক্ৰমণৰ পিচৰপৰা তেওঁৰ ৰক্তচাপ সদায় অস্থিৰ অৱস্থাত আছিল। এতিয়া সেয়ে তেওঁক দিগ্‌দাৰি দিছিল। সেই সময়ত আশ্ৰমত এজন অভিজ্ঞ ডাক্তৰ আছিল। তেওঁ পৰামৰ্শ দিছিল যে বাপুৱে সেই ডাঙৰ কোঠালিটোৰপৰা অলপ শান্তিপূৰ্ণ ঠাই এডোখৰলৈ যোৱা উচিত। ডাঙৰ কোঠাটো সিমানদিনে সঙ্গীসকলেৰে সৈতে ভৰি পৰিছিল। গৰুৰ চালিডোখৰ আৰু মোৰ নতুনকৈ সজা ৰহাডোখৰেই আছিল পাৰ পৰা একমাত্ৰ ঠাই। ডাক্তৰে মোৰ ওচৰলৈ আহি সুধিলে, "বাপুক মই ইয়ালৈ লৈ আহিব পাৰোনে ?" মোক সম্মত কৰাবৰ আৱশ্যকতা নাছিল। কিন্তু প্ৰশ্ন হৈছে বাপুক কেনেকৈ সম্মত কৰোৱা যায় ? ই এটা অকাৰ্যকৰী চেষ্টা হ'ব বুলি মই অনুমান কৰিছিলো। কিন্তু ডাক্তৰজন কৃতকাৰ্য হ'ল। তেওঁ সেইদিনাই বাপুক লৈ আহিছিল। দুখৰ কথা হ'ল এয়ে যে বাপুৱে সম্মুখৰ সৰু থকা কোঠাটো ব্যৱহাৰ কৰিবলৈ অস্বীকাৰ কৰি—কপাহ ধুনা আদি কাম কৰা

কোঠালিটোতে থাকিবলৈ জোৰ কৰিছিল। যেই হওক, এই কোঠাটোও নির্জন আছিল আৰু তেওঁ তাকে নিজৰ কৰি ল'লে।

এই ব্যৱস্থা জানুৱাৰী মাহত বাপুৰে হৰিজনসকল মন্দিৰত সোনোৱা লৈ কৰা দাক্ষিণাত্য ভ্ৰমণৰ আগলৈকে চলিছিল। তেওঁ আঁতৰত থাকোঁতেই মোৰ এই বহাডোখৰকে বাপুৰ উপযুক্ত কুটীৰলৈ কেনেকৈ পৰিবৰ্তন কৰিব পাৰি তাৰে পৰিকল্পনা মই যমুনালালজীক দেখুৱাইছিলোঁ। তেওঁ সেই পৰিকল্পনাটো পচন্দ কৰিছিল আৰু সেইমতে কাম কৰিবলৈ আদেশ দিছিল। বাপু উলাট অহাৰ আগতে এই সকলো সম্পূৰ্ণ হৈ উঠিল। এই কুটীৰটো দেখিবলৈ বৰ ধুনীয়া হৈছিল। বাপুৰ কাৰণে বেছি সুবিধাজনকো আছিল। সময় নহওঁতে বুলি আগতীয়াকৈ ডাকযোগে আমি বাপুৰ অনুমতি লোৱা নাছিলোঁ। বাপুৰ প্ৰতিক্ৰিয়া কি হ'ব আমি দৰিয়েই লৈছিলোঁ। সঁচাকৈয়ে আমি এটা ভাল বকনি খালোঁ। কিন্তু লাহে লাহে বাপুৰে এই পৰিবৰ্তনৰ লগত নিজকে খাপ খুৱাই লৈছিল। আজি যিটো গান্ধীজীৰ কুটীৰ বুলি সকলোৱে জানে আৰু যিটো কুটীৰ চাবলৈ বছৰে হাজাৰ হাজাৰ মানুহ আহে, সেইটো এইদৰেই সৃষ্টি হৈছিল।

সে-গাঁৱত আছিলোঁ যদিও মই অকণো শান্তি পোৱা নাছিলোঁ। মোৰ অন্তৰৰো অন্তৰতম প্ৰদেশত এই অনুভৱ হৈছিল যে, মই বাহিৰত কোনোবা এখন ঠাইত কাম কৰিলে বাপুৱে আনন্দ পাব। কিন্তু যেইয়াই মই ওলাও যাওঁ, প্ৰতিবাৰেই মোৰ স্বাস্থ্য ভাগি পৰিছিল।

এই সময়ত বহুতো লোক সে-গাঁৱত থাকিবলৈ আহিছিল আৰু বাপুৰ তেওঁলোকৰ মাজত সকলো কাম ভাগ কৰি দিছিল। বাপুৰ ব্যক্তিগত কামৰ বাবে আছিল সমাজবাদী নেতা জয়প্ৰকাশৰ পত্নী প্ৰভাৱতী দেৱী, পাটিয়ালাৰ এক অভিজাত পৰিয়ালৰ কন্যা আমট্টুছ চালাম, লীলাৱতী দেৱী আৰু প্যাৰেলালৰ ভনীয়েক সুশীলা। তেওঁ সম্প্ৰতি মেডিকেল ডাক্তৰ হিচাপে ডিগ্ৰী লৈছিল। তাৰ পিচত আছিল কাপুৰ তলাৰ ৰাজপৰিয়ালৰ ৰাজকুমাৰী অমৃত কৌৰ। তেওঁ সম্প্ৰতি বাপুৰ লগলৈ আহি অতি দক্ষতাৰে আৰু পৰিচ্ছন্নভাৱে বাপুৰ সম্পাদকীয় কাম-কাজবিলাক কৰিছিল। গৰ্মিকে দুটা কি তিনটা গাঁৱৰ ল'ৰাক সূতা কটা শিকোৱাৰ বাহিৰে মোৰ কৰিবলগীয়া বিশেষ একো নাছিল।

সেই সময়ত মই নিজৰ মনৰ ভিতৰত এই কথা স্বীকাৰ কৰা নাছিলো যে প্ৰকৃততে খাদীৰ কাম মোৰ ব্যক্তিত্বৰ স্বাভাৱিক স্ফুৰণ নহয়—সেই আদৰ্শও

মোৰ বিশ্বাস নাই বুলি নহয়, এইবুলিহে যে ই এটা ঘৰৰ ভিতৰত থাকি কৰা কাম। সে গাঁৱত চলি থকা নানা প্ৰকাৰ কাৰ্যাৱলীৰ ভিতৰত মোৰ আটাইতকৈ ভাল লগা কামটো আছিল পশুপালন। বলৱন্ত সিঙৰ লগত গাইৰ বিষয়ে কথা পাতিছিলোঁ; স্থানীয় গোৱালা, গাইৰ উন্নতি কৰা সম্বন্ধে তেওঁৰ ৰাপ আছিল। মোৰ লগত এই বিষয়ে তেওঁৰ মিল আছিল। কিন্তু ই এটা উপকৰা কামহে। পশুপালনৰ মোৰ কোনো নিৰ্দিষ্ট কাম নাছিল।

ভিতৰৰ কষ্ট আৰু বাহিৰৰ উদ্দেশ্যহীনতাই মোৰ স্বাস্থ্যৰ ওপৰত ভীষণ প্ৰতিক্ৰিয়া কৰিছিল। ১০৩৭ চনৰ গৰম কালি বাপুৱে মোক ডেলহাউচীৰ ডাঃ ধৰ্মবীৰৰ কাষলৈ পঠিয়াইছিল। ডেলহাউচী হিমালয়ৰ ছহেজাৰৰপৰা আঠ-হেজাৰ ফুট ওখত থকা এখন গ্ৰীষ্ম নিবাস। ডেকা, সক্ৰিয় ক গ্ৰেছকৰ্মী সুভাষ-চন্দ্ৰ বসুৱেও ডাক্তৰৰ ঘৰত থাকি চিকিৎসা কৰাইছিল। বায়ু পৰিবৰ্তনো লগতে হৈছিল। গতিকে আমি দুয়ো একেলগে ফুৰিবলৈ গৈছিলোঁ। মই তেওঁৰ সংস্কৃতিসম্পন্ন বুদ্ধিমান ব্যক্তিত্বৰ মনোমোহাখিনি উপভোগ কৰিছিলোঁ। তেওঁৰ ৰাজহুৱা জীৱনৰ কাৰ্যাৱলীতকৈ ই সম্পূৰ্ণ বেলেগ আছিল। তেওঁৰ মতানৈক্য কিমানদূৰ পৰ্যন্ত যাব পাৰে, তেতিয়া সেই সম্বন্ধে আমাৰ কোনো ধাৰণা নাছিল। আমি কেৱল শুনিছিলো যে অন্যান্য কংগ্ৰেছ নেতাসকলৰ লগত তেওঁৰ মতানৈক্য আছিল আৰু তেওঁৰ উচ্চ আকাঙ্ক্ষাও বৰ প্ৰবল। জৱাহৰলাল দুবাৰ কংগ্ৰেছ সভাপতি হৈছিল, গতিকে তেৱোঁ হ'ব লাগিব। তেওঁ সেই অফিচ লাভ কৰিছিল যদিও, অস্থিৰ আৰু অসন্তুষ্ট হৈ তাক এৰি দিছিল। তাৰ পিচত যুদ্ধ যেতিয়া আহিল—তেওঁ অন্তৰ্ধান হ'ল আৰু নাজী পন্থী হৈ জাপানলৈ গ'ল। ব্ৰহ্মদেশত ভাৰতীয় সৈন্যৰ এটা দল গোটাই লৈ তেওঁ ঘোষণা কৰিছিল যে জাপানৰ সহযোগত তেওঁ বৃটিছৰ হাতৰপৰা ভাৰতবৰ্ষ মুক্ত কৰিব। দেশসেৱাৰ এক উদ্দাম আকাঙ্ক্ষা! এই জীৱনৰ সমাপ্তি ঘটিল এক বিমান দুৰ্ঘটনাত।

সুভাষ বাবুৰ লগত মই সদায় ফুৰা নাছিলো। মই প্ৰায়ে অকলশৰে এনি-তেনি ঘুৰি ফুৰিছিলোঁ। এনেকুৱা ধুনীয়া পাৰিপাৰ্শ্বিকতাৰ মাজত মোৰ সেই পুৰণি ছবি আঁকাৰ হেপাহ আকৌ জাগি উঠিছিল। মই মোৰ ছবিবিলাক বাপুলৈ পঠিয়াইছিলো। তেখেতে লিখিছিল: "তোমাৰ ড্ৰয়িং ভাল। অভ্যাস কৰি থাকা। তোমাৰ কাৰণে ই ভাল বিশ্ৰাম হ'ব।"

মোৰ সেই ধৰণৰ আত্মপ্ৰকাশৰ আৱশ্যকতাৰ কথা বাপুৱে বুজি পাইছিল। কিন্তু মই স্বাভাৱিক মানুহজনী সেই কালত ইমান নিয়ন্ত্ৰণৰ মাজত আছিলো যে, কদাচিৎ এনেকৈ হিমালয়ৰ দৰে বিৰাট গিৰিমালাৰ লগত মুখামুখি হোৱা অৱস্থাতহে মোৰ সেই ভাব প্ৰকট হৈছিল।

চৰকাৰীভাৱে বাপু কংগ্ৰেছৰপৰা আঁতৰ হৈছিল যদিও ৰাজনৈতিক ঘটনাৱলীৰ লগত বাপু আগতকৈয়ো বেছিকৈ জড়িত হৈ পৰিছিল। ১৯৩৭ চনৰ জুলাই মাহত মই ঠিক ডেলহাউচীৰপৰা ঘূৰি অহাৰ সময়তে কংগ্ৰেছে ভাৰতবৰ্ষৰ এঘাৰখন প্ৰদেশৰ ভিতৰত ন-খনতে গৱৰ্ণমেণ্টৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিল। ইয়াৰ ফলত স্বাভাৱিকতে কংগ্ৰেছৰ দায়িত্ব আৰু সম্মুখীন হ'বলগীয়া সমস্যাৱলী বিশেষৰূপে বৃদ্ধি পাইছিল। গৱৰ্ণমেণ্টৰ দায়িত্ব গ্ৰহণ কৰাৰেপৰা ভাইচৰয়ৰে সৈতে ঘনাই দেখা-সাক্ষাতৰ প্ৰয়োজন হৈছিল। এইদৰে ভাইচৰয়ৰ ওচৰলৈ যেতিয়াই যাবৰ দৰকাৰ হৈছিল তেতিয়া সদায়েই বাপুৱে সেই দেখা-সাক্ষাতৰ কাম কৰিব লগা হৈছিল। বক্তৃতাপৰ কাৰণে বাপুৱে অসুবিধা পাই থকা কিবা নহয় কিবা কথাত অনবৰত ইঠাই সিঠাইলৈ গৈ থাকিবলগীয়া হৈছিল।

ডিচেম্বৰ মাহত ডাক্তৰসকলে তেওঁক সকলো কাম কাজ বন্ধ কৰিবলৈ কলে। বম্বে চহৰৰ বাহিৰা অ শত – জুহুবিচত থকা বিৰলা-বাংলোলৈ যাবলৈ বাপু সম্মত হৈছিল।

তাৰপৰা তেওঁ অলপ দিনৰ কাৰণে সে-গাঁৱলৈ আহিছিল। সে-গাঁও এতিয়া ভালদৰেই আশ্ৰমত পৰিণত হৈছিল। ইটোৰ পিচত সিটো কাৰ্যসূচী তাত যোগ হৈছিল। খাদী আৰু পশুপালন আগৰপৰা আছিলেই, এতিয়া গুৰ তৈয়াৰ কৰা আৰু খেজুৰৰ চেনি তৈয়াৰ কৰা কামো হাতত লোৱা হৈছিল। ই বেচ কাৰ্যকৰী হৈছিল আৰু বাপুও বৰ সন্তুষ্ট হৈছিল। খেজুৰ গছৰ ৰস তেতিয়ালৈকে কেৱল তাৰি ৰূপেহে ব্যৱহাৰ হৈছিল। এতিয়া সেয়ে এক পুষ্টিকৰ আহাৰলৈ পৰিবৰ্তিত হৈছে। তাৰ পিচত আৰু এটা বিশেষ গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰিবলগীয়া আছিল। সেইটো হৈছে বাপুৰ নতুনকৈ ব্যাখ্যা কৰা, হাতৰ কামৰ যোগেদি শিক্ষাৰ মতবাদ। তাৰ নাম দিয়া হৈছিল বুনিয়াদী শিক্ষা বা নয়ী তালিম। বিখ্যাত আৰু উচ্চ সংস্কৃতিসম্পন্ন এযোৰ দম্পতি—আৰ্যনায়কম্ আৰু আশাদেবীয়ে এই কামত বাপুৰ লগত সহযোগিতা

কৰিছিল। আৰ্যনায়কম্ আছিল ওখ-পাখ, ধুনীয়া আৰু পঢ়া-শুনাত বহু খকা সিংহলদেশীয় লোক আৰু আশাদেবী আছিল তীক্ষ্ণ কলানুভূতিসম্পন্না এগৰাকী বঙালী তিৰোতা। আগতে দুয়োজনেই শান্তিনিকেতনত আছিল। তেওঁলোকৰ আগমনত মই এক নতুন ধৰণৰ বন্ধুত্ব লাভ কৰিছিলোঁ। তেওঁলোকৰ কেন্দ্ৰৰ বাবে সাজিবলগীয়া ঘৰৰ আঁচনি আদি কৰি উলিওৱাত মই তেওঁলোকক সহায় কৰিছিলোঁ। তেওঁৰ কাৰ্যসূচীৰ এই নতুন শাখা সম্বন্ধে বাপু অতিমাত্ৰাই আগ্ৰহান্বিত আছিল। তেখেতে ভাবিছিল—হয়তো ময়ো এই শাখাৰ লগত জড়িত থাকি ভাল পাম। কিন্তু মই শিক্ষাৰ জীৱনৰ সম্মুখীন হ'ব নোৱাৰিলোঁ।

মে' মাহত বাপুৱে উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত ভ্ৰমণ কৰি'ছল আৰু তাৰপৰা কিছুদিনৰ কাৰণে দিল্লীলৈ গৈছিল। মই সে-গাঁৱতে আছিলোঁ। বাপু আঁতৰ ঃ থাকোঁতেই হঠাতে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মোৰ বাইদেউ বোণাৰ মৃত্যু হোৱাৰ বাতৰি পাইছিলোঁ। তেওঁৰ অন্তঃকৰণ দুৰ্বল বুলি কোনেও আগতে নেজানিছিলোঁ। ই আমাৰ কাৰণে ভীষণ আঘাত আছিল।

ভাৰতবৰ্ষৰ পৰিস্থিতিৰ দ্ৰুত পৰিবৰ্তন হ'বলৈ ধৰিলে। সকলো সময়তে মোৰ এনে অনুভৱ হৈছিল যে কথাবিলাক বাপুৰ বিৰুদ্ধে গৈছে। কংগ্ৰেছে এতিয়া গৱৰ্ণমেণ্ট দখল কৰিছে। তেওঁলোকৰ মনোভাব এতিয়া ক্ৰমান্বয়ে গতানুগতিক হৈ পৰিছিল। সেই সময়ত 'জাতীয় পৰিকল্পনা কমিটী' এখন গঠন কৰা হৈছিল। সেই পৰিকল্পনা কমিটীটো পুৰামাত্ৰাই উদ্যোগীকৰণৰ পক্ষে আছিল। তেওঁলোকৰ সেই আঁচনি কাৰ্যত পৰিণত কৰিবৰ যে ক্ষমতা আছিল সেইটো নহয়—কিন্তু এই বিষয়ে কাৰো অকণো সন্দেহৰ অৱকাশ নাছিল যে ক্ষমতা পালে কংগ্ৰেছে কোনটো পথ ল'ব। সকলো পশ্চিমীয়া দেশে গ্ৰহণ কৰা পথকে ভাৰতেও গ্ৰহণ কৰিব।

ইউৰোপ বৰ বেগেৰে এক সঙ্কটাৱস্থাৰ পিনে আগবাঢি আহিছিল আৰু প্ৰত্যেকেই যুদ্ধ লাগিব বুলিয়েই ভাবিছিল। কংগ্ৰেছৰ নেতাসকলে যুদ্ধ ঘোষণা হ'লে তেওঁলোকৰ মনোভাব কেনে হ'ব সেই সম্পৰ্কে জোৰেৰে আলোচনা চলাইছিল। এনেতে মিউনিক চুক্তিৰ খবৰ আহিল। গতিকে কিছু সময়ৰ বাবে প্ৰসঙ্গটো স্থগিত থাকিল।

দিল্লীৰপৰা বাপু আকৌ উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশলৈ গৈছিল। একেবাহে মই সে-গাঁৱতেই আছিলোঁ। ইউৰোপৰ পৰিস্থিতিয়ে মোক

গভীবভাবে আলোড়িত কবিছিল। বাপুবে বিষয়টো তেওঁব প্রবন্ধত উল্লেখ কবিব নে নকবে বুলি সুধি মই তেখেতলৈ চিঠি লিখিছিলোঁ। ১৯৩৮ চনব ৯ অক্টোবব তাবিখে লিখা এখন চিঠিত তেখেতে তাব উত্তব দিছিল :

> তোমালোকব ভাব মই আগতীয়াকৈ অনুধাবন কবিছোঁ। কাবণ ইতিপূর্বেই ইউবোপব পানীত মই জাপ দিছোঁ। মোব প্রবন্ধ সম্বন্ধে তেঁমাব কি প্রতিক্রিয়া হয় মোক জনাবা।

জেকোশ্লোভাকিয়াত অহিংস প্রতিবোধব পবীক্ষা চলোৱাব বাসনাই মোব সমস্ত মন অধিকাব কবিছিল। বাপু সীমান্ত প্রদেশবপবা উলটি আহিলত মই তেওঁক সুধিছিলোঁ যে মই জেকোশ্লোভাকিযালৈ গৈ তাব বাইজব লগলাগি পিচববাব হিটলাবে যি আক্রমণ চলায় তাব বিৰুদ্ধে অহিংস ভয়শূন্য প্রতিবোধব চেষ্টা কবিবগৈ পাবোনে? বাপুবে কৈছিল : "এনে আহ্বান তুমি অনুভব কবিবা বুলি মই ভাবিছিলোঁ। যদি ব্যৱস্থা কবিব পবা যায় তেন্তে তুমি নিশ্চয় যাবা।"

ঠিক সেই সময়তে সীমান্ত প্রদেশত বাদশাহ খানক সহায় কবিবব কাবণে কোনোবা এজনক বাপুব যদি অত্যন্ত প্রয়োজন নহলহেঁতেন, তেন্তিয়া হলে হয়তো মই ইউবোপলৈ গুচি গ'লোহেঁতেন। এই বিষয়ে অলপো সন্দেহ নাই। বাদশাহখানব তালৈ কোনাবা এজনক পঠিওৱা বিষয়টো লৈ বাপু কিমান উদ্বিগ্ন হৈ পবিছিল মই দেখিছিলোঁ। মই যাবলৈ ওলালোঁ। বাপু সন্মত হ'ল আৰু মই নবেম্বব মাহ শেষ হোৱাব আগতে পেশোৱাব পাইছিলোগৈ।

বাদশাহ খানে মোক লগ ধবিলে। সেই সময়ত তেওঁব ককায়েক ডাঃ খান চাহেব সীমান্ত প্রদেশব প্রথম ক'গ্রেছ মুখ্যমন্ত্রী আছিল। মোক তেখেতব ঘবলৈ লৈ গ'ল। কেদিনমানব কাবণে মই তেওঁলোকব লগতে আছিলোঁ। তাব পিচত বাদশাহ খানব উৎমেনজায়ব নামে গাঁৱত থকা তেখেতব ঘবলৈ গৈছিলোঁ।

ভীষণ জাব হোৱা সময়তে মই তালৈ গৈছিলোঁ আৰু জাবো বেচ পবিছিল। এই শীত মই বেচ উপভোগ কবিব পাবিলোহেঁতেন; কিন্তু মোব লগত গবম কাপোব যথেষ্ট পবিমাণে নাছিল। বাদশাহ খানব 'উৎমেনজায়ব'

ঘৰত স্পার্টান গৃহস্থীৰ কঠোৰ জীৱন। তাত জুই একুৰা পোৱাও সহজ নাছিল।

আচলতে তাত মই কবিবলৈ বৰ বেছি একো নাছিল। কেজনমান লালকুৰ্তা কেৱল শিকিবলৈ আহিছিল। পিচে তিৰোতা মানুহৰ কলাকৌশল পাঠানসকলে শিকে কেনেকৈ? কেৱল বাপুৰ প্ৰতি থকা সম্মান আৰু বাদশাহ খানৰ প্ৰতি থকা একনিষ্ঠ ভক্তি আৰু বশ্যতাই তেওঁলোকক এই ধৰণৰ কিছু শিক্ষা ল'বলৈ প্ৰৰোচিত কৰিছিল।

বাদশাহ খানে মই তিৰোতা মানুহ কাৰণে অকলশৰে কলৈকো যোৱাটো —অকলে অকলে গাঁৱলীয়া অঞ্চলত ফুৰাৰ কথাই নাই, পদুলি পাৰ হৈ বজাৰলৈ যোৱাটোও ইচ্ছা নকৰিছিল। তাকে দেখি প্ৰথমতে মই বৰ চঞ্চল হৈ পৰিছিলোঁ। তেখেতে বুজাইছিল: "এইদৰে নুফুৰে।" কেদিন-মানৰ কাৰণে মই এইবিলাক সহ্য কৰিছিলোঁ। তাৰ পিচত ফৰকাল, অতি সুন্দৰ দিন এটাত কাৰো অনুমতি নোলোৱাকৈ অকলে অকলে মই বহুত দূৰলৈ ফুৰিবলৈ গৈছিলোঁ। গাঁওবাসীসকলে মোৰ ফালে চাইছিল আৰু বৰ ধুনীয়াকৈ তেওঁলোকে মোক সম্ভাষণ জনাইছিল। সেইদিনাৰেপৰা দৈনিক অকলে মই ফুৰ-চকা কৰিছিলোঁ। মোৰ সেই অকলশৰীয়া ভ্ৰমণবিলাক বেচ উপভোগ্য আছিল। খোজকাঢ়ি যুৱাই গা গৰম কৰাতো সহায় কৰিছিল।

অতিথিজনৰ সম্পৰ্কে নিঃসন্দেহ হ'ব পাৰিলে পাঠানসকল অতি বন্ধু-ভাৱাপন্ন আৰু অতিথিপৰায়ণ লোক হৈ উঠে। বাদশাহ খানৰ লগত মোৰ সম্পৰ্ক আছিল কাৰণে, সকলো ঠাইতে মই আদৰ-অভ্যৰ্থনা পাইছিলোঁ। তেওঁক তেওঁৰ নিজৰ মানুহখিনিৰ মাজত দেখিলেহে তেওঁৰ প্ৰভাৱৰ তাৎপৰ্য বুজিব পাৰি। গাঁৱৰ সকলো ঠাইতে তেওঁক সম্মান কৰিছিল। পাঠানসকলে বাইফল লৈহে ফুৰিছিল। কিন্তু বাদশাহখানে গাঁৱৰ মজেৰে হাতত লাঠী এডালো নোলোৱাকৈ ফুৰে—শিথিল অঙ্গ-প্ৰত্যঙ্গৰ চুটি দাড়িৰে ওখ-পাখ এই মানুহজন তেওঁৰ বগাপৰা চুলিৰ লগত মিলাই বগা খদ্দৰৰ সাজ-পাৰ পিন্ধি ঘূৰি ফুৰা দেখা গৈছিল।

এদিনাখন বাদশাহ খানে মোক তেওঁৰ লগত ওচৰৰে গাঁও এখনত থকা তেওঁৰ বন্ধুৰ ঘৰলৈ লৈ গৈছিল। আমি তালৈ তেওঁৰ টঙালে গৈছিলোঁ। যাওঁতে বাটত তেওঁ মোক কৈছিল যে বেলেগ বেলেগ বংশৰ মাজত থকা শত্ৰুতাৰ

প্রতিশোধ লোৱা। এইটো সময়। এই সময়ত ওখ ওখ কুঁহিয়াবণিৰ মাজৰ-পৰা শত্রুক আঘাত হনা হয়। প্রতিশোধ লোৱাৰ এই চিবকলীয়া প্রথা বহিত কৰিবৰ কাৰণে কেনেকৈ তেওঁ যথাসম্ভৱ চেষ্টা কৰিছে সেই বিষয়েও কৈছিল। যাওঁতে এনেকুৱা কুঁহিয়াবণি বাৰী কেবাখনো আমি পাৰ হৈ গৈছিলোঁ। আমি যি ঠাইলৈ বুলি গৈছিলো সেই ঠাইখন গৈ পাওঁ পাওঁ হৈছে, এনেতে আমি বাইফেলৰে গুলিৰাৰ শব্দ শুনিছিলোঁ। সেইটো কি? আমি ভাবিছিলোঁ, বোধহয় বিশেষ একো নহয়।

যিখন ঠাইলৈ আমি আহিছিলো সেয়া হৈছে পাঠানসকলৰ পুৰণি ধৰণৰ মজবুট মোটা বাৰৰ পামৰ ঘৰ এখন। ঘৰখনৰ চাৰিওফালে বিস্তাৰিত হৈ আছিল খেতিৰ মাটিখিনি। প্রতিজনকে অতি আনন্দিত আৰু বন্ধু ভাবাপন্ন যেন বোধ হৈছিল। তিৱোতাসকলে মোৰ কাৰণে মাংস নিদিয়াকৈ কেনেকৈ তৰি-তৰকাৰী বান্ধিছে তাকে দেখুৱাবলৈ মোক লৈ গৈছিল। তেওঁলোকে কেৱল পুস্ত ভাষাহে ক'ব পাৰিছিল। গতিকে আমি অঙ্গ ভঙ্গীৰে পৰস্পৰে হাঁহি হাঁহি কথা পাতিছিলোঁ। তাৰ পিছত তেওঁলোকে মোক বাতি য'ত মই শুব লাগিব সেই কোঠাটো দেখুৱাইছিল। কোঠাটো আছিল ছালৰ ওপৰত। তেওঁলোকে মোক বুজাই কৈছিল যে, সেইডোখৰেই আটাইতকৈ নিৰাপদ স্থান। আহাৰৰ সময় যেতিয়া হ'ল তেতিয়া মোক পটিকৰ দৰে কোঠালি এটালৈ লৈ গ'ল। তাত বাদশাহ খান, ঘৰৰ গৃহস্থ আৰু আন দুই এজন খানক বিছনাত আউজি বহি থকা দেখিছিলোঁ। তেওঁলোকৰ প্রত্যেকৰ সমুখত একোখন সৰু টেবুল খালী হৈ থকা এখন বিছনা মোক দেখুৱাই দিলে মই তাতে বহিলোঁ। আন কোনো তিৱোতা মানুহ তাত নাছিল, থকাটো নিয়ম নহয়। মই লক্ষ্য কৰিছিলো, কোঠাটোৰ এচুকত এখন বিছনাৰ ওপৰত দুটা নে তিনিটা বাইফল আৰু এটা বিভল্‌ভাৰ বাৰত আওঁজাই থোৱা আছে।

মোৰ সমুখতো এখন সৰু টেবুল থলে। তাৰ পিছত আহাৰ বস্তু অনা হ'ল। সতেজ, উত্তম গাঁৱৰ আহাৰ। মোৰ বিছনাখন কিছু টান আৰু অসুবিধাজনক যেন অনুভৱ হৈছিল। মই তুলিখন দাঙি চাইছিলো। দেখিলো তাতো এটা বাইফল। সেইটোও নি বাকীকিটাৰ লগতে থলেগৈ। পাঠানসকলৰ ঘৰত সাধাৰণতে কুকুৰ থাকে আৰু মানুহে খাই পেলোৱা হাড় বিচাৰি ফুৰে। সেই বাতিও দুটামান কুকুৰে হাড়ৰ টুকুৰা বিচাৰিছিল, আৰু

যিখিনি হাড়-মূৰ পালে সেইবিলাক বিছনাৰ তলত সোমাই চোৱাবলৈ ধৰিলে।

পিচদিনা ৰাতিপুৱা আমি টঙ্গাৰে উলটি আহোঁতে বাদশাহ খানে মোক কৈছিল যে, সেই গৃহস্থজনৰ কোনোবা এজনৰ লগত ভয়ানক শত্ৰুতা আছে। সেই মানুহজন এতিয়া জনজাতি অঞ্চলত পলাই আছে। মানুহজনে কেতিয়াবা তেওঁক হত্যা কৰিবলৈ আহিব পাৰে। সেই কাৰণে বাদশাহ খানৰ বন্ধুজন যেতিয়াই বাহিৰলৈ যায়, ৰাইফলধাৰী দুটা মানুহ সদায় তেওঁৰ লগত যায়। তেওঁৰ নিজৰ পকেটতো সদায়েই ৰিভলভাৰ থাকে।

আমি 'উটমেনজয়' আহি পোৱাৰ অলপ সময়ৰ পিচতে বাদশাহ খানলৈ এটা খবৰ আহিছিল যে আমি আগদিনা ৰাতি কটোৱা ঠাইৰপৰা অলপ দূৰতে থকা তেওঁৰ এজন বন্ধুক কুঁহিয়াৰণিৰ মাজৰপৰা গুলিয়াই মৰা হৈছে। আবেলি আমি শুনা সেই ৰাইফলৰ শব্দটো মৃত্যুৰ কাৰণ আছিল। এবাৰতকৈ অধিক গুলী কৰিবৰ প্ৰয়োজন নহৈছিল। পাঠানসকলৰ লক্ষ্য সদায়েই অব্যৰ্থ, অবিচলিত।

জানুৱাৰী-ফেব্ৰুৱাৰী মাহত বতৰ অতি সেমেকা। সেই সময়ত কপাহৰ কাম কৰা অসম্ভৱ আছিল; আনকি সৰু সূতাকটা শ্ৰেণীটোৰ কামো নচলিছিল। সেই কাৰণে মই কিছুদিন পেশ্বোৱাৰত মুখ্যমন্ত্ৰীৰ ঘৰত গৈ আছিলোগৈ।

ফেব্ৰুৱাৰী মাহৰ শেহৰপিনে বাপু ৰাজকোটলৈ গৈছিল। তাত ৰজা আৰু ৰাইজৰ মাজত কিবা এটা গণ্ডগোল লাগিছিল। মাৰ্চ মাহৰ ৩ তাৰিখে বাপুৱে অনশন কৰিছে বুলি মই টেলিগ্ৰাম এখন পালোঁ। কিন্তু ঈশ্বৰৰ অশেষ কৰুণা যে চতুৰ্থ দিনাই আপোচ এটা হ'ল।

মে' মাহ পৰিলত পেশ্বোৱাৰ আৰু উটমেনজয়ত তীব্ৰ গৰম আৰম্ভ হ'ল। এই গৰমত মোৰ স্বাস্থ্য ঠিক ৰখা টান হৈ পৰিলত মই হাজাৰা জিলালৈ যাবলৈ ঠিক কৰিলোঁ। সেই জিলাখন অন্ততঃ কিছুদূৰ পৰ্বতীয়া আছিল। খাদী প্ৰচাৰৰ কাৰণে সেই অঞ্চলত অনুসন্ধান চলাব পাৰিম। কিন্তু মোৰ স্বাস্থ্যৰ অকণো উন্নতি নহল। অৱশেষত সে-গাঁৱলৈ উভতি আহিলোঁ।

আগষ্ট মাহত আগন্তুক দ্বিতীয় মহাৰণৰ পৰিপ্ৰেক্ষিতত ৰাৰ্ধাত, কংগ্ৰেছ ৱাৰ্কিং কমিটী বহিছিল। ইংলণ্ড আৰু জাৰ্মানীৰ মাজত যুদ্ধ ঘোষণা হোৱাৰ পিচত ভাইচৰয়ৰ লগত দেখা কৰিবলৈ বাপু কেৱাবাৰো যাবলগীয়া হৈছিল। তাৰ বাহিৰে তেওঁ প্ৰায় সে-গাঁৱতেই আছিল।

ঠিক এই সময়তে সে-গাঁৱৰ নাম সেৱা গ্ৰামলৈ পৰিবৰ্তিত হৈছিল। এই পৰিবৰ্তনৰ কাৰণ এয়ে আছিল যে, কেইমাইলমান আঁতৰতে সে-গাঁও নামেৰে আন এখন ডাঙৰ গাঁও আছিল। ফলত ডাকৰ বৰ বেমেজালি ঘটিছিল। বাপুৱে এই বিষয়ে গাঁওবাসীসকলৰ লগত আলোচনা কৰিছিল। সকলোৱে যেতিয়া এই নতুন নামকৰণ কৰাত সম্মতি জনালে, সেই নামেৰে গাঁওখনৰ নাম ৰেজিষ্টাৰ কৰিবলৈ কৰ্তৃপক্ষক জনোৱা হ'ল।

মই উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত থকা সময়তে পৃথ্বী সিং নামে এজন বিখ্যাত পাঞ্জাৱী বিপ্লৱী বাপুৰ ওচৰলৈ আহিছিল। ৰাজ আহি মহাদেৱ আৰু অন্যান্যসকলৰপৰা মই শুনিছিলোঁ, কেনেকৈ এই বিপ্লৱীজনে নিজৰ মনৰ কথা খুলি কৈ বাপুৰ আদৰ্শ গ্ৰহণ কৰিছিল আৰু বাপুৰ পৰামৰ্শ মতে পুলিচৰ হাতত ধৰা দিছিল। তেতিয়াৰেপৰা বাপুৱে তেওঁক বিনাচৰ্তে মুক্তি দিবৰ কাৰণে প্ৰাৰ্থনা জনাইছিল। মই মনোযোগেৰে এইবিলাক শুনিছিলোঁ। তাতকৈ বেছি একো ভৰা নাছিলোঁ।

হঠাতে এদিন বাপুৰ পঞ্জাৱ দুৱাৰ মুখত এজন শক্তিশালী লোক আহি উপস্থিত হৈছিল। বাপুৱে তেওঁক চিনি পাই আনন্দিত হৈছিল। তেওঁ পৃথ্বী সিং। বাপুৰ প্ৰাৰ্থনা মঞ্জুৰ হৈছিল। তেওঁক মুক্তি দিছিল। এই গোটেই প্ৰসঙ্গটো মই বিশেষ সন্তোষেৰে লক্ষ্য কৰিছিলোঁ। কিন্তু তেওঁলোকে এই মানুহজন সম্পৰ্কে সম্পূৰ্ণ আৰু উল্লেখযোগ্য বিৱৰণ জনা নাছিলোঁ। তেওঁ নিজৰ দুঃসাহসিক কামবিলাকৰ বিৱৰণ এটা লিখি অটাই তাৰ ইংৰাজীখিনি ভালকৈ চাই-চিতি দিবৰ কাৰণে মোৰ হাতত যেতিয়া দিলেহি, তেতিয়া সেই মানুহজনৰ প্ৰতি মোৰ আগ্ৰহ বিশেষ বৃদ্ধি পাইছিল। মই অতি আগ্ৰহেৰে তেওঁৰ দ্বিতীয় লাহোৰ ষড়যন্ত্ৰ মোকৰ্দমাৰ বিচাৰ, আৰু একজনমান সঙ্গীৰে সৈতে তেওঁৰ প্ৰাণদণ্ডৰ আদেশ, তাৰ পিচত সেই আদেশ স্থগিত, আন্দামানৰ জেলৰ জীৱন, ভাৰতবৰ্ষৰ জেললৈ বদলি, তাৰ পিচত চলন্ত ট্ৰেনৰপৰা শিকলিৰে বন্ধা অৱস্থাতে পলায়ন, তাৰ পিচত পুনৰ বন্দী, পুনৰ পলায়ন আৰু বহুত দিন ধৰিৰ নোৱাৰাকৈ পলাই ফুৰা, সেই অৱস্থাতে কেবছৰমানৰ পিচত তেওঁ প্ৰকাশ্যে বাপুৰ ওচৰলৈ অহা—এই সকলো বিৱৰণ অতি আগ্ৰহেৰে পঢ়িছিলোঁ।

প্ৰথম অৱস্থাত বহুত দিনলৈকে তেওঁ সেৱাগ্ৰামতে আছিল। ময়ো তেওঁক বহুতবাৰ লগ পাইছিলোঁ। তেওঁৰ ওচৰত মই অতি নিঃসঙ্কোচ অনুভৱ কৰিছিলোঁ। তেওঁৰ নিৰ্ভীক আৰু অকপট আচৰণত অতিশয় আনন্দিতো হৈছিলোঁ। লাহে লাহে মোৰ এনে অনুভৱ হৈছিল—অৱশেষত মই এনে এজন লোক লগ পাইছো যাৰে সৈতে বাপুৰে সদায় ইচ্ছা কৰা মতে মই স্বাধীনভাৱে কাম কৰিব পাৰিম। এই ভাৱটো মোৰ মনত এনে প্ৰবলভাৱে দেখা দিছিল যে, মই সেই বিষয়ে বাপুক কৈছিলোঁ। বাপুৰে অপ্ৰত্যাশিত গম্ভীৰতাৰে মোৰ পিনে চাই কৈছিল: "তোমাৰ যদি তেনেকুৱাই ভাব হৈছে, তেন্তে মোৰ মনেৰে তুমি তেওঁক বিয়া কৰোৱা উচিত।" লগতে শুনাকৈ নিজৰ মনতে চিন্তা কৰাদি কৈছিল: "কিজানিবা পৰিণয় তোমাৰ জীৱনৰ অপ্ৰকাশিত অজানা ভাব।"

মই অতি আচৰিত হ'লো। মোৰ বাকৰুদ্ধ হ'ল। মই এইদৰে আচৰিত হোৱা দেখি বাপুৰে কৈছিল: "মোৰ মনেৰে বিবাহ বন্ধনত নোসোমাওঁ বুলি আগতে যি প্ৰতিজ্ঞা কৰিছিলা সি ইয়াত কোনো বাধা দিয়া উচিত নহব। মই যিমানদূৰ সংশ্লিষ্ট তুমি এই প্ৰতিজ্ঞাৰপৰা মুক্ত।"

মোৰ মন আৰু অনুভূতি সকলোতে এক তোলপাৰ আৰম্ভ হ'ল। বিষণ্ণতাৰপৰা পৰিত্ৰাণ পাবৰ উপায় এয়ে নেকি? বাপুৰে বোধকৰোঁ ঠিকেই কৈছে। এইদৰে জঁপিয়াই পৰি শেষত কিজানি মই কিবা কামত আহিব পাৰোৱেই! বাপুৰে তেওঁৰ স্বাভাবিক ইতস্ততঃ নকৰা ধৰণেৰে কৈছিল: "বাক মই তেওঁক কম।" আৰু যেছি একো গণ্ডগোল নকৰাকৈ কথাটো মই সেইভাৱেই গ্ৰহণ কৰিছিলোঁ। এই কথোপকথনত পাঁচ মিনিটতকৈ অধিক সময় লগা নাছিল। মোৰ উশাহ একেবাৰে বন্ধ হোৱা যেন লাগিছিল। তাৰ পিচত অকণমান সময় অপূৰ্ব সুখ অনুভৱ কৰিছিলোঁ। ইমানদিন পুঞ্জীভূত হৈ থকা যি কষ্ট মই বহন কৰি আহিছিলো তাৰ পিচত বৰ্তমানৰ সম্পূৰ্ণ নতুন পৰিস্থিতিত মই ক'তো ভাবসাম্য বিচাৰি পোৱা নাছিলোঁ। মোৰ ভাবোচ্ছ্বাসৰ বান্ধ ভাগি গৈছিল। অশান্ত সমুদ্ৰৰ বুকুত অকণমান সাঁকৰ এটাৰ নিচিনাকৈ ভাগ্যই মোক চাৰিওফালে দলিয়াই লৈ ফুৰিছিল। পৃথ্বী সিঙে সুবিবেচনাৰ পৰিচয় দিলে। বাপুৰপৰাই আহক বা যাবেপৰা আহক, সকলো প্ৰস্তাৱকে তেওঁ অস্বীকাৰ কৰিলে। তেওঁ মোক তেওঁৰ অন্তৰঙ্গ বন্ধু পণ্ডিত জগতৰাম

ভবদ্বাজব লগত দেখা কবিবলৈ পবামর্শ দিছিল। আন্দামান জেলত তেওঁলোক দুয়ো একেলগে আছিল। একৈশ বছব জেল খটাব পিচত জগতবাম সম্প্রতি মুকলি হৈছে। সম্প্রতি তেওঁ পাঞ্জাবব হাবিয়ানাত হোশিয়াপুবব ওচবত থকা তেওঁব ঘবত দৈণীয়েকবে সৈতে বাস কবিছে। তেওঁব স্বাস্থ্য একেবাবে ভাগি পবিছে। মই ভালৈ যোৱাত বাপুবে সম্মতি দিছিল আৰু ময়ো শুচি গৈছিলোঁ। ক্ষীণ দেহাবে অকণমান মানুহজন। পণ্ডিত জগতবাম ভবদ্বাজ মানুহজনব মনোবল লোহাব দবে দৃঢ় হ'লেও মানুহ হিচাপে তেওঁ অতিশয় মহৎ আৰু সুন্দব আছিল। আমি একেলগে দীঘলীয়া আলোচনাবিলাক কবিছিলোঁ। সেই আলোচনাবিলাক কবি মই বব আবাম বোধ কবিছিলোঁ। লাহে লাহে আমি বিশেষ বন্ধু হৈ পবিছিলোঁ।

হাবিয়ানাবপবা শিৱালিক পাহাবত থকা ওৱেল নামে আশ্রম এখনলৈ মই গৈছিলোঁ। সেই আশ্রমব ওচবত কোনো চহব নাছিল। অলপ আঁতবেদি সোণ নদী বৈ গৈছিল। সেই অঞ্চলটো নানা প্রকাব বনবীয়া হাবি বনেবে ভৰি আছিল। আশ্রমব লোকসকলে বঙা ইটাবে আপচু ডাঙব ঘব এটা সাজিবলৈ লৈ পইচাব অন্তাবত আধাকবাকৈয়ে এবিব লগা হয়। মই তেওঁলোকক এই পবামর্শ দিছিলো যে যদি তেওঁলোকে স্থানীয় বস্তুবে সৈতে গাঁৱলীয়া লোকে যিদবে নিজব ঘব সাজে, ঠিক সেই ধবণেবে সক ঘব সাজিলেহেতেন, তেন্তে সেইটো বেছি ভাল হ'লহেতেন। তাব পিচত শেষ কথা, হাতে-কামে কবি দেখুৱাই দিবব কাবণে দুই কি তিনিজনমান গাঁৱব বয়সস্থ মানুহক মোব লগত ললোঁ। তেওঁলোকব সহায়ত গোটা বোকাবে সজা বাবব, বহলে আঠফুট, দীঘে আঠফুটব সক জুপুবি এডোখব সজাইছিলো। খেবব চালখনব আৰু সমুখব বাবাণ্ডাব কাঠ কেঞ্চি খুৱাবলৈ কাঠমিস্ত্রি এজন মতা হৈছিল। সহজে অকণমানি ধুনীয়া পঁজাঘব এটা তৈয়াব হৈ পবিল। সেইটো সাজোতে মোব মাত্র ওঠব টকা খবচ পবিছিল, লগতে কেইকিউবিকমান কাঠ। কাঠখিনি মানুহে পইছা নোলোৱাকৈয়ে দিছিল।

বগা বা বঙা হাতী এটাব দবে আধা কবাকৈ এইদবে পেলাই থোৱাতকৈ তেওঁলোকেও তাকে কবাহেতেন ভাল আছিল যুলি আশ্রমব লোকসকলে শেষত বুজিছিল।

গাখীব যোগাব কবাব অসুবিধাটো দূব কবিবব কাবণে ওচবব গাঁওবিলাকলৈ মই সক গাই এজনীব খবব কবিবলৈ গৈছিলোঁ। কেদিনমানব পিচতে

মানুহ এজনক লগ পালোঁ। তেওঁৰ দুজনী গাই বেচিব লগা আছিল, তাৰে এজনী বগা আৰু আনজনী বঙা। গোহালী ঘৰৰ যাহিৰত বনৰ ওপৰত দাম-দৰ ঠিক কৰিবৰ কাৰণে আমি বহিছিলোঁ। গিৰিহঁতজনে হাতত হোকা এটা লৈ আহিছিল। তেওঁ তাত নিজে দুহোপামান মাৰি হোকাটো মোৰ ফাললৈ আগবঢ়াই দিছিল। মই হোকা নেখাওঁ বুলি ক'লত মানুহজন বৰ আচৰিত হৈছিল। পিচত মই শুনিছিলো যে গৰুৰ দাম-দৰ বোলে হোকা হুপি হুপিয়েই কৰা হয়। যেই হওক, হোকা খায়েই হওক বা নেখায়েই হওক মই বাঙী গাইজনী সাত টকাত বন্দৰস্ত কৰিছিলোঁ।

মই মাক-পোৱালি দুয়োটাকে মোৰ সৰু পঁজাটোলৈ লৈ আহি ওচৰতে থকা গছ এজোপাত বান্ধি থাখিছিলো। ৰাতি হলে সিহঁতক মোৰ বাৰাণ্ডাখনৰ দুমূৰে এফালে গাইজনী আৰু আনফালে পোৱালিটো বান্ধি থৈছিলোঁ। ৰাতি বাহিৰত লেম্প এটা জ্বলাই থৈছিলোঁ। কাৰণ, ৰাতি কেতিয়াবা কুকুৰ, গৰু পোৱালি, ছাগলী আদি বিচাৰি নাহৰ ফুটুকী বাঘ ঘুৰি ফুৰে। মই শুনিছিলো, লেম্প দেখিলে বোলে বাঘ নাহে। লেম্পটোৱে বাঘক আঁতৰাই ৰাখিছিল সঁচা, কিন্তু ই স্থানীয় বলিয়া মানুহ এটাক আঁতৰাব পৰা নাছিল।

সেই ৰাতিটো বৰ গৰম আছিল। মই বাহিৰত- মুকলি আকাশৰ তলত ওচৰতে গাইজনী আৰু পোৱালিটো বান্ধি শুইছিলোঁ। মানুহৰ মাত শুনি মই সাৰ পাই উঠি চকু মেলি চাই দেখোঁ, উলঙ্গপ্ৰায়, বলী আৰু লোমশ মানুহ এটা মোৰ বিছনাৰ ওচৰতে থিয় হৈ আছে।

মই উঠি বহিলত সি চিঞৰি উঠিছিল: "সেইজনী মোৰ গাই।" দেখাতে বুজিব পাৰি, সি এটা পগলা মানুহ। গতিকে মই তাৰ লগত লাহে লাহে তৰ্ক কৰিছিলোঁ। আশ্ৰমৰ আন লোকসকলো বাহিৰতে অলপ দূৰত শুই আছিল। মই তেওঁলোকক মাতিব খোজা নাছিলোঁ। কাৰণ, মানুহটোৰ হাতত এডাল ডাঙৰ লাঠী আছিল আৰু সি মোক আক্ৰমণ কৰিব যেন লাগিছিল।

"সেইজনী মোৰ গাই, তাইক এতিয়া মই খীৰাম।" সি যিমানে চিঞৰে সিমানে ভাল, কিয়নো, তেতিয়া বাকীসকলে সাৰ পাব। তেওঁলোকে সাৰ পালে। তাৰে এজন আছিল পণ্ডিত জগতৰামৰ বন্ধু। তেওঁ যদিও "লাহোৰ ষড়যন্ত্ৰ মোকৰ্দমাৰ" বিপ্লৱী নাছিল, তথাপি সেই একে ধৰণৰ শক্তিশালী মানুহ আছিল। তেওঁ পোনে পোনে সেই বলিয়া মানুহটোৰ ওচৰলৈ আহি এনেকৈ

তাক শুচি যাবলৈ কৈছিল যে মানুহটোৱে দ্বিতীয়বাৰ আৰু কোনো শব্দ নকৰাকৈ পলাই পত্রং দিলে।

পিচদিনা মোক কৈছিল যে সেই পগলা মানুহটো ওচৰৰে গাঁও এখনৰ। পৰিয়ালৰ মানুহে তাক সাধাৰণতে তলা-চাবি মাৰি বন্ধ কৰি থয়। কিন্তু কেতিয়াবা কেতিয়াবা সি পলায়। মোক তেওঁলোকে নিশ্চিতৰূপে এই আশ্বাস দিছিল যে তাক তেওঁলোকে আকৌ ধৰিছে আৰু এইবাৰ বন্ধ কৰি বাখিবৰ কাৰণে আগতকৈ ভাল ব্যৱস্থা কৰিছে। মই বক্ষা পৰিলোঁ।

বতৰ যেতিয়া অতি উত্তপ্ত হৈ উঠিল, মই লালা কানাইয়ালাল বুটেইলৰ তাত থাকিবলৈ গৈছিলোঁ। কাংবাজিলাৰ চাবি হেজাৰ ফুট ওখত, পালামপুৰৰ ওচৰত তেওঁৰ এখন ডাঙৰ চাহ বাগিছা আছিল। লালাজী, মই তেতিয়ালৈকে লগ পোৱা মানুহবিলাকৰ ভিতৰত আটাইতকৈ দয়ালু আৰু সবল অন্তঃকৰণৰ আছিল। তেওঁৰ বয়স মাজবয়সতকৈ অলপ কম আছিল। তেওঁৰ মুখত সদায় হাঁহি লাগি থাকে আৰু আচৰণতো অতি মৰমিয়াল আছিল। তেওঁ আছিল বিপত্নীক। কিন্তু ল'বা-ছোৱালী, মাক-ভায়েক আদি পৰিয়ালৰ আন সকলো আছিল। পুৰণি যুটীয়া পৰিয়ালৰ দৰে তেওঁলোক সকলোৱে তেওঁৰে সৈতে একেলগে বাস কৰিছিল।

তেতিয়ালৈকে হিমালয় পৰ্বতমালা সম্বন্ধে মোৰ অভিজ্ঞতা পাহাৰী ঠাইকেখনতে সীমাবদ্ধ আছিল। এতিয়া মই চহৰৰপৰা বহুত আঁতৰত সৰু সৰু গাঁওবিলাকে আগুৰি বথা বাগিছা এখনত আছিলোঁ। মই ওচৰৰপৰা সেই ঠাইৰ মানুহৰ জীৱন সম্বন্ধে, জাকফৰা ঘৰ এখনত থাকি হিমালয়ৰ জানিব পাৰি তাতকৈ অধিক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ বিচাৰিছিলোঁ। সেই কাৰণে লালাজীয়ে তেওঁৰ বাগানৰ ওপৰলৈ থকা গাঁও এখনৰ নামনিত, মোক কিছুদিন থাকিবৰ কাৰণে ব্যৱস্থা কৰি দিছিল। মই কুটীৰ এটাত অকলশৰে বাস কৰিছিলো। মোৰ চতুৰ্দিশে থকা জীৱন লক্ষ্য কৰিছিলোঁ। লগে লগে টেল ধুনাৰ নতুন প্রণালী এটা মই প্রচলন কৰিছিলোঁ। মানুহে এই প্রণালী ঘৰ ভাল পাইছিল।

এই আটাইবিলাক আছিল মোৰ বাহ্যিক ক্রিয়া-কলাপ। কিন্তু ভিতৰি ভিতৰি মই ক'ত আছো, কি হ'ব, এইবিলাক চিন্তা কৰি ঘৰ অস্থিৰ হৈ পৰিছিলোঁ। ঘৰযুণ যেতিয়া আৰম্ভ হ'ল মই সেৱাগ্রামলৈ উলটি আহিলোঁ।

কিন্তু মোৰ মনত অকণো শান্তি নাছিল। মোৰ নিজকে অপ্ৰয়োজনীয় যেন অনুভৱ হৈছিল। গভীৰ বিষাদে মোৰ সমস্ত মন অধিকাৰ কৰিছিল। অন্তৰৰ অন্তঃস্থলীৰপৰা আপোনাআপুনি এটা ভাৰৰ উদয় হৈছিল। মৌনব্ৰত গ্ৰহণ কৰি সম্পূৰ্ণভাৱে নিজকে ধ্যান আৰু প্ৰাৰ্থনাত নিমগ্ন ৰাখিব লাগিব ; যেতিয়া-লৈকে ঈশ্বৰে পোহৰ নেদেখুৱায়। কোনোবা এখন বনলৈ গৈ অকলশৰে থাকি বেদ, উপনিষদ আৰু পুৰাণ পঢ়িবৰ মোৰ বাসনা জাগিছিল। বাপুৰ বাহিৰে আন কাৰো চিঠি বা কোনো খবৰ কাগজো নপঢ়ো। বহুত পৰলৈ নিশ্চলভাৱে বহি ধ্যানমগ্ন হৈ থকাটো মোৰ কাৰণে অস্বাভাৱিক যেন লাগিছিল। সেই কাৰণে মই ঠিক কৰিছিলো যে মই দৈনিক এহেজাৰ গজ সূতা কাটিম। মই ভাবিছিলোঁ যে এই সূতা কাটি থকা সময়খিনিত মনটোৱে সুস্থভাৱে কাম কৰিব। তেতিয়া মোৰ কোনো ভ্ৰম হোৱাৰ ভয় নেথাকিব।

মই বাপুৰ ওচৰলৈ গৈ সকলো কথা কলোঁগৈ। তেখেতে মোৰ এই প্ৰস্তাৱত সম্পূৰ্ণ সম্মতি জনাই কৈছিল যে মই যাৰ ওচৰলৈ যাব পাৰো, সেই-সকলৰ ভিতৰত শ্ৰেষ্ঠজন হ'ব কানাইয়ালাল। তেওঁ নিশ্চয় তেওঁৰ বাৰীৰ বননি অঞ্চলত মোক ৰাখিবলৈ ইচ্ছা কৰিব।

ছেপ্তেম্বৰ মাহত পালামপুৰলৈ মই উভতি গৈছিলোঁ। লালাজীয়ে তেওঁৰ স্বাভাৱিক উদাৰ অন্তঃকৰণেৰে মোক তেওঁৰ বাগিছাৰ যিডোখৰ ঠাইয়েই পচন্দ হয় তাকে বাছি ল'বলৈ কৈছিল আৰু তাতে তেওঁ মই কোৱামতে জুপুৰি এটা সাজি দিব বুলি কৈছিল।

গোটেইখন ঠাই খোজকাটি ঘুৰি-পকি প্ৰত্যেকটো চুক-কোণ চাই মই হাৰি-বননিৰে ভৰা পৰ্বতমালাৰ এমূৰে এডোখৰ ঠাই বাছি লৈছিলোঁ। ইয়াৰ ঠিক সমুখতে তললৈ এক সঙ্কীৰ্ণ গিৰিপথ। সেইপিনেই ডুৰি এটাও বৈ গৈছিল। লালাজীৰ ঘৰ প্ৰায় আধামাইলমান দূৰত আছিল। কেৱল এক ফাৰ্লংমান আঁতৰত পাহাৰৰ ওপৰলৈ থকা গৰুৰ চালিডোখৰৰ বাহিৰে সেই অঞ্চলটোত ক'তো এখনো ঘৰ-বাৰী নাছিল।

স্থানীয় বস্তুৰে সৈতে পঁজাডোখৰ ভতালিকে সাজি উলিয়াই ঘাঁহ-বনেৰে ঢাকি দিয়া হৈছিল। লালাজীয়ে কৈছিল—এনেকুৱা ঠাইত অকলে অকলে থাকিবলৈ তেওঁক একোৱেই প্ৰবোচিত কৰিব নোৱাৰে। কাৰণ, সেই অঞ্চলত খোলে এটা নাহৰ ফুটুকী বাঘ আছে। এনেকুৱা এটা গল্পও আছে যে এজন

মানুহে—য'ত মোৰ এতিয়া পঁজাটো সজা হৈছে, সেই ঠাইতে বোলে বাঘটো দেখিছিল। কিন্তু নির্জনতাই মোক ৰবকৈ সুচিছিল। সেই কাৰণে অক্টোবৰ মাহৰ দুই তাৰিখে বাপুৰ জন্মদিনৰ দিনাই প্ৰথম মই তাত থাকিবলৈ গলোঁগৈ।

উত্তৰপিনে গছবিলাকৰ মাজেদি ধিয় শিলাময় মৌল'ধৰ পৰ্বতমালাৰ শুৱনী দৃশ্য দেখা গৈছিল। এই পৰ্বতশ্ৰেণী পোন্ধৰ হেজাৰৰপৰা ষোল হাজাৰ ফুট ওখ আছিল। সেঁাহাতে পাইন গছৰ তললৈ ধানখেতিৰ অকণমান খোলা পথাৰ এডোখৰ আছিল। দক্ষিণ আৰু পূৰ্ব অঞ্চল পাহাৰৰ একেবাৰে নিম্ন অংশলৈকে গোটেইখন হাবিৰে ভৰি আছিল। মই এতিয়া মৌনব্ৰত লৈ সূতাকটা আৰু অধ্যয়নত ৰত হৈছিলোঁ। লালাজীৰ কাৰণে আৰেলি আধাঘণ্টামান কথা-বতৰা পাতিবলৈ বাধ্য হৈছিলো, যদি তেওঁ সেইকালে ফুৰিবলৈ আহে।

ইমানদিন বাপুৰে সৈতে মোৰ চিঠি-পত্ৰৰ আদান-প্ৰদান নিয়মিতভাবে চলি আছিল। তেখেতে সম্প্ৰতি লিখিছিল :

> তোমাৰ দীঘলীয়া চিঠিখন পাইছোঁ। তোমাৰ ভিতৰত যি যুদ্ধ চলিব লাগিছে এই চিঠিৰ দ্বাৰা মই বুজিব পাৰিছো ... । ঈশ্বৰৰ ওচৰত সকলো সমৰ্পণ কৰাৰ মনোভাৱেই হৈছে সাৰ কথা। তোমাৰ বাহ্যিক কাম-কাজ যিয়েই নহওক, এই সকলো ঈশ্বৰৰ নামতে নিবেদন ক'ব লাগিব ..।

দিন যোৱাৰ লগে লগে পাৰিপাৰ্শ্বিক অৱস্থাই মোক লাহে লাহে শান্তি দিবলৈ আৰু অন্তৰ মুকলি কৰিবলৈ আৰম্ভ কৰিছিল। গছ-বন আৰু জোপোহা-বিলাকে মোৰে সৈতে বন্ধুত্ব কৰিছিল। শেঁপুৰৈ ধৰা ক'লা ডাঙৰ ডাঙৰ শিলবিলাক আছিল মোৰ বাবে স্থায়ী আনন্দৰ কাৰণ। পাহাৰৰ নামনিয়েদি বৈ যোৱা জুৰিৰ শব্দই মধুৰ-শান্ত সঙ্গীতৰ সৃষ্টি কৰিছিল। চৰাইবিলাকো ৰৰ সোনকালে মোৰ সঙ্গী হৈ পৰিছিল।

সময় আগবাঢ়ি যোৱাৰ লগে লগে ঋতু অনুযায়ী প্ৰাকৃতিক শক্তিয়ে নিজৰ আগমনীৰ জাননী দিয়ে। ডিচেম্বৰ মাহৰ শেষৰ পিনে এবাতি সেই বনত প্ৰবল ধুমুহা-ৰবষুণ আছিল। এয়া জাৰকালিৰ ৰবষুণ আৰু ৰবষৰ আগমনীসূচক। মই জুপুৰিটো জোৰেৰে বন্ধ কৰি ৰাখিছিলোঁ যদিও, ভিতৰতো বতাহ সোমাইছিল। বৈ বৈ বতাহৰ সোঁত বলিছিল। এই বতাহ অহা মই

শুনিছিলোঁ। হাবিৰ মাজেদি এক ভীষণ গৰ্জন কৰি ই আহিছিল। গছত আৰু মোৰ অকণমান পঁজাটোত ঠেকা খাই পাহাৰৰ তলৰ খাদলৈ নামি গৈছিল। এইদৰে ইজাকৰ পিচত সিজাককৈ বতাহ বলিছিল। তাৰ পিচত আহিল ধাৰাসাৰ বৰষুণ। চাল ফুটি মোৰ পঁজাৰ ভিতৰত পানী পৰিবলৈ ধৰিলে। অলপ সময়ৰ ভিতৰতে ক'তো অকণো শুকান ঠাই নোহোৱা হ'ল। মই আঠুৰাখন তৰি তাৰ ওপৰত পানী কোটটো আৰু ছাতিটো তৰি দিছিলো। কিতাপ-পত্ৰ সকলোখিনি নি বিছনাখনৰ তলত থৈছিলোঁ। ওপৰৰ চালখন উৰি নোযোৱালৈকে মোৰ ভাগ্য ভালেই বুলি ভাবিছিলোঁ। বৰষুণৰ পিচত এতিয়া জাকে জাকে শিল বৰষিবলৈ ধৰিলে। সেই শিলবিলাক ঘৰৰ চালত সোমাই আছিল। বতাহ-বৰষুণ শাম কাটিলে। কিন্তু সেই বৰফৰ শিলবিলাক গলি ওৰে ৰাতি টোপ্ টোপ্কৈ পানী পৰি আছিল। অৱশেষত সেই জকৰী অৱস্থাত সাজি লোৱা শিবিৰতে মই টোপনি গৈছিলোঁ। পুৱা সূৰ্যোদয়ৰ সময়ত মই যেতিয়া ধৌলাধৰ পৰ্বতমালাৰ পিনে ভূমুকি মাৰি চাইছিলোঁ, দেখিলোঁ, এখন শেঁতাপৰা নীলা আকাশৰ গাত ই বগা হৈ জকমকাই আছে। জাৰকালিৰ বৰফ আহিল।

মই ঋগ্বেদ পঢ়িবলৈ আৰম্ভ কৰিছিলোঁ। দিনে-নিশাই যিবিলাক প্ৰাকৃতিক মহিমাৰে সৈতে নীৰৱে, অকলশৰে মই প্ৰত্যক্ষ সংস্পৰ্শলৈ আহিছিলো, তাৰ লগত মোৰ ঋগ্বেদৰ অধ্যয়ন ৰঙিতা খাই পৰিছিল। ইয়েই আছিল সেই পবিত্ৰ শক্তিশালী উৎস, য'ৰপৰা মই বল পাবলৈ ধৰিলোঁ।

ফেব্ৰুৱাৰী মাহত মই সেৰাগ্ৰামলৈ বা ৱেৰোদালৈ উলটি আহিলোঁ। মোৰ সৰু পঁজাটো তেতিয়া খালী হৈ আছিল। মই তাতে থাকিবলৈ ল'লোঁ।

ভ্ৰমণৰ সময়ত মই মৌনব্ৰত ভাঙিব লগা হৈছিল। কিন্তু আহি পায়েই এই ব্ৰত মই আকৌ গ্ৰহণ কৰিলোঁ। এতিয়া দৈনিক আধাঘণ্টা সময় কথা কোৱাব সলনি, সপ্তাহত দুবাৰ, প্ৰায় বিশ মিনিট সময়, বাপুক দেখা কৰিবলৈ

যাওঁতেহে মই কথা কৈছিলো। এপ্রিল মাহলৈ ব'দ বৰ চোকা হৈ আহিল। বাপুৱে মোক জুনাগঢ় ষ্টেটৰ চাৰওৱাড নামে ঠাইলৈ পঠিয়াই দিছিল। এই ঠাইত আৰৰ সাগৰৰ উপকূলৰপৰা এমাইলমান আঁতৰতে এজন ধনী বন্ধুৰ এখন ফলৰ বাগান আছিল। এই ফলৰ বাগানখনে আচৰিত আচৰিত ধৰণৰ, নানাপ্ৰকাৰ ফলৰ গছেৰে সৈতে বিশ একৰমান মাটি জুৰি আছিল। সকলো প্ৰকাৰৰ উৎকৃষ্ট আম আৰু কলৰ গছ তাত আছিল। লিচু, চিকু আৰু বাকীবিলাক গছতকৈ ওখ নাৰিকল গছবিলাক বাগিছাখনত আছিল। ফলতকৈয়ো অধিক চকুত লগা বস্তু হ'ল তাৰ চৰাইবিলাক।

বাগিছাখনৰ সোঁমাজতে সৰু মাটিৰে সজা জুপুৰি ঘৰ এটাতে মই আছিলোঁ। সৰু বাৰাণ্ডা অকণমান আছিল, তাতে বহি মই সূতা কাটিছিলোঁ। ম'ৰা চৰায়ে যোৰপাতি নতুন আলহী কোন আহিছে চাবলৈ সমুখৰ মুকলি ঠাইখিনিয়েদি চৰণ পেলাই আগবাঢিছিল। সিহঁতৰ কাৰণে মই ধান ৰেঁজ ইত্যাদি ৰাখিছিলোঁ। সেইবিলাক প্ৰথমতে খোলা ঠাইখনত, তাৰ পিচত বাৰাণ্ডাৰ ওপৰত আৰু শেষত যঁতৰটোৰ ওপৰত সিঁচি দিছিলোঁ। আটাইতকৈ সাহিয়াল ম'ৰাটোৱে সেইবিলাক তাৰেপৰা বুটলি খাইছিল। প্ৰথমতে সিহঁতে চালি ধৰা নাছিল। কিন্তু যেতিয়া সিহঁত মোৰ লগত সহজ হৈ উঠিল, তেতিয়া প্ৰায় সদায়েই সিঁচি থোৱা দানাবিলাক বুটলি খোৱাৰ পিচত চালি ধৰি সিহঁতে নৃত্য আৰম্ভ কৰিছিল।

ৰাতি মই ৰাহিবত শুইছিলো। প্ৰত্যেকদিনাই ৰাতিপুৱা চৰাই বিলাকে মোক জগাইছিল। বাপুলৈ ইয়াৰে বৰ্ণনা দি, এনেকৈ লিখিছিলো :

এতিয়া বোধকৰোঁ চৰাইবিলাকৰ জগুৱ ভৱপক। ম'ৰা বিলাকে নাচে, কুলি চৰায়ে গছে গছে পৰি কোলাহল কৰি গান গাইছে। সপ্তপ এযোৰা বিপৰীতে থকা তালগছজোপাত প্ৰায়ে পৰেহি। এতিয়া আনকি সিহঁতো প্ৰণয়াসক্ত হৈ পৰিছে। কিন্তু সিহঁতে যেতিয়া মোহিত হৈ গান আৰম্ভ কৰে, তেতিয়া চৰায়ে গান গোৱাতকৈ অন্তৰে আহত হৈ কন্দাৰ নিচিনাহে শুনি। বিমানেই সপ্তাহ পাৰ হৈ গৈছে চৰাই-বিলাকে সোনকালে উঠিবলৈ আৰম্ভ কৰিছে। এতিয়া সময়ৰ সঙ্গীত পুৱা আঁহ বজাতে আৰম্ভ হয়। কুলিয়ে মাতিবলৈ আৰম্ভ কৰে আৰু লগে লগে ম'ৰা চৰায়ে তেনী বজায়, চিঞৰে—"জয় হো"। এই সকলোবিলাক ৰিদ্ধনাথনৰপৰা ফেই-গজমান আঁতৰতে শুনা যায়। তাৰপাছক্ৰমে এয়া চমু আৰম্ভণি ভাষ, পিচত তিনি বাজি

ত্ৰিশ মিনিট বা চাৰি ঘণ্টালৈকে আৰু কোনো শব্দ নাই। পাঁচ ঘণ্টাত দণ্ডবৎত কোঢ়াল আৰম্ভ হয়। তেতিয়া কাউৰী, ভাটৌ, বুলবুল্ আৰু সৰু সৰু নানাবিধ চৰাই আহি একেলগ হয়।

সপ্তাহত প্ৰায় এবাৰকৈ মই সমুদ্ৰৰ তীৰলৈ গৈ নিৰ্জন শিলাময় উপকূলত ঢোঁৱে খুন্দিয়াই থকা চাওঁগৈ। হিমালয়ৰ নিচিনাকৈ ইয়াতো আকৌ সেই শক্তিৰ নিশ্বাস। সেই শক্তি শান্তিময়ো।

১৯৪১ চনৰ মে' মাহৰ ২২ তাৰিখে বাপুৰে লিখিছিল :

লণ্ডনৰপৰা খবৰ এটা সুধি পঠিয়াইছে যে তুমি মোৰ লগত সকলো সম্পৰ্ক ছেদ কৰি মোৰপৰা আঁতৰ হৈ আছা,—এই খবৰটো সঁচানে !!! মানুহে যি ইচ্ছা কৰে, তাকে কেনেকৈ মানুহে ভাবে '

ৰবষুণ আৰম্ভ হ'লত মই সেৱাগ্ৰামলৈ উলটি গৈ, আশ্ৰমৰপৰা আধা-মাইলমান দূৰতে ফলৰ বাগান এখনৰ মাজত থকা কুটীৰ এটাত আছিলোঁগৈ। আগৰ নিচিনাকৈয়ে মই মৌনব্ৰত পালন কৰি আছিলো আৰু গভীৰভাৱে ঋগ্‌বেদ পঢ়াত মনোনিবেশ কৰিছিলোঁ। মোৰ হাতত যিবিলাক অনুবাদ আছিল, সেইবিলাক কিছু কঠিন আৰু নীৰস আছিল। যিবিলাক প্ৰাৰ্থনাই মোৰ অন্তৰ স্পৰ্শ কৰিছিল, মই নিজেও সেইবিলাকৰ ভাঙনি কৰিছিলোঁ। প্ৰকৃতি আৰু প্ৰকৃতিৰ প্ৰতিভূৰ লগত প্ৰত্যক্ষ সম্পৰ্কলৈ আহি, যিধৰণে মই তাৰ অন্তৰ্নিহিত ভাব বুজিছিলোঁ, মোৰ ভাঙনিত মই তাৰ উপযোগী ভাষা ব্যৱহাৰ কৰিছিলোঁ। মোৰ ভাঙনিবিলাক দৈনিক মই বাপুলৈ পঠিয়াইছিলোঁ। তেখেতেও এটুকুৰা কাগজত দুই এটা মন্তব্য কৰি সেইবিলাক আকৌ মোলৈ ঘুৰাই পঠিয়াইছিল। বাপুৰ মন্তব্যবিলাক এনেধৰণৰ আছিল : "এইটো বৰ মনোৰঞ্জক ; শেষত ই এটা ভাল সংগ্ৰহ হ'বগৈ।"

মই থকা কুটীৰটোৰ পাৰিপাৰ্শ্বিক অৱস্থা আকৰ্ষণীয় নাছিল যদিও আন ধৰণৰ চিত্তাকৰ্ষক বস্তুৰ তাত অভাব নাছিল। এদিন গধূলি মাটিত বহি মই সূতা কাটি আছিলোঁ। এনেতে এটা ডাঙৰ ভেকুলী লেম্পটোৰ ওচৰত জমা হোৱা পোক-পকৰাবিলাক খাবলৈ সেইখিনিলৈ আহিছিল। জপিয়াই জপিয়াই সি ওচৰ পালেহি। ইমানখিনি আহাৰ একেলগে দেখি তাৰ

সোণালী চকুযোৰ জকমকাবলৈ ধবিলে। এতোখৰ সুবিধাজনক ঠাইত বহি লৈ, কোনোবাটো অসাৱধান পোক-পকৰা সি চুকি পোৱা ঠায়েদি পাৰ হোৱা দেখিলেই তাৰ দীঘল জিভাখন মেলে। ববৰব দবে দীঘল কৰিব পৰা তাৰ জিভাখন এটা বস্তুৱেই আছিল। ইমান দূবলৈকে যে সি তাৰ জিভাখন মেলিব পাবে মই কেতিয়াও ভবা নাছিলোঁ। আহাৰ সংগ্রহৰ এই সহজ উপায়টো আৱিষ্কাৰ কৰি সি এদিনো ক্ষতি নকবাকৈ নিয়মিতভাৱে সদায় গধূলি আহিবলৈ লৈছিল।

কিন্তু দিনৰ বেলিকা সি কলৈ যায়? মই চাবিওফালে বিচাবি দেখিলোঁ, বান্ধনী ঘৰৰ কাঁহি-বাটি ধোৱা ঠাইৰ শিল এছটাৰ তলত সি চেপেটা খাই সোমাই আছে। সেই কাৰণে মই তাৰ কাৰণে দুচপৰা ইটা আৰু শিল এটুকুৰা তাৰ ওপৰত দি আৰামপ্রদ আশ্রয় এটুকুৰা সাজি দিলোঁ। আৰু প্রতিদিনাই তাৰ ঘৰটোৰ ওপৰত অলপ ঠাণ্ডা পানী ঢালি দিয়া নিয়ম কৰি লৈছিলোঁ। মোৰ এই মনোযোগ সি স্বাভাৱিকভাৱেই গ্রহণ কৰিছিল। বাপু এদিন সেইফালেদি ফুৰিবলৈ আহিলত, মই তাৰ ধুনীয়া সোণালী চকুযোৰ বাপুক দেখুৱাবলৈ ভেকুলীটো বাহিৰলৈ লৈ আহিছিলোঁ। এই কথটোও সি বেচ স্বাভাৱিকভাৱেই লৈছিল। মোৰ দুয়োখন হাতৰ মাজত লেপেটা কাচি বহি লৈ সি মুখটো উলিয়াই শান্ত হৈ বাপুৰ পিনে ব' লাগি চাই আছিল। বাপুও তাৰ ওপৰত ইমান সন্তুষ্ট হৈছিল যে ফুবাৰ সময়ত আন কোনো দর্শক যদি তেওঁৰ লগত আছে– তেওঁ কয়: "তোমাৰ পোহনীয়া ভেকুলীটো বাহিৰলৈ উলিয়াই আনিব লাগিব।"

কিছুদিনৰ পিচত মই মন কৰিলোঁ, ওচৰে-পাজৰে আৰু দুই-এটা ভেকুলী আছে। কিন্তু সিহঁত মোৰ এই বিশেষ বন্ধুটিৰ সমান ডাঙৰ নহয়। তাৰ পিচত দুটা-এটাৰপৰা সিহঁত চাৰি পাঁচটা হ'লগৈ আৰু এইদৰে ক্রমান্বয়ে বাঢ়ি যাবলৈ ধবিলে। অৱশেষত সিহঁতৰ সংখ্যা চল্লিশটা হলগৈ। সেই বুঢ়া ভেকুলীটোক মই কৈছিলোঁ, "চোঁৱা, মই সঁচাকৈয়ে অতি দুখিত। ভাল বস্তু হলেও এতিয়া অতি বেছি হৈ আহিছে। তোমালোক আটাইবিলাক এতিয়া ইয়াৰপৰা গৈ যদি ক'বযাত সুন্দৰ চাপ এটাৰ কাষত থাকিবলৈ লোৱাগৈ তেন্তে বৰ ভাল কথা হয়।"

তাৰ সোণালী চকুযোৰেৰে থবলাগি মোৰ পিনে চাই আছিল। কিন্তু মই মন ডাঠ কৰি কঠোৰ হ'লো আৰু সিহঁত আটাইবিলাকে ধৰি টিন এটাৰ

ভিতৰত ভৰাই ওচৰে পথাৰখনৰ সিমুৰে এৰি দিলোঁগৈ। পিচদিনা ৰাতিপুৱা সাৰ পাই উঠি দেখোঁ যে সিহঁত আটাইলিাক আকৌ উপস্থিত। আকৌ এৰাৰ মই মোৰ মন ডাঠ কৰি ল'লোঁ। এইৰাৰ সিহঁতক কেৰাখনো পথাৰ পাৰ কৰি ধুনীয়া জুৰি এটাৰ কাষত এৰি দিলোঁগৈ। দ্বিকি পচদিনা পুৱা সেই বুঢ়া ভেকুলীটো আৰু লগতে আন কেটামান ডাঙৰ ভেকুলীও আকৌ মোৰ ওচৰ পালেহি।

সেইদেখি মই কলোঁ, "বেচ কথা। তেন্তে আমি সকলো একেলগে থকাই ভাল।" আৰু আমি একেলগে আছিলোও।

ৰিছাৰিলাক পিচে সিমান আনন্দদায়ক নাছিল। প্ৰায়ে গধূলি যেতিয়া মই ভিতৰ সোমাওঁ, দুই এটা মজিয়াত বগাই ফুৰা দেখোঁ। তিনিবাৰ ৰিছাৰ কামোৰৰ অসন্তুৰ বিষৰ (অন্ততঃ বাৰ ঘণ্টামান) অভিজ্ঞতা মোৰ আছিল। মই সিহঁতক সঙ্গী হিচাপে ৰাখিবলৈ অকণো উদ্বিগ্ন নাছিলোঁ। সেইদেখি সিহঁতক দেখিলেই গছৰ ঠাৰি এডালেৰে বা সৰু চেপেনা এডালেৰে ধৰি পুৰণি কেৰাচিনৰ টিন এটাত ভৰাই থৈ পিচদিনা ৰাতিপুৱা সিহঁতক নি বহুত দূৰত পেলাই দিওঁগৈ। ৰিছাৰিলাক সকলো আকাৰৰে আছিল। কিছুমান ডাঙৰ আৰু কিছুমান ৰৰ সৰু। মই দেখিছিলো, সৰু ৰিছাৰিলাক ভৰাই থোৱা টিনটোৰপৰা প্ৰায়ে নাইকিয়া হয়। সিহঁতে ওলাৰলৈ কেনি ৰাট পায়? সাঁথৰটো সমাধান হ'ল। এদিন ৰাতিপুৱা মই দেখিলোঁ, আগদিনা ধৰা তিনিটা কমি গৈ এটা ডাঙৰ ৰিছা আছেগৈ। মুখত তেতিয়াও সেই সৰু ৰিছাৰ নেজটুকুৰা লৈ সি বহি আছিল। তেতিয়াৰেপৰা ৰিছাপোৱালি-ৰিলাকক মই ৰেলেগে ৰটল এটাত থৈছিলোঁ। সেই পঁজাটোত থকা সময়-ছোৱাৰ ভিতৰত মই মুঠতে পঞ্চাশটা ৰিছা ধৰিছিলোঁ।

দুটা সাপো সেই ঘৰটোৰ স্থায়ী ৰাসিন্দা আছিল। কিন্তু সিহঁত নিজৰ-ভাৱে আছিল। তাৰে এটাৰ নেগুৰডোখৰ মই কেতিয়াবা কেতিয়াবা গা-ধোৱা ঘৰৰ কেঞ্চিৰ তললৈ ওলমি থকা দেখিছিলোঁ। আৰু ইটো ঘৰৰ ৰাছিৰে পিৰালিত দুছটা শিলৰ মাজৰ ফাটটোত ৰোধকৰোঁ আছিল।

দিন যোৱাৰ লগে লগে মই বেদ পঢ়াত একনিষ্ঠভাৱে মন দিছিলোঁ। হিমালয় পাহাৰৰ হাৰিৰ মাজত থকা দিনৰেপৰা বেদসমূহ মোৰে এটা অংশ যেন হৈ পৰিছিল। কোনো বিদ্বান লোকে তাৰ অৰ্থ ব্যাখ্যা কৰা নাছিল। হাজাৰ হাজাৰ বছৰৰ পূৰ্বে যিবিলাক বস্তুৱে এই বেদ মানুহৰ অন্তৰৰপৰা

উলিয়াই আনিছিল, সেই বস্তুবিলাকৰ মাধ্যমেৰেই ই মোৰ অন্তৰৰ অন্তঃস্থলীত প্ৰবেশ কৰিছিল। বুদ্ধিমানসকলৰ বিচাৰ সম্পূৰ্ণ পৃথক হ'ব আৰু প্ৰাৰ্থনাসমূহ মই যিদৰে বুজিছো সেইবিলাকৰ মূল্য অতি কম হব, সেই কথা মই জানো। কিন্তু মোৰ কাৰণে ই মোক কিমানখিনি প্ৰেৰণা আৰু শক্তি যোগাইছে সেইটোহে আচল কথা।

মৌনব্ৰত গ্ৰহণ কৰা এতিয়া মোৰ এবছৰতকৈয়ো অধিক হ'লহি। এই ব্ৰত এৰি মই এতিয়া দৈনন্দিন জগতত প্ৰবেশ কৰিবৰ সময় আহি পৰিল যেন মোৰ অনুমান হৈছিল। মোৰ প্ৰিয় বন্ধু আশাদেৱীয়ে এই বিষয়ে মোক জোৰ কৰিছিল। মই শুনিছিলো, মই বুজিছিলো আৰু আনকি সম্মতো হ'ব খুজিছিলো। তথাপি মোৰ মৌনতা ভঙ্গ কৰিবও নোৱাৰিছিলোঁ। অৱশেষত সেই মুহূৰ্তটো আহিছিল। মোৰ মনত আছে, এক আচৰিত ধৰণে মোৰ বুকুৰ মাজত কিহবাই মোহাৰ মৰাৰ দৰে অনুভৱ কৰিলোঁ আৰু লগে লগে মোৰ চকুৱেদি হৰ্‌হৰকৈ চকুপানী ওলাবলৈ ধৰিলে। তাৰ পিচতে মৌনব্ৰত ভাগিল।

বাপুৰ কুটীৰৰ কাষৰ মোৰ পঁজাটোতে অফিচ বহিছিল। ইমান মানুহ যে কোঠাটোত নধৰিছিল। সেইদেখি আশাদেৱীয়ে মোক তেওঁৰ ঘৰত থাকিবলৈ পৰামৰ্শ দিছিল। ময়ো আনন্দেৰে সম্মতি দিছিলোঁ। যিবিলাক বৈদিক প্ৰাৰ্থনা মই বাছিছিলোঁ, তেওঁৰে সৈতে সেইবিলাক পঢ়িবলৈ মই এটা বঢ়িয়া সুযোগ পাইছিলোঁ। আশাদেৱী এজন অতি বিদ্বান লোকৰ জীয়েক কাৰণে সকৰেপৰা তেওঁ বৈদিক সংস্কৃত জানিছিল। তেওঁৰ লগত একেলগে প্ৰাৰ্থনাবিলাক পঢ়ি কটোৱা সময়খিনি মই বেচ উপভোগ কৰিছিলোঁ।

সেই সময়ত দেশৰ বাতাবৰণ অৱসাদগ্ৰস্ত আছিল আৰু অসন্তোষে বৰ বেগেৰে বৃদ্ধি পাইছিল। জাপানীসকল ব্ৰহ্মদেশৰ মাজেদি আগবাঢ়ি অহাৰ লগে লগে উত্তেজনা বিশেষ বৃদ্ধি পাইছিল। সঙ্কট অৱশ্যম্ভাৱী হৈ পৰিছিল।

অস্ত্ৰক্ষমতাৰ আগন্তুক বাস্তৱিকতালৈ লক্ষ্য ৰাখি কংগ্ৰেছৰ নেতাসকলে বাপুৰ অহিংস প্ৰতিৰোধৰ আদৰ্শটো বাৰে বাৰে অস্বীকাৰ কৰিছিল। ১৯৪২ চনৰ জানুৱাৰী মাহৰ এক সন্ধিক্ষণত কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ এক

অধিবেশন বহিছিল আৰু সেই অধিবেশন শেষ হোৱাৰ লগে লগে কংগ্ৰেছ কমিটীৰ অধিবেশনো বহিছিল। দেশৰ নেতৃত্বভাৰ গ্ৰহণ কৰিবৰ কাৰণে আকৌ বাপুক অনুৰোধ জনোৱা হ'ল। তেওঁ নিজৰ আদৰ্শ অনুযায়ী সেই দায়িত্ব ল'বলৈ সম্মত হৈছিল। লগে লগে কেনে ধৰণৰ অভিযানৰ পৰিকল্পনা তেওঁ মনে মনে পাতিছে, সেই সম্বন্ধে সাপ্তাহিক হৰিজন কাকতত প্ৰবন্ধ-পাতি লিখি জনমত গঠন কৰিবলৈ আৰম্ভ কৰিছিল।

এই অৱস্থাতে বৃটিছ গৱৰ্ণমেণ্টে ভাৰতীয় জাতীয় কংগ্ৰেছৰ লগত এক আপোচ মীমাংসাত উপনীত হ'বৰ কাৰণে ছাৰ ষ্টেফ'ৰ্ড ক্ৰীপছৰ নেতৃত্বত এটা দল ভাৰতলৈ পঠাইছিল।

মোৰ পোন্ধৰ মাহ জোৰা মৌনব্ৰতৰপৰা ওলাই অহা সময়ত দেশৰ পৰিস্থিতি ঠিক এনে ধৰণৰে আছিল। সক্ৰিয় কাম-কাজ বিচাৰি উলিয়াবলৈ মোৰ সৰহপৰ নেলাগিল। নৰ্থ বম্বেৰ নাভচাৰীৰ কাষতে কমলা দেৱী আৰু মৃদুলাই মহিলা শিবিৰ এটাৰ সংগঠন কৰিছিল; তাত তেওঁলোকৰ সাহায্যৰ আৱশ্যক হৈছিল। মই মাৰ্চ মাহত তালৈ গ'লোঁ। প্ৰাথমিক যা-যোগাৰৰ কাৰণে তাত থাকিবলৈ তেওঁলোকৰ অলপো সময় নাছিল। সেইদেখি ময়ে শিবিৰ কি ধৰণেৰে সজা হ'ব তাৰ পৰিকল্পনা কৰি সজাৰ লগীয়াও হৈছিল। মই সাধাৰণতে খটুৱা প্ৰণালীৰে স্থানীয় সা-সঁজুলি আৰু বস্তুৰেই সজা কাম আৰম্ভ কৰিছিলোঁ। এই উপায়েৰে সকলো সাজি-পাৰি ঠিক সময়তে ঠাইডোখৰ সাজু কৰি তোলা হ'ল। শিবিৰ মুকলি কৰি নিয়মিতভাৱে শিক্ষাদান কাৰ্য যেতিয়া আৰম্ভ হ'ল, মই সেই শিবিৰৰ স্বাস্থ্যবিধি আৰু কাপোৰ ধোৱা আদি কামৰ পৰিদৰ্শনৰ আৰু সেই বিষয়ে দিহা-পৰামৰ্শ দিয়াৰ দায়িত্ব লৈছিলোঁ। তাৰ উপৰি সামান্য পৰিমাণে ঘোঁৱাত উঠা শিকোৱা আৰু চাইকেলত উঠাও শিকাইছিলোঁ।

সকলো সময়তে বাতৰি কাগজৰ যোগে দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিছিলোঁ। সম্মিলিত শক্তিয়ে (অক্ষশক্তি) ভাৰতবৰ্ষক সামৰিক ঘাটি হিচাপে ব্যৱহাৰ কৰিছে আৰু তেওঁলোকৰ যুদ্ধপ্ৰচেষ্টাৰ সহায়ক হিচাপে ভাৰতবৰ্ষক নিৰ্মমভাৱে শোষণ কৰিছে (যুদ্ধ জয়ৰ পিচত স্বাধীনতা দানৰ কোনো নিশ্চিত প্ৰতিশ্ৰুতি নিদিয়াকৈ)। এই আঘাতৰ উপৰি বিদেশী সৈন্য দলে দলে ভাৰতলৈ আনি ভাৰতবৰ্ষক অপমানো কৰিছিল। কাৰণ, বৰ্তমান

পবিস্থিতিত তেওঁলোকে ভাবতীয় সৈন্যবাহিনীব ওপবত বিশ্বাস স্থাপন নকবিছিল। বাপুব অবিবাম প্রবন্ধবাজিব সোঁতে আৰু দেখা-সাক্ষাত আদিয়ে দেশব এনে শোচনীয় পবিস্থিতি সম্পর্কে দেশবাসীক সজাগ কবি তুলিছিল। কিন্তু আনফালে কংগ্রেছ মহলব মাজত, এনে অৱস্থাত কি কবা উচিত, সঁচাকৈয়ে জাপানে যদি আক্রমণ কবে তেন্তে কি কবা হ'ব ইত্যাদি বিষয়ে যি আলোচনা চলি আছিল, সেইবিলাকত কাবো লগত কাবো মত নিমিলিছিল। মোব মনব মাজত এনে তোলপাব আবম্ভ হৈছিল যে মই বাপুলৈ এখন দীঘলীয়া চিঠি লিখিছিলোঁ। পিচত জানিব পাবিছিলোঁ যে সেই সময়ত বাপুৱে হবিজন পত্রিকালৈ লিখি থকা প্রবন্ধ এটাব ভাববাশিব লগত মোব চিঠিখনব ভাবো বহুতখিনি মিলি গৈছিল। বাপুলৈ এই অনুবোধ জনাইছিলোঁ যে এলাহাবাদত অলপতে বহিবলগীয়া কংগ্রেছ ৱার্কিং কমিটী আৰু অল ইণ্ডিয়া কংগ্রেছ কমিটীব অধিবেশনলৈ মোকো যাবলৈ দিব লাগে, যাতে তালৈ গৈ মই অন্তবালত নেতাসকলব লগত আলোচনা চলাব পাবো আৰু আগন্তুক জাপানী আক্রমণব বিৰুদ্ধে অহিংস প্রতিবোধব কাবণে গোটেই দেশকে সংগঠিত কবি তুলিবলৈ তেওঁলোকক সম্মত কবাব পাবোঁ। তাব উত্তবত বাপুৱে টেলিগ্রাম যোগে জনাইছিল :

তোমাব যদি তেনেকুৱা ভাব হৈছে তেন্তে তৎক্ষণাৎ গুচি আহাঁ।

শিবিবব কাম তেতিয়া স্থগিত কবিবব সময় হৈছিলহি। গতিকে বাকীসকলে মোক যাবলৈ ততালিকে সম্মতি দিলে। যাত্রা আবম্ভ কবাব ঠিক আগমুহূর্তত মই বাপুবপবা চমু চিঠি এখন পাইছিলোঁ। তাত আছিল :

মই তোমাব চিঠি পাইছো। মই তোমাক ইয়ালৈ আহিবলৈ দি কি কবা যাব পাবে নিশ্চয় চাব লাগিব। তুমি এনে এটা কামব দায়িত্ব লৈছা যিটোৱে অন্যকথা ভবাব অৱকাশ নেবাখে। মই তোমালৈ এখন টেলিগ্রাম পঠাইছো। তুমি সেইখন পাইছানে নাই নেজানো। আজিকালি প্রতিটো কথাই ইমান অনিশ্চিত হৈ পবিছে।

সেৱাগ্রামত বাপুব কোঠালিত যেতিয়া মই সোমালোঁগৈ, তেতিয়া, সঙ্কটকালত বাপুবপবা ওলোৱা কিবা এক জ্যোতিব উমান মই পাইছিলোঁ। তেওঁ সতর্ক আছিল আৰু অতি কম কথা কৈছিল। টাইপ কবা দুখিলা কাগজ

মোৰ হাতত দি তেখেতে কৈছিল: "এইখন পঢ়া। এই কথাখিনি যদি তোমাৰ মনত লাগে তেন্তে তুমি ইয়াৰ পিচত যিখন ট্ৰেনকে পোৱা তাৰেই এলাহাবাদলৈ যোৱা। ইতিমধ্যে মই তোমাৰ লগত মোৰ মনৰ অৱস্থা ভালকৈ বুজাই এঘণ্টা কথা পাতিম, যাতে তুমি সেই কথাখিনি ৱাৰ্কিং কমিটীৰ সদস্যসকলক পৰিষ্কাৰকৈ ক'ব পাৰাগৈ"। লগতে ইয়াকো কলে: "ইয়াৰপৰা মই মহাদেৱ বা আন কাকো এলাহাবাদলৈ নপঠাওঁ।"

এই সকলো অভাৱনীয় কথাৰ বিষয়ে চিন্তা কৰিবলৈ সময় নাছিল। মই সেই কাগজ দুখিলা লৈ চুক এটাত বহি পঢ়িবলৈ লৈছিলোঁ। খৰধৰকৈ এলাহাবাদলৈ নিবলগীয়া এইখননো কি? এইখন বাপুৰ বিখ্যাত "ভাৰত ত্যাগ কৰা" প্ৰস্তাৱৰ মূল খচৰাখন। এইখনে অৱশ্যেই মোৰ অন্তৰ স্পৰ্শ কৰিছিল।

গতিকে পিচদিনা ৰাতিপুৱা সেই প্ৰস্তাৱটোৰ তিনিটা কপি, দুটাত বাপুৰ চিঠিৰে সৈতে জৱাহৰলাল আৰু সেই সময়ৰ কংগ্ৰেছ সভাপতি মৌলানা আবুল কালাম আজাদলৈ আৰু আনটো কপি মোৰ নিজৰ কাৰণে বেগত ভৰাই লৈ প্ৰথমখন ট্ৰেনতে গুচি গ'লোঁ।

ট্ৰেনখন গধূলি গৈ পোৱাৰ কথা আছিল। কিন্তু এলাহাবাদ পাওঁতে মাজনিশা হৈছিল।

প্লেটফৰ্মত বহুতো মানুহ আছিল; তাৰ ভিতৰত জৱাহৰলালো আছিল। তেওঁ সেইখন ট্ৰেনতে আহিব লগা ৱাৰ্কিং কমিটীৰ সদস্য কেজনমানৰ কাৰণে বাট চাই আছিল। কিন্তু কোনো অহা নাছিল। মই তেওঁক দেখিয়েই বুজিছিলোঁ যে তেওঁৰ মনত উদ্বিগ্নতা আছিল আৰু যিকোনো কথাত মন দিবৰ তেওঁৰ ইচ্ছা নাছিল। মই তেওঁৰ ওচৰলৈ গ'লোঁ।

তেওঁ আচৰিত হৈ চিঞৰি উঠিছিল, "আৰে, মীৰা দেখোন"! তেওঁৰ মাতটোৱে যেন কৈছিল, "তুমি আকৌ ইয়াত কিয়"। প্লেটফৰ্মৰ লৰা-ঢপৰা আৰু গণ্ডগোলৰ মাজতে দুই-চাৰিআষাৰ কথাৰে মই কথাটো কৈছিলোঁ। কিন্তু বেগত থকা চিঠিকেখন হাতেৰে টানি ধৰি আছিলোঁ। প্লেটফৰ্মৰ ইমূৰৰপৰা সিমূৰলৈ আকৌ এবাৰ চকু ফুৰাই ৱাৰ্কিং কমিটীৰ কোনো সদস্য আহিছে নে নাই চাই জৱাহৰলালে কৈছিল; "আহা, আমি এতিয়া যোৱাই ভাল। আজি ৰাতিপুৱাৰেপৰা প্ৰত্যেকখন ট্ৰেনতে মই চাইছোঁহি। কিন্তু কেজনমান সদস্য এতিয়ালৈকে অহা নাই।" তাৰ পিচত তেওঁ মানুহৰ সময়

নবখা অসহনীয় স্বভাব সম্পর্কে অলপপব বকিলে। গাড়ীবে আনন্দভবনলৈ যাওঁতে বাটত তেওঁ এটাও শব্দ উচ্চাবণ কবা নাছিল আক ময়ো সতর্কভাবে নীবৱতা বক্ষা কবিছিলোঁ। ঘব যেতিয়া পালোঁগৈ তেতিয়া তেওঁ বাপুব চিঠিখন ল'লে। লাইট এটাব কাষব চকী এখনত বহি তেওঁ খামটো খুলি চিঠিখন পঢ়িছিল। আকৌ এটাও শব্দ নাই।

মই ক'লোঁ, মোব হাতত মৌলানা চাহাবলৈ দিয়া বাপুব চিঠি এখনেবে সৈতে আক এটা কপি আছে। মই সেইখন তেওঁক বাতিপুৱালৈ দিম নেকি? তেখেতে উত্তব দিছিল, "সেইখন মোক দিয়া, মই যি হয় কবিম"।

তেতিয়া মই বাপুৱে ৱার্কিং কমিটীব সদস্যসকলক লগ ধবি বাপুব কথাব অর্থ ব্যাখ্যা কবিবলৈ মোক কোৱাব কথা উল্লেখ কবিছিলোঁ। তেওঁ কলে, "সেই বিষয়ে কি কবিব লাগে মৌলানা চাহাবে বাতিপুৱা ঠিক কবিব। এতিয়া তুমি শুবলৈ যোৱাই ভাল হ'ব। ঘবটো মানুহেবে ভবি আছে। কিন্তু মোব বোধেবে মৃদুলাব কোঠালিত এখন বিছনা খালী আছে"। এইবুলি কৈ তেওঁ আঙুলিবে কমটোব পিনে দেখুৱাই দিছিল।

পিচদিনা বাতিপুৱা খোৱা কোঠালিত সোমাই দেখিলোঁ, মৌলানা চাহাবে তেখেতব পুৱাব আহাব কবিছে। সবোজিনী দেৱী, আসফ আলী আক অন্যান্য-সকল তাত আছিল। জৱাহবলালো অৱশ্যে তাতে আছিল। তেওঁ মোক কলে, "বাপুৱে কি কৈছে মৌলানা চাহাবক তুমি নিজে কোৱাই ভাল"।

মোব কথা শুনাব পিচত মৌলানা চাহাবে মোক ৱার্কিং কমিটীব পুৱাব অধিবেশনলৈ যাবলৈ কৈছিল। তেতিয়া বাপুৱে মোক যি ব্যাখ্যা কবিবলৈ কৈছিল সেই কথা সকলো সদস্যই শুনিব পাবিব।

কাষতে লগালগিকৈ থকা ডাঙব ঘবটোত—স্বৰাজ ভৱনত (পণ্ডিত মতিলাল নেহৰুব মূল ঘব। সেইটো সম্প্রতি তেওঁ জাতিক দান কবিছে) ৱার্কিং কমিটীব বাকী সদস্যসকল আছিল। তেওঁলোকব ভিতবত ডাঃ বাজেন্দ্র প্রসাদ, ছর্দাব বল্লভভাই পেটেল আক টনটনীয়া জোঙা নাক আক অগ্নিময় জিভাখনেবে সৈতে প্রফেছব কৃপালনীও আছিল। তেওঁলোক সকলোবে বিপ্লৱব উচ্ছ্বাসেবে তেজ উতলি আছিল। তেওঁলোকব থকা ঠাই আমাবপবা বেলেগ হোৱা কাবণে, বাপুব প্রস্তাব লৈ মই অহা খবব তেওঁলোকে বাতিপুৱালৈকে পোৱা নাছিল।

ওপৰ মহলাৰ ডাঙৰ কোঠালি এটাত ৱাৰ্কিং কমিটী বহিছিল। সকলো যেতিয়া গোট খালে মৌলানা চাহাবে বাপুৰ চিঠিখন পঢ়ি শুনালে। এনে এটা প্ৰস্তাৱ, অথচ বাপু উপস্থিত নাই। বাপুৰ উপস্থিতিৰ প্ৰভাৱৰপৰা মুক্ত হৈ সদস্যসকলে একগোট হৈ, এই অতি জৰুৰী প্ৰশ্নটো সম্পৰ্কে নিৰ্দিষ্ট সিদ্ধান্ত এটা ল'ব পাৰে নে নাই, ই তাৰেই পৰীক্ষা আছিল। বাপুৱে নিশ্চয় এই উদ্দেশ্যেৰেই নিজে আঁতৰ হৈ আছে।

মৌলানা চাহাবে প্ৰস্তাৱৰ খচৰাটো পঢ়ি উঠিবলৈ নৌ পাওঁতেই, সদস্য-সকলৰ মাজত তীব্ৰ মতানৈক্যই দেখা দিছিল আৰু ততালিকে গৰম গৰম মন্তব্য আৰু আলোচনা আৰম্ভ হৈছিল। প্ৰতিক্ৰিয়াৰ প্ৰথম ধুমুহাটো পাৰ হ'ল। তেতিয়া তেওঁলোকে বাপুৱে মোক কি কৈ পঠাইছে কবলৈ কলে। তাৰ পিচত কঠিন, দীঘলীয়া তৰ্ক-বিতৰ্ক আৰম্ভ হৈছিল। দুটা ঘৰত তেওঁলোক যেনেকৈ দুদল হৈ আছিল, তেওঁলোকৰ ভিতৰত হোৱা মতানৈক্যও ঠিক তাৰে সৈতে মিলি গৈছিল। স্বৰাজ ভৱনত থকাসকল বাপুৰ খচৰা প্ৰস্তাৱটোৰ জোৰ সমৰ্থক আৰু যিসকল আনন্দ ভৱনত আছিল তেওঁলোকৰ কোনোবাই প্ৰবলভাৱে আৰু কোনোবাই নৰমভাৱে প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছিল। প্ৰথম বৈঠকত ৱাৰ্কিং কমিটী কোনো সিদ্ধান্তলৈ আহিব পৰা নাছিল। সেই কাৰণে আৰেলি আকৌ কমিটীৰ বৈঠক বহিছিল। এইবাৰ মোক মতা নাছিল। কিন্তু মই ৰাজেন্দ্ৰবাবু আৰু আনসকলৰপৰা খবৰ সংগ্ৰহ কৰিছিলোঁ। দ্বিতীয়দিনাৰ সভাত মই আকৌ উপস্থিত আছিলোঁ। মতানৈক্য তেতিয়াও আছিল, তথাপি আপোচ এটাত উপনীত হ'বলৈ জোৰ চেষ্টা হৈছিল। স্বৰাজ ভৱনৰ দলটোৱে ভাগি যোৱা অৱস্থালৈ কথাটো নিব খোজা নাছিল। দেশৰ ভাব-গতি সম্প্ৰতি এনেধৰণৰ আছিল যে বাপুৰ প্ৰস্তাৱটো যদি অল ইণ্ডিয়া কংগ্ৰেছ কমিটীৰ আগত দাঙি ধৰিব পৰা যায়, তেন্তে ই গৃহীত হোৱাৰ সম্ভাৱনা আছে। এই কথা তেওঁলোকে বুজিছিল। কিন্তু লগতে তেওঁলোকে এই কথাও জানিছিল যে ই দেখাদেখিকৈয়ে কংগ্ৰেছৰ মাজত ভাঙোন আনিব। এনে এটা সন্ধিক্ষণত সেইটো হ'বলৈ কোনোমতেই দিব নোৱাৰি।

অৱশেষত এটা আপোচ প্ৰস্তাৱত সকলো পক্ষ সম্মত হ'ল। এই প্ৰস্তাৱ 'অল ইণ্ডিয়া কংগ্ৰেছ কমিটী'ৰ সমুখত দাঙি ধৰা হ'ল আৰু সি গৃহীতো হ'ল। কংগ্ৰেছৰ সমাজবাদী দলটোৱে বাপুৰ খচৰা প্ৰস্তাৱৰ কেনেবাকৈ সম্ভেদ

পাইছিল আৰু তাকে কিছু সাল-সলনি কৰা বুলি জানি ৱার্কিং কমিটীৰ সদস্য-সকলক ঠাট্টা-বিদ্রূপ কৰিছিল। ভীষণ উত্তেজনা চলিছিল, কিন্তু নতুন কোনো ঘটনা হোৱা নাছিল।

মিটিং শেষ হোৱাৰ লগে লগে ৰাজেন্দ্ৰবাবু, বঙ্গদেশৰ ডাঃ প্ৰফুল্ল ঘোষ আৰু মহাৰাষ্ট্ৰৰ শঙ্কৰৰাও দেউৰ সৈতে ৱার্ধা অভিমুখে যাত্ৰা কৰিছিলোঁ। বাপুৱে সেই সংশোধিত প্ৰস্তাৱটো গ্ৰহণ কৰিব নে নকৰিব বুলি আমি বৰ উদ্বিগ্ন হৈছিলোঁ।

সেই যাত্ৰা অতিপাত গৰমৰ মাজেদি কৰিবলগীয়া হৈছিল। যেই হওক, আমি সকলো সঙ্কট অৱস্থাৰ টনা-আজোৰাৰ মাজত জড়িত হৈ থকা কাৰণে সেই গৰম আমি আনন্দেৰে সহ্য কৰিছিলোঁ। মোৰ মনত আছে, ৰাজেন্দ্ৰবাবুৰে এটাৰ পিচত আনটোকৈ ট্ৰেনৰ আৰু আন ডকাইটিৰ গল্প কৈ আমাক পৰিতৃপ্ত কৰিছিল।

সেৱাগ্ৰাম পাই আমি বাপুৰ ওচৰলৈ গ'লোঁ। ৰাজেন্দ্ৰবাবুৰে সংশোধিত প্ৰস্তাৱটো তেওঁৰ হাতত দিলে আৰু লগতে কি ঘটিছিল নঘটিছিল তাকো ক'লে। বাপুৱে প্ৰস্তাৱটো আৰম্ভৰেপৰা শেহলৈকে পঢ়িছিল। তেওঁ বৰ ভাল পোৱা নাছিল যদিও কৈছিল যে কাম কৰিবৰ কাৰণেই ইয়ো তেওঁক যথেষ্ট সুযোগ দিছে আৰু ইয়াৰেই তেওঁ কাম চলাব।

বাপুৱে এতিয়া আমাৰ সকলোকে যাত্ৰাৰ আদেশ দিলে। ৰাজেন্দ্ৰবাবু, প্ৰফুল্ল ঘোষ আৰু শঙ্কৰৰাও দেউ, তেওঁলোকে প্ৰত্যেকে নিজ নিজ প্ৰদেশলৈ গৈ আসন্ন সংগ্ৰামৰ কাৰণে প্ৰস্তুতি চলাবলৈ লাগিব। বাপুৱে মোক কৈছিল: "মই তোমাক তিনিটা কামৰ ভিতৰত এটা কাম বাছি ল'বলৈ দিওঁ। তুমি হয় মাদ্ৰাজলৈ গৈ ৰাজাজীক বুজোৱাগৈ (সেই সময়ত কংগ্ৰেছৰ লগত তেওঁৰ কেটামান বিষয়ত মতভেদ আছিল) নহয় দিল্লীলৈ গৈ ভাইচৰয় বা আন উচ্চপদস্থ বৃটিছ বিষয়াৰ লগত যুক্তি-তৰ্কেৰে আলোচনা চলোৱাগৈ, নাইবা উৰিষ্যালৈ গৈ তাৰ জনসাধাৰণক পূৰ্ব উপকূলৰ সম্ভাব্য জাপানী আক্ৰমণৰ বিৰুদ্ধে অহিংস অসহযোগ প্ৰতিবোধৰ কাৰণে প্ৰস্তুত কৰি তোলাগৈ।"

সিদ্ধান্ত কৰিবলৈ মোৰ অকণো অসুবিধা নহল। মই তত্তালিকে উৰিষ্যালৈ যোৱা কামটোকে বাছি ললোঁ। বাপুৱে কংগ্ৰেছৰ প্ৰাদেশিক নেতা হৰেকৃষ্ণ মহতাবলৈ (পিচত মুখ্যমন্ত্ৰী) এখন চিঠি লিখিছিল। মই শুচি গলোঁ।

হৃষ্টপুষ্ট চেহেৰাৰ মহতাব বাবুৱে—তেওঁৰ পূৰ্বপুৰুষসকল পাঞ্জাৱী আছিল, কটক ষ্টেশ্যনত মোক লগ ধৰিছিল আৰু কংগ্ৰেছ কোৱাৰ্টাৰলৈ মোক লৈ গৈছিল। তাতে আমি পৰিস্থিতি সম্পৰ্কে আলোচনা কৰিছিলোঁ। আমি তেতিয়াই উপকূলৰ পাৰে পাৰে ভ্ৰমণ আঁচনি এখন প্ৰস্তুত কৰিলোঁ আৰু সেইমতে অকণো সময় নষ্ট নকৰাকৈ যাত্ৰা আৰম্ভ কৰিছিলোঁ। বৃটিছ সৈন্যবাহিনী থকাৰ ক'তো উমান পোৱা নগল। সম্ভৱতঃ তেওঁলোকে দেশৰ ভিতৰৰ হাবিৰে ভৰা পাহাৰ-বিলাকত জিৰণি লৈছিল। এইদৰে গোটেই উপকূল ভূমি আৰু ধান খেতিৰ পথাৰবিলাক অৰক্ষিত অৱস্থাতে আছিল।

নষ্ট কৰিবলৈ অকণো সময় নাছিল। পূৰ্ব উপকূলৰ ভিতৰলৈ থকা চহৰ আৰু নগৰবিলাক বিশেষভাৱে আতঙ্কগ্ৰস্ত হৈ পৰিছিল। মাদ্ৰাজ গৱৰ্ণমেণ্টে অমূলক ভয় এটা খাই চহৰখন খালী কৰিবলৈ আদেশ দিছিল আৰু আংশিক-ভাৱে সেই আদেশ পালন কৰা হৈছিল। এনেতে সেই আদেশ পুনৰ সংশোধন কৰা হ'ল। সেই কাৰণে আমি প্ৰথমতে চহৰবিলাক পৰিদৰ্শন কৰিছিলোঁ, তাৰ পিচত গাঁৱলৈ গৈছিলোঁ। এই গাঁওবিলাকলৈ যাবলৈ ধানখেতিৰ মাজেদি খোজকাঢ়ি যোৱা ঠেক বাট একোটাৰ বাহিৰে আন বাস্তা-ঘাট একো নাছিল। সেই কাৰণে আমি অনবৰত ফুৰিয়েই ফুৰিব লগা হৈছিল। মোক এটা সৰু ঘোঁৰা দিছিল আৰু বাকীসকলে খোজকাঢ়ি ফুৰিছিল।

প্ৰথমবাৰ এইদৰে ঘুৰি-মেলি চোৱাৰ পিচত, আমি উৰিষ্যাৰ ৰাজধানী গৱৰ্ণমেণ্টৰ আবাসস্থল কটকলৈ উভতি আহিলোঁ। আমাৰ সমুখৰ সমস্যাবিলাক টান আৰু জটিল আছিল। তাৰ প্ৰাদেশিক চৰকাৰটো বৃটিছ গৱৰ্ণমেণ্টৰ মুঠিৰ ভিতৰত আছিল। তেওঁলোকে এনে নীতি অনুসৰণ কৰিছিল যাৰ ফলত জনসাধাৰণ ক্ৰমে বেছি আঁতৰি গৈছিল। যিখন দেশত এটা বাইজৰ গৱৰ্ণমেণ্ট আছে আৰু য'ত বাইজে শত্ৰুক পৰাজিত কৰিবৰ কাৰণে আৰু নিজৰ স্বাধীনতা ৰক্ষা কৰিবৰ কাৰণে সৰ্বস্ব ত্যাগ কৰিবলৈ প্ৰস্তুত আছে, তেনে ঠাইত ধানৰ ভঁৰাল নষ্ট কৰিবলৈ, কুঁৱা নলা আদি শুকুৰাই পেলাবলৈ আৰু মাছ মৰা নাও আদি নষ্ট কৰা আৰু অন্যান্য 'পোৰামাটি নীতি' অনুসৰণ কৰিবলৈ দিয়া আদেশৰ

অর্থ আছে। কিন্তু য'ত বাইজ গভীবভাবে অসন্তুষ্ট আৰু ইমান বেছি বিত্ত দবিদ্র যে যি গৱর্ণমেণ্টব তলত তেওঁলোক নিষ্পেষিত হৈ আছে, তাতকৈ আন যিকোনো শাসনকেই ভাল হ'ব বুলি তেওঁলোকে ভাবে। সেই দেশত 'পোৰা মাটি নীতিয়ে' তীব্র তিক্ততা আৰু ঘৃণাবহে সৃষ্টি কৰে।

গৱর্ণমেণ্টব অধীনত নহলে, সঙ্কটকালত আত্মবক্ষাব বাবে যিবিলাক অস্ত্র-শস্ত্রহীন স্বেচ্ছাসেৱক বাহিনী গঠিত হৈছিল, সেইবিলাকতো গৱর্ণমেণ্টে আপত্তি কবিছিল। ই এক অসম্ভব কথা আছিল, কিয়নো, গুপুত হলেও সকলোৱে জানিছিল যে, জাপানীসকল আগবাঢি অহাব লগে লগে, গৱর্ণমেণ্টব সকলো বিষয়াই তেওঁলোকব ফাইলবিলাক পুাৰ পেলাবলৈ, দলংবিলাক ভাঙি পেলাবলৈ দলংবিলাকত ডিনামাইট দি বখা হৈছিল আৰু পৰ্বতলৈ পলাই যাবলৈ নির্দেশ দিয়া আছিল। কোনো ঠাই খালী কবাব বা আকাশী আক্রমণ আদি হ'লে তাবপবা বক্ষা পবিবব কোনো ব্যৱস্থা কবা হোৱা নাছিল।

আমি এনে এটা পবিস্থিতিব সম্মুখীন হৈছিলোঁ। আমি কবিবলগীয়া কামব ভিতবত এতিয়া আছিল গৱর্ণমেণ্টবপবা কিছু পবিমাণে সহযোগিতা আদায় কবা। চীফ চেক্রেটাবী মিঃ উডলৈ মই তেওঁবে সৈতে দেখা কবিবলৈ আবেদন কবি লিখিছিলোঁ। তেওঁ মে' মাহব পঁচিশ তাবিখে দিন দিছিল। গৱর্ণমেণ্টব আন এজন সদস্য মিঃ মেন্সফিল্ডো সেই সাক্ষাৎ-প্রসঙ্গত উপস্থিত আছিল।

দেখা-সাক্ষাৎ হৈ যোৱাব পিচত মই বাপুলৈ সকলো বর্ণাই এখন চিঠি লিখিছিলোঁ। তাবে একাংশ ইয়াত তুলি দিলোঁ :

> তেওঁলোকে হবিজন কাগজ নিশ্চয় পঢ়ে আৰু আজি গান্ধীজীব মত কি সেই কথাও জানে। এইদবেই মই কথা আবম্ভ কবিছিলোঁ। প্রধানকৈ তেওঁলোকব নিজব কাবণে আৰু আমাব কাবণেও। তেওঁলোকব নিবাপত্তাব কাবণে আৰু আমাব নিবাপত্তাব কাবণে বৃটিছবাজব সমুখত এটা মাত্র বাট মুকলি হৈ আছে। সেয়ে হৈছে টোপোলা-টাপলি বান্ধি লৈ তেওঁলোকে ভাবতবর্ষ এবি গুচি যোৱা। তেওঁলোকে কোনো মন্তব্য নকবাকৈ যথেষ্ট শান্তভাবে কৈছিল : "হয়"। মই আকৌ কলো : কিন্তু আপোনাসকলে এই কথাও নিশ্চয় জানে যে, আপোনালোকব এই প্রত্যাবর্তন শৃঙ্খলাবে আৰু বন্ধুভাবেবে হোৱাটো গান্ধীজীয়ে বিচাবে। তেওঁলোকে আকৌ ক'লে : "হয়"। তেতিয়া মই ক'লো, কেনেকৈ আপুনি মোক ইয়ালৈ কাম কবিবলৈ পঠিয়াইছে, কেনেকৈ মই নিজেই বহুত কথা দেখিছো আৰু শুনিছো। মই এতিয়া তেওঁলোকবে

সৈতে কেটামান জৰুৰী প্ৰশ্ন সম্পৰ্কে আলোচনা কৰিব খোজো, যাতে এই অসুবিধাবিলাক নাইকিয়া কৰিবৰ কাৰণে অনাৱশ্যক অশান্তিৰ সৃষ্টি নোহোৱাকৈ আলাপ-আলোচনাৰ মাজেৰে হ'ব পাৰে। এই মনোভাবেৰেই কথাবিলাক চাবলৈ তেওঁলোকে ইচ্ছা প্ৰকাশ কৰিছিল।

তেতিয়া মই আমাৰ সমুখত উপস্থিত হোৱা পৰিস্থিতি সম্বন্ধে, আমি কি কৰিব খোজো, কেনে ধৰণৰ সহযোগিতা আমি তেওঁলোকৰপৰা বিচাৰো ইত্যাদি বিষয়ে তেওঁলোকক পুঙ্খানুপুঙ্খৰূপে বুজাই কৈছিলোঁ। তলত দিয়া ধৰণে টোকাটো শেষ কৰা হৈছিল ঃ

শুচি অহাৰ আগতে মই কৈছিলো ঃ আপোনাসকলে পৰিস্থিতিটো বাস্তৱ দৃষ্টিভঙ্গীৰে চোৱাটো মই আশা কৰোঁ। সোনকালেই হওক বা পলমকৈয়ে হওক, সম্ভৱতঃ সোনকালেই, বৃটিছৰাজ উঠি যাব। তেওঁলোক যোৱাৰ পিচত এক শূন্যতাৰ সৃষ্টি হ'ব। আমি যদি সেই শূন্যতা পূৰণ নকৰো, তেন্তে জাপানীসকলে কৰিব। আপোনালোকৰ কাৰণে বা গোটেই পৃথিৱীৰে কাৰণে অৱশেষত কোনটো বেছি ভাল হ'ব? এখন মুক্ত, শান্তিপ্ৰিয় ভাৰতবৰ্ষ নে বিদ্যমান জাপানৰ হস্তগত ভাৰতবৰ্ষ? তেওঁলোকে আগৰটোৰেই উত্তম হ'ব বুলি মানি লৈছিল। মই ক'লো, তেনেহলে সেই শূন্যতা পৰিপূৰণৰ কাৰণে আমি নিজকে প্ৰস্তুত কৰি তোলাটো অসম্ভৱ কৰি নেপেলাব। আপোনালোকে যদি জাতিটো জাপানীসকলৰ হাতত দলিয়াই পেলাব নোখোজে, তেন্তে আপোনালোকে বৰ্তমান পৰিস্থিতিত আমাৰ লগত সহযোগিতা কৰা উচিত।.....

ইয়াৰ সত্যতা তেওঁলোকে অস্বীকাৰ কৰিব পৰা নাছিল। বন্ধুভাৱেৰে কৰমৰ্দন কৰি আমি এৰাএৰি হৈছিলোঁ।

সেই দেখা-সাক্ষাত ঠিক এঘণ্টা সময় হৈছিল। সেই একেটা ডাকতে, ঘূৰি-পকি ফুৰি আমি কেনে পৰিস্থিতি দেখিছিলোঁ, তাৰ এটা পূৰ্ণ বিৱৰণ দি জাপানীসকলে আক্ৰমণ কৰিলে কেনে ধৰণেৰে আমি কাম কৰিব লাগিব সেই বিষয়ে তেওঁৰপৰা উপদেশ বিচাৰি লিখিছিলোঁ। এই খবৰ-বাতৰিবিলাকৰ উত্তৰ স্বৰূপে ১৯৪২ চনৰ মে মাহৰ ৫ তাৰিখে বাপুৱে লিখিছিল ঃ

মই তোমাৰ সম্পূৰ্ণ বিৱৰণ থকা চমকপ্ৰদ চিঠিখন পাইছো। দেখা-সাক্ষাতৰ বিৱৰণ সম্পূৰ্ণ শুদ্ধ হৈছে। তোমাৰ প্ৰত্নাত্তৱবিলাক পোনপটীয়া, স্পষ্ট আৰু সাহসপূৰ্ণ। সমালোচনা কৰিবলৈ মোৰ একো নাই। মই কেৱল ক'ব পাৰো যে, "যেনেকৈ কৰিছা তেনেকৈয়ে কৰি যোৱা"। মই এতিয়া সম্পূৰ্ণ স্পষ্টকৈ দেখিছো যে তুমি ঠিক ঠাইলৈ ঠিক সময়তে গৈছা। গতিকে তোমাৰ যথোপযুক্ত আৰু প্ৰাসঙ্গিক প্ৰশ্নবিলাকৰ উত্তৰ পোনে পোনে দিয়াৰ বাহিৰে মোৰ আৰু একো কৰিবৰ আৱশ্যক নকৰে। মনত ৰাখিবা, আমাৰ মনোভাৱ হৈছে জাপানী সৈন্যবাহিনীৰ লগত সম্পূৰ্ণ অসহযোগিতা কৰা। গতিকে আমি তেওঁলোকক কোনোপ্ৰকাৰে সহায় কৰিব নেলাগিব বা তেওঁলোকৰ লগত হাট-বাট কৰি কোনোপ্ৰকাৰে লাভ কৰিব নেলাগিব। সেইকাৰণে আমি তেওঁলোকক কোনো বস্তু বেচিব নোৱাৰো। বাইজে জাপানী সৈন্যৰ সম্মুখীন হ'বলৈ যদি টান পায় তেন্তে অস্ত্ৰ-শস্ত্ৰধাৰীসকলে যি কৰে তেওঁলোকেও তাকে কৰিব। তাৰমানে তেওঁলোক পৰাজিত হ'লে পলাই যাব। তেওঁলোকে যদি তাকে কৰে তেন্তে জাপানীসকলৰ লগত হাট-বাট কৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে বা উঠা উচিত নহয়। যেই নহওক, যদি বাহিৰে জাপানীসকলক মৃত্যুপণ কৰি বাধা দিব নোৱাৰে আৰু জাপানীসকলে দখল কৰা ঠাইবোৰ মাজুহ-মুজুহ আঁতৰোৱাৰ সাহস বা ক্ষমতা নাই, তেতিয়া হ'লে যি ধৰণৰ পৰামৰ্শ আগবঢ়োৱা হৈছে সেইমতে যিমানদূৰ পাৰে কৰিবলৈ চাব লাগিব। এটা কথা কিন্তু তেওঁলোকে কেতিয়াও কৰা উচিত নহয়—স্বেচ্ছাৰে জাপানীসকলৰ বশ্যতা স্বীকাৰ। সেইটো এটা কাপুৰুষৰ নিচিনা কাম হ'ব। স্বাধীনতাকামী বাহিৰৰ ক্ষেত্ৰত ই শোভা নাপায়। তেওঁলোকে একুৰা জুইৰপৰা পলাই সাৰি, সম্ভৱতঃ তাতোকৈ ভীষণ আন একুৰা জুইত নিশ্চয় পৰিব নোখোজে। তেওঁলোকৰ হাব-ভাব সেইদেখি সদায় জাপানী-সকলক প্ৰতিবোধ কৰা বিধৰ হ'ব লাগিব। গতিকে বুটিছৰ কাৰেন্সী নোট গ্ৰহণ কৰা হ'ব নে জাপানী মুদ্ৰা গ্ৰহণ কৰা হ'ব, এই ধৰণৰ প্ৰশ্নই নুঠে। জাপানীসকলৰ হাতৰ কোনো বস্তু তেওঁলোকে নচলাব।

তাৰ পিচত বাপুৱে মোৰ আটাইবিলাক বিশেষ প্ৰশ্নৰে, যিবিলাক প্ৰশ্ন আমাৰ সমুখত উদ্ভৱ হ'ব পাৰে, যেনে কাৰেন্সী, দলং মেৰামতি, আহত সকলৰ সেৱা-শুশ্ৰূষা ইত্যাদি বিষয়ে, খৰচি মাৰি জবাব দিছিল। আহতসকলৰ সেৱাৰ বাহিৰে বাকী সকলোতে তেওঁৰ পৰামৰ্শ আছিল জাপানীসকলৰ লগত সম্পূৰ্ণ অসহযোগিতা কৰা।

কটকৰপৰা অলপ আঁতৰতে ছাৰওৱাড নামে গাঁও এখনৰ কাষত, এখন ডাঙৰ আকাশী জাহাজৰ আড্ডা সজা হৈছিল। এই উদ্দেশ্যে সকলো ঠাইৰেপৰা অসংখ্য বস্তুৰা সংগ্রহ কৰা হৈছিল। তাৰ ভিতৰত বেছিখিনি মানুহেই অপৰাধী মানুহ। যুদ্ধৰ কামত সহায় কৰিবৰ কাৰণে তেওঁলোকক মুকলি কৰি দিয়া হৈছিল। সেই বস্তুৰাসকলৰ এটা শিবিৰ গাঁও এখনৰ কাষতে পতা হৈছিল। সেই বস্তুৰাবিলাকৰ অসজ আচৰণ সম্বন্ধে আৰু গাঁওবাসীয়ে কোনো গণ্ডগোলৰ আশঙ্কা কৰা সম্পর্কে আমালৈ বহুতো গোচৰ আহিবলৈ ধৰিছিল। মহতাব্‌বাবু আৰু মই, কালেক্টৰজনক দেখা কৰিবলৈ গৈছিলোঁ। তেখেতৰ লগত বহি কথা-পাতি থাকোঁতেই এটা খবৰ আহিল যে ছাৰওৱাড গাঁৱত জুই জ্বলাই দি বস্তুৰা-বিলাকে লুটপাট আৰম্ভ কৰিছে। কালেক্টৰজনে খৰ-খেদাকৈ পুলিচ লগত লৈ গুচি গৈছিল।

আমি ঠিক কৰিলোঁ যে আমাৰ কেম্প তুলি লৈ গৈ সেই গাঁৱতে পতাটো ভাল হ'ব। কাৰণ, তেতিয়া হলে গাঁওবাসীয়ে কিছু পৰিমাণে নিৰাপদ অনুভৱ কৰিব। ক্ষয়-ক্ষতিৰ পৰিমাণ কি হৈছে নহৈছে সেইবিলাক পৰীক্ষা কৰি চাই গৱৰ্ণমেণ্টৰপৰা তাৰ ক্ষতিপূৰণ বাইজে যাতে পায়, তাকো চাব লাগিব। ইয়াকে ভাবি আমি পিচদিনা বাতিপুৱা ছাৰওৱাড গাঁৱলৈ যাত্রা কৰিছিলোঁ।

গাঁওখনৰ অৱস্থা অতি শোকলগা হৈছিল। ইয়াৰ প্রায় আধাখিনি পুৰি পেলাই সকলো লুটিপুটি নিয়া হৈছে। বিশেষকৈ ধৰিজনসকলৰ ঘৰবিলাকৰ কথা মোৰ মনত আছে। সেইবিলাক পুৰি ছাই হৈ মাটিত সমান হৈ আছিল। সেই পুৰি ছাৰখাৰ হোৱা ঠাইখনৰ মাজত, টিপ এটাৰ ওপৰত অকলশৰীয়া ক'লা ছাগলী এটা তাৰ সংসাৰৰ ভগ্নাৱশেষখিনিলৈ ভেবা লাগি চাই থিয়দি আছিল।

আমি স্কুলঘৰত বাহৰ পাতি আছিলোঁ। গাঁৱৰপৰা অলপ দূৰত কাৰণে এই ঘৰটো জুইৰপৰা ৰক্ষা পৰিছিল। বিমানকোঠৰ মিলিটাৰী প্রধান বিষয়া-জনৰ লগত মই পলম নকৰাকৈ যোগাযোগ কৰিছিলোঁ। বঙা চুলিৰে তেওঁ এজন ক্ষীণ আৰু ওখ আইৰিশ ডেকা। তেওঁ মাত্র তিনি মাহৰ আগতে প্রথম-ৰাৰৰ কাৰণে ভাৰতবৰ্ষলৈ আহিছে। অভ্যর্থনা জনাই তেওঁ আমাৰ লগত পৰিষ্কাৰভাৱে সকলো কথা পাতিছিল। সৈন্য বিভাগৰ লোক হৈ সমাজৰ

অসামবিক লোকসকলক সন্তুষ্ট বখাটো কিমান বাঞ্ছনীয় তাক তেওঁ ভালদবে বুজিছিল। চাবিওপিনে থকা গাঁওবিলাকব বাইজব মনব অসন্তোষব কথা যেতিয়া কলোঁ, তেওঁ বব বেছিবকমে সচেষ্ট হৈ পবিছিল। কাবণ, তেওঁব আকাশী জাহাজবিলাক ওপবত কোনো চাল-বেব নোহোৱাকৈ বিমানঘাটিব চাবিওফালে অ'ত-ত'ত সিঁচবতি হৈ পবি আছিল। এনে অবস্থাত ধ্বংসাত্মক কার্য আটাইতকৈ সহজ কথা হ'লহেঁতেন। বিমানঘাটিব ওচবে-পাঁজবে থকা লোক-সকলক আকাশী আক্রমণবপবা বক্ষা কবিবব কাবণে খাৰৈ আদি খন্দোৱা কথাতো তেওঁ মোবে সৈতে একমত হৈছিল আৰু সেইবিলাক তেওঁ খন্দাইছিলো। কেবাপুকুষো ধবি শাসক হিচাপে দূবন্ধব সন্ধান আৰু বঙা ফিটাব মেবপাকত আবদ্ধ থকাব কাবণে অসামবিক কর্তৃপক্ষই যেনেকৈ কাম কবিছিল তাব লগত সামবিক কর্তৃপক্ষব কাম কবা দস্তুবব এই পার্থক্য কেনে আনন্দদায়ক।

জুলাই মাহ পবিলত ববষুণ ভালকৈ আবম্ভ হ'ল আৰু উত্তেজনাও শাম কাটিলে। কিয়নো, সেইটো সময়ত জাপানীসকলে আক্রমণ কবাব সম্ভাবনা বব কম আছিল। ৰাৰ্ধাত ৰাকিং কমিটীব মিটিং এখন হ'বলগীয়া আছিল। নানান বিষয়ে বাপুব লগত আলোচনা কবিবলৈ আৰু তাত যিসকল কংগ্রেছব নেতা গোট খাব, তেখেতসকললৈকো লগ ধবিবব কাবণে মহতাববাবু আৰু মই সেৱাগ্রামলৈ যাবলৈ ঠিক কবিলোঁ।

এইবাব কংগ্রেছব নেতাসকলব মাজত বাপু আছিল, অবসাদগ্রস্ত দিন-বিলাকব ক্লান্ত আৰু সহিষ্ণু বাপু নহয়, আসন্ন-সংগ্রামব ভাবত তেজোদ্দীপ্ত অনুপ্রাণিত বাপু। এইবাব তেওঁলোক এটা সুদৃঢ় গোট হিচাপে গোট খাইছিল। বৃটিছ গৱর্ণমেণ্টে নতি স্বীকাব নকবিলে যুদ্ধ চলাবলৈ তেওঁলোক দৃঢ়প্রতিজ্ঞ আছিল।

এই মিটিঙতো ভাবত ত্যাগ কবা প্রস্তাবটোকে পুনব দৃঢ়তাবে ঘোষণা কবা হৈছিল। মিটিং শেষ হোৱাব পিচত বাতবি কাকতব বহুতো প্রতিনিধি আৰু বিদেশী সাংবাদিকসকলে সেৱাগ্রামত বাপুব লগত দেখা কবিবলৈ আহিছিল। তেওঁলোকে বাপুবপবা তেওঁলোকব প্রশ্নব যি সমিধান পাইছিল, সেইবিলাকে তেওঁলোকক সচকিত আৰু ভাবিবলগীয়া কবি তুলিছিল।

এতিয়া জুলাই মাহব মাজভাগ। আগষ্ট মাহব ৭ আৰু ৮ তাবিখে নিখিল ভাবত কংগ্রেছ কমিটীব এখন সভা পাতিবলৈ স্থিব কবা হৈছিল।

মই উৰিষ্যালৈ উত্তৰি যাবৰ কাৰণে ব্যগ্ৰ হৈ আছিলোঁ। সম্প্ৰতি কিন্তু ঘটনাবিলাক ইমান দ্ৰুতগতিৰে আগবাঢ়িছিল যে দিল্লীত লৰ্ড লিনলিথগোৰে সৈতে দেখা কৰি ব্যক্তিগতভাৱে বাপুৰ প্ৰস্তাৱটোৰ অন্তৰালত থকা অৰ্থসমূহ ভালদৰে বুজাই দিবৰ কাৰণে বাপুৱে মোক দিল্লীলৈ পঠাই দিছিল।

মই পোনে পোনে নিউদিল্লীত থকা বিৰলা হাউছলৈ গলোঁ। এই বিৰলা হাউছতে সম্প্ৰতি বাপু প্ৰায়েই থাকে আৰু তাকে আমি আমাৰ দিল্লীৰ ঘৰ বুলি ভাবিছিলোঁ। ভাইচ্‌ৰয়লৈ মই এটা নোট লিখিছিলোঁ। পিচদিনাখন মই তেখেতৰ প্ৰাইভেট চেক্ৰেটাৰী, মিঃ লেইঠওৱেইটৰপৰা উত্তৰ এটা পালোঁ। তাত লিখিছিল যে মাননীয় ভাইচৰয় মহোদয়ে মোৰে সৈতে দেখা কৰিবলৈ পালে অত্যন্ত সুখী হ'লহেঁতেন; কিন্তু ৰাকিং কমিটীৰ প্ৰধান প্ৰস্তাৱটোৰ কথালৈ চাই আৰু সাংবাদিকসকলৰ সাক্ষাত-প্ৰসঙ্গত গান্ধীজীয়ে গৱৰ্ণমেণ্টৰ লগত মুকলি বিদ্ৰোহৰ অৱস্থা বৰ্তিছে বুলি কোৱা কথালৈ চাই, গান্ধীৰ পোনপটীয়া প্ৰতিনিধি এজনৰ লগত দেখা-সাক্ষাত কৰাত ৰৱলাটৰ যি অসুবিধা, মই সেইটো বুজিব পাৰিম বুলি তেওঁ আশা কৰে। কিন্তু লগতে ৰৱলাটে ৰৰ দুখো পাব, যদি গান্ধীয়ে তেওঁক জনাৰ খোজা কোনো কথা বা খবৰ নজনাকৈ থাকিবলগীয়া হয়। সেই কাৰণে তেওঁ আশা কৰে যে মই ৰৱলাটৰ পৰিৱৰ্তে মিঃ লেইঠওৱেইটকে দেখা কৰিবলৈ সন্মত হওঁ। সেইমতে সেইদিনা আবেলি তিনি বজাত মিঃ লেইঠওৱেইটৰ লগত দেখা কৰিবলৈ গলোঁ। দেখা কৰি আহিয়েই সেই দেখা-সাক্ষাতৰ সম্পূৰ্ণ বিৱৰণ দি বাপুলৈ লিখিবলৈ বহিলোঁ:

আলোচনাৰ প্ৰথমভাগত মই তেওঁক বুজাবলৈ চেষ্টা কৰিছিলো যে, পৰস্পৰৰ ভিতৰত বুজাবুজি আৰু সংযোগৰ বিশেষ প্ৰয়োজন। মই বুজিব পাৰিছিলোঁ যে লেইঠওৱেইট ৰক্ষণশীল মনোবৃত্তিৰ আছিল। মই কলো, "কিন্তু গান্ধীজী এজন অনন্যসাধাৰণ মানুহ আৰু আপোনাসকলেও তেওঁৰ লগত সাধাৰণ মানুহৰ লগত কৰাৰ দৰে ব্যৱহাৰ কৰিলে নচলিব। যদি পৰিস্থিতি বেয়ালৈ নোযোৱাকৈ ৰাখিব খোজে, তেন্তে মাননীয় ৰৱলাট মহোদয়ে দূৰদৰ্শিতাৰ পৰিচয় দিব লাগিব।" আজি যে দেশব্যাপী বৃটিছ, বিৰোধী ভাৱৰ প্ৰবল সোঁত বৈছে সেই কথাটো লৈ মই তাৰ পিচত আলোচনা কৰিছিলোঁ। কিন্তু মই বুজা মতে মিঃ লেইঠওৱেইটে সেই কথা বিশ্বাস কৰিবলৈ টান

পাইছিল। মই কলোঁ, "জনসাধাৰণৰ লগত আপোনালোকৰ যোগাযোগ নাই। আপোনালোকে বাস কৰে এক অবাস্তৱ অৱস্থাৰ মাজত। গতিকে মই যি কথা জানো সেই কথা আপোনালোকে জনা অসম্ভৱ। আহক, আপোনালোকক মই হাতত ধৰি সেই ঠাইলৈ লৈ যাওঁ, ৰ'ত মই মোৰ গোটেইটো জীৱন কটাইছো। তেতিয়াহে আপোনালোকৰ উপলব্ধি হ'ব।" তাৰপিচত মই মোৰ কেঁচামান ব্যক্তিগত অভিজ্ঞতাৰ কথা বৰ্ণনা কৰি সামৰণিত কলোঁ, "এতিয়া যেনেকৈ চলিছে তেনেকৈযে যদি চলে, তেন্তে উৰিষ্যাৰ খেতিয়কসকলে জাপানীসকল আহি নামিলে তেওঁলোকক ফুলৰ মালা পিন্ধাব···।" যিবিলাক মানুহৰ লগত আপোনালোক মিলে আৰু যাৰপৰা আপোনালোকে খবৰবিলাক পায়, তেওঁলোকৰো আপোনাসকলৰ দৰেই জনসাধাৰণৰ লগত সংযোগ নাই। ৰবলাটৰ কাউন্সিলৰ ডাঙৰ ডাঙৰ উপাধিধাৰী লোকসকলৰে যা মূল্য কি? এক কণা-কড়িও নহয়।" অবিলম্বে স্বাধীনতা ঘোষণা কৰাৰ প্ৰশ্ন সম্পৰ্কে আমি আলোচনাত নামিম। মই যি কৈছিলোঁ তাৰ মৰ্ম অনুধাবন কৰিবলৈ মিঃ লেইঠওয়েইটে চেষ্টা কৰিছিল। কিন্তু তেওঁৰ ভিতৰত থকা সেই ৰক্ষণশীল মানুহ-জনে হকা-বধা কৰিছিল। মই কলোঁ, "আশাকৰোঁ আপুনি এই কথা উপলব্ধি কৰিব যে, গান্ধীজীয়ে আজি যি পদক্ষেপ ল'ব খুজিছে, সি ইংলণ্ডৰ প্ৰতি তেওঁৰ গভীৰ ভালপোৱাপ্ৰসূত। তেওঁ জানে যে অসহায় চিচাপে জাপানৰ হাতত পৰাৰ পৰা ভাৰতক ৰক্ষা কৰাৰ এইটোৱেই একমাত্ৰ উপায়। যদি ভাৰতে হাতলৈ স্বাধীনতা কেনেকৈ হস্তান্তৰ কৰিব লাগে সেইটো আপোনালোকে জনা নাই, আপোনা-লোকে গান্ধীজীৰ লগত পৰামৰ্শ কৰক। একমাত্ৰ তেখেঁইহে আপোনালোকক এই কথা ক'ব পাৰে।" ঘড়ীত তেতিয়া চাৰি বাজিছিল। মই ক'লো; "মই আপোনাৰ বহুত সময় ল'লো। কিন্তু যোৱাৰ আগত সকলোকেই এটা কথা, সকলোকেই ভীষণ কথাটো কৈ যাব খোজো। এইবাৰ চূড়ান্ত সংঘৰ্ষ লাগিব কাৰণে গান্ধীজী বদ্ধপৰিকৰ। এইবাৰ তেওঁক আপোনালোকে বাধা দি বখা অসম্ভৱ। কোনো জেলেই তেওঁক বন্দী কৰি ৰাখিবৰ কাৰণে যথেষ্ট নহয়। কোনো উৎপীড়নেও তেওঁক নিৰ্বাক কৰিব নোৱাৰিব। যিমানেই বেছিকৈ আপোনালোকে উৎপীড়ন চলাব, সিমানেই তেওঁৰ শক্তি বৃদ্ধি পাব। আপোনালোকৰ সমুখত দুটা মাত্ৰ বিকল্প পথ আছে। এটা হৈছে ভাৰতবৰ্ষৰ স্বাধীনতা ঘোষণা কৰা অথবা আনটো হৈছে গান্ধীজীক হত্যা কৰা। কিন্তু গান্ধীক হত্যা কৰা মানে ভাৰত আৰু ইংলণ্ডৰ চিৰন্তন বন্ধুত্বৰ আশাও চিৰকালৰ বাবে নিৰ্মূল কৰা হ'ব। এই বিষয়ে আপোনালোকে কি কৰিব খুজিছে? আসন্ন আন্দোলনৰ গুপ্ত শক্তিৰ বিষয়ে আপোনালোক অৱগত নহয়। গান্ধীজীৰ আত্মশক্তি সম্বন্ধে আনকি আমিও নেজানো। কিন্তু মই অনুমান কৰিব পাৰোঁ। সেইদেখি মই আপোনাক কওঁ যে যদি বিপ্লৱৰ অগ্নি জ্বলে, তেন্তে এইজনা

ৰবলাট ইতিপূৰ্বে কোনো এজনা ৰবলাটেও সম্মুখীন নোহোৱা এক ভীষণ পৰিস্থিতিৰ সম্মুখীন হ'ব লাগিব।

লেইঠওৱেইট যেন কিছু গম্ভীৰ হৈ পৰিল। তাৰ পিচত বন্ধু ছিচাপে তেখেতক অলপ উৎসাহ দি যাবলৈ থিয় হলোঁ। "মই আশাকৰোঁ, এই বিপ্লৱো যে এক বন্ধুভাৱৰে ইঙ্গিত, সেই কথা আপুনি বুজিবলৈ চেষ্টা কৰিব। বোধ কৰোঁ বিপ্লৱ আকৌ বন্ধুভাৱৰ ইঙ্গিত কেনেকৈ হ'ব পাৰে সেইটো বুজিবলৈ আপুনি টান পাব। কিন্তু গান্ধীজীৰ লগত এনে এটা কথাও সম্ভৱপৰ……।" এইদৰে কৈ মই সামৰিছিলোঁ। তেখেতে কৈছিল: "আপুনি সকলো কথা কোৱাৰ পিচত মই হয়তখিনি বুজিব পাৰিছোঁ।" এইদৰে সাক্ষাত-প্ৰসঙ্গ শেষ হোৱাৰ পিচত মই মিঃ লেইঠওৱেইটক সুধিলোঁ যে জেনেৰেলসকলেও সেই উদাসীনতাৰ নীতিকে অনুসৰণ কৰিব নেকি? কিয়নো, সেয়ে নহলে মোৰ তেওঁলোকৰ লগত কেৱল মাথোন সামৰিক বিষয়ে আলোচনা কৰিবলৈ ইচ্ছা আছিল। তেওঁ ক'লে যে তেওঁলোকৰ ক্ষেত্ৰত কথাটো অলপ বেলেগ। জেনেৰেল ওৱাভেল তেতিয়া তাত নাছিলেই। ডেপুটি কমাণ্ডাৰ ইন্ চীফ্ জেনেৰেল হাৰ্টলেহে তাত আছিল। লেইঠওৱেইটে ক'লে যে তেওঁৰ লগত যোগাযোগ কৰি গধূলি মানে মোক জানিবলৈ দিব। আমি দুয়ো একেলগে সমুখৰ দুৱাৰলৈ ওলাই গ'লোঁ। আমি বুলনিচ'ৰা পোৱাৰ লগে লগে গাড়ী এখন তালৈ সোমাই আহিছিল আৰু তাৰপৰা জেনেৰেল হাৰ্টলে নামি আহিল। তেওঁ মোক আন্তৰিকতাৰে সম্ভাষণ জনালে আৰু ক'লে যে মোক তেওঁ আগতে লগ পাইছিল আৰু মোৰ মা আৰু দেউতাৰ কথা তেওঁৰ ভালকৈ মনত আছে। মই তেওঁক যেতিয়া ক'লোঁ যে মই তেওঁৰ লগত উৰিষ্যাৰ বিষয়ে আলোচনা কৰিবলৈ ইচ্ছা কৰোঁ. তেওঁ ক'লে, "কালিলৈ দুপৰীয়া ডেৰ বজাত মোৰ তালৈ আহিব।" গতিকে এইক্ষেত্ৰত কোনো অসুবিধা বা উদাসীনতা নাছিল।

পিচদিনা দুপৰীয়া মই তালৈ খাবলৈ গ'লোঁ। জেনেৰেল হাৰ্টলে, লেডী হাৰ্টলে আৰু এজন জেনেৰেলক লৈ পাৰ্টিটো হৈছিল। খোৱাৰ পিচত জেনেৰেল হাৰ্টলেই মোক আন এটা কোঠালিলৈ লৈ গ'ল আৰু উৰিষ্যা সম্বন্ধে মোৰ যি ক'বলগীয়া আছিল সেই সকলো তেওঁ সহানুভূতি আৰু মনোযোগেৰে শুনিলে।

তেওঁ কিছু কথা টুকিও লৈছিল আৰু কৈছিল যে মই জেনেবেল ম'লছৰ্থক দেখা কৰা ভাল হ'ব। বিবলা হাউছত তেওঁক মোৰে সৈতে চাহ খাবলৈ আহিবলৈ প্ৰস্তাৱ দিলোঁ। জেনেবেল হাৰ্টলেই ক'লে যে তেওঁ খবৰ কৰি মোক জনাব। মই বিবলা হাউছত কেদিনমান আছিলোঁ। এদিন জেনেবেল হাৰ্টলেৰপৰা খবৰ পালোঁ যে উনত্ৰিশ তাৰিখে জেনেবেল ম'লছৰ্থ মোৰ লগত চাহ খাবলৈ আহিব। তেওঁ সেইমতে আহিল। মই মন কৰিছিলোঁ যে তেওঁ কথাবিলাক ভালদৰে হৃদয়ঙ্গম কৰিছিল। আমি দীঘলীয়াকৈ কথা-বতৰা হৈছিলোঁ। এই আলোচনাৰপৰা মোৰ মনলৈ এনে এটা ভাব আহিছিল যে মিলিটেৰী আৰু জনসাধাৰণৰ মাজত যোগসূত্ৰ হিচাপে মই যদি কাম কৰিব পাৰিলোহেঁতেন তেনেহলে বাইজক মই বহুতো সহায় কৰিব পাৰিলোহেঁতেন।

বম্বেত বহিবলগীয়া নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ অধিবেশনত যোগ দিব পৰাকৈ মই সময়মতে দিল্লী এৰিলোঁ আৰু বিবলা হাউছত বাপুক লগ ধৰিলোঁগৈ। মহাদেৱৰপৰা মই জানিলোঁ যে, প্ৰয়োজনমতে আন্দোলন চলোৱা সম্পৰ্কে দিহা-পৰামৰ্শৰ বিস্তাৰিত খচৰা বাপুৱে তৈয়াৰ কৰিছিল আৰু ৱাৰ্কিং কমিটীয়ে সেই খচৰাৰ আলোচনা কৰিছিল। ইয়াকো জানিলো যে তেওঁলোক আকৌ ৯ তাৰিখে বহিব আৰু তেতিয়া বাপুৱে মীমাংসালৈ অহাৰ শেষ চেষ্টা হিচাপে গৱৰ্ণমেণ্টৰ লগত কেনেকৈ আলোচনা চলাব, সেই সম্পৰ্কে বাপুৱে তেওঁৰ মত পুঙ্খানুপুঙ্খৰূপে জনাব। ধাৰণা কৰা হৈছিল যে এনে আপোচ-আলোচনাৰ কাৰণে প্ৰায় তিনি সপ্তাহমান লাগিব। তাৰ পিচতহে যদি সকলো আলাপ-আলোচনা ব্যৰ্থ হয়, আন্দোলন আৰম্ভ কৰা হ'ব। যদি আন্দোলন আৰম্ভ কৰা হয় তেন্তে সেই আন্দোলনত হিংসা বা আনকি জোৰ খটুৱা ভাবো পৰিহাৰ কৰাৰ কাৰণে খচৰা পৰামৰ্শত জোৰ দিয়া হৈছিল। সমগ্ৰ দেশতে হৰতাল, প্ৰাৰ্থনা আৰু অনশনৰে আন্দোলন আৰম্ভ কৰাৰ কথা ভৱা হৈছিল। প্ৰাদেশিক আইন-সভাৰ আৰু মিউনিচিপেলিটিৰ সকলো কংগ্ৰেছী সদস্যকে আন্দোলনত যোগ দিবৰ কাৰণে আইন সভা আৰু মিউনিচিপেলিটিৰপৰা ইস্তফা দিবলৈ কোৱাৰ কথা হৈছিল আৰু আন যিসকলৰ এই উদ্দেশ্যৰ প্ৰতি অনুৰাগ আছিল আৰু

যিসকলে নির্ধাৰিত নিৰুপদ্ৰৱ পদ্ধতিমতে কাম কৰিবলৈ সাজু আছিল, তেওঁলোককো এই আন্দোলনত যোগ দিবলৈ আহ্বান কৰা হৈছিল। যিসকলে সাহ কৰে তেওঁলোকক মাটিৰ খাজনা দিবলৈ অস্বীকাৰ কৰিবলৈ আৰু গাঁৱত নিজে নিমখ তৈয়াৰ কৰিবলৈ পৰামৰ্শ দিয়া হৈছিল। কিন্তু যেতিয়ালৈকে সম্ভৱ, যুদ্ধ প্ৰচেষ্টাত পোনপটীয়াকৈ আহুকাল নকৰাৰ কথা ভবা হৈছিল। যিখন খচৰা ৰাৰ্কিং কমিটীয়ে আলোচনা কৰিবলগীয়া আছিল, তাৰ মূল কথাকেইটা আছিল এনে ধৰণৰ। আপোচ আলোচনা চলি থকা সময়ত এই খচৰাৰ কামবিলাক স্থগিত কৰাৰ কথাও আছিল।

জনসাধাৰণৰ মাজত উত্তেজনাই চৰম অৱস্থা পাইছিলগৈ। বাজহুৱা সভাবিলাক মানুহেৰে ভৰি পৰিছিল। স্বেচ্ছাসেৱকসকলে কোনোমতেহে বাপু আৰু অন্যান্য নেতাসকলক বিৰাট সভামণ্ডপত সোমাবলৈ আৰু তাৰপৰা ওলাবলৈ বাট কৰি দিব পাৰিছিল। দ্বিতীয় দিনৰ অধিবেশন শেষ হোৱাত মাজনিশা বিপুল জয়ধ্বনিৰ মাজত ভাৰত ত্যাগ প্ৰস্তাৱ গৃহীত হৈছিল।

বাপুৱে তেওঁৰ দীঘলীয়া বক্তৃতাত সংঘৰ্ষ এৰাবলৈ তেওঁৰ যি তীব্ৰ ইচ্ছা সেই কথা ব্যক্ত কৰিছিল। নতুন ৰবলাট লৰ্ড লিনলিথগোক বাপুৱে তেওঁৰ এজন ব্যক্তিগত বন্ধু বুলি উল্লেখ কৰিছিল আৰু তেওঁৰ লগত আকৌ এবাৰ চেষ্টা কৰাৰ ইচ্ছা ঘোষণা কৰিছিল। সেই ৰাতি এক কি দুই বজাৰ সময়ত যেতিয়া আমি বাপুৰ বিছনাৰ কাষত গোট খাইছিলোঁ আৰু তেওঁৰ মুৰত তেল মালিছ কৰাইছিল, ঠিক সেই সময়তে টেলিফোন বাজিল। মহাদেৱে টেলিফোন ধৰিলে আৰু আহি ক'লে যে বন্ধু এজনৰপৰা সেই ফোন আহিছিল। সেই বন্ধুজনে গুজব শুনিছে যে কেঘণ্টামানৰ ভিতৰতে বাপুক গ্ৰেপ্তাৰ কৰিব। বাপুৱে কলে, "সেইটো কেতিয়াও হ'ব নোৱাৰে, মই মিটিঙত যি কৈছো তাৰ পিচত এনে হোৱাটো অসম্ভৱ।" এইবুলি কৈ তেওঁ শান্তিপূৰ্ণ আৰু নিৰুদ্বেগভাৱে শুই পৰিছিল। ঘাঁহনিখনৰ এমূৰে মোৰ যি সৰু ঘৰটো আছিল, তালৈ মই গ'লোঁ আৰু অতি সোনকালে গভীৰ নিদ্ৰাত মগ্ন হ'লোঁ। তিনিঘণ্টা-মানৰ পিচত মই ধৰমৰকৈ সাৰ পাই উঠিলোঁ—কোনোবাই মোক মাতিছে। "তোমাৰ কাৰণে সুখবৰ! বাপু আৰু মহাদেৱৰে সৈতে তুমিও গ্ৰেপ্তাৰ হৈছা। বিশ মিনিটৰ ভিতৰত তুমি সাজু হৈ ওলাৰ লাগে।" মই বিছনাৰপৰা জাপমাৰি

উঠি লবালবিকৈ মোব বস্তুখিনি নতুনকৈ কিনি অনা হ'ল আৰু বেংটোত ভবাই ল'লোঁ। মিলিটেবীব সৈতে সংযোগব কামত অদূৰ ভবিষ্যতে মই বব বেছি ফুবা-চকা কবিবলগীয়া হ'ব পাবে বুলি ভাবি হ'ল্ডলটো মই আগদিনা কিনিছিলোঁ।

মই যেতিয়া পালোঁগৈ তেতিয়া প্রার্থনা শেষ হৈছিল আৰু ঘবখনব সকলো মানুহেবে পবিবেষ্টিত হৈ বাপু থিয় হৈ আছিল। ওচবতে থকা পুলিচ অফিচাবে মোক মোব গ্রেপ্তাবী পবোৱানাখন দিলে আৰু কেইমিনিটমানব ভিতবতে দুৱাৰমুখত থিয় হৈ থকা গাড়ীখনলৈ বাপু, মহাদেৱ আৰু মোক লৈ গ'ল। ড্রাইভাবব ওচবতে দুজন পুলিচ অফিচাবো আহি বহিল। আমি যেতিয়া জনশূন্য বাস্তাবিলাকেবে পাব হৈ গৈছিলোঁ, তেতিয়া বাতি পুবাওঁ পুবাওঁ হৈছিল। আমি ভিক্টোবিয়া টার্মিনাছ পালোঁগৈ। ঠাইটুকুবা কিবা অদ্ভুত ধবণে নিস্তব্ধ হৈ আছিল। কেৱল পুলিচ আৰু কেজনমান পটাবকহে দেখা গৈছিল। 'কুপ টোব (coup) কাৰণে (গান্ধীজীব সদলবলে গ্রেপ্তাব) যে খুটি-নাটি প্রতিটো কথা চিন্তা কবি আয়োজন কবা হৈছিল, সেই বিষয়ে সন্দেহ নাছিল। পুনা প্লেটফর্মেদি আমাব গাড়ী অনা হ'ল আৰু আমাক তৎক্ষণাৎ সাজু হৈ থকা প্রথম শ্রেণীব সুকীয়া চেলুন এটা দেখুৱাই দিয়া হ'ল। আমি তাত গৈ বহাব লগে লগে সুপাৰিণ্টেণ্ডেণ্ট চি-আই-ডি অফিচাবে দুৱাৰ মুখত আহি ঠাই দখল কবিলেহি।

ইখনব পিচত সিখনকৈ গাড়ী আহিবলৈ লাগিল। জৱাহবলাল, বল্লভ-ভাই প্রমুখ্যে এজন এজনকৈ ৱার্কিং কমিটীব সকলো সদস্যকে তালৈ অনা হ'ল। কিন্তু কেৱল সবোজিনী দেৱীক আমাব লগত বাখি বাকী সকলোকে বেলেগ কোঠাত বখা হৈছিল। তাব পিচত বম্বেব আটাইবিলাক প্রধান কংগ্রেছ কর্মীক লৈ গাড়ীবিলাক আহিবলৈ ধবিলে। পবিণতিব কথালৈ ভ্রূক্ষেপ নবখাকে বৃটিছ গৱর্ণমেণ্টে যে সকলো মবিমুব কবি পেলাবলৈ বিচাবিছিল সেইকথা স্পষ্ট হৈ পবিছিল। বাপুৱে এইবিলাক চাই বহি আছিল—কাচিৎহে তেওঁ কথা কৈছিল। যি জনসাধাৰণবপৰা তেওঁক বিচ্ছিন্ন কবি লৈ অহা হ'ল, সেই জনসাধাৰণব চিন্তাতে তেওঁ নিমগ্ন থকা যেন দেখা গৈছিল। তেওঁ জানিছিল, যি বিবাট শক্তিয়ে জাতিক মবিমুব কবিবলৈ উদ্যত হৈছিল তাব বিৰুদ্ধে জাতি জাগ্রত হ'ব আৰু যুদ্ধ কবিব। কিন্তু তেওঁ বাট দেখুৱাব, পবামর্শ দিব নোৱাবিব। তেওঁক শক্তিহীন কবি দুবতে বখা হ'ব।

বেলব কবিডবখিনি পাব হৈ অন্যান্য সকলোকে লগ পাবলৈ মই ব্যগ্র হৈ পবিছিলোঁ। আমাব দুৱাবমুখত থকা চি-আই-ডি অফিচাবজনক সুধিলো—কি কবাব কথানো ভবা হৈছে। তেওঁ ক'লে যে ট্রেন চলাব পিচত কল্যাণ ষ্টেশ্যন পাব হৈ গ'লে আমি অহা-যোৱা কবিব পাবিমহঁক আৰু ডাইনিং কাবত বাতিপুৱাব জলপান দিয়া হ'ব।

ট্রেনখন এতিয়া বন্দীসকলেবে ভবি পবিছিল। ট্রেন চলাব চিগনেল দিয়া হ'ল। অহা-যোৱাব নিষেধ উঠি যোৱামাত্রকে জৱাহবলাল, মৌলানা চাহেব আৰু ৱার্কিং কমিটীব অন্যান্যসকল বাপুব ওচবলৈ কথা পাতিবলৈ আহিল। গ্রেপ্তাবব আগতে সকলোবে টেলিফোন কাটি দিয়া হৈছিল। সেই কাবণে পবস্পবব ভিতবত কোনো খা-খবব ল'ব পবা নগৈছিল। কথা-বতবাব মাজত গাম্ভীর্য আৰু মাজে মাজে হাঁহি। এটা বিষয়ত কিন্তু সকলো একমত আছিল যে এনেবিলাক কাম কেনেকৈ ভালকৈ কবিব পাবি বৃটিছসকলে জানে। বাতিপুৱাব জলপান সাজু বুলি ঘোষণা কবা হ'ল। বাপুৱে মোক ডাইনিং চেলুনবপবা তেওঁব কাবণে কিবা অলপ খোৱা বস্তু লৈ আহিবলৈ ক'লে। আনব লগতে ময়ো তাব কাবণে গ'লোঁ। প্রথম শ্রেণীব জলপান আমাব কাবণে সাজু কবি ৰখা হৈছিল। বিলনীয়াসকলো সাজু আছিল। থকাত সকলো আছিল, কেৱল এটা কথাব অভাব আছিল—সেইটো হৈছে স্বাধীনতা। ই বাস্তৱিকতে ছুবী মাবিবলৈ উদ্যত, কোমলভাবে সুন্দবকৈ মিহি ভেলভেট কাপোবেবে আববি ৰখা হাতখনব দবে কথা।

আমি ক'লৈ গৈ আছিলো কোনেও ক'ব নোৱাবিছিলোঁ। কিন্তু আমি পুনাব বাটেদি গৈ আছিলোঁ কাবণে ভাবিছিলোঁ যে, আমাক য়াববাদা জেললৈকে নিয়া হৈছে।

বাতিপুৱাব জলপানব পিচত আমি যেতিয়া আমাব কোঠালৈ উভতি আহিলোঁ তেতিয়া ইউনিফর্মত নথকা পুলিচ অফিচাব এজনে হাতত কাগজ পেঞ্চিল লৈ কোন ক'লৈ যাব তাব লিষ্ট কবিছে। তেওঁ আমাব কোঠালৈ আহিল আৰু মনত বব ভাল লগাকৈ সবোজিনীদেৱী আৰু মোক ক'লে: "বোধহয় আপোনালোকে মিঃ গান্ধীব লগতে থাকি ভাল পাব।" আমি উত্তব দিলোঁ—"নিশ্চয়।" আমি অলপ আচবিত হৈ ভাবিছিলো যে ইয়াব অর্থ হৈছে পুৰুষ আৰু তিবোতাক বেলেগে ৰখা জেললৈ আমাক নিব খোজা নাই। মহাদেৱকো

অৱশ্যে তেওঁ বাপুৰ লিষ্টতে বাখিছিল। তাৰ পিচত তেওঁ আন কোঠালৈ গ'ল। ট্রেনখন পুনা পোৱাৰ আগতে এটা সৰু ষ্টেশ্যনত ৰ'ল। ৰ'ম্বেৰ ক'গ্রেছৰ মানুহ-খিনিক বেলবপৰা নমাই আনি এখন কয়দীৰ গাড়ীত বহুৱালে। আমাকো নমাই এখন বন্ধ গাড়ীলৈ আনিলে। কিন্তু ৰাকিং কমিটীৰ মেম্বাৰসকলৰ কি হ'ব? আমি উৎকণ্ঠিত হৈ চাই আছিলোঁ। তেওঁলোকক ট্রেনবপৰা নমোৱা নহল। আমাৰ গাড়ী আৰু কয়দীৰ গাড়ীখন চলাই দিয়া হ'ল। কিন্তু তেতিয়াও ৰাকিং কমিটীৰ আন সদস্যসকলক দেখা নগ'ল। কিছুদূৰ বাস্তাটো বেললাইনৰ কাষে কাষে গৈছিল। তাৰ পিচত অন্য এটা ফাললৈ বাটটো ফালৰি কাটি গৈছিল। কৃপালনীজীয়ে ট্রেনৰ খিৰিকীৰে হাত জোকাৰি সম্ভাষণ জনাইছিল। আমিও তেনেকৈয়ে প্রতি-সম্ভাষণ জনালোঁ। আচৰিত হৈ ভাবিছিলো, এইবিলাকৰনো অর্থ কি?

য়াৰবাদালৈ ঘুৰা বাস্তা যেতিয়া আমি পালোগৈ, তেতিয়া কেৱল কয়দীৰ গাড়ীখন সেইফাললৈ মু কৰিলে। আমাৰখন গাড়ী পুনা নগৰৰ কাষৰীয়া অঞ্চললৈ যাবলৈ ধৰিলে। তাৰ পিচত আমাৰ চকু পৰিল সশস্ত্র প্রহৰীয়ে ঘেৰি থকা ওখ কাঁটাতাঁৰৰ বেৰাত। গাড়ীৰ গতি মন্থৰ হ'ল, প্রহৰীয়ে লোহাৰ গেট-খন খুলি দিলে, আমি সোমাই গলোঁ এখন বাগিচালৈ। তাত ফুলেই ফুল। মাজতে এটা প্রকাণ্ড তিনতলীয়া বঙলা। আকৌ সেই ভেলভেট কাপোৰৰ আৱৰণ। কিন্তু এইখননো কি ঠাই? আমাক তেতিয়া জনালে—"এইটো আগাখাঁৰ পুনাৰ কাৰেং। ইয়াতে মিঃ গান্ধীক আটক কৰি ৰাখিবলৈ ব্যৱস্থা কৰা হৈছে।"

এজন ওখ মৰমিয়াল মুখৰ পাচী ভদ্রলোকে আহি নিজৰ চিনাকি দিলে, তাৰ ভাৰপ্রাপ্ত জেল চুপাৰিণ্টেণ্ডেণ্ট বুলি। তেওঁৰ নাম আছিল মিঃ কেইটলি। ঘৰটোৰ ভেটিটো ইমান ওখ আছিল যে মিঃ কেইটলিয়ে যেতিয়া আমাক তলৰ কোঠালৈ লৈ গ'ল, আমাৰ অনুমান হৈছিল সেইটো ওপৰতলাহে। প্রাসাদটো দীঘলীয়াকৈ সজা হৈছিল আৰু চাৰিওফালে ডাঙৰ ডাঙৰ ৰাবাণ্ডা আছিল। তলৰ তলাৰ কোঠাৰিলাক ৰাবাণ্ডাৰে সৈতে আমাক দিছিল। আমাৰ ভিতৰত কোনে কোনটো কোঠা ল'ব ৰাছি ল'বলৈ ক'লে। ওচৰতে ৰাখকম থকা সৰু কোঠা এটা বাপুৱে ৰাছি ললে। ডাঙৰ কোঠা ল'বলৈ তেওঁ অস্বীকাৰ কৰিছিল। বাপুৰ ওচৰতে ডাঙৰ কোঠা এটা ৰাছি ল'লে সৰোজিনী দেৱীয়ে। মাজতে এটা

সক ঠেক কোঠা আছিল। বাথকমৰ সিফালে থকা এটা ডাঙৰ কমলৈ মহাদেৱ গ'ল। কামত নলগাকৈ থকা ডাঙৰ ডাইনিংকমৰ একেবাৰে সিফালে মুৰত থকা অলপ কাষৰীয়া কোন এটা মই ল'লোঁ।

মই ব্যগ্রভাৱে মিঃ কেইট্‌লিক সুধিলো : "ছাগলীৰ গাখীৰৰ কি ব্যৱস্থা কৰিছে? বাপুৰে খাবলৈ একো নায়েই।" তেওঁ উত্তৰ দিলে—"ছাগলী আনি ৰখা হৈছে।" বাগিছাৰ আনটো ফালে বান্ধনী ঘৰৰ কাষতে দুই-তিনিজনী ছাগলী বন্ধা আছিল। আমি লাহে লাহে থকা-মেলাৰ সকলো দিহা কৰি লৈছিলোঁ। বাগিছাখনৰ ফুলবিলাক বৰ মনোমোহা আছিল। দূৰৰ পাহাৰবিলাকৰ দৃশ্যও মনোৰম আছিল। কিন্তু আমি বুজিবলৈ বেছি সময় নেলাগিল যে আমাক একেবাৰে বিচ্ছিন্ন কৰি পেলোৱা হৈছে। আমি চিঠি লিখিবও নোৱাৰিছিলো আৰু পাবও নোৱাৰিছিলোঁ। কোনো খবৰৰ কাগজো আমাক দিয়া নহৈছিল। কেৱল মাথোন আমি ভাৰত গৱৰ্ণমেণ্টৰ ইস্তাহাৰৰ এখন নকল পাইছিলোঁ। সেই ইস্তাহাৰত তেওঁলোকে তেওঁলোকৰ ব্যাপক দমন-নীতি যে যুক্তিযুক্ত তাকে প্রমাণ কৰিবলৈ চাইছিল। বাহিৰৰ পৃথিৱীৰ লগত কোনো যোগাযোগ ৰাখিবলৈ দিয়া নহৈছিল। কিন্তু পুনা চহৰৰপৰা কিছু শব্দ বতাহত উৰি আহিছিল। আমি অনুমান কৰিছিলোঁ আৰু জানিছিলোঁ যে ভাৰতৰ প্রতিখন চহৰতে অশান্তি ঘটিছে।

তৃতীয়দিনা আমাৰ সুৰক্ষিত গেটখন মুকলি হ'ল। সুশীলাৰে সৈতে বা' সোমাই আহিল। কেনে ভাল কথা!. "কি খবৰ? আপোনাসকলক কেনেকৈ গ্রেপ্তাৰ কৰিলে? বাহিৰত কি হৈছে?"

কিন্তু তেওঁলোকে আমাক বিশেষ একো ক'ব নোৱাৰিলে। কিয়নো, প্যাৰেলালৰে সৈতে যিদিনা আমাক গ্রেপ্তাৰ কৰিছিল, সেইদিনা গধূলিয়েই তেওঁলোককো গ্রেপ্তাৰ কৰিছিল। সেইদিনা বম্বেত হ'ব লগা প্রতিবাদ সভাত বা'ই সভানেত্রীত্ব কৰাৰ কথা আছিল। তেওঁলোকে কেৱল ইমানকে ক'ব পাৰিলে যে, সকলো সভা-শোভাযাত্রাৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। কিন্তু পুলিচ, লাঠীচার্জ, কন্দুৱাগেছ, গ্রেপ্তাৰ—এইবিলাক একোলৈকে ভ্রূক্ষেপ নকৰি জনতা হিল-দ'ল ভাঙি ওলাই আহিছে। বেচেৰী বা'ৰ ওপৰেদি ৰব যেন এটা জোকাৰণ গৈছে। গণ্ডগোলবিলাক বা তেওঁৰ গ্রেপ্তাৰৰ কাৰণে নহয়, বাপু ক'ত আছে আৰু তেওঁক বাপুৰ ওচৰলৈ নিয়া হ'বনে নহ'ব এইবিলাক

দুশ্চিন্তাব কাবণেহে। আগাথাঁ প্রাসাদ পোৱাব পিচত তেওঁ যেগাই সুস্থহৈ আহিল।

এই বিষয়ে কোনো সন্দেহ নাছিল যে দেশত ভীষণ আলোড়ন আৰম্ভ হৈছিল। আন্দোলন আৰম্ভ কবাব আগতেই আক নির্দেশ পৰামর্শ আদি দিবলৈ নৌ পাওঁতেই তেওঁলোকব প্রিয় নেতা সকলোকে একেলগে আটক কবাত দেশত বিশৃঙ্খলাব সৃষ্টি হোৱা আক জনসাধাবণ উন্মত্ত হৈ উঠা স্বাভাবিক আছিল। বাপুৱে ভাইচবয়লৈ এখন চিঠি মহাদেৱক কৈ-গ'ল :

সঙ্কট মাতি আনি ভাবত চবকাবে ভুল কবিছে। তেওঁলোকব ব্যৱস্থা যুক্তিযুক্ত বুলি দেখুৱাবলৈ মোৱা গৱর্ণমেণ্টব প্রস্তাৱিত বহুতো কথা বিকৃতভাবে আক ভুলকৈ কোৱা হৈছে ··· ·।

মই বাজহুৱাভাবে ঘোষণা কবিছিলোঁ যে, সক্রিয় ব্যৱস্থা লোৱাব আগতে মই আপোনালৈ এখন চিঠি লিখাব কথা ভাবিছোঁ। কংগ্রেছব স্থিতি নিবপেক্ষভাবে বিচাৰ কবিবলৈ এই চিঠিত আপোনালৈ মোহাবি জনাব খুজিছিলোঁ। আপুনি জানে যে, কংগ্রেছব দাবীব যি ধাৰণা, তাত কোনো ত্রুটি ধৰা পৰিলে কংগ্রেছে বিনা সঙ্কোচে সেই ত্রুটি সংশোধন কবিছিল। পতিকে আপুনি সুবিধা দিয়াহেঁতেন প্রতিটো ত্রুটি-বিচ্যুতিব কথা মই বিবেচনা কবিলোঁহেঁতেন।

বাপুৱে কিছু পৰিমাণে গৱর্ণমেণ্টব ইস্তাহাৰখনব খুটি-নাটি বিশ্লেষণ কবি আঙুলিয়াই দেখুৱাইছিল যে—

ভাবত গৱর্ণমেণ্ট আক আমাব ঘোষিত উদ্দেশ্যব মাজত কোনো পার্থক্য নাই। সুস্পষ্টভাবে ক'বলৈ গ'লে চীন আক বাছিয়াব স্বাধীনতা বক্ষা কব'ই এই উদ্দেশ্য। ভাবত গৱর্ণমেণ্টে ভাবে যে এই উদ্দেশ্য সাধনব কাবণে ভাবতব স্বাধীনতাব প্রয়োজন নাই। মই ইয়াব সম্পূর্ণ বিপৰীতভাবে ভাবো।

ইংলণ্ডব মানুহব প্রতি প্রকৃত বন্ধুত্বব ওপবত পুনব জোব দি বাপুৱে তেওঁব চিঠি সমাপ্ত কবিছিল। আমি উৎকণ্ঠাবে সৈতে শুনি আছিলোঁ। আমাব ভয় হৈ আছিল, বাপুৱে অনশনব সম্ভাৱনাব কথা উল্লেখ কবে বুলি। যদিও তেওঁ তেনে কথাব উল্লেখ কবা নাই, তথাপি আমি নিবাপদ অনুভৱ কবিব পবা নাছিলোঁ। কিয়নো, পৰিস্থিতি যেনেকৈ চাল খাইছিল, তালৈ চাই

এতিয়াই হওক বা পলমকৈয়ে হওক, বাপুৰে অনশন কৰাটো নিশ্চিত যেন লাগিছিল। কিবা কথালৈ যদি মহাদেৱৰ ভয় আছিল তেন্তে এই কথাটোলৈকে। কাৰণ, তেওঁৰ এই ভয় আছিল যে বাপুৰে যদি এই অৱস্থাত দীঘলীয়া অনশন কৰে তেন্তে তেওঁ হয়তো নেবাচিব। চিঠিখন কেইট্‌লিক পঠাই দিবৰ কাৰণে দিয়া হল। আমি ৰৱলাটৰ প্ৰতিক্ৰিয়াৰ বাবে বাট চাই ৰলোঁ।

পিচদিনা মহাদেৱ আৰু মই একেটা কোঠাতে বহি যেতিয়া পঢ়ি আছিলোঁ, এবাৰ মুৰ দাঙি মোলৈ চাই তেওঁ কলে, "লিখাৰ কাৰণে আমি এটা কি মান ডাঙৰ সুবিধা পাইছো। অন্ততঃ ছখন কিতাপ লিখাৰ ভাব মোৰ মনত আছে। সেইবিলাক মই এতিয়া লিখি পেলাব খোজো। কিন্তু বাপুৰ অনশনৰ সম্ভাৱনাৰ অসহনীয় চিন্তা 'জেমাকল্‌চৰ তৰোৱাল'ৰ দৰে মোৰ মুৰৰ ওপৰত ওলমি আছে। এতিয়া মই আন কথাত মন লগাব নোৱাৰোঁ"। মই জানো যে মহাদেৱৰ একান্ত ইচ্ছা আছিল বাপুতকৈ আগতে ঢুকাৰৰ কাৰণে। বাপুৰ প্ৰতি তেওঁৰ অনুৰাগ এনেকুৱা আছিল যে তেওঁৰ পিচত জীয়াই থকাৰ ধাৰণাটোকে তেওঁ কোনোপ্ৰকাৰে সহ্য কৰিব নোৱাৰিছিল। বিভিন্ন সময়ত আবেগে ৰে সৈতে তেওঁ এনে অনুভূতি প্ৰকাশ কৰা মই শুনিছিলোঁ। গতিকে এতিয়া আমি যি অৱস্থাত পৰিছিলোঁ, সেই অৱস্থাত তেওঁৰ অনুভূতিৰ তীব্ৰতা মই ভালদৰে উপলব্ধি কৰিব পাৰিছিলোঁ। মইনো কি বুলি আশ্বাস দিব পাৰো! আমি ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখি থিয়েই নথটক তাৰ সম্মুখীন হব লাগিব। পিচদিনা পুৱা বাপু আৰু সৰোজিনী দেৱীৰ মাজৰ সৰু কোঠাটোৱেদি যেতিয়া মই পাৰ হৈ গৈছিলোঁ, মহাদেৱে তেতিয়া মজিয়াত বহি দাঢ়ি খুৰাই আছিল। তেওঁ মোলৈ মুৰ দাঙি চাই ক'লে, "তোমাৰ নখ কটা কেচি আছে নেকি? মই মোৰ নখকেটা কাটিব খোজা"। মই আছে বুলি কৈ নখ কটা কেচিখন আনি দিলোঁ।

"তোমাৰ যদি ইয়াতকৈ ডাঙৰ কেচি আছে গোঁফ কোচা ছাটিব খোজো, দিবানে?" মই আনি দিলোঁ। তেওঁৰ সেই দাঢি গোঁফ কটা চাই থাকোঁতেই কোনোবা এজনে কলেহি যে জেলৰ ইন্‌সপেক্টৰ জেনেৰেল আহিছে আৰু সৰোজিনী দেৱীৰে সৈতে তেওঁৰ কোঠাত কথা হৈছে। মহাদেৱে মোক কলে, "তুমি যোৱা"; মই উত্তৰ দিলো, "তুমি যোৱা। তুমি তেওঁক মোতকৈ বেছি ভালকৈ জানা"। পিঠিখনত অলপ লাহেকৈ ঠেলি তেওঁক ওচৰৰ কোঠাটোলৈ

পঠিয়াই দিলোঁ। তাব পিচত মই বাবাণ্ডালৈ গলোঁ। লাত বাপু বিছনাত পবি আছিল আক সুশীলাই মালিছ কবি আছিল। মই তেওঁলোকক ইন্‌সপেক্টৰ জেনেবেল অহাৰ কথা কলোঁ। হঠাৎ বাঁই মতা শুনিলোঁ, "সুশীলা! সুশীলা!" আমি ভাবিছিলোঁ বাঁই তেওঁক ইন্‌সপেক্টৰ জেনেবেল অহাৰ কথা ক'বলৈ মাতিছে। কিন্তু কিবা এটা কথাত চকুখাই উৎকণ্ঠিত হৈ কোৱা শুনা গ'ল, "সুশীলা! মহাদেৱ মূৰ্চ্ছা গৈছে, বেগেতে আহাঁ"। সুশীলা বেগেৰে ওলাই গ'ল। মই অপেক্ষা কবিলোঁ বাপুক বিছনাৰপৰা উঠাত সহায় কবিবৰ কাৰণে। আমি বেগাই বাবাণ্ডাইদি গৈ কোঠাটোত সোমালোঁগৈ। দেখিলোঁ, মহাদেৱক বিছনাত শুৱাই দিয়া হৈছে। তেওঁৰ চকু মুদ খাই আছে। সৰ্বশৰীৰত যি ভীষণ সংঘাত হৈছিল তাৰ কাৰণে মুখখন বঙা হৈ পবিছিল। বাপুৱে তেওঁৰ গাত হাত দি নাম কাঢি মাতিলে। কিন্তু তেওঁ চকু নেমেলিলে। বাঁই ডাঙৰকৈ কলে, "মহাদেৱ! মহাদেৱ! বাপু আহিছে"। কিন্তু সিমানতো মহাদেৱৰ সঁহাৰি নাই। তেওঁ যেন তেতিয়া পৰাজিত হৈ অহা এখন যুদ্ধত নিমগ্ন। কোনোবাই ক'লে, "বেগাই এটা গৰম পানীৰ বটল আনা"। মই আনিবলৈ লৰ দিলোঁ। মই আহি পাওঁ মানে সকলো শেষ। মহাদেৱ গ'ল! সজাটো মাত্ৰ পবি থাকিল।

সকলো নিৰ্বাক, নিস্পন্দ। এটা পবিত্ৰ আক অনুগত জীবন শেষ হোৱাৰ কাৰণেই অকল নহয়, তেওঁৰ মৃত্যু যে বাপুৰ কাৰণে কিমান অপূৰণীয় ক্ষতি, সেই কথা ভাবি আমাৰ অন্তৰ ফাটি গৈছিল। বাঁই প্ৰথম কান্দি কান্দি সেই কথাটো প্ৰকাশ কবিছিল: "বাপুৱে তেওঁৰ সোঁহাতো হেকৰালে, বাওঁহাতো হেকৰালে! বাপুৰ দুয়োখন হাত নোহোৱা হ'ল!"

কিন্তু বাপুৰ সমুখত সদায় যেনেকুৱাকৈ হয়, তাৰ আবেগৰ বাহ্যিক প্ৰকাশ সোনকালে নিয়ন্ত্ৰিত হ'ল। বাপু প্ৰায় সম্পূৰ্ণ মৌন আছিল। তেওঁ তেতিয়া প্ৰাৰ্থনাৰ জগতত আছিল। তেওঁ দুই-এটা পৰামৰ্শ দিবলৈহে কেৱল কথা কৈছিল। "মৃতদেহটো সজাই বাখিবৰ কাৰণে সক কোঠালিটোৰপৰা আচবাব-পত্ৰবিলাক আঁতবাই নিয়া"। প্ৰথমে মৃতদেহটো গাধোৱা ঘৰলৈ নিয়া হ'ল। স্নান কবোৱাত আক বগা খদ্দৰৰ কাপোৰেৰে দেহটো আবৃত কবাত বাপুৱে নিজে সহায় কবিছিল। মই কোঠালিটো সাজু কবিলোঁ।

ইনস্‌পেক্টৰ জেনেৰেলে পুৰোহিত আৰু চিতাৰ কাঠৰ হুকুম দিবৰ কাৰণে বেগাবেগিকৈ গ'ল। কিন্তু সৎকাৰ কৰা হ'ব ক'ত? এইবিষয়ে গৱৰ্ণমেণ্টৰ লগত আলোচনা কৰিবলগীয়া হৈছিল। বাপুৱে কৈছিল, তেওঁ সৎকাৰৰ সময়ত উপস্থিত থাকিবই লাগিব। কাৰণ, মহাদেৱ তেওঁৰ নিজৰ ল'ৰাতকৈয়ো অধিকহে আছিল। কিন্তু গৱৰ্ণমেণ্টে বাপুক বাহিৰলৈ যাবলৈ দিয়াৰ কথা সপোনতো ভাবিব নোৱাৰিছিল। বৰ উদ্বিগ্নতাৰে কিছু সময় পাৰ হ'ল। টেলিফোনত অনবৰত কথা-বতৰা চলিল। অৱশেষত বাৰীখনৰ পিচফালে লোহাৰ বেৰাৰ অলপ বাহিৰতে সৎকাৰ কাৰ্য হ'ব পাৰিব বুলি গৱৰ্ণমেণ্টে মত দিলে। সেই ঠাইৰপৰা নদী আৰু পাহাৰৰ সীমালৈকে এখন মুকলি পথাৰ আছিল। সেইপিনে বাট-পথ বা মানুহৰ ঘৰ-দুৱাৰ আদি একো নাছিল। সেই ঠাইত সৎকাৰ কাৰ্য কাৰো চকুত পৰাৰ আশঙ্কা নাছিল।

মিঃ কেইট্‌লিয়ে বাগিছাৰপৰা ফুল আনিবলৈ আদেশ দিলে। মৃত দেহটো মজিয়াত স্থাপন কৰিবলৈ সাজু কৰা হয়। সেইখন মজিয়াতে মহাদেৱে নিজে নেজানিলেও মৃত্যুযাত্ৰা কৰিবলৈকে যেন দাঢ়ি-গোফ কাটিছিল। ইতিমধ্যে অসংখ্য বিচিত্ৰ ফুল গোট খালেহি। মৃতদেহটো সজোৱা কাম মোৰ ভাগ্যত আছিল। সকলো ধৰণৰ ফুলেৰে মই শৱটো আচ্ছাদিত কৰিলোঁ। মুখ আৰু মুখৰ চাৰিওফালে সুন্দৰ ডাঙৰ হালধীয়া ফুলেৰে মণ্ডল আঁকি দিলোঁ। বাপুৱে শিতানৰ ওচৰত বহি গীতা পাঠ কৰিছিল।

পুৰোহিত আহিল। পালিৰ লগীয়া কামবিলাক বিধিমতে সম্পাদিত হ'ল। প্ৰতিটো কাম বাপুৱে নিজ হাতে কৰিছিল। তাৰ পিচত মৃতদেহটো দাঙি তোলা হ'ল। বাপুৱেও হাত লগালে। বাগিছাখন পাৰ হৈ আমি লৱালৰিকৈ তৈয়াৰ কৰি দিয়া বাটেদি লোহাৰ বেৰাৰ বাহিৰলৈ গ'লোঁ। কেহাতমান দূৰতে চিতা তৈয়াৰ হ'ল। শৱটো তাৰ ওপৰত থৈ কাঠ জাপি দিয়া হ'ল। বাপুৱে মুখাগ্নি কৰিলে। জুই জ্বলি উঠিল। কেঘটামানৰ আগলৈকে আমাৰ পৰিচিত যি দেহাটোত মহাদেৱৰ আত্মা বিৰাজ কৰিছিল আৰু আমাৰ মাজত জীয়াই আছিল, সেই দেহাটো পুৰি ছাই হৈ গ'ল।

মৌনভাৱে আমি আগাথাঁ প্ৰাসাদলৈ উভতি আহিলোঁ। তাৰ পিচৰ দিনবিলাক দীঘল, কঠোৰ আৰু গম্ভীৰ আছিল। অৱস্থাৰ লগত ক্ৰমে আমি

নিজক খাপ খুৱাই লৈছিলোঁ। বাপুক তেওঁৰ লেখা কামত সহায় কৰিবলৈ গৱর্ণমেণ্টে প্যাবেলালক তালৈ পঠাইছিল।

বাপু যদিও আগৰ স্বাভাৱিক অৱস্থালৈ ঘুৰি আহিছিল আৰু আমিও সকলোৱে দুখ-বেজাৰ এৰি মনটো মুকলি কৰিছিলো আৰু ক'তো বিষাদৰ ছাঁ পৰিবলৈ দিয়া নাছিলোঁ তথাপি মহাদেৱৰ মৃত্যুৱে বাপুৰ মনত যি গভীৰ-ভাৱে বেখাপাত কৰিছিল তাৰ প্ৰমাণ এটা কথাত প্ৰকাশ পাইছিল। বাপুৱে নিয়মিতভাৱে প্ৰতিদিনাই বাতিপুৱা ফুল অলপ লৈ মহাদেৱৰ সৎকাৰ কৰা ঠাইলৈ গৈছিল আৰু তাত গীতা পাঠ হৈছিল। ঠাইটুকুৰাৰ চিন হিচাপে শিল আৰু বোকাৰে এটা স্তূপ সজা হৈছিল আৰু তাৰ মূৰত পবিত্ৰ 'ওঁ' আখৰটো মই আঁকি দিছিলোঁ আৰু বাপুৰ বিশেষ ইচ্ছা অনুসৰি তাৰ তলতে ক্ৰুছচিন দিয়া হৈছিল। ইছলামৰ কাচিজোনৰ চিনটোও মই চাৰিও কোণত আঁকি দিছিলোঁ। ফুল দিয়াৰ সময়ত বাপুৱে সদায় ফুলখিনি সৰু ক্ৰুছটোৰ ওপৰত এনেকৈ সজাই দিছিল যে সৰু ফুলেৰে ক্ৰুছটোৰ সম্পূৰ্ণ ছবিখন ফুটি উঠিছিল। ইয়াৰ পিচৰ কাৰুকাৰ্যখিনি আমি কৰিছিলোঁ। সেই সময়ত বাপুক মই চাই থাকোঁতে বোমৰ ক্ৰুছিফিক্সৰ ছবিখন মোৰ মনলৈ আহিছিল। সেই ছবিখনে বাপুক মোহিত কৰিছিল। মোৰ ভাব হৈছিল যে বাপুৰ জীৱনৰ মৌলিক অনুপ্ৰেৰণাৰ প্ৰতিভূ আছিল সৰ্বোচ্চ ত্যাগৰ সেই প্ৰতিমূৰ্তিটো।

বাপুৱে খ্ৰীষ্টানসকলৰ ধৰ্মসঙ্গীত 'Lead kindly light' বৰ ভাল পাইছিল। এই সময়ত তেওঁ সেই সঙ্গীত "when I survey the wondrous cross" এই সঙ্গীতলৈ সলনি কৰিছিল। বিশেষ বিশেষ অনুষ্ঠানত এই গীতটো তেওঁ গাবলৈ কৈছিল।

এক পখেকৰো ওপৰ আমাক এইদৰে বন্ধ কৰি থোৱাৰ পিচত গৱর্ণমেণ্টে বাপুক পুৰণি সংখ্যাবিলাকেৰে সৈতে যিবিলাক কাগজ বিচাৰে সেইবিলাক লবলৈ অনুমতি দিছিল। এখন লিষ্ট কৰা হ'ল। খবৰ কাগজৰ টোপোলা যেতিয়া আহিল, তাৰপৰা বহুতো খবৰ পোৱা হল। দেশব্যাপী বিক্ষোভ প্ৰদৰ্শন, সভা-শোভাযাত্ৰা আদি হৈছিল আৰু তাৰ লগে লগে গৱর্ণমেণ্টৰ

ফালৰপৰা চলিছিল লাঠীচাৰ্জ, টিয়াৰগেছ আৰু গ্ৰেপ্তাৰ। বহুলভাৱে অহিংসনীতি ৰক্ষা কৰা হৈছিল। কিন্তু গৱৰ্ণমেণ্টে আগবাঢ়ি যি দমননীতি চলাইছিল, তাৰ ফলত অতিষ্ঠ হৈ, কোনো কোনো ক্ষেত্ৰত মানুহে টেলিগ্ৰাফৰ তাঁৰ কটা, ৰেলৱে লাইন তোলা, পুলিচ ষ্টেশ্যন আক্ৰমণ কৰা ইত্যাদি কাম কৰিছিল। বাপুৱে খবৰ কাগজবিলাক পঢ়োতে তেওঁৰনো কি প্ৰতিক্ৰিয়া হয় আমি চাই আছিলোঁ। তেওঁ শান্তভাৱে আছিল আৰু অলপ গম্ভীৰো হৈছিল। শেষত তেওঁ মন্তব্য কৰিছিল যে, গৱৰ্ণমেণ্টে যেনেভাৱে কাম কৰিছে তাৰৈ চাই তাতকৈ যে বেছি হিংসাৰ কাম হোৱা নাই সেইটোহে আচৰিত।

এপখৰ ভিতৰতে ৰৱলাটৰপৰা বাপুৰ চিঠিৰ উত্তৰ আহিল। উত্তৰটো আছিল সংক্ষিপ্ত আৰু অনুভূতিহীন। বাপুৱে গৱৰ্ণমেণ্টৰ ইস্তাহাৰৰ যি সমালোচনা কৰিছিল আৰু গৱৰ্ণমেণ্টৰ নীতিৰ পুনৰ বিবেচনা কৰিব লাগে বুলি যি পৰামৰ্শ দিছিল, ৰৱলাটে তাক গ্ৰহণ কৰিবলৈ অসমৰ্থ বুলি জনায়। চৰকাৰী সুৰত লিখা এই চিঠিখনত অনুভৱৰ সংযোগ একেবাৰে নাই বুলি বাপুৱে নিশ্চয় অনুভৱ কৰিছিল। আমাৰ ওপৰত ওলমি থকা ক'লা ডাৱৰ চপৰা যেন গভীৰতৰ হ'ল। কিন্তু আমি নিৰুৎসাহ হোৱা নাছিলোঁ। এইক্ষেত্ৰত সৰোজিনী দেৱী আছিল অপৰাজেয়।

ভগৱান কৃষ্ণৰ জন্মদিন যেতিয়া আহিল তেওঁ ক'লে, "এতিয়া আমি কিবা এটা কৰিব লাগিব। বাহিৰৰ পৃথিৱীয়ে জন্মাষ্টমী পালন কৰিছে। কৃষ্ণই বন্দীশালত জন্মগ্ৰহণ কৰিছিল। তাৰৈ চাই জন্মাষ্টমীৰ তাৎপৰ্য আমাৰ কাৰণে বেছি নহয়নে?"

মোৰ মনত পৰিল, শিশু কৃষ্ণৰ কলমৌ পাত এটাৰ ওপৰত শুই থকা হাতীদাঁতৰ সৰু মূৰ্তি এটা কোনোবাই মোক দিছিল। মূৰ্তিটো মোৰ বাকচত বিচাৰি পালোঁ। সেই মাহত বাগিছা ডালিয়া ফুলেৰে ভৰি আছিল। সকলো ৰঙৰ ডালিয়া ফুল কিছুমান মই তুলি আনিলোঁ। সৰু টেবুল এখনত ফুলৰ আসন এখন পাতিলোঁ। অকণমানি হাতীদাঁতৰ কৃষ্ণজনা সেই আসনত স্থাপন কৰিলোঁ। ধূপ জ্বলাই দিলোঁ। সকলোতকৈ বেছি ভাল পাইছিল বা'ই। টেবুলখনৰ সমুখত হাতযোৰ কৰি তেওঁ থিয় দিলে আৰু প্ৰাৰ্থনাত নিমগ্ন হ'ল। সেইদিনাৰেপৰা টেবুলখন মই সজাই ৰাখোঁ। সদায় ৰাতিপুৱা বাগিছাৰপৰা ফুল আনো আৰু নতুন ধৰণে সজাওঁ। প্ৰতিদিনে ৰাতিপুৱা ফুৰিবলৈ যাওঁতে

বাবাণ্ডাইদি আহি বাপুৰে মোৰ কোঠাটোত সোমাইছিল আৰু ফুলখিনি চাইছিল। তেওঁ লক্ষ্য কৰিছিল যে প্ৰতিদিনে চানেকী বেলেগ আছিল। বাপুৰে ক'লে, "তুমি এনেধৰণেৰেই কৰি যোৱা। সদায় কিবা এটা নতুন নমুনা উলিয়াবা। বাগিছাত ইমান বেলেগ ধৰণৰ ফুল আছিল যে মই সেইমতে কৰিবও পাৰিছিলোঁ। সেই সৰু মন্দিৰটোলৈ গৈ প্ৰতিদিনে পূজা আৰু প্ৰাৰ্থনা কৰা বা'ৰ এটা নিয়মিত অভ্যাসত পৰিণত হৈছিল। প্ৰাৰ্থনাৰ সময়ত তেওঁৰ চিন্তাৰ একাগ্ৰতা আৰু বিশ্বাসৰ যি গভীৰতা পৰিস্ফুট হৈছিল সি সঁচাকৈয়ে চিত্তাকৰ্ষক আছিল।

বাপুৰ জন্মদিন দুই অক্টোবৰ যেতিয়া আহিল, সৰোজিনী দেৱীয়ে আকৌ ক'লে যে বিশেষ কিবা এটা কৰিব লাগিব। বিভিন্ন ধৰণৰ আনন্দ উৎসৱৰ উপায় আমি উলিয়াইছিলোঁ। তাৰ পিচত আহিল দেৱালী। বাবাণ্ডা, খিৰিকী আদিত মাটিৰ প্ৰদীপ জ্বলোৱাত মিঃ কেইটলীয়ে কোনো আপত্তি কৰা নাছিল। আগাথাঁ কাৰেণ্ডত আমি একেলগে থকাৰ আগতে আমাৰ কোনেও, আনকি বাপুৰেও সৰোজিনী দেৱীৰ স্বভাৱৰ সম্পদৰাশি সম্পূৰ্ণৰূপে বুজিব পৰা নাছিল। অৱশ্যে আমি সকলোৱে তেওঁৰ কবি প্ৰতিভা, আশ্চৰ্যজনক বাগ্মীতা আৰু চমকপ্ৰদ ৰসিকতাৰ কথা জানিছিলোঁ। কিন্তু এতিয়াহে প্ৰত্যক্ষ অভিজ্ঞতাৰপৰা আমি তেওঁৰ মাতৃসুলভ অনুভৱ মমতা, বিশালতা, কষ্ট আৰু দুখৰ সময়ত তেওঁৰ চৰিত্ৰৰ ধৈৰ্যশক্তিৰ পৰিচয় পাইছিলোঁ। তেওঁৰ ডাঙৰ কোঠাটো আৰু পিচফালৰ বাৰাণ্ডা আমাৰ বন্ধা-বঢ়া আৰু খোৱাৰ ঘৰ হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছিলোঁ। সেই ঠাইত ৰাজত্ব কৰিছিল সৰোজিনী দেৱীয়ে। বাহিৰৰ মানুহক আহি ভাত কাম কৰিবলৈ দিয়া নহৈছিল। জামাদাৰ এজনেৰে সৈতে কয়দী কেজন-মানক দুজন চিপাহীৰ তত্ত্বাৱধানত ছাগলীকিজনী চাবলৈ আৰু ঠাইখিনি পৰিষ্কাৰকৈ ৰাখিবলৈ পঠোৱা হৈছিল। চিপাহীৰ ভিতৰৰে এজন শান্ত প্ৰকৃতিৰ ডেকা মানুহে সৰোজিনী দেৱীক বন্ধাত সহায় কৰিছিল। আমিও অৱশ্যে তেওঁক সহায় কৰিছিলোঁ। কিন্তু এইখন আছিল প্ৰধানকৈ তেওঁৰ ৰাজ্য। সেই ৰাজ্যত তেওঁ এগৰাকী ককণাময়ী সম্ৰাজ্ঞীৰ দৰে ৰাজত্ব কৰিছিল। পিছফালৰ বাৰাণ্ডাত তেওঁ টুল এখনত বহি লৈছিল। তেওঁৰ সম্মুখত মাটিত কাঠকয়লাৰ ষ্টভ। হেতা এখনেৰে তেওঁ আজ্ঞা-পাতি লৰাই থাকে। পুৰণি ছিল্ক গাউনটো পিন্ধি লৈছিল যদিও মেলা চুলিটাৰ তেওঁৰ পিঠিৰ ওপৰত

পৰি আছিল। তথাপিও তেওঁ তেওঁৰ ৰাজকীয় চেহেৰা হেৰুওৱা নাছিল। তেওঁ প্ৰতিজনৰে প্ৰয়োজনৰ কথা ভাবিছিল। সুশীলা, প্যাৰেলাল আৰু মোক বহুৱাই লৈ নিজ হাতেৰে পৰিবেশন কৰিছিল। এবাৰ যেতিয়া মোৰ বেমাৰ হ'ল, তেওঁ মোৰ কাৰণে বেলেগে কিবাকিবি ৰান্ধি মোৰ কোঠাত আনি দিছিলহি। কিন্তু তেতিয়া তেওঁৰ বয়স আছিল ৬৪ বছৰ আৰু স্বাস্থ্যও বিশেষ ভাল নাছিল।

বছৰো শেষ হৈ আহিছিল, লগতে বাপুৰ অস্থিৰতাও বৃদ্ধি পাইছিল আৰু বিপদৰ সম্ভাৱনাপূৰ্ণ অনশনৰ ছাঁই আমাক ছাটি ধৰা যেন অনুভৱ কৰিছিলোঁ। বাপুৱে ক'লে যে তেওঁ ৰৱলাটলৈ এখন চিঠি লিখিবলৈ ইচ্ছা কৰিছে। সেই বিষয়ে ধ্যান কৰিবলৈ তেওঁ তিনদিন মৌনব্ৰত অৱলম্বন কৰিব। কিছু পিচতেই বুজা গ'ল যে সং উত্তৰ নেপালে তেওঁ একৈশদিনীয়া অনশন কৰাৰ কথা ভাবিছে। আমি জানিছিলোঁ যে সং উত্তৰ অহাৰ সম্ভাৱনা একেবাৰে নাই। তেতিয়াৰপৰাই আমি এক অগ্নিপৰীক্ষাৰ সন্মুখীন হ'ব লাগিব বুলি ধুৰুপকৈ জানিছিলোঁ। মই বাপুক সুধিলোঁ যে তিনদিন মৌনব্ৰত অৱলম্বন কৰোঁতে সমুখৰ দেৱালত পবিত্ৰ ওঁম্ শব্দটো লিখিলে যদি তেওঁ ভাল পায় তেন্তে মই সেইদৰে আঁকি দিওঁ। বাপুৱে কলে, "ওঁ, ভাল পাম। 'ওঁম'ৰ তলত 'হে ৰাম' বুলিও লিখিবা।" এটুকুৰা ডাঙৰ কাৰ্ড বৰ্ডত মই সেইদৰে লিখিলোঁ। তেতিয়াৰেপৰা বাপুৱে সদায় সেই প্ৰতীকটো তেওঁৰ সমুখত ৰাখিছিল, জেলৰ-পৰা ওলোৱাৰ পিচতো। তিনদিনৰ মৌনব্ৰত শেষ হোৱাৰ পিচত বাপুৱে চিঠিখনৰ খচৰা কৰিবলৈ আৰম্ভ কৰিলে। নতুন বছৰৰ আৰম্ভণীতে চিঠিখন পঠাব লাগে। বাপুৱে লিখিছিল, "মোৰ অন্তৰত যিবিলাক কথাই খুন্দিয়া-খুন্দি কৰি আছিল, সেইবিলাক প্ৰকাশ নকৰাকৈ মই পুৰণা বছৰটো উকলি যাবলৈ দিব নোৱাৰো·····।"

ৰৱলাটে তেওঁক এজন বন্ধু হিচাপে বিবেচনা কৰিব আৰু তেওঁৰ ভাব-বিলাক বুজিবলৈ চেষ্টা কৰিব নোৱাৰে কিয়? বন্দীশালত থাকি তেওঁ যি বুজিব পাৰিছিল তাৰপৰা গৱৰ্ণমেণ্টৰ লগত যদিও তেওঁ একমত হ'ব নোৱাৰিছিল তথাপি তেওঁৰ মন সদায় মুকলি আছিল। তেওঁ ছমাহ ধৈৰ্য ধৰি অপেক্ষা কৰিছিল। সেই সময় এতিয়া শেষ হৈছে।

এনে পৰীক্ষাৰ সময়ত মই জনামতে সত্যাগ্ৰহৰ আইনে এটা প্ৰতিকাৰৰ বিধান দিছে। একে আষাৰতে ক'ৰ লাগিলে ই হৈছে অনাহাৰৰ দ্বাৰা আত্মনিগ্ৰহ

কবা। সেই একে আইনে আকৌ শেষ অবস্থাব বাহিবে অন্য অবস্থাত তাব প্রয়োগ নিষেধ কবিছে। যদি নকবাকৈ পবা যায় মই ইয়াব ব্যবহাব কবিব নোখোজো। কিবা ভুল হৈছে যদি সেই ভুল সম্পর্কে মোব প্রত্যয় জন্মাওক। মই তেতিয়া তাব প্রতিকাব কবিম। আপুনি মোক মাতি পঠিয়াব পাবে বা এনে এজন মানুহ মোব ওচবলৈ পঠাব পাবে যি আপোনাব কথা জানে আৰু প্রত্যয় জন্মাব পাবে। আপোনাব যদি ইচ্ছা থাকে আৰু বহুতো উপায় আছে।"

এতিয়াও ধবিবলৈ বহী এটুকুবা আছিল। উত্তবব কাবণে বৈ থাকোঁতে সময় নেযায় মুপুবায় যেন লাগিছিল। এসপ্তাহব ভিতবত উত্তব আহিল। এইবাবব চিঠিখন আগববাবতকৈ বহুত বেছি দীঘল আৰু খোলোচা আছিল। বাপুব যুক্তি মানি লোৱাব কোনো চিনেই এইবাবব চিঠিতো নাছিল। চিঠিখনত বাপুব চিঠিত নথকা এটা অর্থ কবিবলৈ চেষ্টা কবা হৈছিল। "আপোনাব চিঠিখন মই এইভাবে পঢ়াটো শুদ্ধ হ'বনে যে যি ঘটিছে তাৰৈ চাই এতিয়া আপুনি সেই-বিলাক সংশোধন কবিব খোজে আৰু যোৱা গবমকালিব নীতিব লগত আপোনাব সম্পর্ক ছেদ কবিব খোজে? তেন্তে মোক জনালেই হ'ব। মই অবিলম্বে এই বিষয়ে পুনব বিবেচনা কবিম।"

তাব পিচত কেটামান কথা আছিল, য'ত অলপ আশাব বেঙনি আছিল।

"আৰু যদি মই আপোনাব উদ্দেশ্য বুজিব পবা নাই তেনেহলে আপুনি অলপো পলম নকবাকৈ কি হিচাপে মই ভুল বুজিছো সেইটো লিখিবলৈ আৰু আপুনি মোক নির্দিষ্টকৈ কি পবামর্শ দিব খোজে সেই বিষয়ে লিখিবলৈ যেন সঙ্কোচ নকবে।"

বাপুৱে আকৌ সেই চিঠিবো সম্পূর্ণ উত্তব এটা দিলে। সেই চিঠিখনব মূল ভাব আছিল, ববলাটে যদি বিচাবে বাপুৱে কিবা সুনির্দিষ্ট পবামর্শ দিব লাগে, তেন্তে তেওঁক কংগ্রেছ ৱার্কিং কমিটীব সদস্যসকলক লগ পাবলৈ দিব লাগে।

ববলাটব উত্তববপবা আশা বাখিবব থল নোহোৱা হ'ল। ববলাটব চিঠিত কংগ্রেছ ৱার্কিং কমিটীবে সৈতে আলোচনা কবা সম্পর্কে বাপুৱে দিয়া পবামর্শব কোনো উল্লেখেই নাছিল। তেওঁলোকব চূড়ান্ত যুক্তি সেই আগব দবে একেধবণবে আছিল:

"৯ আগষ্টব প্রস্তাবটো আপুনি অস্বীকাব কবক বা তাব লগত সম্পর্ক ছেদ কবক।"

তেতিয়া বাপুরে তাব উত্তবত তেওঁব অনশনব এটা নির্দিষ্ট তাবিখ দিলে আৰু লিখিলে :

সাধাবণতে অনশন কবোঁতে অলপ নিমখবে সৈতে মই পানী খাওঁ। কিন্তু আজি-কালি মোব শবীবত পানী সহ্য নহয়। সেই কাবণে এইবাব পানী খাব পবা কবিবব কাবণে, তাব লগত অলপ নেমুটেঙাব বস মিলাই লোৱাব কথা ভাবিছো। কিয়নো, মৃত্যু বৰণ কবিবলৈ অনশন কবা মোব উদ্দেশ্য নহয়। যদি ঈশ্ববব তেনে ইচ্ছা হয়, মই এই পবীক্ষাত উত্তীর্ণ হ'ব খোজো। গৱর্ণমেণ্টে উপশমব প্রয়োজনীয় ব্যৱস্থা ললে এই অনশন সোনকালে ভাগিবও পাবে।

ববলাটবপবা তাব পিচত এখন দীঘলীয়া চিঠি আহিল। কিন্তু আপোচব কোনো আশা দেখা নগৈছিল। বাপুরে আকৌ এখন দীঘলীয়া চিঠিবে উত্তব দিলে আৰু ইমানতে আলোচনা শেষ হ'ল।

৭ ফেব্রুৱাৰী : তিনিটা কষ্টদায়ক সপ্তাহ পাব হৈ যোৱাব পিচত এতিয়া অনশন আবম্ভ হ'বলৈ আৰু তিনিদিন বাকী। ১০ ফেব্রুৱাৰীত অনশন আবম্ভ হৈছিল। সচবাচবতে কবাব দবে গৱর্ণমেণ্টে ব্যৱসায়ীয়ে কবাব দবে নিখুত ব্যৱস্থা কবিছিল। বম্বেব ভূতপূর্ব কংগ্রেছ স্বাস্থ্যমন্ত্রী আৰু বিখ্যাত হার্ট স্পেচিয়েলিষ্ট ডাঃ গিলডাবে বাপুক আগতেও চিকিৎসা কবিছিল। তেওঁক এতিয়া য়াববাদা জেলবপবা আগাখাঁ কাৱেঙলৈ বদলি কবি আনিলে। অৱস্থাটো গাম্ভীর্যপূর্ণ আছিল যদিও দাড়ি-গোঁফেবে সৈতে ডাঃ গিলডাবব নতুন চেহেবা দেখি আমাব হাঁহি উঠিছিল। বাপুরেও সেই হাঁহিত যোগ দিছিল। জেলত তেওঁ দাড়ি বাখিছিল। আমি তেওঁক দেখিবলৈ ভাল হৈছে আৰু ফবাচী মানুহব দবে দেখিবলৈ হৈছে বুলি কৈছিলোঁ। কিন্তু দুই এদিনতে তেওঁ দাড়িকোছা খুবাই কেৱল গোঁফ বাখিলে। তেওঁক তেতিয়া সংস্কৃতিসম্পন্ন পাৰ্ছী এজনব দবে দেখিবলৈ হৈছিল। তেওঁ আচলতেও পাৰ্ছী আছিল।

অনশন আবম্ভ হোৱাব তিনিদিনব ভিতবতে বাপুব বব কষ্ট হ'বলৈ ধবিলে। অলপ কোৱা-মেলাব পিচত গৱর্ণমেণ্টে প্রাকৃতিক চিকিৎসাব বিশেষজ্ঞ ডাঃ দিনশ্বা মেহটাক নিয়মমতে বাপুক চাই থাকিবলৈ সম্মতি দিছিল। প্রাকৃতিক চিকিৎসাব ওপবত, বিশেষকৈ অনশন কবা সময়ত, বাপুব বব বিশ্বাস আছিল। মানুহে ভাবিছিল যে এইবাব বাপু বক্ষা নপবিব। গৱর্ণমেণ্টে বন্ধুবর্গ আৰু

সম্পর্কীয় মানুহক দেখা কবিবলৈ অনুমতি দিছিল। ডাঃ বিধানচন্দ্র বায়ব চিকিৎসাব ওপবত বাপুব উচ্চ ধাবণা আছিল। তেওঁ পিচত বঙ্গদেশব মুখ্যমন্ত্রীও হৈছিল। তেওঁ আহি সেই সঙ্কটপূর্ণ দিনকেটাত পুনাত আছিলহি, যাতে প্রতিদিনাই বাপুক দেখা কবিব পাবে। ধীবপন্থী বাজনৈতিক নেতা আৰু মধ্যস্থতা কবোঁতাসকলকো বাপুক দেখা কবিবলৈ অনুমতি দিয়া হৈছিল। অবশ্যে এনে আশা কবিয়েই বোধকবোঁ যে তেওঁলোকে বাপুব ওপবত প্রভাব কবিব পাবিব।

এজন বিশিষ্ট দর্শক আছিল বাজাজী। তেওঁব লগত বাপুবে বিশেষভাবে কথা পাতিছিল। বাজাজীব জ্ঞান আৰু অন্তর্দৃষ্টি সম্পর্কে বাপুব এনে গভীব শ্রদ্ধা আছিল যে, বহুত বছব ধবি বাপুবে বাজাজীক তেওঁব "বিবেকব প্রহবী" বুলি কৈ ভাল পাইছিল। জিন্নাব লগত আৰু দেশ বিভাজনব কাবণে ক্রমে বাঢ়ি অহা তেওঁব দাবী সম্পর্কে কি ব্যবস্থা কবা যায়, সেই সম্পর্কেই আলোচনা চলিছিল।

অনশন যেতিয়া আবম্ভ হ'ল তেতিয়া কেতিয়াবা কিবা প্রয়োজন হ'ব, তাব কাবণে দিনে ওঠব ঘণ্টা মই সাজু থাকিব লগীয়া হৈছিল। কেদিনমানব পিচত হঠাৎ মেলেবিয়াত আক্রান্ত হৈ মই বিছনা ল'লোঁ। এই বেমাব বোধ কবাব নিশ্চিত উপায় হিচাপে মোক কুইনাইনব ইনজেক্শ্যন ল'বলৈ ক'লে। ঘবখনত মেলেবিয়া হ'লে মহে বাপুলৈও সেই জ্বব সংক্রামিত কবিব পাবে আৰু তেতিয়া হ'লে সেইটো মাবাত্মক হ'ব। মই ইনজেকশ্যন বেয়া পাওঁ বুলি ডাঃ বায়ে জানিছিল। সেই কাবণে তেওঁ মোব ওচবলৈ আহি তেওঁব গলগলীয়া মাতেবে মোক উৎসাহ দি কৈছিল, "তুমি নেজানানে যে বেদব সময়তো ইনজেক্শ্যন দিয়া হৈছিল?" জ্বব মাজতে মই ক'লোঁ, "তেওঁলোকে দিছিলনে?"

"ওঁ, তেওঁলোকে গৰুব শিঙেবে বেজী দিছিল।"

যি হওক, মই ইনজেক্শ্যন ললোঁ। অবশ্যে বেজীবেই, ডফালে দুটা। অসম্ভব বেয়া লাগিছিল। কিন্তু মেলেবিয়া ভাল হ'ল। তাব কাবণে মই কৃতজ্ঞ।

বাপুব কোঠালৈ যেতিয়া মই আহিলোঁ তেতিয়া একেশ দিন শেষ হৈ আহিছিল আৰু বাপুব শক্তিও একেবাবে কমি আহিছিল। তেওঁব প্রতিজ্ঞাব ভিতবত বিশেষ প্রয়োজন হ'লে অলপমান নেমুবস খোৱাব কথা নথকা হলে তেওঁ কেতিয়াও জীয়াই নেথাকিলহেঁতেন।

গৱৰ্ণমেণ্ট ইমানখিনিলৈও গৈছিল (পিচত আমি জানিছিলোঁ) যে, বাপুৰ সৎকাৰৰ কাৰণে চন্দনকাঠ আৰু আন কাঠো যোগাৰ কৰিছিল আৰু কোনটো বাটেদি শৱযাত্ৰা যাব তাৰো ব্যৱস্থা কৰিছিল। লগে লগে তেওঁলোকে ভাৰতৰ সকলো ঠাইৰে অফিচাৰসকলক বিশেষ সাৱধানে থাকিবলৈ পৰামৰ্শ দিছিল। বাপুৰ মৃত্যুত গণ্ডগোল হলে তাক দমন কৰিবলৈও নিৰ্দেশ দিছিল।

কিন্তু ঈশ্বৰে ভাৰতক সেই দুখৰপৰা আৰু ইংলণ্ডক সেই লাজৰপৰা ৰক্ষা কৰিলে। বাপুৰ জীৱন ৰক্ষা পৰিল।

অনশন ভঙাৰ পিচত বাপুৰ ওচৰলৈ মানুহ অহাটো গৱৰ্ণমেণ্টে বন্ধ কৰিলে। কিছুদিননৈ দেবদাসক আহিবলৈ দিয়া হৈছিল। বাপুৰ ভাগিন কানু গান্ধী এজন বলিষ্ঠ উৎসাহী আৰু বাপুৰ অনুৰক্ত ডেকা আছিল। তেওঁক অনশনৰ সময়ত বাপুক শুশ্ৰূষা কৰিবলৈ পঠোৱা হৈছিল। তেওঁক তৎক্ষণাৎ আঁতৰাই নিয়া নাছিল। দেবদাসকো কেদিনমানলৈ আহি থাকিবলৈ দিছিল। ডাঃ গিল্‌ডাৰকো তাতে থাকিবলৈ দিয়া হ'ল।

অনশনে যদিও গৱৰ্ণমেণ্টৰ অন্তৰ গলাৰ নোৱাৰিলে, ই কিন্তু জাতিৰ অন্তৰ দেই-পুৰি নিছিল। বৃটিছ দমন-নীতিৰ প্ৰতিও মানুহৰ বিতৃষ্ণা চৰম অৱস্থা পাইছিলগৈ।

অনশনৰপৰা গা টঙাই উঠিবলৈ বাপুক সময় লাগিছিল। শৰীৰৰ ওপৰত যথেষ্ট হেঁচা পৰিছিল, কিন্তু মনৰ ওপৰত পৰিছিল তাতোকৈ বেছি। তথাপি তেওঁ এই অৱস্থাৰপৰা নিজক মুক্ত কৰিছিল।

সৰোজিনী দেৱীৰ বৰ বেয়াধৰণে মেলেৰিয়া হ'ল। তেওঁৰ জ্বৰ এবা নাছিল আৰু বৰ দুৰ্বল হৈ পৰিছিল। সৰোজিনী দেৱীৰ এনে অৱস্থা হোৱাত সকলো আতঙ্কিত হৈছিল। আনন্দৰ কথা যে, গৱৰ্ণমেণ্টে বেছি পলম হোৱাৰ আগতে তেওঁক বিনাসৰ্তে মুক্তি দিলে। এখন এম্বুলেন্স অনা হ'ল আৰু ষ্ট্ৰেচাৰেৰে নি তেওঁক এম্বুলেন্সত তোলা হ'ল। আমি, বিশেষকৈ মই তেওঁৰ বিচ্ছেদ বৰকৈ অনুভৱ কৰিছিলোঁ। কিন্তু যি ঘৰটোৰ লগত ইমানবিলাক দুখজনক স্মৃতি বিজড়িত হৈ আছে, তাৰপৰা তেওঁ যোৱাৰ কথা ভাবি আমি সকলোৱে ভাল পাইছিলোঁ।

ইয়াত থকা দিনখিনিত বা'ৰ স্বাস্থ্যও ভালে থকা নাছিল। তেওঁৰ স্বাস্থ্য ক্ৰমে আৰু বেয়ালৈ গৈছিল মানসিক অৱসাদেও শৰীৰ ক্ষয় কৰি নিছিল।

মিঃ কেইট্‌লীয়ে কিছু খেল-ধেমালিৰ আয়োজন কৰাৰ কথা ক'লে। বাপুৱে আগ্ৰহেৰে সন্মতি দিলে। কম বয়সীয়াসকলৰ কাৰণে বেডমিণ্টন আৰু টেবুল টেনিছ আৰু বয়সীয়াসকলৰ কাৰণে কেৰমৰ যোগাৰ হ'ল।

বাগিছাৰ বেডমিণ্টন ক'ৰ্টৰ উদ্বোধনী উৎসৱ সম্পন্ন কৰিবলৈ সুশীলাই বাপু আৰু বা'ক ৰাজী কৰালে। বাপুৱে 'চাটল্‌কক' নেটখনৰ ওপৰেদি বা'লৈ মাৰিব আৰু বা'ই কক্‌টো আকৌ ঘূৰাই মাৰিব এইধৰণে বেডমিণ্টন ক'ৰ্ট উদ্বোধন কৰাৰ আঁচনি কৰা হৈছিল। কিন্তু কক্‌টো এবাৰো নেটখন ভালকৈ পাৰ হৈ নগৈছিল। কিন্তু সি যি কি নহওক, ই বেচ আমোদৰ সৃষ্টি কৰিছিল আৰু বাতাবৰণটো লঘু কৰি তুলিছিল।

ডাঃ গিল্‌ডাৰ আৰু মিঃ কেইট্‌লীয়ে নিতৌ আবেলি গহীনভাৱে বহি কেৰম খেলিছিল। এদিন সেইফালেদি মই পাৰ হৈ যাওঁতে তেওঁলোকে মোক মাতি ক'লে, "আহক, আপুনিও যোগ দিয়কহি।" "তেনেহ'লে আপোনালোক দুজনে এফালে হওক আৰু মই দুয়োটা চাইড অকলে খেলিম" —এইবুলি মই উত্তৰ দিলোঁ।

ইংলণ্ডত বহুত দিনৰ আগতে মই এই খেল খেলিছিলোঁ। এই খেলত ভাগ্যতকৈ পটুতা বেছি লাগে, সেইদেখি খেলটো মই ভালো পাইছিলোঁ। মই নিজ ঠাইত বহিলোঁ আৰু খেলা আৰম্ভ হ'ল। প্ৰথমদিনা আমাৰ 'দ্ৰ' হৈছিল। কিন্তু পিছদিনাৰপৰা মই তেওঁলোকক হৰুৱাবলৈ ধৰিলোঁ। কেদিন-মান একেৰাহে এইদৰে হৰাৰ পিচত তেওঁলোকে ক'লে, "আমি আপোনাক এটা 'হেণ্ডিকেপ' দিব লাগিব।" মই কলো, "বেচ কথা। কিনো 'হেণ্ডিকেপ' দিব খোজে?" "আপুনি এফালে বহিয়েই দুয়োটা চাইড খেলিব লাগিব।" এতিয়া তেওঁলোকক হৰুওৱা যথেষ্ট টান হৈছিল, তথাপিও মই কৃতকাৰ্য হৈছিলোঁ। তেওঁলোকে আনকি হেণ্ডিকেপ দিব পাৰে বুলি ভাবি থাকোঁতেই অপ্ৰত্যাশিত-ভাৱে এটা কথা ওলাল। খেলাটো চাবলৈ বা' কেবাদিনো আহিছিল আৰু যথেষ্ট আগ্ৰহো দেখুৱাইছিল। বা'ই খেলা চাই থাকোঁতে এদিন বাপু সেইপিনেদি পাৰ হৈছিল। হাঁহি বাপুৱে বা'য়ো খেলাত যোগ দিয়া ভাল বুলি কলে। প্ৰথমতে বা'ই প্ৰতিবাদ কৰিছিল। কিন্তু তেওঁৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ জোৰ

।জয়াত শেষত বা' মাস্তি হ'ল। খেলাত মই তেওঁৰ ভাগী হ'লোঁ। বা'ই জীৱনত এনেকুৱা খেলা কেতিয়াও খেলা নাছিল। আমি সকলোৱে তেওঁক শিকাই-ছিলোঁ। দলটো আমোদজনক হৈ পৰিছিল। ভাগ্যক্ৰমে কেতিয়াবা বা'ই মৰা গুটিটো বেছি ফালৰি কাটি নগলে আমি জিকিছিলোঁ। মাজে মাজে বাপু সেই-পিনে চাবলৈ আহিছিল আৰু বা'ৰ মনোযোগ কিছু অন্যফালে যোৱাত তেওঁ আনন্দ পাইছিল। বাপুৱে বা'ক কৈছিল, "তুমি নিজেও অলপমান অভ্যাস কৰিলে ভাল, যাতে অলপ ভালকৈ খেলিব পৰা হোৱা।" পিচদিনা পুৱা মই দেখিলোঁ, বা'ই বৰ মনোযোগ দি কেৰম বৰ্ডত বহি অভ্যাস কৰিছে। তাৰ পিচত যেতিয়াই মন যায় তেতিয়াই মই বা'ক এই বিষয়ে শিক্ষাও দিছিলোঁ। কেদিনমানৰ পিচৰপৰা প্ৰায়ে আমি আবেলিৰ খেলত জিকিবলৈ ধৰিলোঁ।

কিন্তু কি দুৰ্ভাগ্য! বা'ৰ স্বাস্থ্য দিনকদিনে বেয়াৰ ফালে যাবলৈ ধৰিলে। তেওঁৰ অৱসাদ বাঢ়িবলৈ ধৰিলে। তেওঁ কৈছিল যে তেৱোঁ নিশ্চয় মহাদেৱৰ পিচ ল'ব। বৰ বেয়াধৰণৰ কাহ এটাই তেওঁৰ লগ লৈছিল। কেতিয়াবা কেতিয়াবা ভীষণভাৱে তেওঁৰ বুকু ধপ্‌ধপাইছিল আৰু দিনকদিনে তেওঁ দুৰ্বল হৈ আহিছিল। দুখৰ কথা এয়ে আছিল যে তেওঁ যি ডাক্তৰ বিচাৰিছিল, সেই ডাক্তৰৰ কাৰণে গৱৰ্ণমেণ্টৰপৰা অনুমতি পাওঁতেও পলম হৈছিল। ডাঃ দিনশ্বা মেহটাক অৱশেষত বা'ক চিকিৎসা কৰিবলৈ আহিবলৈ অনুমতি দিয়া হ'ল। তেওঁৰ অৱস্থা ক্ৰমে বেয়া হবলৈ ধৰিলে। তেতিয়া কবিৰাজ এজনৰ হাতুৰাই চিকিৎসা কৰোৱাৰ তেওঁৰ প্ৰবল ইচ্ছা হৈছিল। কিন্তু তাৰ কাৰণেও অনুমতি পাওঁতে বহুতো অসুবিধা আৰু পলম হৈছিল। শেষত ডাঃ শিৰ শৰ্মাক পঠিওৱা হ'ল। শুশ্ৰূষাত সহায় কৰিবলৈ বাপুৰ ভাগিনী মনু গান্ধীক আৰু প্ৰভাৱতী দেৱীকো পঠিওৱা হৈছিল।

বা'ৰ অসুখ ক্ৰমে বৰ টান হ'ল। তেওঁৰ ল'ৰাকিটা আৰু সম্পৰ্কীয় মানুহক সদায় আহিবলৈ অনুমতি দিছিল। বা'ৰ স্বাস্থ্যভঙ্গ হোৱাৰ এবছৰো ওপৰ হৈছে। কিন্তু এতিয়া তেওঁ বেমাৰৰ লগত যুঁজি যুঁজি অতিশয় দুৰ্বল হৈ পৰিছে। ২২ তাৰিখে শেষ সঙ্কট মুহূৰ্ত উপস্থিত হ'ল। বাপুৱে তেওঁক সাৱটি ধৰি আছিল। যেতিয়া উশাহ সলনি হ'ল, বাপুৱে লাহেকৈ সুধিলে, "কি হৈছে?"

বা'ই স্পষ্ট মিঠা মাতেৰে আৰু যেন অলপ আচৰিত হৈছে, এনেকৈ তেওঁ কিবা এটা সম্পূৰ্ণ নতুন অভিজ্ঞতা পোৱাৰ কথা ক'লে, "কি হৈছে মই ক'ব নোৱাৰোঁ।"

কোনো ভয়, কোনো উদ্বেগ নাছিল। কেবাৰমান উশাহ ল'লে আৰু দেহাটো এৰি তেওঁ ওলাই গ'ল। আমিখিনিয়ে চাৰিওপিনে থিয় দি ৰাম-ধুনৰ পৱিত্ৰ সুৰ ধৰিছিলোঁ। বাপু মৌন হৈ আছিল। কেৱল কস্তুৰবা'ৰ দেহাটো শুৱাই দিবলৈ ইঙ্গিত কৰিছিল।

সম্পৰ্কীয় তিৰোতাসকলে শৱটো স্নান কৰাবলৈ নিছিল। মই এইবাৰো মৃত দেহটো ৰাখিবৰ কাৰণে কোঠাটো প্ৰস্তুত কৰি তুলিলোঁ। বাগিছাৰপৰা ফুল অনা হ'ল। সেই ক্ষীণ দেহাটিৰ ওপৰত আৰু চাৰিওফালে মই ফুলবিলাক সজাই দিলোঁ। ধূপ জ্বলোৱা হ'ল। গীতা পাঠ হ'বলৈ ধৰিলে।

তেতিয়া গধূলি হৈছিল। সেই কাৰণে সংকাৰ-কাৰ্য পিচদিনালৈ থৰ লগা হ'ল। আকৌ প্ৰশ্ন উঠিল, সংকাৰ কাৰ্য ক'ত হ'ব? বাপুৱে ইন্সপেক্টৰ জেনেৰেলক ক'লে, "মৃতদেহটো মোৰ ল'ৰা আৰু সম্পৰ্কীয় মানুহক গতাই দিয়ক। তেতিয়া গৱৰ্ণমেণ্টে হস্তক্ষেপ নকৰাকৈ ৰাজহুৱাভাৱে সংকাৰ হ'ব পাৰিব।"

কিন্তু গৱণমেণ্টে এই কথাত সন্মতি দিবলৈ টান পালে। মহাদেৱক য'ত সংকাৰ কৰা হৈছিল সেই ঠাইতে বা'কো সংকাৰ কৰিবলৈ স্থিৰ হ'ল।

গোটেই নিশা ধূপ-ধূনা জ্বলাই গীতা পাঠ আদিৰ দ্বাৰা মৃতদেহটো ৰখি থকা হৈছিল। কেবাঘণ্টাও জুৰি বাপুৱে বা'ৰ মৃতদেহটোৰ পিনে চাই আছিল। ষাঠি বছৰ জুৰি বা' আছিল তেওঁৰ বিশ্বাসী আৰু নিৰ্ভীক সঙ্গী। বাপুৱে বা'ৰ লগত যেন মৌনতাৰ মাজেদি কথা-বতৰা হৈছিল। সুশীলাই এবাৰ শুনিছিল, যেন বাপুৱে বা'ক কিবা এটা কৈছিল।

ৰাতিপুৱা বন্ধু-বান্ধৱ আৰু বহুতেই ফুল লৈ লৈ উপস্থিত হ'লহি। যেতিয়া আমি সংকাৰ কৰা ঠাই পাইছিলোঁগৈ, বাপু একেবাৰে ভাগৰি পৰিছিল। কিন্তু তথাপিও তেওঁ নিজক থিয় কৰি ৰাখিছিল আৰু বা'ৰ দেহা পুৰি ছাই হৈ নোযোৱালৈকে চিতাৰ ওচৰতে আছিল।

অস্থি গোটাবলৈ যাবৰ দিনা আমি চিতাভস্মৰ মাজত বা'ৰ খাৰুযোৰ একো বেয়া নোহোৱাকৈ পৰি থকা পালোঁ। মোৰ মনত পৰে, আমাৰ

সকলোৱে সেই খাৰুপাত দেখি কেনেকৈ গা শিয়ঁৰি উঠিছিল। পহৰা দিবলৈ থিয় হৈ থকা জামাদাৰজনে আমাক আশ্বাস দি চিঞৰি কৈছিল যে খাৰু-পাত তেনেকৈ থকাৰ অৰ্থ হৈছে, বা' পোনে পোনে স্বৰ্গলৈ গৈছে।

আগাৰ্থা কাৰেঙৰ জীৱন ক্ৰমে বেছি অসহনীয় হৈ পৰিছিল। কিন্তু বাপু আৰু ক'গ্ৰেছৰ প্ৰতি গৱৰ্ণমেণ্টৰ মনোভাৱৰ কোনো পৰিৱৰ্তন দেখা নগৈছিল। বাহিৰৰ পৰিস্থিতিও একেধৰণে আছিল। সেই কাৰণে আমি আগাৰ্থা কাৰেঙতে যিমান ভালকৈ পাৰোঁ থাকিবলৈ চেষ্টা কৰিছিলোঁ।

মহাদেৱৰ সমাধিস্তুপৰ ওচৰতে শিল আৰু বোকা লৈ আকৌ এটা স্তুপ সজা হ'ল। মই আগৰবাৰৰ দৰেই সেই স্তুপৰ ওপৰতো 'ওঁম' আৰু 'ক্ৰছ' আঁকি দিছিলোঁ। বাপুৱে কেতিয়াও ক্ষতি নকৰাকৈ প্ৰতিদিনে ফুল লৈ তালৈ গৈছিল। কিন্তু তেওঁৰ স্বাস্থ্য পৰি আহিছিল। এমাহমানৰ পিচত বাপুৰ দুৰ্বল দেহাত মেলেৰিয়াই ধৰিলে। মেলেৰিয়াই ভালকৈ ধৰিছিল আৰু তেওঁৰ অৱস্থা ক্ৰমে বৰ বেয়াহৈ গৈছিল। কুইনাইন খোৱাত জ্বৰ এৰিলে, কিন্তু দুৰ্বলতা যোৱা নাছিল। ডাঃ দিনশ্বা মেহটাক আকৌ মতাই অনা হ'ল। বাপুৱে গা টঙাবলৈ বহুতদিন লাগিব যেন দেখা গ'ল। সকলোৱে মনলৈ এনে ভাব আহিছিল, আনকি জামাদাৰ চিপাহীইঁতৰো, যে এই কাৰেংটোত মাৰাত্মক কিবা এটা বেযা আছে আৰু যেনেতেনে বাপুক ইয়াৰপৰা আঁতৰাই নিব লাগে।

বাপুৱে নিজেও কিছুদিনৰপৰা ডাঙৰ ঘৰৰ সলনি কম খৰচৰ সৰু এটুকুৰা ঠাইত তেওঁক ৰাখিবৰ কথা কৈ আহিছিল। কিন্তু তাৰ কোনো আশা দেখা যোৱা নাছিল।

কিছুদিন যোৱাৰ পিচত আমাৰ এনে এটা ভাব হৈছিল যে সম্ভৱতঃ বদলি কৰাৰ কথা ভৱা হৈছে। আমাক একেলগে থাকিবলৈ দিব নে মুনিহ তিৰোতাৰ বেলেগ বেলেগ বেণ্ডলেশ্যন জেলত ৰাখিব; এই লৈ আমি জল্পনা-কল্পনা কৰিছিলোঁ। মে' মাহৰ আৰম্ভণিতে এদিনাখন ইনস্‌পেক্টৰ জেনেৰেলে আমাৰ কেম্প পৰিদৰ্শন কৰিবলৈ আহিছিল। কথা প্ৰসঙ্গত, যেন কোনো

উদ্দেশ্য নাই, সেই হিচাপে তেওঁ সুধিলে যে ডাক্তবব মতে বাপুরে এশমাইল-মান মটব বা ট্রেনেবে ভ্রমণ কবিব পাবিবনে? এই প্রশ্নটো কোনো উদ্দেশ্য নথকাব নিচিনাকৈ সুধিছিল যদিও কিবা এটা পবিকল্পনা যে কবা হৈছিল সেইটো স্পষ্ট হৈ পবিছিল। তেতিয়া আমি হিচাপ কবি উলিযাবলৈ ললোঁ, পুণাবপবা এশমাইলমানব ভিতবত কোনখন ঠাইনো পবে।' কিন্তু তাব পিচতো দুই-এদিন একো ঘটা নাছিল। মই লগবীযাসকলক পবামর্শ দিছিলোঁ যে আগতীয়াকৈ আমি বস্তুবিলাক চিজিল কবি বন্ধা-কোন্ধা কবা ভাল। একেডোখব ঠাইত প্রায় দুবছব থকাব পিচত অদ্ববীণ কেম্প হলেও কিছু লাম-লাকটু জমা হৈ পবেই। আমি যদি যাবলগীযা হয় তেনেহলে কোনোটো পবিষ্কাব আৰু পবিপাটিকৈ এবি যোৱাটোহে বাপুরে আশা কবে। আনসকলে কিনো হয়-নহয় তালৈ বাট চাব খুজিলে। কিন্তু মই বস্তু চিজিল কবাই 'প্লেক' কবা আবম্ভ কবি দিলোঁ।

পাঁচ তাবিখে গধূলি বাপুব বিছনাব কাষত বহি ডাক্তব ডাক্তবকৈ পঢ়ি আছিলোঁ। এনেতে ইন্‌স্‌পেক্টব জেনেবেল হঠাৎ সোমালহি। মই জাপমাবি উঠি বাপুব ওচবলৈ তেওঁক চকী এখন আনি দিলোঁ। তেওঁ তাতে বহিল আৰু কলে, "মহাত্মাজী, কালিলৈ পুবা ৮ বজাত আপোনাক আৰু আপোনাব দলব লোকসকলক বিনাসর্তে মুক্তি দিয়াব কথা হৈছে।" তেওঁ যে আচবিত হৈছে সেইটো নেদেখুবাকৈ বাপুরে সুধিলে, "আপুনি ধেমালি কবিছে নেকি?" ইনস্‌পেক্টব জেনেবেলে উত্তব দিলে যে তেওঁ সেইদিনা গবর্ণমেণ্টব হুকুম পাইছে। আনসকলে অলপ আঁতবব কোঠাত তেওঁলোকব গধূলিব আহাব খাই আছিল। সকলো লবি আহি সেইখিনি পালেহি। ইনস্‌পেক্টব জেনেবেলে বুজাই ক'লে যে, বাপুরে যদি প্রয়োজন বুলি ভাবে, তেন্তে তেখেতব গা ভালকৈ ভাল হোৱালৈকে সেই কাবেঙতে কিছুদিন থাকিবও পাবে। কিন্তু তাবপবা পুবা ৮ বজাত পহবা উঠাই দিয়া হ'ব।

পহবা উঠাই নিয়াব পিচত সেই সাংঘাতিক ঠাইটুকুবাত বাপু আৰু অলপো সময় থকাব প্রশ্নই নুঠিছিল বাপুরে ইনস্‌পেক্টব জেনেবেলক ক'লে যে তেওঁ 'পর্ণকুটী'লৈ যাব। 'পর্ণকুটী'ব আছিল লেডী থেকাবছেব পুণাব ঘব। আগতে বাপু তাত প্রায়ে আছিল। এতিয়া দস্তুবমতে পেক কবা আৰু পবিষ্কাব কবাব কাম আবম্ভ হ'ল। বাস্তবিকতে গোটেই নিশাটোবেই সেই

কাম চলিছিল। বাপুৰে তেওঁৰ বিছনাত দীঘল দি সাৰ পাই আছিল। চিন্তাত তেওঁ মগ্ন আছিল। ব্যক্তিগতভাৱে তেওঁৰ মনলৈ আহিছিল তেওঁৰ অতি মৰমৰ আৰু অতি ওচৰৰ দুজনক এৰি থৈ যোৱাৰ চিন্তা। আকৌ নিৰাশাৰ ভাবত নিপীড়িত জাতিয়ে আশা-উৎকণ্ঠাৰে তেওঁৰ মুখলৈ চাই থকাৰ চিন্তাও তেওঁৰ হৈছিল। তেওঁনো কি কৰিব পাৰিব? ঈশ্বৰে তেওঁক আকৌ শাৰীৰিক শক্তি ঘুৰাই দিবনে? তেওঁ অকলে মুকলি হ'ব নে কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ সদস্যসকলকো মুক্তি দিব? যদি সেয়ে নহয় তেন্তে ৱাৰ্কিং কমিটীৰ সদস্য-সকলৰ লগত যোগাযোগ কৰিবলৈ তেওঁক দিয়া হ'বনে? বাপুৰ মুক্তি আছিল ইমান আকস্মিক আৰু অপ্ৰত্যাশিত!

পিচদিনা ৰাতিপুৱাতে আমি বা' আৰু মহাদেৱৰ সমাধিস্থানত শেষবাৰ ফুল দি শ্ৰদ্ধা জনাবলৈ গ'লোঁ। এই দুজন নোহোৱাকৈ যি মুহূৰ্তত আমি ৰাহিৰৰ পৃথিৱীলৈ যাবলৈ ওলালোঁ সেইটো যে কিমান কষ্টৰ মুহূৰ্ত আছিল! ঠিক ৮ বজাত ইন্‌স্‌পেক্টৰ জেনেৰেলে আমাক কাঁটা তাঁৰৰ গেটেৰে পাৰ কৰি দিলে। তৎক্ষণাৎ যিসকলক দৰ্কাৰ তাৰ ৰাহিৰে আনক খবৰটো আগতে দিয়া হোৱা নাছিল। গতিকে পৰ্ণকুটীৰলৈ যোৱাটো সম্পূৰ্ণ শান্তিপূৰ্ণ আছিল। কিন্তু অবিলম্বে খবৰটো হাৰিৰ জুইৰ দৰে ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈ প্ৰচাৰ হ'ল। ক্ৰমে গোটেই পৃথিৱীতে খবৰটো প্ৰচাৰ হ'ল। জুমে জুমে দৰ্শকসকল আহিবলৈ ধৰিলে। নিজক নিৰলে এদণ্ডীয়াকৈ ৰখাটো বাপুৰ স্বভাৱবিৰোধী কথা। তেওঁ সকলোকে সম্ভাষণ জনালে আৰু সকলোবিলাক চিঠি-পত্ৰ টেলিগ্ৰাম আদি পঢ়িলে। বহুতলৈ উত্তৰ নিজে কৈ গ'ল। ফলত যি অলপ শক্তি তেওঁৰ আছিল, সেইকণো শেষ হল। পাঁচদিনমানৰ ভিতৰতে সিদ্ধান্ত কৰা হ'ল যে এইবিলাক নিশ্চয় বন্ধ কৰিব লাগিব। বাপুক জুহুলৈ যাবলৈ মাস্তি কৰোৱা হ'ল। সাগৰৰ পাৰত থকা গান্ধী গ্ৰামৰ বঙলাত আমাৰ গোটেই দলটো থকা ঠিক হ'ল।

এতিয়া বাপুৱে দৈনিক কিমান কাম কৰিব আৰু কিমান দৰ্শকক দেখা কৰিব, এই সকলো কথা নিয়ন্ত্ৰিত কৰা হ'ল। আটাইতকৈ টান কাম আছিল দৰ্শকৰ সংখ্যা কমোৱাটো। তাৰ কাৰণে দৃঢ়তা, বিচক্ষণতা, এই দুয়োটাৰে প্ৰয়োজন আছিল। সৰোজিনী দেৱীৰ স্বাস্থ্য তেতিয়াও দুৰ্বল হৈ আছিল যদিও তেওঁ আহি জুহুত আমাৰ লগ লাগিল। তেৱেঁই এই টান কামটো কৰিবলৈ

আগবাঢ়ি আহিল। প্রয়োজনীয় দৃঢ়তা আৰু বিচক্ষণতাবে সৈতে খুহুটীয়া কথা আৰু বসিকতাব মাজেবে তেওঁ এই কামটো এনেভাবে সমাধা কবিছিল যে, আন কাবোপক্ষে সি সম্ভবপব নাছিল।

সেই সময়ত এনে কিছুমান সমস্যাই জুমুবি মাবি ধবিছিল যে, খুব ভাল স্বাস্থ্যত থকাহেঁতেনো বাপুব ওপবত ডাঙব হেঁচা পৰিলহেঁতেন পূবামাত্রাই অর্ডিনান্স শাসন চলিছিল। খবব কাগজব মাত বন্ধ কবা হৈছিল। কংগ্রেছ ৱার্কিং কমিটীব সদস্যসকলকে আবম্ভ কবি হাজাব হাজাব মানুহ তেতিয়াও জেলত আছিল আৰু দেশত আকালব অবস্থা বৰ্তি ছিল। নবমপন্থীসকলে অচল অবস্থাব অবসান ঘটাবলৈ মংপবোনাস্তি চেষ্টা কবিছিল। কিন্তু তেওঁলোকব সকলো চেষ্টা ব্যর্থ হৈছিল। এতিয়া সকলোবে বাপুলেকে চাই আছিল। বাপুবেও ধীব-স্থিবভাবে কিন্তু নিশ্চিতৰূপে কাম আবম্ভ কবিছিল। তেওঁ ৱবলাট লর্ড ৱাভেললৈ লিখিছিল যে এজন মুক্ত মানুহ হিচাপে সাধাবণভাবে তেওঁবপবা এইখিনি আশা কবা হৈছে যে তেওঁ "সাধাবণব মঙ্গলব কাবণে নিৰ্দিষ্ট কিবা এটা ৱবঙণি দিব লাগে।" সেই কাবণে তেওঁ ৱার্কিং কমিটীব সদস্যসকলব লগত দেখা কবিবলৈ অনুমতি দিবলৈ ৱবলাটলৈ গোহাবি জনায়। কিয়নো, সেয়ে নহলে তেওঁ একো কবা সম্ভব নহয়। লগতে তেওঁ এই কথাও জনাইছিল যে, ৱার্কিং কমিটীব সদস্যসকলক দেখা কবিবলৈ অনুমতি দিয়াব আগতে ৱবলাটে যদি বাপুক দেখা কবিবলৈ ইচ্ছা কবে তেন্তে তেওঁ আনন্দেবে গৈ আলোচনা কবিব। ৱবলাটে ইয়াব উত্তবত অসম্মতি জনাই চিঠি দিলে। কিন্তু বাপুবে তেওঁব নিজা ধৰণে ধৈর্য ধবি অনুকূল অবস্থা সৃষ্টি কবিবলৈ কাম কবি গ'ল। দেশব দুখ-কষ্ট ইমান বৃদ্ধি পাইছিল আৰু বৃটিছ গৱর্ণমেণ্টব আঁকোব গোজালি মনোভাব ইমান স্পষ্টভাবে ওলাই পবিছিল যে, বাস্তবিকতে সকলো মতব মানুহে এক হৈ বাপুব পিচত থিয় দিছিল। জুহুত এমাহ থকাব পিচত বাপুক লৈ পশ্চিমঘাটব পার্বত্য স্বাস্থ্য-নিবাস পাঁচগনিলৈ যাবলৈ ভবা হৈছিল।

আগাখাঁ কাবেণ্ডত থাকোতেই মোব মনলৈ ভাব আহিছিল যে কেইয়াবা মুক্তি পালে, উত্তব ভাবতব কোনো এঠাইত মোব নিজা সক কেন্দ্র এটা স্থাপন

কৰিব লাগিব। এতিয়া সেই সময় আহিল। বাপুৰ লগত মই এই বিষয়ে আলোচনা কৰিলোঁ। তেৱোঁ সন্মতি জনালে। মোক কিছু টকা দিয়াৰ কথা হ'ল। মই যেনেভাৱে ইচ্ছা কৰোঁ সেইমতে গোটেইখন আঁচনি কৰি ল'বলৈ অনুমতি পালোঁ। এটা কথাত কেৱল অলপ অমিল হৈছিল। বাপুৱে কৈছিল যে, মোৰ সেই কেন্দ্ৰটোৰ কাৰণে ন্যাসনিধি ৰখাটো তেওঁ ভাল বুলি ভাবে। আনহাতে মোৰ ভাব হৈছিল যে, মোৰ আত্মপ্ৰকাশৰ স্বাধীনতাই নষ্ট কৰিব। পৰিষ্কাৰভাৱে কথাটো ফঁহিয়াই চোৱা নাছিলোঁ যদিও প্ৰকৃততে মই আত্ম-প্ৰকাশৰ সেই স্বাধীনতাই বিচাৰিছিলোঁ। ন্যাসনিধিয়ে কৃষি আৰু পশুপালনৰ সম্পৰ্কে একো নেজানিব পাৰে। কিন্তু মোৰ ধাৰণামতে গাঁৱৰ উন্নতিৰ কাৰণে সেই দুটা কথাই বৰ বেছি জৰুৰী। ন্যাসনিধিৰ লগত বহুতো বিষয়ত মোৰ ধাৰণাৰ অমিল হ'ব পাৰে। তেতিয়া বাপুৱে মোক মোৰমতেই চলিবলৈ স্বাধীনতা দিলে আৰু মযো আনন্দিত হৈছিলোঁ। যদিও মই খেতি-বাতি আৰু গৰু-গাইৰ কথাই ভাবিছিলোঁ তথাপি খাদীৰ কামৰ পূৰ্বৰ পটভূমি আৰু খাদীৰ কামৰ প্ৰতি বাপুৰ অনুৰাগৰ কথা বুজি, মই এনে এটুকুৰা ঠাই বিচাৰিছিলোঁ, য'ত খাদীৰ কামৰো উন্নতি হ'ব পাৰে। হিমালয়েও মোক হাত বাউল দি মাতি আছিল। কিন্তু তাত কপাহৰ খেতি নহয় আৰু মই ভৱামতে তাত খাদীৰ কাম সন্তুৰপৰ নহয়। সেই কাৰণে মই দুয়োকূল ৰক্ষা পৰা এটা কথা ভাবিবলগীয়া হ'ল। এনেকুৱা এটুকুৰা ঠাই মই বাছি ল'ব লাগিব য'ত সূতা কটা আৰু বোৱা-কটাৰ কাম হ'ব পাৰে আৰু যি ঠাইৰপৰা তুষাৰাবৃত হিমালয়ৰ দৃশ্যও চকুত পৰে।

মই কড়কীলৈ গ'লোঁ। গাঁও অঞ্চলৰ এটুকুৰা উপযুক্ত ঠাই বিচাৰি উলিওৱাত বন্ধুসকলে মোক সকলো প্ৰকাৰে সহায় কৰিছিল। কড়কী আৰু হৰিদ্বাৰৰ মাজত এটুকুৰা সুন্দৰ খেতিৰ মাটি আছে। মাজে মাজে সৰু নদী আৰু গাঁও। এই গাঁওবিলাকত মনত নপৰা কালৰেপৰা বোৱা-কটাৰ কাম চলি আহিছে। ফৰকাল বতৰত ইয়াৰ বহুতো গাঁৱৰপৰা দূৰৰ হিমালয় পৰ্বতমালাৰ মহিমামণ্ডিত দৃশ্য দেখা যায়। মই ভৱামতে আটাইকিটা কথা এই ঠাইডোখৰতে মিলিছিল।

যথেষ্ট বিচাৰ-খোচাৰ কৰাৰ পিচত হৰিদ্বাৰ আৰু কড়কীৰ প্ৰায় সোঁ মাজতে, মটৰ যোৱা বাস্তাৰপৰা প্ৰায় এমাইলমান সোমাই গৈ, মূলদাসপুৰ নামে

সক গাঁও এখনত, এটুকুবা ঠাই ঠিক কবা হ'ল। ওচবৰ গাঁওখন মুছলমান গাঁও আছিল। সেই গোটেইটো অঞ্চলতে হিন্দু-মুছলমান মিহলি হৈ আছিল। পাঁচমাইল ব্যাসার্ধৰ ভিতবত দুশমান তাঁত আছিল। মই ৩০ বিঘামান মাটি সংগ্ৰহ কবিলোঁ। ব'দত শুকুওৱা বোকাৰ ইটা আৰু খেৰৰ চালিবে সক জুপুৰি ঘৰ কেটামান সজাবলৈ ল'লোঁ। সচবাচৰ আন সকলো ঠাইতে থকাৰ দৰে, ইয়াতো হবিজনসকলেই আছিল ঘৰ সজা মানুহ। তেওঁলোকেই নির্মাণৰ গোটেইখিনি কাম কবিছিল।

কিছুদিনৰ পিচত দুজন কমী আহি মোৰ লগ লাগিল। এজন হৈছে ডেকা শিক্ষিত লোক, নাম ধৰমপাল। গাঁও উন্নয়নৰ কথাত তেওঁৰ আগ্ৰহ আছিল। আনজন এজন বৈদ্য। এই দুজনৰ লৈ সেই মাটিতে মই কেম্প পাতি বহিলোঁ। ঘৰ-দুৱাৰ সজা কাম চলি আছিল। আমাৰ কাৰণে দুটা জুপুৰি আছিল। তৃতীয়টো জুপুৰি গোহালী হিচাপে ব্যৱহাৰ কবা হৈছিল। তাতে আমাৰ যমুনা নামৰ প্ৰথম গাইজনী এসপ্তাহ তোৰা পোৱালিটোৰে সৈতে বখা হৈছিল। মাক আৰু পোৱালি দুযোটাই আছিল বৰ্ণা ধৰণৰ, দেখিবলৈও বৰ সুন্দৰ আছিল। যমুনাই প্ৰথমতে মোক ভালদৰে লোৱা নাছিল। ইয়াৰ আগতে তাই গাঁৱৰ মানুহৰ বাহিৰে আনক দেখা নাছিল। সেই কাৰণে মোৰ প্ৰতি তাইৰ বিশেষ সন্দেহ আছিল। যমুনাৰ শিংকিটা আছিল দাঙল। তাই তাইৰ সেই দাঙল শিংকিটা সঘনে লবাই থকা দেখি মোৰ অলপ অসুবিধাও লাগিছিল। প্ৰতিদিনে অলপ অলপকৈ মই তাইৰ কাষ চাপিছিলোঁ। এসপ্তাহমানৰ পিচত যমুনাই মোক তাইৰ গাত হাত ফুবাবলৈ দিলে। তাৰ পিচত মোক খাবাবলৈও দিছিল। তেতিয়ালৈকে পুৱা-গধূলি গাঁৱৰ মানুহ এজনে আহি খাবাই দি গৈছিল।

এতিয়া শীতকালৰ মাজভাগ পালেহি। জানুৱাৰীৰ প্ৰথম সপ্তাহতে বৰষুণ আৰম্ভ হ'ল। কেৱল বৰষুণ আৰু বৰষুণ। একেবাহে বৰষুণেই হ'বলৈ ধৰিলে। সক খেৰৰ জুপুৰিবিলাকত ঠাণ্ডাই আমাক হাড়লৈকে কঁপাইছিল। কাৰণ তাত জুই ধৰিবও পৰা নগৈছিল। খেৰৰ পাতল বেৰবিলাকৰ ফাঁকেদি বতাহ সোঁ সোঁ কৰে বৈছিল। অৱশেষত বতৰ যেতিয়া পৰিষ্কাৰ হ'ল, দূৰ-ক পৰা ববফেৰে চিক্‌মিকাই থকা হিমালয় পৰ্বতমালা ওপৰৰপৰা তললৈকে আমি দেখিবলৈ পাইছিলোঁ। গাঁৱৰ মানুহে কৈছিল যে তেওঁলোকৰ মনত পৰা দিনৰ ভিতৰত ইমান ববফ পৰা কেতিয়াও দেখা নাছিল।

এতিয়া ভালকৈ ৰ'দ দিছিল। আমাৰ নিৰ্মাণৰ কাম বেগাই আগবাঢ়িবলৈ ধৰিলে। গোহালী এটা, ভঁৰাল এটা, পাগঘৰ এটা আৰু মোৰ 'কুটিয়া'টো সজা হ'ল। মোৰ কুটিয়াৰ চাৰিওফালে খোলা ঠাই আছিল। দিনত তাতে গাইজনী এৰাল দি থোৱা হৈছিল। মোৰ কুটিয়াৰ পশ্চিমফালে একেশাৰীতে তিনিটা জুপুৰি সজা হৈছিল। তাৰে দুটা কৰ্মীসকলৰ কাৰণে আৰু এটা বাপুৰ কাৰণে। সুযোগ পালেই যিমান সোনকালে পাৰে বাপু এই আশ্ৰমলৈ অহাৰ কথা আছিল।

সেই সময়ত মই এটা ডাঙৰ আঘাত পালোঁ। ৰোমা ৰোলাই ইহলীলা সম্বৰণ কৰিলে। মই এনে এটা আশা মনে মনে পোষণ কৰিছিলোঁ যে যুদ্ধৰ পিচত মই তেওঁক এদিন দেখা কৰিবলৈ পাম। কিন্তু নিয়তিৰ বিধান আছিল আন ৰকমৰ।

আশ্ৰমৰ এতিয়া এটা নাম দিবলগীয়া হ'ল। মই বাপুলৈ লিখিলোঁ যে, মই কিষাণ আশ্ৰম নাম দিব খোজো। কাৰণ, বিশেষকৈ এই আশ্ৰম কিষাণৰ সেৱাৰ কাৰণে। ১৯৪৪ চনৰ ২৭ ফেব্ৰুৱাৰী তাৰিখে বাপুৱে লিখিলে, "তুমি কিষাণ আশ্ৰম নাম দিব পাৰা। কিন্তু 'মজদুৰ আশ্ৰম' বা তেনে এটা নামেই বা নিদিয়া কিয়? কিষাণ এজন লাখপতিও হ'ব পাৰে; কিন্তু শ্ৰমিক এজন হ'ব নোৱাৰে। যেই হওক, তুমি যদি ইচ্ছা কৰা কিষাণো দিব পাৰা। মোৰ আপত্তি নাই"।

মই কিষাণ নামকে ৰাখিলোঁ। কিয়নো, কিষাণ হৈছে মূলতে গাঁৱৰ মানুহ। কিন্তু মজদুৰ তেনেকৈ গাঁৱৰ মানুহ নহয়। তেওঁ সাধাৰণতে নগৰত কাম কৰা মানুহহে। তদুপৰি সেই অঞ্চলৰ কিষাণ লাখপতিৰ ওচৰ সামাৰেও নগৈছিল।

শীতকাল পাৰ হ'ল। বসন্ত আহিল। তথাপি বাপু সেই সৰু আশ্ৰমখনলৈ অহাৰ কোনো আশা দেখা নগ'ল। বৃটিছ গৱৰ্ণমেণ্ট কোনো মীমাংসালৈ আহিব মুখুজিছিল। বাপুৱে তেওঁলোকৰ সেই মনোভাৱৰ বিৰুদ্ধে একেবাহে যুঁজি থাকিবলগীয়া হৈছিল। বাপুৰ যুক্তি-তৰ্ক আৰু অনুৰোধ যেতিয়া উপেক্ষা কৰা অসম্ভৱ হৈ পৰিছিল, তেতিয়া নতুন নতুন বাধা সৃষ্টি কৰা হৈছিল। নকলেও হ'ব যে জিন্না আৰু তেওঁৰ পাকিস্তানৰ দাবীয়েই আছিল বৃটিছ গৱৰ্ণমেণ্টৰ 'ট্ৰাম্প-কাৰ্ড'। বিভেদ সৃষ্টি কৰি শাসন কৰাটো সদায় বিদেশী শক্তিৰ এটা কৌশল। মূল্যবান বিৰাট দেশ এখনৰ কৰ্তৃত্ব আৰু ক্ষমতা ৰক্ষা কৰাৰ শেষ

আশা আছিল একমাত্র এইটোরেই। সেই কাৰণে ১৯৪৪ চনৰ শৰৎকালত জিন্নাই সঁচাকৈয়ে ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু মুছলীম লীগৰ মাজত চুক্তি কৰাৰ প্ৰশ্ন লৈ আলোচনা কৰিবলৈ যেতিয়া সম্মত হ'ল, তেতিয়া বৃটিছ মহলত গভীৰ আতঙ্কৰ সৃষ্টি হৈছিল। হিন্দু মুছলমানৰ সম্ভৱপৰ ঐক্যৰ শক্তি নষ্ট কৰিবলৈ অবিলম্বে নতুন উদ্যমেৰে অনুন্নত সম্প্ৰদায় আৰু দেশীয় ৰজাসকলৰ ধ্বনি তোলা হ'ল। বাপু-জিন্নাৰ আলোচনা অৱশ্যে ব্যৰ্থ হ'ল। আচলতে যুক্তিসঙ্গত চুক্তি কৰিবলৈ জিন্নাৰ কোনো ইচ্ছাও নাছিল। তেওঁৰ জাতীয়তাৰ সংজ্ঞা আছিল ধৰ্ম। এই যুক্তি অনুসৰি ভাৰতৰ সকলো মুছলমান আছিল এটা জাতি আৰু হিন্দুসকল আন এটা জাতি। বাছিয়া আৰু চীনত লাখ লাখ মুছলমান আছে। তেওঁলোকে নিজক কছ বা চীনা বুলিহে বিবেচনা কৰে। এনেবিলাক কথাই জিন্নাৰ ওপৰত প্ৰভাৱ পেলাব পৰা নাছিল। কিন্তু জিন্নাৰ দাবী যে কিমান বেছি অসঙ্গত, সেইটো এটা কথাৰপৰা ওলাই পৰিছিল, তেওঁ যিবিলাক অঞ্চল মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশ বুলি কৈছিল, সেইবিলাক অঞ্চল ভাৰতৰপৰা বেলেগ হৈ যাব নে নেযায়, সেই কথা নিৰ্ণয় কৰাৰ একমাত্ৰ অধিকাৰ এটা বেলেগ জাতি হিচাপে অকল মুছলমানসকলৰহে আছে বুলি তেওঁ কৈছিল, কিন্তু আনফালেদি সেই প্ৰদেশবিলাকত থকা বাকীখিনি অধিবাসীৰ মতামতলৈ তেওঁ ভ্ৰুক্ষেপ কৰিব খুজিছিল, যদিও উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ বাহিৰে মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশত অমুছলমান অধিবাসীৰ সংখ্যা মুঠ জনসংখ্যাৰ আধাতকৈ অলপহে কম আছিল।

বাপুৰে অৱশ্যে অবিচলিতভাৱে ধৈর্য ধৰি আছিল কিন্তু আনে তেনেকৈ নোৱাৰিছিল। জিন্নাৰ প্ৰকৃত উদ্দেশ্য যদি বিচ্ছেদ ঘটোৱাই আছিল তেন্তে সেইপিনে তেওঁ আগো বাঢ়িছিল। মই আছিলোঁ হিন্দু মুছলমান একেলগে বসবাস কৰা এটা অঞ্চলত। তাত দুয়োটা সম্প্ৰদায়ৰে মানুহে শ শ বছৰ ধৰি একেলগে বসবাস কৰিছে। মুছলমান খেতিয়কসকলৰ অৱস্থা হিন্দু খেতিয়ক-সকলতকৈ কিছু পৰিমাণে ভালেই। এনে এটা অঞ্চলত থাকি পাকিস্তানৰ কথাটো মোৰ মনত বৰ অস্বাভাৱিক আৰু অসাম্ভাকৰ যেন লাগিছিল। গান্ধী-জিন্না আলোচনাই ফল নধৰাত আন পক্ষৰপৰাও ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু মুছলীম লীগৰ ভিতৰত আপোচ মীমাংসাৰ চেষ্টা কৰা হৈছিল। কিন্তু সেই চেষ্টাও সফল নহ'ল। কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ সকলো সদস্য তেতিয়াও জেলত আবদ্ধ

থকাত বিশেষ কিবা এটা হ'ব বুলিও আশা কৰিব পৰা নগৈছিল। সেই সময়ত ইউৰোপত যুদ্ধ শেষ হৈ আহিছিল যদিও তেতিয়াও পূৰত জাপানৰ ভয় আছিল। ভাৰতৰ মনোভাৱ বৃটিছ বিৰোধী হোৱাত পশ্চিমৰ শক্তিৰ কাৰণে পৰিস্থিতিটো সন্তোষজনক নাছিল ৰবলাট সামৰিক বাহিনীৰ মানুহ কাৰণে তেওঁ ভাৰতীয় মানুহৰ শুভ ইচ্ছা লাভ কৰাৰ প্ৰয়োজনীয়তা ভালকৈ উপলব্ধি কৰিছিল। লণ্ডনৰ ৰাজনীতিজ্ঞসকলৰ ওপৰত তেওঁৰ অভিমতে প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিছিল। ১৯৪৫ চনৰ মাৰ্চ মাহত জৰুৰী আলোচনাৰ কাৰণে লৰ্ড ৱাভেল ইংলণ্ডলৈ গ'ল। উভতি আহি তেওঁ আপোচ মীমাংসাৰ চেষ্টা কৰিবলৈ ইচ্ছুক বুলি ঘোষণা কৰিলে। সেই উদ্দেশ্যে শিমলাত সৰ্বদলীয় সম্মিলন আহ্বান কৰিলে। ইউৰোপৰ যুদ্ধ শেষ হোৱাৰ ঠিক পিচতে ২৫ জুনত এই সম্মিলন আৰম্ভ হ'ল। অৱশেষত এতিয়া কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ সদস্যসকলৰ মুক্তি হ'ল। দৰ্শক হিচাপে সেই সম্মিলনত যোগ দিবলৈ বাপুৱে সম্মতি জনালে।

কিষাণ আশ্ৰমৰ, মাটিৰ সেই জুপুৰিটোৰপৰা ঘটনাৰ অগ্ৰগতি মই পৰ্যবেক্ষণ কৰি আছিলোঁ। বাপু যেতিয়া শিমলা পালেহি, মই তালৈ যাম নেকি বুলি সুধি বাপুলৈ লিখিলোঁ। বাপুৱে লিখিলে : "আহি যোৱা।"

অবিলম্বে শিমলা অভিমুখে মই যাত্ৰা কৰিলোঁ। আশ্ৰমখন আৰম্ভ কৰাৰ পিচত এই প্ৰথমবাৰৰ কাৰণে মই আশ্ৰম এৰিলোঁ। প্ৰধান সমস্যা হৈছিল যমুনাক লৈ। যমুনাই মোৰ বাহিৰে আনে খীৰোৱাটো ভাল নেপাইছিল। যমুনাক চাবলৈ সম্বৰপৰ সকলো ভাল ব্যৱস্থা মই কাৰছিলোঁ। মই আশা কৰিছিলোঁ যে একো অসুবিধা নহব। কিন্তু যমুনা অসন্তুষ্ট আৰু অস্থিৰ হোৱা যেন দেখা গৈছিল।

বাপু আৰু তেওঁৰ দলৰ মানুহখিনি ৰাজকুমাৰী অমৃত কৌৰৰ ঘৰত আছিল। ময়ো তাতে উঠিলোঁগৈ। তেতিয়া তাত ৰাজনৈতিক চাঞ্চল্য দেখা গৈছিল। চৌত্ৰিশ মাহ অন্তৰীণ বন্দী হিচাপে থাকি অৱসন্ন হৈ ওলাই অহাৰ পিচত কংগ্ৰেছ ৱাৰ্কিং কমিটীৰ সদস্যসকলে পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল আৰু আলোচনাৰ বাবে বাপুৰ ওচৰলৈ আহি আছিল। বিভিন্ন সম্প্ৰদায়ৰ আৰু দলৰ প্ৰতিনিধিসকলো ব্যস্ত হৈ পৰিছিল। যুক্তিসঙ্গত আপোচ প্ৰচেষ্টা সম্পৰ্কে তেওঁৰ নেতিসূচক ব্যক্তিত্বৰ ছাঁটো পেলাই জিন্নাও তাতে আছিল।

সম্মিলন ১৪ জুলাইলৈকে চুঁচবিছিল তাৰ কোনো মীমাংসা নোহোৱাকৈ শেষ হ'ল।

সকলো দিহাদিহি গ'ল। বাপু পুনাললৈ গ'লগৈ। দুখীয়া মানুহে চিকিৎসাৰ সুবিধা পাব পৰাকৈ প্রাকৃতিক চিকিৎসাৰ কেন্দ্র এটা খোলাত সম্প্রতি তেওঁ মন দিছিলগৈ. মই অৱশ্যে কিষাণ আশ্রমলৈকে উভতিলোঁ।

মোৰ প্রথম চিন্তা আছিল যমুনা। আহি পাওঁতেই আশ্রমৰ মানুহে মোক ক'লে যে যমুনাক খীৰোৱা প্রায় অসম্ভৱ আছিল। যেতিয়া খাবাৰৰ সময় হ'ল মই যমুনাৰ ওচৰলৈ গ'লোঁ। কেইমিনিটমান যমুনাই মোক শান্তভাৱে গ্রহণ কৰিছিল। মই ভাবিছিলোঁ একো দিগ্‌দাৰা নহব। গাখীৰ খীৰোৱা শেষ হোৱাৰ আগতে যমুনাই খুব বেছিবকমে বেয়া পোৱা মানুহ এটা হ'লৈ আহি, মোক কিবা এটা কৈছিলহি। যমুনাই তাক দেখিয়েই চিঞৰিবলৈ হৈ উঠিল। তেতিয়াৰেপৰা দুটা বা তিনিটা মানুহে ধৰি নেবাকৈলে হাইক খাবাৰ পৰা নগৈছিল। পিচবাৰ যেতিয়া পোৱালি হ'ল, যমুনা শান্ত হৈ পৰিল। কিন্তু খাবাৰৰ সময়ত যাতে অকণো গণ্ডগোল নহয় তাৰ কাৰণে বিশেষ সাৱধানে থাকিবলগীয়া হৈছিল।

কিষাণ আশ্রমৰ বেগেৰে উন্নতি হ'বলৈ ধৰিলে এক গাইৰ সংখ্যা বৃদ্ধি হ'ল। এতিয়া আমাৰ পোৱালি ৰ সৈতে চাৰিজনা গাহ দুটা বলদ আৰু গাৰত ফুৰা-চকা কৰিবৰ কাৰণে সৰু ঘোৰা এটাও আছিল. কমীও এক কেজনমান বাঢ়িল। তাৰ ভিতৰত এজন কপাহ ধুনা আৰু সূতা কটা বিষয়ৰ বিশেষজ্ঞ আৰু আনজন সমাজ সেৱাৰ কমী বামজী ভাই। তেওঁ গাঁৱৰ ল'ৰা-ছোৱালীক লিখা-পঢ়া শিকাইছিল আৰু ব্যায়াম শিক্ষা দিছিল।

যথেষ্ট দৃঢ়তাৰে আমাৰ কাপোৰৰ উৎপাদন বৃদ্ধি হ'ল। এতিয়া ঘোৰা কাপোৰত বং আৰু চানেকিৰ প্রচলন কৰা আৰু সেইবিলাক বিক্রী কৰাৰ প্রশ্নটো আছিল। এই বিষয়টোৰ কাৰণে এজন পুৰণি অভিজ্ঞ কমী আহি আমাৰ লগত যোগ দিলেহি। তেখেতৰ শিল্পীসুলভ কচি আছিল আৰু অতি সোনকালে

নানা ধৰণৰ কাপোৰ তৈয়াৰ কৰি উলিয়াবলৈ আৰম্ভ কৰিলে। অলপ কেঁকোৱা, দীঘল চুলিৰে আৰু চুচি-মাজি নিমজকৈ খুৰোৱা মুখখনেৰে নন্দাজী দেখিবলৈও এজন শিল্পীৰ নিচিনা আছিল।

জাৰকালি কিষাণ আশ্ৰমত যেনেকৈ জাৰ বেছি হয়, সেইদৰে গৰমকালি তাত তীব্ৰ গৰম হয়। এই প্ৰথমবাৰ মই উত্তৰ ভাৰতৰ জলবায়ুৰ এই দুই চৰম অৱস্থাৰ বিষয়ে বুজ পালোঁ। মোৰ বয়স কম থাকোঁতেও গৰম মই বৰ টান পাইছিলোঁ আৰু এতিয়া দেখিলোঁ, গৰম সহ্য কৰা মোৰ কাৰণে আগতকৈও টান হৈ পৰিছে। কিন্তু শীতকালে বছৰৰ বাকীছোৱা কাল কটাবলৈ মোক শক্তি দিয়ে।

একেবাহে নিজৰ চাৰিওফালৰ কাম-কাজত যদিও মই ব্যস্ত আছিলোঁ, তথাপি বেগাই পট পৰিবৰ্তন হোৱা জগতখনৰ পিনে মই দৃষ্টি ৰাখিছিলোঁ। এতিয়া ইউৰোপৰ যুদ্ধৰ অন্ত পৰিল আৰু ইংলণ্ডৰ কোৱালিশ্যন গৱৰ্ণমেণ্টৰো কাৰ্যকাল শেষ হ'ল। সাধাৰণ নিৰ্বাচনত লেবাৰ পাৰ্টিয়ে গৱৰ্ণমেণ্ট অধিকাৰ কৰিলে। ৰবলাট আকৌ ইলণ্ডলৈ গ'ল। তাৰপৰা উভতি আহি ভাৰততো কেন্দ্ৰীয় আৰু প্ৰাদেশিক এছেম্বলীৰ নিৰ্বাচন হ'ব বুলি ঘোষণা কৰিলে।

নিৰ্বাচনৰ প্ৰস্তুতি চলাৰ লগে লগে ৰাইজ ক্ৰমাৎ বেছিকৈ চঞ্চল হৈ উঠিল। তিতা-কেঁহা লগা বিদেশী শাসনৰপৰা ভাৰতক মুক্তি দিয়াৰ কাৰণে কোনো নিৰ্দিষ্ট প্ৰতিশ্ৰুতি নিদিয়াকৈ, পশ্চিমীয়া শক্তিসমূহৰ যুদ্ধ প্ৰচেষ্টাত, তেওঁলোকৰ নিজৰ বাহিৰে আন কাৰো লগত পৰামৰ্শ নকৰাকৈ, ভাৰতক জড়িত কৰি ৰক্তপাত কৰোৱাৰ কাৰণে আৰু দীঘলীয়া নিৰ্যাতনৰ কাৰণে, ভাৰতৰ ৰাইজে নিৰ্ভুলভাৱে ইংলণ্ডৰ প্ৰতি তেওঁলোকৰ বিতৃষ্ণা প্ৰদৰ্শন কৰিছিল। এই অসন্তুষ্টিৰ এক চমকপ্ৰদ নিদৰ্শন আছিল ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত হোৱা 'ৰয়েল ইণ্ডিয়ান নেভি'ৰ বিদ্ৰোহ। পুলিচ আৰু 'ইণ্ডিয়ান এয়াৰ ফৰ্চ' বিভাগতো স্পষ্টভাৱে অস্থিৰতা প্ৰকাশ পাইছিল। ততাতৈয়াকৈ আপোচ মীমাংসাৰ চেষ্টা চলোৱাৰ আৱশ্যকতাৰ ওপৰত লৰ্ড ৰাভেলে জোৰ দিছিল। ১৯৪৬ চনৰ ১৫ মাৰ্চ তাৰিখে লেবাৰ পাৰ্টিৰ বৃটিছ প্ৰধানমন্ত্ৰী এট্‌লীয়ে ভাৰতলৈ 'কেবিনেট মিশ্যন' এটা পঠাবলৈ সিদ্ধান্ত কৰাৰ কথা ঘোষণা কৰিলে।

ইতিমধ্যে নিৰ্বাচন হৈ গ'ল আৰু কেবাখনো প্ৰদেশত মন্ত্ৰীসভা গঠন কৰা হ'ল। কিষাণ আশ্ৰম স্থাপন কৰা হৈছিল যুক্তপ্ৰদেশত। এই যুক্তপ্ৰদেশতে

বয়সস্থ আৰু অভিজ্ঞ নেতা পণ্ডিত গোবিন্দবল্লভ পন্তৰ মুখ্যমন্ত্রিত্বত শক্তিশালী কংগ্রেছ গৱৰ্ণমেণ্ট প্রতিষ্ঠিত হ'ল। পূর্ব প্রান্তত যুঁজ-বাগৰৰ অন্ত পৰাত আৰু বিদেশী সৈন্যদলক ভাৰতৰপৰা আঁতৰোৱাৰ কাম আৰম্ভ হোৱাত দেশত যি বাতাবৰণৰ সৃষ্টি হৈছিল, তাত প্রদেশবিলাকক পুনৰায় সজীৱ কৰি তুলিবলৈ আৰু খাদ্যবস্তুৰ উৎপন্ন বৃদ্ধি কৰাৰ কাৰণে উৎসাহ দেখা গৈছিল। সামৰিক বিমানঘাটি পাতিবৰ কাৰণে বহুতো ভাল ভাল খেতি হোৱা মাটি দখল কৰা হৈছিল। সেই মাটিবিলাকত যিমান সোনকালে খেতি কৰিব পাৰি সিমানেই ভাল। কিষাণ আশ্রমৰ ওচৰতে এডোখৰ বহল বটিয়া মাটি জৰুৰী অৱস্থাত বিমান অৱতৰণৰ কাৰণে সামৰিক বিভাগৰ অধীনত আছিল। গাঁওবাসীয়ে যাতে সেই মাটি আকৌ ঘুৰাই পাব পাৰে সেই বিষয়ে মই খা-খবৰ কৰিছিলোঁ। যুদ্ধাৱস্থাত দখল কৰা মাটিৰ এই সমস্যাটো হাতত লোৱাৰ পিচত, কেৱল জৰুৰী অৱস্থাত বিমান অৱতৰণ কৰিবৰ কাৰণে লোৱা এডোখৰ মাটিৰ কথা মীমাংসা কৰিয়েই মই ক্ষান্ত থাকিব নোৱাৰিলোঁ। সেই কাৰণে মই বাপুৰ ওচৰলৈ গৈ তেওঁৰ লগত এই বিষয়ে আলোচনা কৰিছিলোঁগৈ। তেৱোঁ এই বিষয়ে পণ্ডিত পন্তৰ লগত কথা পাতিছিল। ফলত মোক যুক্তপ্রদেশ গৱৰ্ণমেণ্টৰ অধিক শস্য উৎপাদন অভিযানৰ অনাৱেৰী বিশেষ উপদেষ্টা নিযুক্ত কৰা হ'ল। কৃষিমন্ত্রীৰ-পৰা এই নতুন কামৰ দায়িত্ব গ্রহণ কৰিবলৈ আৰু গৱৰ্ণমেণ্টৰ কাম কাজ কিদৰে পৰিচালিত হয় তাৰ ভূ-ভা লবলৈ মই লক্ষ্ণৌলৈ গৈছিলোঁ। এয়া এখন সম্পূর্ণ নতুন জগত। এতিয়ালৈকে মই ভাৰতীয় ভাৰতবাসীৰ মাজত বাস কৰিছিলোঁ, কিন্তু এতিয়া চাহাৰী আমোলাতন্ত্রৰ প্রত্যক্ষ সংস্পর্শলৈ আহিলোঁ। সকলো বিষয়াই ইউৰোপীয় বা অর্ধ ইউৰোপীয় ধৰণে সাজপাৰ কৰিছিল আৰু ইজনে সিজনক মিষ্টাৰ বুলি সম্বোধন কৰিছিল।

ধৰমপাল মোৰ চেক্রেটাৰী হিচাপে নিযুক্ত হ'ল। মোক এজন ষ্টেন'গ্রাফাৰ, দুজন পিয়ন, ড্রাইভাৰ এজনেৰে এখন ডাঙৰ নীলা মটৰ ভান দিছিল। এই ভানখনত মাল-পত্রৰে সৈতে গোটেইটো ষ্টাফ যাব পাৰিছিল। এইখন গাড়ীৰেই আমি প্রদেশখন ভ্রমণ কৰিবলৈ ওলালোঁ। কেবাখনো ব্যৱহাৰ নোহোৱাকৈ পৰি থকা বিমানঘাটি আৰু সৈন্যসকলৰ শিবিৰ মই পৰিদর্শন কৰিছিলোঁ। দিল্লীত প্রধান সেনাপতি জেনেৰেল অচিনলেকক আৰু কেবাজনো ইংলিছ জেনেৰেলক লক্ষ্ণৌ, কড়কী আৰু ডেৰাডুনত মই দেখা কৰিছিলোঁগৈ।

মোৰ মনত আছে, গৰখদিনৰ মাজভাগত লক্ষ্ণৌত মই 'জেনেৰেল ইন্ কমাণ্ড'ক দেখা কৰিছিলোঁগৈ। সৈন্যবাহিনীক তেতিয়া কঁকালেলৈকে উদং বাখি পোছাক কৰিবলৈ আদেশ দিছিল। ফলত জেনেৰেলজনক উদং গাৰে টেবুলৰ কাষত বহি থকা পালোঁগৈ। অন্যান্য বিষয়া আৰু অৰ্ডালিসকলো উদং গাৰে আছিল। শৰীৰৰ ওপৰভাগত পিন্ধা কাপোৰ-কানি একো নথকা কাৰণে তেওঁলোক কোন কি আছিল একো বুজিব পৰা নগৈছিল। এই আদেশটো দুই এদিনৰ ভিতৰতে দিছিল। প্ৰত্যেকেই সেই কাৰণে অলপ অস্বস্তিবোধ কৰিছিল, বিশেষকৈ হঠাতে যেতিয়া তেওঁলোকৰ মাজলৈ এগৰাকী বাহিৰা তিৰোতা মানুহ আহিল।

সাজপাৰ খহাই থোৱা এইসকল আছিল ইংৰাজ। আনফালে অসামৰিক বিভাগবিলাকত বেচেৰা ভাৰতীয় চাহাববিলাকে পূৰাকৈ বিশুদ্ধভাৱে চাহাবী আদৰ-কায়দা ৰক্ষাৰ কাৰণে কামিজ, কামিজৰ ওপৰত কোট পিন্ধি গৰমত ঘামি জামি বহি আছিল।

আগৰদৰে সামৰিক বিষয়াসকলক মই বিবেচক আৰু কামত খৰতকীয়া যেন পাইছিলোঁ। অসামৰিক শাসন তেনেকুৱা নাছিল। বৃটিছসকলৰপৰা লোৱা ভয়ানক শাসনযন্ত্ৰটোৰ বিষয়ে মই ক্ৰমাৎ বেছিকৈ বুজি আহিছিলোঁ। আৰু এবাৰ আমি পূৰা স্বত্ব পোৱাৰ পিচত ইয়াক কেনেকৈ সম্পূৰ্ণ পৰিবৰ্তন কৰিব লাগিব তাৰ কথা ভাবিছিলোঁ।

কিষাণ আশ্ৰমেই মোৰ প্ৰধান কেন্দ্ৰস্থল হৈ আছিল। কিন্তু জহকালিৰ উত্তপ্ত গৰমত ভ্ৰমণ কৰাৰ পিচত কেদিনমানৰ কাৰণে মুচৌৰীলৈ গৈছিলোঁ। তাৰপৰাই চাৰিওফালে কলীয়া ডাৱৰে ঘেৰি থকা ৰাজনৈতিক দৃশ্য উদ্বিগ্ন হৈ লক্ষ্য কৰিছিলোঁ।

তেতিয়ালিকে কংগ্ৰেছ আৰু মুছলীম লীগৰ সহযোগত এক অন্তৰ্ৱৰ্তী চৰকাৰ গঠন আৰু তাৰ পিচতে জিন্নাক সন্তুষ্ট কৰিব পৰাকৈ বাহুল্যভাৱে নিৰাপত্তাৰ প্ৰতিশ্ৰুতি দি গণপৰিষদ গঠন কৰিবলৈ অনুমোদন কৰি, বৃটিছ কেবিনেট মিশ্যন আহিল আৰু গ'ল। কিন্তু যিয়েই কৰা নহওক, জিন্না অসন্তুষ্ট হৈয়ে থাকিল। তেওঁৰ আক্ৰমণৰ লক্ষ্য আছিল কংগ্ৰেছত থকা জাতীয়তাবাদী মুছলমানসকল। জিন্নাই কৈছিল যে তেওঁলোক বিশ্বাসঘাতক—তেওঁলোক জিন্নাৰ দুই জাতিতত্ত্বৰ প্ৰতি বিশ্বাসঘাতক। গতিকে কংগ্ৰেছী মুছলমান এজনক মনোনয়ন দিয়া

অন্তর্বর্তী চবকাবব লগত তেওঁ সহযোগ নকবে ;' এই কথাই কংগ্রেছ মহলকো বিপাঙত পেলালে। কেবল অমুছলমানসকলব মাজত তেওঁলোকব নিবাচ।ব ক্ষমতা সীমাবদ্ধ হোৱাত তেওঁলোকে সংযুক্ত চবকাব গঠন কবিবলৈ অপাবগ বুলি মত প্রকাশ কবিছিল। ফলত নানা জটিল আলোচনা আৰু কূট-কৌশল চলিছিল। জিন্নাব স্পষ্ট পবামর্শমতে মুছলীম লীগে এনে এটা অভিযান চলাইছিল, ফলত কংগ্রেছক বাদ দিয়েই তেওঁলোকক এক অন্তর্বর্তী চবকাব গঠন কবিবলৈ দিয়া হ'ব যেন দেখা গৈছিল। কিন্তু কেবিনেট মিশ্যনে তওঁলোকব এই কূট কৌশল ব্যর্থ কবি ক'লে যে, কনষ্টিটুবেণ্ট এছেম্ব্লাব নিবাচন চলি থকা কালত, কিছুদিনব কাবণে অন্তর্বর্তী চবকাব গঠনব চেষ্টা বন্ধ বাখিব লাগিব। এই কথাত জিন্না ক্রুদ্ধ হৈ উঠিল আৰু দাবী কবিলে যে, এই নতুন পবিস্থিতিত নিবাচন কিছুদিনলৈ বন্ধ বাখিব লাগিব। কিন্তু কেবিনেট মিশ্যনে তেওঁব সেই দাবী অগ্রাহ্য কবিলে।

যি ধবণে কথাবিলাক আগ বাঢ়িছিল, তাত বাপুবব বব ভয় পাইছিল আৰু কৈছিল যে কেবিনেট মিশ্যনে জিন্নাব লগত সেই উকীলে আইনব দাবী লৈ কবা ধবণে কথা-বার্তা চলোৱা উচিত হোৱা নাই। মুছলীম লীগে প্রতিয়া সকলো বকমব সহযোগিতা বর্জন কবিলে আৰু প্রত্যক্ষ সংগ্রামব মনোভাব ঘোষণা কবিলে। মুছলীম লীগব অধিবেশন শেষ হ'বব দিনা, জিন্নাই চূড়ান্ত চমকনিব মাজত ঘোষণা কবিলে যে, "আজি আমি নিয়মতান্ত্রিক পদ্ধতিব প্রতি বিদায় সম্ভাষণ জনাওঁ"। লগতে ইয়াকো ক'লে যে, "আমি পিস্তল তৈয়াব কবিছো আৰু তাক ব্যবহাব কবিব পবা অবস্থাত আছো।" ষোল আগষ্টত প্রত্যক্ষ সংগ্রাম আবম্ভ কবা হ'ব বুলি ঘোষণা কবা হ'ল।

মুছলীম লীগে দৃশ্যপটবপবা নিজক আঁতবাই নি প্রত্যক্ষ সংগ্রামব মনোভাব ঘোষণা কবাত, ববলাটে ভাবতীয় জাতীয় কংগ্রেছক অন্তর্বর্তী চবকাব গঠন কবিবলৈ আহ্বান জনোৱাব বাহিবে তেওঁব আৰু আন কোনো বাস্তা নাছিল। বাব আগষ্ট তাবিখে তেওঁ কংগ্রেছক চবকাব গঠন কবিবলৈ আমন্ত্রণ জনাইছিল। ইতিমধ্যে কেবিনেট মিশ্যন লণ্ডনলৈ উভতি গ'ল। জৱাহবলাল নেহৰু আকৌ কংগ্রেছ সভাপতি হ'ল। তেওঁ আকৌ এবাব সহযোগিতা বিচাবি জিন্নাব কাষ চাপিছিল। কিন্তু ফল একো নহ'ল। সেইকাবণে তেওঁ অকলেই তেওঁব গবর্ণমেণ্ট গঠন কবিলে আৰু ছেপ্তেম্বৰব দুই তাবিখে তেওঁব সহকর্মী-সকলেবে সৈতে শপত গ্রহণ কবিলে।

ইতিমধ্যে মুছলীম লীগৰ প্ৰত্যক্ষ সংগ্ৰাম আৰম্ভ হৈছিল। সেই সময়ত বঙ্গদেশত, চুৰাবৰ্দীৰ মুখ্যমন্ত্ৰিত্বত মুছলীম লীগৰ মন্ত্ৰীসভা আছিল। গতিকে কলিকতাতে প্ৰথম প্ৰত্যক্ষ সংগ্ৰাম আৰম্ভ কৰিবলৈ ঠিক কৰা হৈছিল। জিন্নাৰ 'পিস্তলটো' অবাধে চলা ভীষণ গুণ্ডাগিৰিৰ বাহিৰে আন একো নহয় বুলি প্ৰমাণিত হৈছিল। এনেকুৱা সাম্প্ৰদায়িক সংঘৰ্ষ কেতিয়াবা ঘটিছিল বুলি বুৰঞ্জীত পাবলৈ নাই। অতি সোনকালে কলিকতাৰ বাট-পথত মৃতদেহ আৰু মুমূৰ্ষুজন সিঁচৰতি হৈ পৰিছিল। পুলিচসকল দেখাদেখিকৈয়ে নিষ্ক্ৰিয় আছিল। পুলিচ বাহিনীক এইদৰে নিষ্ক্ৰিয় কৰি ৰাখিবৰ কাৰণে ইমানদূৰ পৰ্যন্তও গৈছিল যে, এবাৰ তেওঁ পুলিচ হেড্‌কোৱাৰ্টাৰৰ কণ্ট্ৰল ৰুমত নিজে কিছুসময় আছিলগৈ। কিন্তু তৃতীয়দিনা সংঘৰ্ষৰ সোঁত যিসকলে প্ৰথম আক্ৰমণ আৰম্ভ কৰিছিল, তেওঁলোকৰ বিৰুদ্ধে বোৱাত, সাহায্যৰ কাৰণে সৈন্যবাহিনী মতা হ'ল। সৈন্যবাহিনীয়ে যেতিয়া দায়িত্বভাৰ গ্ৰহণ কৰিলে, সেই বাহিনীৰ প্ৰধান বিষয়াজনে ৰিপোৰ্ট দিছিল যে, পুলিচে ক'ৰবাত দুই-এঠাইত কন্দুৱা গেছ ব্যৱহাৰ কৰাৰ বাহিৰে ক'তো এজাঁয়ো গুলী মৰা নাছিল। ষোল আগষ্টৰ অবাক, বিস্মিত কৰা ঘটনাৰ পিচত সংখ্যাগৰিষ্ঠ হিন্দুসকলে তৎক্ষণাৎ নিজৰ ভিতৰত সংগঠন কৰি প্ৰতিশোধ লবলৈ স্থিৰ কৰিলে। দুয়োপক্ষৰে ভয়ঙ্কৰ কামৰিলাকৰ মাজত লাহে লাহে কোনো পাৰ্থক্যই নোহোৱা হৈ পৰিল।

মুচৌৰীলৈ দিনৌ এই ভয়ানক ঘটনাৰিলাকৰ খবৰ আহিবলৈ ধৰিলে। মানুহৰ মাজত আতঙ্ক, উত্তেজনাৰ ঢৌ বিয়পি পৰিল।

কলিকতাৰ নৰমেধ যজ্ঞৰ অন্ত পৰিল যদিও কোনো চুক্তি হোৱা নাছিল। চেপি ৰখা খং আৰু ভয়ত দুয়োপক্ষ ভিতৰি ভিতৰি গুমৰি আছিল। অ'ত ত'ত ঘটা হিংসামূলক ঘটনাৰ বাতৰি আহিয়েই আছিল।

এই সময়ত বাপু সেৱাগ্ৰামত আছিল। তেখেতৰ প্ৰতিক্ৰিয়া কি হ'ব পাৰে? বাইজে উদ্বিগ্ন হৈ বাটচাই আছিল। তেওঁলোক কঠোৰ আৰু শান্ত হৈ আছিল। হৰিজন পত্ৰিকালৈ তেখেতে এইদৰে লিখিছিল :

> আমি এতিয়াও গৃহযুদ্ধত লিপ্ত হোৱা নাই। কিন্তু আমি তাৰে ওচৰ চাপিছোঁ।... বৃটিছসকল যদি জ্ঞানী হয় তেন্তে তেওঁলোক এইবিলাকপৰা আঁতৰি থাকিব। কিন্তু যি দেখা গৈছে, সি তাৰ বিপৰীত।

বৃটিছসকলৰ হাতত থকাৰ বিপদ এতিয়া তেওঁ স্পষ্টভাৱে দেখিছিল আৰু কৈছিল যে ভাৰতীয়সকলে বৃহত্তৰ বৃটেইন আৰু স্বাধীনতা, এই দুটাৰ এটা বাছি লোৱাৰ সময় উপস্থিত হৈছে। তেওঁলোকে যদি পিছৰটোহে বিচাৰে তেন্তে ৰক্ষণাবেক্ষণৰ কাৰণে নিশ্চয় তেওঁলোকে বিদেশী শক্তিৰ কাষ চাপিব লগাগিব। নিজৰ ভিতৰতে বিষয়টোৰ মীমাংসা কৰিব লাগিব।

যিজনে স্বাধীনতাৰ 'ওজন' পান কৰিবলৈ বিচাৰে তেওঁ সামৰিক বা পুলিচৰ সাহায্য বিচাৰিব বিকল্পে নিজৰ তীখাৰ দৰে টান কৰিব লাগিব। তেওঁলোকে নিজৰ শক্তিশালী বাহুৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। ইয়াতকৈ অনন্তগুণে শ্ৰেয় হৈছে, তেওঁলোকে তেওঁলোকৰ শক্তিশালী মনৰ ওপৰত নিৰ্ভৰ কৰা। মনৰ বলৰ লগত নিজৰেই হওক বা আনৰেই হওক, অস্ত্ৰৰ সম্পৰ্ক নাই।

কলিকতাত ঘটা আচল হত্যাকাণ্ড সম্বন্ধে তেখেতে লিখিছিল :

যদি জানি-বুজি, নিৰ্ভীকভাৱে এজনো জীয়াই থকালৈকে হিন্দুসকলে মৃত্যুবৰণ কৰিব পাৰিলেহেতেন, তেন্তে তাৰ দ্বাৰা ভাৰতত হিন্দুধৰ্মৰ পুনৰুত্থান হ'লহেতেন আৰু এই দেশত ইছলামো পবিত্ৰ হ'লহেতেন। কিন্তু প্ৰকৃততে তৃতীয় পক্ষইহে হস্তক্ষেপ কৰিব লগা হ'ল।

পাহাৰৰ মুক্তবায়ুত মোৰ স্বাস্থ্যৰ উন্নতি হোৱাত মই আকৌ কিষাণ আশ্ৰমলৈ উলটি গ'লোঁ। গাঁৱলীয়া পৰিবেশ আৰু জীৱ-জন্তুৰ মাজলৈ উলটি যোৱাটো এক সান্ত্বনাৰ কথা আছিল। কাম-কাজ ভালভাৱে চলি আছিল। সক ডিচপেন্সাৰীখনো অতি জনপ্ৰিয় হৈ উঠিছিল। ঋতু অনুসৰি দৈনিক চল্লিছজনৰপৰা আশীজনলৈকে ৰোগী তালৈ আহিছিল। খাদীৰ কামৰো যথেষ্ট শ্ৰীবৃদ্ধি হৈছিল। গাঁওবাসীসকল ইতিমধ্যে কপাহ ধুনা কামত পাকৈত হৈ উঠিছিল। তেওঁলোকে এতিয়া নিমজ টান সূতা বেচিব পৰাকৈ কাটিব পৰা হ'ল। জাৰকালিৰ কাৰণে কপাহৰ লেপ আদিও তেওঁলোকে তৈয়াৰ কৰিব পৰা হ'ল। কপাহ ধুনা, সূতাকটা আদি কাম তেওঁলোকৰ খেতিৰ জীৱনৰ লগত সহজ আৰু স্বাভাৱিকভাৱে বজিত থাকিছিল। ই কিছু উপকৰা উপাৰ্জন কৰাতো

সহায় কৰিছিল। তেওঁলোকেই কাটি উলিওৱা সূতাখিনিয়ে গাঁৱৰ তাঁতী-সকলক—তেওঁলোকৰ সৱহভাগেই মুছলমান, পুৰা কাম দিছিল। এনেকৈ ভাৱসাম্য থকা কৰ্মব্যস্ত গাঁৱলীয়া জীৱনৰ মাজত বাস কৰি মই বাপুৰ অৰ্থনীতিৰ তাৎপৰ্য যিদৰে উপলব্ধি কৰিছিলো আগতে তেনেকৈ কৰা নাছিলোঁ। জীৱন ধাৰণৰ বাবে দৰকাৰী দুটা প্ৰধান বিষয়, খোৱা আৰু পিন্ধা, এই দুয়োটাৰ বাবে কেঁচামাল আৰু তাৰপৰা তৈয়াৰী বস্তু উৎপাদন কৰাৰ সম্পূৰ্ণ অধিকাৰ গাঁওবাসীৰ হাতত আছিল। তেওঁলোকে নিজৰ বাবে শস্য আৰু কপাহৰ খেতি কৰে। খাদ্যশস্য তেওঁলোকে নিজ হাতেৰে উলিয়াই আহাৰ প্ৰস্তুত কৰে আৰু কপাহ তেওঁলোকে নিজহাতে ধুনি সূতা কাটি কাপোৰ বয়। সেই কাৰণে তেওঁলোক নিজেই নিজৰ মূল আৱশ্যকীয় বস্তুৰ গৰাকী।

এদিন মই মোৰ কোঠাত বহি কাম কৰি থাকোঁতে এজন বয়সস্থ হৰিজন মোৰ দুৱাৰমুখলৈ আহিল। মই তেওঁক ভিতৰলৈ সোমাই আহি বহিবলৈ কৈছিলোঁ। মানুহজন শান্ত চেহেৰাৰে ক্ষীণ আৰু চুটি-চাপৰ আছিল।

মই সুধিলোঁ, "আপুনি ক'ৰপৰা আহিছে"? তেখেতে উত্তৰ দিছিল, "তললৈ থকা বিচপুৰী নামে গাঁৱৰপৰা। অনুগ্ৰহ কৰি এদিন আহি আমাৰ গাঁওখন চাওকহি। আমাৰ খেতিৰ পথাৰবিলাক নদীৰ বালিয়ে পুতি আনিছে। অতি সোনকালেই আমাৰ মাটিৰ জুপুৰিবিলাকো নৈয়ে উটুৱাই নিব। কোনেও আমাৰ দুখৰ কাহিনী শুনিব নোখোজে। আপুনি নিজ চকুৰে চাবলৈ এবাৰ নিশ্চয় আহিব লাগিব।"

সেই সৰল বুঢ়া মানুহজনৰ ব্যৱহাৰ আৰু মাতত অতি চমৎকাৰ কিবা এটা আছিল। তেওঁৰ আন্তৰিকতাপূৰ্ণ কথাখিনি মোৰ মনত লাগিছিল। সেইদেখি মই গ'লোঁ।

মহাযুদ্ধ আৰু দমন-নীতিৰ ফলত সেইদিনত গোটেই ভাৰতবৰ্ষতেই এক দুৰ্ভিক্ষৰ অৱস্থা বৰ্তিছিল আৰু সমাজৰ নিম্নশ্ৰেণীত থকা এই মানুহখিনিৰ অৱস্থা দুৰ্গতিৰ একেবাৰে চৰম সীমা পাইছিলগৈ।

আশ্ৰমলৈ উভতি আহি মই বাপুলৈ 'হৰিজন' কাকতত প্ৰকাশ কৰিবৰ কাৰণে সেই গাঁওখনৰ এটা বৰ্ণনা লিখি পঠিয়াইছিলোঁ। ইয়াৰ কিছুদিন পিচতে বাপুৰে কোনো এজন নাম নিদিয়া পাঠকৰপৰা পোৱা পাঁচহেজাৰ টকাৰ চেক এখন মোলৈ পঠিয়াইছিল। সেই দাতাজনে টকাটো মই বৰ্ণনা কৰা

সেই দুখীয়া মানুহখিনিৰ উন্নতিৰ অৰ্থে খৰচ কৰিবলৈ অনুৰোধ কৰি লিখিছিল।

মই সেই 'গুটি সিচোঁতাজন'ৰ সাধুটোৰ কথা ভাবিছিলোঁ। সিচোতে সিচোতে কিছুমান গুটি বাটৰ দাঁতিত কিছুমান কাঁইটনিত আৰু কিছুমান সাৰুৱা ঠাইত পৰিল আৰু তাৰ ফল ধৰিলে। সেয়া কি ফল! অৱশেষত গোটেই গাঁওখনকে ভাল পৰিষ্কাৰ কুঁৱা এটা আৰু অন্যান্য সুবিধা থকা ওখ ঠাই এটুকুৰাত পাতিবলৈ মই সমৰ্থ হ'লোঁ। কাষৰ গাঁওবিলাকত থকা অন্যান্য হৰিজন বিলাকৰ যাতে হিংসা নোপজে সেই উদ্দেশ্যে তেওঁলোকৰ কাৰণে এ হেণ্ডপাম্প এটা বহুৱাওঁতে মই কিছু টকা খৰচ কৰিছিলোঁ। সেই হৰিজনসকলৰ অৱস্থা কিছু ভাল আছিল যদিও তেওঁলোক সকলো ভাল খোৱা পানীৰ অসুবিধাত আছিল।

সেই গাঁওবাসীসকলৰ কাৰণে আগৰবাৰৰ দৰে অভাৱনীয়ভাৱে আন এটা সাহায্য মই পালোঁ। আশ্ৰমৰপৰা দুমাইলমান আঁতৰতে সামৰিক বিভাগৰ সুৰঙ্গ তৈয়াৰ কৰোঁতা আৰু বিস্ফোৰক পদাৰ্থৰ শিক্ষা লওতাসকলক শিক্ষা দিয়াৰ এটা কেন্দ্ৰ আছিল। ১৯৪৫ চনত ছিমলা কনফাৰেন্সত প্ৰথমে লগ পোৱা, বৃটিছ সামৰিক বিষয়া এজনৰ পত্নী মিছেছ ডিউকে বিগ্ৰেডিয়াৰ ইন কমাণ্ডজনক চিনি পাইছিল আৰু তেওঁক কিষাণ আশ্ৰম দেখুৱাবলৈ লৈ আহিছিল। তেওঁক পৰিচয় কৰি দি তেওঁৰ সহজ পোনপটীয়া ধৰণেৰে কলে "এয়া বিগ্ৰেডিয়াৰ উইলিয়াম, তেওঁ সেই তাত তেওঁৰ স্কুলত, তেওঁৰ মানুহ-বিলাকক ৰাস্তা কেনেকৈ তৈয়াৰ কৰিব লাগে আৰু সেইবিলাক কেনেকৈ ধ্বংস কৰিব লাগে, আকৌ সেইবিলাক নতুনকৈ কেনেকৈ গঢ়ি তুলিব লাগে তাৰ শিক্ষা দিয়ে। সঁচাকৈয়ে সেইটো এটা পুতৌ কৰিব লগীয়া কথা নহয়নে?" মই উৎসাহেৰে ক'লো, "হয়। পিছে য'ত অতি আৱশ্যক তেনে ঠাইত ৰাস্তা-বিলাক তেওঁ কিয় তৈয়াৰ নকৰে? মই তেওঁৰ মানুহবিলাকক অভ্যাস কৰিবলৈ বহুতো সুবিধা দিলোঁহেতেন।" উৎসুক হৈ মই তেওঁৰ পিনে চাই ৰৈছিলোঁ। মানুহজন ওখ আৰু শান্ত। মুখত বন্ধুত্বৰ হাঁহি। মোৰ আশাই ঠন ধৰি উঠিছিল আৰু সি বৃথা হোৱা নাছিল। তেওঁ ক'লে যে তেওঁৰ মানুহ বিলাকে কামত লগাকৈ অভ্যাস কৰাটো তেওঁ ভাল পাব। তেওঁ আৰু মিচেচ ডিউক কড়কীলৈ উভতি যোৱাৰ আগতে কোন কোন ফালে ৰাস্তা কৰাৰ কথা

মই মনতে ভাবিছোঁ সেইবিলাক ঠাই চাবলৈ তেওঁৰ মানুহ পঠাবলৈ স্থিৰ হ'ল।

গাঁওবাসীসকলক মই এই কথা জনালত তেওঁলোক আনন্দিত হৈ উঠিছিল।

কেদিনমানৰ ভিতৰতে দুখন বিৰাট বুলডজাৰ আৰু এখন ৰ'ড গ্ৰেডাৰ আহিল। মই যদি বাস্তাটো কৰোঁতে, কোনজন মানুহৰ কিমান ফুট বা কেইইঞ্চি মাটি যাব, বা কোনডাল গছ বা কেনটো জোপোহা গুচাব লাগব, এইবিলাক সম্পৰ্কে গাঁওবাসীৰ লগত আলোচনা কৰিলোহেঁতেন তেনেহলে তৰ্কৰ সীমা নেথাকিলহেতেন। কিন্তু এতিয়া বুলডজাৰ অহাৰ উত্তেজনাত গাঁওবাসীয়ে সেইবিলাক খুটি-নাটি বিষয়ৰ ওপৰত চিন্তা কৰিবলৈ এৰিলে। মই তুলসী নামৰ মোৰ সৰু ঘোঁৰাটোত উঠি গৈছিলোঁ আৰু তেওঁলোক মোৰ লগে লগে বুলডজাৰখনক বাটটো কেনি হ'ব দেখুৱাই আহি আছিল। এটা লাইন এবাৰ কাটি উলিয়ালত কথাটোৰ সিমানতে মীমাংসা হ'ল। এইদৰে এদিনৰ ভিতৰতে কোনো তৰ্কাতৰ্কি বা কাজিয়া নোহোৱাকৈ গাঁৱলৈকে বাস্তাটোৰ চিন দি উলিয়াইছিল।

এইবিলাক শক্তিশালী সামৰিক যন্ত্ৰ-পাতিয়ে, আচৰিত গতিৰে মাটি কাটি সমান কৰি, অতি কমদিনৰ ভিতৰতে, আচলতে কেইদিন লাগিছিল এতিয়া মই পাহৰিছো, এমাইল দীঘল মাটিৰ বাস্তা তৈয়াৰ কৰি উলিয়াইছিল। ফলত মিলিটেৰীসকলৰ প্ৰতি বাইজৰ মনোভাৱৰ অশেষ উন্নতি হৈছিল। প্ৰতিজনেই কৃতজ্ঞতা আৰু আনন্দৰ আতিশয্যত আত্মহাৰা হৈ পৰিছিল।

কিষাণ আশ্ৰমত এইবিলাক কাম লৈ মই ব্যস্ত হৈ থকা সময়ত ইফালে ৰাজনৈতিক ঘটনাৱলী ক্ৰমে বেয়াৰ ফালে ঢাল লৈছিল। মুছলীম লীগে প্ৰত্যক্ষ সংগ্ৰাম ঘোষণা কৰাৰ পিচত লৰ্ড ৱাভেলে কংগ্ৰেছক অন্তৰ্ৱৰ্তী চৰকাৰ গঠন কৰিবলৈ আহ্বান জনাইছিল, নিজৰ ইচ্ছানুযায়ী নহয়, লণ্ডনৰ পৰামৰ্শ মতেহে। এই আহ্বানত তেওঁৰ অন্তৰৰ যোগ নাছিল। সাংবিধানিক প্ৰণালী তওঁ আৰু তেওঁৰ বিষয়াসকলে স্বাভাৱিকভাৱে ল'ব নোৱাৰিছিল।

আৰম্ভণীৰেপৰা মন্ত্ৰীসভাৰ কাৰ্য-কলাপত তেওঁ খুত উলিয়াবলৈ ধৰিলে। জিন্নাক সন্তুষ্ট কৰিবৰ কাৰণে তেওঁৰ উদ্বিগ্নতা আৰু কোনো প্ৰকাৰে মুছলীম লীগৰ প্ৰতিনিধি মন্ত্ৰীসভাত সুমুৱাব খোজাৰ ইচ্ছা, সম্পূৰ্ণ স্পষ্ট হৈ পৰিছিল। লীগে প্ৰত্যক্ষ সংগ্ৰাম চলাবৰ কাৰণেহে মন্ত্ৰীসভাত সোমাব বুলি জানিও ৱাভেলে এনে মনোভাৱ দেখুৱাইছিল। সোঁত কেনি বৈছে সেইটো বুজিব পাৰি। মুছলীম লীগে তেওঁলোকৰ প্ৰত্যক্ষ সংগ্ৰামৰ নিকৃষ্ট ধৰণৰ আঁচনিলৈ আগবাঢ়ি গ'ল। ১০ অক্টোবৰত পূৰ্ববঙ্গৰ নোৱাখালী জিলাৰ গাঁওবিলাকত ব্যাপকভাৱে হিন্দুসকলক হত্যা কৰি কলিকতাৰ প্ৰতিশোধ লবলৈ আৰম্ভ কৰিলে।

তাৰ পাঁচ দিনৰ পিচত মুছলীম লীগে বৰলাটৰ আমন্ত্ৰণক্ৰমে অন্তৰ্বৰ্তী চৰকাৰত যোগ দিবলৈ সন্মতি জনালে। কংগ্ৰেছে উদ্বিগ্ন হৈ সুধিলে, "কোন চৰ্তত"? বৰলাটে আশ্বাস দি ক'লে যে মুছলীম লীগে নিৰ্ধাৰিত নীতি মানিয়েই চলিব কিন্তু জিন্নাৰপৰা সন্মতিসূচক লিখিত কোনো জবাব অহা নাছিল। বাপু বিশেষভাৱে সন্দিহান হৈ পৰিছিল, কিন্তু কংগ্ৰেছে তেতিয়া ক্ৰমে বেছিকৈ নিজৰ মতে চলিবলৈ লৈছিল। তেওঁলোকে বৰলাটে দিয়া আশ্বাসবাণীকে গ্ৰহণ কৰিবলৈ সিদ্ধান্ত কৰিলে। এমাহমানতকৈ কেদিনমান বেছি হৈছে, এনেতে জিন্নাই নিৰ্দেশ জাৰি কৰিলে যে, মুছলীম লীগৰ কোনো প্ৰতিনিধিয়ে কনষ্টিটুৱেণ্ট এছেম্বলীত যোগ দিব নোৱাৰে। মুছলীম লীগে ২৯ জুলাই তাৰিখে কেবিনেট মিশ্যনৰ প্লেন গ্ৰহণ নকৰিবলৈ যি প্ৰস্তাৱ লৈছিল সেয়ে বলৱৎ থাকিব। বাপুৰ দুৰ্ভাৱনা এতিয়া সত্যত পৰিণত হ'ল। তাৰ বহুত আগতে জুন মাহৰ ১৩ তাৰিখে তেওঁ লৰ্ড ৱাভেললৈ লিখিছিল :

> আপুনি এজন মহান সৈনিক—এজন বীৰ সৈনিক। ন্যায় প্ৰতিষ্ঠা কৰাত নিৰ্ভীকতা দেখুৱাওক। দুটা ঘোঁৰাৰ এটাক আপুনি নিশ্চয় বাছি লব লাগিব। মই যিমানদূৰ দেখিছো, একে সময়তে দুটা ঘোঁৰাত উঠাত আপুনি সফল হ'ব নোৱাৰে। কংগ্ৰেছে আৰু লীগে দিয়া দুখন লিষ্টৰ ভিতৰত এখনৰ নাম আপুনি বাছি লওক। ঈশ্বৰৰ দোহাই, টাপলি মাৰিবলৈ নেচাব আৰু তাকে কৰিবলৈ চেষ্টা কৰি ভয়ানক বিস্ফোৰণৰ সৃষ্টি নকৰিব।

বাপুৰ উপদেশলৈ ভ্ৰূক্ষেপ নকৰি লৰ্ড ৱাভেলে অৱশেষত সেই অসঙ্গত মিশ্ৰণৰ দ্বাৰা জোৰা-টাপলি মাৰিছিল। ফলত এটা নহয়, দুটা নহয়, এলানি

দীঘলীয়া বিস্ফোৰণৰ সৃষ্টি হ'ল। কংগ্ৰেছ নেতাসকলক উপদেশ দি, সাৱধান কৰি বাপুৱে যিমানদূৰ সম্ভৱ সহায় কৰিছিল। কিন্তু কংগ্ৰেছৰ নেতাসকলেহে বাপুৰ দৃষ্টিভঙ্গী আৰু প্ৰণালী গ্ৰহণ কৰিবলৈ টান পাইছিল। সেই কথা বাপুৱে স্পষ্ট-ভাৱে বুজিছিল। ৰাজনৈতিকভাৱে সমস্ত দৃশ্যপট বাপুৰ দৃষ্টিভঙ্গী বা কাম কৰা প্ৰণালীৰপৰা আঁতৰ হৈ গৈছিল। কিন্তু তথাপিও এনে এটা ক্ষেত্ৰ তেতিয়াও আছিল, য'ত বাপুৱে নিজস্ব প্ৰণালীৰে ইচ্ছামতে কাম কৰিব পাৰে। সেই ক্ষেত্ৰ হৈছে সংঘৰ্ষ বিধ্বস্ত অঞ্চল। তাত বাপুৱে তেওঁৰ অহিংসা আৰু ভয়-শূন্যতাৰ নীতি প্ৰয়োগ কৰিব পাৰে।

সেই কাৰণে অক্টোবৰ মাহৰ শেষত তেওঁ কলিকতা হৈ নোৱাখালীলৈ যাত্ৰা কৰিলে। বাৰে বাৰে হোৱা আক্ৰমণত জুকলা হোৱা সেই নগৰত চেপা দি ৰখা ক্ৰোধ তেতিয়াও মানুহৰ মনত উমি উমি জ্বলি আছিল ; মুছলীম লীগৰ মুখ্যমন্ত্ৰী চুহাৰ্ৱদ্দীৰ অন্তৰ জয় কৰিবৰ কাৰণে বাপু কামত প্ৰবৃত্ত হ'ল। অবিলম্বে বন্ধু-ভাৱাপন্ন, অকপট আৰু মুখামুখি আলোচনাৰ ফল ফলিল। কেদিনমানৰ ভিতৰতে কলিকতাত সাম্প্ৰদায়িক মিলনৰ এক চুক্তি কৰা হ'ল। তেতিয়া বাপু সেই বিধ্বস্ত নোৱাখালীৰ গাঁওবিলাক ভ্ৰমণ কৰিবৰ বাবে যাত্ৰা কৰিবলৈ সন্মত হৈছিল।

কিন্তু নোৱাখালীলৈ যাত্ৰা কৰাৰ আগ মুহূৰ্তত বাপুলৈ ওচৰৰে বিহাৰ প্ৰদেশত সংঘৰ্ষ হোৱাৰ খবৰ আহিল। নোৱাখালীত ঘটা বিকট কাণ্ড-কাৰখানা-বিলাকৰ কথা তাত প্ৰচাৰ হ'লত, "প্ৰতিশোধ" লোৱাৰ অমঙ্গলীয়া ধ্বনি তাত শুনা গৈছিল আৰু হিন্দুবিলাকে মুছলমানক হত্যা কৰিবলৈ আৰম্ভ কৰিছিল। এই কথাই বাপুৰ অন্তৰ ক্ষত-বিক্ষত কৰে। কাৰণ, বিহাৰীসকলক তেওঁ অতি দয়ালু আৰু নিষ্ঠাবান লোক বুলি ভাবিছিল। নবেম্বৰৰ ৩ তাৰিখে প্ৰাৰ্থনা সভাত বক্তৃতা দি তেখেতে কৈছিল :

> মই যে কিমান দুখ পাইছো তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰোঁ। তেজৰ সলনি তেজ লাগে, এই কথা বৰ্বৰজনোচিত। নোৱাখালীৰ ঘটনাৰ কাৰণে তুমি বিহাৰত তাৰ প্ৰতিশোধ লব নোৱাৰা।

কেবিনেটৰ অন্যান্য মন্ত্ৰীসকলেৰে সৈতে জৱাহৰলাল বেগেৰে সংঘৰ্ষ হোৱা ঠাইত উপস্থিত হ'লগৈ। কিন্তু ততালিকে সেই ধুমুহা শান্ত কৰাচো উজু

কথা নাছিল। তাৰ তিনিদিনৰ পিচত বাপুৱে বিহাৰবাসীলৈ গোহাৰি জনাইছিল :

> মই নিজক আপোনাসকলৰে এক অংশ বুলি বিবেচনা কৰোঁ। আপোনাসকলৰ মৰমে মোৰ অন্তৰত অৱশ্যম্ভাবীভাৱে এক আনুগত্য সৃষ্টি কৰিছে। যিহেতু বিহাৰী হিন্দুসকলে কি কৰা উচিত সেই সম্পৰ্কে আপোনাসকলতকৈ মই বেছি ভালকৈ বুজিছো বুলি দাবী কৰোঁ, সেই কাৰণে কিছু পৰিমাণে মই তপস্যা কৰিব লাগিব।

এইটো এটা দীঘলীয়া বিবৃতি আছিল। অকল ফলৰ ৰস খাই একৈশ-দিনীয়া অনশন কৰিব বুলি আৰু যদি তেতিয়াও বিহাৰীসকলৰ মতি-গতি ভাললৈ নাহে, তেন্তে তাৰ পিচত আমৰণ অনশনৰ সঙ্কল্প ল'ব বুলি ঘোষণা কৰি এই বিবৃতি শেষ কৰিছিল। বিজুলী সঞ্চাৰে তাৰ ফল ফলিল। বিহাৰীসকলৰ প্ৰকৃতি এনেকুৱা আছিল যে বাপুৰ কথালৈ কৰ্ণপাত নকৰাকৈ তেওঁলোক থাকিব নোৱাৰে। কাৰণ, বোধকৰোঁ বিহাৰীসকলৰ নিচিনাকৈ আন কোনো প্ৰদেশৰ মানুহে বাপুক ইমান শ্ৰদ্ধা নকৰিছিল আৰু ভাল নেপাইছিল।

ইতিমধ্যে বাপুৱে নোৱাখালী ভ্ৰমণৰ বাবে যাত্ৰা কৰিলে। তাৰপৰা ১৯৪৬ চনৰ ডিচেম্বৰ মাহৰ ১ তাৰিখে লিখা তেখেতৰ প্ৰথম চিঠিখন পাওঁ।

> কিছুদিনৰ কাৰণে মই এই ঠাই এৰা সম্ভৱ নহয়, যদি কেতিয়াবা এৰিব পাৰোহে।

তাৰ তিনিদিনৰ পাচত :

> মোৰ বাবে চিন্তিত নহবা। ঈশ্বৰৰ ওপৰত বিশ্বাস আৰু ভৰসা ৰাখা। মই সিজনাৰ নিৰাপদ ছত্ৰছায়াৰ তলত আছোঁ। তেখেতে মোক হয় তাৰিব নহয় মাৰিব। সিজনাই অৱশ্যে সকলোকে তাৰেহে। কেতিয়াও নেমাৰে বা অনিষ্ট নকৰে।
> ……মোৰ অহিংসা এতিয়া পৰীক্ষাৰ সন্মুখীন হৈছে। এই বিষয়ে পিচত কেতিয়াবা বহলকৈ লিখিম। আজি এইকেষাৰ কথা লিখিছোঁ, মোৰ কাৰণে হোৱা তোমাৰ সকলো দুশ্চিন্তা দূৰ কৰিবৰ কাৰণে। এতিয়া মই সাধাৰণ খাদ্য খাইছো বা খাবলৈ চেষ্টা কৰিছো। কিন্তু একৈশ দিন নোখোৱাৰ পিছত খোৱা-বোৱা স্বাভাৱিক হ'বলৈ কিছু সময় হয়তো লাগিব।

সম্প্ৰতি বিহাৰীসকলৰ কাৰণে কৰা তপস্যা—অনশনত এঁকেশ দিন ফলৰ ৰস আৰু পানী খোৱাৰ সম্পৰ্কত এই কথাকিটা লিখা হৈছিল।

বাপুৰপৰা পোৱা প্ৰত্যেকখন চিঠিৰপৰা আৰু তেখেতৰ বিষয়ে আনৰপৰা পোৱা সকলো খা-খবৰৰপৰা মোৰ এই ধাৰণা জন্মিছিল যে, তেওঁ বেগেৰে অনাসক্তিৰ চৰম অৱস্থালৈ যাব লাগিছে। ভয়ানক হিংসা, ভয় আৰু ঘৃণাই ভাৰতীয় জনসাধাৰণক যেনেকৈ আচ্ছন্ন কৰি পেলাইছে, তাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিবৰ কাৰণে তেওঁ কেৱল ঈশ্বৰৰ উপস্থিতিৰ বাহিৰে আন সকলো ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৰপৰা নিজক মুক্ত কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। নোৱাখালীৰপৰা জানুৱাৰী মাহৰ চাৰি তাৰিখে তেওঁ আকৌ লিখিছিল ঃ

> আনকি মোৰ গা কেনে আছে, বা মই ইযাত কি কৰিছো, এইবিলাক বিষয়েও চিন্তা নকৰিবা। আন সকলোবেপৰা যদি মই নিজক সম্পূৰ্ণ মুক্ত কৰিব পাৰোঁ তেন্তে ঈশ্বৰে মোক গ্ৰহণ কৰিব। মই জানো, তেতিয়া সকলো সত্যত পৰিণত হ'ব। কিন্তু কেতিয়া মই নিজক এটা শূন্যত পৰিণত কৰিব পাৰিম সেইটো এটা কঠিন প্ৰশ্ন। ইংৰাজী বৰ্ণমালাৰ 'আই' আৰু 'অ' এই দুটা আখৰ ওচৰা-ওচৰিকৈ থকাৰ কথা চিন্তা কৰা। দেখিবা, জীৱনৰ সকলো সমস্যা দুটা চিনত আছে। এই প্ৰণালীত তুমি মোক বহুতখিনি সহায় কৰিছা। যদিও দূৰত আছা, তথাপি তোমাৰ কৰ্মক্ষেত্ৰত তুমি ঘিমানদূৰ সম্ভৱ সম্পূৰ্ণভাৱে নিজৰ কৰ্তব্য কৰিছা।

নোৱাখালীত চাৰিমাহ কটোৱাৰ পিচত বাপু বিহাৰলৈ গৈছিল। তালৈ গৈ তেওঁ আকৌ পীড়িতসকলক সান্ত্বনা আৰু উৎসাহ দিছিলগৈ। যিসকল ধ্বংস আৰু বিনাশৰ কাৰ্যত জড়িত আছিল তেওঁলোকক গৰিহণা দিছিল। কিন্তু সাধাৰণভাৱে উপদেশ বাণী শুনোৱাৰ লগে লগে বাপুৰে প্ৰতিটো খবৰ লৈছিল, সকলো তন্ন-তন্নকৈ পৰীক্ষা কৰি চাইছিল। এই সকলো কামত আৰু চৰকাৰী বেচৰকাৰী অনুষ্ঠানসমূহক 'বিলিফ' বা সাহায্য সম্পৰ্কে কাৰ্যকৰী ব্যৱস্থা লবলৈ দিহা-পৰামৰ্শ দি তেওঁ তেওঁৰ সমস্ত শক্তি ক্ষয় কৰিছিল।

এইবিলাক চলি থকা সময়ত ইফালে ৰাজনৈতিক সংগ্ৰাম চলিয়েই আছিল। ১৯৪৭ চনৰ ফেব্ৰুৱাৰী মাহৰ ২০ তাৰিখে বৃটিছ চৰকাৰে ঘোষণা কৰিলে যে, ১৯৪৮ চনৰ জুন মাহৰ আগতেই, বৃটিছে ভাৰতীয়সকলৰ হাতত ক্ষমতা হস্তান্তৰ কৰাৰ কাম সম্পূৰ্ণ কৰিব। আপোন আপোন কাম্য লক্ষ্য পূৰণ হোৱাৰ আশা দেখি কংগ্ৰেছ আৰু মুছলীম লীগ উভয়ে এই সিদ্ধান্তৰ প্ৰতি সন্তোষ

জনাইছিল। কিন্তু সেই লক্ষ্য পৰস্পৰ বিৰোধী আছিল। কংগ্ৰেছে বিচাৰিছিল এখন অবিভক্ত ভাৰত আৰু মুছলীম লীগে বিচাৰিছিল পাকিস্তান। কিন্তু মুছলীম লীগৰ সপোনৰ পাকিস্তানখন, এনে এটা অবাস্তৱ বস্তু আছিল যে বৃটিছসকলেও সৌজন্যৰ কাৰণে তাক অনুমোদন কৰিব পৰা নাছিল। কাৰণ, পাকিস্তান অনুমোদন কৰা মানে কোনো কোনো ক্ষেত্ৰত আনকি হিন্দু সংখ্যা-গৰিষ্ঠ বৃহৎ অঞ্চলবিলাক মুছলীম লীগৰ হাতলৈ হস্তান্তৰ কৰা। লীগপন্থীসকলে এই কথা উপলব্ধি কৰিব পাৰি প্ৰত্যক্ষ সংগ্ৰামৰ দ্বাৰা তেওঁলোকৰ লক্ষ্য লাভ কৰিবৰ কাৰণে পঞ্জাব আৰু অসমত সাম্প্ৰদায়িক সংঘৰ্ষৰ কাৰণে প্ৰস্তুতি চলাইছিল। পঞ্জাবৰ ইউনিয়নিষ্ট গৱৰ্ণমেণ্ট এই প্ৰত্যক্ষ সংগ্ৰামৰ হেচাত পৰিল। হিন্দুসকলে ব্যাপকভাৱে সেই ঠাই এৰি ভগনীয়া হ'বলৈ আৰম্ভ কৰিলে। কিন্তু অসম চৰকাৰ পৰিস্থিতি আয়ত্তৰ ভিতৰলৈ আনিবলৈ সমৰ্থ হৈছিল।

বহুত দিনৰেপৰা লাহে লাহে গঠিত হৈ উঠা মুছলীম দল কিছুমানে দৃঢ়ভাৱে সাম্প্ৰদায়িক কাজিয়া-পেচাল বৃদ্ধি কৰিছিল। তাৰে ভিতৰত প্ৰধান আছিল হিন্দু মহাসভা আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সঙ্ঘ। এই সঙ্ঘটো সাধাৰণতে আৰ, এচ, এচ নামে জনাজাত।

অৱশ্যে হিন্দুৰ সাম্প্ৰদায়িক দলবিলাক বাপুৰ আদৰ্শৰ প্ৰবল বিৰোধী আছিল।

আচলতে বহুত দিন আগতে এওঁলোকেই বাপুৰ হৰিজন-ভ্ৰমণবিলাকত হিংসাত্মক আক্ৰমণ চলাইছিল আৰু এবাৰ বাপু যোৱা বুলি ভাবি এখন কাৰলৈ এটা বোমাও নিক্ষেপ কৰিছিল। এতিয়া তেওঁলোকৰ বাপুৰ লগত শত্ৰুতা ক্ৰমান্বয়ে আৰু বেছি পৰিমাণে প্ৰকট হৈ উঠিছিল। ১৯৫৪ চনতে সেৱাগ্ৰামত তেওঁলোকে পিকেটিং কৰিছিল। সেই সময়ত তেওঁলোকৰ মনুষ্যবিলাক অশুভ আৰু তমসাচ্ছন্ন আছিল। আন এবাৰ বাপুৱে বেলেৰে ভ্ৰমণ কৰোঁতে, বেলখন বগৰাবৰ উদ্দেশ্যে, বেলৰ লাইনত ডাঙৰ ডাঙৰ শিল তেওঁলোকে পাতি থৈছিল আৰু বেলখন কথমপিহে বাগৰি নপৰাকৈ ৰক্ষা পৰিছিল। এতিয়া নিউ দিল্লীৰ ভঙ্গী কলনিত বাপুৰ ঘৰৰ কাষতে অৰ্থাৎ—ৰাজধানীলৈ গ'লে বাপু যি'ঠ সদায় থাকে, তাতে আৰ, এচ, এচসকলে কিছুদিনৰ কাৰণে শিবিৰ পাতি ডেকা ল'ৰা বিলাকক সৈনিকৰ শিক্ষা দিয়াত ব্যস্ত আছিল।

ক্ষমতা হস্তান্তৰ কাৰ্য সহজসাধ্য কৰিবৰ কাৰণে বৃটিছ গৱৰ্ণমেণ্টে এজনা নতুন ৰবলাট ভাৰতলৈ পঠাবলৈ সিদ্ধান্ত কৰি লৰ্ড মাউণ্টবেটেনক নিৰ্বাচন কৰে। তেওঁ শ্ৰমিক পাৰ্টিৰ নাছিল যদিও এই কামৰ বাবে তেওঁ সম্পূৰ্ণ দক্ষ আছিল। ৰক্ষণশীল দলবো তেওঁ বিশ্বাসভাজন হ'ব পাৰিব বুলি ভৱা হৈছিল। ১৯৪৭ চনৰ মাৰ্চ মাহৰ ২২ তাৰিখে তেওঁ ভাৰত পায়হি আৰু ততালিকে বাপুৰে সৈতে কথা-বাৰ্তা হোৱাৰ ইচ্ছা প্ৰকাশ কৰি বাপুলৈ এটা বাতৰি পঠায়। বাপু সেই সময়ত বিহাৰত আছিল।

বাপু সংঘৰ্ষ বিধ্বস্ত গাঁওবিলাকৰ কামত ব্যস্ত আছিল। সেই কামৰপৰা অব্যাহতি পোৱাৰ লগে লগে তেওঁ আহিছিল। নতুন ৰবলাটৰ লগত তেওঁৰ প্ৰথম সাক্ষাত হৈছিল মাৰ্চ মাহৰ ৩১ তাৰিখে। তাৰ পিচত সঘনে তেওঁলোকৰ মাজত দেখা-সাক্ষাত হৈছিল।

এতিয়া বাপু দিল্লীলৈ আহিল। ময়ো তেওঁৰ কাষ চাপিবৰ কাৰণে কিছু সময়ৰ কাৰণে তালৈ আহিছিলোঁ। মই বৰ বেছিদিন থকা নাছিলোঁ। কিয়নো, আনফালে নতুন কামে মোক মাতি আছিল।

কিষাণ আশ্ৰমত কৰিব পৰা কামৰ ক্ষেত্ৰ, ব্যক্তিগত সকু পুঁজিৰে চলাব পৰাতকৈ যে বহুত বহল সেই কথা লাহে লাহে মই পৰিষ্কাৰকৈ বুজিব পাৰিলোঁ। যুক্ত প্ৰদেশৰ গৱৰ্ণমেণ্টে সম্প্ৰতি গ্ৰামোন্নয়ন বিভাগ এটা আৰম্ভ কৰিছে আৰু ময়ো গৱৰ্ণমেণ্টৰ অনাবেৰী এড্‌ভাইজাৰ হিচাপে কাম কৰিছোঁ যেতিয়া, এই গোটেই অঞ্চলটোকে মই সেই নতুন গ্ৰামোন্নয়ন বিভাগৰ অধীন কৰাটো ভাল হ'ব বুলি ভাবিছিলোঁ। এই কথাবিলাক মোৰ মনলৈ অহাৰ সময়তে গৱৰ্ণমেণ্টে মোক মাতি পঠিয়ালে, হিমালয়ৰ পাদদেশ হৃষীকেশৰ ওচৰত পাতিবলৈ স্থিৰ কৰা, দুটা বৃহৎ পশুপালন আঁচনিৰ পৰ্যবেক্ষণ কৰিবৰ কাৰণে। এইটো কথালৈ মই মোৰ সিদ্ধান্ত কৰিলোঁ। কিষাণ আশ্ৰমৰ কাম-কাজ গ্ৰামোন্নয়ন বিভাগৰ হাতত অৰ্পণ কৰি, মই গঙ্কবিলাক লগত লৈ নতুন অঞ্চলটোলৈ গ'লোগৈ।

মই চাব লগা পৰিকল্পনাটো তেতিয়ালৈকে কাগজে-পত্ৰইহে আছিল। কিন্তু টকা-কড়ি মঞ্জুৰ হৈছিল, আধা যুক্তপ্ৰদেশ চৰকাৰৰপৰা আৰু বাকী আধা

কেন্দ্রীয় চৰকাৰৰপৰা। প্ৰাথমিক কাম চাবলৈ সক ষ্টাফ এটাকো নিযুক্ত কৰা হৈছিল। মোৰ প্ৰথম কাম আছিল উপযুক্ত ঠাই এটুকুৰা বাছি উলিওৱা। সেই দিনত মুকলি ঠাই বেছি নাছিল। সেই কাৰণে 'পম্পাচ' আদি ওখ গছৰ হাবিৰ মাজত মুকলি ঠাই মই বিচাৰিব লগা হৈছিল। খোজকাঢ়ি বা ঘোঁৰা• উঠি গলেও চাবিওফাল ইমান ডাঠ হাবিৰে ভৰা আছিল যে, ঠাইখন সম্বন্ধে কোনো স্পষ্ট ধাৰণা কৰা সম্ভৱ নহৈছিল। ঠুলুবনবিলাক কোনো কোনো ঠাইত ১৫ ফুটলৈকে ওখ আছিল। বন বিভাগৰ বিষয়াসকলৰে সেতে সেইদেখি মই হাতীৰ পিঠিত গৈছিলোঁ আৰু হৃষীকেশেই তাৰপৰা ওচৰ; এনে কিনি তোখৰ হাবি জুখি-মাখি আহিছিলোঁ। এই ব্লককেইটা হাজাৰ হাজাৰ একৰ মাটি জুৰি আছিল। অৱশেষত হৃষীকেশৰ দুমাইল ইফালৰপৰা গঙ্গাৰ পাৰলৈকে জুৰি থকা বীৰভদ্ৰ ব্লকটো মই বাছি উলিয়াইছিলোঁ। এই ব্লকটো প্ৰায় তিনি হেজাৰ একৰ মাটি জুৰি আছিল। আনকিটা ব্লকতকৈ ইয়াত বোছ পৰিমাণে মুকলি বননি অঞ্চল আছিল। এফালে দীঘলীযাকৈ নদীৰ পাৰলৈকে হ'লিপি থকা কাৰণে বিশেষ সুবিধাজনক আছিল।

সেই বিশাল বনভূমিৰ বন্য-সৌন্দৰ্য আৰু পশু-পক্ষীৰ সম্পদে মোক নতুন উৎসাহেৰে উৎসাহিত কৰি তুলিছিল। মানুহৰ সংস্পৰ্শলৈ নহাকৈ থকা প্ৰকৃতিত এক বিৰাট জীৱনী-শক্তি সঞ্চিত থাকে। প্ৰকৃতিয়ে সেই শক্তি যি তেওঁৰ লগত বাস কৰে তেওঁলৈ সঞ্চাৰিত কৰে। এইবাৰেই প্ৰথম মই গাঢ়ল হাবিত বাস কৰিবলৈ আহিছিলোঁ। সেই হাবিত বাঘ, নাহৰফুটকী বাঘ, ভালুক, হৰিণা, বৰা, বনৰীয়া গাহৰি, শিয়াল আৰু অন্যান্য সৰু-সুৰা জন্তু বহুতো আছিল। মাজে মাজে বনৰীয়া হাতীৰ জাকো ওলাইছিল। চৰায়ো অসংখ্য আছিল। ম'ৰা আৰু শেনবপৰা আৰম্ভ কৰি নানান সৰু সৰু চৰাই আৰু সকলো ৰকমৰ পানীত থকা চৰাই তাত আছিল। আনন্দত মই বাপুলৈ এই আটাইবিলাকৰ সম্পূৰ্ণ বিৱৰণ এটা দি লিখিছিলো আৰু কৈছিলো যে সেই ঠাই টুকুৰাৰ নাম মই 'পশুলোক' দিবলৈ মনস্থ কৰিছোঁ। তেখেতে উত্তৰত লিখিছিল :

তুমি আশ্ৰয়ধনক পশুলোক নাম দিব খোজাটো এটা চমৎকাৰ ধাৰণা। ই কবিত্বপূৰ্ণ।

সেই কাৰণে এইখন হ'ল "পশুলোক"। গৱৰ্ণমেণ্টৰ দুটা পশুপালন কেন্দ্ৰ স্থাপন কৰাৰ আচনি আছিল। তাৰে এটা আছিল বুঢ়া, বেমাৰী পশুবিলাকৰ

কাৰণে আৰু আনটো আছিল—পিয়নছৰা গাইবিলাকৰ কাৰণে। পশ্চিমতকৈ ভাৰতত সাধাৰণ গাইবিলাকৰ এইটো সময় বেছি দীঘলীয়া হয়। কেতিয়াবা ৮।৯ মাহমান পায়গৈ।

এই আঁচনি দুখনৰ, প্ৰথমখনৰ কাম অবিলম্বে আৰম্ভ কৰিবলগীয়া আছিল। দ্বিতীয়খন পাচৰ এটা তাৰিখত কৰিব লগা আছিল। কালি কমলিৰালা চেৰিটেবল ট্ৰাষ্টৰ ৰামনগৰত থকা গেষ্ট হাউছত মই বাহৰ পাতি আছিলোঁ। এই গেষ্ট হাউছটো গঙ্গাৰ পাৰত (যিখিনি ঠাইত আছিল, সেই ঠাইৰপৰা পশুলোকৰ মাটি আৰম্ভ হৈছে) আছিল। এতিয়া গৰমকালিৰ মাজভাগ পাইছিলহি আৰু মোৰ স্বাস্থ্যও সিমান ভাল নাছিল। সেই কাৰণে গৰুৰ গোহালী সজাৰৰ কাৰণে ঠাই ঠিক কৰাৰ পিচত, ক'ত ক'ত বেৰা দিব লাগিব সেইবিলাক ঠিক কৰি মই পৰ্বতত ভ্ৰমণ কৰিবৰ কাৰণে ওলাবলৈ সিদ্ধান্ত কৰিলোঁ। এই পশুলোক বাস্তবিকতে পৰ্বতসমূহৰ দুৱাৰমুখ আছিল।

মোৰ সৰু ঘোঁৰাটো, তুলসীক মই কিষাণ আশ্ৰমতে এৰিব লগা হৈছিল। কাৰণ, পশুলোকৰ ডাঙৰ হাবিত চলা-ফিৰা কৰিবৰ কাৰণে সি বৰ সৰু আছিল। নতুন ঘোঁৰা এটা লোৱা বিষয়ে গুণা-গঁথা কৰি আছোঁ। এনেতে হঠাৎ এদিন খিৰিকীৰে বাহিৰলৈ চাই থাকোঁতে সেইবাটেদি দুজন গুজাৰে, (অঘৰী মুছলমান গৰখীয়া) দুটা ঘোঁৰা লৈ যোৱা দেখিলোঁ। তাৰে এটা ঘোঁৰা মই বিচাৰি থকা বিধৰ আছিল। ঘৰৰপৰা দৌৰি ওলাই গৈ মই গুজাৰ দুজনক ৰখালোঁগৈ। কথা-বাতা আৰম্ভ হ'ল। ভাল দাম পালে তেওঁলোকে ঘোঁৰা দুটা বেচিব যেন অনুমান হ'ল। সৰু ঘোঁৰাটো, তেনেকুৱা ঘোঁৰাক পশ্চিমত 'পানি' বোলে, মই ওচৰৰপৰা দেখি, একেকোৰে তাৰ প্ৰেমত পৰিলোঁ। পৰিণতি হিচাপে, মই ঘোঁৰাটো কিনিলো। তাক বাৰীৰ ভিতৰলৈ লৈ আহি গছ এডালৰ তলত বান্ধিলোঁ। সেইদিনাৰেপৰা আমাৰ মাজত বন্ধুত্ব আৰম্ভ হ'ল। মই তাৰ নাম দিছিলো মনা। জিন লেগাম কচি মই তাক কৈছিলোঁ যে, আমি এতিয়া হিমালয়ৰ ভিতৰলৈ ফুৰিব লাগিব।

ধৰমপালে তেতিয়াও মোৰ লগত কাম কৰিছিল আৰু দুই-তিনিজনমান বন্ধুৱে সৈতে তেৱোঁ মোৰ লগ লাগিছিলহি। মোৰ ষ্টেন'গ্ৰাফাৰ কৃষ্ণমূৰ্তি লগতে আছিছিল। মোতকৈ তেওঁলোক সকলো বয়সত বহুত সৰু আছিল। মোৰ সঙ্গী আছিল মনা। গঙ্গা উত্তৰ হোৱা পিনলৈ থকা এখন পবিত্ৰ সৰু ঠাই উত্তৰ

কাশীলৈ আমাৰ যোৱাৰ কথা আছিল। এজন বন্ধুৱে উত্তৰ কাশীত থকা তেওঁৰ ঘৰটো আমাৰ ব্যৱহাৰৰ কাৰণে যাচিছিল। মই কল্পনা কৰি সুখ পাইছিলোঁ যে তাত বতৰ নিশ্চয় বেচ আনন্দদায়ক আৰু ঠাণ্ডা হ'ব। কিন্তু প্ৰকৃততে কথাটো বিপৰীতহে হৈছিল। সাতৰপৰা আঠ হেজাৰ ফুট ওখ পৰ্বতশ্ৰেণী পাৰ হোৱাৰ পিচত অশ্বাৰোহী যোৱা বাটটো ভাগীৰথী গঙ্গাৰ উপত্যকা ভূমিলৈ নামি গৈছিল। (দেৱপ্ৰয়াগত অলকানন্দা আৰু গঙ্গাৰ সঙ্গমস্থলৰপৰা ওপৰলৈ থকা গঙ্গাৰ নাম ভাগীৰথী) আমি গুপগুপীয়া ঘাম ওলোৱা গৰমত সিজিছিলোঁ।

গোটেই বাটছোৱা মই বাপু হিমালয়লৈ অহাৰ সপোন দেখিছিলোঁ; কাৰণ, মনতো দেখাদেখিকৈ সেই সপোনটো আছিল। যাত্ৰা কৰাৰ ঠিক আগ মুহূৰ্তত ১৯৪৭ চনৰ জুন মাহৰ ১৫ তাৰিখে, মই বাপুৰপৰা এখন চিঠি পাইছিলোঁ। তাত তেওঁ লিখিছিল :

> মই নিজেও উত্তৰ কাশীলৈ যোৱাৰ কথা ভাবিছোঁ। কিন্তু সেই সকলো সপোন ৰাজ্যৰ কথা। সেইদেখি সেইবিলাক নেভাবিবা। মই হওক, তুমি মোক ইয়াৰ (ঠাইখনৰ) প্ৰতিটো খুটি-নাটি খবৰ দিবা।

বহুত দিনৰ আগতে, ১৯৪৫ চনৰ শৰত কালতে সেৱাগ্ৰামৰ ভিৰ আৰু লৰা-ঢপৰাখনৰ মাজৰপৰা আঁতৰ হৈ যোৱাৰ কথা বাপুৱে ভাবিছিল। সঁচাকৈয়ে তেওঁ সেৱাগ্ৰাম এৰিব বুলি বাতৰিও প্ৰচাৰ হৈছিল। সেই সময়ত মোৰ অনুসন্ধানৰ উত্তৰত তেখেতে লিখিছিল :

> মই সেৱাগ্ৰাম এৰিব খোজা নাই। ইমানবিলাক অনুষ্ঠানৰ ঘৰ পাতি, মই সেইবিলাক নিশ্চয় এৰিব নোৱাৰোঁ। মই নিশ্চয় কাগজৰ খবৰটোৰ প্ৰতিবাদ আৰু সংশোধন কৰিব লাগিব।

কিন্তু চিঠিখনৰ শেষত এইদৰে আছিল :

> আহাঁ, ঈশ্বৰে আমাক চলাই নিয়াৰ ওপৰত আত্ম ভৰসা ৰাখোঁ। তেওঁ হয়তো এইদৰেই পাঙিছে যে, অৱশেষত মই তোমাৰ লগতে গৈ থাকিবলৈ লাগিব। তেওঁৰ ইচ্ছা অনুসৰি কাম কৰি যোৱাৰ বাহিৰে আন একো নিবিচাৰোঁ। ..... ২৯।১০।৪৫

এতিয়া ১৯৪৭ চনৰ মে' আৰু জুন মাহ। বাপুৰ মনত এনে ভাৱৰ উদয় হৈছিল যে, সেইদিনৰ ভাৰতবৰ্ষত তেওঁৰ কাৰণে ক'তো ঠাই নাই। এই ভাৱকে তেওঁ নানাপ্ৰকাৰে প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছিল। আসন্ন ভাৰত বিভাজনৰ চিন্তায়ে যে অকল তেওঁক পীড়িত কৰিছিল এনে নহয়, তেওঁৰ ধাৰণামতে যি ভাৰতবৰ্ষই স্বাধীনতা পোৱাৰ পিচত, বিকেন্দ্ৰীকৰণ গাঁৱলীয়া শিল্প আৰু অসামৰিকীকৰণৰ পথ লোৱা উচিত, সেই ভাৰতক শিল্পপ্ৰধান আৰু সামৰিক শক্তি হিচাপে গঢ়ি তোলা দৃশ্য তেওঁৰ কাৰণে অসহনীয় আছিল। তেওঁ কৈছিল : "মোক অবাস্তৱ বুলি মানুহে ভাবে"। তাৰ পিচত আকৌ ক'লে : "মোৰ কথাৰ আজি আৰু কোনো জোৰ নাই।"

ভাগীৰথীৰ উপত্যকা ভূমিয়েদি আগবাঢ়ি যাওঁতে মই কাষৰ দৃশ্যাৱলী আৰু বতৰটো লক্ষ্য কৰি গৈছিলোঁ। কিন্তু উত্তৰ কাশী পোৱালৈকে ক'তো বৰফৰ দৃশ্য দেখা নোপোৱাত মই অতিশয় হতাশ হৈ পৰিছিলোঁ। গোটেই বাটটোতে দুয়োকাষে কেৱল হাবি জঙ্গলেৰে ভৰা থিয় পাহাৰ আৰু নদীখন পাই গৈছিলোঁ। বতৰৰ কথা ক'বলৈ গ'লে, বছৰৰ সেইখিনি সময়ত—জুন মাহত অসহ্য গুপগুপীয়া গৰম আছিল।

মই বাপুলৈ সম্পূৰ্ণ বিৱৰণ দি, অনুতাপ কৰি, এখন চিঠি লিখিছিলোঁ। জুনৰ ২ : তাৰিখে তেখেতে তাৰ উত্তৰত লিখিছিল :

> মই উত্তৰ কাশীলৈ যোৱাৰ ওপৰত তুমি বামটাঙোন মাৰিছা·····। সি যি কি নহওক, মই ঈশ্বৰৰ হাতত। মই যাম বুলিও নেভাবোঁ, নেযাওঁ বুলিও নেভাবোঁ। আজিৰ খোজটোৱেই যথেষ্ট। বেয়াটোৰ কথা মই নিশ্চয় ভাবিব নেলাগিব। কোনটোনো ভাল, কোনটোনো বেয়া, কোনেও প্ৰকৃততে ক'ব নোৱাৰে। সেই কাৰণে, ভালৰ বাহিৰে, আমি যেন অন্য একো কথা নেভাবোঁ।

উত্তৰ কাশী পোৱাৰ পিচত কিছু দিনলৈ মই বৰ ক্লান্ত হৈ আছিলোঁ। কাৰণ, বহুত দূৰ বাট খোজকাঢি আহিৰ লগা হৈছিল। সেই ঠাইত মোৰ স্বাস্থ্যৰ কোনো উন্নতি নহ'ব যেন দেখি আন কতবালৈ যাবলৈ ঠিক কৰিলোঁ। ডেকা দলটোৱে কেদিনমানৰ ছুটী লৈ অন্যান্য ঠাইলৈ গৈছিল। দলটোত এতিয়া ৰ'লগৈ ধৰমপাল, কৃষ্ণমূৰ্তি, মই, মনা আৰু মনাক চোৱা-চিতা কৰা মানুহটো। সিয়েই মোৰ কাৰণে ৰান্ধেও।

উত্তৰ কাশীত বন্ধুসকলে মোক, তেহৰীৰ ওপৰলৈ, সাত হেজাৰ ফুটতকৈও ওখ পৰ্বতমালাৰ ওপৰত অৱস্থিত, প্ৰতাপ নগৰলৈ যাবলৈ পৰামৰ্শ দিছিল। তেহৰী গাৰোৱালৰ মহাৰজাই অনুগ্ৰহ কৰি তাত থকা তেওঁৰ গেষ্ট হাউছটো মোক দিবলৈ বাজী হোৱাত, আমি তালৈ গলোঁগৈ। পৰ্বতশ্ৰেণীৰ ওপৰ অংশত যেতিয়া উঠিলোঁগৈ, তাত সেই গুপগুপীয়া গৰম আৰু নাছিল। সেই ঠাইত ঠাণ্ডা মুক্ত বায়ু বৈ আছিল আৰু আমাৰ সমুখত বিস্তাৰিত হৈ আছিল এক মহিমামণ্ডিত দৃশ্য। কিষাণ আশ্ৰমৰপৰা সাধাৰণতে দেখিবলৈ পোৱা বৰফ-মালা, তাত ঠিক আমাৰ সমুখতে আছিল। সেই বৰফৰ শ্ৰেণী ইমান ওচৰতে থকা যেন লাগিছিল যদিও তেতিয়াও তালৈ আৰু কেবাদিনৰো বাট আছিল। আগন্তুক বাৰিষাৰ ডাৰৰে ইতিপূৰ্বে পৰ্বতৰ শিখৰ মালা গুঠিছিল। কিন্তু প্ৰায়ে পৰ্বতৰ চূড়া পৰিষ্কাৰভাৱে দেখা গৈছিল।

মোৰ লগত উত্তৰ কাশীলৈকে আৰু এতিয়া ইয়ালৈ ৺ বাপুৰ আটাইবিলাক চিঠি লৈ আহিছিলোঁ। প্ৰথমবেপৰা মই সেই চিঠিবিলাক এটা বাৰচ ভালকৈ গোটাই থৈছিলোঁ। শেষবাৰ দিল্লীলৈ যাওঁতে, মই বাপুৰ আগত সেই চিঠিবিলাক প্ৰকাশ কৰাৰ কথা কৈছিলোঁ। বাছি বাছি তাৰে কিছুমান প্ৰকাশ কৰাত তেওঁ সম্মতি দিছিল। সেই কাৰণে সেই কামটো মই এতিয়া কৰিবলৈ লৈছিলোঁ। প্ৰতাপ নগৰ এৰা সময়ৰ ভিতৰতে, মই সেই চিঠিবিলাক বাছি উলিয়াই সজাই দিছিলোঁ। কৃষ্ণমূৰ্তিয়ে তিনিশ পঞ্চাশখন চিঠিৰ কপি টাইপ কৰি দিছিল।

এতিয়া বাৰিষাকাল যদিও মাজে মাজে বৰষুণ এচ ফৰকাল হয়। ইচ্ছা কৰিলে বাহিৰ ওলাই ফুৰিব পাৰি। কিন্তু মনাই বেছি পৰিশ্ৰম কৰিবলৈ সুবিধা নেপাইছিল। বসাল ঘাহবিলাক খাই খাই সি তাৰ সময় কটাইছিল। এনিতেনি, আনকি কেতিয়াবা কোঠাৰ ভিতৰলৈকো তাৰ নাকটো গুজি মুৰি ফুৰিছিল। সি যেতিয়া গম পালে কোঠাটোৰ কোনখিনি ঠাইত মাটিত বহি মই আহাৰ কৰোঁ, তেতিয়া সি দুৱাৰমুখলৈ আহি চাই থাকে। প্ৰথম দুদিন নে দুদিন সি বাবাণ্ডাৰপৰা বেছি ভিতৰলৈ সোমাই অহা নাছিল। কিন্তু নতুনকৈ কৰা কটিৰ গোন্ধে তাক ইমান প্ৰলোভিত কৰিছিল যে, কোঁদনমানতে সি দুৱাৰেদি ভিতৰলৈ আহিবলৈ আৰম্ভ কৰিলে। মই তাক সাৱধান কৰি দিছিলোঁ যে, সি পোনে পোনে ঘৰৰ ভিতৰলৈ সোমাই আহিব নেলাগে। সেইদেখি সি ঘৰ

সতৰ্ক হৈছিল। যেই হওক মই যেতিয়া তাৰ ফালে চাই নেথাকো, সি এবাৰত এক ইঞ্চিমানকৈ তাৰ খুৰা আগবঢ়াই সোমাই আহে। অৱশেষত অৱশ্যে সি তাৰ গোটেই শৰীৰটো সুমুৱাই কোঠাৰ ভিতৰলৈ আহি তাৰ নাকটো মোৰ আহাৰৰ ওচৰলৈ আনে। মই তাৰ মৰম লগা অনুৰোধ কেনেকৈ প্ৰত্যাখ্যান কৰোঁ? মই তাক অলপ কটি দিওঁ আৰু কওঁ, সি এতিয়া কোঠাৰ বাহিৰলৈ যাব লাগিব। মোৰ সেই ইঙ্গিত সি মানিছিলো।

এদিনাখন কাম কৰা ল'ৰাটো কিবা এটা কামত ওলাই গৈছিল। ৰান্ধনী ঘৰৰ দুৱাৰখন মেলা আছিল। এনে এটা সুযোগ নষ্ট কৰা কেতিয়াও উচিত নহয়। ল'ৰাটোৱে উভতি আহি দেখিলে যে মনাই ওঠ চেলেকি চেলেকি বাৰাণ্ডাত থিয় হৈ আছে। পাকঘৰত কটি কৰিবলৈ মাৰি থোৱা আটাৰ লডাটো নাই আৰু থালখনৰ ওপৰত ভালকৈ চুহি খোৱা দুটা আমৰ গুটি। ইয়াৰ পিচত ৰান্ধনী ঘৰৰ দুৱাৰ আৰু কেতিয়াও মেলি ৰখা নহৈছিল।

বাপুৱে হিমালয়লৈ আহি থাকিবহি পাৰে, এনে এডোখৰ ঠাই কেনেকৈ বিচাৰি উলিওৱা যায়—প্ৰতাপ নগৰত থাকোঁতে সদায় মই সেই বিষয়ে গুণা-গঁথা কৰি আছিলোঁ। কিন্তু ভৈয়ামৰপৰা অহা খবৰবিলাক বেয়াৰপৰা ক্ৰমে আৰু বেয়ালৈ যাবলৈ ধৰিলে। বাপু তাৰপৰা অহাৰ আশাও ক্ষীণ হৈ আহিবলৈ ধৰিলে।

দিল্লীত লৰ্ড মাউণ্টবেটেন, কংগ্ৰেছ আৰু মুছলীম লীগৰ মাজত অন্তহীন আলোচনা চলিবলৈ ধৰিলে। ই নিশ্চিত হৈছিল যে ভাৰত দ্বিখণ্ডিত হ'ব। কিন্তু কেতিয়া আৰু কেনেকৈ হ'ব, সেইটো ঠিক হবলৈ তেতিয়াও বাকী আছিল। বাপু প্ৰথমবেপৰা দেশ বিভাজনৰ বিপক্ষে আছিল। বাপুৱে কৈছিল, যদি দেশ বিভাজন অৱশ্যম্ভাবী হয়, তেন্তে সাম্প্ৰদায়িক সংঘৰ্ষ অন্ত পৰাৰ পিচত আৰু বৃটিছসকলে ক্ষমতা হস্তান্তৰিত কৰাৰ পিচতহে হোৱা উচিত। আইন-শৃঙ্খলা নোহোৱা অৱস্থাত যদি দেশখন কাটি টুকুৰা কৰা হয়, তেন্তে সাম্প্ৰদায়িক দল-বিলাকৰ দাবীৰ শেষ নেথাকিব। ফলত সংঘৰ্ষবো অন্ত নপৰিব। বৃটিছসকলে ৰাজদণ্ড লৈ থাকোঁতেই যদি দেশক ভাগ কৰা হয়, তেন্তে তেওঁলোকে ক্ষমতা হস্তান্তৰ কৰাৰ পিচত নতুনকৈ গণ্ডগোল আৰম্ভ হ'ব।

কংগ্ৰেছী মন্ত্ৰীসকলে আৰু লৰ্ড মাউণ্টবেটেনে বাপুৰ এই কথাৰ যুক্তি-যুক্ততা মানিছিল। কিন্তু লৰ্ড ৰাভেলৰ দিনৰ কাৰ্যাৱলীৰ পৰিণাম চৰম অৱস্থা

পাইছিলগৈ। সেই কাৰণে বৃটিছ ৰবলাট এজনৰ উপস্থিতিত সাম্প্ৰদায়িক সংঘৰ্ষ জোৰভাৱে চলি থকা সত্ত্বেও দেশবিভাজনৰ কাৰণে প্ৰয়োজনীয় কামবিলাক চলিবলৈ ধৰিলে। আনকি ক্ষমতা হস্তান্তৰৰ তাৰিখো নিৰ্দিষ্ট কৰা হ'ল। ১৯৪৭ চনৰ পোন্ধৰ আগষ্ট। দিনটো আগবাঢ়ি আহিলত সকলোৱেই কিছু অস্থিৰতা অনুভৱ কৰিছিল। প্ৰত্যক্ষ সংগ্ৰামৰ প্ৰথমটো জোকাৰণিত মুছলীম লীগে গোটেইখন পঞ্জাব প্ৰদেশৰ ওপৰত কৰ্তৃত্ব খটুৱাব পৰা নাছিল। কিন্তু জনসাধাৰণক এনেদৰে জোকাৰি পেলাইছিল যে, তাৰপৰা দলে দলে মানুহ যাবলৈ ধৰিলে। যোতিয়া সৈন্যবাহিনীকো সাম্প্ৰদায়িক ভেটিত ভাগ কৰা হ'ল—পাকিস্থানৰ কাৰণে মুছলমান সৈন্য আৰু ভাৰতৰ কাৰণে হিন্দু সৈন্য, তেতিয়া দুয়োপক্ষৰে সংখ্যালঘিষ্ঠসকলৰ নিৰাপত্তাৰ সকলো আশা নিৰ্মূল হ'ল।

কংগ্ৰেছে দেশবিভাজন মানি লোৱা কাৰণে কংগ্ৰেছৰ বিৰুদ্ধে বাপুৱে এক অভিযান আৰম্ভ কৰাটো বহুতো লোকে বাঞ্ছা কৰিছিল। কিন্তু তেওঁ তেনে কৰা নাছিল। তেওঁ পৰিষ্কাৰকৈ বুজিছিল যে অন্তৰ্বর্তী চৰকাৰত মুছলীম লীগৰ 'প্ৰত্যক্ষ সংগ্ৰাম'ৰ দলটোৰ উপস্থিতিয়ে কংগ্ৰেছ মন্ত্ৰীসকলক হায়ৰাণ কৰি তুলিছিল আৰু এই ভয়ে তেওঁলোকক পীড়া দিছিল যে, আনকি দেশ বিভাজনৰ পৰিকল্পনা মতে অঙ্গচ্ছেদ হোৱা ভাৰতো তেওঁলোকৰ আঙুলিৰপৰা সৰকি যাব পাৰে। যদি তেওঁলোকে তাকে খামুচি ধৰি নথাকে, আৰু এনে অৱস্থাত তেওঁলোকে যি কৰিছে তাতকৈ বেলেগে একো কৰা সম্ভৱ নাছিল। সেই কাৰণে সিদ্ধান্ত ঘোষণা কৰাৰ দিনাৰেপৰা আৰু ক্ষমতা হস্তান্তৰৰ তাৰিখ পকা হোৱাৰেপৰা বাপুৱে মানুহক যি পৰিস্থিতি উদ্ভৱ হৈছিল তাকে গ্ৰহণ কৰিবলৈ আৰু কেদিনমানৰ ভিতৰতে যি স্বাধীনতা তেওঁলোকে লাভ কৰিব, তাৰ সদ ব্যৱহাৰ কৰিবলৈ উপদেশ দিছিল।

এতিয়া বৃটিছসকলে পাকিস্তানক অপেক্ষাকৃত নিৰাপদ বন্ধু হিচাপে লাভ কৰাত ভাৰতৰ প্ৰতি তেওঁলোক কিছু উদাৰ হ'বলৈ ঢান নেপাহাছিল। সেই কাৰণে স্বাধীনতা প্ৰকৃত আছিল। কিন্তু যদিও বাপুৱে দেশ বিভাজন মানি ল'বলৈ বাইজক পৰামৰ্শ দিছিল, তথাপি সম্প্ৰদায় হিচাপে মানুহখিনি স্থানান্তৰিত কৰাৰ কথা তেওঁ ভাবিবকৈ নোৱাৰিছিল। পূৰ্বপুৰুষৰ ভেটি বাইজে কিয় এৰিব? ভাৰতৰ মুছলমানসকলৰো, হিন্দুসকলৰ দৰে ভাৰতৰ মাটিত শিপা দকৈ পোতা আছে। কেইপুৰুষমানৰ আগতে তেওঁলোকৰ

অসংখ্য পৰিয়াল হিন্দুৱেই আছিল। সেই কাৰণে ভাৰতৰ মুছলমানসকল বা পাকিস্তানৰ হিন্দুসকল, কোনেও তেওঁলোকৰ মাতৃভূমি ত্যাগ কৰা উচিত নহয়। এই মূল বিশ্বাসৰ দ্বাৰা অনুপ্ৰাণিত হৈ বাপুৱে তেওঁৰ সমস্ত সময় সংঘৰ্ষ বিধ্বস্ত অঞ্চলৰ লোকসকলক সান্ত্বনা, পৰামৰ্শ দি আৰু মানুহক অস্থিৰ নহৈ দৃঢ়তা অৱলম্বন কৰিবলৈ সাহ দি ফুৰাত লগাৰ খুজিছিল। কিন্তু ৰৱলাটে বা কোনেও তেওঁক এইদৰে একেবাৰে যাবলৈ এৰি দিব নোৱাৰিছিল। বাপুৰ পৰামৰ্শ অনুসৰণ কৰা তেওঁলোকৰ পক্ষে ক্ৰমান্বয়ে টান হৈ পৰিছিল যদিও তেওঁলোকে বাপুক যিমানদূৰ সম্ভৱ নিজৰ লগত ৰাখিবলৈ চাইছিল। ফলত বাপুৱে দিল্লী, বিহাৰ আৰু বঙ্গদেশত ঘুৰি ফুৰিছিল। মই প্ৰতাপ নগৰত থকা সময়ত, বেছিভাগ সময় বাপু দিল্লীত আছিল। তেওঁক বিহাৰৰপৰা আলোচনাৰ কাৰণে বিশষকৈ মাতি আনিছিল। দিল্লীৰপৰা তেওঁ দুটা চমু যাত্ৰা কৰিছিল। এটা কাশ্মীৰলৈ আৰু আনটো লাহোৰলৈ।

বাৰিষাৰ বাকী থকা দিনকেটা মোৰ প্ৰতাপ নগৰতে কটাবৰ ইচ্ছা আছিল। তাৰপৰা উলটি আহিহে পশুলোকত সজা-মেলাৰ কাম আৰম্ভ কৰিম বুলি ভাবিছিলোঁ। বাৰিষা কাৰণে ঘৰ-দুৱাৰ সজা কাম তেতিয়া বন্ধ আছিল। জুন মাহত সেই দীঘল বাটটো অতিক্ৰম কৰোঁতে মোৰ অত্যধিক পৰিশ্ৰম হোৱাৰ কাৰণে, সিমান ওখ ঠাইত মোৰ গা ভালে ৰাখিব পৰা নাছিলোঁ। সেইদেখি আগষ্ট মাহৰ প্ৰথম ভাগতে মই নামি আহিবলৈ ঠিক কৰিলোঁ।

পৰ্বতীয়া বাটেদি ঘোঁৰাৰে নামি অহাটো. ঘোঁৰা আৰু ঘোঁৰাচৰাৰী, কাৰো কাৰণেই বিশেষ সুবিধাজনক নহয়। মই তেহৰীলৈকে পূৰা ৯ মাইল বাট খোজকাঢ়ি আহিছিলোঁ। তল পাওঁ পাওঁ হওঁতে কষ্টদায়ক গুপগুপীয়া গৰম আৰম্ভ হৈছিল। ভিললাঙ্গানা নদীৰ দলং পাৰলৈ কিছুদূৰ থাকোঁতে, কেখনমান চিঠি আৰু বাতৰিকাগজ এখন মোৰ হাতত পৰিল। সেই দিনবিলাকত কাগজ মেলাটোৱেই এটা উদ্বেগজনক কাম আছিল। মই কাগজখনৰ ভাঁজটো খুলি দেখিলোঁ, সম্মুখৰ পৃষ্ঠাটোতে ডাঙৰ ডাঙৰ আখৰেৰে শুজৰ এটা আছিল যে বাপুৱে তেওঁৰ বাকী দিনকেটা পাকিস্তানত কটাবলৈ সিদ্ধান্ত কৰিছে। এনেকুৱা আচৰিত খবৰৰ কাৰণে সদায় সাজু থাকিব লাগিব বুলি জানিছিলোঁ। তথাপি এই খবৰটোৱে মনৰ মাজত ভয়ানক তোলপাৰ লগাইছিল।

আমি দলংখন পালোঁগৈ। মনা আগে আগে, মই পিছে পিছে গৈ আছিলোঁ। দলংখনব সিটো মুবে নামিব খোজাঁতেই মোব পবি যাওঁ পবি যাওঁ যেন লাগিছিল। আলিব দাঁতিত বস্তা কিছুমান আছিল। সেইখিনলৈ বেগাবেগিকৈ গৈ মই মূর্ছিত হৈ পবিছিলোঁ। মোব মনত পবা প্রথম কথাটো আছিল, হম্, হম্, হম্‌কৈ মনাই মতা মাতটো। সি চাবিওফালে খুবি-পকি মোবনো কি হৈছে জানিবব কাবণে উদ্‌গ্রীব হৈ পবিছিল। মই পানী অলপ খুজিছিলোঁ। কিন্তু খাবলৈ লওঁতেই গিলাছটো মোব হাতবপবা সবি পবিল। মই আকৌ অচেতন হৈ পবিলোঁ। পিচবাব ভাল হৈ দেখিলোঁ, ওচবতে থকা মানুহ এষবব-পবা বিছনা এখন আক অলপ বাদামব চাহ আনিছে। অতি সোনকালে মই আচবিত বকমে সুস্থ হৈ উঠিলোঁ। মনাই ওচবতে থিয় হৈ চাই আছিল। মই তাব ওপবত উঠি জজব ঘবলৈ গৈছিলোঁ। আমি তেওঁব তাতে থকাব কথা আছিল।

পিচাদনাই মই শুচি আহিবলৈ ওলাইছিলোঁ। কিন্তু গৃহস্থই কোনো-পধ্যেই এনে কথা শুনিব মুখুজিলে। তেওঁ দুই তিনিদিনমান মোক তেওঁব তাতে থাকি জিবণি লবলৈ টানি ধবিছিল। মনাই কথাটো বব ভাল পাইছিল। কাবণ, সি জজব ঘাঁহনি পথাবখনত চবিব পাবিছিল। মোবো কোঠালিব বাবাণ্ডা আক ঘাঁহনিখন লগালগি হোৱা কাবণে সি বেগেতে ছবাবমুখলে যোৱা বাটটো পালে আক দুপবীয়া খোৱাব পবত তাতে থিয় হৈ কটি বিচাবিব পাবিছিল। মই তাব এনে ব্যবহাবব প্রতিবাদ কবি কৈছিলোঁ, "আমি হমাঁ আলহীহে! ইয়াত ঘোঁবা ঘবব ভিতবলৈ আহিব নেপায়।" পিচে মোব সেইবিলাক শিকনিয়ে একো কাম নিদিলে। আমাব দয়ালু গৃহস্থজনে উঠি তাক সময় নকবালৈকে মনাই এক ইঞ্চি এক ইঞ্চিকৈ জজব চকীখনব পিছফালৈ আগবাঢ়ি আহি থাকে।

মহাবজাই মোব অসুস্থতাব বাতবি শুনি, দয়াপববশ হৈ, তেওঁব বাজধানী নবেন্দ্রনগবলৈ মোক লৈ যাবলৈ কাব এখন পঠাই দিছিল। নবেন্দ্রনগবখন হৃষীকেশব ঠিক ওপবলৈ তিনি হেজাব ফুটমান ওখত বুনীয়াকে পাহাব ল'বাটোবে সৈতে মনা পিচত আহিছিল। ক্ষমতা হস্তান্তব কবাব দিন ১৫ আগষ্ট ক্রমান্বয়ে চমু চাপি আহিল। এই উদ্দেশ্যে হোৱা উৎসব-সমাবোহ আদি পাব হৈ নোযোবালৈকে মই ভৈয়ামলৈ নামি যাবলৈ ইচ্ছা কবা নাছিলোঁ। সেই সময়ব বাতাববণব মাজত আনন্দ উৎসব কবিবব কাবো ইচ্ছা নহয়।

আমি য'ত আছিলো, সেই গেষ্ট হাউছটোৰপৰা তলত ভৈয়ামৰ আশ্চৰ্যজনক দৃশ্য দেখা গৈছিল। পোন্ধৰ আগষ্টৰ দিনা গধূলি হৃষীকেশ, হৰিদ্বাৰ আৰু ডেৰাডুনত জ্বলোৱা বস্তিৰ জিক্‌মিকনি দেখিবলৈ পোৱা গৈছিল। স্বাধীনতা তেন্তে আহিল কিন্তু লগতে আৰু কি আহিল! শ শ, হাজাৰ হাজাৰ ভগনীয়া ইতিপূৰ্বে আহিছে বা বিলিফ কেম্পবিলাকত ভিৰ কৰিছেহি, সাম্প্ৰদায়িক সংঘৰ্ষত হাজাৰ হাজাৰ মানুহক হত্যা কৰা হৈছে, আৰু যিকোনো এদিন আকৌ হাজাৰ হাজাৰ মানুহৰ হত্যাকাণ্ড ঘটিব পাৰে!

খবৰ আহিছিল যে বাপু ইতিপূৰ্বে কলিকতালৈ গৈছে আৰু চুৰাৱৰ্দীৰে সৈতে মুছলমানৰ বস্তি অঞ্চলত আছেগৈ। এনে অৱস্থাত ধীৰ-স্থিৰভাৱে নিজৰ কাম কৰি যোৱাৰ বাহিৰে, আন কৰিবলৈ একো নাছিল। কিন্তু পণ্ডুলোকলৈ উভতি অহাৰ আগতে মই এবাৰ দিল্লীলৈ গৈ বুকুখন পৰীক্ষা কৰোৱা ভাল হ'ব বুলি ভাবিছিলোঁ। বাপুৱে কলিকতাত কি অসাধাৰণ বিপদৰ আশঙ্কাৰ মাজত থাকিবলগীয়া হৈছিল, বিৰলা ভৱনলৈ গৈ মই সেইবিলাক শুনিছিলোঁ। তেওঁ থকা মুছলমান মানুহৰ ঘৰখন, সাম্প্ৰদায়িক হিন্দুদলবিলাকে আক্ৰমণ কৰি চিঞৰিছিল: "গান্ধী উভতি যোৱা। মুছলমান-সকল ইয়াত থাকিব নোৱাৰে।" তাৰ পিচত তেওঁলোকে খিৰিকী-দৰজা ঢকিয়াই ভাঙি, চুৰাৱৰ্দীক বিচাৰি ফুৰিছিল। এই পৰিস্থিতিত বাপুৱে যেনেকৈ নিৰ্ভীক আৰু শান্তভাৱে কাম কৰিছিল, তাৰ ফলত জনতাই নিজৰ ভুল বুজিলে আৰু শান্ত হৈ পৰিল। ইয়াৰ দ্বাৰাই গোটেই কলিকতাতে সুস্থ পৰিবেশৰ সৃষ্টি হৈছিল। কিবা এটা যেন অলৌকিক ঘটনা ঘটিল। ১২ আগষ্টৰ আগ মুহূৰ্তৰ বিকট কুৎসিৎ পৰিস্থিতি, হঠাৎ বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ মাজত ভাতৃত্ব ভাৱলৈ আৰু উন্মত্ত আনন্দোৎসৱলৈ ৰূপান্তৰিত হ'ল। চাৰিওপিনৰপৰা বাপুলৈ অভিনন্দন আহিবলৈ ধৰিলে। লৰ্ডমাউণ্টবেটেনে বাপুলৈ তেওঁৰ সেই বিখ্যাত চিঠিখনত বাপুক এজনীয়া সীমান্তৰক্ষী বাহিনী বুলি অভিনন্দন জনাই কৈছিল যে তেওঁৰ তত্ত্বাৱধানত সেই অঞ্চলত ক'তো সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাই; কিন্তু সিফালে পঞ্জাৱত তেওঁলোকৰ হাতত পচপন্ন হাজাৰ সৈন্য আছে, তাত ব্যাপকভাৱে সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল।

কিন্তু বাপুৱে তেতিয়াও শান্তি পোৱা নাছিল। তেওঁ তেতিয়াৰ প্ৰতিক্ৰিয়াৰ বিপদ অনুভৱ কৰিছিল। মোলৈ এখন চিঠিত তেখেতে লিখিছিল:

জনতাই আনন্দ কবিছে হয়, কিন্তু মই আনন্দ পোৱা নাই···। হিন্দু মুছলমান এই ঐক্য এনে আচম্বিতে হৈছে যে সি প্রকৃত নহবও পাবে।

বিশেষজ্ঞ এজনে পবীক্ষা কবি মোব হৃৎপিণ্ড সম্পূর্ণ সুস্থ অৱস্থাত আছে বুলি কৈছিল। কিন্তু অত্যধিক শাৰীবিক আৰু মানসিক পবিশ্রমব ফলত মাজে মাজে নাড়ীব ধপধপনি নোহোৱা হৈছে গণ্ডগোল লগাইছিল। যিমান সোনকালে পাৰোঁ পণ্ডুলোকলৈ উভতি গৈ কামত লাগিমগৈ বুলি ভাবি থাকোঁতেই হঠাতে মই মেলিগনেণ্ট মেলেবিয়াত আক্রান্ত হৈ পবিলোঁ।

ব্যাপক সংঘর্ষব ফলত পঞ্জাবত, একো একো অঞ্চলব সমূহ বাইজ উৎপীড়িত হৈ পবিছিল। পঞ্জাব প্রদেশব সাহসী আৰু উদ্দীপ্ত শিখ সম্প্রদায়ে দেশ বিভাজনব ফলত ভয়ানকভাবে আঘাত পাইছিল। কৃষক হিচাপে তেওঁলোকব পবিশ্রমব ফল স্বৰূপে, যিটো অঞ্চল ভাৰতবর্ষব শস্যব ভঁবাল হৈ পবিছিল, সেই অঞ্চলটোক কাটি দুটুকুবা কবা হ'ল। সাম্প্রদায়িক সংঘর্ষব হিংসাত্মক কাম ই তীব্র কবি তুলিছিল। ইয়াব ফলত হিন্দু-মুছলমান দুয়ো সম্প্রদায়ব লোকে বাস কবা পঞ্জাবব সীমাত থকা দিল্লী নগব ভগনীয়াবে ভবি পবিছিল। তেওঁলোকব শোচনীয় অৱস্থা আৰু ভয়ানক ঘটনাবিলাকব কাহিনীয়ে পবিস্থিতিটো উত্তেজনাপূর্ণ কবি তুলিছিল।

মোব জ্বব হৈ থকা অৱস্থাতে শুনিলোঁ যে নগবত আকৌ সংঘর্ষ আবম্ভ হৈছে। তাব পিচত শুনিলোঁ যে কলিকতাতো আকৌ সংঘর্ষ আবম্ভ হৈছে আৰু বাপু থকা ঘবত আকৌ আক্রমণ হোৱাত প্রথমবাব শিলগুটিব আৰু দ্বিতীয়বাব লাঠীব আঘাতবপবা তেওঁ কথমপিহে বক্ষা পবিল। এই খববব পিচত আন এটা খবব আহিল যে মাবধব বন্ধ কবিবব কাবণে বাপুয়ে অনশন কবিছে। জ্বব, তাতে এই খবববিলাক শুনি মোব মূব ঘূবিবলৈ ধবিলে। "ঈশ্বব আমাব একমাত্র আশা"—এই ভাবটোকে মই আঁকোৱালি ধবি আছিলোঁ।

গণ্ডগোল হোৱা ঠাইবপবা বিবলা হাউছ কিছু দূবত হোৱা সত্ত্বেও বিছনাবেপবা মই বাইফল মবা শুনিবলৈ পাইছিলোঁ। মোব অৱস্থা অলপ বেয়া হোৱা কাবণে এজন বিখ্যাত চিকিৎসক—ডাঃ যোশীক মতা হৈছিল। তেওঁ তাব পিচদিনাও আহিছিল। কিন্তু তৃতীয় দিনা তেখেত নাহিল। পথুলি আমি শুনিলো যে তেওঁব ঘবব কাষব বাস্তাটোতে তেওঁক গুলীয়াই মাবিলে।

অন্ধকাৰৰ মাজেদি সম্প্ৰতি এটা পোহৰৰ ৰেঙণি আহিল। কলিকতাত সাম্প্ৰদায়িক শান্তি স্থাপিত হৈছে আৰু বাপুৱে তেওঁৰ অনশন ভঙ্গ কৰিছে।

দিল্লীত সংঘৰ্ষ আৰম্ভ হোৱাৰ আগতেই লৰ্ড মাউণ্টবেটেন আৰু জৱাহৰলাল নেহৰুৱে বাপুক পঞ্জাবলৈ মাতিছিল। তেওঁলোকে ভালকৈ হৃদয়ঙ্গম কৰিছিল যে শান্তি আৰু স্থিৰতা আনিব পৰা বাপুৰ ক্ষমতাৰ প্ৰভাৱত যি কাম হ'ব, পুলিচ আৰু সৈন্যবাহিনীৰ দ্বাৰা সি সম্ভৱপৰ নহয়। কিন্তু কলিকতাত গণ্ডগোল হোৱা আৰু বাপুৱে অনশন কৰাৰ পিচত অতি দুৰ্বল হৈ পৰাৰ খবৰ শুনাৰ পিচত, তেওঁ সোনকালে আহিব পাৰিব বুলি কোনেও আশা কৰা নাছিল। বিছনাত পৰি মই এইবিলাক কথাকে ভবা-চিন্তা কৰি থাকোঁতে, উৎফুল্ল চেহেৰাৰে কোনোবা এজন কোঠাটোলৈ সোমাই আহিছিল। "বাপু আহিব লাগিছে।" মই ঘপ কৰে উঠি বহিলোঁ। ইতিমধ্যে ঘৰটো ঠিক্‌ঠাক কৰাৰ গুণগুণনি উঠিছিল। বাৰাণ্ডাবিলাকত উৎসুক মাত-বোল শুনা গৈছিল। মাজে-সময়ে কোনো কোনোৱে উৎফুল্লিত হৈ হাঁহি মাৰি কোঠাটোত ভুমুকি মাৰিছিল। দিনটো সৰকি যোৱাৰ আগতেই মই উঠি ইফাল-সিফাল কৰিছিলোঁ। কিন্তু মেলেৰিয়া জ্বৰৰ পিচত তেতিয়াও মোৰ গা থৰক্-ৱৰক্ হৈ আছিল।

ভঙ্গীকলনি ভগনীয়াৱে উপচি পৰাত বাপু তাত থকাৰ প্ৰশ্নই উঠা নাছিল। সেইদেখি বিৰলা হাউছৰ সেই পৰিচিত বাগিছাৰ পিনলৈ মুখ কৰি থকা কোণৰ কোঠালীটো বাপুৰ কাৰণে সাজু কৰি থোৱা হৈছিল। আগতে সেই কোঠাটোতে আমি প্ৰায়ে আছিলো।

দিল্লীৰ বাহিৰত থকা সৰু ষ্টেশ্যন এটালৈ কাৰ পঠিওৱা হ'ল। দিল্লীৰ প্ৰধান ৰেলষ্টেশ্যনৰ ভিৰৰ হাত সাৰিবৰ কাৰণে তেওঁলোকে তাৰেপৰাই বাপুক লৈ আহিছিল। কৃশকায় দুৰ্বল বাপু ঘৰটোলৈ সোমাই আহোঁতে অনুমান হ'ল, তেওঁ যেন অশৰীৰী আত্মপুৰুষ। চাৰিওকাষে ঘেৰি থকা উদ্‌গ্ৰীৱ-উদ্বিগ্ন লোকসকলক তেওঁ তেওঁৰ সেই সৰল হাঁহি-কৌতুকেৰে উদ্ভাসিত মুখখনেৰে সম্ভাষণ জনাইছিল; যি হাঁহি-কৌতুকে সদায় গধুৰ পৰিবেশ লঘু কৰি তুলিছিল। স্নান-আহাৰ সমাপন কৰাৰ লগে লগে কথাবাৰ্তা, আলোচনা আদি আৰম্ভ হ'ল। বাপুৰ প্ৰতিক্ৰিয়া শান্ত, স্পষ্ট আৰু দৃঢ় আছিল। সুস্থ পৰিবেশ নৱৰ্তালৈকে তেওঁ ৰাজধানীতে থাকিবলৈ সিদ্ধান্ত কৰিছিল। লৰ্ড মাউণ্টবেটেন (এতিয়া স্বাধীন

ভাৰতৰ প্ৰথম শাসনতান্ত্ৰিক গৱৰ্ণৰ জেনেৰেল), আৰু মন্ত্ৰীসকলে যেতিয়া উচিত ভাবে তেতিয়াহে তেওঁ পঞ্জাবলৈ যাত্ৰা কৰিব।

বাপু আহিছে বুলি খবৰটো নগৰত প্ৰচাৰ হোৱাৰ লগে লগে গণ্ডগোল বন্ধ হ'বলৈ আৰম্ভ কৰিলে। বাইজৰ মনলৈ আনন্দভাব আহিছিল।

অকণো পলম নকৰাকৈ বাপুৱে কামত লাগি গৈছিল। প্ৰথমদিনাৰে-পৰা ইখনৰ পিচত সিখনকৈ তেওঁ ভগনীয়াৰ শিবিৰবিলাক পৰিদৰ্শন কৰি ফুৰিছিল। তাত থকা প্ৰতিজনেই আছিল একো একোকুৰা উমি উমি জ্বলি থকা জুই। হিন্দু, মুছলমান বা শিখ যিয়েই নহওক, তেওঁলোকৰ মানসিক অৱস্থা আছিল জীৱনৰ প্ৰতি কোনো মমতা নথকা উদাস্য, বিপৰ্যস্ত। বাপু এই সকলৰ সন্মুখীন হ'ব লগীয়া হৈছিল। কিন্তু তেওঁৰ শান্ত সাহসী আচৰণে এক সকলোৰে প্ৰতি সমানভাৱে দেখুৱা মৰমৰ ভাবে তেওঁলোকৰ খং শান্ত কটাইছিল আৰু বাপুৰ আগত তেওঁলোকৰ অসীম দুখ-কষ্টৰ কথা কোনাবোৰে উৎসাহী কৰি তুলিছিল। তেওঁলোকৰ দুখ-কষ্ট সঁচাকৈয়ে প্ৰকট আছিল, কাৰণ, কমপক্ষে যি আনে যিমানেই নকৰক লাগিলে, কেতিয়াও অন্ত নপৰাকৈ আহি থকা ভগনীয়াসকলৰ সকলো অভাব-অভিযোগ পূৰণ কৰা সম্ভৱপৰ নাছিল। ইয়াৰ অৰ্থ হ'ল এয়ে যে, ব্যাপকভাৱে দেখা দিয়া সাম্প্ৰদায়িক গণ্ডগোল শান্ত কাটিলে যদিও দিল্লীত শান্তি প্ৰতিষ্ঠা হোৱা নাছিল। দিল্লী বাস্তুবিকতে যিকোনো মুহূৰ্ততে উতলি উঠিব পৰাকৈ উতলিবলৈ সাঁহাৰি থকা কেৰাহ এটাৰ নিচিনা আছিল।

এনে অৱস্থাত এই কথা পৰিষ্কাৰ হৈ পৰিছিল যে বাপু ৰাজধানীত অনিৰ্দিষ্ট কাললৈ থাকিব লাগিব। যদিও বাপুৱে অৱস্থাৰ ওচৰত আত্ম সমৰ্পণ কৰিছিল তথাপিও তেওঁ পঞ্জাব আৰু পাকিস্তানলৈ যোৱাৰ কথা সদায়েই ভাবি আছিল।

অলপ দিন নৌ যাওঁতেই যুক্ত প্ৰদেশৰ উত্তৰ-পশ্চিম অঞ্চলত সাম্প্ৰদায়িক সংঘৰ্ষ আকৌ আৰম্ভ হোৱাৰ বাতৰি আহিল। কিয়াণ আশ্ৰমো সেই অঞ্চলত পৰে। মই তালৈ যোৱাৰ ইচ্ছাৰ কথা বাপুক ক'লোঁ। মোৰ স্বাস্থ্যৰ অজুহাত দেখুৱাই, তেওঁ সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে। ঠিক সেইদৰেই, তেওঁ শিবিৰ-বিলাক পৰিদৰ্শন কৰিবলৈ যাওঁতেও কেতিয়াও মোক লগত নিয়া নাছিল। তেওঁ কৈছিল যে অসুস্থসকল বাটৰ বাধা আৰু সেই দেখি মোৰ প্ৰথম আৰু প্ৰধান

কৰ্ত্তব্য হৈছে ভাল হৈ উঠা।' সেই দেখি মই ওলাব পৰা নাছিলো। কিন্তু প্ৰতিবাৰেই বাপু যেতিয়া বাহিৰলৈ ওলাই যায়, মই তেওঁৰ লগত সমুখৰ দুৱাৰখনৰ ওচৰলৈকে গৈ তেওঁক নজনা বাজ্যলৈ লৈ যোৱা কাৰখনৰ ফালে থিয় দি চাই বৈছিলোঁ। ঈশ্বৰৰ ইচ্ছা হলে বাপু জীৱিত অৱস্থাৰে উভতি আহিব, অথবা·····। বিৰলা হাউছৰ উদ্যানৰ সিমূৰে অনুষ্ঠিত হোৱা প্ৰাৰ্থনা সভা-বিলাকৰ সময়তো দুশ্চিন্তাই মোৰ মন গধুৰ কৰি ৰাখিছিল। সময়ে সময়ে একোবাৰ নাড়ীৰ গতি বন্ধ থকাৰ কাৰণে মই বেছিপৰ প্ৰাৰ্থনা সভাত একেথৰে বহি থাকিলে মোৰ মুৰ ঘুৰোৱা যেন লাগিছিল। সেই দেখি মই লোহাৰ বেৰাৰ সিফালে থকা শাকনি বাৰীত—য'ৰপৰা কথাবোৰ শুনা গৈছিল, খোজকাঢ়ি ফুৰিছিলোঁ।

ধৰমপালক মই কিষাণ আশ্ৰমৰ বাতৰি লবলৈ পঠিয়াইছিলোঁ। তেওঁ আহি সু খবৰটো দিলে। কিষাণ আশ্ৰমৰপৰা অলপ দূৰতে গণ্ডগোল হৈছিল যদিও আশ্ৰমৰ চাৰিওফালে থকা গাঁওবিলাকত ক'তো কোনো গণ্ডগোল হোৱা নাছিল। আশ্ৰমৰ অধিবাসীসকলে হাতত কোনো অস্ত্ৰ-শস্ত্ৰ বা আনকি লাঠী এডালো নোলোৱাকৈ গাঁৱে গাঁৱে ঘুৰি ফুৰিছিল। নিশ্চয় ইয়ে অৱস্থাটো শান্ত কৰি তুলিছিল। এদিন মাজনিশা তেওঁলোকে আধামাইলমান দূৰতে থকা মুছলমান গাঁৱৰপৰা খবৰ এটা পাইছিল। পোনে পোনে তেওঁলোক তালৈ গৈছিল। তেওঁলোকৰ উপস্থিতিৰ কাৰণেই তাত গণ্ডগোল হ'ব নোৱাৰিলে।

তেনেকুৱা যিকোনো খবৰেও বাপুক আনন্দ দিছিল। কেতিয়াবা, অৰণ্যে নিশ্চয় এই বলিয়ালিৰ অন্ত পৰিব আৰু মানুহে আকৌ একেলগে শান্তিৰে বসবাস কৰিব। এই সাম্প্ৰদায়িক অশান্তিতকৈয়ো ডাঙৰ দুখে বাপুৰ মন ভাৰাক্ৰান্ত কৰি তুলিছিল। ইয়াৰ আগতে কেতিয়াও তেওঁক মই তেওঁৰ অন্তৰ ইমান বিষণ্ণ দেখা নাছিলোঁ। আলোচনা আৰু দেখা-সাক্ষাতৰ মাজত, কেতিয়াবা যেতিয়া তেওঁ অকলশৰে থাকে, তেতিয়া তেওঁৰ মুখখন গভীৰ চিন্তাক্লিষ্ট হৈ পৰে। চেপি ৰখা দীৰ্ঘশ্বাস আৰু মাজে মাজে মুখৰ ভিতৰতে কোৱাৰ দৰে কোৱা 'হে ৰাম' শব্দই আত্মাৰ গভীৰ দুখৰ কথা প্ৰকাশ কৰিছিল।

এদিন মই বাপুক কলোগৈ যে মই আগতে যুদ্ধকালত কৰাৰ দৰে সামৰিক বিষয়াসকলৰ ওচৰলৈ গৈ, তেওঁলোকৰ লগতে কথাবিলাক আলোচনা কৰিবগৈ

পাৰোঁ। সেইদিনা সোমবাৰ। মৌনব্ৰতত থকাৰ কাৰণে বাপুৱে কাগজ এটুকুৰাত হিজিবিজিকৈ লিখিছিল :

> এইবিলাক পুৰণি দিন নহয়। এতিয়া চকৰিৰ ভিতৰত আকৌ চকৰি। এই সামৰিক লোকসকলক লগ ধৰি তুমি কোনো আৱশ্যকীয় সেৱা কৰিব নোৱাৰা। তেওঁলোকে তোমাক বন্ধুভাৱে কেৱল সুন্দৰকৈ অভ্যৰ্থনা জনাব। তাতকৈ বেছি একো নকৰে। মোৰ এযে প্ৰতিক্ৰিয়া। মোৰ নিজস্ব ধাৰা আজিকালি অপ্ৰচলিত। কিন্তু তাৰ বাহিৰে আন কথা মই ঢুকি পোৱাত নাই।

কাশ্মীৰ সম্বন্ধেও বাপুৰ সেই একে কষ্ট মই দেখিছিলোঁ। সম্প্ৰতি পাকিস্থানৰফালৰপৰা জনজাতিসকলে নিষ্ঠুৰভাৱে কাশ্মীৰ আক্ৰমণ কৰিছিল। বাপুৱে সামৰিক বাহিনী প্ৰয়োগ কৰাত আপত্তি কৰা নাছিল এই কাৰণে নহয় যে তেওঁ সেই প্ৰণালী ভাল পাইছিল, তেওঁ জানিছিল যে গৱৰ্ণমেণ্টে অন্য প্ৰকাৰে উপস্থিত পৰিস্থিতিৰ সন্মুখীন হ'ব নোৱাৰে। সামৰিক প্ৰণালী ব্যৱহাৰ কৰিবলৈ যেনেকৈ আগতে শিক্ষা লোৱা দৰকাৰ, সেইদৰে আপুনি যদি অহিংস প্ৰণালী ব্যবহাৰ কৰিব খোজে তেন্তে তাৰ কাৰণেও আগতীয়াকৈ শিক্ষা লোৱা দৰকাৰ। কিন্তু এতিয়া কংগ্ৰেছৰ নেতাসকলে বৃটিছসকলৰ হাতৰপৰা যুঁজাৰু সৈন্যবাহিনী উত্তৰাধিকাৰী সূত্ৰে পাইছে, এতিয়া অহিংস প্ৰণালীৰ শিক্ষা চালু ৰখাৰ ইচ্ছা, তেওঁলোকৰ মনৰপৰা আঁতৰিছে। বাপুৱে কোনো ওজৰ-আপত্তি তোলা নাছিল। তেওঁ জানিছিল যে সত্যাগ্ৰহৰ যুদ্ধৰ সময়তো তেওঁৰ প্ৰধান সহকৰ্মীসকলে অহিংসা এটা যুদ্ধৰ কৌশল হিচাপেহে গ্ৰহণ কৰিছিল। তথাপি তেওঁ নিশ্চয় এই আশা কৰিছিল যে বৃটিছ শাসন অন্ত পেলোৱাত এই অহিংস প্ৰণালীৰ অসাধাৰণ কৃতকাৰ্যতাৰ কাৰণে হয়তো স্বাধীন ভাৰততো ইয়াৰ উপযোগিতা থাকিব। এটা কথা বাপুৱে পৰিষ্কাৰকৈ জনাই দিছিল যে আত্মৰক্ষাৰ কাৰণে তেওঁলোকে যি প্ৰণালীকে গ্ৰহণ নকৰক কিয়, এশত এশভাগ সাহস তাত লাগিব আৰু এজনো জীয়াই থকালৈকে সামৰিক বাহিনীয়ে মৃত্যুবৰণ কৰা চাবলৈ তেওঁ প্ৰস্তুত থাকিব। তেওঁৰ মতে ভয়শূন্যতা সকলো প্ৰচেষ্টাৰে প্ৰথম আৰু মূল গুণ অহিংসাৰ আন আন অধিকতৰ মৌলিক আৰু প্ৰধান দিশৰ ভিতৰত এটা হৈছে বিকেন্দ্ৰীভূত গ্ৰাম্য অৰ্থনীতি। তাকো অৱহেলা কৰা হৈছে। ১৯৩৮ চনত কংগ্ৰেছে জাতীয়

পৰিকল্পনা সমিতি প্ৰতিষ্ঠা কৰিছিল। সেই সময়তে এই কথা সুস্পষ্ট হৈ পৰিছিল যে তেওঁলোকে ভাৰততো পশ্চিমীয়া ধৰণে উদ্যোগীকৰণ কৰিবলৈ ইচ্ছা কৰে। এতিয়া দেখা গৈছে যে তেওঁলোক সম্পূৰ্ণৰূপে সেইফালেই ঢাল খাইছে। এই সকলোবিলাকৰ লগতে মই ভাবো যে ই এটা স্বাভাৱিক পৰিণতি। কংগ্ৰেছ নেতাসকলে তেওঁলোকৰ নতুন আচৰণৰ লগত খাপখুৱাই ভাল ভাল গৱৰ্ণমেণ্ট বাঙলাবিলাকত থাকিবলৈ লৈছিল আৰু আনকি ৰবলাটৰ প্ৰাসাদটোকো বাদ দিয়া হোৱা নাছিল।

বাপুৱে তেওঁৰ প্ৰশান্ত দূৰদৃষ্টিৰে দেখিছিল শান্তি আৰু স্থিৰতাৰ বাট দেখুৱা, সৰল-সহজ স্বাস্থ্যসম্পন্ন সুখী ভাৰতবৰ্ষ এখনৰ ছবি। কিন্তু এতিয়া যিখন ভাৰতবৰ্ষ দৃষ্টিৰ সমুখলৈ ওলাই আহিছে, এনেহে অনুমান হয়, যেন তেওঁ সেই ভাৰতত জীয়াই থাকিবকে নোখোজে।

"এই স্বাধীনতা সম্বন্ধে তুমি কি ভাবা নেজানো।"

এদিন তেওঁ এইদৰে কোনোবা এজনক কোৱা মই শুনিছিলোঁ।

"মোৰ কাৰণে ই এক ভ্ৰমমুক্তি।"

অক্লান্তভাৱে তেওঁ শান্তি প্ৰতিষ্ঠাৰ কাম কৰি গৈছিল। কিন্তু তেওঁৰ জীৱনৰ স্বাদ নোহোৱা হৈছিল। আগতে তেওঁ এশ পঁচিশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰিছিল, যাতে ভাৰতবৰ্ষক ঠিক বাটত প্ৰতিষ্ঠা কৰি যাব পাৰে। কিন্তু এতিয়া সিমান দিন জীয়াই থাকি কি লাভ ?

সেই দিনবিলাকত বাপুলৈ চালে হৃদয় বিদীৰ্ণ হৈছিল। এই চিন্তাই দুঃস্বপ্নৰ দৰে মোৰ লগ নেৰা হৈছিল যে এবাৰ যেতিয়া তেওঁৰ জীয়াই থকাৰ বাসনা লোপ পাইছে তেওঁ ইহ সংসাৰত আৰু নেথাকিব। তেওঁ প্ৰায়ে কৈছিল : "যেতিয়ালৈকে মোৰ কাম আছে, তেতিয়ালৈকে ঈশ্বৰে মোক বাট দেখুৱাই নিব। কিন্তু যি মুহূৰ্তত সেই সময় পাৰ হ'ব, তেতিয়া আৰু মানুহৰ কোনো চেষ্টায়েই মোক ৰক্ষা কৰিব নোৱাৰিব।"

"বাপুৰ জীৱনৰ প্ৰতি ৰুচি আৰু আনন্দ ফিৰাই আনিবৰ কাৰণে কিবা কৰিব পাৰিনে ?" এইদৰে মই নিজকে নিজে সুধিছিলোঁ। এইধৰণে ভাবি মই এদিন বাপুক ক'লো :

"ৰবলাটৰ প্ৰাসাদৰ 'গ'ল্‌ফ' খেলা ঠাইত আপোনাক মই এটা মাটিৰ কুটীৰ সাজি দিওঁ, তাত বহুতো মাটি এনেয়ে নষ্ট হৈ পৰি আছে। তাত নতুন

শাসকসকলব নাকব সমুখতে যদি আপুনি থাকিবলৈ লয়, তেন্তে সোনকালেই হওক বা পলমকৈয়ে হওক, তেওঁলোকে তওঁলোকব প্রাসাদোপম ঘবিলাকব পবা ওলাই আহি সাধাবণভাবে বাস কবিবলৈ বাধা হ'ব। এইদবে লাহে লাহে হযতো বাতাববণ সলনি হ'ব।" বাপুৰে হাঁহি কৈছিল :

"তেনেকুৱা কোনো কথা চিন্তা কবাব আগতে, প্রথমতে মই ভাবি থকা মতে মোক খোজকাঢ়ি পাঞ্জাব প্রদেশ ভ্রমণ শেষ কবি আহিবলৈ দিয়া"। ভবিষ্যত অন্ধকাব দেখা গৈছিল। কেদিনমানব পিচতে মই থাপুক যদিছিলোঁ, পশুলোকব গো কেন্দ্র প্রস্তুত হ'লে, তেওঁ তাব দ্বাব উদ্ঘাটন কবিবলৈ আহিবনে নাহে ?

"মৃতদেহ এটাক লেখত ললে কি হ'ব ?"..... মোব অন্তব একবাবে ভাগি গৈছিল, অন্যান্যসকলব আগতো কেও অদ্ভুত মন্তব্যবিলাক কবিছিল। সেইবিলাক আগজাননী যেন লাগিছিল। কিন্তু এনে অবস্থা তো তাঁহা বাখি বাহিবে উৎফুল্ল হৈ থাকিবলগীযা হৈছিল।

ভিতবি ভিতবি এই বিষণ্ণতা সত্বেও বাপুৰে বহু পবিমাণে তেওঁব সেই পুবণি প্রফুল্ল স্বভাব বক্ষা কবিছিল। তেওঁব চাবিওফালে থকাসকলেও বিষণ্ণতাব বতব যাতে সৃষ্টি নহয়, তাব কাবণে অহোপুৰুষার্থ কবিছিল।

এতিয়া ডিচেম্বব মাহ পালেহি। বাপু দিল্লী আহি পাবাব তিনি মাহতকৈয়ো সবহদিন পাব হৈ গ'ল। কিন্তু এতিয়া অবস্থা এনেকুৱা আছিল যে মানুহে আৰু কিছুদিন তেওঁক দিল্লীত থাকিবলৈ প্রার্থনা জনাইছিল, নহলে হয়তো অবস্থা আকৌ আয়ত্তব বাহিবলৈ যাব পাবে। মোব স্বাস্থ্যব কিছু উন্নতি হ'লত মই ভাবিলোঁ যে পশুলোকলৈ উলটি যোৱাতো মোব কৰ্তব্য। এতিয়াব অবস্থাত বাপুক এবি যোৱাটো বিশেষ কষ্টদায়ক আছিল যদিও মই নিজকে আজুবি আঁতবাই নিছিলোঁ। সেইদিনা আছিল ডিচেম্বৰৰ ১৮ তাবিখ। এমাহ নৌ হওঁতে দিল্লীত আকৌ কিছু সাম্প্রদায়িক গণ্ডগোল হোৱাব বাতবি আহিছিল। তাব পিচত বাপুৰপবা এখন চিঠি আহিল যে তেওঁ অনশন আবম্ভ কবিছে। চিঠিখনব শেষত তেখেতে লিখিছিল :

মই অনশন কৰিছো বুলি ইয়াঁলে লৰি নাহিবা। মোৰ অনশনক মই যজ্ঞ বুলি কওঁ। মোৰ এই যজ্ঞই বিচাৰে, যেয়ে য'তে আছে তাতে তেওঁ নিজৰ নিজৰ কৰ্তব্য পালন কৰিব। যদি অধিক সংখ্যকে এনে কৰে তেন্তে নিশ্চয় মই এই অগ্নিপৰীক্ষাত উত্তীৰ্ণ হ'ম। ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখি য'তে আছা ত'তে থাকা।

১৬-১-৪৮

গতিকে মই অপেক্ষা কৰি প্ৰাৰ্থনা কৰি নিজৰ কাম কৰি গৈছিলোঁ।

তিনিদিনৰ ভিতৰতে যজ্ঞৰ ফল ফলিল। দিল্লীত সাম্প্ৰদায়িক শান্তি প্ৰতিষ্ঠা হ'ল। এইবাৰ অধিকতৰ দৃঢ়ভেটিত শান্তি প্ৰতিষ্ঠিত হ'ল। জানুৱাৰীৰ ১৯ তাৰিখে বাপুৱে অনশন ভঙ্গ কৰিলে।

১৯৪৮ চনৰ জানুৱাৰী মাহৰ ১৯ তাৰিখে মই বাপুৰপৰা এখন পোষ্টকাৰ্ড পাইছিলোঁ। তাত তেখেতে লিখিছিল :

"সকলো উদ্বিগ্নতাৰ অন্ত পৰিল"।

কিন্তু এই পোষ্টকাৰ্ডখন আহি পাওঁতে নৌ পাওঁতেই খবৰ পালোঁ যে বিশ জানুৱাৰী তাৰিখে বিৰলা হাউছৰ প্ৰাৰ্থনা সভাত বাপু বহি থকা ঠাইৰপৰা বিশগজমান আঁতৰতে এটা বোমা ফুটিছিল। কোনো আহত হোৱা নাছিল। কিন্তু ইয়াৰ অৰ্থ কি? খবৰবিলাক পৰস্পৰ-বিৰোধী ধৰণৰ আছিল। পিচদিনা আবেলি প্ৰাৰ্থনা সভাৰ অন্তত দিয়া বাপুৰ বক্তৃতা হৃষীকেশত থকা বন্ধুসকলে ৰেডিঅ'ত শুনি আহি যি কৈছিল, তাৰপৰা এই বোমাৰ অৰ্থ বুজিবলৈ আৰু একো বাকী নেথাকিল। তেওঁলোকে মোক কৈছিল, বাপুৱে বোলে কৈছিল বিস্ফোৰণটো বোমাৰপৰা হৈছে আৰু তেওঁলৈকে মৰা হৈছে বুলি। প্ৰাৰ্থনা শেষ নোহোৱালৈকে তেওঁ বুজিব পৰা নাছিল। সেই কাৰণে তেওঁ যি ধৈৰ্য প্ৰদৰ্শন কৰিছিল তাৰ বাবে প্ৰশংসা পাবৰ তেওঁ যোগ্য নহয়। সেই প্ৰশংসাৰ তেওঁ যোগ্য হ'ব, যদিহে তেওঁ তেনে বোমা বিস্ফোৰণত মুখত হাঁহি লৈ আৰু আক্ৰমণ কৰোতাজনৰ প্ৰতি কোনো ক্ষোভ নেৰাখি মৃত্যুৰবণ কৰিব পাৰে। তাৰ পিচত বাপুৱে কৈছিল যে কোনেও যেন বোমা মাৰোতাজনৰ প্ৰতি খং বা অসন্তোষ প্ৰকাশ নকৰে। বোমা মাৰোতাজনে হয়তো ভাবিছে, হিন্দু ধৰ্মৰ শত্ৰুজনক আঁতৰ কৰাত ঈশ্বৰে তেওঁক হাঠিয়াৰ হিচাপে ব্যৱহাৰ কৰিছে। তাৰ পিচত তেওঁ পুলিচসকললৈ সেই ডেকাজনক জুলুম নকৰিবলৈ,

আৰু পাৰিলে তেওঁৰ মত পৰিবৰ্তনৰ কাৰণে চেষ্টা কৰিবলৈ আবেদন জনাইছিল। অৱশেষত দৰ্শকসকলক সম্বোধন কৰি বাপুৱে কৈছিল যে, এই ঘটনাটোৰপৰা তেওঁলোকে শিকা উচিত যে ভবিষ্যতে বহুতো বোমা বিস্ফোৰণ হলেও, গুলী বৰষী থাকিলেও, তেওঁলোকে প্ৰাৰ্থনা বন্ধ কৰি চলাই যাব লাগিব।

মোৰ কামো বহুত আছিল। তাৰ মাজতে মই নিজক সম্পূৰ্ণ ডুবাই ৰাখিছিলোঁ। প্ৰথম শাৰী গোহালী সজা হৈ উঠিল। আন এখাৰী গোহালী, পশুলোকৰ মাটিৰে আন এটা অংশত সজাৰ কাৰণে ঘাঁহ চিচাৰি উলিয়াব লগা হৈছিল। ষ্টাফসকলৰ থকা ঘৰ সাজি থকা হৈছিল আৰু মোৰ নিজৰ কুটিয়াটোৰ আধা কাম শেষ হৈছিল। সকলোবিলাক চাহ-পানীৰ কাৰণে মই অনবৰত ঘূৰি ফুৰিবলগীয়া হৈ আছিল। সেই দিনাবিলাকত মই গঙ্গাৰ পাৰত থকা কালি কমলিৱালাৰ গেষ্ট হাউছত আছিলোঁ।

৩০ জানুৱাৰীৰ দিনা কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিৰক্ষা বিভাগৰ এজন বিষয়া, মই যাঁত দ্বিতীয় শাৰী গোহালী সাজিবলৈ ঠিক কৰিছিলোঁ, সেই ঠাইডোখৰ চাবলৈ আহিছিল। গোটেই অঞ্চলটো এবাৰ, বিশেষ ঠাইডোখৰ বাছিছো, সেইটো স্পষ্টকৈ বুজাই দিবৰ কাৰণে মই এটা ছাঁ এটাৰ ওপৰত তুলি লৈ ওলাই গৈছিলোঁ। অঞ্চলটো 'পম্পাচ' ঘাঁহৰ মাজে মাজে খুন্দা, এটা কাঁহী ৰঙৰ মাটি আছে। মই মনতে ভাবি থোৱা ঠিক ঠাইডোখৰ তেওঁক আঙুলিয়াই দেখুৱাই দিছিলোঁ। তেওঁ ঠাইডোখৰ বেচ পচন্দ কৰিছিল। কথা কৈ আছিলহঁক আমি গেষ্ট হাউছলৈ উভতি আহিলোঁ। মই তাতে নামিলো আৰু তেওঁ হযীকেশলৈ গ'লগৈ।

আহাৰ সাজু হৈ আছিল। সেই কাৰণে মই গধূলিৰ আহাৰ খাবলৈ বহিলোঁ। তাৰ অকণমান পৰৰ পিচতে মই পিচযালৰ বাবাণ্ডাখনলৈ গৈছিলোঁ। ওখোৱা-মোখোৱা বাটেৰে তলেদি জীপ গাড়ী এখন বৰ জোৰেৰে আহি আছে। জীপখন গেটৰ মুখত আহি থেহিয়া খাইছিল, সেই দিল্লীৰ বিষয়াজন আৰু পশুলোকৰ ষ্টাফৰ কেজনমান মানুহ, জীপৰপৰা জপিয়াই নামি মোৰ পিনে বেগাই আহিল। মই চেপা-কাণ্ডানৰ কথা শুনিছিলোঁ। মই ভাবিবলৈ নো পাওঁতেই দলৰে এজন লোকে বাৰম্বাৰ চলি পৰি কঁপা কঁপা

মাতেৰে চিঞৰি উঠিছিল : "বাপুক হত্যা কৰিলে। প্ৰাৰ্থনা সভাত গুলী কৰি মাৰিলে।"

মই নীৰৱে স্থিৰ হৈ থিয় দি আছিলোঁ। বিৰাট ভাবাবেগে মোক একপ্ৰকাৰ সমাধিস্থ কৰি ৰাখিছিল। মোৰ মনলৈ একমাত্ৰ এই চিন্তা আহিছিল—"বাপু, বাপুৰ তেন্তে সেয়ে হ'লগৈ!" মই আকাশলৈ চালোঁ। গছৰ ডালৰ মাজেৰে দূৰত, বহুত দূৰত, তৰাবিলাক শান্ত শোভাৰে জিকুমিকাই থকা দেখিবলৈ পালোঁ। সিহঁতে বাপুৰ আত্মা মুক্ত হৈ শান্তিত থকাৰ কথা কৈছিল। তৰাবিলাৰলৈ যেতিয়া থৰ লাগি চাই ৰৈছিলোঁ, বাপু যেন তাতে আছে, তেনেকুৱা লাগিছিল। হয়, বাপু তাতে আছে আৰু মোৰ লগতো আছে। এই সকলো এক হৈ পৰিল।

নিশ্চয় বাপুৰ আত্মা মোৰ লগত আছিল। কাৰণ, যেতিয়া মই সচেতন হৈ পৃথিৱীলৈ উভতি আহিলোঁ, মই কান্দা নাছিলোঁ। কেৱল এটা প্ৰশ্ন সোধাৰ কথা মোৰ মনত আছে—"মৃত্যু তৎক্ষণাৎ হৈছিলনে?" "হয়, সম্পূৰ্ণৰূপে"—তেওঁলোকে কৈছিল। মোৰ অন্তৰে ঈশ্বৰক ধন্যবাদ জনাইছিল।

মই ঘৰৰ ভিতৰলৈ গৈ পোন হৈ বহি ধ্যানত নিমগ্ন হ'লোঁ। অকণো নোৱোৱাকৈ গাটো ৰপি আছিল, বোধকৰো কেবাঘণ্টালৈকে। কিন্তু মনটো পৰিষ্কাৰ হৈ আছিল। আচৰিত ৰকমে পৰিষ্কাৰ আৰু শান্ত।

বাপুৰ জীৱনৰ দীঘলীয়া 'ক্ৰুচিফিকেশ্যন'ৰ অন্ত পৰিল, সম্পূৰ্ণ হ'ল, শৰীৰৰ 'ক্ৰুচিফিকেশ্যন'ৰে পৰিসমাপ্তি ঘটিল। বহুতো বছৰ অতিবাহিত হ'ব পাৰে, কেবাটাও শতাব্দীও লাগিব পাৰে, কিন্তু আন সকলো ব্যৰ্থ হলেও বিশ্বমানবৰ প্ৰেমত অনুপ্ৰাণিত হৈ স্বইচ্ছাৰে কৰা শেষবাৰৰ এই চৰম ত্যাগে নিশ্চয় জয়লাভ কৰিব। ৰোমৰ ভেটিকানৰ 'ক্ৰুচিফিক্স'ৰ প্ৰতিমূৰ্তিটো মোৰ মনলৈ আহিল। বাপুৱে জানিছিল যে তেওঁ যি ৰাজ্যৰ সন্ধান বিচাৰিছিল সি তাৰেই পদূলিমুখ। জ্ঞান, নম্ৰতা আৰু প্ৰেমেৰে তেওঁ নিজক নৈবেদ্য হিচাপে উৎসৰ্গা কৰিবলৈ প্ৰস্তুত ৰাখিব লগা হৈছিল। এতিয়া তাকে তেওঁ নিবেদন কৰিলে। বাপুৱে তেওঁৰ যোৱাবাৰৰ অনশনৰ পিচত মোলৈ দিয়া চিঠিত লিখা শব্দকিটা ধ্যানৰ মন্ত্ৰৰ দৰে মোৰ মনলৈ আহিবলৈ ধৰিলে :

"সকলো উদ্বিগ্নতা শেষ হল।"

ৰাতিৰ আগভাগত হৃষীকেশৰপৰা বহুতো মানুহে আহি মোক কৈছিল :

আহক, আহক, আমি আপোনাক দিল্লীলৈ লৈ যাওঁ। বহুতো বাছ আৰু ট্ৰাক যাব লাগিছে। পুৱঁতীনিশা দহনলৈ নিয়াৰ আগতে আমি সেইখিনি পামগৈ।

আকৌ বাপুৰ সেই কথা মোৰ মনলৈ আহিল।

"ঈশ্বৰত বিশ্বাস ৰাখা আৰু য'তে আছা ত'তে থাকা।"

আৰু সাত বছৰৰ আগতে লিখা সেই কথাখিনি

শেষবাৰ চাই লোৱাৰ কোনো অৰ্থ নাই। যি আত্মাক তুমি ভাল পোৱা, সি সদায় তোমাৰ লগতে আছে।

মৰিময়াল বন্ধুসকলক অশেষ ধন্যবাদ জনাই—"মই য'তে আছোঁ তাতে থাকিম" বুলি কলোঁ।

পিচদিনা আনদিনাৰ দৰেই মই মোৰ কামলৈ গৈছিলোঁ। বাহিৰত সকলো একেদৰেই আছিল; কিন্তু ভিতৰি এখন নতুন নজনা জগতৰ লগত নিজক খাপ খুৱাই ল'বলৈ মই কঠোৰ চেষ্টা কৰিছিলোঁ। মোৰ দৈনন্দিন জীৱনৰ ভাব-চিন্তা আৰু কামেৰে সৈতে বাপু এনেদৰে গঁথা আছিল যে প্ৰত্যেক খোজতে মই নিজক জোকাৰি মনত পেলাবলগীয়া হৈছিল যে তেজ মঙহৰ শৰীৰেৰে বাপু আৰু ইহজগতত নাই। এতিয়া আৰু চিঠি লিখিবলৈ নাই, বাপু থাকিবহি, এই আশাৰে কুটীৰবিলাক সাজিবলৈও নাই। পাৰত গঙ্গাৰ পাৰত যিটো কুটীৰৰ সজা কাম চলি আছিল আৰু মই ভাবিছিলোঁ, বাপুৱে মাজে মাজে আহি তাতে জিৰণি লবৰ কাৰণে সেইডোখৰ উত্তম ঠাই, সেইদিনা ৰাতিপুৱা সেই কুটীৰটোৰ সজা-পৰা কাম চাবলৈ যোৱাটো মোৰ কাৰণে সহ্য কৰা টান হৈছিল।

চিন্তাৰে বাপুৰ ফালে ঘূৰি, তেওঁক বিচাৰি, তেওঁৰপৰা সহায়-পৰামৰ্শ বিচৰাৰ ইচ্ছা লোভনীয় আছিল যদিও, মোৰ ভিতৰৰপৰা কোনোবাই মোক দৃঢ়ভাৱে তেনে কৰাত বাধা দিছিল। "বাপুক নিশ্চয় সম্পূৰ্ণ শান্তিত থাকিবলৈ দিব লাগিব আৰু তুমি নিজে নিজৰ ভৰিত থিয় দিব লাগিব।" প্ৰথম ঘণ্টাৰ-পৰাই এই ভাবে মোৰ মন অধিকাৰ কৰিছিল।

দিনটো পাৰ হৈ গ'ল। আগদিনাৰ দিনটো বহুত বছৰৰ আগৰ যেন অনুমান হৈছিল। সেইদিনা গধূলি, হৃষীকেশৰ ৰেডিঅ'ত অহা দিল্লীৰ আচৰিত দৃশ্যাৱলীৰ খবৰ এজন বন্ধুৱে আহি মোক কৈছিল। সকলোপিনৰপৰা মানুহ

আহি ৰাজধানীত গোট খাইছিলহি। এনে বিশাল জনতা গোট খাইছিল যে, ভিৰৰ মাজেদি শৱযাত্ৰা গৈ শ্মশানভূমি পোৱাটো অতি টান হৈ পৰিছিল। আৰম্ভণীতে উৰা বাতৰি ওলাইছিল যে, হত্যাকাৰীজন এজন মুছলমান মানুহ। তাৰ পিচত ওলাইছিল এজন ভগনীয়া বুলি। কিন্তু অৱশেষত আচল সত্যটো ওলাই পৰিছিল। অতি নিপুণতাৰে বহুত দিনৰেপৰা পাতি থোৱা, সাম্প্ৰদায়িক হিন্দুসকলৰ এই কাম। আচল কামটো কৰিছিল ৰাষ্ট্ৰীয় স্বয়ং সেৱক সঙ্ঘৰ এজন লোকে। কিছু হিন্দু মহাসভাৰ লোক ইয়াত জড়িত আছিল। এইদৰে এন্ধাৰৰ শক্তিয়ে আকৌ এবাৰ পোহৰৰ শক্তিৰ বিৰুদ্ধে আক্ৰমণ চলাই নিজকে ছেদেলি-ভেদেলি কৰি পেলাইছিল। ইয়াৰ বিৰুদ্ধে দেশত ঘৃণা আৰু বিতৃষ্ণাৰ এনে শক্তিশালী ঢৌ উঠিছিল যে, সাম্প্ৰদায়িক সংঘৰ্ষ এটা অতীতৰ কথা হৈ পৰিল।

পিচৰ কেদিনমানলৈ হত্যাৰ খবৰ শুনি মানুহে কি কৰিছিল, তাৰ অত্যন্ত মৰ্মস্পৰ্শী গল্পবিলাকৰ বাতৰি আহি আছিল। কিষাণ আশ্ৰমৰ কৰ্তৃত্বভাৰ লোৱা বিষয়াজনে মোক কৈছিল, "তেওঁ তেওঁৰ পৰিবাৰেৰে সৈতে মানুহেৰে ভৰা বাছ এখনত গৈ আছিল। এনেতে কোনোবা এজনে চিঞৰি ড্ৰাইভাৰজনক বাতৰিটো দিলে। ড্ৰাইভাৰে তৎক্ষণাৎ বাছখন ৰখালে। আমি আটাইবিলাক বাটটোত জপিয়াই নামি পৰিলোঁ। আমি আটায়ে হিয়াঢাকুৰিয়াই কান্দিবলৈ ধৰিলোঁ। আমাৰ প্ৰত্যেকেই নিজৰ দেউতাককহে যেন হেকৰালে।"—তেওঁ কৈছিল।

আচম্বিতে খবৰটো শুনি মানুহ মৰাৰ আৰু কোনো কোনোৱে আত্মহত্যা কৰিবলৈ চেষ্টা কৰাৰ বাতৰি আহিছিল। শুনা গৈছিল যে পাকিস্থানতো জনসাধাৰণৰ মাজত কান্দোনৰ ৰোল উঠিছিল। পৃথিবীৰ অন্যান্য অঞ্চলৰপৰা যেতিয়া বাণী, গুণ-কীৰ্ত্তন আহিবলৈ ধৰিলে, তেতিয়া দেখা গ'ল যে সকলো জাতিৰ লোকেই ইযাক এটা ব্যক্তিগত ক্ষতি বুলি অনুভৱ কৰিছিল। সকলো ঠাইতে এনে এটা ভাব পৰিলক্ষিত হৈছিল যে এজনা প্ৰকৃত আৰু নিভীক পথ-প্ৰদৰ্শকে অন্ধকাৰ হৈ অহা পৃথিবীত আমাক এৰি থৈ গ'ল।

আনকি জেনেৰেল ডোগ্‌লাছ মেকআৰ্থাৰৰ নিচিনা ডাঙৰ সামৰিক বিষয়াৰো স্বতঃস্ফূৰ্তভাৱে এনে এটা অনুভূতি জাগিছিল। তেওঁ বাপুৰ প্ৰতি শ্ৰদ্ধা জনাই কৈছিল : "বিবাদৰ প্ৰশ্নসমূহ মীমাংসা কৰিবলৈ সমগ্ৰ বা সামূহিক-

ভাবে শাৰীৰিক শক্তি প্ৰয়োগৰ প্ৰণালী অকল যে মূলতেই ভুল, এনে নহয়, তাতেই আত্মধ্বংসকাৰী বীজো নিহিত আছে—তেওঁৰ (বাপুৰ) এই বিশ্বাস, এদিনাখন সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে যদি সেই সভ্যতা জীয়াই থাকিব লাগে, সকলো মানুহেই গ্ৰহণ কৰিব লাগিব "

হিন্দুসকলৰ শাস্ত্ৰীয় নিয়ম অনুযায়ী বাপুৰ চিতাভস্ম তেৰ দিনৰ দিনা নদীত বিসৰ্জন দিব লাগিছিল। বাপুৰ চিতাভস্ম এখন বিশেষ ট্ৰেনযোগে দিল্লীৰপৰা এলাহাবাদলৈ লৈ যোৱা, গঙ্গা যমুনাৰ পবিত্ৰ সঙ্গমস্থল প্ৰয়াগত ১২ তাৰিখে বিসৰ্জন দিয়াৰ কথা আছিল। মোক আকৌ যাবলৈ জোৰ কৰা হৈছিল। কিন্তু আগৰ বিশ্বাসেই মোক বাধা দিছিল আৰু মই যাবলৈ অস্বীকাৰ কৰিছিলোঁ। এইবাৰ মই যাতে আছো তাতে থকাৰ আন এটা কাৰণো আছিল। বাপুৰ অলপ চিতাভস্ম দিনাৱপৰা লৈ অহা হৈছিল। স্থানীয় বাইজে মোক হৃষীকেশ ঘাটত, যি গঙ্গাৰ নিৰ্মল পবিত্ৰতাৰ জলধাৰা পাহাৰৰপৰা প্ৰথম ভৈয়ামলৈ নামিছে তাত সেই চিতাভস্ম বিসৰ্জনৰ কাম সমাপন কৰিবলৈ অনুৰোধ কৰিছিল।

সক্ক গামৰ ঘাট এটাত চিতাভস্মখিনি যোৱা পাৰোঁহি, সেইখিনি মোৰ ওচৰলৈ লৈ আহি বিলাতলৈ কৰিবলৈ সেইলোকে মোক অনুৰোধ কৰিছিল। প্ৰধান ভগাটো হৃষীকেশ ঘাটত থকা অৱস্থাত আছিল। তাৰ এভাগ উত্তৰ কাশীত ভাগীৰথী গঙ্গা আৰু এভাগ কোন আশ্ৰমৰ ওচৰৰ গাঁৱৰ কাষেদি বৈ যোৱা সৰু নদী যমুনত বিসৰ্জন দিয়াৰ কথা হৈছিল।

বন্ধুসকলে চাৰিওকাষে ঘুৰণীয়াকৈ থিয় হৈ বামধুন গাই থাকোঁতে মই যেতিয়া সেই ভস্মখিনি তিনিভাগ কৰি ললোঁ, তেতিয়া এক অদ্ভুত ঐশীয় অনুভূতিয়ে মোৰ মন অধিকাৰ কৰিলে আৰু মোৰ শাৰীৰিক কোনো অনুভূতিৰ জ্ঞান নাইকিয়া হৈ পৰিছিল। আগে যেতিয়া হাতত সেই সৰু ঘটটো লৈ মই ঘাট অভিমুখে গৈছিলোঁ, তেতিয়া মোৰ শুদ্ধাভৰিৰ তলৰ মাটিখিনিৰ অনুভূতিও মোৰ নাছিল।

ঘাটৰপৰা নদীৰ কিছু মাজলৈকে কাঠৰ গুটিৰ মঞ্চ সজা হৈছিল। গঙ্গাৰ পবিত্ৰ ফটিকটীয়া পানীয়ে সেই কাঠৰ মঞ্চৰ তেকা খাই দুৰি দুৰি বাগৰি গৈছিল। জোৰেৰে বৈ থকা নীলা সোঁতত যেতিয়া মই চিতাভস্মখিনি উটুৱাই দিছিলোঁ, তেতিয়া প্ৰকৃতিৰ মহিমাৰ বিষয়ে ইতিপূৰ্বে অনুভৱ নকৰা মোৰ এক

নতুন অনুভূতি হৈছিল। প্ৰকৃতিয়ে আমাৰ পাৰ্থিৱ অৱশেষ আকুল আগ্ৰহেৰে নিজৰ বুকুত আকোঁ সাৱটি লয়।

ফেব্ৰুৱাৰী মাহ শেষ হোৱাৰ আগতে মই আকোঁ এবাৰ দিল্লীলৈ গৈছিলোঁ। নিস্তব্ধতা আৰু বিষাদৰ এছোৱা কাল হিচাপে সেই সময়ৰ স্মৃতি মোৰ মনত ছাপ মৰা আছে। শেঁতা, গাল-মুখ শুকাই যোৱা মুখেৰে ভৰাহৰ-লাল, নীৰৱ দুখত ডুব যোৱা বল্লভভাই। একো ক'বলৈ নাছিল, একো কবিবলৈ নাছিল। আমি কেৱল একেলগে বহি বাপুৰ কথা ভাবি থাকোঁ। কোৱা কথা-বিলাক তুচ্ছ যেন লাগিছিল। কথাই সেই দুখ প্ৰকাশ কৰিব পাৰক ছাবি তাৰ ওচৰ সীমাৰেও যাব পৰা নাছিল। দিল্লীৰ কথা ক'বলৈ গ'লে, প্ৰত্যেকেই নিজৰ অন্তৰৰ দুখৰ ছাঁটো-পেলাই খোজ কঢ়া, এইখন এখন মৰা মানুহৰ চহৰৰ দৰে হৈ পৰিছিল। মই বিৰলা হাউছলৈ গৈছিলোঁ, ৰাজঘাটৰ দহন কৰা ঠাইলৈকো গৈছিলোঁ। সকলো ঠাইতে সেই একেই বিষণ্ণতা, নীৰৱ শূন্যতা। মই নিজকে নিজে চিনাকি কৈছিলোঁ—"মোক পাথৰ আৰু ছাবি-বনানিৰ জীৱন আৰু পোহৰৰ মাজলৈ উলটি যাবলৈ দিয়া, যাতে প্ৰকৃতিয়ে মৃতসকলৰ কাৰণে এইদৰে শোক কৰাৰ কথা নেজানে। কাৰণ, তেওঁৰ ৰাজ্যত মৃত্যু বুলি কোনো কথাই নাই। মোৰ কাৰণে বাপু আছে তাত, ইয়াত নহয়।" মই খৰধৰকৈ আকোঁ পশুলোকলৈ উলটি গ'লোঁ।

আকাশে-বতাহে বসন্তৰ মহিমা পাৰিবাপ্ত হৈছিল। "কাম আৰু কাম, এই মহান নাটকৰ লগত সামঞ্জস্য ৰাখি মোক কাম কৰি যাবলৈ দিয়।"—এয়ে আছিল মোৰ একমাত্ৰ চিন্তা।

মই নতুন গোহালীঘৰবিলাক সজোৱাৰ ব্যৱস্থা কৰিছিলো আৰু বাকী-বিলাকৰ কামচাই-চিতি যুৰিছিলোঁ। ঠাইৰ লোকসকলৰ বাবে সজা ঘৰৰ আৰু মনাৰ বাবে সজোৱা ঘোৰাঘৰৰোৰ ওচৰতে, মোৰ নিজৰ জুপুৰিডোখৰো সজা শেষ হৈছিল। ছাবি হৈ থকা আৰু কিছু মাটি ভঙাই খেতি কৰিবলৈ লোৱা হৈছিল।

সাধাৰণতে কৰাৰ দৰে মই স্থানীয় বস্তুৰে ঘৰ-দুৱাৰ সজা কাম কৰিছিলোঁ। চাৰিওপিনৰ প্ৰাকৃতিক শোভাৰ লগত যাতে ঘৰবিলাক মিলি যায়, তাৰ কাৰণে যথেষ্ট কষ্ট কৰিছিলোঁ। মাটিৰ ডাঠ বেৰৰ আৰু খেৰৰ ছালৰ ঘৰ কেৱল দেখিবলৈকে যে ভাল, তাকে নহয়, থাকিবলৈও শান্তিদায়ক। এইবিলাক ঘৰ গৰমকালি আন ঘৰতকৈ ঠাণ্ডা আৰু জাৰকালি উমলগা।

নতুন গোহালীবোৰ যেতিয়া সজা হৈ উঠিল, বুঢ়া আৰু কাম কৰিব নোৱাৰা গৰুবিলাক তালৈ নিয়া হ'ল। প্ৰথমটো গোহালীত গাখীৰ নিদিয়া গাইবিলাকক ৰখা হৈছিল। এতিয়া নতুন সমস্যা এটাই দেখা দিলেহি। অসংখ্য বনৰীয়া আৰু আধা বনৰীয়া ষাঁড় আহি আমাৰ তিনি হাজাৰ একৰ মাটিৰ বাৰীখনত ঘূৰি ফুৰিছিল। সিহঁতে আমাৰ গাইবিলাকক জুলুম কৰিছিল। কিন্তু কোনেও সিহঁতক ধৰিব বা খেদাই দিব পৰা নাছিল। সেই কাৰণে মই ডেকা ল'ৰা এজনক অনাৰ বন্দবস্ত কৰিছিলোঁ। ডেকাজনে ইতিপূৰ্বে মীৰাট জিলাত বনৰীয়া গৰু ধৰাৰ কাম কৰিছিল। তেওঁক মাতিলোঁ এই ষাঁড়বিলাকক কি কৰিব পাৰে আহি চাবলৈ। তেওঁ লগত দুজন অশ্বাৰোহী, দুটা ঘোঁৰা, দুটা দৌৰিব পৰা মানুহ, ৰছী আদি লৈ ওলালহি। পলম নকৰাকৈ তেওঁলোকে কাম আৰম্ভ কৰিলে। কামটো শেষ কৰা সময়লৈকে তেওঁলোকে চল্লিশটাৰো ওপৰ ষাঁড় ধৰি পোহমনোৱা ঘৰত ৰান্ধিছিল। সিহঁতৰ প্ৰায় সকলোখিনিয়েই পিচত হালবাবৰ কাৰণে উপযুক্ত বলদ গৰু হ'ল।

বনৰীয়া ষাঁড়বিলাকৰ লগত প্ৰতিযোগিতা কৰিব পাৰি, কিন্তু বনৰীয়া হাতীৰ লগত তেনে কৰা সম্ভৱ নহয়। সিহঁত কেতিয়াবাহে আহে আৰু যেতিয়া আহে তেতিয়া সিহঁতে যি খুচা কৰি যায়। সিহঁতে আমাৰ বেৰা বিলাকৰ ওপৰেদি এনেভাৱে খোজকাঢ়ি গুচি যায়, যেন সেইবিলাক নায়েই। মন গ'লে যিকোনো শস্য সিহঁতে খাই পেলায়।

মে মাহৰ মাজ ভাগত এদিন পূৰ্ণিমা ৰাতি, মোৰ নিৰ্জন কুটীৰটোত শুবলৈ যোৱাৰ অলপ পিচতে দূৰত ৰজনজনাই যোৱা শব্দ আৰু লগতে আচৰিত গৰ্জন আৰু চেঁচেঁকৈ চিঞৰা শুনিবলৈ পাইছিলোঁ। অকণো ভুল নাই যে সেয়া বনৰীয়া হাতীৰ চিঞৰ। মই জাপমাৰি উঠি ছালৰ ওপৰৰ খোলা কোঠালীটো পালোঁগৈ তাৰপৰা চাৰিওপিনে চাব পাৰি। শব্দটো নদীৰ সিপাৰৰ হাবিৰপৰা আহিছে। কিন্তু কিছুমান বনৰীয়া হাতীৰ চিঞৰ বৰ ওচৰতে যেন শুনা গৈছিল। সেই শব্দবিলাক ক'ৰপৰা আহিছে প্ৰথমতে মই ধৰিব পৰা নাছিলোঁ। পিচত লক্ষ্য কৰিলে, কিছুমান ঘূৰণীয়া ক'লাবস্তু নদীৰ মাজভাগ পাইছেহি। এইবিলাক হাতীবিলাকৰ মূৰ। জোনাক ৰাতি নদী পাৰ হওঁতে সিহঁতে চকুৰ গুৰিলৈকে ডুব খাই কেৱল শুৰডালৰ আগটো পানীৰ ওপৰত ৰাখি আনন্দতে চেঁটায় চিঞৰি সাঁতুৰিছিল। এতিয়া বিপৰীত

পাৰে বাকী আটাই বিলাকক দেখা গ'ল। সিহঁত ত্ৰিশৰপৰা চল্লিশটামানৰ ভিতৰত হ'ব। সিহঁতৰ মাজত বিৰাট শক্তিশালী দঁতাল হাতীৰপৰা সৰু সৰু পোৱালিলৈকে বহুত ধৰণৰ হাতী আছিল।

নদীৰ পাৰত হৰিদ্বাৰলৈ পানীয়েদি পঠিয়াবৰ কাৰণে নতুনকৈ কাটি থোৱা বাঁহৰ ডাঙৰ দ'মবিলাক আছিল। হাতীবিলাক দেখাদেখিকেয়ে আনন্দ বিহাৰত ওলাইছিল আৰু এই বাঁহৰ দ'মবিলাক সিহঁতে অলপ তামাচা কৰা বস্তু হিচাপে ললে। সিহঁতে বাঁহবিলাক চাবিওফালে দলিয়াবলৈ ধৰিলে আৰু বাঁহৰ দ'মৰ মাজলৈকে উঠি গৈ গচকি মোহাৰি পেলাবলৈ ধৰিলে। ওচৰতে কেম্প কৰি থকা কাঠবটীয়াবিলাকে পলাই নদীৰ পাৰে পাৰে উজাই আহি থোপোহা হাবি-বনত জুই লগাই দিছিল। কিন্তু হাতীবিলাকে তালৈ কোনো ভ্ৰুক্ষেপ বা কেৰেপেই কৰা নাছিল। সিহঁতে ভাগৰ নলগালৈকে বাঁহ-বিলাকেৰে খেলি আছিল আৰু তাৰ পিচত নদীৰ পাৰে পাৰে তললৈ আনন্দমনে বেপৰোৱাভাৱে নামি গুচি গৈছিল।

পশুলোকত কেবল বনৰীয়া হাতীয়েই নহয়, ঘৰচীয়া হাতীয়েও মোক আনন্দ দিছিল। প্ৰথম যিদিনা মই সেই ঠাইলৈ আহিছিলোঁ, বিশেষ কামত মাজে মাজে ফৰেষ্ট ডিপ টমেণ্টে মোক এজনী হাতী দিছিল। তাই অলপ দুষ্ট ধৰণৰ আছিল। নদীৰ সিপাৰৰ হাতীবিলাকক মাতি অনাৰ আশাৰে তাই মাজে মাজে সঙ্কেত দি চেঁ-চেঁচৈ চিঞৰিছিল। মাউতটোৱে কৈ ছল যে তাই বোলে এবাৰ পলাই গৈ বনৰীয়া হাতীৰ লগ লাগিছিলগৈ; কিন্তু বেচকৈ মাৰ খাই তাই উভতি আহিছিল। তাইৰ গাত মানুহৰ গোন্ধ পাই আন হাতী-বিলাকে তাইক সঙ্গ নিদিছিল, তাই তাইৰ জাত হেকৰালে। তথাপি নদীৰ কাষেদি যেতিয়াই আমি পাৰ হওঁ, তাই লাহে লাহে মাতিবলৈ আৰম্ভ কৰে। মাউতে বাৰে বাৰে তাইক তিৰস্কাৰ কৰিলেও, তাই সেইদৰে মতাৰ লোভ সামৰিব নোৱাৰিছিল। এবাৰ নে দুবাৰ দুৰৰপৰা সঁচাকৈয়ে তাই উত্তৰো পাইছিল।

মোৰ ভাগ্য ভাল যে পিচলৈ মই টেহৰী গাৰোৱালৰ মহাৰজাৰ হাতী ব্যৱহাৰ কৰিবলৈ পাইছিলোঁ। ৰাজকীয় উৎসৱ-অনুষ্ঠান ক্ৰমে কমি আহিলত হাতীটো প্ৰায় এনেয়ে বহি আছিল। তাইৰ নাম আছিল ৰামপিয়াৰী। তাই অত্যন্ত সতৰ্ক আৰু বুদ্ধিমতী আছিল।

মোৰ মনত খেলালে যে তাইক আমি খেতিৰ কামত সহায় কৰিবৰ কাৰণে শিকাই ল'ব পাৰোঁ। তাইৰ জীন লেকামৰ নমুনা মই ঠিক কৰি পুৰা জোখ-মাপ ল'লোঁ। জীন নিৰ্মাতাজনক বস্তুটো তৈয়াৰ কৰিবলৈ দিবৰ সময়ত বিশেষভাৱে এই বুলি সতৰ্ক কৰি দিবলগীয়া হৈছিল যে, জীন লেকামযোৰ যেন বৰ বেছি ডাঙৰ নহয়। মই তাইৰ কাৰণে বিশেষ নাঙল এডাল তৈয়াৰ কৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। চৰকাৰী কাৰখানাই কামটো কৰি দিব নোৱাৰাত মই কাঠৰে ডাঙৰ ৰ'লাৰ এডাল আৰু গা-গছ এডাল, নতুনকৈ ভঙা মাটিৰ চপৰা ভাঙিবলৈ কটাই লৈছিলোঁ।

আমি যেতিয়া ৰামপিয়াৰীক তাইৰ জীন লেকামযোৰ দেখুৱাইছিলোঁ, তাই সন্দেহৰ চকুৰে তাৰ ফালে চাইছিল। যিমানবাৰ তাইৰ মূৰেদি লেকাম-ডাল লগাবলৈ যত্ন কৰিছিলোঁ, প্ৰত্যেকবাৰেই তাই তাইৰ শুৰেৰে সেইডাল আঁতৰাই দিছিল। মাউতটোৱে তাইক হাতীক মতা আটাইবিলাক মিঠা মিঠা মাতেৰে মাতি সন্মত কৰাবলৈ চেষ্টা কৰিছিল। পিছে একো ফল নধৰিলে। অৱশেষত মই অলপ গুৰ আনি এনেভাৱে ধৰিলোঁ যে তাই ডিঙিত লগাব খোজা ফিটাডালৰ মাজেদি শুৰ ডাল আগটোৱে গুৰখিনি ল'ব লগা হৈছিল। বুদ্ধিটো কামত আহিল আৰু এবাৰ লেকামডাল তাইৰ মূৰত সোমালত তাই আৰু আপত্তি নকৰা হ'ল। কেদিনমানৰ ভিতৰতে শুৰেৰে জীনখন দাঙি ধৰি মাউতটোক তাই সহায়হে কৰিছিল।

প্ৰথমদিনা আমি বৰ সাৱধান হৈছিলোঁ। খোজৰ চিনে চিনে মানুহে তাইক চলাই নিছিল, যাতে খং উঠিলেই এৰি দিব পাৰে। কিন্তু তাই গোটেই কথাটো বুজি পোৱা যেন অনুমান হৈছিল আৰু এদিন নে দুদিনৰ ভিতৰতে পথাৰত এনেদৰে কাম কৰিছিল যেন তাই চিৰজীৱন খেতিৰ কামকে কৰি আহিছে।

পৰীক্ষামূলকভাৱে পশু পালনৰ যি আঁচনি কৰা হৈছিল, সি ক্ৰমে গধুৰ আঁচনি বুলি প্ৰমাণিত হবলৈ ধৰিলে। ওপৰৰপৰা তললৈ, খাপে খাপে থকা গৱৰ্ণমেণ্টৰ বিষয়াসকল এটা বৰ নোৱাৰা বোজা আছিল। এজন

মেনেজাৰ, এজন পশুচিকিৎসক, দুজন কি তিনিজন গৰখীয়া, কামদাৰ আৰু জামাদাৰ আছিল। এই প্ৰশাসন যন্ত্ৰটোৱে কাম কৰা প্ৰণালী মই লক্ষ্য কৰিছিলোঁ। ইয়াকে দেখি দুখো লাগিছিল, আমোদবোধো হৈছিল। কোনো এটা কামৰ বিষয়ে প্ৰথমে মেনেজাৰজনে ডাক্তৰজনক আদেশ দিব। ডাক্তৰে সেই আদেশ গৰখীয়া এজনক দিব। গৰখীয়াজনে যদি পাৰে কামটো কামদাৰজনক দিব। কামদাৰজনে তেওঁৰ চাৰিওফালে কেনিবা জামাদাৰজন আছেনে নাই চাব। যদি দেখে তেওঁ কামটো একেবাৰে তলৰ খাপত থকা সেই লোকজনক দিব। সিমানতে শেষ। কাৰণ তাৰ তললৈ যাবলৈ আৰু কোনো খাপ নাই।

তাৰ উপৰি বঙা ফিটাৰ মেৰত থকা নিয়মৰ কাৰণে, হঠাৎ প্ৰয়োজন হোৱা কোনো কাম কৰিব পৰা সম্ভৱ নাছিল - অৰশ্যে গৰুবিলাকৰ মঙ্গলৰ কাৰণে যদি মই সেই নিয়ম নেভাঙো। কেতিয়াবা কেতিয়াবা আমোলাতন্ত্ৰৰ হৃৎকম্প কৰি মই সেই নিয়মবিলাক ভাঙিছিলোঁ। যিবিলাক কাম কেতিয়াও কৰা উচিত নহয়, যেনে কুকৰ্মও অকণো পশ্চাৎপদ নহবাকৈ কৰা হৈছিল। যেনে, এবাৰ এজন অফিচাৰে ট্ৰাক এখনৰ ওপৰত ওঠা ষাঁড় লৈ ওলাইছিলহি। ষাঁড়কেইটা ভৰি আৰু মুখৰ বেমাৰত বৰ বেছি ৰকমে আক্ৰান্ত হৈ আছিল। সিহঁতৰ এনে বেমাৰৰ বিষয়ে এবাৰো সাৱধান নকৰাকৈ, সিহঁতক আনি আমাৰ গৰু গোহালীৰ মুখত নমাই দিছিল। পশু উৎপাদন বিভাগৰপৰা তেওঁ ষাঁড়কিটা পশুলোকত নমাই দিবলৈ আদেশ পাইছিল। গতিকে তেওঁ তাকে কৰিছিল। ইয়াৰপৰাই বুজিব পাৰি, চৰকাৰী যন্ত্ৰটোৱে কেনেকৈ কাম কৰে। আমাৰ কাৰণে ইয়াৰ ফল হ'ল কি? আঠ সোনকালে আমাৰ দুশ গৰু সেই বেমাৰত পৰিল।

ক্ৰমাৎ বেছি ৰকমে মই অতীষ্ঠ হৈ উঠিলোঁ। প্ৰবলভাৱে মোৰ এই অনুভৱ হবলৈ ধৰিলে যে বে-চৰকাৰী অনুষ্ঠানৰ যোগেদিহে বাইজৰ আৰু তেওঁলোকৰ গৰুবিলাকৰ সেৱা কৰিব পাৰি। কথাটো মই দিল্লী আৰু লক্ষ্ণৌত আলোচনা কৰিছিলোঁগৈ। ফলত গৱৰ্ণমেণ্টৰ আঁচনিবিলাকৰ কাম বন্ধ কৰা হ'ল আৰু তাৰ ঠাইত "পশুলোক সেৱামণ্ডল" নাম দি এটা অনুষ্ঠান গঠন কৰা হ'ল। এই মণ্ডলৰ উদ্দেশ্য মই তলত দিয়া ধৰণে ব্যাখা কৰিছিলো:

বাপুৰ বিশ্বশান্তিৰ আদৰ্শৰ প্ৰতীক হিচাপে, এটা বা ততোধিক অঞ্চলৰ উন্নতি কৰা, য'ত বিকেন্দ্ৰীভূত সমাজগঠনৰ কামত মানুহ [illegible] প্ৰকৃতি লগত লগ লাগিব আৰু য'ত মানুহে তেওঁৰ নিজৰ গাঁৱত জীৱ-জন্তুৰে সৈতে আত্মনিৰ্ভৰশীল স্বাস্থ্যবান আৰু সুখী হ'ব পাৰে।

এই উদ্দেশ্য অনুসৰণ কৰি তলত দিয়া ধৰণে কাৰ্যসূচী তৈয়াৰ কৰা হয়:

(১) সাতশ একৰ মাটিত এখন সমবায় গাঁও।

(২) স্থানীয় গৰুবিলাকৰ উন্নতিৰ কাৰণে এহেজাৰ একৰ মাটি চৰণীয়া পথাৰ কৰি ৰখা আৰু হাৰিয়ানাৰ ভাল ষাঁড়ৰ যোগান ধৰা।

(৩) অঞ্চলটোৰ উপযোগী গাঁও-শিল্পৰ উন্নতি। যেনে, তেলপেৰা, বাঁহ-বেতৰ কাম, মৌ পোহা ইত্যাদি।

ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ডাঃ ৰাজেন্দ্ৰ প্ৰসাদে এই আশ্ৰমৰ দ্বাৰ উদ্ঘাটন কৰিছিল। ইমানবিলাক দৰ্শক, গাড় আৰু লগুৱা-লিক্‌চৌ চাৰিওফালে কেম্প কৰি আছিল যে, চব্বিশ ঘণ্টাৰ ভিতৰত কোনো বনৰীয়া জন্তু দেখিবলৈ পোৱা নগৈছিল। সেই বাতিটোৰ কাৰণে ৰাষ্ট্ৰপতিক মোৰ কুটীৰতে ৰখাৰ দিহা কৰা হৈছিল। সেই কাৰণে মই আশ্ৰম আৰু কুটীৰৰ ভিতৰত অহা যোৱা কৰি থাকিব লগা হৈছিল। সঁচা [illegible], ওখ উলুবনৰ মাজত, সাধাৰণতে শুনাৰ দৰে খচ মচ্‌নি শব্দ মই শুনিছিলোঁ। কিন্তু সেই শব্দ বনৰীয়া গাঁহৰিৰ শব্দ নাছিল—আছিল নিৰাপত্তা ৰক্ষী দলৰ শব্দ।

মই আশা কৰিছিলোঁ যে, বেচৰকাৰী অনুষ্ঠানৰ জৰিয়তে কাম কৰিবলৈ ৰঙা ফিটাৰ মেৰত সোমাই থকা আমোলাতন্ত্ৰতকৈ বহুত বেছি সহজ হ'ব। কিন্তু অতি শীঘ্ৰ বুজিব পাৰিলোঁ যে, মই এটা ডাঙৰ ভুল কৰিছোঁ। প্ৰথম অসুবিধা আছিল পুঁজিৰ [illegible]। সেই সময়ত "গান্ধী জাতীয় স্মাৰক নিধি" গঠিত হৈছিল আৰু সেই নিধিলৈ লক্ষ লক্ষ মানুহে দান আগবঢ়াইছিল। ফলত অতি কমসংখ্যক লোকেহে বাপুৰ লগত জড়িত থকা কোনো স্বাধীন আঁচনিত টকা দিবলৈ ৰাজী হৈছিল। তেওঁলোকে কৈছিল যে স্মাৰক নিধি আৰু গৱৰ্ণমেণ্টে মোক সহায় কৰা উচিত। কিন্তু স্মাৰক নিধি মোৰ আঁচনিৰ প্ৰতি সিমান মনোযোগী নাছিল আৰু যি সাহায্য তেওঁলোকে আগবঢ়াইছিল, সিও গৱৰ্ণমেণ্টৰ টকাৰ দৰে ৰঙা ফিটাৰ মেৰেৰে মেৰিওৱা আছিল। গৱৰ্ণমেণ্টৰ

তৰফৰ পৰা কৈছিল যে "গান্ধী জাতীয় স্মাৰক নিধি" যেতিয়া আছে, তাৰ-পৰাই প্ৰধান সহায় আহিব লাগিব। গতিকে তেওঁলোকেও অতি সামান্য সাহায্যহে আগবঢ়াইছিল।

প্ৰথম বছৰটো পাৰ হৈ যোৱাৰ পিচত, পৰিচালনাৰ কথাবিলাক ৰৰ টান হৈ আহিল। কি উপায়েনো অনুষ্ঠানটো চলাই যাব পাৰি, সেই বিষয়ে মই ভৱা-চিন্তা কৰি থাকোঁতেই টকা-পইচাৰ মোটা সাহায্য এটা আৰু লগতে আঁচনিখন কাৰ্যকৰী কৰি তোলাত সহায়তা যাচি মোলৈ প্ৰস্তাৱ এটা আহিল। প্ৰস্তাৱটো সঁচা নহয় যেনেই লাগিছিল। কিন্তু প্ৰস্তাৱটোৰ লগত জড়িত অন্যান্য কথাবিলাকে প্ৰস্তাৱটোৰ সাধুতাৰ ওপৰত অবিশ্বাস কৰাটো অসম্ভৱ কৰি তুলিছিল। সেইদেখি মই তাক গ্ৰহণ কৰিছিলোঁ। কিন্তু কেদিনমানৰ ভিতৰতে মই বুজিবলৈ আৰম্ভ কৰিলো যে, কথাটো আহুকলীয়া। পশুলোকৰ আদৰ্শৰ প্ৰতি থকা প্ৰেমৰ কাৰণে অনুপ্ৰাণিত হৈ এই সাহায্য আগবঢ়োৱা হোৱা নাছিল। মাটিডোখৰ আৰু তাত লুকাই থকা মূল্যবান প্ৰাকৃতিক সম্পদৰ ওপৰত কৰ্তৃত্ব লাভ কৰিবৰ কাৰণেহে দান আগবঢ়াইছিল। দীঘলীয়া যুদ্ধ এখন আৰম্ভ হৈছিল। আঁচনিখনকে পৰিত্যাগ কৰিব লাগিলেও, ধুনীয়া পশুলোক অঞ্চল শোষণকাৰীসকলৰ হাতত এৰি নিদিবলৈ মই দৃঢ়প্ৰতিজ্ঞ হৈছিলোঁ। অৱশেষত, মাটিখিনি ঘুৰাই লবলৈ মই গৱৰ্ণমেণ্টক অনুৰোধ জনালোঁ।

এই কষ্টদায়ক সময়ছোৱাত ঘনে ঘনে মেলেৰিয়াত আক্ৰান্ত হোৱাৰ ফলত মোৰ স্বাস্থ্য ৰৰ বেয়া হৈছিল। প্ৰতি বছৰেই জ্বৰ হোৱাত, আনকি তৃতীয় বছৰ দুবাৰকৈ জ্বৰত ভোগাত মোৰ অৱস্থা নাইকিয়া হৈছিল। মোৰ মনত আছে, এবাৰ মেলেৰিয়াই বেয়াকৈয়ে ধৰিছিল। সেইবাৰ এসপ্তাহতকৈয়ো বেছি দিন মই কোঠাৰ ভিতৰতে শয্যাগত হৈ পৰি আছিলোঁ। যেতিয়া মই থিয় হ'ব পৰা হ'লোঁ, বাহিৰলৈ ওলাই আহি লাহে লাহে অলপ ইকাল-সিকাল কৰিছিলোঁ। মনাই সাধাৰণতে পজাটোৰ ওচৰে-পাজৰে চৰি থাকে। মই অসুস্থ বুলি সি জানিছিল। মোক যেতিয়া বাহিৰলৈ ওলাই অহা দেখিলে, সি আহি মোৰ বাহুত ভাৰ মুৰটো ঘঁহি দিছিল, আৰু মোৰ লগে লগে অহা-যোৱা কৰিছিল, যেন সি মোক অলপ প্ৰফুল্লিত কৰিবলৈ বিচাৰিছে। সঁচাকৈয়ে সি মোক আনন্দ দিছিল। ঘৰচীয়া আৰু বনৰীয়া জন্তু আৰু চৰায়েই আছিল

মোব সাঙ্গনাব থল। সিহঁতে সদায় মোক শান্তি দিছিল। সিহঁত নোহোৱা হ'লে সেই কষ্টকব সময়খিনিত মোব অৱস্থা আৰু বেয়া হ'লহেঁতেন।

এতিয়া মোব ভাব হৈছিল নিজব মতে কাম কবাব। মই এনে অকণমান ঠাই বিচাবিছিলোঁ, য'ত কোনেও মোক আৰু মোব পবিবেশক শোষণ কবিবব কাবণে প্রলোভিত নহব; কিন্তু য'ত ক্ষুদ্রভাবে হ'লেও গাঁওবাসী আৰু তেওঁলোকব গকবিলাকব কাবণে কিবা কাম কবিব পাবিম। লগতে হিমালয়ে সদায় মোক মাতিয়েই আছিল। এনে এটা ভাব লৈ, য'ত স্থায়ীভাবে থাকিব পাবোঁ, তেনেকুৱা এডোখব ঠাই বিচাবি বিচাবি বহুত দূবলৈ, তিব্বতৰা ঠাই-বিলাকলৈ মই গৈছিলো। তিনি-চাবিজনমান সঙ্গী, মনা আৰু মাল-বস্তু কঢ়িওৱা জন্তু কেটামানেবে সৈতে সেই বাটেদি দুশ মাইলমান বাট, অ'ত ত'ত দুই এদিন থাকি ঠাইডোখব চাই ঘুবি ফুবিছিলোঁ।

হিমালয়ব নামনিত থকা উপত্যকাভূমি চাবি পাঁচ হাজাৰ ফুট ওখত হলেও গবম দিনত বেচ গবম হয় আৰু প্রায়ে সেই সময়তে মেলেবিয়া জ্বৰব প্রাদুর্ভাব হয়। সেইদেখি তাতোকৈ ওখ ছয়-সাত হাজাব ফুটব ভিতবত থকা এচলীয়া ঠাই বিচাবিব লগা হৈছিল। কিন্তু সিমান ওখত সমান ঠাই আৰু পানী পাবলৈ বব টান আছিল। য'তে এই দুয়োটা বস্তু পোৱা গৈছিল, সেই ঠাই সদায় স্থানীয় বাসিন্দাসকলে দখল কবিছিল। তাব উপবি মই আৰু এটা বস্তু বিচাবিছিলোঁ—অবিনশ্বব ববফব দৃশ্য। এই তিনিওটা বস্তু সচবাচবতে একেলগে পোৱাটো অসম্ভব কথা আছিল।

অৱশেষত বহুত ওখত থকা ভিলাদানা উপত্যকাত, মটব যোৱা বাস্তাব-পবা ছাব্বিশ মাইল আঁতবত—বাস্তাটো টেহবীত শেষ হৈছিল—মই এটুকুবা সক ঠাই পালোঁ। ঠাইটুকুবা কিছু পবিমাণে সমান আৰু ওপবলৈ থকা উপত্যকাভূমি গহীন হাবিবে ভবা। তাবে ওপবেদি বাইশ হাজাব ফুট ওখ শক্তিশালী কেদাবনাথ পর্ব্বত। পানী সেই ঠাইত নাছিল; কিন্তু পানী য'ত আছে তাবপবা সেই ঠাই বেছি দূবত নহয়। গা-গছব নাওবা কবি তাবপবা পানী আনিব পবা যায়।

এইডোখব ঠাইয়েই তেনেহলে ঠিক হ'ব। সেইডোখব ফবেষ্ট ডিপার্টমেণ্টব মাটি আছিল। তেওঁলোকে প্রায় দুই একব মাটি মোক লীজত দিছিল। মই নিজকে নিজে কৈছিলো—"হিমিহাতাব একব মাটিব প্রতি

মানুহে লোভ কৰিব পাবে। "কিন্তু এতিয়া কেৱল এই দুই একৰ মাটিত নিশ্চয় মই সম্পূর্ণ নিৰাপদে থাকিব পাৰিম।" আশ্রম সাজিব খোজা মাটি-ডোখৰ পাইন গছৰ হাবিৰে ভৰি আছিল। সেই কাৰণে কিছুমান পাইন গছ কাটিব লগা হ'ল। সেই কাটি পেলোৱা গছখিনিৰপৰা আমি আৱশ্যকীয় কাঠখিনি পাইছিলোঁ। শিলো তাত আছিল। সেইকাৰণে মোৰ ঘৰে এডোখৰ সৰু পজা ঘৰ, গোহালী এটা, আৰু আনসকলৰ কাৰণে বান্ধনী ঘৰেৰে সৈতে বেলেগ এটা ঘৰ সজাওঁতে বৰ বেছি দিন লগা নাছিল। সজা শেষ হৈ উঠিলত মই ইয়াৰ নাম দিছিলোঁ—"গোপাল আশ্রম"।

সম্প্রতি মোৰ সহকর্মীসকলৰ কিছু সাল-সলনি হৈছিল। ধৰমপালে ইংলণ্ডলৈ গৈ ইংৰাজ ছোৱালী এগৰাকী বিয়া কৰালে। তেওঁ এতিয়া নিজৰমতে কাম কৰিছে। কৃষ্ণমূর্তিয়ে "গান্ধী স্মাৰক নিধি"ত চাকৰি লৈছে। মোক চেক্রেটাৰী আৰু টাইপিষ্ট, দুজন মানুহৰ আৱশ্যক নাছিল, কাৰণ, এতিয়া গৱর্ণমেণ্টৰ কামো নাই। সেইদেখি মই এনে এজন মানুহ বিচাৰিছিলোঁ, যিজনে অকলেই চেক্রেটাৰী আৰু টাইপিষ্টৰ কাম কৰিব পাৰিব আৰু আন কামতো সহায় হ'ব। দুজন নে তিনিজন মানুহ আহিল আৰু গ'ল। তেওঁলোকে টাইপ নেজানে। কোনোবাজনে যদি টাইপ জানেও, আন কাম নেজানে। তাৰ উপৰি তেওঁলোক গোপাল আশ্রমত থাকিব পৰা বিধৰ মানুহ নাছিল।

এদিন ধৰমপালে লগত এজন ডেকা ল'ৰা লৈ আহি ক'লে, "এওঁ এনে এজন ল'ৰা, যি আপোনাৰ কামৰ কাৰণে উপযুক্ত হ'ব।"

নতুনকৈ অহাজনলৈ মনোযে গৈ চাই মই ক'লো, "বেচ ভ'ল কথা"। ল'ৰাজনৰ বয়স কম ক্ষীণ চেহেৰা আৰু কথাও কম কয়। কিন্তু যি অলপ কৈছিল বেচ ভালেই কৈছিল। সেই কাৰণে জগদীশ থাকিল। মই বিচৰামতে তেওঁ সকলোপিনে পঢ়ু আছিল, তাৰ উপৰি কিছু পৰিমাণে তেওঁ এজন শিল্পীও আছিল। তেওঁ ভাৰতীয় আৰু পশ্চিমীয়া বহা বহা সাহিত্যৰ অতি আগ্রহী পঢ়ুৱৈ আছিল—বিশেষকৈ দর্শন বিষয়টোৰ। হিমালয়ৰে মানুহ হোৱা কাৰণে তেওঁ পাহাৰত থাকি নিজৰ ঘৰত থকা যেনো পাইছিল।

গকৰ কাৰণে আৰু অন্যান্য কাম কৰিবৰ কাৰণে ভাল দুজন সহায়কাৰী মই পাইছিলোঁ। এজন হৃষীকেশৰপৰা অহা ডেকা সাধু, নাম স্বামী যোগানন্দ। তেওঁ অনবৰত গৰু আৰু বাবীখনত লাগি থাকে। আনজনক আমি ব্ৰহ্মচাৰীজী বুলি মাতিছিলোঁ। তেওঁ মোৰ খোৱা-মেলাৰ বিষয়ে চাইছিল আৰু গাইকেজনী খীবাইছিল। এজন আছিল দাড়ি-মুখ খুবোৱা, মজবুত শবীৰেৰে ধুনীয়া আৰু উৎসাহী বঙালী মানুহ। আনজন আছিল হিমালয়ৰে লোক। তেওঁৰ গাৰ্হত জন্ম। ল'বা অৱস্থাতে সংস্কৃত পঢ়িবৰ কাৰণে ঘৰৰপৰা পলাই আহি, পিচত হিমালয়ৰ আটাইবিলাক তীৰ্থস্থানতে—কেদাৰনাথ, বদ্ৰীনাথ, আনকি গোমুখো—ঘ'বপৰা গঙ্গা আবিৰ্ভাব হৈছে, পবিদৰ্শন কবি ঘুবি ফুবিছিল। তেওঁ বহুবত এবাৰ কি দুবাৰহে দাড়ি খুবাইছিল। ক'লা দাড়িকোছাৰে সৈতে তেওঁক দেখিলে এনেকুৱা লাগিছিল যে, তেওঁ যেন যীশুখ্ৰীষ্টৰ বাবজন শিষ্যৰ চিত্ৰখনবপৰা নামি আহিছে।

নামনিৰ দহ মাইল দূৰৈৰ ডাকঘৰৰপৰা সপ্তাহে তিনিবাৰকৈ ডাক অনা-নিয়া কবিবলৈ, হাবিৰপৰা খৰি-খেৰ ঘাঁহ আদি কাটি আনিবলৈ আৰু শস্য আদি মিলত পিহাই আনিবলৈ আমাৰ লগত স্থানীয় গাঁৱৰ দুটা ল'বা আছিল।

আমাৰ পৰিয়ালটোত জীৱ-জন্তুৰ ভিতৰত আছিল মনা, তিনিজনী গাই আৰু গাঁৱৰ গৰুৰ কাৰণে এটা ডেকা ষাঁড়। নাহৰফুটকী বাঘবিলাক খেদিবলৈ দুটা পহৰা দিয়া শক্তিশালী কুকুৰো আছিল।

এতিয়া এই প্ৰথমবাৰৰ কাৰণে মই ভৈয়ামৰ প্ৰভাৱৰপৰা ভালেখিনি আঁতৰত, হিমালয়ৰ গাঁৱলীয়া জীৱনৰ ঠিক মাজত আছিলোঁ। গাঁৱলীয়া লোকসকল শক্তিশালী, সাহিয়াল, আত্মনিৰ্ভৰশীল আৰু পৰিশ্ৰমী আছিল। বিশেষকৈ তিৱোতা মানুহখিনি। পথাৰত কৰিবলগীয়া বেছিখিনি কাম তেওঁলোকে কৰিছিল। আৰু লগতে ঘৰৰ কামো কৰিছিল। মতা মানুহে হাল বাইছিল আৰু ওখ পাহাৰৰ গাত খাজ কাটি খেতিৰ মাটি তৈয়াৰ কৰিছিল। কোনো কোনো ঠাইত শিলৰ বেৰা বান্ধিছিল। এইদৰে সেই সৰু সৰু খেতিৰ মাটি-বিলাক তৈয়াৰ আৰু মেৰামতি কৰি বখাৰ কামত তেওঁলোক নিপুণ আছিল। ক'ৰবাত ক'ৰবাত কাটি উলিওৱা মাটিৰ টুকুৰা বিমান বহল আছিল, সেই মাটি বক্ষা কৰিবলৈ বন্ধা বেৰাখন তাতোকৈ ওখ আছিল। এইদৰে অন্য কোনো

আহিলা-পাতিৰ সহায় নোলোৱাকৈ পাহাৰৰ গাত খাজ কাটি খেতিৰ মাটি তৈয়াৰ কৰাত আৰু সৰু সৰু পানী নিয়া নলা কাটি উলিওৱাত, গাঁওবাসী-সকলে জোখ-মাপ আৰু দ-বাম সম্পৰ্কে স্বাভাৱিক জ্ঞানৰ পৰিচয় দিছিল। বেছিভাগ মানুহেই ভাল কৰতিয়াল। মাজে মাজে তেওঁলোকে বন বিভাগৰ ঠিকাদাৰসকলৰ কাৰণে কাম কৰিবলৈ গুচি যায়।

এই অঞ্চলৰ হৰিজনসকল আদিমবাসী গোষ্ঠীৰ। সাধাৰণতে তেওঁলোক নাচ-গান কৰা মানুহ। ঢোলটোৱেই তেওঁলোকৰ সেই নাচ-গানৰ লগৰ একমাত্ৰ বাদ্য। গাঁৱে গাঁৱে ঘূৰি ফুৰোঁতে কেতিয়াবা তেওঁলোকে আশ্ৰমৰ মুখেদি পাৰ হ'বলগীয়া হ'লে আশ্ৰমৰ ভিতৰলৈ আহি নাচ-গান কৰেহি।

যিবছৰ বতৰ বেয়া হৈ খেতিৰ অনিষ্ট হয় সেইবছৰ দেৱতাৰ সন্তুষ্টিৰ কাৰণে এই নৃত্য-বাদ্য কৰা মানুহখিনিৰ প্ৰয়োজন বাঢ়ি যায়। দেৱতাক আহ্বান কৰা তেওঁলোকৰ ঢোলৰ শব্দ দ সমতলভূমিৰ কেবামাইল আঁতৰলৈকে শুনা গৈছিল। বাদ্য-নৃত্যেৰে দেৱতাক আহ্বান জনোৱা এনে দৃশ্যবিলাকৰ কিছুমান বিশেষ উল্লেখযোগ্য। ইয়াত সেই বৈদিক যুগৰ সুৰ প্ৰতিধ্বনিত হয়।

ভোলানাথ আৰু শক্তি নামৰ কুকুৰ দুটায়ো আমাৰ মনোযোগ আকৰ্ষণ কৰিছিল। বাতি পহৰা দিয়া কামৰ কাৰণে সিহঁত মানুহতকৈ বহুত বেছি উপযোগী আছিল। সিহঁতে গোটেই বাতি সাৰে থাকি সতৰ্ক হৈ থাকে। সিহঁতে যদি কেনেবাকৈ নাহৰফুটুকী বাঘ অহা দেখে, তেন্তে পলাই নৰ নেমাৰি, বাঘটোক ভীষণভাৱে আক্ৰমণ কৰে আৰু খেদি নি আশ্ৰমৰ সীমাৰ বাহিৰ পোৱায়গৈ।

শক্তিৰ যেতিয়া পোৱালি হয়, তেতিয়া মাক-বাপেকৰ ব্যৱহাৰ চাবলৈ বেচ আমোদজনক হয়। শক্তিৰ মাতৃসুলভ মৰম আৰু ধৈর্য গোটেইখিনি আছিল। কিন্তু ইফালে ভোলানাথে বিবেচনা কৰিছিল যে, শৃঙ্খলা হ'ল পোৱালিকেটাৰ শিক্ষাৰ অত্যন্ত দৰকাৰী কথা। কেতিয়াবা সি শুই থাকোঁতে পোৱালিবিলাকে আহি তাৰ গাৰ ওপৰত জপিয়ায়। সি তৎক্ষণাৎ তাৰ মুখেৰে সিহঁতক খুন্দিয়াই ভৌ-ভৌৱাই উঠে। যেন সি সিহঁতক কামুৰিবহে। পোৱালি-বিলাকে তেতিয়া কুঁ কুঁ কৰি মাকৰ ওচৰলৈ লৰ মাৰে। মাকে উদ্বিগ্ন হৈ সি আটাইকিটাকে নাকেৰে সামৰি লৈ যেন কয়, "নাই নাই, একো হোৱা

নাই, নেকান্দিবি। কিন্তু দেউতাৰ শুই থাকোতে তেঁতে তেওঁক এনেকৈ আমনি কৰা উচিত নহয়।" এইবুলি কৈ মাকে পোৱালিকেটাক কিছু দূৰলৈ লৈ যায়, যাতে ভোলানাথক আকৌ বিৰক্ত কৰা নহয়।

কুকুৰ পোৱালিবিলাক ডাঙৰ হ'লত ভোলানাথে সিহঁতক লগত লৈ খেলিছিল। আনকি খেলাবিলাকেৰেও সিহঁতক শিকোৱা হৈছিল। সি মতা পোৱালিবিলাকক জোৰেৰে লুটিয়াই বগৰাই পেলাইছিল। কিন্তু মাইকী পোৱালিবোৰৰ লগত সি অতিশয় শান্তভাৱে ব্যৱহাৰ কৰিছিল। এই শিকনি দিয়া খেলত শক্তিয়েও পোৱালিবিলাকৰ লগত খেলিছিল। লৰোঁত্তে ইটোক সিটোক বগৰাই পেলাই তাই দৌৰ দিছিল।

শাৰীৰ পিচত শাৰী, সেই অন্তহীন পাইন গছৰ হাবিৰ মাজত, পাহাৰত খাজ কাটি আমি যেতিয়া শাক-পাচলিৰ খেতি কৰিবলৈ লৈছিলোঁ, আমাক আটাইতকৈ আমনি দিয়া প্ৰতিবেশী আছিল বগা-ক'লা বঙৰ, ডাঙৰ ডাঙৰ কাঁইটেৰে, বলী কেটেলা পহুবিলাক। নাহৰফুটকী বাঘৰ দৰেই সিহঁতো আন্ধাৰ হোৱাৰ পিচতে আহিছিল। আমাৰ পৰৱা দিয়া কুকুৰকিটাক অনাৰ আগতে মোৰ পজাটোৰ খিৰিকীখনৰ ঠিক বাহিৰতে কেটেলা পহুৰ কাঁইটৰ ঝনঝননি শুনিবলৈ পাইছিলোঁ। মই জাপ মাৰি বিছনাৰ-পৰা নামি লেম এটা হাতত লৈ, সেই চুব কৰিবলৈ বিচাৰি ফুৰা কেটেলা পহুকেটাক আমাৰ মূল্যবান শাক-পাচলিখিনি খাবলৈ নৌ পাওঁতেই খেদি দিবলৈ বাহিৰ ওলাই গৈছিলোঁ। কিন্তু মই সিহঁতক ক'তো নেদেখি শুবলৈ বুলি আকৌ বিছনালৈ যাওঁ। পিচদিনা বাতিপুৱা, কেটেলা পহুৰ কাঁইটবিলাক, চাবিওপিনে সিচৰতি হৈ ঘাঁহৰ ওপৰত পৰি থকা দেখোঁ। ত্ৰিশ ফুটমান আঁতৰত ঢাপৰ কাষত তাৰ দেহৰ অৱশিষ্টখিনি পৰি আছিল। তাৰ কাঁইটবিলাক আৰু ভৰিকিটাৰ বাহিৰে তাত একো নাছিল। মই যি শব্দ শুনিছিলোঁ সেয়া নিশ্চয় নাহৰফুটকী বাঘ এটাই তাক মোৰ খিৰিকীৰ ওচৰেদি চোঁচোৱাই নিয়াৰ শব্দ যেতিয়া মই বাহিৰ ওলাই গৈছিলোঁ, সন্দেহ নাই যে তেতিয়া সেই ঢাপৰ কাষতে বাঘে তাক খাই আছিল।

যদিও মই দূৰত, হিমালয়ত নিজক ডুবাই ৰাখিছিলোঁ, তথাপি দেশৰ বাকী অংশত ঘটা কথাবিলাক অতি মনোযোগেৰে লক্ষ্য কৰিছিলোঁ। সেই-

বিলাকে মোক ভয়ানকভাৱে অস্থিৰ কৰি তুলিছিল। বিৰাট বিৰাট শিল্পৰ আৰু অন্যান্য আঁচনিৰ পৰিকল্পনা কৰা হৈছিল। তাৰ কাৰণে আন দেশৰ-পৰা বিশাল অঙ্কৰ টকা ধাৰ বা দান হিচাপে ল'বলগীয়া হৈছিল। স্বাধীন ভাৰতৰ যিখন ছবি আমি আমাৰ মনত আঁকিছিলোঁ, ই যে তাৰপৰা কিমান বেলেগ আছিল! মই যিমানে ভাবিছিলোঁ সিমানে মোৰ চিন্তা বাঢ়িহে গৈছিল। অৱশেষত মই নিজেই এখন সৰু মাহেকীয়া কাগজ—"বাপুৰাজ পত্ৰিকা" নাম দি উলিয়াইছিলোঁ। ভাৰতীয় কৃষক বাইজক সম্বোধন কৰি অতি সহজ ভাষাত লিখিছিলোঁ। মোৰ উদ্দেশ্য আছিল গাঁৱৰ বাইজক বাপুৰ স্বয়ংসম্পূৰ্ণ অৰ্থনীতি সম্পৰ্কে বুজাই কোৱা আৰু সহজ বিকেন্দ্ৰীভূত সমাজৰ দাবী লৈ একগোট হবলৈ উৎসাহিত কৰা।

প্ৰচেষ্টাটোৱেই আছিল ভাবিৰ নোৱাৰা ধৰণৰ। ইমান দূৰত পৰ্বতৰ ওপৰত থাকি মই অকলেই আটাইবিলাক প্ৰবন্ধ লিখিবলগীয়াত পৰিছিলো। টকা-পইচাৰ কাৰণেও মই মোৰ অকলশৰীয়া চেষ্টাৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হৈছিল। অকণমান কাগজখনৰ কিছুসংখ্যক গ্ৰাহকো হৈছিল। কাগজখন ইংৰাজী, হিন্দী, গুজৰাটী, তামিল আৰু তেলেগু, এই পাঁচটা ভাষাত ওলাইছিল। কিন্তু কাগজখনৰ খৰচ নোলাইছিল। অৱশেষত ই মোক কপৰ্দকশূন্য কৰি পেলাইছিল।

ইতমধ্যে কেৰল লিখিয়েই সন্তুষ্ট নহৈ মই জাৰকালি ভৈয়ামলৈ নামি গৈ ঘোঁৰাৰে গাওঁবিলাক ঘূৰিবলৈ স্থিৰ কৰিছিলোঁ। এইদৰে ঘূৰি মোৰ যি অভিজ্ঞতা হৈছিল, তাৰপৰা মোৰ এই ধাৰণা দৃঢ় হ'ল যে কৃষক বাইজৰ লগত কংগ্ৰেছ গৱৰ্ণমেণ্টৰ প্ৰকৃত সংযোগ নাই। আৰু আমোলাতন্ত্ৰৰ ক্ৰমবৰ্ধমান দুৰ্নীতিয়ে জাতিৰ জীৱনীশক্তি খাই আনিছে। কিন্তু তাৰ লগতে কিছু আন কথাও মই বুজিব পাৰিলোঁ। বিশেষকৈ বুজিলো যে মই যি চেষ্টা কৰিছো সি সাধ্যৰ অতীত আৰু ই মোক বিপদতো পেলাব পাৰে। মোৰ উদ্দেশ্য আছিল কংগ্ৰেছী মন্ত্ৰীসকলক গাঁও অঞ্চলৰ প্ৰকৃত অৱস্থাটো হৃদয়ঙ্গম কৰোৱা, যাতে তেওঁলোকে জনসাধাৰণৰ অৱস্থাৰ উন্নতিৰ নিশ্চিত উপায়, বাপুৰ অৰ্থনৈতিক আঁচনিৰ পিনে চাল লয়। আৰু লগে লগে দুৰ্নীতি যাতে কঠোৰ হাতেৰে দমন কৰে। কিন্তু যিসকল বন্ধুৱে মোৰ এই অভিযানত যোগ দিবলৈ খুজিছিল, তেওঁলোকে কংগ্ৰেছী মন্ত্ৰীসকলক পোনপটীয়াকৈ আক্ৰমণ কৰাৰ

কথাহে ভাবিছিল। ডেওঁলোকব যুক্তি আছিল যে সোনকালেই হওক বা পলমকৈয়ে হওক, গান্ধীবাদী বাজত যদি আমি লাভ কবিব খোজো তেন্তে নিশ্চয় এই মন্ত্রীসভাবিলাক ভাঙি আমি নিজে গৱর্ণমেণ্ট চলাব লাগিব। ডেওঁলোকব চিন্তাধাবা, কথা আৰু লিখা মোবপবা সম্পূর্ণ পৃথক আছিল। মই জানিছিলোঁ যে যদি মোব লগত যোগ দিয়ে, তেন্তে প্রত্যেকটো কথা এনেদবে গঢ় ল'ব যে, তাত মই সহযোগিতা কবা অসম্ভব হৈ পবিব। তথাপি যদি অকলশবেই নিজব মতে আগবাঢ়ো, কিমানকণনো মই কবিব পাবিম? কাম কবাব আন কিবা পদ্ধতি বিচাবি উলিয়াব লাগিব।

সেই সময়ত গ্রামোন্নয়নব কাবণে সমুহীয়া উন্নয়ন আঁচনি আবম্ভ কবা হৈছিল। মোব মনত খেলাইছিল যে, পবীক্ষামূলকভাবে বাপুব আদর্শ খটুৱাই যদি এখন সহজ আঁচনিলৈ কাম কবিব পবা যায়, তেন্তে মই বিহব কাবণে চেষ্টা কবি আছো, সেইটোব এটা স্পষ্ট ছবি দাঙি ধবিব পবা যায়। এনে এটা জীৱন্ত উদাহবণ দেখিলে, সেই প্রণালীটো চাবিওপিনে বিয়পিব পাবে। এনে সময়তে জৱাহবলালক মই ৰাৰ্ধাব ওচবত হোৱা সভা এখনত লগ পাওঁ। তেওঁব আগত এই বিষয়টো মই দাঙি ধবিছিলোঁ আৰু কৈছিলো যে বিশেষভাবে সুবিধাজনক গোপাল আশ্রমতে মই সেই আঁচনিমতে কাম আবম্ভ কবিব খোজো। তেওঁ তৎক্ষণাৎ সম্মতি দিছিল। তেওঁব আশীর্বাদ লৈ মই দিল্লীলৈ গ'লোঁ। তাত সমুহীয়া উন্নয়ন আঁচনিব কেন্দ্রীয় অনুষ্ঠানব লগত যত্ন সহকাবে এই বিষয়ে মই আলাপ-আলোচনা কবিছিলোঁ। খুটি-নাটি প্রতিটো কথা পবিষ্কাব কবি এখন সহজ সম্পূর্ণ আঁচনি মই তৈয়াব কবি উলিয়াইছিলোঁ। চলিত চবকাবী ধবণতকৈ বেলেগ, বাপুব আদর্শমতে স্থানীয় কথাব ওপবত বেছি জোব দি, স্থানীয় লোকব কর্তৃত্ব যাতে বেছি থাকে, তেনেভাবে এইখন আঁচনি কবা হৈছিল। কেন্দ্রীয় চবকাবে অনুমোদন কবাত মই আঁচনিখন লৈ লক্ষ্ণৌলৈ গ'লোঁ। তাতে গণ্ডগোল আবম্ভ হ'ল। কাবণ "সমুহীয়া উন্নয়ন আঁচনি" আছিল ষ্টেটব বিষয়। প্রাদেশিক শাসনযন্ত্রই ইয়াক পবিচালনা কবিব লাগে। এতিয়া কেন্দ্রবপবা কথাটো হৈ অহাত, প্রাদেশিক গৱর্ণমেণ্টব কর্মচাবীসকলে ডেওঁলোকব সর্বময় কর্তৃত্ব নেথাকিব বুলি ভয় কবিছিল। সি যি কি নহওক, কেন্দ্রীয় চবকাবে বাব লাখ টকা আঁচনিখনব কাবণে অনুমোদন কবিবলৈ সাজু থকাত, ইয়াক বথাব

লোভ সামৰি এৰি দিবও তেওঁলোকে নোৱাৰিছিল। সেই কাৰণে বহুত তৰ্কাতৰ্কিৰ পিচত মোক তেওঁলোকে টেহৰীলৈ উলটি গৈ স্থানীয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰি সম্পূৰ্ণ বাজেট এখন তৈয়াৰ কৰিবলৈ কৈছিল।

টেহৰী গাৰোৱালৰ বাইজে আঁচনিখনৰ কথাত বিশেষ আগ্ৰহ দেখুৱাইছিল। আমি বছা বছা কৰ্মীৰে এখন কমিটীও গঠন কৰিছিলোঁ। মোৰ আশা বাঢ়ি গৈছিল। ডাৰ উদ্ঘাটন উৎসৱৰ তাৰিখ ঠিক হ'ল। আমি সেইদিনাৰ কাৰণে সকলো জা-যোগাৰ কৰিবলৈ আৰু অতি দূৰে দূৰে থকা গাঁওবিলাকলৈ নিমন্ত্ৰণী পঠাবলৈ গোপাল আশ্ৰমলৈ উলটি আহিলোঁ।

নিৰ্দিষ্ট দিনত সকলো ঠাইৰেপৰা গাঁওবাসীসকল গোট খাইছিলহি। তেওঁলোকৰ সৰহভাগেই ঘৰত কটা আৰু বোৱা উলৰ কাপোৰ পিন্ধিছিল। সহজ সৰল সেই পৰিশ্ৰমী সাহিয়াল লোকসকলে বহুত মাইল ওখোৰা মোখোৰা পাহাৰী বাস্তা পাৰ হৈ আহিছিল। তেওঁলোকৰ চেহেৰাত ক্লান্তিৰ কোনো চিন নাছিল। তাৰ পিচত গৱৰ্ণমেণ্টৰ বিষয়াসকলে কৰ্তব্যত বান্ধ খাই অনুষ্ঠানটোত যোগ দিবলৈ এজন এজনকৈ আহি পালে। জিলাৰ প্লেনিং অফিচাৰজন, তেওঁ উঠি অহা খচ্চৰটোৰ ওপৰৰপৰা পৰিল আৰু তেওঁক টেহৰীৰ হাস্পতললৈ ঘুৰাই লৈ যাব লগা হ'ল। ডিভিজনেল ফৰেষ্ট অফিচাৰজনো ঘোঁৰাৰপৰা পৰি বেণ্ডেজ বান্ধি মুৰেৰে ওলাই-ছিলহি। জিলা মেজিষ্ট্ৰেটজনো হেডকোৱাৰ্টাৰলৈ উভতি গৈ এসপ্তাহ বিছনাত পৰি আছিল। আমাৰ আঁচনি জনপ্ৰিয় হোৱা নাছিল। বেছিদিন পাৰ নৌ হওঁতেই আমি লক্ষ্ণৌৰপৰা খবৰ আৰু নানা পৰামৰ্শ পাৰলৈ ধৰিলোঁ। সেই-বিলাকৰপৰা বুজা গ'ল যে, আমোলাতন্ত্ৰই আমাৰ আঁচনিৰপৰা হাত এৰি দিব নোখোজে মই লৰালৰিকৈ লক্ষ্ণৌলৈ গৈ দীঘলীয়া আলোচনা চলাইছিলোগৈ। আকৌ এবাৰ তেওঁলোকে মোক কথা দিছিল যে, সকলো কথা ঠিক হ'ব। কিন্তু ঘূৰি আহি পোৱাৰ লগে লগে সেই একে কথাই আকৌ আৰম্ভ হ'ল।

আমি পৰিকল্পনা কৰা মতে বিকেন্দ্ৰীভূত পৰীক্ষামূলক আঁচনিখনৰ ঠাইভা যদি আগৰ সেই গোড়া চৰকাৰী আঁচনিখনেই থাকে, তেন্তে গোটেই বস্তুটে গৱৰ্ণমেণ্টৰ হাতত তেওঁলোকৰ ইচ্ছামতে চলাবলৈকে গতাই দিয়াই ভাল হ'ব। মই তাকে কৰিলোঁ।

ইয়াব পবিণাম স্বৰূপে মই গোপাল আশ্রম এবিব লগা হ'ল। কাবণ, মই এনে এটা অকল্পব মাজত পকাব কথা কল্পনাও কবিব নোৱাৰো, য'ত মোব সকলো আশা-আকাঙ্ক্ষা মহিমূব হ'ব আৰু মই বিশ্বাস নকবা ধৰণব চবকাবী আঁচনিব কাম চলিব।

এই সময়ত বহুতো গান্ধীবাদী লোকে বিনোবাব ভূ-দান আন্দোলনত যোগ দিছিল। মোকো তাত যোগ দিবলৈ জোব কবা হৈছিল; কিন্তু মোব মন সেইকালে আকর্ষিত হোৱা নাছিল।

ক'লৈ যাম আৰু কি কবিম, এই বিষয়ে শেষ সিদ্ধান্ত লোৱাব আগতে মই আকৌ আলোচনা কবিবব কাবণে দিল্লীলৈ গৈছিলোঁ। লগালগিকৈ ঘটা কিছুমান ঘটনাব কাবণে কাশ্মীবব লগত সম্প্রতি মোব সংস্পর্শ ঘটিছিল। গকব উন্নতি সাধনব কাবণে সেই ঠাই সম্ভাবনাপূর্ণ যেন বোধ হৈছিল। ই মোক যথ বেছিবকমে প্রলোভিত কবিছিল। মন্ত্রীসকলো সাজু আছিল। শেষত এয়ে সিদ্ধান্ত হ'ল যে মই তালৈ গৈ কাম কবিব লাগে।

গোপাল আশ্রমলৈ উলটি গৈ দুদিনব ভিতবতে সকলো সামবি-সুতবি জীৱ-জন্তুখিনি বিলাই দিগুচি আছিলোঁ। মনাবপবা বিদায় লওঁতে সঁচাকৈয়ে মই বব দুখ পাওঁছিলোঁ। সি বব বেগাই বুঢ়া হৈ আছিছিল। আগব বছববপবা ফুবোঁতে মই আন এটা ঘোঁবাহে ব্যৱহাব কবিছিলোঁ। সেই কাবণে মই তাক পেঞ্চন দি, যাবপবা কিনিছিলোঁ, সেই গুণাবকেজনকে আকৌ ঘুবাই দিলোঁ। সিহঁতব তালৈ আচল মবম আছিল। সিহঁতে তাক সিহঁতব গৰু-ঘোঁবাবিলাকব লগতে চবাবলৈ আৰু তাক একো কাম নিদিবলৈ সম্মত হৈছিল। তথাপিতো তাব লগ এবাটো অতি কষ্টদায়ক আছিল। কোনো ঘোঁবা তাব দবে ঘনিষ্ঠ আৰু একনিষ্ঠ বন্ধু নাছিল।

ভিলাঙ্গানা আঁচনি প্রতিষ্ঠাব কামত মই দ্বিতীয়বাব দিল্লীত থকা সময়ত, এদিন সন্ধিয়া মোব কোঠালিত বহি থাকোঁতে, এগবাকী প্রফুল্ল মনব ধুনীয়া ডিবোতা সোমাই আছিল। তেওঁব গালবিলাক সতেজ গোলাপী বঙব আৰু চুলি-বিলাক আছিল সোণালী। তেওঁ হাঁহি মাবি মোব পিনে চাইছিল, যেন

চিনাকিহে। মই চিঞবি উঠিলোঁ—"নীলা!" হয়, সেয়া নীলা; বহুত বছবব আগতে বার্ধা আশ্রমব ভিতবে-'াহিবে নাচি ফুবা সেই বাংঢালী ছোৱালীজনী। তেওঁ আগতকৈ বহুত ডাঙব হৈছিল হয়; কিন্তু তথাপি সেই আগবদবেই আছিল। সেইদিনা গধূলি আমাব বিশ বছবব নানান অভিজ্ঞতাব কথা-বার্তা বেছি দূব আগবঢ়া নাছিল। আনকি আৰু কেবাবাবো লগ পালেও সেইবিলাক কৈ শেষ কবা টান আছিল। তেওঁ বেছিভাগ সময় মধ্য প্রাচ্যতে কটাইছিল। বাপুব সেই ইচ্ছাব কথা যে তেওঁ (নীলা) শিল্পকলাব মাজেবে পৃথিবীব বিভিন্ন ধর্ম আৰু সংস্কৃতিব মাজত উন্নত আৰু উদাব বুজাবুজিব কাবণে কাম কবা উচিত, সেই কথা তেওঁ কেতিয়াও পাহবা নাছিল। তেওঁ কৈছিল যে এতিয়া তেওঁ কাশ্মীবব কবিতাবিলাকব ভাঙনি কবাত লাগিছে। সেই কবিতাবিলাক হিন্দু আৰু মুছলীম চিন্তাধাবা আৰু বহস্যবাদব এক অদ্ভুত সংমিশ্রণ। ইমান বছবব আগতে বাপুৱে নীলাব গাত যিবিলাক গুণ আছিল বুলি ভাবিছিল, সেই কথাটো মই এতিয়াহে ভালকৈ বুজিব পাবিলোঁ। পিচবাব দিল্লীলৈ আহোঁতে আমি আকৌ লগ হৈছিলোঁ। মই কাশ্মীবলৈ যোৱাব কথাটো যেতিয়া ওলাল, নীলাই সেই কথাত পূবা সমর্থন জনাইছিল।

গোপাল আশ্রমব সৰু পবিয়ালটোব ভিতবত ছগদীশ, লগত এতিয়া এগবাকী সুন্দবী তিবোতাবে সৈতে, আৰু ব্রহ্মচাবীজী মোব লগত গৈছিল। সমতলভূমিব গবমত সিক্ত ভ্রমণ শেষ হ'লত, ন হাজাব ফুট ওখ বনিহাল গিবিপথব উত্তবপিনে পোৱা ববফব ওপবত আমি ল'বা-ছোৱালীয়ে খেলাব দবে খেলিছিলোঁ। আমাব ভিতবব কোনেও আগতে কাশ্মীব দেখা নাছিল। চাবি-হেজাব ফুট তললৈ আমাব সম্মুখত বিয়পি থকা নতুন পৃথিবীখনলৈ আমি আচ'বিত হৈ চাই বৈছিলোঁ। কাবণ, কাশ্মীব স্বয়ংসম্পূর্ণ এখন পৃথিবী। সাধাবণ অর্থত উপত্যকা বুলিলে যি বুজায়, ই তেনে নাছিল। সেই ঋতুত চাবিওফালব পাহাববিলাক ববফেবে ঢাক খাই আছিল আৰু দেখিবলৈ অতি মনোমোহা হৈ পবিছিল।

কাশ্মীব গৈ পালত আমাক মুখ্যমন্ত্রী বক্সী গোলাম মহম্মদব ঘবলৈ লৈ যোৱা হ'ল। তেওঁ বিশেষত্ব পূর্ণকাশ্মিবী ধবণে আমালৈ আতিথ্য আগবঢ়াই আমাব সকলোকে বাতিটো তেওঁব তাতে বাখিলে। পিচদিনা বাতিপুৱা চহবব বাহিবে পাঁচ মাইল দূবত খালটেইনত থকা গবর্ণমেণ্ট ডায়েবীলৈ

আমি গ'লোঁগৈ। কেবাটাও ঘৰত গুলীৰ দাগ আছিল। দাগবিলাকলৈ চাই আমি সুধিছিলোঁ, "এইবিলাক কেনেকৈ হ'ল?" তেওঁলোকে উত্তৰ দিছিল, "আপোনাসকলে বোধকৰোঁ নেজানে, বাধা দিয়াৰ আগতে জনজাতি আক্ৰমণ-কাৰীসকল এইখিনি পাইছিলহি।"

ধুনীয়া চিনাৰ গছৰ জোপোহাৰ কাষতে সৰু মনোমোহা ঘৰ এটাত আমি আছিলোঁ। মই অতি আগ্ৰহেৰে চাৰিওপিনে চাইছিলোঁ। গছ-লতা, ঘাঁহ-বন, ফুল সকলো বনিহাল গিৰিপথৰ সিফালে থকা গছ-বনতকৈ বেলেগ আছিল। সেইবিলাকত উত্তৰ দেশীয় জলবায়ুৰ চেহেৰা বৰ্তমান আছিল। ডেইজী আৰু বাটাৰকাপফুল (এবিধ বনৰীয়া হালধীয়া ফুল) বিলাক দেখি সৰু কালৰ স্মৃতি মোৰ মনলৈ আহিছিল।

মোৰ কাম আছিল প্ৰাদেশিক চৰকাৰলৈ আঁচনি এখনৰ প্ৰস্তাৱ এটা পঠোৱা আৰু গো-উন্নয়নৰ কাৰণে উপযুক্ত বুলি ভবা ঠাই এডোখৰ বাছি উলিওৱা। তাত আনকি চৰকাৰী মহলতো মুক্ত আৰু সহজ বাতাবৰণ বৰ্তিছিল। ইয়াত বঙাফিটাৰ মেৰৰপৰা ওলাব পৰা গৈছিল। লক্ষ্ণৌ বা দিল্লীত সেয়ে সম্ভৱ নাছিল। সেইদেখি পোনপটীয়াকৈ কামত লাগিবলৈ টান নহৈছিল।

পশু সম্বৰ্ধন বিভাগত মই দেখিলোঁ যে, তেওঁলোকে বিদেশৰপৰা জাৰ্চি জাতীয় গৰু আমদানী কৰিবলৈ এখন আঁচনি ইতিপূৰ্বে গ্ৰহণ কৰিছে। সেইদেখি মই ভাবিলোঁ যে মোৰখন আঁচনিতো আন এটা জাতৰ গৰু আনিবলৈ চেষ্টা কৰাটো ভাল হ'ব। কাশ্মীৰত তেতিয়া দুই-তিনটা জাতৰ গৰু লৈ পৰীক্ষা কৰিবলৈ সুবিধা হ'ব। মোৰ ইচ্ছা আছিল ওখ অঞ্চলবিলাকত কাম কৰা। যদি সম্ভৱ হয় য়কবিলাকেৰে সৈতে কিছুমান দুভেচীয়া (ক্ৰেচব্ৰিডিং) কৰাৰ কথা মই ভাবিছিলোঁ। কাৰণ হিমালয়ৰ সীমান্ত অঞ্চলত এই দুভেচীয়া জন্তুবোৰ বিশেষ ভাল বুলি ভবা হৈছিল। এই উচ্চতৰ অঞ্চলৰ গৰুবিলাক বেছিভাগেই সৰু সৰু ক'লা বা কজলা বৰণৰ হোৱা কাৰণে মই ডেক্সটাৰ জাতৰ কথা ঠিক কৰিলোঁ। সেইমতেই মোৰ আঁচনিখনো প্ৰস্তুত কৰিলোঁ। এমাহৰ ভিতৰতে গৱৰ্ণমেণ্টে সেইখন অনুমোদন কৰিছিল। এতিয়া কেন্দ্ৰটোৰ কাৰণে মই ঠাই এডোখৰ বাছি উলিয়াব লগা হ'ল।

কাশ্মিৰী কবিতা অধ্যয়নত নীলা ব্যস্ত হৈ আছিল। তেওঁ মোক সহায় কৰিবলৈ আহিছিল। কাৰ এখন লৈ তেওঁ মোক নানান ঠাই দেখুৱাই লৈ

ফুবিছিল। আটাইবিলাক ঠাইয়েই ধুনীয়া আছিল। বাস্তবিক ইমান ধুনীয়া আছিল যে প্ৰাকৃতিক দৃশ্যই মন একেবাৰে মুহি পেলায়। কিন্তু কেবাটাও দিশ মই বিবেচনা কৰিবলগীয়া হৈছিল। সেই কাৰণে সিদ্ধান্ত কৰোঁতে সময় লাগিছিল। শেষত সিন্ধু উপত্যকালৈকে বিস্তৃত হৈ থকা সৰু উপত্যকা এডোখৰ মই বাছিলোঁ। সেই ঠাইতে বাট এটা ঘূৰি গঙ্গাবলৰ পিনলৈ গৈছে। মাটিডোখৰ লোৱা আৰু তাত ঘৰ-দুৱাৰ সজোৱাটো সঁচাকৈয়ে এটা কাম আছিল। কাৰণ সকলো কাম জাৰকালিৰ বৰফ আৰম্ভ হোৱাৰ আগতে শেষ কৰি পেলাব লগা হৈছিল। গৰুবিলাকো বৰফেৰে গিৰিপথ বন্ধ হোৱাৰ আগতেই সেই পৰ্বতীয়া অঞ্চল পাৰ হৈ আহিব লাগিব। মিলিটেৰীসকলে বিশেষভাৱে সহায় কৰিছিল। স্থানীয় শিলবিলাক বৰ টান আছিল। সেইবিলাক বিস্ফোৰক পদাৰ্থৰ দ্বাৰা ভাঙিবলগীয়া হৈছিল। তাৰ কাৰণে সকলো সা-সৰঞ্জাম লৈ আহি তেওঁলোকে ছমাহৰ কাম তিনিমাহতকৈয়ো কম দিনৰ ভিতৰতে শেষ কৰিছিল। সজা-পৰা সকলো কাম গাৱঁৰ স্থানীয় মিস্ত্রিবিলাকে কৰিছিল। কাঠৰ পাতল তক্তাৰে চালখন ঢকা ঘৰবিলাক সজা যেতিয়া শেষ হ'ল, ইয়াক দেখিবলৈ সম্পূৰ্ণ কাশ্মিৰীসকলৰ ঘৰৰ নিচিনা হৈছিল। ঠাইখনৰ মই নাম দিছিলো 'গাওবল'--গাই থকা ঠাই।

অক্টোবৰ মাহত প্ৰথম গোহালী ঘৰটো যেতিয়া সজা হৈ উঠিল, ইংলণ্ডৰ-পৰা সাগৰেদি ডেক্সটাৰবিলাক বম্বে পালেহি। মই সিহঁতক আনিবলৈ গৈছিলোঁ। যাওঁতে বাটত মই দিল্লীত সোমাই ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰপ্ৰসাদৰ ভাত খাকি গৈছিলোঁ। তেওঁ ৰবলাটৰ বিৰাট প্ৰাসাদত বাস কৰিছিল যদিও ওপৰ মহলাত থকা আটাইতকৈ সৰু কোঠা এটা তেওঁ নিজৰ কাৰণে লৈছিল। তেওঁৰ আহাৰ আৰু থকা-মেলাৰ ধৰণ-কৰণো সেই পুৰণি দিনবিলাকৰ দৰেই সহজ সৰল আছিল। বম্বেলৈ যোৱাৰ আগতে 'এইড ডি-কেম্প'ৰ লগত কথা হৈ, ডেক্সটাৰবিলাক দিল্লী পোৱাৰ সময়ত, ৰবলাট প্ৰাসাদৰ ঘাঁহনিৰপৰা সেউজীয়া ঘাঁহ কটাই বেলষ্টেশ্যনলৈ পঠোৱাৰ ব্যৱস্থা কৰিছিলোঁ। এখন নতুন দেশত দীঘলীয়া যাত্ৰা কৰোঁতে সিহঁতে সেইবিলাক খাবলৈ পালে কিমান ভাল পাব সেই কথা মই জানিছিলোঁ।

বম্বেত তেতিয়াও বৰ গৰম আছিল। বেচেৰা সৰু ডেক্সটাৰকেটা নামিবৰ পৰত বৰকৈ কোপাই আছিল। লোহিত সাগৰত তাৰে এটা দামুৰি

গবমত মবিল। বাকীবিলাকবো উশাহ নোঁপোন্না অবস্থা মই শক্তিত হৈ লক্ষ্য কবিছিলোঁ। বেলবে কর্তৃপক্ষবে সৈতে গক নিয়া গাড়ীব সলনি ঘোঁবা নিয়া গাড়ীব ব্যবস্থা কবিব পাবি মই কৃতজ্ঞ হৈছিলোঁ। কাবণ, ঘোঁবা নিয়া গাড়ী যাত্রীবাহী বেলব লগত লগলগাই দিব পাবি। মই ভাত সিঁজিব কাবণে ইলেকট্রিক ফেনো লগাই দিয়াইছিলোঁ। যদিও সিঁজিতে ধন্যবাদ দুলি ভ'ব পবা নাছিল, তথাপি যি ধবণে সিঁজিতে ফেনব তলত তৎক্ষণাৎ শুই পাদ আঘাম কবিছিল, সিয়ে সিঁজিত কিমান কৃতজ্ঞ আছিল বুজাবব কাবণে যথেষ্ট আছিল। মই আগতীয়াকৈ এবোপ্লেনেবে শুচি গ'লোঁ। পাঠানকোটবপবা সিঁজিক ওখ পর্বতীয়া পথেবে লৈ যাবব কাবণে ট্রাকব ব্যবস্থা কবিবলৈ মোব লগত থিজন পশু বিভাগব বিষয়া গৈছিল ডেৰ ট্রেনেবে আহিছিল।

সিঁজিক আবামেবে আনিবব কাবণে মই চাবিখন ট্রাকব ব্যবস্থা কবিছিলোঁ, আক জগো জগো হোৱা চেইবীজনীলৈ মই ভাবে এখনত আনিছিলোঁ। প্রথম বাতিটো আমি নামনিব উদ্যমপুবত কটাইছিলোঁ। পিচদিনাখন পর্বতীয়া বাটেবে গৈ বাতি আমি শ্রীনগবত আছিলোঁ। তৃতীয়দিনা সেই মূল্যবান সক সক জন্তুকিটা ভালে-কুশলে আহি গন্তব্যস্থান পালে। মই যে কিমান কৃতজ্ঞ হৈছিলোঁ আক কিমান ক্লান্ত হৈছিলোঁ। ইয়াব পিচব কামটো হ'ল গাঁওবিলাকত স্থানীয় ভাল গাই বিচাবি উলিওৱা—ডেয়নটাব ষাঁড়ব লগত 'ক্রচ' কবাবব কাবণে। কিন্তু বহুত বেছি গাই পোৱা সহজ কথা নাছিল। কাবণ, আচলতে যিবিলাক ভাল, সেই সকলোখিনি শ্রীনগবব ডেইবী ফার্মবিলাকত আছিল। যিহওক, দুজনী গাই আমি যোগাব কবিছিলোঁ আক ওচবব গাঁওত এই কথা জনাই দিছিলোঁ যে, আমাব ষাঁড়কিটা ডেওঁলোকেও কামত লগাব পাবে।

এইবাব মই নিজেই মেনেজাব। গতিকে পকেটত হাত ভবাই থিয় হি থাকিবলৈ কোনো নাছিল। আমাব ষ্টাফটোত এজন ষ্টক এষিষ্টেণ্ট, এজন একাউণ্টেণ্ট, এজন ষ্টাব কীপাব আক কামদাব কেজনমান আছিল। এই কামদাবসকলক কাষব গাঁওবপবা লোৱা হৈছিল।

পাহাবত গকবিলাকব শ্রীবৃদ্ধি যদি হ'ব লাগে তেন্তে গবমত সিঁজিতক বেছি ওখ ঠাইলৈ লৈ যোৱা প্রয়োজন। এই কাম দুটা ভাগত কবিব পাবিলে ভাল। সেই কাবণে বসন্তকাল অহাব আক ববফ গলিবলৈ আবম্ভ কবাব লগে লগে আমাব ফার্মব ওপবব পর্বতব ক'ত চবণীয়া পথাব আছে মই বিচবাত

লাগিলো। 'গাওবল' ছহেজাৰ ফুট ওখত অৱস্থিত আছিল। তাৰ ওপৰৰ ঠাইখন সাত হেজাৰ ফুট। ডাঙৰ হাবি এখনৰ মূৰত অলপ ভাল চৰণীয়া ঠাই আছিল। বনবিভাগে আমাৰ আঁচনিখনৰ কাৰণে ত্ৰিশ একৰতকৈয়ো বেছি মাটি দিছিল আৰু আৰু আমি তাৰ লগতে কেখনমান পথাৰো যোগাৰ কৰিছিলোঁ। ইয়াত আমি 'গাওপাত্ৰী' সজাইছিলোঁ। তৃতীয় বছৰত আমি আটাইতকৈ ওখত আঠ হেজাৰ ছশ ফুটৰ ওপৰত খোলা যোল্ল একৰ মাটিৰ চৰণীয়া পথাৰত গোহালী ঘৰ সজাইছিলোঁ। সেইখনৰ এখন কেনে ঠাই আছিল একালৰপৰা তলৰ সিন্ধু উপত্যকা পৰিষ্কাৰকৈ দেখা গৈছিল। বাকী তিনিফালে পাইন আৰু 'ফিৰ' গছৰ জনপ্ৰাণীহীন বিশাল বননি। তাৰ মাজে মাজে ঘাঁহনি।

আমাৰ আঁচনিখনৰ কাম এতিয়া পূৰ্ণোদ্যমে চলিছিল। প্ৰথমবাৰৰ পোৱালি সিমান ভাল হোৱা নাছিল যদিও পিচৰবাৰ বৰ ভাল হৈছিল। ডেক্সটাৰ আৰু স্থানীয় গাইৰ বাহিৰে আমাৰ এটা য়াক, দুটা জচ্ আৰু দুজনী জমা আছিল। কাশ্মীৰত য়াক আৰু গাইৰপৰা হোৱা গাইজনীক জমা আৰু বলদটোক জচ বোলে। এই পাঁচটা জন্তু মই কাৰগিল অঞ্চলৰপৰা পাইছিলোঁ। কাৰগিল লাডাখৰ ৰাজধানী লেহলৈ যোৱা বাটত, দহ কি বাৰ হেজাৰ ফুট ওখত অৱস্থিত।

ডেক্সটাৰ কাশ্মিৰী আৰু য়াকৰ মাজত 'ক্ৰচ' কৰাই দুভেচীয়া কৰা কামটো অৱশেষত কাৰ্যকৰী হৈ উঠিছিল। এনে সময়তে গৱৰ্ণমেণ্টৰ পশু-সম্বৰ্ধন নীতিৰ সম্পূৰ্ণ পৰিবৰ্তন হৈছিল। বিদেশী জাতৰ গৰুৰ আৰু প্ৰয়োজন নাছিল। গৱৰ্ণমেণ্টৰ এতিয়া পৰিকল্পনা হ'ল কেৱল কাশ্মিৰী গৰু ৰখা। ইংলণ্ডৰপৰা জাৰ্চি গাই অনাৰ পৰিকল্পনাটো মোৰ প্ৰায় নিশ্চিতেই হৈছিল। সেইটো এতিয়া বাদ দিয়া হ'ল। কলম্বো পৰিকল্পনাৰ জৰিয়তে 'জাৰ্চি-কাম-অৰ্গেনিক ফাৰ্ম'ৰ বিশেষজ্ঞ নিউমেন টাৰ্ণাৰক পৰিদৰ্শনৰ কাৰণে মাতিবলৈ কৰা ব্যৱস্থাও ত্যাগ কৰা হ'ল।

অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ নীতি আছিল, হিমালয় অঞ্চলৰ কাৰণে বিদেশী জাতৰ গৰু আমদানি কৰা। কাৰণ, ভাৰতৰ আটাইতকৈ ভাল জাতৰ গৰুও কেৱল গৰম জলবায়ুৰ কাৰণেহে উপযুক্ত হয়। সেই কাৰণে মই দিল্লীলৈ গৈ তাত পশু-সম্বৰ্ধন বিভাগৰ লোকসকলক ক'লোগৈ যে, তেওঁলোকে বিদেশী

জাতৰ গৰু যেতিয়া বিচাৰিছে আৰু কাশ্মীৰে যেতিয়া সেইবিলাক নিবিচাৰে, সেই ডেক্সটাৰবিলাকক এনে এটা ঠাইলৈ পঠোৱা ভাল হ'ব, য'ত সিহঁতৰ উৎপত্তি বৃদ্ধি হ'ব পাৰে।

মোৰ এই পৰামৰ্শত তেওঁলোক মান্তি হ'ল আৰু ডেক্সটাৰবিলাকক হিমাচল প্ৰদেশৰ ছিমলা অঞ্চললৈ লৈ যোৱা হ'ল। ইফালে সৰু মলটোৰে সৈতে মই কিছুদিনৰ কাৰণে টেহৰী গাৰোৱাললৈকে উলটি আহিলোঁ।

কিন্তু কৰিম কি? থাকিবলৈ ক'তো মোৰ ঠাই নাই। টকাও লগত অতি সামান্যহে আছে। কিষাণ আশ্ৰম, পশুলোক, গোপাল আশ্ৰম আৰু গাওবল মোৰ জীৱনৰপৰা সপোনৰ দৰে নাইকিয়া হৈ গ'ল।

গৱৰ্ণমেণ্টৰ কোনো আঁচনি আৰু লোৱা নহয়। সেইটো অন্ততঃ পৰিষ্কাৰ হ'ল।

বাপু যোৱাৰ পিচৰ এই দহ বছৰ, বাহিৰে মই অতি বেছি পৰিমাণে সক্ৰিয় হৈ আছিলোঁ যদিও অন্তৰৰ অন্তঃস্থলীত মোৰ বাবে ই এটা অনিশ্চয়তাৰ সন্দেহৰ কাল, কোনো জন্তু-বিশেষে জড়ভাৱে শীতকালটো যেনেকৈ অতিক্ৰম কৰে, তেনেকুৱা। এতিয়া অন্তৰতম প্ৰদেশত থকাজনা লাহে লাহে সাৰ পাই উঠিছে। মই নিজকে নিজে ক'লোঁ, "সি যিয়েই নহওক, ঈশ্বৰে নিশ্চয় বাট দেখুৱাব"। অস্থিৰতা ক্ৰমাৎ বৃদ্ধি পাইছিল। দূৰৰ, বহুত দূৰৰ পৰ্বতমালাৰ ভিতৰত সোমাই থাকি, নিজতে বিভক্ত এই নতুন পৃথিৱীখনৰপৰা মই পলাব খুজিছো নেকি? ইয়াৰ স্বকীয় আবিষ্কাৰৰ ভয়ত মই কঁপিছো নেকি? বাহিৰলৈ ওলাই যোৱাৰ ভাব মোৰ হৈছিল, কিন্তু কোনটোনো বাট, পৰিষ্কাৰ হোৱা নাছিল। মই কিহত ধৰিছো বা ধৰিম একো ক'ব পৰা নাছিলোঁ। হয়তোবা, মই নিজকে বুজি পোৱা নাছিলো। সেইদেখি মই কেৱল দিন কটাই জীয়াই আছিলোঁ আৰু অপেক্ষা কৰিছিলোঁ। কিন্তু শৰীৰটো ক'ৰবাত থ'ব লাগিব। সেইদেখি মই পৰ্বতৰ ক'ৰবাত এনে নিৰ্জন চুক এটা বিচাৰিছিলোঁ, যঁত পজা এডোখৰ সাজিব পাৰোঁ। এনে এটা চুক বিচাৰি উলিওৱা সহজ নাছিল, সেইদেখি কিছুদিন মই ঘূৰি ফুৰিছিলোঁ।

এদিন ডাকত পেৰিচৰপৰা মোৰ নামত এটা পাৰ্চেল আহিল। খুলি চাই দেখিলোঁ, বোমাৰোলাৰ বিধবা পত্নীয়ে মোলৈ এখন কিতাপ পঠাইছে। মই মনতে ভাবিলো : "মই এইখন পঢ়িবলৈ ভাল পাম। কিন্তু মই ফৰাচী ভাষা যিকণ শিকিছিলোঁ সেইকণো পাহৰিলোঁ"। সেই কাৰণে কিতাপখন চেলফ'ত থৈ দিলোঁ। তাৰ পিচত ভাবিলোঁ, দিনে দুখন বা তিনিখনকৈ চিঠি পঢ়িব পাৰো নে নোৱাৰোঁ চাওঁ।

কিতাপখন তুলি ললো। মই অন্ততঃ তিনিখন চিঠি পঢ়িব পাৰিলোঁ। পঢ়ি ভালো লাগিছিল। তাৰ পিচত দিনৌ মই কিতাপখন পঢ়িছিলোঁ। কিতাপখন পঢ়ি যেতিয়া শেষ হ'ল সেইখন ঘুৰাই আকৌ পঢ়িবলৈ আৰম্ভ কৰিছিলোঁ।

ইতিমধ্যে কেনেকৈনো কি হ'ল গম নোপোৱাকৈয়ে দেখিলোঁ, মই মোৰ জীৱন সোঁৱৰণ লিখিবলৈ আৰম্ভ কৰিছোঁ। বহুত বছৰৰপৰা মানুহে মোক লিখিবলৈ জোৰ কৰি আছিল। কিন্তু তেওঁলোকৰ কথা মই একে কথাতে অস্বীকাৰ কৰিছিলোঁ, "নিজে নিজে নহালৈকে মই কেতিয়াও নিলিখো।" মই এইবুলি তেওঁলোকক কৈছিলোঁ।

এতিয়া সেয়ে ঘটিল। প্ৰথমতে অলপ ইতস্ততঃ কৰি। কিন্তু পিচলৈ দিনে দিনে বেগ বাঢ়ি আহিল। তাৰ পাচত হঠাৎ এদিন ই বন্ধ হ'ল।

মই কি? মই ক'ত আছো? মোৰ জীৱনে মোক ক'লৈ নিছে? অতীতৰ কথা মই যেতিয়া চিন্তা কৰিছিলোঁ, তেতিয়া মই পৰিষ্কাৰকৈ উপলব্ধি কৰিছিলোঁ যে, বাপুক মই কেতিয়াও পূৰাকৈ সন্তোষ দিব পৰা নাছিলোঁ। কাৰণ, সদায় মই যেন কিবা এটা হেঁচি ৰাখিছিলোঁ। ফলত উত্তেজনা, টনা-আঁজোৰা চলিছিল। বাপুৱে মোৰ ভিতৰৰ সেই কথা লক্ষ্য কৰি, তাৰ বিৰুদ্ধে মোক বহুতবাৰ সাৱধান কৰি দিছিল। কাম আৰু কাম। যোৱা দহ বছৰৰ অবিৰাম কামে নিজক প্ৰকাশ কৰিবলৈ এটা বাট উলিয়াই দিছিল। কিন্তু কিবা এটা যেন অপূৰ্ণ থাকি গৈছে, মোৰ এনে অনুভৱ হৈছিল। এক গভীৰ বিষণ্ণতাই মোক অভিভূত কৰি পেলাইছিল। কেবামাহলৈকে মই এটা শব্দও লিখা নাছিলোঁ।

ঘূৰি ফুৰা চলিয়েই আছিল। অৱশেষত সক মাটি এটুকুৰা পালোঁ। মনতে ভাবিলোঁ, "তেন্তে ইয়াতে থকাৰ ঠিক কৰা হওক।" এই ঠাইডোখৰত আন

কোনো ঘৰ নথকাত, মই ওচৰৰে পাম এখনত জগদীশ আৰু ব্ৰজচাৰীৰে সৈতে আছিলোঁ। তাৰপৰাই মই নিজৌ গৈ পঞ্জী ঘৰটো আৰু গোন্ধালীটো সজা চাবলৈ পাবিছিলোঁ।

মই বিচাৰি উলিওৱা এই ঠাইডোখৰ বৰ ধুনীয়া আছিল। সাধাৰণতে তাৰ তুলনা নাই। এনে ধুনীয়া ঠাই বিচাৰি পাম বুলি মই আশা কৰা নাছিলোঁ। তাত আছিল এখন সৰু চৰণীয়া পথাৰ, দেবদাৰু গছৰ জোপোহা আৰু পৰ্বতমালাৰ মোহনীয় দৃশ্য। গধূলি কাম কৰা মানুহবিলাক ঘৰলৈ উভতি যোৱাৰ পিচত মই তাতে থাকি যাওঁ। এচলীয়া ঘাঁহনিৰ ওপৰত বহি মোৰ সমুখত বিস্তাৰিত হৈ থকা বিশাল পৰ্বতমালাৰ পিনে ব' লাগি চাই থাকোঁ। সেই পৰ্বতমালাৰ ভিতৰত আছিল বন্দৰ পাঞ্চ, কেদাৰনাথ, বদ্ৰীনাথ আৰু লাহে লাহে সোঁ ফালৰ নন্দাদেৱী, আণ্ডু, ত্ৰিশূল পৰ্বত। এই পৰ্বতমালাৰ উচ্চতা বিশৰপৰা পঁচিশ হাজাৰ ফুটৰ ভিতৰত আছিল। বেলি ডুবাৰ লগে লগে চিৰন্তনীয়া ৰবফ মালাৰ বৰ্ণ সোণালীৰপৰা কমলা ৰঙীয়া হয়। শেষত বাতিৰ আন্ধাৰে পৰ্বতৰ শিখৰ পৰ্যন্ত ঢাকি ধৰাৰালৈকে উজ্জ্বল গোলাপী ৰঙীয়া হৈ থাকে। ই এটা শান্তিময় শক্তি উদ্দীপক দৃশ্য। কিন্তু লগতে ই অসুখৰ আত্মাকো জগাই তোলে। মই পাম ঘৰলৈ সপোনতে অহাদি আছোঁ। কাৰণ, তেতিয়াও মোৰ অস্থিৰতা যোৱা নাছিল।

এনে এটা সন্ধিয়া নিজৰ কোঠাত সোমাই মই কৈছিলোঁ—"সেই চিঠি-বিলাক এতিয়া দুবাৰকৈ মই পঢ়িলোৱেই। মোৰ লগত, পঢ়িবলৈ বৌমা-বৌলাৰ আন কোনো কিতাপ নাইনে?"

মোৰ মনত পৰিল, বহুত দিনৰ আগতে বাকচত বাপুৰ মূল চিঠিবিলাকৰ লগতে, ১৯৩১ চনত বাপু ভিলেনিউভত থাকোঁতে বৌমাবৌলাই দিয়া কেবাখনো গ্ৰন্থ মই থৈ দিছিলোঁ। কিতাপখনৰ নাম আছিল "Beethoven —Les gravdes Epoques Creatrices"।

পুৰণি সেই গণ্ডগোলীয়া আৰু কষ্টকৰ দিনবিলাকত, সেই কিতাপ নিবলে পঢ়িবৰ কাৰণে মই সময় পোৱা নাছিলোঁ। পিচলৈ সময় পালেও মোৰ মগজুত এই ভাবটো সোমাইছিল যে, মই ফৰাচী ভাষা সম্পূৰ্ণ পাহৰি গৈছো। সেইদেখি কিতাপকেখন নপঢ়াকৈয়ে থৈ দিয়া আছিল।

এতিয়া বাকচটোৰ ওচৰলৈ গৈ মই সেইখিনি উলিয়াই লৈ পঢ়িবলৈ বহিলোঁ। পঢ়ি থাকোঁতে ভিতৰত যেন কিবা এটা লৰিবলৈ ধৰিলে—কিবা মূল বস্তু এটা। মই মোৰ চকু বন্ধ কৰিলোঁ। হয়, এয়া সেই তেওঁৰ আত্মা। তেওঁৰ সেই সঙ্গীত, যি সঙ্গীত মই শুনিছিলোঁ আৰু যি সঙ্গীতৰ সম্পৰ্কে মোৰ গভীৰ অনুভূতি হৈছিল। ত্ৰিশ বছৰ ধৰি মই তাৰপৰা আঁতৰি আছো। এতিয়া এক নতুন দৃষ্টিৰে নতুন অনুপ্ৰেৰণাৰে তাৰ লগত সংযোগ স্থাপন হৈছে। মই নিজৰ মূল সত্তা উপলব্ধি কৰা সম্বন্ধে সচেতন হলোঁ। কিছু সময় মই আত্মাৰ ৰাজ্যত ডুব গৈ আছিলোঁ। পিচত যেতিয়া সম্বিত ঘূৰি আহিল, দেখিলো, মোৰ আগৰ সেই উত্তেজনা, অস্থিৰতা আৰু নাই। মোৰ এই জীৱনৰ তৃতীয় আৰু শেষ অধ্যায়টো আৰম্ভ হৈছে। ই সমাপ্তি নহয়, এটা প্ৰস্তুতিহে।